**ASS01-0684**

## হিতোপদেশ পৰিচয়

প্ৰিয় শ্ৰোতাসকল ভক্তি বচন অনুষ্ঠানলৈ আপোনাক স্বাগতন জনাইছো। আমাৰ অনুষ্ঠানত জড়িত হোৱাৰ বাবে আন্তৰিকতাৰে ধন্যবাদ জ্ঞাপন কৰো |

আজি আমি বাইবেলৰ পুৰণি নিয়মৰ এখন পুস্তকৰ অধ্যয়ণ আৰম্ভ কৰিব খুজিছোঁ। আমি যিখন পুস্তক আলোচনাৰ বাবে হাতত লব খুজিছোঁ, সেই পুস্তকখনৰ নাম হৈছে হিতোপদেশ। প্ৰিয় শ্ৰোতা, বাইবেলৰ পদ্য আকাৰৰ পুস্তকখবিলাকৰ মাজত এই হিতোপদেশ পুস্তকখনো এখন। এই পুস্তকখনৰ লগতে ইয়োব, গীতমালা, উপদেশক আৰু পৰমগীত কেইখনো একে শ্ৰেণীতে পৰে। কাৰণ এই আটাইকেইখন ইব্ৰী কবিতাৰ আকাৰত লিখা পুস্তক। হিতোপদেশ পুস্তকখনৰ লগতে উপদেশক আৰু পৰমগীত পুস্তক দুখনৰো লিখক চলোমনে।

হিতোপদেশ পুস্তকখন প্ৰজ্ঞাৰ পুস্তক, উপদেশক পুস্তকখন হৈছে অসাৰতাৰ বিষয়ে লিখা পুস্তক আৰু পৰমগীত পুস্তকখন হৈছে পৰমভাৱে ভাল পোৱাৰ পুস্তক। প্ৰজ্ঞা আৰু অসাৰতাৰ মাজ স্থানত পৰম ভাৱেই ভাল পোৱাই হৈছে মহৌষধ বা সুস্থতাকাৰী মলম। প্ৰজ্ঞা, অসাৰতা আৰু ভাল পোৱা এই তিনিওটা বিষয়তে চলোমন বৰ অভিজ্ঞ ব্যক্তি। এই অভিজ্ঞ ব্যক্তি জনৰ ক্ষেত্ৰত বাইবেলে এনেদৰে কৈছে, তেওঁ তিনি হাজাৰ নীতিবচন কৈছিল, তেওঁৰ গীত এক হাজাৰ পাঁচোটা আছিল, ১ৰাজাৱলী ৪:৩২পদ । আমি এনেদৰে পাওঁ, এহেজাৰ পাঁচোটা তেওঁৰ গীতৰ ভিতৰত আমাৰ হাতত কেৱল এটা গীত আছে, সেই গীতটোৱেই হৈছে পৰমগীত বোলা গীতটো। তাৰ উপৰি তেওঁ কোৱা নীতি বচনৰ বহু কমেইহে এতিয়া আমাৰ হাতত আছে। কাৰণ বাইবেলে কৈছে, “তেওঁ লিবানোনত থকা এৰচ গছৰ পৰা গড়ৰ গাত গজা এচোব বনলৈকে সকলো গছৰ বিষয়ে কথা কৈছিল; তেওঁ পশু, পক্ষী, উৰগ জন্তু, আৰু মাছৰ বিষয়েও কথা কৈছিল। আৰু পৃথিবীত থকা যি যি ৰজাবিলাকে চলোমনৰ জ্ঞানৰ বাতৰি শুনিছিল, তেওঁ বিলাকৰ ওচৰৰ পৰা সকলো দেশীয় লোকে চলোমনৰ জ্ঞানৰ বচন শুনিবলৈ আহিছিল।” এই কথা আমি পঢ়িবলৈ পাওঁ ১ ৰাজাৱলী ৪:৩৩-৩৪

হিতোপদেশ পুস্তকত আমি চলোমনৰ প্ৰজ্ঞাৰ বিষয়ে পঢ়িবলৈ পাওঁ বা তেওঁৰ প্ৰজ্ঞাৰ কথাবিলাক আমি পাওঁ। এটা নীতিবচন হৈছে মানুহৰ হিতৰ বাবে কিছু চোকা আৰু খুলাখুলি ভাষাৰে কোনো এটা সত্য কথা প্ৰকাশ কৰা বচন। বহু অভিজ্ঞতাৰ পৰা আহৰিত অভিজ্ঞতা সমূহকে সংক্ষেপকৈ অথচ অতি স্পষ্টকৈ প্ৰকাশ কৰা কথা সমূহকে নীতি বচন বোলা হয়। এই নীতিবচন সমূহ সদায়ে মানুহৰ মঙ্গলৰ অৰ্থে, মানুহৰ হিতৰ অৰ্থে হোৱা উচিত। হিতোপদেশ পুস্তকত থকা নীতি বচন খিনি নিসন্দেহে মানুহৰ হিতৰ বাবে, মানুহৰ হিতজনক সেই কাৰণেই আমাৰ অসমীয়া বাইবেলত নীতি বচন বুলি নকয়, হিতোপদেশ বুলি কোৱা হৈছে। আমাৰ হিতৰ কাৰণে, আমাৰ ভালৰ কাৰণে দিয়া উপদেশ।

নীতিবচন সমূহ এনেধৰণে থলুৱা, ঘৰুৱা আৰু বন্ধুত্বপূৰ্ণ ভাষাত সংক্ষেপে প্ৰকাশ কৰা হয়, যাতে সহজে বুজিব পৰা যায়। নীতি বচন সমূহ স্পষ্ট অভিজ্ঞতাৰ ভেটিত স্থাপিত একো একোটা সংক্ষেপ দাৰ্শনিক কথাৰ নিচিনা। সুন্দৰ জীৱন আচৰণৰ বাবে একো একোটা নীতিৰ নিচিনা। এই নীতি বচনবোৰ দীঘল বচনৰ সংক্ষেপ বচনৰ সাঁথৰ কথা, তুলনা মূলক কথা পুস্তকখনৰ ১নম্বৰ অধ্যায়ৰ ৭নম্বৰ পদটোৱেই মূল পদ বুলি ক'ব পাৰোঁ। এই **হিতোপদেশ ১:৭**



WORD RESOURCES TODAY
www.Radio882.com

**পদ**টোত কোৱা হৈছে, **"যিহোৱালৈ ভয় ৰখাই জ্ঞানৰ আৰম্ভণ, কিন্তু অজ্ঞানবোৰে প্ৰজ্ঞা আৰু শিক্ষা হেয়জ্ঞান কৰে।"** পুৰণি কালৰ প্ৰাচ্যৰ দেশসমূহে এনে নীতি বচনৰ ভঁৰাল।

চলোমনে অৱশ্যে তেওঁৰ নীতি বচনবোৰৰ অনেকবিলাক নীতিবচন আন আন উৎসৰ পৰাও সংগ্ৰহ কৰিছে নিশ্চয়। সেই নীতি বচনবোৰৰ অনেকবিলাক তেওঁৰ নিজৰ সৃষ্টি কিন্তু আটাইবোৰ নীতি বচনৰ সম্পাদনা কাৰী তেওঁ নিজেই। নীতি বচনবোৰ যিহেতু বাইবেলত স্থান পাইছে, গতিকে সেইবোৰ চলোমনৰ নিজৰ সৃষ্টিয়েই হওক বা আন উৎসৰ পৰা সংগ্ৰহ কৰাই হওক, ঈশ্বৰে সেই আটাইবিলাককে নিজৰ নিশ্বাসিত বচনৰূপে গ্ৰহণ কৰিছে। হিতোপদেশ সমূহ যে ঈশ্বৰ নিশ্বাসিত বচন সেই বিষয়ত আমি নিসন্দেহ হব পাৰিম, যেতিয়া আমি এই পুস্তকখন অধ্যয়ন কৰি যাম। কিছুমান বিখ্যাত বাইবেল পণ্ডিতে বিশেষভাৱে মন কৰি দেখা পাইছে যে, হিতোপদেশত ঠায়ে ঠায়ে সৰ্বনাম পদটো দ্বিতীয় পুৰুষৰ পৰা তৃতীয় পুৰুষলৈ সলনি কৰি ব্যৱহাৰ কৰা হৈছে। এওঁ সকলে কয় যে যিবোৰ নীতি বচন বা হিতোপদেশ দ্বিতীয় পুৰুষ ব্যৱহাৰ কৰি কোৱা হৈছে, সেইবোৰ হিতোপদেশ চলোমনক শিকোৱা হৈছে আৰু যিবিলাক হিতোপদেশৰ কথা কওঁতে তৃতীয় পুৰুষ ব্যৱহাৰ কৰি কোৱা হৈছে সেইবিলাক হিতোপদেশ চলোমনে নিজে কৈছে অৰ্থাৎ তৃতীয় পুৰুষত কোৱা হিতোপদেশ বা নীতিবচন বিলাক চলোমনে নিজে ৰচনা কৰা নীতিবচন।

কিন্তু এটা কথা প্ৰিয় শ্ৰোতা, এই যে হিতোপদেশ পুস্তকৰ নীতিবচন আৰু আন আন লিখনি বা উৎসৰ নীতি বচন সেইবিলাকৰ মাজত পাৰ্থক্য আছে। গ্ৰীক লোকসকল নীতি বচন ৰচনা কৰাত বৰ পাকৈত হেনো। বিশেষকৈ জ্ঞান বাদ চৰ্চা কৰা গ্ৰীক সকল। গ্ৰীক ভাষাত ব্যৱহাৰত এওঁলোক বৰ চতুৰ আৰু সিদ্ধ হস্ত। তেওঁলোকে লিখা যিবিলাক গ্ৰীক লিখনি আন ভাষা ভাষি বিদ্বান লোকসকলে পঢ়িছে সেই সকলে কয়, যে এই জ্ঞানবাদী লিখক সকলে এটা শব্দকে লৈ খেলা খেলিব জানে গতিকে তেনে লোক সকলৰ ৰচনা কৰা নীতি বচন সমূহত মানুহৰ হিতৰ বাবে সত্য নিহিত থকাৰ পৰিবৰ্তে তেওঁলোকৰ নিপূণতা আৰু পাৰ্গতালিৰ ক্ষেত্ৰতহে গুৰুত্ব নিহিত থাকিব পাৰে। এনে নীতি বচনে মানুহৰ মনত আনন্দৰ খোৰাক যোগাব পাৰে সঁচা, কিন্তু মানুহৰ জীৱনৰ বাবে হিত জনক তাত একো নাথাকিব পাৰে।

হিতোপদেশ পুস্তকৰ নীতিবচন সমূহৰ ক্ষেত্ৰত কেইটা মান প্ৰয়োজনীয় লক্ষণ আৰু ৰূপ আমি মন কৰা উচিত। ১ নম্বৰ কথাটো হৈছে হিতোপদেশ পুস্তকৰ নীতিবচন কোনো বিজ্ঞান বিৰুদ্ধ বিষয় বা অশুদ্ধ কথা নাই। উদাহৰণ স্বৰূপে চাওক, **হিতোপদেশ ৪ নম্বৰ অধ্যায়ৰ ২৩ নম্বৰ পদৰ** গভীৰ বচন সাৰলৈ পদটোত কোৱা হৈছে, **"ৰক্ষা কৰিবলৈ লগীয়া সকলো বস্তুৰ মাজত সকলোতকৈ তোমাৰ হৃদয়ক অধিক যত্নেৰে ৰক্ষা কৰা, কিয়নো তাৰে পৰাই জীৱন উৎপন্ন হয়।"**

এইটো বাস্তৱিকতে এটা বৰ মন কৰিবলগীয়া কথা কাৰণ চলোমনে এই কথা কোৱাৰ প্ৰায় দুহেজাৰ সাত শ বছৰ পাছত বিজ্ঞানী হাৰ্ভে মহাশয়ে আৱিষ্কাৰ কৰি পাইছিল যে, হৃদয়ে বা অন্তৰখনে চাপ দিয়াৰ কাৰণে মানুহৰ শৰীৰত ৰক্ত প্ৰবাস ঘটে। অৰ্থাৎ হিতোপদেশ ৪ অধ্যায় ২৩ নম্বৰ পদৰ কথা খিনি অতি বিজ্ঞান সন্মত।

তাৰ বিপৰীতে চাওক, ঈশ্বৰৰ নিশ্বাসিত বচনৰ শাৰীত নপৰা বাৰ্নবাৰ পত্ৰ বোলা পুস্তকখনত এটা পক্ষীৰ কথা কোৱা হৈছে। যিটো পক্ষী নিজে জুইত জপিয়াই পুৰা খাই মৰে আৰু তাৰ পাছতে মৰাৰ পৰা জী উঠে। এয়া এটা কাল্পনিক পক্ষী, এনেকুৱা কথা কোনোমতে বিজ্ঞান



WORD RESOUNDS TODAY
www.Radio882.com

সন্মত হ'বই নোৱাৰে। এনে অসত্য বিজ্ঞান বিৰুদ্ধ কথা বাইবেলত কতো নাই। এইটো বাস্তৱিকেই বৰ আচৰিত কথা যে হিতোপদেশখন ইমান পুৰণি যুগৰ লিখনি তথাপি ইয়াৰ নীতি বচনবোৰ অতি বিজ্ঞান সন্মত এনে এটা নীতিবচন ইয়াত নাই যি বিজ্ঞান বিৰুদ্ধ। ইয়াৰ দ্বাৰাই আমি জানিব পাৰো যে, হিতোপদেশ পুস্তকখনৰ আটাইবিলাক পুস্তকখনেই ঈশ্বৰ নিশ্বাসিত বচন।

২ নম্বৰ কথাটো হৈছে, হিতোপদেশত কোনো ধৰণৰ অনৈতিকতা বা নীচ চিন্তাৰ নীতি বচন নাই। আন আন লিখনিৰ নীতিবচন সমূহত নিন্দা, ইতিকিং বা নিৰাশ কৰা অভিপ্ৰায়েৰে ৰচনা কৰা নীতি বচন থাকিব পাৰে। প্ৰকৃততে সেইবোৰক নীতিবচন বুলিব নোৱাৰি বৰং ইতিকিং, নিন্দা কৰাৰ ফকৰা যোজনা বুলি কব পাৰি। অৱশ্যে এনে কিছু বিশেষ লোকৰ লিখনি থাকিব পাৰে যিবোৰত বৰ উচ্চ নৈতিকতাৰ নীতি বচন থাকিব পাৰে। দাৰ্শনিক পণ্ডিত ছক্ৰেটিছৰ লিখনি সমূহক উচ্চ পৰ্যায়ৰ নৈতিকতা লিখনি বোলা যায়। তেওঁৰ প্ৰতি আকৰ্ষিত হোৱা আৰু তেওঁক সন্মান কৰা লোক সকলে কয়, যে তেওঁৰ লিখনি সমূহত বাস্তৱিকতে উচ্চ নৈতিক পৰামৰ্শ নিহিত আছে। কিন্তু তথাপি তেওঁৰ লিখনিত পোৱা যে তেওঁ বেশ্যা মহিলা সকলকো পৰামৰ্শ দি কৈছিল, তেওঁলোক কেনে জীৱন আচৰণ কৰা উচিত। মুঠ কথাত আমি তেখেতক এগৰাকী উচ্চ নৈতিকতাৰ ব্যক্তি বুলি মানিব পাৰো তথাপি খ্ৰীষ্টিৰ পূৰ্বৰ কোনো ব্যক্তিক খ্ৰীষ্টিয় লোক বোলাটো সম্ভৱ নহয়, গতিকে তেওঁকো আমি খ্ৰীষ্টিয় ব্যক্তি বুলিব নোৱাৰোঁ।

৩ নম্বৰ কথাটো হল হিতোপদেশৰ নীতি বচন সমূহ পৰস্পৰ বিৰুদ্ধ নহয়।কিন্তু আমি ভালদৰে মন কৰিলে দেখা পাওঁ যে মানুহে ৰচনা কৰা নীতি বচন সমূহ যদি ঈশ্বৰ নিশ্বাসিত বচন নহয়, তেন্তে বহু সময়ত তেনে নীতি বচনসমূহ পৰস্পৰ বিৰুদ্ধ ৰূপে দেখা যায়। যেনে এটা নীতি বচনত কোৱা হৈছে “জপিওৱাৰ আগত দুবাৰ ভাবিবা” কিন্তু তাৰ বিপৰীতে আন এটা নীতি বচনত আকৌ এনেদৰে কৈছে “যিয়ে কৰো নকৰোকৈ চিন্তা কৰি থাকে তেওঁ পায়ো হেৰুৱাই।” সেইদৰে এটা নীতি বচনত কৈছে, “মানুহে যিমান খিনিৰ বাবে মূল্য বহন কৰে সিমান খিনিকেহে পাই।” কিন্তু আনহাতে আনটো নীতি বচনত কোৱা হৈছে বুলে “জীৱনৰ সৰ্বোত্তম প্ৰয়োজনীয়বোৰ বিনামূল্যে পোৱা যায়।” একেদৰে এটা নীতি বচনত কোৱা হৈছে, “দিনৰ পৰ্বত ৰাতিৰ জুই তাক নেখেদি থাকিবা শুই।” কিন্তু তাৰ বিপৰীতে আন এটা নীতি বচনত এনেদৰে কোৱা হৈছে বুলে- “শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে।” এৰা আমি এনেকুৱা বিপৰীত বিপৰীত অৰ্থ প্ৰকাশক নীতি বচন বহুতো আমাৰ মাজত চলি থকা দেখা পাওঁ। কাৰণ এই বিলাক মানুহৰ পৰা সৃষ্টি হোৱা নীতি বচন।

কিন্তু ঈশ্বৰৰ বচন এই হিতোপদেশৰ নীতি বচন সমূহত তেনে পৰস্পৰ বিৰুদ্ধ নীতি বচন পোৱা নাযায়। হিতোপদেশৰ নীতি বচনসমূহ এনে কিছুমান নীতি বচন যিবিলাক কোনো বিষয় ভিত্তিত একাদিশ ক্ৰমে সজোৱা নহলেও প্ৰতিটো নীতি বচনেই গভীৰ জ্ঞান আৰু প্ৰজ্ঞাৰ সন্ধান যোগায়। হিতোপদেশ পুস্তকখনে এজন যুৱকৰ ছবি দাঙি ধৰে যি জনে হিতোপদেশ ১:৭ পদটোকেই তেওঁৰ জীৱনৰ প্ৰথম পাঠ ৰূপে আঁৰৰায় জীৱন যাপন কৰিবলৈ আৰম্ভ কৰিছে।

মন কৰিবলগীয়া কথাবোৰৰ ভিতৰত এইটো এটা যে চলোমনৰ সময়ত এই নীতি বচন সমূহ যিমান সত্য আছিল এতিয়াও সিমানেই সত্য। তেতিয়া যিমান সময় উপযোগী আছিল এতিয়াও সিমানেই সময় উপযোগী। সকলো সময়ৰ সকলো লোকৰ বাবে আশীৰ্বাদ জনক, নৈতিক জীৱন ধাৰণৰ বাবে বৰ সহায়ক আৰু আত্মিক জীৱন ধাৰণৰ বাবে নিশ্চিতভাৱে ফলদায়ক।



WORD RESOUNDS TODAY
www.Radio882.com

কোনো লোকে হয়তো আপত্তি দৰ্শাই কব পাৰে যে, হিতোপদেশত শুভবাৰ্তা বা যীচু খ্ৰীষ্টৰ কোনো নাম গোন্ধই নাই,কিন্তু মন কৰক প্ৰিয় শ্ৰোতা, এই যে ইমানবোৰ গভীৰ আৰু সকলো সময়ৰ সকলো মানুহৰ বাবে উপযোগী আৰু আশীৰ্বাদ জনক প্ৰজ্ঞা এই পুস্তকখনত চলোমন আৰু আন ব্যক্তিৰ জৰিয়তে প্ৰকাশ কৰা হৈছে যে সেইবোৰ প্ৰভু যীচু খ্ৰীষ্টৰ প্ৰজ্ঞাৰ বাহিৰে আন কাৰ প্ৰজ্ঞা হব পাৰে বাৰু? চলোমন আৰু আন সকল ব্যক্তি এইবোৰ প্ৰজ্ঞা প্ৰকাশ কৰা বাহক মাথো। কব লাগে দেখিয়েই কোৱা বিধৰ কথা হিতোপদেশত নাই। ৰাজ দৰবাৰত বাদুলিয়ে কল খোকা খোৱাৰ নিচিনা প্ৰাসংগিকতা বিহীন কথা ইয়াত নাই। বিষয় ভিত্তিত একাদিশ ক্ৰমে সজোৱা নহলেও ইয়াৰ আটাইবিলাক বচনেই অৰ্থ পূৰ্ণ আৰু উত্তম ৰূপে ফল দায়ক। তেওঁৰ ৰচিত নীতি বচন সমূহৰ ক্ষেত্ৰত চলোমনে নিজে কৈছে এইদৰে তাৰোপৰি উপদেশক জ্ঞানৱান হোৱাত তেতিয়াও তেওঁলোক বিলাকক জ্ঞান শিক্ষা দিছিল। এনে কি তেওঁ বিবেচনা কৰি মনতে বিচাৰি বিচাৰি অনেক নীতি বাক্য ৰচনা কৰিছিল।

উপদেশক ১২:৯ পদ বাইবেলত যিসকল ব্যক্তিৰ বিষয়ে আমি পাওঁ সেই ব্যক্তি সকলৰ জীৱন আচৰণৰ সৈতে খোৱা নীতি বচন হিতোপদেশত আছে। আন কথাত কবলৈ হলে, হিতোপদেশৰ নীতি বচন সমূহৰ মাজেৰে সেই ব্যক্তি সকলৰ জীৱন আচৰণ প্ৰতিফলিত হয়। পুস্তকখন অধ্যয়ন কৰি যাওঁতে, আমি তেনে কেইজনমান ব্যক্তিৰ বিষয়ে চাব পাৰিম। তাৰোপৰি আমি দেখিম যে এই নীতি বচন সমূহৰ মাজেৰে কম বেছি পৰিমাণে আমাৰ প্ৰত্যেকৰে চৰিত্ৰ প্ৰতিফলিত হয়। হিতোপদেশ বা নীতি বচন সমূহ তুলনা মূলক কথা। হিতোপদেশ পুস্তকত থকা নীতি বচন সমূহ আমি তিনি ধৰণৰ তুলনা মূলক কথাত পাওঁ।

এক- একাৰ্থক তুলনা বচন, ইংৰাজীতে যাক চিননিমাচ পেৰেলেলিজম বোলা হয়। এনে ধৰণৰ তুলনা কথা আচলতে প্ৰথমে-যিষাৰ কথা কোৱা হল, তাকেই দ্বিতীয়ষাৰ কথাত কিছু বেলেগকৈ কোৱা হয়, উদাহৰণ স্বৰূপে **হিতোপদেশ ১৯:২৯ পদ**ৰ তুলনা মূলক কথাষাৰলৈকে চাওক চোন পদটোত কোৱা হৈছে **"নিন্দক বিলাকৰ নিমিত্তে দণ্ড, কিন্তু অজ্ঞানী বিলাকৰ পিঠিৰ নিমিত্তে চাবোকৰ প্ৰহাৰ প্ৰস্তুত ৰখা হয়।"** ইয়াত নিন্দক বিলাকে অজ্ঞানী আৰু অজ্ঞানী বিলাক নিন্দক হয়, গতিকে নিন্দক সকলে দণ্ড পোৱা মানে, অজ্ঞানী বিলাকে চাবোকৰ প্ৰহাৰ পোৱা একেটা কথা। কাৰণ দণ্ড আৰু চাবোকৰ কোব দুয়োটাই দণ্ড।

দ্বিতীয়তে বিপৰীত ভাৱৰ তুলনা কথা যিহক ইংৰাজীতে এন্টিথেটিক পেৰেলিলেজিম বোলা হয়। এই বিধৰ তুলনা কথা নীতি বচনেৰে প্ৰথমটো খণ্ড বাক্যত প্ৰকাশ কৰা সত্য কথাকে দ্বিতীয়টো খণ্ড বাক্যৰ বিপৰীত ভাৱৰ সত্য কথাৰে অধিক জোৰবান কৰি তুলা হয়, উদাহৰণ স্বৰূপে **হিতোপদেশ ১৩:৯ পদ**ৰ তুলনা মূলক কথাষাৰলৈকে চাওক চোন পদটোত কোৱা হৈছে **"ধাৰ্মিক বিলাকৰ প্ৰদীপ ভালকৈ জ্বলে কিন্তু দুষ্ট বিলাকৰ চাকি নুমাই যায়।"** ইয়াত মন কৰিলে দেখা পোৱা যায় যে প্ৰথমটো সত্যতাকেই বিপৰীত ভাৱৰ দ্বিতীয় সত্যতাৰে অধিক জোৰবান কৰি তুলা হৈছে।

তৃতীয় নম্বৰটো হৈছে ভাৱ সংযোগী তুলনা কথা ইয়াক ইংৰাজীত চিনথেটিক পেৰেলিলেজিম বুলা হয়। এই বিধ তুলনা কথা দ্বিতীয় খণ্ড বাক্য বা সত্যতাই প্ৰথমটো খণ্ড সত্যতাৰ ওপৰত অধিক বিকাশ ঘটায়। আন কথাত এটা ভাৱৰ লগত আন এটা ভাৱ সংযোগ কৰি কথাষাৰ নীতি বচন সাৰত অধিক স্পষ্ট কৰি তুলা হয়। উদাহৰণ স্বৰূপে চাওক



WORD RESOUNDS TODAY
www.Radio882.com

**হিতেপদেশত ২০:২ পদ**ৰ কথাষাৰ ইয়াত কোৱা হৈছে – **“ৰজাৰ পৰা অহা আতংক সিংহৰ গৰ্জনৰ তুল্য, যি মানুহে তেওঁৰ খং তোলে তেওঁ নিজৰে জীৱনৰ অহিতে পাপ কৰে।”**

প্ৰিয় শ্ৰোতা, নীতি বচনৰ এই পুস্তকখনৰ অধ্যয়ন আপুনি প্ৰথমৰ পৰা শেষলৈকে যদি মনোযোগেৰে শুনে তেন্তে নিশ্চয় উপকৃত হব। এই পুস্তকখনত ৩১ টা অধ্যায় আছে, এই অধ্যায় ৩১ টাৰ আমি ৫টা ভাগ দেখা পাওঁ।

প্ৰথমটো ভাগ–১–৯ নং অধ্যায়লৈকে আমি পাওঁ প্ৰজ্ঞা আৰু অজ্ঞনতা যে দুটা বিপৰীত ধৰ্মী বিষয় সেই সম্পৰ্কে।

দ্বিতীয় ভাগ–১০–২৪ অধ্যায় তাত আমি পাওঁ চলোমন ৰচিত নীতি বচন সমূহ। যিবোৰ তেওঁ ৰচনা কৰাৰ লগতে ভালদৰে মজুত কৰি ৰাখিছিল।

তৃতীয় ভাগ–আমি পাওঁ ২৫ নম্বৰ অধ্যায়ৰ পৰা ২৯ নম্বৰ অধ্যালৈকে আৰু ইয়াত আমি পাওঁ চলোমনে ৰচনা কৰা নীতি বচন সমূহ কিন্তু হিষ্কিয়া ৰজাৰ মানুহ কেইজন মানেহে এই পাঁচটা অধ্যায়ৰ নীতি বচন সমূহ সংগ্ৰহ কৰিছিল।

চতুৰ্থ ভাগ–৩০ নং অধ্যায়ত জাকি নামৰ কোনো লোকৰ পুত্ৰ কোনোবা অজ্ঞাত জ্ঞানী গুণী অগু নামৰ ব্যক্তিয়ে ঈশ্বৰৰ পৰা পায় কোৱা বচন।

পঞ্চম ভাগ– ৩১ নং অধ্যয়াত লেমূৱেল ৰজাৰ মাতৃয়ে তেওঁৰ ৰাজপুত্ৰক শিক্ষা দিয়া ঐশ্বৰিক বচন ।

পুস্তকখনৰ পাতনিৰ কথা কয় আমি ইমানতে সামৰিছো । পৰৱৰ্তী অনুষ্ঠানত পুনৰবাৰ লগ পোৱাৰ আশা ৰাখিছো । ঈশ্বৰে আপোনাক আৰ্শীবাদ কৰক নমস্কাৰ ।

**<u>পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:</u>**

১) জ্ঞানী চলোমনে মুঠ কেইটা নীতি বচন লিখিছিল ?

২) হিতোপদেশ পুস্তকৰ মূল পদটো কি ?

৩) হিতোপদেশ পুস্তকখনৰ ৩১টা অধ্যায়ক কেইটা ভাগত ভাগ কৰিব পাৰি ?

৪) পৰমগীত পুস্তকখন কাৰ দ্বাৰা লিখিত ?

৫) জ্ঞানী চলোমনে মুঠ কেইটা নীতিবচন লিখিছিল ?

WORD RESOUNDS TODAY



www.Radio882.com

ASS02-0685

## হিতোপদেশ ১ অধ্যায়

যোৱা অনুষ্ঠানত আমি বাইবেলৰ এখন নতুন পুস্তকৰ অধ্যয়ন আৰম্ভ কৰিছিলো। পুস্তকখন হৈছে বাইবেলৰ পুৰণি নিয়ম খণ্ডৰ হিতোপদেশ নামৰ পুস্তকখন। কিন্তু যোৱা অনুষ্ঠানত আমি সেই হিতোপদেশ পুস্তকখনৰ এটা পৰিচয় মাত্ৰ আগবঢ়ালো কিন্তু আজিৰ অনুষ্ঠানত আমি পুস্তকখন আলোচনাৰ কাৰণে হাতত লব খুজিছোঁ। আজিৰ অনুষ্ঠানত এই হিতোপদেশ পুস্তকৰ ১ অধ্যায়টো আলোচনা কৰিম।

বহুতে ভাৱে যে হিতোপদেশ পুস্তকত হৃদয় স্পৰ্শ কৰা কোনো কাহিনী বা বাণী নাই। পবিত্ৰ আত্মাৰে পৰিচালিত হৈ যি সকলে এই পুস্তকখন নীতি বচনসমূহ অধ্যয়ন কৰে। তেওঁলোকে কিন্তু সেইদৰে ক'ব লগা নহয় কাৰণ তেওঁলোকে ইয়াৰ নীতি বচন সমূহৰ মাজেৰে প্ৰত্যেক মানুহৰে চৰিত্ৰ প্ৰতিফলিত হোৱা দেখা পাই। আপোনালোকৰ এই তাৎপৰ্যহীন দাসেও এই পুস্তকখন অধ্যয়ন কৰি দেখিছো যে ইয়াৰ প্ৰায় প্ৰতিটো অধ্যায়তে এই তাৎপৰ্যহীন দাসৰ ছবি দাঙি ধৰা হৈছে। সকলোৰে বাবে ইয়াত বাণী আছে তাক আমি আটাইলোকে ইয়াক স্বীকাৰ কৰিব লাগিব সঁচা। কিন্তু তথাপি নীতি বচন সমূহৰ যোগেদি ইয়াত যি বাণী দিয়া হৈছে সেইবিলাক বিশেষভাৱে যুৱক-যুৱতী সকলক লক্ষ্য কৰি দিয়া হৈছে।

আগৰ দিনবোৰত যেনেকৈ আজিও তেনেকৈয়ে যুৱক-যুৱতী সকলে তেওঁলোকৰ জীৱনৰ অজস্ৰ প্ৰশ্নৰ উত্তৰ বিচাৰে। এই পুস্তকৰ নীতি বচন সমূহৰ মাজেৰে তেওঁলোকে তেওঁলোকৰ বহুতো প্ৰশ্নৰ উত্তৰ বিচাৰি পাব পাৰে। কিন্তু এটা কথা নিজৰ ভাল লগা বিধৰ অ'ৰ-ত'ৰ পৰা নীতি বচন বিচাৰি পঢ়াৰ দ্বাৰা যুৱক-যুৱতী সকলে তেওঁলোকৰ জীৱনৰ প্ৰশ্নৰ উত্তৰ সমূহ বিচাৰি নাপাব। বৰংখৰচি মাৰি এফালৰ পৰা প্ৰথমটো অধ্যায়ৰ পৰা শেষৰ অধ্যায়লৈকে অধ্যয়ন কৰিলে নিসন্দেহে তেওঁলোকৰ জীৱনৰ বহু প্ৰশ্নৰ উত্তৰ বিচাৰি পাব পাৰে।

১ নম্বৰ অধ্যায়ৰ ১ নম্বৰ পদটো পাঠ কৰিছো শুনক, ইস্ৰায়েল ৰজা দায়ূদৰ পুত্ৰ চলোমনৰ নীতি বচন। যি সকলে বাইবেল মেলি লৈছে, সেই সকলে ছাগে ভাবিছে, ১নম্বৰ পদটো পাঠ কৰা বুলি দেখুন ১ নম্বৰ পদত নথকা কথা পাঠ কৰিছে। আপুনি ঠিকেই ধৰিছে, মই পাঠ কৰা কথা খিনি ১ নম্বৰ পদত নাই ৪ নম্বৰ পদতহে আছে। এয়া কিয় হৈছে জানেনে? ইংৰাজী আৰু অসমীয়া ভাষাৰ বাক্য গাঁথনিৰ পাৰ্থক্যৰ বাবে এনেকুৱা হৈছে। আপোনালোকৰ এই অযোগ্য দাসে ইংৰাজীত থকাৰ নিচিনাকে পাঠ কৰিছো কাৰণ পুস্তকখনৰ মূল ভাষা ইব্ৰীতো এই কথাখিনি এনেদৰে আছে। অসমীয়াতো তেনেভাৱে অনুবাদ কৰা গ'লহেঁতেন কিয় নকৰিলে আমি নাজানো। ই যিকি নহওক আমি/1বাক্যৰ গাঁথনিৰ কথাত মনোযোগ দিয়াৰ সলনি পদৰ একাদিক্ৰমতা ওপৰত গুৰুত্ব দিছো। পদটোত আমি পালো যে লিখক জন স্বয়ং চলোমন ৰজা নিজে। এইটো ঠিক যে চলোমনে নীতি বচন আন আন উৎসৰ পৰা সংগ্ৰহ কৰিছে। তেওঁ নিজেও বহুবিলাক নীতি বচন ৰচনা কৰিছে কিন্তু সংগ্ৰহ কৰা আৰু নিজে ৰচনা কৰা আটাইবিলাকৰ সম্পাদনা হলে তেওঁ নিজে কৰিছে।



WORD RESOUNDS TODAY

www.Radio882.com

আমি ইতিমধ্যে গম পাইছো যে, এইখন পুস্তকত যিমানবিলাক নীতিবচন আছে তাতকৈ বহু বেছি নীতি বচন তেওঁ ৰচনা কৰিছে। আমি আমাৰ পাতনিৰ পাঠতে কয় আহিছিলো যে পুস্তকখনৰ পাঁচটা ভাগ আছে আৰু তাৰে প্ৰথমটো ভাগত আমি ভগাব পাৰো ১-৯ নং অধ্যায়লৈকে থকা অধ্যায় কেইটা। এই প্ৰথম ভাগটোত আমি পাওঁ যে প্ৰজ্ঞা আৰু অজ্ঞানতা এই দুটা সম্পূৰ্ণ বিপৰীত ধৰ্মী বিষয়। তদোপৰি আমি আমাৰ পাতনি পাঠতেই কৈছিলো হিতোপদেশ পুস্তকখনে এনে এজন যুৱকৰ ছবি দাঙি ধৰিছে, যি জনে তেওঁৰ জীৱনৰ পাঠবোৰ আঁৰবায় আঁৰবায় জীৱন যাপন কৰিবলৈ শিকিছে। সেয়ে এতিয়া ২-৪ নম্বৰ পদলৈ দেখা পাওঁ যে ঘৰৰ লৰাই এতিয়া জীৱন পথত গৰম বালিত খোজবোৰ আগুৱাই দি দি জীৱন যাপন কৰিবলৈ আৰম্ভ কৰি দিছে। আৰু তেওঁৰ বাবে ঈশ্বৰৰ এইবোৰ শিক্ষা দৰকাৰ হৈছে।

এইবোৰ শিক্ষা মানে কোনবোৰ শিক্ষা? তাকে আমি ২-৪ নং পদলৈকে পঢ়িছোঁ শুনক, অৱশ্যে আমাৰ অসমীয়া বাইবেলৰ মতে ১-৩ নং পদতহে কথা খিনি পোৱা যাব। কাৰণ ইংৰাজী ১নং পদৰ কথাষাৰ আমাৰ অসমীয়া বাইবেলৰ ৪ নং পদতহে আছে। আৰু অসমীয়াৰ ৪নং পদৰ কথাষাৰ ইংৰাজীৰ ১নং পদতহে আছে। যি কি নহওক পাঠ কৰিছো শুনিব, পঢ়োতেও অসমীয়া বাইবেলত প্ৰয়োগ কৰা অসমীয়া শব্দ দুই এটা সলনি কৰি ইংৰাজী শব্দৰ অবিকল অসমীয়া অৰ্থৰ অসমীয়া শব্দ ব্যৱহাৰ কৰিছো শুনিব চোন। **"প্ৰজ্ঞা আৰু শিক্ষা লাভ কৰিবলৈ বুদ্ধিমান লোকৰ বাক্য বুজিবলৈ" (হিতোপদেশ ১:৯পদ) ।"** প্ৰজ্ঞা, ন্যায়, বিচাৰ আৰু হিতাহিত জ্ঞান সম্পৰ্কে শিক্ষা আহৰণ কৰিবলৈ বোধহীন সকলক বোধ আৰু যুৱক-যুৱতী সকলক জ্ঞান আৰু বুদ্ধি বিবেচনা দিবলৈ, আন কথাত ইস্ৰায়েলৰ ৰজা দায়ূদৰ পুত্ৰ চলোমনৰ নীতি বচন সমূহ এইবোৰৰ কাৰণে ৰচনা কৰা হৈছে। পদকেইটাত ৯টা মান শব্দ ব্যৱহাৰ কৰা হৈছে, আৰু আটাই কেইটা শব্দ একাৰ্থক যেন লাগিলেও কিন্তু একে নহয়। শব্দ কেইটাৰইটোৰ লগত সিটোৰ সম্বন্ধ আছে সেইটো ঠিক। কিন্তু তথাপি একে অৰ্থৰ শব্দ নহয়।

**প্ৰথমতে আছে-** প্ৰজ্ঞা লাভ কৰাৰ কথা, প্ৰজ্ঞা মানেনো আচলতে কি? বাইবেলৰ মতে প্ৰজ্ঞা মানে হৈছে জ্ঞানৰ ঠিক ব্যৱহাৰ। কেৱল এইখন পুস্তকতে এই শব্দটো ৩৭ বাৰ উল্লেখ কৰা হৈছে। বাইবেলত এইটো বৰ প্ৰয়োজনীয় শব্দ। আপুনি বহু মানুহ লগ পাব যি সকলৰ বিস্তৰ জ্ঞান আছে কিন্তু তেওঁলোকে সেইবোৰ জ্ঞান ঠিক ৰূপে ব্যৱহাৰ কৰিব নজনাত নিজকে জ্ঞানী মানুহ ৰূপে প্ৰতিষ্ঠিত কৰিব নোৱাৰে। সঁচা কথা এটা কওঁনে বাৰু? পুৰণি নিয়ম বাইবেলৰ মতে আজিৰ খ্ৰীষ্টিয় বিশ্বাসকাৰী সকলৰ বাবে যীচু খ্ৰীষ্টই হৈছে প্ৰজ্ঞা।/1বাইবেলে কৈছে **"কিন্তু যি যীচু ঈশ্বৰৰ পৰা আমালৈ প্ৰজ্ঞা অৰ্থাৎ ধাৰ্মিকতা, পবিত্ৰতা লাভ আৰু মুক্তি হল ঈশ্বৰৰ পৰাই তোমালোক সেই খ্ৰীষ্ট যীচুত আছা (১কৰিন্থীয়া ১:৩০পদ) ।"**

প্ৰজ্ঞাই সদায় ১নং স্থান দখল কৰে। সেয়ে **প্ৰজ্ঞাক জনা মানে প্ৰভু যীচু খ্ৰীষ্টক জনাকেই বুজায়।** পৌলে মনৰ প্ৰৱল ইচ্ছা প্ৰকাশ কৰি কৈছে, "তেওঁক যেন জানিবলৈ পাওঁ" ফিলিপীয়া ৩:১০ পদ। অহ্ পৌলৰ প্ৰৱল ইচ্ছা যদি আজি আমাৰ ইচ্ছা হোৱা হলে কিমান সুন্দৰ কথা হল হেঁতেন। প্ৰিয় শ্ৰোতা, খ্ৰীষ্ট যদি প্ৰজ্ঞা হয় তেন্তে খ্ৰীষ্টক জনা সকলে তেওঁলোকৰ জ্ঞান সদায় ঠিক ৰূপে ব্যৱহাৰ কৰিব। আপুনি তীক্ষ্ণ বুদ্ধি সম্পন্ন মানুহ নহব পাৰে, কিন্তু আপুনি যদি খ্ৰীষ্টক পাইছে তেন্তে আপুনি প্ৰজ্ঞা লাভ কৰিছে।

WORD RESOUNDS TODAY



www.Radio882.com

**দ্বিতীয় ব্যৱহাৰিত শব্দটো হৈছে-** শিক্ষা, **শিক্ষা শব্দটো হিতোপদেশ পুস্তকখনত ২৬ বাৰ ব্যৱহাৰ কৰা হৈছে।**এই শিক্ষা বোলা শব্দটোকে কোনো কোনো ঠাইত শাস্তি দিয়া বুলিও ব্যৱহাৰ কৰা হৈছে। উদাহৰণ স্বৰূপে **হিতোপদেশ ১৩:২ ৪পদৰ** কথাটোলৈকে চাওক- **"যি জনে নিজৰ পুতেকক চেকনী নিদিয়ে, তেওঁ তাক ঘিণ কৰে, কিন্তু যি জনে তাক স্নেহ কৰে, তেওঁ উচিত সময়ত তাক শাস্তি দিয়ে।"** আন কথাত কবলৈ হলে **উচিত সময়ত উচিত বিধৰ শাস্তি দিয়াকো শিক্ষা দিয়াকে বুজায়।** সেয়ে শিক্ষা দিয়াৰ আচল অৰ্থটো হৈছে **অনুশাসনৰ দ্বাৰাই শিক্ষা দিয়া।** কিন্তু আজি এই সত্যতাটো পাহৰণিত জাহ গৈছে। এনে কথাত মানুহ আজি ঈশ্বৰৰ বচনৰ পৰা আঁতৰি গৈছে আৰু তাৰ ফল স্বৰূপে বিপৰীত ধৰণৰ কামবোৰ কৰা হৈছে। উদাহৰণ স্বৰূপে চাওক- দেশৰ আইন অমান্যকাৰী সকলক কাৰাগাৰত বন্দী কৰি ৰখা হৈছে অনুশাসন মূলক শাস্তি বিহিবলৈ যাতে তেওঁলোকৰ জীৱনৰ শুধৰণি হয়। অপৰাধী সকলৰ ক্ষেত্ৰত বাইবেলে তেনে পৰামৰ্শ দিয়া নাই। ঈশ্বৰৰ বচনৰ মতে **অপৰাধীৰ উচিত বিচাৰ হব লাগে আৰু উচিত শাস্তি বিহিব লাগে, সেইটোহে বাইবেলৰ পৰামৰ্শ।** কিন্তু লৰা-ছোৱালীৰ ক্ষেত্ৰতহে অনুশাসন মূলক শিক্ষা হব লাগে, যাতে তেওঁলোকৰ জীৱন গঢ়ি তুলিব পৰা যায়। আজিৰ পৰিয়ালবিলাকত পিতৃ-মাতৃয়ে আৰু বিদ্যালয় সমূহত শিক্ষাবিদ আৰু শিক্ষক-শিক্ষয়ত্ৰী সকলে মনোবিজ্ঞানৰ ভিত্তিত মৰম, ভালপোৱা, বুজনি কথা আৰু পৰামৰ্শ আদিৰে লৰা-ছোৱালীক শিক্ষা দিব লাগে বুলি কয়। বাইবেলৰ অনুশাসন মূলক শিক্ষাৰ কথা তেওঁলোকে সমূলঞ্চে জলাঞ্জলী দিছে। কিন্তু লৰা-ছোৱালীবিলাকক শিক্ষা দিয়াৰ ক্ষেত্ৰত বাইবেলে যিটো পৰামৰ্শ দিছে, সেইটো হৈছে অনুশাসন মূলক শিক্ষা, আজিকালি এনে হৈছে যে লৰা-ছোৱালীবিলাকেহে পিতৃ-মাতৃক শিক্ষা দিয়া, পৰামৰ্শ দিয়ে আৰু কয়- পিতৃ-মাতৃ সকলে কি কৰা উচিত আৰু কি নকৰা উচিত। এবাৰ এগৰাকী যুৱকে সেইদৰে পিতৃ-মাতৃক এটা দীঘল পৰামৰ্শ দিয়াৰ এক সপ্তাহৰ পাছতে এটা ডাঙৰ অপৰাধৰ বাবে কাৰাগাৰত বন্দী জীৱন কটাবলৈ যাব লগীয়া হৈছিল। কিন্তু পিতৃ-মাতৃ, শিক্ষক-শিক্ষয়ত্ৰী সকলে পুনৰ বাইবেলৰ পৰামৰ্শলৈ ঘূৰি গৈ নিজৰ নিজৰ লৰা-ছোৱালী আৰু ছাত্ৰ-ছাত্ৰী সকলক অনুশাসন মূলক শিক্ষা দিলে নিশ্চয়ে সুফল লাভ কৰিব।

**তৃতীয়টো বিষয় হৈছে-** বুদ্ধিমান লোকৰ বচন বুজি পোৱা। ইয়াৰ মানে হৈছে বুদ্ধিমান লোকে কোৱা কথা ধৰিব আৰু বুজিব পৰা। কি কৈছে বা কি কোৱা নাই তাক জানিব বুজিব পৰাটোৱে এই গুণ। ঈশ্বৰে বিচাৰে যেন আমি আমাৰ বুদ্ধি, আমাৰ কাণ্ড-জ্ঞান আৰু উপস্থিত বুদ্ধি শুদ্ধভাৱে ব্যৱহাৰ কৰোঁ।

**চতুৰ্থটো বিষয় হৈছে-** ন্যায়, **ন্যায় মানে হৈছে ধাৰ্মিকতা** আৰু সেয়ে ইয়াৰ সম্পূৰ্ণ অৰ্থ হৈছে ন্যায় জীৱন আচৰণ। ঈশ্বৰে যিটো ঠিক বুলি কৈছে সেইটোৱে ন্যায় আপুনি সুধিব পাৰে এইটো কৰিলে অন্যায় কৰা নহব নে? ঈশ্বৰে যদি কৈছে যে সেইটো কৰিলে অন্যায় হব, নিশ্চয় অন্যায় হব। ঈশ্বৰে কৈছে সেইটো কৰিলে অন্যায় হব তেন্তে ন্যায় নে অন্যায় হব সেয়া আমাৰ বিচাৰৰ বা আমাৰ ঘোষণাৰ কথা নহব। ঈশ্বৰে যি কৈছে সেয়েই ন্যায় বা অন্যায়। গতিকে **ন্যায় মানে হৈছে ঈশ্বৰে কবলৈ দিয়াৰ দৰে কোৱা, ঈশ্বৰে কৰিবলৈ কোৱাৰ দৰে কৰা আৰু ঈশ্বৰে চলিবলৈ দিয়াৰ দৰে চলা।** পোহৰ আৰু অন্ধকাৰ যেনেকৈ আমাৰ ব্যাখ্যা ভিত্তিক বিষয় নহয়, তেনেকৈ ন্যায় আৰু অন্যায়ো আমাৰ ব্যাখ্যাৰ প্ৰয়োজন হোৱা বিষয় নহয়। পোহৰ যেনেকৈ পোহৰ আৰু অন্ধকাৰ যেনেকৈ অন্ধকাৰেই, ঠিক তেনেকৈ ন্যায় ন্যায়েই অন্যায় অন্যায়েই।



WORD RESOUNDS TODAY
www.Radio882.com

**পঞ্চম বিষয়টো হৈছে–** বিচাৰ ইয়াৰ অৰ্থ হৈছে আমি বিচাৰ বিবেচনা কৰি এটা সঠিক সিদ্ধান্তত উপনীত হব লাগে। বিশ্বাসকাৰী এজনে যেতিয়া তেওঁৰ জীৱনৰ বাটৰ চাৰি আলিত উপস্থিত হয়, তেতিয়া তেওঁ এটা জৰুৰী সিদ্ধান্ত লব লাগিব। তেওঁ নো কোন বাটেদি যাব।

**ষষ্ঠতে–** আমাৰ অসমীয়া ভাষাৰ বাইবেলত যথাৰ্থতাৰ কথা কোৱা হৈছে। এয়া কি বস্তু, আচলতে এয়া হৈছে **হিতাহিত জ্ঞান।** এয়া জীৱন আচৰণৰ এটা নীতি। জীৱন আচৰণৰ বাবে ঈশ্বৰে তেওঁৰ সন্তান সকলক কঠোৰ নিয়মাৱলীৰ অধীনত নাৰাখে। কিন্তু জীৱন আচৰণৰ কাৰণে কিছুমান প্ৰয়োজনীয় নীতি দিছে আৰু হিতাহিত জ্ঞান ব্যৱহাৰ হৈছে তাৰে এটা। বাইবেলে কৈছে, **"যিজনে যিহক যোগ্য জ্ঞান কৰি সেই বিষয়ে নিজক দোষাৰোপ নকৰে, সেই জন লোক ধন্য" (ৰোমীয়া ১৪:২২পদ)।** অৰ্থাৎ হিতাহিত জ্ঞান এনে এটা নীতি যি নীতি ব্যৱহাৰ কৰি কোনো সিদ্ধান্ত ল'লে সেই সিদ্ধান্তৰ বাবে আপুনি কেতিয়াও নিজক দোষাৰোপ কৰিবৰ প্ৰয়োজন নহব।

**সপ্তমতে–** বোধহীন সকলক বোধ দিয়াৰ কথা কোৱা হৈছে। আন কথাত অবিবেচক সকলক বিবেচক হবলৈ বা আগ-পাছ গুণি কথা কবলৈ, সিদ্ধান্ত লবলৈ বা কাম কৰিবলৈ শিকোৱাৰ কথা কোৱা হৈছে। বোধ শক্তি ব্যৱহাৰ কৰা জীৱনৰ বাবে অতি প্ৰয়োজন। তাকেই হব পাৰিবলৈকে প্ৰভু যীচুৱে তেওঁৰ অনুগামী সকলক **সাপৰ দৰে টেঙৰ আৰু কপৌৰ দৰে হোজা হোৱা** কৈছিল **(মথি ১০:১৬পদ)** আমি এনেদৰে পাওঁ।

**অষ্টমতে–** জ্ঞানৰ কথা কোৱা হৈছে, **জ্ঞান মানে হৈছে উপকাৰী খবৰ সমূহ।** অধিক অধিককৈ জানিবলৈ চেষ্টা কৰি অধিক অধিককৈ জনাটোৱে হৈছে জ্ঞান। জ্ঞান আহৰণ গুণটো বৰ উপকাৰক; **আটাইতকৈ উপকাৰক জ্ঞান হৈছে বাইবেলৰ পৰা আহৰিত জ্ঞান।** বাইবেল অধ্যয়ন কৰি জ্ঞানী হওক।

এইটোক দেখিছে নে? হেৰি ১ নম্বৰ গৰুটো কৰবাৰ, কাৰ ক্ষেত্ৰত এনেকুৱা কোৱা হয় বাৰু? মানুহৰ জ্ঞান আহৰণ নকৰি যিয়ে মানুহ হয়ো দুঠেঙীয়া গৰুৰ দৰে থাকে, তেওঁৰ ক্ষেত্ৰতে এনেকুৱা কোৱা নহয় নে বাৰু? যায় বান্ধে যায় দুঠেঙীয়া গৰুৱে দেশ ৰশা তলে যায় । বুলি মানুহে এনে নাগায়। প্ৰিয় পাঠক আপোনাৰ আৰু মোৰ বাবে জ্ঞান আহৰণ অপৰিহাৰ্য।/1

**নৱমতে–** যি বুদ্ধি বিবেচনাৰ কথা কোৱা হৈছে, সেয়া হৈছে আচলতে কথাবোৰ, কামবোৰ, সময় আৰু পৰিস্থিতিবোৰ চাই লৈ সেইবোৰৰ ক্ষেত্ৰত জ্ঞানী ভাৱে বিবেচনা কৰিব পৰা গুণ। এতিয়া **হিতোপদেশ ১:৫-৬ পদ** দুটা একেলগে পাঠ কৰিছোঁ শুনিবচোন, **"নীতি বাক্য আৰু দৃষ্টান্ত, জ্ঞানীবিলাকৰ বচন আৰু তেওঁ বিলাকৰনিগূঢ় বাক্য বুজিবৰ নিমিত্তে,জ্ঞানী লোকে শুনি আৰু বিদ্যাৱন্ত হওক আৰু বুদ্ধিমান লোক কাৰ্য্য-নিৰ্ব্বাহত পাৰদৰ্শী হওক।"** মানুহৰ ক্ষেত্ৰত মানে সকলো মানুহৰ ক্ষেত্ৰতে এইটো সঁচা যে, সকলো জনা মানুহ এই জগতত কোনো নাই। সেয়েহে ছক্ৰেটিছৰ নিচিনা মহা জ্ঞানী মানুহেও কৈছিল, "মই এটা কথাই ভালদৰে জানো যে মই একোৱেই নাজানো।" বুদ্ধিয়ক, সজাগ আৰু জানিবলৈ বুজিবলৈ ইচ্ছা থকা লোক সকলে সদায়ে জ্ঞানী সকলৰ পৰামৰ্শলৈ কাণ পাতে, মনোযোগেৰে শুনে। ৫ পদৰ কথাটোৰ সৈতে **হিতোপদেশ ২৫:২পদ**ৰ কথাৰ মিল আছে। য'ত কোৱা হৈছে, **"কথা গোপন কৰাই ঈশ্বৰৰ গৌৰৱ; কিন্তু কথা অনুসন্ধান কৰি উলিওৱাই ৰজা-বিলাকৰ গৌৰৱ।"**



www.Radio882.com

প্ৰিয়শ্ৰোতা, এইয়া সঁচা কথা যে ঘৰৰ ছালৰ ওপৰৰ পৰা আমি শুভবাৰ্তা প্ৰচাৰ কৰিব লাগে কিন্তু হীৰামুকুতাৰ দৰে এনে অনেক সত্যতা বাইবেলত আছে যিবোৰ কঠোৰ পৰিশ্ৰমেৰে থান্দি বিচাৰি উলিয়াব লাগে। আন কথাত কঠোৰ পৰিশ্ৰমেৰে অধ্যয়ন কৰি আমি সেইবোৰ গভীৰ জ্ঞানৰ অনুসন্ধান কৰিব লাগে। প্ৰভু যীচুৱে কৈছে, “তোমালোকে ধৰ্ম্মশাস্ত্ৰৰ কথা বিচাৰা” যোহন ৫:৩৯পদ।

প্ৰিয়শ্ৰোতা, বাইবেল অধ্যয়ন কৰি যদি আপুনি প্ৰভু যীচু খ্ৰীষ্টক আপোনাৰ পৰিত্ৰাতা আৰু প্ৰভু ৰূপে পোৱা নাই তেন্তে জানিব যে আপুনি প্ৰভু যীচুৰ ক্ষেত্ৰত হীৰামুকুতাৰ দৰে গভীৰত থকা সত্যতা উদঘাটন কৰিব পৰা নাই।

**হিতোপদেশ ১:৭ পদ “যিহোৱাৰ্লৈ ভয় ৰখাই জ্ঞানৰ আৰম্ভণ;কিন্তু অজ্ঞান বিলাকে প্ৰজ্ঞা আৰু শিক্ষা হেয়জ্ঞান কৰে।”** পুস্তকখনৰ এইটোৱে মূল পদ। বাস্তৱিকতে যিসকলে ঈশ্বৰ ভয় ভক্তি জানে তেওঁলোকে জ্ঞান আহৰণৰ বাবে ভোক পিয়াহ ৰাখে আৰু জ্ঞান লাভ কৰে। **হিতোপদেশ ১: ৮-৯ পদ “হে মোৰ বোপা, তুমি তোমাৰ পিতৃৰ শিক্ষা শুনা, আৰু তোমাৰ মাতৃৰ ব্যৱস্থা ত্যাগ নকৰিবা; কিয়নো সেই দুয়ো তোমাৰ মূৰৰ সুন্দৰ মালা, আৰু তোমাৰ ডিঙিৰ হাৰস্বৰূপ।”** এই কথা যে সঁচা তাক কেৱল পিতৃ-মাতৃৰ বাধ্য সন্তানহে জানে। **হিতোপদেশ ১:১০পদ “হে মোৰ বোপা পাপীবোৰে তোমাক লোভ দেখুৱালে তুমি সন্মত নহবা।”**

প্ৰিয়শ্ৰোতা পৃথিৱীত দুই শ্ৰেণীৰ পাপী আছে। এৰা যিসকল লোকে প্ৰভু যীচুক গ্ৰহণ কৰি নিজৰ পাপৰ ক্ষমা লাভ কৰা নাই তেনেকুৱা লোকৰ পৰা আমি সাৱধানে থাকিব লাগে। তেওঁলোকৰ প্ৰলোভনত আমি সন্মত হব নালাগে। মিচৰ দেশত ঈশ্বৰৰ সন্তান যোচেফে পটিফৰৰ প্ৰলোভনত সন্মত হোৱা নাছিল। হিতোপদেশ ১:১১-১৪ পদলৈকে তেওঁলোকে দেখুৱা প্ৰলোভন সমূহ আছে। এনেবোৰ প্ৰস্তাৱ পালে হিতোপদেশ ১:১৫ পদৰ পৰামৰ্শৰ দৰে তেওঁলোকৰ বাটত নচলিবলৈ তেওঁলোকে চলা বাটৰ পৰা আঁতৰি থাকিব লাগে।

হিতোপদেশ ১:১৬-১৯পদলৈ আমি পাওঁ যে এনে পৰিত্ৰাণ প্ৰাপ্ত নকৰা পাপীসকলৰ পথত চলা লোক সকলে নিজলৈকে বিপদ চপাই লয়, লোভ-মোহত পৰি মৃত্যুৰ পথ বাচি লয়। এয়াই পৰিত্ৰাণ প্ৰাপ্ত কৰা পিতৃ-মাতৃৰ পৰিত্ৰাণ প্ৰাপ্ত কৰা নিজৰ সন্তানৰ প্ৰতি শিক্ষা। **হিতোপদেশ ১:২০পদ “প্ৰজ্ঞাই আলিত ৰিঙিয়াই কয় চকবোৰত নিজ মাত শুনায় ।”** এৰা প্ৰজ্ঞাই আজিও সকলেকো এনেদৰে ৰিঙিয়াই আছে। **হিতোপদেশ ১:২১-২৩পদ**লৈকে **“তেওঁ মানুহেৰে ভিৰ হোৱা প্ৰধান ঠাইত ঘোষণা কৰে তেওঁ নগৰত, নগৰৰ দুৱাৰ-মুখত নিজৰ এই কথা কয়, "হে নিৰ্বোধ বিলাক, কিমান কাল নো তোমালোকে নিৰ্ব্বোধতা ভাল পাবা? নিন্দকবোৰে কিমান দিন নো নিন্দাত সন্তুষ্ট হব? আৰু অজ্ঞান বোৰে কিমান কাল নো জ্ঞানক ঘিণ কৰিব? মোৰ অনুযোগত ঘুৰি আহা; চোৱা, মই তোমালোকৰ ওপৰত মোৰ আত্মা বাকি দিম, আৰু মোৰ কথা তোমালোকক জনাম।”** প্ৰজ্ঞাই আচলতে আমাক নিৰ্বোধ অৰ্থাৎ অজ্ঞান বুলিয়েই কৈছে, আৰু সুধিছে আমি নো কিমান কাল সেই প্ৰজ্ঞাক অৱহেলা কৰি থাকিম।/1**হিতোপদেশ ১:৩২পদ** পাঠ কৰিছো শুনিবচোন, **“কিয়নো নিৰ্ব্বোধহঁতৰ বিপথ গমনেই নিজকে বিনষ্ট কৰিব, আৰু অজ্ঞানহঁতৰ নিশ্চিন্ততাই নিজকে সংহাৰ কৰিব।”** প্ৰজ্ঞাই কৈছে যে কোনোৱে যদি প্ৰজ্ঞাৰ ওচৰলৈ আহি জ্ঞান অৰ্জন নকৰে তেন্তে তেওঁ আত্মিকভাৱে নিজে আত্মহত্যা কৰাৰ নিচিনা হয়।

WORD RESOUNDS TODAY



www.Radio882.com

**হিতোপদেশ ১:৩৩পদ "কিন্তু যি জনে মোৰ কথা শুনে, তেওঁ নিৰাপদে থাকিব, আৰু অমঙ্গলৰ ভয় নোপোৱাকৈ শান্তিৰে থাকিব।"** এই কথাটো যদি আমাৰ নিজৰ সমাজৰ বা আমাৰ চাৰিওফালে থকা লোকবিলাকে মানিলেহেতেন, তেন্তে আমাৰ সকলোৰে মঙ্গল হলহেঁতেন। কিন্তু আজিৰ সমাজত আমি মানুহ এজনক কিহেৰে জুখি চাওঁ, তেওঁৰ জ্ঞানৰ ওজনৰ ভিত্তিত নিশ্চয় নহয়, কিন্তু তেওঁৰ কিমান টকা আছে, কেনেকুৱা ঘৰত থাকে, কি কি গাড়ী মটৰ আছে ইত্যাদিৰেহে আমি জুখি চাওঁ নহয় জানো? যদি হয় তেন্তে আমাৰ চিন্তা ধাৰাবোৰ নিৰ্ব্বোধ নহয় নে? তেনে ক্ষেত্ৰত আমি কি কৰা উচিত।

প্ৰিয়শ্ৰোতা আমি জানো মানুহ যাতে জ্ঞানী হব পাৰে, তাৰ বাবে ইয়াৰ যোগেদি প্ৰত্যাহ্বান জনোৱা হৈছে। সেই কাৰণে এজন মানুহে শৈশৱ কালৰে পৰা ঘৰত তেওঁৰ পিতৃ-মাতৃক সন্মান কৰিবলৈ শিকিবলৈ কোৱা হৈছে। কাৰণ স্কুললৈ অহাৰ আগতে প্ৰথম আৰু মূল শিক্ষা সি ঘৰতে পায় সেই কাৰণে পুন প্ৰথমে কোৱা হয় যে ঈশ্বৰলৈ ভয় ৰখাই জ্ঞানৰ আৰম্ভণ। ঘৰতেই এই জ্ঞান আৰম্ভ হয়। এই জ্ঞান আমি বিভিন্ন উৎসৰ পৰা পাব পাৰো কিন্তু প্ৰকৃত জ্ঞান আমি ঈশ্বৰৰ বাক্যৰ পৰাহে পাব পাৰোঁ। সেয়েহে আমি ঈশ্বৰৰ বাক্য অধ্যয়ন কৰাত কেতিয়াও অৱহেলা কৰিব নালাগে। ঈশ্বৰৰ বাক্য অধ্যয়নৰ এই অনুষ্ঠান ভক্তি বচন, সেইবাবে আমি অতি আগ্ৰহেৰে প্ৰস্তুত কৰি আপোনালোকৰ মঙ্গল হওক বুলি প্ৰচাৰ কৰি আহিছো। ঈশ্বৰ আপোনাৰ সহায় হওক আমেন ।

**<u>পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:</u>**

১) হিতোপদেশ পুস্তকখন কি ভাষাত লিখা হৈছিল ?

২) "প্ৰজ্ঞা" শব্দটো হিতোপদেশ পুস্তকখনত কেইবাৰ লিখা আছে?

৩) "শিক্ষা" শব্দটো হিতোপদেশপুস্তকখনত কেইবাৰ লিখা আছে?

৪) "সাপৰ দৰে টেঙৰ আৰু কপৌৰ দৰে হোজা হোৱা।" বাক্যশাৰী ক'ত লিখা আছে?

WORD RESOUNDS TODAY



www.Radio882.com

WORD RESOUNDS TODAY



www.Radio882.com

**ASS01-0686**

**হিতোপদেশ ২ অধ্যায়**

আজি আমি হিতোপদেশ পুস্তকৰ ২ অধ্যায় আলোচনা কৰিবলৈ ওলাইছো। আপুনি বাৰু আপোনাৰ বাইবেলখন মেলি লৈছে নে? প্ৰজ্ঞাৰ উৎসৰ বিষয়ে এই ২ অধ্যায়ৰ প্ৰথম পদটো পাঠ কৰি দিছো শুনিবচোন

হিতোপদেশ ২:১ পদ **"হে মোৰ বোপা, তুমি যদি মোৰ কথা এনেকৈ গ্ৰহণ কৰা, আৰু মোৰ আজ্ঞাবোৰ এনেকৈ মনত ৰাখা।"** প্ৰিয়শ্ৰোতা "হে মোৰ বোপা" বুলি ইয়াত ডেকা-গাভৰু সকলক কোৱা হৈছে, শিশু অৱস্থাত তেওঁলোকৰ জীৱন ইতিমধ্যে ঘৰত আৰম্ভ হৈছে। এতিয়া তেওঁলোক ডাঙৰ হৈ জীৱন সংগ্ৰামত খুজ দিবলৈ লৈছে। এই মূহুৰ্তত কোনো এজন জ্ঞানী মানুহৰ সু-পৰামৰ্শ তেওঁলোকৰ কাৰণে দৰকাৰ হৈছে। তাৰ পাছত কোৱা হৈছে, মোৰ কথা যদি এনেকৈ গ্ৰহণ কৰা, তাৰ মানে আমি ঈশ্বৰৰ বাক্যৰ যি কথা শুনো তাক অতি যত্নেৰে সাঁচি থ'ব লাগে; যেনেকৈ আমি মূল্যৱান বস্তুবিলাক সাঁচি থওঁ। এগৰাকী তিৰোতা আছিল আৰু সেই তিৰোতাৰ/1কিছুমান মূল্যৱান অলংকাৰ আছিল, আৰু সেই বিলাক অতি যত্নেৰে বাকচত সাঁচি থৈ মাজে সময়ে উলিয়াই চাই নিজে বৰ তৃপ্তি লাভ কৰিছিল। ঠিক সেইদৰে আমাৰ হৃদয়ত সঞ্চিত ঈশ্বৰৰ মূল্যৱান বাক্য বিলাক সোঁৱৰণ কৰি আমি আনন্দ লাভ কৰিব পাৰো আৰু লাভ কৰা উচিত।

হিতোপদেশ ২:২ পদ **"যেন তুমি প্ৰজ্ঞালৈ কাণ দিব পাৰা, আৰু সুবুদ্ধিলৈ মনোযোগ কৰিব পাৰা।"** প্ৰিয় শ্ৰোতা ইয়াত কাণ পাতিবলৈ কোৱা হৈছে, কাৰণ কাণেৰে কথাবিলাক আমাৰ মগজুত সোমাই যদিও ইয়াৰ শেষ স্থান হল হৃদয়। কাৰণ হৃদয়েৰে আমি কথা বুজি পাওঁ আৰু উপলব্ধি কৰোঁ।

হিতোপদেশ ২:৩পদ **"এনে কি, তুমি যদি সুবিবেচনাক মাতা, আৰু/1সুবুদ্ধিৰ নিমিত্তে ৰিঙিওৱা।"** প্ৰিয় শ্ৰোতা ইয়াৰ লগত মিল থকা এটা কথা ১পিতৰ ২:২পদত এনেদৰে কোৱা হৈছে **"তোমালোকে নতুনকৈ জন্মা শিশুবিলাকৰ দৰে মিহলি নোহোৱা আত্মিক গাখীৰলৈ মন কৰা।"** শিশুৱে গাখীৰলৈ হাবিয়াহ কৰা আপুনি দেখিছে নে বাৰু? মাকে বটলত গাখীৰ ভৰাই থকা দেখিয়ে শিশুৱে মুখেৰে কলকলাই হাত বাউলি দিয়ে, কাৰণ বটলৰ গাখীৰখিনি সি খাবলৈ ইচ্ছা কৰে। ঈশ্বৰৰ সন্তান এজনেও ঈশ্বৰৰ বাক্যৰ গাখীৰলৈ তেনেকৈ হাবিয়াহ কৰা উচিত।

আমি দেখা পাইছোঁ যে যি ঠাইত এনেকৈ হাবিয়াহ দেখা গৈছে তাত ঈশ্বৰৰ বাক্যৰ আলোড়নৰ সৃষ্টি হৈছে। ঈশ্বৰৰ প্ৰতি এটা নতুন আগ্ৰহে দেখা দিছে। আজি কালি আমৰ বহুতো ডেকাই হাতত বাইবেল আৰু টোকা বহী লৈ ফুৰে আৰু যি পায় তাকেই তাত লিখি লয়। এয়া হল ঈশ্বৰৰ বাক্যৰ প্ৰতি হাবিয়াহ থকাৰ প্ৰমাণ। প্ৰজ্ঞাই আকৌ কৈছে, সুবুদ্ধিৰ নিমিত্তে ৰিঙিওৱা। আজিৰ স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰী সকলে যি প্ৰতিবাদ সাব্যস্ত কৰিব বিচাৰে তাকে তেওঁলোকে সুবুদ্ধিৰে কৰক; যাতে তাৰ দ্বাৰাই সকলোৰে লাভ হব পাৰে।

WORD RESOUNDS TODAY

হিতোপদেশ ২:৪পদ **“যদি ৰূপৰ দৰে তেওঁক বিচাৰা, আৰু গুপ্ত ধনৰ দৰে তেওঁৰ অনুসন্ধান লোৱা।”** প্ৰিয় শ্ৰোতা সোণ বা ৰূপৰ বিষয়ে আপুনি নিশ্চয় জানে, সেইবিলাক পাবলৈ সহজ নহয়, মাটিৰ বহু ভিতৰলৈ গৈ তাক খান্দি কুৰি আনিব লগা হয়। ঠিক এইদৰে বাইবেল শাস্ত্ৰতো সোণ ৰূপৰ দৰে অনেক অমূল্য ৰত্ন আছে, কিন্তু পাবলৈ ইমান সহজ নহয়। অশেষ কষ্ট আৰু কঠোৰ অধ্যয়ন আমি কৰিব লাগিব, তেনে কৰিলে আমি নিশ্চয় সেই ৰত্ন পাম আৰু তাৰ যোগেদি আমাৰ জীৱন ধন্য হব।

হিতোপদেশ ২:৫ পদ পঢ়ি দিছো, **“তেন্তে তুমি যিহোৱাৰ ভয় বুজিব পাৰিবা, আৰু ঈশ্বৰ বিষয়ক জ্ঞান পাবা।”** প্ৰিয় শ্ৰোতা, পাৰিবাৰিক উপাসনা আৰু গীৰ্জাত পালক্ৰমে আমি বাইবেল পাঠ কৰোঁ কিন্তু জ্ঞান অৰ্জন কৰিবলৈ হলে আমি তাতকৈ অলপ অন্য ধৰণে অধ্যয়ন কৰিব লাগিব। বহুতো লোকে বছৰ বছৰ ধৰি পালক্ৰমে শাস্ত্ৰ পাঠ কৰি আহিছে, কিন্তু তথাপিতো বাইবেলৰ বিষয়ে তেওঁলোকৰ বেছি জ্ঞান নাই। ভক্তিভাৱে বাইবেল পাঠ কৰা এটা কথা আৰু অধ্যয়ন আন এটা কথা; অধ্যয়ন কৰিবলৈ হলে মন প্ৰাণ ঢালি দি অন্তৰ খুলি আন কথা পাহৰি শিলৰ মাজত থকা সোণ বিচৰাৰ দৰে বিচাৰিব লাগিব। সাগৰৰ গভীৰতাত লুকাই থকা মণি মুকুতাৰ দৰে ইয়াক বিচাৰিব লাগিব। লগতে এই অনুসন্ধানত যাতে ঈশ্বৰে সহায় কৰে, তাৰ বাবে কান্দি কান্দি কাতৰ স্বৰে প্ৰাৰ্থনা কৰিব লাগিব। তেনে কৰিলে আপোনাৰ পৰিশ্ৰম কেতিয়াও অথলে নাযায়। আপুনি নিশ্চয় কিবা এটা বিচাৰি পাব।

এগৰাকী বিখ্যাত বাইবেল শিক্ষকে কৈছে, যেতিয়া তেখেত বাইবেল কলেজত অধ্যাপনা কৰিছিল তেতিয়া পৰীক্ষা সময়ত কিছুমান ছাত্ৰয়ে আপত্তি কৰিছিল যে প্ৰাৰ্থনাত লাগি থকাৰ বাবে তেওঁলোকে পৰীক্ষাৰ বাবে প্ৰস্তুত হব পৰা নাই। তেতিয়া তেওঁ সুধিছিল, তেওঁলোকে নো কি কি বিষয়ে প্ৰাৰ্থনা কৰিলে, উত্তৰত তেওঁলোকে কৈছিল, যে তেওঁলোকে পৃথিৱীৰ বেলেগ বেলেগ দেশৰ কাৰণে প্ৰাৰ্থনা কৰিলে, বেলেগ বেলেগ দেশৰ ৰাজনীতি পৰিস্থিতিৰ আৰু শান্তিৰ কাৰণে প্ৰাৰ্থনা কৰিলে। তেতিয়া তেওঁ কৈছিল, যে যোৱা দিন কেইটা তোমালোকৰ প্ৰাৰ্থনাৰ সময় নাছিল, তোমালোকে ভালদৰে অধ্যয়ন কৰিবহে লাগিছিল। এই বুলি কয় তেওঁলোকক এই ২ অধ্যায়টো দেখুৱাই দিছিল। বহু মানুহে একাদিক্ৰমে অলপ অলপকৈ গোটেই জীৱন বাইবেল পাঠ কৰি আহিছে, এইদৰে হয়তো কেইবাবাৰো বাইবেলখন পাঠ কৰি শেষ কৰিছে, সেয়া অৱশ্যে ভাল কিন্তু সেয়া অধ্যয়ন নহয়। তাৰ যোগেদি আপুনি জ্ঞান পাব নোৱাৰে, বাইবেল কলেজত ঈশ্বৰ তত্ব এটি বিষয় আছে, বৰ আমোদ দায়ক নাছিল বাবে বহুতে ভাল নাপাইছিল। পৰীক্ষাৰ সময়ত বহুতো লৰা-ছোৱালীয়ে আপত্তি কৰি কৈছিল, মহাশয় এইটো বৰ নিৰস বিষয় এই কাৰণে আমি পঢ়াই নাছিলোঁ। অধ্যাপকে উত্তৰ দিছিল, ঠিক আছে অহা বছৰ কপালৰ ঘামেৰে এই কিতাপবিলাক তিয়াই দিবা তেতিয়া ই ৰসাল হৈ পৰিব আৰু পঢ়িবলৈ ভাল পাবা। সঁচাকৈ ঈশ্বৰৰ বাক্য অধ্যয়ন এটা সহজ বিষয় নহয়। কিন্তু ইয়াৰ বাবে বৰ উচ্চ শিক্ষা বা বিশেষ বুদ্ধিহত্তাৰ প্ৰয়োজন নাই; প্ৰয়োজন মাত্ৰ ইচ্ছা আৰু পৰিশ্ৰমৰ।/1

হিতোপদেশ ২:৬ পদ পঢ়ি দিছো, **“কিয়নো যিহোৱায়েই প্ৰজ্ঞা দিয়ে, তেওঁৰেই মুখৰ পৰা জ্ঞান আৰু সুবুদ্ধি ওলায় ।”** এই একে ধৰণৰ কথা ১কৰিন্থীয়া ২:৯-১০পদত এইদৰে কোৱা হৈছে, **“কিন্তু এই গুপ্ত জ্ঞানৰ বিষয়ে এইদৰে লিখা আছে, চকুৱে যি যি নেদেখিলে, কাণে যি যি**



WORD RESOUNDS TODAY
www.Radio882.com

**নুশুনিলে আৰু মানুহৰ হৃদয়তো যি যি নোসোমাল, ঈশ্বৰে তেওঁক প্ৰেম কৰোঁতাবিলাকৰ নিমিত্তে যি সকলো যুগুত কৰিলে, ঈশ্বৰে আত্মাৰ দ্বাৰাই তাক আমাৰ আগত প্ৰকাশ কৰিলে। কাৰণ আত্মাই সকলোকে এনেকি ঈশ্বৰৰ গভীৰ কথাকো অনুসন্ধান কৰে।"** প্ৰিয় শ্ৰোতা আমি যদি আন্তৰিকতাৰে ঈশ্বৰৰ বাক্য অধ্যয়ন কৰো, তেন্তে ঈশ্বৰৰ আত্মাই তেওঁৰ গভীৰ কথাবোৰকো জানিবলৈ দিব। কাৰণ তেওঁ আমাৰ শিক্ষক।

এগৰাকী বিখ্যাত বাইবেল পণ্ডিতে কৈছে, যে তেখেত যেতিয়া ডেকা খ্ৰীষ্টিয়ান আছিল, তেতিয়া ঈশ্বৰৰ আত্মাই ঈশ্বৰৰ কথাবিলাক মুকলিকৈ দাঙি ধৰিছিল। সেইটো তেখেতৰ জীৱনত আচৰিত অভিজ্ঞতা আছিল। আজি যি সকলৰ দৰ্শন শাস্ত্ৰ বা ঈশ্বৰৰ তত্ব বিষয়ৰ শিক্ষা নাই তেওঁলোকে যদি ঈশ্বৰলৈ ভয় ৰাখি আন্তৰিকতাৰে বাইবেল অধ্যয়ন কৰে তেন্তে তেওঁলোকে বহু জ্ঞান অৰ্জন কৰিব পাৰিব। অৱশ্যে এনে কিছুমান লোক আছে যি সকলৰ কোনো উচ্চ শিক্ষা নাই কিন্তু পৰ্যাপ্ত বাইবেল অধ্যয়ন কৰাৰ বাবে উচ্চ শিক্ষিত সকলোতকৈয়ো তেওঁলোক অধিক বাইবেল জ্ঞানৰ অধিকাৰী। ঈশ্বৰৰ জ্ঞান অৰ্জন কৰাৰ আন এটি সুন্দৰ উপায় হল, এই অনুষ্ঠান, এই অনুষ্ঠান শুনি বহু মানুহে ঈশ্বৰৰ বাক্যৰ আচৰিত জ্ঞানৰ অধিকাৰী হৈছে। আনকি এই ভক্তি বচনত প্ৰচাৰিত এই পাঠবোৰৰ প্ৰস্তুতকৰ্তা এগৰাকী বিখ্যাত বাইবেল শিক্ষকে নিজে অনাতাৰ অনুষ্ঠান শুনি বহু জ্ঞান লাভ কৰিছিল বুলি জনাইছে। আচলতে ঈশ্বৰে আমাৰ আগত থিয় হৈ কথা নকয়, কিন্তু বাইবেল শাস্ত্ৰই হল ঈশ্বৰৰ কথা,গতিকে অনাতাৰ অনুষ্ঠানৰ যোগেদিয়ে হওক বা শিক্ষকৰ যোগেদিয়ে হওক বা নিজে অধ্যয়ন কৰাৰ দ্বাৰাই হওক, সকলোবিলাক ঈশ্বৰৰ মুখৰ কথা আমি জনাৰ সুবিধা পাওঁ। কাৰণ বাইবেল শাস্ত্ৰৰ সকলো কথাই ঈশ্বৰৰ মুখৰ কথা, তেওঁ আজি কিতাপৰ যোগেদিও আমাক কথা কয় আছে।

হিতোপদেশ ২:৭ আৰু ৮ পদ **"সুবিচাৰৰ পথবোৰ ৰক্ষা কৰিবলৈ, আৰু নিজ সাধু লোকবিলাকৰ পথবোৰ পালন কৰিবলৈ, তেওঁ সৰল বিলাকৰ নিমিত্তে বুদ্ধি কৌশল সাঁচি থয় আৰু সিদ্ধ আচৰণ কৰোঁতাবিলাকৰ ঢাল স্বৰূপ হয়।"** প্ৰিয় শ্ৰোতা আজি বহুত খ্ৰীষ্টিয়ান লোকে কুঁৱলিৰ মাজত ঘূৰি ফুৰাৰ দৰে ঘূৰি ফুৰি আছে, কোন দিশে গতি কৰিব তাক নজনা হৈছে, ইয়াৰ প্ৰধান কাৰণ হল; তেওঁলোক ঈশ্বৰৰ বাক্যৰ পৰা দূৰৈত আছে, কিন্তু ইয়াত কোৱা হৈছে যে তেওঁ সাধুলোকৰ পথ ৰক্ষা কৰে। ঈশ্বৰৰ বাক্য কুঁৱলিৰ মাজত শিঙাৰ মাতৰ নিচিনা,সেই শিঙাই সাধু লোকক পথ দেখুৱাই।

হিতোপদেশ ২:৯পদ **"সেয়ে হলে, তুমি ধাৰ্ম্মিকতা, সুবিচাৰ আৰু যথাৰ্থতা, এনে কি, সকলো মঙ্গলৰ পথ বুজিব পাৰিবা।"** প্ৰিয় শ্ৰোতা আজি কালি বহুত বহুতো নেতাৰ বাহিৰেও আন আন কাৰ্যালয়ত মানুহবিলাকে দেশৰ পৰিচালনাৰ বিষয়ে আলোচনা কৰা দেখা যায়। কিন্তু দুখৰ কথা হল, যে তেওঁলোক নেতাই হওক বা আন কোনো বেলেগ লোকেই হওক, তেওঁলোক নিজে ঈশ্বৰৰ দ্বাৰাই পৰিচালিত হৈছে নে নহয়, সেইটো চিন্তা কৰি নাচায়। নিজে যদি ঈশ্বৰৰ দ্বাৰাই ভালদৰে পৰিচালিত হোৱা নাই তেন্তে তেওঁলোকে আনক কেনেকৈ পৰিচালিত কৰিব। কিন্তু ঈশ্বৰে সকলোকে মাতি আছে, তেওঁলোকেও যদি ঈশ্বৰৰ বাক্যৰ দ্বাৰাই জ্ঞান লাভ কৰি সেইমতে আন লোকক পৰিচালনা কৰাত ব্ৰতী হয়, তেন্তে নিশ্চয় সকলোৰে উন্নতি হব। কাৰণ ঈশ্বৰৰ বাক্যত কাৰ্য সাধক শক্তি আছে, ঈশ্বৰৰ বাক্যত থকা সত্যৰ শক্তিৰ প্ৰতি যাৰ গভীৰ ইচ্ছা



WORD RESOUNDS TODAY

www.Radio882.com

আছে, ঈশ্বৰ নিজে সেই লোকৰ শক্তি হৈ পৰে। ঈশ্বৰে নিজে সেই লোকক ৰক্ষা কৰে জীৱন পথত সুন্দৰকৈ তেওঁলোকক চলায়।

এগৰাকী বিখ্যাত বাইবেল শিক্ষকে কৈছে যে, কিছুমান মানুহে তেখেতলৈ প্ৰশংসাৰ চিঠি লিখি কৈছিল, আপুনি সত্যতাক ধৰি আছে, আৰু তাৰ বাবে আমি ভাল পাইছোঁ। চিঠিবোৰ পায় তেখেতে ভালে পাইছিল, কিন্তু তেখেতৰ মতে আমি সত্যতাত ধৰি থকাটো ডাঙৰ কথা নহয়; সত্যতাই যাতে আমাক ধৰি থাকে এইটোহে ডাঙৰ কথা৷ মন কৰক যে আমি সত্যতাক ধৰি থকা আৰু সত্যতাই আমাক ধৰি থকাৰ মাজত পাৰ্থক্য আছে। আমাক কোৱা হৈছে, যে শেষ কালত মিছা কথা কোৱা আৰু প্ৰৱঞ্চক সকল ওলাব; আমি নিশ্চয় তেওঁলোকৰ মাজৰ এজন বুলি গণ্য হব ইচ্ছা নকৰোঁ। আচলতে সত্যতাই যদি আমাক ধৰি থাকে; তেন্তে আমি এনে কৰিবও নোৱাৰোঁ। আমি আজি ভৱিষ্যত বাণী দৰ্শন আৰু মনোবিজ্ঞানৰ কথা নকলেও হব, সেইবিলাক কথা কোৱা মানুহ বহুত আছে। আজি আমাক লাগে ধাৰ্ম্মিকতা, সুবিচাৰ, প্ৰেম, মঙ্গলভাৱ এইবিলাকে; এইবিলাকৰ অধিকাৰী হবলৈ প্ৰজ্ঞাই আমাক সহায় কৰিব। আমি মাত্ৰ প্ৰজ্ঞাৰ পঢ়াশালীত প্ৰবেশ কৰিব লাগে।

এতিয়া আমি হিতোপদেশ ২:১০–১২পদলৈকে পাঠ কৰিছো, **"কিয়নো প্ৰজ্ঞাই তোমাৰ হৃদয়ত প্ৰবেশ কৰিব, আৰু জ্ঞান তোমাৰ প্ৰাণৰ সুখজনক হব। কুপথৰ পৰা তোমাক উদ্ধাৰ কৰিবলৈ, আৰু যিবোৰে কুটিল বাক্য কয়, আন্ধাৰৰ পথত চলিবৰ নিমিত্তে সৰল পথ ত্যাগ কৰে।"** প্ৰিয় শ্ৰোতা এয়া কি সুন্দৰ কথা কোৱা হৈছে চাওক চোন, প্ৰজ্ঞাই যদি আপোনাৰ হৃদয়তপ্ৰবেশ কৰে তেন্তে আপোনাৰ প্ৰাণ সন্তোষজনক হব আৰু তেতিয়া হলে আপুনি সহজে ঠগ নাখাব। তাৰ মানে আপুনি যদি ঈশ্বৰৰ বচনৰ লগত সম্বন্ধ ৰাখে তেনেহলে আপুনি বিপথে নাযাব। কাৰণ ঈশ্বৰৰ বচন হল শক্তি সাধক আৰু সৎ পথ প্ৰদৰ্শক।

হিতোপদেশ ২:১৩–১৪পদ পাঠ কৰি দিছো, **"কুকৰ্ম্ম কৰিবৰ নিমিত্তে আনন্দ কৰে, আৰু দুৰ্জনৰ প্ৰবঞ্চনাত উল্লাস কৰে, কুটিল পথৰ এনে পথিক বিলাকৰ পৰা, নিজ নিজ পথত বেঁকাকৈ চলোঁতা এনে লোকবিলাকৰ পৰা তোমাক উদ্ধাৰ কৰিবলৈ, যি স্ত্ৰীয়ে নিজ যৌৱন কালৰ মিত্ৰক ত্যাগ কৰে, আৰু নিজ ঈশ্বৰৰ নিয়মটি পাহৰে,"** প্ৰিয়শ্ৰোতা এই পাঠৰ প্ৰস্তুতকৰ্তা বিখ্যাত বাইবেল শিক্ষকজনে কৈছে, যে তেখেতে ঈশ্বৰৰ পৰিচৰ্যা কৰিবলৈ লোৱাৰ পৰাই প্ৰাৰ্থনা কৰি আছিল, যাতে ঈশ্বৰে তেখেতক দুষ্ট লোকৰ হাতত কেতিয়াও নেপেলায়। তেখেতৰ দৰে আমি প্ৰাৰ্থনা কৰিব লাগে কাৰণ চাৰিওফালে দুষ্ট মানুহে আমাক আগুৰি ধৰি থকা আমি দেখিবলৈ পাওঁ। সেই দুষ্ট মানুহবিলাকনো কোন? হিতোপদেশ পুস্তকৰ জৰিয়তে আমি জানিব পাৰিম যে ঈশ্বৰৰ সন্তান সকলৰ দুই ধৰণৰ শত্ৰু আছে, তাৰে এক ধৰণৰ শত্ৰু হৈছে বেয়া কাম কৰি আনন্দ পোৱা মানুহ আৰু আন বিধ হৈছে অচিন তিৰোতা। এজন ডেকা মানুহে বাস্তৱ জীৱনত ভৰি দিবলৈ লোৱাৰ লগে লগে তেওঁক এই দুষ্ট মানুহৰ বিৰুদ্ধে প্ৰজ্ঞাই সতৰ্ক কৰি দিছে। আমাৰ আজিৰ ডেকা সকলে তেনেকুৱা লোকৰ পৰা বিৰত থকাৰ নিতান্ত প্ৰয়োজন।

সেই বিখ্যাত বাইবেল শিক্ষকজনে নিজৰ ডেকা অৱস্থাৰ বিষয়ে কি কৈছে শুনকচোন তেওঁৰ ১৬ বছৰ বয়সতে তেখেতৰ দেউতাক ঢুকাইছিল আৰু সেয়েহে জীৱিকাৰ সন্ধানত তেখেতে বাহিৰলৈ যাব লগা হৈছিল, বাহিৰলৈ গৈ তেখেত এক শ্ৰেণীৰ দুষ্ট মানুহৰ হাতত পৰিছিল আৰু



WORD RESOUNDS TODAY

www.Radio882.com

তেওঁলোকৰ লগতে তেখেতে অসৎ কামত লিপ্ত হব লগীয়া হৈছিল। দিনবোৰ যোৱাৰ লগে লগে দুষ্ট মানুহৰ সংখ্যা বাঢ়ি গৈছিল, আৰু অসৎ আচৰণৰ মাত্ৰা সীমা চেৰাই গৈছিল। ইমান অসৎ আচৰণ তেখেতে সহ্য কৰিব পৰা নাছিল। ইতিমধ্যে ঘৰলৈও তেখেতৰ মনত পৰিব ধৰিছিল। সেই কাৰণে কাম বন বাদ দি তেখেত আকৌ ঘৰলৈ ঘূৰি আহিছিল। ঘৰলৈ ঘূৰি গৈয়ো তেখেতে শান্তি পোৱা নাছিল, তেনেতে ঈশ্বৰৰ বৰ দয়ালু লোক এজনে আহি তেখেতক বুজাই দিছিল যে বিশ্বাসৰ যোগেদি তেখেতে পাপৰ ক্ষমা লাভ কৰি ঈশ্বৰৰ পৰা শান্তি পাব পাৰে। সেই সময়তে তেখেতে ঈশ্বৰত বিশ্বাস স্থাপন কৰিছিল, আৰু তেখেতৰ জীৱনত এটা আমূল পৰিবৰ্তন ঘটিছিল। অৱশ্যে জীৱনৰ বাকী চোৱা সময়খিনিত তেখেতে সেই দুষ্ট মানুহ বিলাকক পাহৰিব পৰা নাছিল।

প্ৰিয় শ্ৰোতা আজি আপুনি যদি আমাৰ এই অনুষ্ঠানৰ ডেকা শ্ৰোতা তেন্তে তেনে দুষ্ট লোকৰ হাতত যেন নপৰে তাৰ বাবে প্ৰাৰ্থনাত লাগি থাকক। আৰু ঈশ্বৰৰ বচনত বিশ্বাস ৰাখক ঈশ্বৰে আপোনাক তেনেকুৱা দুষ্ট লোকৰ হাতৰ পৰা ৰক্ষা কৰি ৰাখিব আৰু সৎ পথত চলাই ৰাখিব। ইয়াৰ বাহিৰেও ডেকা মানুহৰ আন এবিধ শত্ৰু আছে, যাৰ পৰা দূৰত থকা অত্যন্ত প্ৰয়োজন আৰু সেই শত্ৰু কি বাৰু? আমি স্পষ্টভাৱে জনাই দিব খুজিছোঁ, ডেকা মানুহৰ আন বিধ ভয় লগা শত্ৰু হৈছে, অচিন তিৰোতা মানুহ। এই বিষয়ে হিতোপদেশ ২:১৬-২২পদলৈকে পাঠ কৰি দিছো শুনিব চোন, **"এনে পৰস্ত্ৰীৰ পৰা, নিজ বাক্যেৰে খুচামোদ কৰোঁতা এনে ব্যভিচাৰিণীৰ পৰা তোমাক উদ্ধাৰ কৰিবলৈ, (কিয়নো তাইৰ ঘৰ মৃত্যুৰ ফাললৈ ঢাল তাইৰ পথে মৃত লোকৰ ফালে নিয়ে, তাইৰ তালৈ যোৱা লোক উলটি নাহে; সিহঁতে জীৱনৰ পথ আৰু নাপায়।) বহুদৰ্শিতা তোমাৰ পৰীয়া হব, আৰু সুবুদ্ধিয়ে তোমাক ৰক্ষা কৰিব। তুমি যেন সৎলোকৰ পথত চলিব পাৰা, আৰু ধাৰ্ম্মিক লোকবিলাকৰ পথ ধৰা, এই নিমিত্তে মই ইয়াক কৈছোঁ। কাৰণ সৰল লোকবিলাকে দেশত নিবাস কৰিব, আৰু সিদ্ধ লোকবিলাক তাত অৱশিষ্ট থাকিব; কিন্তু দুষ্টবোৰক দেশৰ পৰা উচ্ছিন্ন কৰা হব, আৰু বিশ্বাস-ঘাতকবোৰক দেশৰ পৰা উঘলা যাব।"**

প্ৰিয় শ্ৰোতা এই অচিন তিৰোতা গৰাকী কোন বাৰু? এই বিষয়ে বাইবেলে কি কয় শুনক, ইস্ৰায়েলত ঈশ্বৰে এটা নিয়ম কৰি দিছিল যে কোনো ইস্ৰায়েলী তিৰোতাই বেশ্যা কাম কৰিব নোৱাৰিছিল। যদি কোনো তিৰোতাই তেনে কাম কৰিছিল তেন্তে তাইক ইস্ৰায়েলৰ পৰা বাহিৰ কৰা হৈছিল, আৰু পাপী তিৰোতা হিচাপে গণ্য কৰি তাইক ৰাজহুৱা ভাৱে শিল দলিয়াই বধ কৰিছিল। এই বেশ্যা গৰাকীয়ে হল অচিন তিৰোতা,সেই তিৰোতাই নিজৰ বেশ্যা বৃত্তি চলাবলৈ নিজ ঠাই বাছি লয় আৰু সুবিধা বুজি মানুহক তাইলৈ আকৰ্ষণ কৰে। আজিৰ ডেকা সকলকো তেনে তিৰোতাৰ পৰা আঁতৰত থাকিবলৈ ঈশ্বৰে সাৱধান কৰি দিছে। সাৱধান কৰি দিয়া স্বত্তেও যদি কোনো লোকে তেনে তিৰোতাত আসক্ত হয় তেন্তে তেওঁ তাৰ পৰা ঘূৰি আহিব নোৱাৰিব আৰু জীৱনৰ পথত ভৰি দিব নোৱাৰিব; তেওঁৰ সৰ্বনাশ হব। তেনে তিৰোতাত আসক্ত হোৱা এগৰাকী বৃদ্ধ মানুহে কি কৈছে, ডেকা কালত তেওঁহেনো এগৰাকী তেনেকুৱাতিৰোতাৰ লগত ব্যভিচাৰ কৰিছিল। যাৰ কু-পৰিণতি স্বৰূপে তেওঁৰ গুপুত অংগত এবিধ মাৰাত্মক বেমাৰে দেখা দিছিল। সেই বেমাৰত তেওঁ বহু দুখ কষ্ট পোৱাৰ উপৰিও প্ৰায় মৰোমৰো হৈছিল, তেওঁৰ জীৱন অন্ধকাৰ হৈ পৰিছিল কিন্তু বহু চিকিৎসাৰ ফলত তেওঁ কোনো মতে মৃত্যুৰ পৰা বাচিছিল যদিও, বেমাৰটো ভাল হবলৈ কিন্তু বহু বছৰ লাগিছিল। তাৰ বাবে



WORD RESOUNDS TODAY
www.Radio882.com

বহু কষ্ট বহু খৰছ কৰিব লগীয়া হৈছিল, সেই কাৰণে তেওঁ তেনে কাম আৰু নকৰে বুলি প্ৰতিজ্ঞা কৰিছিল। সেয়ে ঈশ্বৰে তেনেকুৱা তিৰোতাৰ পৰা আঁতৰি থাকিবলৈ আপোনাক, মোক আৰু সকলোকে সতৰ্ক কৰি দিছে।

আজিকালি আমাৰ সমাজত বিবাহৰ বাহিৰত শাৰীৰিক সম্পৰ্কক সহজ ভাৱে লোৱা হৈছে কিন্তু তাৰ ফলত এনে কিছুমান মাৰাত্মক হুচৰা ৰোগ বিয়পি পৰিছে, যে ক'বলৈকে ভয় লাগে তেনে কিছুমান বেমাৰৰ চিকিৎসা আজিও ওলোৱা নাই। তেনে বেমাৰ হলে মৃত্যুৰ বাহিৰে আন উপায় নাই। আমি ভাবো যে এই বিষয়ে আপুনি এতিয়াও নজনাকৈ থকা নাই। যদিওবা নাজানে তেন্তে ততালিকে আপুনি নিশ্চয় সেই বিষয়ত আনক সুধি জানি লোৱা উচিত। প্ৰিয় শ্ৰোতা বাইবেলৰ যোগেদি ঈশ্বৰে আমাক এই সকলোৰে পৰা সাৱধানে থাকিবলৈ সকিয়াই দিছে। বাইবেলৰ যোগেৰে ঈশ্বৰে কোৱা কথালৈ আমি কাণসাৰ কৰি ঈশ্বৰত ভৰসা কৰি চলিবলৈ শিকিলে, আমি এই জীৱনতো নিশ্চয় ভালদৰে জীৱন উপভোগ কৰিব পাৰিম আৰু প্ৰভু যীচুক আমাৰ অন্তৰত স্থান দি আমাৰ ত্ৰানকৰ্ত্তা বুলি গ্ৰহণ কৰিলে আমাৰ আহিবলগীয়া জীৱনতো অনন্ত কালৰ বাবে সুখে শান্তিৰে থাকিব পাৰিম। এই কথাবোৰ আপুনি চিন্তা কৰি চাইছে নে? ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক, আমেন।/1

WORD RESOUNDS TODAY

**<u>পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:</u>**

1) হিতোপদেশ২নংঅধ্যায়ৰমূলবিষয়টোকি ?
2) ঈশ্বৰৰসন্তানসকলৰদ্বিতীয়শত্ৰুটোকোন ?
3) অচিনতিৰোতাবুলিকাককোৱাহৈছে ?



www.Radio882.com

**PASS01-0687**

## হিতোপদেশ ৩ অধ্যায়

আজি আমি ৩নং অধ্যায়লৈ আহিছো, আৰু ইয়াৰ মূল বিষয়টো হৈছে, **শৰীৰৰ সম্বন্ধে ঈশ্বৰৰ নিয়মবিলাক মানিব লাগে আৰু প্ৰজ্ঞাৰ পঢ়া শালিলৈ আহিবলৈ ডেকা সকলক আহ্বান জনাব লাগে।** ডেকা এজনে শৈশৱ পাৰ হৈ ঘৰ এৰি বাস্তৱ জীৱন যাত্ৰাত খোজ দিয়াৰ লগে, লগে প্ৰজ্ঞাৰ এই আহ্বান যেন তেওঁ ঈশ্বৰৰ বচন শ্ৰৱণৰ দ্বাৰাই পাব পাৰে তাৰ বাবে ঈশ্বৰৰ বচন তেওঁ গ্ৰহণ কৰিব লাগে।

প্ৰজ্ঞাৰ এই আদেশ প্ৰতিজন ডেকাৰ বাবে বৰ দৰকাৰ সেই কাৰণে কোৱা হৈছে এসময়ত এজন সোণাৰীয়ে হেনো নিজৰ ধন খৰচ কৰি হিতোপদেশ পুস্তকখন ছপাই ডেকা সকলৰ মাজত বিতৰণ কৰি দিছিল। হিতোপদেশ পুস্তক খন ডেকা সকলৰ বাবে কিমান উপকাৰক তাক সোণাৰী গৰাকীয়ে জানিছিলা। ইয়াত প্ৰজ্ঞাক এগৰাকী নাৰীৰ ৰূপত উপস্থাপন কৰি দেখুৱা হৈছে অৰ্থাৎ আমাৰ কাৰণে প্ৰজ্ঞাক যীচু খ্ৰীষ্টত ব্যক্তিগত ৰূপ দিয়া হৈছে। এই বিষয়ে ১কৰিন্থীয়া ১:৩০পদ **"কিন্তু যি যীচু ঈশ্বৰৰ পৰা আমালৈ প্ৰজ্ঞা অৰ্থাৎ ধাৰ্মিকতা, পবিত্ৰতা লাভ আৰু মুক্তি হল তোমালোকে সেই যীচু খ্ৰীষ্টত আছা।"** খ্ৰীষ্টক আমাৰ কাৰণে প্ৰজ্ঞাস্বৰূপ কৰা হ'ল। সেইয়ে প্ৰতিজন ডেকা মানুহ কাৰণে খ্ৰীষ্ট বৰ প্ৰয়োজন। কিয় প্ৰয়োজন সেই বিষয়ে পঢ়ি দিছোঁ, হিতোপদেশ ৩:১ পদ **"হে মোৰ বোপা তুমি মোৰ ব্যৱস্থা নাপাহৰিবা। কিন্তু তোমাৰ অন্তঃকৰণে মোৰ আজ্ঞাবোৰ পালন কৰক।"** চাওক এজন পিতৃয়ে নিজ মৰমৰ সন্তানক কোৱাৰ দৰে ঈশ্বৰে আপোনাক কৈছে- হে মোৰ বোপা তোমাৰ অন্তঃকৰণে সৈতে মোৰ আজ্ঞাবোৰ পালন কৰা।

এই কথা কোৱাৰ আঁৰত নিশ্চয় আপোনাৰ আৰু মোৰ কাৰণে ইয়াত এটা গভীৰ অৰ্থ আৰু তাৎপৰ্য আছে। সেই তাৎপৰ্য কেৱল আমাৰ দায়িত্ব বা কৰ্তব্যৰ ভিতৰতে আৱদ্ধ থকা নাই তাতকৈয়ো কিবা অলপ অধিক আছে। বহু সময়ত আমি কওঁ এইটো, সেইটো কৰা আমাৰ দায়িত্ব নহয় কিন্তু দায়িত্বৰ খাতিৰতহে আমি কিবা এটা কৰিম এনে নহয়। মোৰ কথা শুনি আপুনি হয়তো ভাল নাপাব পাৰে কিন্তু আমি যি কৰো তাক ঈশ্বৰৰ ইচ্ছা প্ৰতি প্ৰেম আৰু ভক্তিৰে কৰিব লাগে।

এই বিষয়ে গীত ৰচক দায়ূদে এই বুলি কৈছে- মই যেন তোমাৰ অহিতে পাপ নকৰোঁ এই নিমিত্তে মই তোমাৰ বচন মোৰ মনত সাঁচিলো। তদুপৰি ইজ্ৰা নামৰ ডেকা পুৰোহিত এজনে ইজ্ৰা ৭:১০ পদত কৈছে, **"কিয়নো ঈশ্বৰৰ ব্যৱস্থা বুজ লৈ সেইমতে কাৰ্য কৰিবলৈ আৰু ইস্ৰায়েলৰ মাজত বিধি আৰু শাসন প্ৰণালীৰ শিক্ষা দিবলৈ ইজ্ৰাই নিজ মন থিৰ কৰিলে।"** হয় প্ৰিয় শ্ৰোতা দায়ূদ আৰু ইজ্ৰাৰ দৰে আজি প্ৰতিজন ডেকাই ঈশ্বৰৰ প্ৰজ্ঞাৰ কাৰণে নিজ হৃদয় প্ৰস্তুত কৰিব লাগে।

মনত পেলাওকচোন, প্ৰভু যীচু খ্ৰীষ্টই তেওঁৰ শিষ্যসকলক ওপৰ কোঠালীত কি কৈছিল, শিষ্য সকলক ইমান মৰমেৰে, ইমান আপোনভাৱে আৰু ব্যক্তিগতভাৱে আগতে কেতিয়াও নোকোৱা কথাবিলাক এনেকৈ কৈছিল যে জানিলেই বৰ আচৰিত লাগে। যোহন ১৪:২৬পদ, **"কোনোৱে যদি**



WORD RESOUNDS TODAY
www.Radio882.com

**মোক প্ৰেম কৰে তেন্তে তেওঁ মোৰ বচন পালন কৰিব। মোৰ পিতৃয়ে তেওঁক প্ৰেম কৰিব আৰু আমি তেওঁৰ ওচৰলৈ আহি তেওঁৰে সৈতে নিবাস কৰিম।** প্ৰিয় শ্ৰোতা- এতিয়া প্ৰশ্ন হ'ল আপুনি যীচুক প্ৰেম কৰে নে? যদি যীচুক প্ৰেম কৰে তেন্তে ঈশ্বৰকে প্ৰেম কৰে আৰু আপুনি যি কৰে তাক কৰ্তব্যৰ খাতিৰত নহয় কিন্তু যীচুৰ প্ৰেমত মোহিত হৈ কৰিব পাৰিব।

এগৰাকী বাইবেল শিক্ষকে কৈছিল-অনাতাৰ মাধ্যমৰ যোগে ঈশ্বৰৰ বচন প্ৰচাৰ কৰিবলৈ তেখেতে যিমান কষ্ট, পৰিশ্ৰম আৰু ত্যাগ স্বীকাৰ লগা হৈছিল সেই বিলাক তেখেতৰ কৰ্তব্যও নাছিল আৰু কৰ্তব্যৰ খাতিৰতো কৰা নাছিল। কিন্তু তেখেতে যীচুক বৰ ভাল পাইছিল আৰু যীচুৰ ইচ্ছা পালন কৰিবলৈ চেষ্টা কৰিছিলি। সেই কাৰণে তেখেতে ঈশ্বৰৰ বাক্য প্ৰচাৰ কৰা কাৰ্যত ব্ৰতী হৈছিল। চিমোন পিতৰে প্ৰভু যীচুৰ প্ৰেমৰ কথাটো ভাল দৰে বুজি পাইছিল কাৰণ তেওঁ প্ৰভু যীচুক অস্বীকাৰ কৰি মৰ্মান্তিক দোষ পাইছিল সঁচা কিন্তু যীচুৱে তেওঁ প্ৰতি যি সম্মান প্ৰৰ্শদন কৰিছিল সেয়া আছিল অতি আচৰিত। পুনৰুত্থানৰ পাছত যীচুৱে গালীল সাগৰৰ তীৰত যি আহাৰৰ আয়োজন কৰিছিল তালৈ পিতৰ গৈছিল যীচুৱে তেওঁক সোধা নাছিল পিতৰ তুমি মোক কিয় অস্বীকাৰ কৰিছিলা কিন্তু কৈছিল "যোনাৰ পুত্ৰ চিমোন পিতৰ তুমি মোক প্ৰেম কৰানে?" আজি যীচুৱে সেই প্ৰশ্ন আপোনাক আৰু মোক সুধিছে, আমি তেওঁক বাস্তৱিকতে প্ৰেম কৰোনে? আমি যদি সঁচাকৈ তেওঁক প্ৰেম কৰো তেন্তে আমাৰ জীৱন মধুৰ আৰু সুন্দৰ অৰ্থপুৰ্ণ হব।

হিতোপদেশ ৩:৩পদ **"দয়া আৰু সত্যতা তোমাক ত্যাগ নকৰক দুয়োকো তুমি ডিঙিত বান্ধি ৰাখা আৰু নিজৰ হৃদয় ৰূপ ফলিত লিখা।"** প্ৰিয় শ্ৰোতা ঈশ্বৰে মুচিৰ যোগেদি বিধান দিছিল আৰু সত্যতা প্ৰভু যীচুৰ যোগেদিহে আহিছে। সত্যতা হল অনুগ্ৰহ, দয়া আৰু অনুগ্ৰহৰ মাজত পাৰ্থক্য আছে; এজনী মগনীয়াই এজনী তিৰোতাৰ পৰা এখান ৰুটি খুজিলে তিৰোতা গৰাকীয়ে যদি ৰুটি থন বনাই দিয়ে সেয়া হল দয়া, ৰুটিখনৰ ওপৰত যদি অলপ হাল ঘিউ দিয়ে সেইয়া হল অনুগ্ৰহ কাৰণ ঘিউ নুখুজাকৈ দিয়া হৈছে। ঠিক সেইদৰে আমিও ঈশ্বৰৰ দয়া আৰু সত্যতা পোৱা যোগ্য নাছিলো কিন্তু ঈশ্বৰে আমাক দিলে। এই দুয়োটা বস্তু আমি কেতিয়াও ত্যাগ কৰিব নালাগে।

হিতোপদেশ ৩:৪-৬পদলৈকে, **"তাকে কৰিলে তুমি ঈশ্বৰ আৰু মানুহৰ দৃষ্টিত অনুগ্ৰহ আৰু সুযশস্যা পাবা। তুমি সমস্ত মনেৰে সৈতে যিহোৱাত ভাৰসা কৰা; তোমাৰ নিজ বিবেচনাত তুমি নিৰ্ভৰ নকৰিবা। তোমাৰ সকলো কাৰ্য্যত তেওঁক স্বীকাৰ কৰা; তাতে তেওঁ তোমাৰ পথবোৰ সমান কৰিব।"**

এই কথা খিনিকে পৌলে ২তিমথীয় ২:৩পদ, "**তুমি নিজকে পৰীক্ষাসিদ্ধ লোক, লাজৰ যোগ্য নোহোৱা কৰ্ম্মকাৰী, আৰু সত্যৰ বাক্য ঠিকৰূপে বিভাগ কৰাত নিপুণ লোক কৰি, ঈশ্বৰৰ আগত উপস্থিত কৰিবলৈ যত্ন কৰা।"** ইয়াৰ দ্বাৰা ইয়াকে কোৱা হৈছে যে আমি ঈশ্বৰৰ বাক্য ভালদৰে অধ্যয়ণ কৰিব লাগে তাত থকা ঈশ্বৰৰ দয়া আৰু সত্যতাৰ কথাবিলাক বুজিব লাগে আৰু তাৰ দ্বাৰই অনুপ্ৰাণিত হৈ ঈশ্বৰৰ ওপৰত নিৰ্ভৰ কৰি আমি অমাৰ সিদ্ধান্তবিলাক লব লাগে ।প্ৰতিজন ডেকাই জীৱনৰ পথত ঈশ্বৰক সৰোগত কৰি চলিব লাগে।



WORD RESOUNDS TODAY
www.Radio882.com

প্ৰিয় শ্ৰোতা তুমি সমস্ত মনেৰে ঈশ্বৰত ভাৰসা কৰা এইটো আমি ঈশ্বৰৰ নিবেদন ৰূপে নহয় বৰং মৰম সনা পবিত্ৰ ধমকি হিচাপেহে লব লাগে আৰু যদি নলওঁ তেন্তে ঈশ্বৰৰ বাক্যই আমাক মূৰ্খ বুলি কৈছে, কথাটো একে বাৰে সঁচা। এবাৰ এজন পৰিচাৰকে ড্ৰাগচ আসক্ত হোৱা ডেকা লৰাক বুজনি দিবলৈ গৈছিল আৰু কৈছিল যে, তেওঁলোকে ড্ৰাগচ খাই জীৱন ধ্বংস কৰাতকৈ সেইবোৰ এৰি ঈশ্বৰলৈ ঘূৰি আহক কাৰণ ঈশ্বৰে তেওঁলোকক অতিশয় প্ৰেম কৰে। উত্তৰত ডেকা সকলে কৈছিল যে, ঈশ্বৰৰ প্ৰেম তেওঁলোকক দৰকাৰ নাই, তেওঁলোকে নিজে নিজক ভাল পায়। চাওক চোন, তেওঁলোক নিজৰ বিবেচনাত নিজে মূৰ্খ হোৱা নাই নে? এগৰাকী বিখ্যাত বাইবেল শিক্ষকে কৈছে যে, প্ৰথম অৱস্থাত তেখেতেও ঈশ্বৰৰ ওপৰত নিৰ্ভৰ কৰিব শিকা নাছিল। কিন্তু এবাৰ তেখেত বৰ টান বেমাৰত পৰিছিল আৰু তাৰ পৰা বচাৰ কোনো উপায় নাছিল। কোনো উপায় নাপায় তেখেতে ঈশ্বৰৰ ওপৰত নিৰ্ভৰ কৰিবলৈ ললে, তাৰ মানে তেখেতে নিজকে ঈশ্বৰৰ হাতত সম্পূৰ্ণ ৰূপে শুধাই দিলে, অৰ্থাৎ ঈশ্বৰৰ ইচ্ছা কি তাক জানিলৈ সেইমতে কাৰ্য কৰিবলৈ আৰু প্ৰতিটো কাৰ্যৰ বাবে ঈশ্বৰক ধন্যবাদ আৰু প্ৰশংসা কৰিবলৈ ধৰিলে। এইদৰে তেখেতে মৃত্যুৰ পৰা ৰক্ষা পোৱাই নহয়, তেখেতৰ নিজৰ জীৱনো ধন্য হ'ল আৰু আন বহুতৰ বাবে আৰ্শীবাদ হ'ল।

মথি ৬:২২ পদ **"তোমাৰ চকু যদি ভালে থাকে তেন্তে তোমাৰ শৰীৰ গোটেই দীপ্তিময় হয়।"** এইটো সঁচা, চকু ভালে থাকিলে হাতে ভাল দৰে কাম কৰিব পাৰে আৰু ভৰিও ভালদৰে খোজ দিব পাৰে। ঠিক সেইদৰে আমি যদি ঈশ্বৰত ভৰসা কৰো তেন্তে ঈশ্বৰৰ পথেই আমাৰ পথ হব আৰু আমাৰ জীৱন ধন্য হব। সেই কাৰণে হে ডেকা ভাই সকল আপোনালোকে যি কৰি আছে বা যতেই আছে আপোনাৰ হৃদয়ত ঈশ্বৰক সাৱোগত কৰক; দেখিব আপোনাৰ জীৱন কেনে সুন্দৰ হৈছে আৰু আপুনি এক অজান আৰু নিৰ্মল শান্তি উপলব্ধি কৰিছে। হিতোপদেশ ৩:৭-৮পদ, **"নিজকে নিজে জ্ঞানী বুলি নামানিবা; যিহোৱালৈ ভয় ৰাখা, আৰু বেয়াৰ পৰা আঁতৰ হোৱা।সেয়ে তোমাৰ শৰীৰৰ স্বাস্থ্য, আৰু তোমাৰ হাড়বোৰৰ মগজুস্বৰূপ হব।"** আমি যদি সঁচাকৈ ঈশ্বৰৰ এই কথা পালন কৰো তেন্তে আমাৰ নৈতিক উন্নতি হবই আৰু তাৰ লাগে, লগে শাৰীৰিক স্বাস্থ্যও ভাল হব সেই কথাত কোনো সন্দেহ নাই।

হিতোপদেশ ৩:৯-১০পদ, **"তোমাৰ সম্পত্তিৰে যিহোৱাক আদৰ কৰা, আৰু তোমাৰ সকলো আয়ৰ আগ ভাগেৰে যিহোৱাক সন্মান কৰা; তাতে তোমাৰ ভঁৰালবোৰ বহু শস্যেৰে পৰিপূৰ্ণ হব, আৰু তোমাৰ দ্ৰাক্ষাকুণ্ড দ্ৰাক্ষাৰসেৰে উপচি পৰিব।"** এই পদ দুটি যোগেদি কোৱা হৈছে পাৰ্থিৱ সম্পত্তি আশীৰ্বাদক সৈতে আত্মিক তাৎপৰ্য জৰিত আছে। ইয়াৰ যোগেদি সকলো প্ৰকাৰে ঈশ্বৰৰ হাতত শোধাই দিয়া কথাটো বুজোৱা হৈছে মন কৰক ঈশ্বৰে ইস্ৰায়েলক যেতিয়া কনান দেশ খন দিছিল তেতিয়া তেওঁ কৈছিল এই দেশ মোৰ, মই তোমাক দিছো সেই কাৰণে ইস্ৰায়েলীয় সকলে ভূমিত উৎপাদিত বস্তুৰ দহ ভাগৰ এভাগ ঈশ্বৰৰ কাৰণে দান কৰিছিল। শস্য প্ৰথম ফলৰ পৰাই তেওঁলোকে সেই দান আগবঢ়াছিল কাৰণ ভূমিৰ গৰাকী আচলতে ঈশ্বৰ। এইয়া আছিল ঈশ্বৰৰ প্ৰতি তেওঁলোকৰ সম্পূৰ্ণ সমৰ্পণৰ প্ৰমাণ। আজি যদি আপুনি উপাৰ্জনৰ পৰা ঈশ্বৰৰ লৈ দান নিদিয়ে; তেন্তে তেওঁৰ হাতত পুৰামাত্ৰাই শোধাই দিয়া বুলি আপুনি দাবী নকৰিব কাৰণ ঈশ্বৰে দিয়া কাৰণেহে আপুনি পাইছে ।



WORD RESOUNDS TODAY
www.Radio882.com

কিছুমানে কব বিচাৰে যে বৰ কঠোৰ পৰিশ্ৰম কৰিহে তেওঁলোকে উপাৰ্জন কৰিছে গতিকে তাৰ পৰা ঈশ্বৰক দিয়া সম্ভৱ নহয়। কিন্তু কথা হল কাম কৰিবলৈ হাত ভৰি আপোনাক কোনে দিছে ঈশ্বৰে দিয়া নাই জানো? নাইবা কৰা কামটো আপোনাক কোনে দিছে? প্ৰিয় শ্ৰোতা আপোনাৰ যি আছে আৰু যি পাইছে তাৰ গৰাকী হৈছে ঈশ্বৰ সেই কথা আপুনি সোঁৱৰণ কৰক আৰু আপোনাৰ উপাৰ্জনেৰে ঈশ্বৰৰ হাতত নিজকে শোধাই দিয়ক। এই কথা শুনি কোনোবাই হয়তো ইয়াক এক প্ৰকাৰ ভাৰ বুলি ভাবিব পাৰে কিন্তু এইয়া কোনো মতে ভাৰ বা বোজা নহয়এইয়া হ'ল ঈশ্বৰৰ প্ৰতি এক প্ৰেমৰ চিন। অকলদীঘলীয়া প্ৰাৰ্থনা এটাই ঈশ্বৰৰ প্ৰতি প্ৰেমৰ চিন নহয়, প্ৰাৰ্থনাৰ লগতে আপুনি কিমান ত্যাগ কৰিব পাৰে, এই কথাও জড়িত হৈ আছে। এগৰাকী বিখ্যাত শিক্ষকে কৈছে যে, বহু বছৰ ধৰি তেখেতে পালক কাম কৰি তেখেতে বুজি পাইছে যি সকল লোকে বেছি কথা কয় আৰু মণ্ডলী চলোৱাৰ আগ ভাগ লব খোজে, তেওঁলোকে বেছি দান দিব নোখোজে কিন্তু যি সকল আনন্দ মনেৰে ঈশ্বৰক দিয়ে, ঈশ্বৰেও উপচি পৰাকৈ তেওঁলোকক/1আশীৰ্বাদ কৰিম বুলি প্ৰতিজ্ঞা কৰিছে।

হিতোপদেশ ৩:১১-১২পদ, **"হে মোৰ বোপা, যিহোৱাৰ শাস্তি হেয়জ্ঞান নকৰিবা, আৰু তেওঁৰ অনুযোগত আমনি নাপাবা; কিয়নো পিতৃয়ে নিজ প্ৰিয় পুত্ৰক যেনে কৰে, তেনেকৈ ঈশ্বৰেও যাকে প্ৰেম কৰে, তাকেইহে অনুযোগ কৰে।** প্ৰিয় শ্ৰোতা, ইয়াত ঈশ্বৰে নিজ সন্তানক চেকনিৰে কোবোৱা কথা কৈছে। মনত ৰাখিব, আপুনি যদি ঈশ্বৰৰ সন্তান তেন্তে গোটেই জীৱন আপোনাৰ ক্ষেত্ৰত তেওঁ চেকনি ব্যৱহাৰ কৰিব। চয়তানৰ সন্তানক ঈশ্বৰে শাস্তি নিদিয়ে, আপুনি যদি মাজে সময়ে ঈশ্বৰৰ পৰা চেকনীৰে কোব পাই, তেনেহলে জানিব সেয়া ঈশ্বৰৰ সন্তানৰ চিন। ইয়োব ৫:১৭-১৮পদ, **"চোৱা, যি মানুহক ঈশ্বৰে শুধৰায়, সেই মানুহ ধন্য; এই কাৰণে তুমি সৰ্ব্বশক্তিমানৰ শাস্তি হেয়জ্ঞান নকৰিবা।কিয়নো তেওঁ ঘা লগায়, আৰু তাক বান্ধে; তেওঁ আঘাত কৰে, আৰু নিজ হাতেৰে তাক সুস্থ কৰে।"** প্ৰিয় শ্ৰোতা, এইখিনিতে এটা কথা মন কৰিব চেকনী আৰু শাস্তি একে বস্তু নহয়। বহু সময়ত এই দুয়োটা আমি একে বস্তু বুলি ধৰো, কিন্তু অপৰাধীৰ বাবে শাস্তি আৰু ঈশ্বৰৰ সন্তানৰ বাবে হৈছে চেকনী, বিচাৰকে যেতিয়া নিজ সন্তানক কোবাই তেতিয়া তেওঁ সন্তানক অপৰাধীৰ দৰে শাস্তি নিদিয়ে, বৰং শুধৰণীৰ বাবে তেওঁক অনুযোগহে কৰে। হিতোপদেশ ৩:১৩পদ, **"যি মানুহে প্ৰজ্ঞা পায়, আৰু সুবুদ্ধি লাভ কৰে, তেওঁ ধন্য।"** চমুকৈ কবলৈ গলে, যীচু খ্ৰীষ্ট হ'ল প্ৰজ্ঞাৰ গৰাকী আৰু যিয়ে যীচুক পায় তেওঁ জীৱনত শান্তি আৰু আনন্দ পায়। হিতোদেশ ৩:১৪-১৬পদ, **"কিয়নো ৰূপৰ ব্যৱসায়ৰ আয়তকৈ তাৰ ব্যৱসায়ৰ আয় উত্তম, আৰু শুদ্ধ সোণকৈয়ো প্ৰজ্ঞা লাভ উত্তম। সেয়ে পদ্মৰাগতকৈয়ো বহুমূল্য; তোমাৰ অভিলাষৰ কোনো বস্তুকেই তাৰ লগত তুলনা কৰিব নোৱাৰি।"** সেই প্ৰজ্ঞাৰ সোঁহাতে দীৰ্ঘায়ু, আৰু বাওঁহাতে বল আৰু সম্মান আছে। প্ৰজ্ঞাক এগৰাকী নাৰী ৰূপত প্ৰকাশ কৰি দেখুৱা হৈছে আৰু সেই নাৰীগৰাকীৰ এখন স্কুল আছে বুলি কোৱা হৈছে, এই গৰাকী নাৰী সেই অচিন তিৰোতাজনীৰ সম্পূৰ্ণ বিপৰীত অৰচিন নাৰী জীৱন ধ্বংস কৰি কিন্তু প্ৰজ্ঞাই জীৱন দীঘল কৰে।

হিতোপদেশ ৩:১৭-১৮পদ **"তেওঁৰ পথবোৰ সন্তোষজনক পথ, আৰু তেওঁৰ সকলো বাট শান্তিময় তেওঁত শৰণ লোৱাবিলাকৰ মানত তেওঁ জীৱনদায়ক গছস্বৰূপ হয়।"** আৰু তেওঁক দৃঢ়কৈ ধৰা প্ৰতিজন লোক সুখী। আপুনি যদি প্ৰজ্ঞাৰ এই ফল পাব বিচাৰে তেন্তে নিশ্চয় পাব কিন্তু পাবলৈ আপুনি কিছু পৰিশ্ৰম কৰিব লাগিব। অৰ্থাৎ ঈশ্বৰৰ বচন বাইবেল আপুনি অধ্যয়ন



WORD RESOUNDS TODAY
www.Radio882.com

কৰিব লাগিব কাৰণ প্ৰজ্ঞাৰ ফল এলেহুৱা মানুহৰ কাৰণে নহয়, আজি কালি মানুহবিলাকে বাইবেল অধ্যয়ন কৰিবলৈ ইচ্ছা নকৰে, কিন্তু আকৌ কিছুমান কথা মুখস্থ কৰি ভাটৌৰ দৰে তাকে আওৰায় থাকে। তেনে কৰিলে একো লাভ নাই, প্ৰজ্ঞাৰ ফল আছে, আপুনি নিজে তাক বিচাৰি লব লাগিব।

হিতোপদেশ ৩:১৯-২০পদ, **"যিহোৱাই প্ৰজ্ঞাৰ দ্বাৰাই পৃথিৱীৰ মূল স্থাপন কৰিলে, আৰু সুবুদ্ধিৰ দ্বাৰাই আকাশ মণ্ডল সৃষ্টি কৰিলে । তেওঁৰ জ্ঞানৰ দ্বাৰাই অগাধ জলসমূহক দুভাগ-কৰা হল,আৰু আকাশে নিয়ৰ বৰষায়।"** আমি বসবাস কৰা বিশ্ব ব্ৰহ্মাণ্ডৰ এখন শৃংখলাবদ্ধ। এই বিশ্ব-ব্ৰহ্মাণ্ডৰ মহাকাশ গবেষণা কৰা কিছুমান বিজ্ঞানী আছে যিসকলে ঈশ্বৰক বিশ্বাস কৰে, তেওঁলোকে অনাতাঁৰ অনুষ্ঠান শুনে আৰু বাইবেল পঢ়ে, তেওঁলোকে অনুসন্ধান কৰি গম পাইছে যে, বিশ্ব-ব্ৰহ্মাণ্ড বা প্ৰকৃতি কোনোটোৱেই নিজেনিজে হোৱা নাই। বিশ্ব-ব্ৰহ্মাণ্ডৰ এজন সৃষ্টিকৰ্তা আৰু চালক আছে, তেওঁৰ এই সৃষ্টিখন বৰ নিখুঁত আৰু পৰিচালনাও বৰ সঠিক। সৃষ্টিকৰ্তা জনে/1বিশ্ব-ব্ৰহ্মাণ্ডৰ সকলো গ্ৰহন ক্ষত্ৰৰ নিজ, নিজ ঠাইত স্থাপন কৰিছে আৰু পৰিভ্ৰমণৰ কাল নিৰূপণ কৰিছে সেই মতেই সেইবোৰ চলি আছে।

হিতোপদেশ ৩:২১-২৪পদ, **"হে মোৰ বোপা, তুমি সেই সকলোক তোমাৰ চকুৰ পৰা আঁতৰ হবলৈ নিদিবা; তুমি বুদ্ধি-কৌশল আৰু বহুদৰ্শিতাক যত্নেৰে ৰাখা৷ তাতে সেইবোৰ তোমাৰ প্ৰাণৰ জীৱন, আৰু তোমাৰ ডিঙিৰ শোভাস্বৰূপ হব। তেতিয়া তুমি তোমাৰ পথত নিৰ্বিঘ্নে চলি থাকিবা, আৰু তোমাৰ ভৰিয়ে উজুটি নাখাব। তুমি শয়ন কৰা সময়ত তোমাৰ ভয় নাথাকিব; এনে কি, তুমি শুলে তোমাৰ টোপনি সুখজনক হব।"** প্ৰিয় শ্ৰোতা, প্ৰজ্ঞা অৰ্থাৎ ঈশ্বৰৰ জ্ঞানক চকুৰ পৰা দূৰ হব নিদিবা। তাৰ মানে আপুনি ঈশ্বৰৰ বচনৰ পৰা দূৰ নহব যদি আপুনি এই কথা মানে তেন্তে ঈশ্বৰৰ শান্তি আৰু অনুগ্ৰহ নিশ্চয় আপোনাৰ জীৱনলৈ আহিব আৰু আপোনাৰ মনৰ পৰা ভয় দূৰ হব, আপুনি নিৰ্ভয়ে টোপনি যাব পাৰিব।

হিতোপদেশ ৩:২৫-২৬পদ, **"তুমি আকস্মিক আপদলৈ ভয় নকৰিবা, নাইবা দুষ্টবোৰলৈ বিনাশ আহিলে, তুমি তালৈ আশঙ্কা নকৰিবা। কিয়নো যিহোৱা তোমাৰ বিশ্বাস-ভূমি হব, আৰু তেওঁ তোমাৰ ভৰি ফান্দত নপৰাকৈ ৰাখিব।"** এগৰাকী বিখ্যাত বাইবেল শিক্ষক কৈছে যে, তেখেতৰ জীৱনত এই দুটা পদৰ বিশেষ অৰ্থ আছে। কাৰণ বাৰে, বাৰে তেখেতৰ উৰা-জাহাজত উৰিবলগীয়া হৈছিল মাজে, মাজে তেখেতৰ ভয় লাগিছিল কিন্তু দুই এটা পদে তেখেতক বিশেষ শক্তি সাহস দিছিল। এতিয়া চাওক, আকস্মিক আপদলৈ ভয় নকৰিবা বুলি আচলতে কি কৈছে যে, আহি থকা সময়খিনি কাৰণে চিন্তা কৰাৰ প্ৰয়োজন নাই। এই মূহুৰ্তত ঈশ্বৰে যি দৰে আপোনৰ তত্বাৱধান লৈ আছে আহিব লগা দিনবোৰতো তেনেদৰে তত্বাৱধান লব। হিতোপদেশ ৩:২৭পদ, **"তোমাৰ উপকাৰ কৰিবৰ সমৰ্থ থাকিলে, উপকাৰ কৰিবলগীয়াক উপকাৰ নকৰাকৈ নাথাকিবা।** এৰা যদিহে উপকাৰ কৰা সামৰ্থ থাকে তেন্তে আমি আনকো উপকাৰ কৰিবই লাগে।

হিতোপদেশ ৩:২৮পদ, **"যেতিয়া তোমাৰ হাতত বস্তু থাকে, তেতিয়া, তুমি যোৱা, আকৌ আহিবা, কাইলৈ দিম, চুবুৰীয়াক এনে কথা নকবা।"** প্ৰিয় শ্ৰোতা এই বিষয়ে এগৰাকী ব্যক্তিয়ে



WORD RESOUNDS TODAY
www.Radio882.com

তেখেতৰ অভিজ্ঞতাৰ পৰা কৈছে যে, অনাতাৰ মাধ্যমেৰে শুভবাৰ্তা প্ৰচাৰ কাৰ্যত তেখেতক আৰ্থিক সহায় কৰিম বুলি হেনো বহু মানুহে অঙ্গীকাৰ কৰিছিল, আৰু সহায় কৰা সামৰ্থও তেওঁবিলাকৰ আছিল; কিন্তু তেওঁলোকে আজি দিম, কালি দিম কৈ বহুতে বিলম্ব কৰিছিল আৰু বহুতে দিয়াই নাছিল। আমি কিন্তু তেনেকুৱা হব নালাগে।

হিতোপদেশ ৩:২৯পদ, **"কোনো মানুহ তোমাৰ লগত নিৰ্ভয়েৰে থকা দেখিলে, তাৰ বিৰুদ্ধে কুকল্পনা নকৰিবা।"** কোনো মানুহ যদি আমাৰ লগত থাকে তেন্তে যি কোনো কাৰণতে বা যি কোনো স্বাৰ্থতে সেই লোকাৰ বিৰুদ্ধে কু-কল্পনা বা চক্ৰান্ত কৰিব নালাগে তেনে কৰাটো পাপ । হিতোপদেশ ৩:৩০পদ, **"কোনোৱে তোমাৰ অপকাৰ নকৰাকৈ, অকাৰণে তাৰ লগত বিবাদ নকৰিবা।"** এৰা এই কথা আমি বুজায় নকলেও হব যে, আমি নলগা জেঙত লাগি থাকিব নালাগে।

হিতোপদেশ ৩:৩১-৩৩পদ, "অত্যাচাৰীক অসূয়া নকৰিবা: তাৰ কোনো পথ মনোনীত নকৰিবা। কিয়নো কুটিল লোক যিহোৱাৰ ঘিণলগীয়া; কিন্তু তেওঁৰ গুপ্ত মন্ত্ৰণা হলে সৰলবিলাকৰ লগতহে। দুষ্ট লোকৰ ঘৰত যিহোৱাৰ শাও থাকে; কিন্তু তেওঁ ধাৰ্মিকবিলাকৰ নিবাস আশীৰ্ব্বাদ যুক্ত কৰে।প্ৰিয় শ্ৰোতা অত্যাচাৰীজন স্বাভাৱিকতে নিষ্ঠুৰ আৰু মিছলীয়া, তেনেলোকৰ পথত আমি চলিব নালাগে। আনহাতে কুটিল লোকক ঈশ্বৰে ঘিণ কৰে, কুটিল লোকৰ বিষয়ে আমি পাছলৈ বহু কথাই জানিব পাৰিম, সেই বিষয়ে আমি আলোচনা নকৰোঁহক। কিন্তু দুষ্ট লোকৰ বিচাৰ ঈশ্বৰে নকৰাকৈ নেথাকে।

হিতোপদেশ ৩:৩৪-৩৫পদ, **"নিশ্চয়ে তেওঁ নিন্দকবোৰক নিন্দা কৰে; কিন্তু নম্ৰবিলাকক অনুগ্ৰহ দান কৰে। জ্ঞানীবিলাক মৰ্য্যদাৰ অধিকাৰী হয়; কিন্তু অজ্ঞানবোৰৰ উন্নতি লাজেই।"** প্ৰিয় শ্ৰোতা, ঈশ্বৰে নিন্দক আৰু দাম্ভিকবোৰক ঘিণ কৰে, আপুনি ইয়াৰ ভিতৰত এজন নেকি? চিন্তা কৰক। যদিহে হয় ইয়াৰ পৰা উদ্ধাৰ কৰিবলৈ ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰক ঈশ্বৰে আপোনাক জ্ঞানী কৰিব। ধনীতকৈ জ্ঞানী হোৱা অতি উত্তম ধনীক ঈশ্বৰে বিচাৰ কৰে কিন্তু জ্ঞানীক হলে আৰ্শীবাদেৰে মৰ্য্যদাপূৰ্ণ কৰে। প্ৰিয়শ্ৰোতা আশা কৰো এই অনুষ্ঠান শুনি আপুনি নিজকে সমৰ্পণ কৰিব আৰু ঈশ্বৰে আপোনাক নিজ পথত চলাই লৈ যাব। পৰবৰ্তী অনুষ্ঠানত আকৌ লগ পোৱাৰ আশাৰে এই সময়ত সামৰণী মাৰিছোঁ ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক। নমস্কাৰ ।

WORD RESOUNDS TODAY

**<u>পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:</u>**

১) হিতোপদেশ ৩ অধ্যায়টো কাক উদ্দেশ্য কৰি লিখাহৈছে ?

২) ইজ্ৰা ভাববাদীৰ লগতে আৰু তেওঁ কিহৰ দায়িত্বত আছিল?

৩) চিমোন পিতৰৰ পিতৃৰ নাম কি আছিল ?



www.Radio882.com

WORD RESOUNDS TODAY



www.Radio882.com

## <u>হিতোপদেশ ৪-৫ অধ্যায়</u>

আজি আমি এই হিতোপদেশ পুস্তকৰ ৪ অধ্যায় প্ৰথম পদৰ পৰাই আলোচনা কৰিব খুজিছোঁ।পাঠ কৰি দিছো শুনিব, হিতোপদেশ ৪:১ পদ **“হে মোৰ বোপাহঁত, পিতৃৰ উপদেশ শুনা, আৰু সুবিবেচনা বুজিবলৈ কাণ পাতা।”** বোপা বুলি কেৱল ডেকা মানুহকে কোৱা নাই। আচলতে আমাক সকলোকে ইয়াত কোৱা হৈছে। হিতোপদেশ ৪: ২-৩ পদ পঢ়িছোঁ, **“কিয়নো মই তোমালোকক উত্তম শিক্ষা দিওঁ তোমালোকে মোৰ ব্যৱস্থা ত্যাগ নকৰিবা; কিয়নো মইও মোৰ পিতৃৰ পুত্ৰ আছিলো আৰু মাতৃৰ দৃষ্টিত কুমলীয়া আৰু একেটি সন্তান আছিলো।”** এই কথা খিনি চলোমনৰ দ্বাৰাই লিখা হৈছিল। ইয়াত তেওঁ নিজ পিতৃ দায়ূদৰ বিষয়ে কৈছে যদিও কেনেকৈ কৈছে শুনক, ময়ো মোৰ পিতৃ পুত্ৰ আছিলো আৰু মাতৃৰ দৃষ্টিত কুমলীয়া আৰু একেটি সন্তান আছিলো। কিছুমানে ভাবে যে দায়ূদৰ হৃদয়ত চলোমানে প্ৰথম স্থান লাভ কৰিছিল। কিন্তু আমি হলে তেনেকৈ নাভাবো কাৰণ ঐতিহাসিক পুস্তকবোৰৰ পৰা আমি জানিব পাৰো দায়ূদৰ হৃদয়ত চলোমানে প্ৰথম স্থান অধিকাৰ কৰা নাছিল কাৰণ তেওঁ লিগিৰিৰে ভৰা ৰাজ কাৰেংত ডাঙৰ দীঘল হৈছিল, তেওঁ এজন আদৰোৱা আৰু আলাসৰ লাৰুৰ নিচিনা ল'ৰা আছিল।

চলোমনৰ কাৰণে দায়ূদে যথেষ্ঠ সময় দিয়া নাছিল সেই কাৰণে চলোমানে কৈছে, মই পিতৃ পুত্ৰ আছিলো; কিন্তু মোৰ মাতৃয়ে মোক মৰম কৰিছিল আৰু শিক্ষা দিছিল। হিতোপদেশ ৪:৪ পদত চাওক, **“তেওঁ মোক শিক্ষা দি এই কথা কলে, তোমাৰ হৃদয়ে মোৰ বাক্য ধৰি ৰাথক; তুমি মোৰ বাক্যবোৰ পালন কৰি জীৱন ধাৰণ কৰা।”** দায়ূদে চলোমানক নিশ্চয় বহু উপদেশ দিছিল, তাৰ ভিতৰত আমি জানো যে **চলোমনক যেতিয়া ৰজা পতা হৈছিল, তেতিয়া দায়ূদে কৈছিল, পুৰুষাশলী দেখুৱা** কাৰণ তেওঁ অনুভৱ কৰিছিল যে চলোমন যেনে পুৰুষ হব লাগিছিল তেনে হব পৰা নাছিল। সেই কাৰণে কৈছিল, তোমাৰ হৃদয়ে মোৰ বাক্য ৰাথক আৰু তুমি মোৰ আজ্ঞা পালন কৰি জীৱন ধাৰণ কৰা।

হিতোপদেশ ৪: ৫-৬পদ, **“প্ৰজ্ঞা উপাৰ্জন কৰা আৰু সুবিবেচনা আৰ্জ্জা তাক নাপাহৰিবা, মোৰ সুখৰ বাক্যৰ পৰা আঁতৰি নাযাবা। প্ৰজ্ঞাক ত্যাগ নকৰিবা, তাতে তেওঁ তোমাক ৰক্ষা কৰিব, তেওঁক প্ৰেম কৰা তাতে তেওঁ তোমাক ৰাখিব।”** এই কথা আমি আগতেও পাই আহিছো যে, প্ৰজ্ঞাক আমাৰ আগত এগৰাকী নাৰী ৰূপত দাঙি ধৰা হৈছে আৰু সেই নাৰীৰ এখন পঢ়াশালী আছে আৰু তাৰ পৰা ডেকাসকলক পাঠ দান কৰি থকা হৈছে। ইয়াৰ বিপৰীতে আমি আন এগৰাকী তিৰোতাৰ বিষয়ে পাইছো যাক আমি অচিন তিৰোতা বুলি কৈছো আৰু সেই তিৰোতা গৰাকী হল ব্যভিচাৰী কৰা তিৰোতা, ডেকা সকলক হাত বাউলি দি মাতি থাকে আৰু ডেকা সকলকৰ জীৱন সেই তিৰোতাই ধ্বংস কৰে।



WORD RESOUNDS TODAY
www.Radio882.com

কিন্তু প্ৰজ্ঞাই হলে ডেকা সকলক ৰক্ষা কৰে আৰু নিৰাপদে ৰাখে, প্ৰজ্ঞাক প্ৰেম কৰা তাতে তেওঁ তোমাক ৰক্ষা কৰিব; এই কথাটোৱে আজিৰ শিক্ষা কৰ্তৃপক্ষৰ মাজত এটা ডাঙৰ পাৰ্থক্য আঙুলিয়াই দিয়ে। কাৰণ এইটো চিন্তা কৰিব লগীয়া কথা যে, তেওঁলোকে প্ৰজ্ঞাক ভাল পোৱাৰ প্ৰমাণ লেখমানো দিব পৰা নাই। তাৰ মানে ঈশ্বৰৰ বচনক তেওঁলোকে প্ৰেম কৰে নে? ইয়াৰ উত্তৰত আমি অৱশ্যে এটা কথা ক'ব পাৰো যে, মানুহৰ জ্ঞানক প্ৰেম কৰিবলৈ হলে সেই জ্ঞান আগতে বুজি পাব লাগিবা কিন্তু ঐশ্বৰিক জ্ঞানক বুজি পাবলৈ হলে তাক আগতে প্ৰেম কৰিব লাগিব। সেই কাৰণে ঈশ্বৰৰ বচন যদি আপুনি বুজি পাবলৈ ইচ্ছা কৰে তেন্তে আপুনি ঈশ্বৰৰ বচনক প্ৰেম কৰিব লাগিব আৰু ঈশ্বৰৰ বচনৰ পৰা শিক্ষা লবলৈ ইচ্ছা কৰিব লাগিব।

হিতোপদেশ ৪:৭ পদ, **"প্ৰজ্ঞাই মূল বস্তু এই হেতুকে প্ৰজ্ঞা উপাৰ্জন কৰা এনে কি তোমাৰ সকলো আয়েৰে সুবিবেচনা লাভ কৰা।"** প্ৰিয় শ্ৰোতা প্ৰজ্ঞা বিষয়ে ইয়াত কি কোৱা হৈছে শুনক চোন, প্ৰজ্ঞা মানে মাত্ৰ জ্ঞান নহয় বা বিবেচনা কৰিব পৰা শক্তিয়েই নহয়। প্ৰজ্ঞাই জ্ঞানৰ প্ৰতি প্ৰেম জন্মাই আৰু জ্ঞানৰ প্ৰতি উচিত ৰূপে ব্যৱহাৰ কৰাত সহায় কৰে। হিতোপদেশ ৪: ৮-৯পদ **"তেওঁক শিৰোধাৰ্য্য কৰা তেতিয়া তেওঁ তোমাৰ উন্নতি কৰিব তুমি তেওঁক সাৱটি ধৰিলে তেওঁ তোমাক সমাদৰৰ ঠাইলে আনিব। তেওঁ তোমাৰ মূৰত শোভা কৰোঁতা মালা দিব, আৰু তোমাক সুন্দৰ কিৰিটি দান কৰিব।"** ইয়াত কোৱা হৈছে যে এগৰাকী পুৰুষ নাৰীৰ প্ৰতি স্বাভাৱিকতে যিদৰে আকৰ্ষিত হয়, ঠিক সেই দৰে আমিও প্ৰজ্ঞাৰ প্ৰতি তেনেকৈ আকৰ্ষিত হব লাগ।

কিন্তু বাইবেলত নতুন নিয়মত এই কথাটো বেলেগকৈ কোৱা হৈছে। তাত কোৱা হৈছে, যীচু খ্ৰীষ্টক আমাৰ কাৰণে প্ৰজ্ঞা স্বৰূপ কৰা হল; আৰু সেই কাৰণে আমি তেওঁক প্ৰেম কৰিব লাগে। আজি কালি কিছুমানে ক'ব বিচাৰে যে, বাইবেলে আমাৰ কাৰণে ইমান বিলাক সুফল প্ৰতিজ্ঞা কৰিছে কিন্তু আমি দেখোন সেইবিলাক লাভ কৰিব নোৱাৰো। প্ৰিয় শ্ৰোতা লাভ কৰিব নোৱাৰাৰ কাৰণ বাইবেল খন নহয় কাৰণ হলো আমি নিজেই, ঈশ্বৰ বচনৰ প্ৰতি আমাৰ প্ৰেমৰ অভাৱ আৰু অনিচ্ছাৰ কাৰণেই সেই ফল বিলাক আমি নাপাওঁ।

হিতোপদেশ ৪:১০পদ" **হে মোৰ বোপা শুনা, আৰু মোৰ কথা গ্ৰহণ কৰা তাতে তোমাৰ আয়ুসৰ বছৰ অনেক হব।"** আমি ভাবো যে **মাক বৎ-চেবাই চলোমনক** এই কথা কৈছিল আৰু ঈশ্বৰৰ বচনেও এই একে কথাকে কৈছে। হিতোপদেশ ৪:১১-১৩ পদ **"মই তোমাক প্ৰজ্ঞাৰ পথ শিকলো। আৰু সৰল পথত গমন কৰালোঁ তুমি যাওঁতে তোমাৰ ভৰি কোঁচ নাখাব আৰু লৰ মাৰিলেও তুমি উজুটি নাখাবা, শিক্ষাক দৃঢ় ৰূপে ধৰা এৰি নিদিবা, তেওঁক ধৰি ৰাখা, কিয়নো তেৱেঁই তোমাৰ জীৱন স্বৰূপ।"** আজিৰ ডেকা সকলে যাতে প্ৰজ্ঞাক বিচাৰি যায় আৰু আকোঁৱালি লয় তাৰ বাবে প্ৰজ্ঞাৰ এইয়া কাতৰ নিবেদন। প্ৰজ্ঞাই যদি সকলোৱে জীৱনত প্ৰথম স্থান লাভ কৰিলেহেঁতেন তেন্তে প্ৰত্যেকৰ জীৱন বৰ সুন্দৰ হলহেঁতেন।

হিতোপদেশ ৪:১৪-১৫পদ **"দুষ্ট বোৰৰ বাটত নোসোমাবা আৰু দুৰ্জন বোৰৰ পথত নচলিবা তাক এৰা, তাৰ ওচৰেদিও নাযাবা; তাৰ পৰা বিমুখ হৈ গুচি যোৱা।"** এই পদ দুটি যোগেদি এজন



WORD RESOUNDS TODAY
www.Radio882.com

দুষ্ট পুৰুষ আৰু এগৰাকী বেশ্যা তিৰোতা কেনেদৰে থাকে, তাৰে ছবি এটা আমাৰ আগত দাঙি ধৰা হৈছে। যি পর্যন্ত তেওঁলোকে বেয়া কিবা এটা নকৰে, সেই পর্যন্ত তেওঁলোকৰ টোপনি নাহে। আমি যেতিয়া এনেকুৱা ঘটনাবিলাক শুনো বা পঢ়ো তেতিয়া আমি ভাবো এজন পুৰুষ বা এজনী নাৰীয়ে কেনেকৈ এনেকোৱা বেয়া কাম কৰিব পাৰে। কিন্তু ইয়াত আচৰিত্ হব লগীয়া একো নাই, আচলতে তেওঁলোকে সেই বেয়া কামটো নকৰাকৈ থাকিবই নোৱাৰে। এইখন সমাজতেই যিহেতু বেলেগ, বেলেগ মনোভাবৰ মানুহ আছে, আমি যিহেতু সকলোৰে লগত মিলা-মিচা কৰি লগীয়া হয় সেই কাৰণে, ঈশ্বৰে যাতে আমাক দুষ্ট লোক আক্ৰমণৰ পৰা ৰক্ষা কৰে তাৰ বাবে আমি সদায় প্ৰাৰ্থনাত থাকিব লাগে। আচৰিত কথা এয়ে, আমি কৰা বেয়া কামক বেয়া কাম ৰূপে বেয়া পোৱাটো কোনো ডাঙৰ কথা নহয় কিন্তু আমাৰ ভাল কামক বেয়া পোৱা মানুহো বহুতো আছে। আনকি খ্ৰীষ্টিয় লোকৰ মাজতেই তেনে মানুহ আছে।

হিতোপদেশ ৪: ১৮-১৯পদ **“দুপৰলৈকে ক্ৰমে বৃদ্ধি পোৱা অৰুণৰ যি দীপ্তি, ধাৰ্ম্মিকৰ পথ সেই দীপ্তিৰ নিচিনা। দুষ্টবোৰৰ পথ অন্ধকাৰৰ নিচিনা, সিহঁতে কিহত উজুটি খায়, তাক নাজানে।”** এটা পথ হল উজ্জ্বল পোহৰ পথ আনটো আন্ধাৰৰ পথ, এই পথত দুষ্ট লোক সকল চলে, আন্ধাৰৰ পথৰ বিষয়ে প্ৰভু যীচুৱে এটা কথা কোৱা আমাৰ মনত পৰে, যাক আমি বহুতে ভুল বুজি আহিছোঁ। স্কুল-কলেজতো আমি দুটা পথৰ বিষয়ে শিকি আহিছো, যাক আমি বহল পথ আৰু ঠেক পথ বুলি জানো। কোনোবাই যদি সোধে তেন্তে আমি সচৰাচৰ বহল পথেৰে যাবলৈ ইচ্ছা কৰো বুলি কওঁ কিন্তু দুৰ্ভাগ্য বশত সেই পথটো সঠিক পথ নহয়, বাইবেলত সেই পথৰ বেলেগ ছবি এটাহে আমাক দিয়া হৈছে। এই বহল পথেৰে আজি জাগতিক মানুহবিলাকে গতি কৰিব ধৰিছে, দুষ্ট বোৰে সেই পথত চলি আছে কাৰণ তাত শাৰীৰিক আৰু মাংসিক অভিলাষ আছে, কিন্তু সেয়ে ধ্বংসৰ পথ।

ইয়াৰ বিপৰীতে ঠেক বাটটো সন্মুখত বৰ ঠেক; এই বিষয়ে প্ৰভুৱে কৈছে, ময়ে এই বাট, এই বাটটো ইমান ঠেক যে ই কেৱল এজন মানুহৰ জোখৰহে আৰু তাত থক মানুহ জন হল যীচু খ্ৰীষ্ট নিজেই। তেওঁৰ যোগেদি পিতৃ ঈশ্বৰৰ ওচৰলৈ নগলে কোনো নাযায়। পাঁচনিৰ কৰ্ম্ম ৪:১২পদত পিতৰে এইদৰে কৈছে, **“আন কাতো পৰিত্ৰান নাই কিয়নো যাৰে আমি পৰিত্ৰান পাব লাগে স্বৰ্গৰ তলত মানুহৰ মাজত দিয়া এনে আন কোনো নাম নাই।”** যোহন ১০:৯পদত প্ৰভু যীচুৱে নিজে কৈছে, **“ময়েই দুৱাৰ; মোৰ যোগেদি যি কোনোৱে সোমায়, তেওঁ ৰক্ষা পাব, আৰু ভিতৰলৈ বাহিৰলৈ অহা-যোৱা কৰিব আৰু চৰণি পাব।”** প্ৰিয় শ্ৰোতা প্ৰভু যীচুৰ পথটো সন্মুখত ঠেক কিন্তু ক্ৰমে ই বহল হৈ গৈ আছে৷ এই পথ ইমান বহল যে ই আমাক এই পৃথিবীত আৰু মৃত্যুৰ পাছতো স্বৰ্গত ওপচি পৰা জীৱন দিয়ে। আপুনি কোন পথৰ পথিক আমি নাজানো কিন্তু চিন্তা কৰি চোৱাৰ প্ৰয়োজন।

হিতোপদেশ ৪:২০-২২পদলৈ পঢ়িছো, **“হে মোৰ বোপা, মোৰ বাক্যলৈ মনোযোগ কৰা, আৰু মোৰ কথালৈ কাণ পাতা। সেইবোৰ তোমাৰ দৃষ্টৰ অগোচৰ নহওক, সেইবোৰ তোমাৰ হৃদয়ৰ ভিতৰত ৰাখা। কিয়নো, যিবিলাকে সেইবোৰ পায়, সিবিলাকলৈ সেইবোৰ জীৱন স্বৰূপ, আৰু সিবিলাকৰ সৰ্ব্বশৰীৰলৈ স্বাস্থ্য স্বৰূপ।”** এই কথাটো একেবাৰে সঁচা, এই বিষয়ে মহান গীত ৰচক দায়ূদে কৈছে,



WORD RESOUNDS TODAY
www.Radio882.com

**"মই যেন তোমাৰ আহিছে পাপ নকৰো এই নিমিত্তে মই তোমাৰ বাক্য মোৰ মনত সাঁচিলো (গীতমলা ১১৯:১১ পদ)।"** ঈশ্বৰৰ বচন হল জীৱনৰ বাক্য, এজন মহৎ ব্যক্তিয়ে কৈছে যে, **"ঈশ্বৰ বচনক যদি কোনোবাই হত্যা কৰে তেন্তে তাৰ পৰা তেজ বাহিৰ হব"** এই কথা সঁচা, কাৰণ ঈশ্বৰ বচনত জীৱন আছে। যিয়ে এই বচন ধাৰণ কৰে তেওঁ জীৱন পায়, কেৱল জীৱনেই নহয় তেওঁ শান্তি আৰু পোহৰ পায়। এই পাৰ্থীৱ জীৱনতেই ঈশ্বৰে তেওঁৰ বচনৰ যোগেদি আমাক এই সকলো দান কৰে।

হিতোপদেশ ৪:২৩ পদ **"ৰক্ষা কৰিব লগীয়া সকলো বস্তুৰ মাজত সকলোতকৈ তোমাৰ হৃদয়ক অধিক যত্নেৰে ৰক্ষা কৰা, কিয়নো তাৰে পৰাই জীৱন উৎপন্ন হয়।"** প্ৰিয় শ্ৰোতা, এই কথাটো আমি বিশেষ গুৰুত্ব সহকাৰে লব লাগে **কাৰণ হৃদয় পৰা জীৱনৰ সূচনা হয়।** হিতোপদেশ ৪:২৪ পদ **"তোমাৰ মুখৰ পৰা কুটিলতা দূৰ কৰা ওঁঠৰ পৰা চতুৰতা দূৰ কৰা।"** প্ৰিয় শ্ৰোতা, ইয়াত কোৱা হৈছে যে সকলো কথা হৃদয়ত সূচনা হয় যদিও, সেইবিলাক কথা মুখ আক ওঁঠেৰে বাহিৰ হয়। এজন সদাশয় ব্যক্তিয়ে কৈছে, **হৃদয়ৰ নাদত যি থাকে বাল্টিৰ মুখেৰে সেয়াহে বাহিৰ হয়।** এই কথাটো একে বাৰে সঁচা, কোনেও ইয়াক অস্বীকাৰ কৰিব নোৱাৰে।

হিতোপদেশ ৪:২৫-২৭ পদ **"তোমাৰ চকুৱে আগফাললৈ চাওক আৰু তোমাৰ চকুৰ পিৰঠিয়ে সন্মুখলৈ দৃষ্টি কৰক। তোমাৰ ভৰিৰ পথ সমান কৰা আৰু তোমাৰ ভৰিৰ সকলো গতি সুস্থিৰ হওক। সোঁহাতে কি বাওঁহাতে নুঘূৰিবা মন্দৰ পৰা তোমাৰ ভৰি আঁতৰোৱা।"** প্ৰিয় শ্ৰোতা, আজি চকু দৃষ্টি আৰু জীৱন গতি ঠিক নোহোৱা বাবে বহু ডেকা-গাভৰুৰ জীৱন ধ্বংস হৈ গৈছে। সেই কাৰণে আজিৰ ডেকা-গাভৰু জীৱনৰ প্ৰতিটো খোজত অতি সতৰ্ক হব লাগে। মাদক দ্ৰব্য, ৰাগীয়াল বস্তু আদিয়ে আজি যুৱক সমাজক চাউনি দি ধৰিছে। এই সকলোৰে মাজত সুস্থিৰ হৈ থাকিবলৈ হলে ঈশ্বৰ বাক্যৰ সহায়, ঈশ্বৰে যোগোৱা জ্ঞান, প্ৰজ্ঞা আমাক লাগিবই।

## হিতোপদেশ ৫ নং অধ্যায়

এতিয়া আমি হিতোপদেশ ৫ নং অধ্যায়ৰ আলোচনা কৰিম । হিতোপদেশ ৫:১-২ পদ **"হে মোৰ বোপা, তুমি যেন বহু দৰ্শিতা পালন কৰিব পৰা আৰু তোমাৰ ওঁঠে যেন জ্ঞান ৰক্ষা কৰিব পাৰে এই নিমিত্তে মোৰ প্ৰজ্ঞালৈ মনোযোগ কৰা আৰু মোৰ সুবুদ্ধিলৈ কাণ পাতা।**

হিতোপদেশ ৫:৩-৫ পদ **"কিয়নো ব্যভিচাৰিণীৰ ওঁঠৰ পৰা টোপা-টোপে মৌ পৰে, আৰু তাইৰ মুখৰ কথা তেলতকৈয়ো তেলেতীয়া; কিন্তু তাইৰ দ্বাৰাই হোৱা শেষ ফল নাগ্-দানাৰ নিচিনা চিতা, আৰু দুধৰীয়া তৰোৱালৰ নিচিনা চোকা। তাইৰ ভৰি মৃত্যুলৈ নামি যায়, আৰু তাইৰ খোজ চিয়োলত পৰেগৈ। এইদৰে তাই জীৱনৰ সমান পথ নাপায়; তাইৰ চলন-ফিৰণ অস্থিৰ, তাই তাক নাজানে।"** প্ৰিয় শ্ৰোতা, আপুনি হয়তো নাজানিবও পাৰে কিন্তু এনেকোৱা অচিন তিৰোতা লগত বিভ্যচাৰ কৰি বহুতো ডেকা মানুহে নানা ধৰণৰ ৰোগত আক্ৰান্ত হৈ ভুগি আছে,



WORD RESOUNDS TODAY
www.Radio882.com

আনকি এই বেমাৰ বিলাকৰ ফলত বহুতৰ মৃত্যু হৈছে; কাৰণ এইবিলাক হুঁচৰা আৰু মাৰাত্মক বেমাৰ, এবাৰ হলে সহজে সেই বেমাৰ ভাল কৰিব নোৱাৰি।

আচৰিত কথাটো হ'ল এইয়ে যে, এনেকুৱা বেশ্যা বৃত্তিত জড়িত থকা আৰু ব্যভিচাৰ কৰি ফুৰা মানুহৰ যোগেদি এইবিলাক ৰোগ মানুহৰ মাজত বিয়পি পৰে। সেই কাৰণে এই বেশ্যা বৃত্তিত জড়িত থকা তিৰোতা সকলৰ পৰা আঁতৰি থাকিবলে ঈশ্বৰে সকলোকে সতৰ্ক কৰি দিছে, কাৰণ এনে কৰ্মৰ পৰা বেমাৰ হোৱা উপৰিও মানসিক অৱস্থাও বেয়া হয় আৰু বিবাহৰ পাছতো পৰিয়ালত ইয়াৰ বেয়া প্ৰভাৱ পৰে। গতিকে ঈশ্বৰৰ এই কথা আপুনি, মই, আমি কোনেও অৱহেলা কৰা উচিত নহয়।

হিতোপদেশ ৪:৭-১১পদলৈকে এতিয়া পাঠ কৰি দিছো, **"এই হেতুকে হে মোৰ বোপাহঁত, মোৰ কথা শুনা, মোৰ মুখৰ বাক্যৰ পৰা বিমুখ নহ'বা। তুমি তাইৰ পৰা তোমাৰ পথ দূৰত ৰাখা; তাইৰ ঘৰৰ দুৱাৰৰ ওচৰলৈকে নাযাবা। গলে, তুমি তোমাৰ শ্ৰী অন্যৰ হাতত সমৰ্পণ কৰিবা, আৰু তোমাৰ আয়ুস নিৰ্দ্দয়াক দিবা, তাতে তোমাৰ ধন-সম্পত্তিত অচিনাকি লোক তৃপ্ত হব, আৰু তোমাৰ পৰিশ্ৰমৰ ফল পৰজাতীয়ৰ ঘৰত হব। আৰু তোমাৰ মাংস ও শৰীৰ ক্ষয় পালে, তোমাৰ শেষ অৱস্থাত তুমি শোক কৰিবা।"** প্ৰিয় শ্ৰোতা এই কথা দ্বাৰাই ঈশ্বৰে ডেকা সকল অতি সাৱধান কৰি দিছে কাৰণ বেশ্যা তিৰোতাৰ লগত তেনেদৰে মিলা-প্ৰীতি কৰিলে বিভিন্ন ধৰণৰ বেমাৰে সহজে আক্ৰমন কৰিব পাৰে।

ডাঙৰ, ডাঙৰ চহৰবোৰত আৰু পশ্চিমীয়া দেশ কিছুমানত বিভিন্ন ধৰণৰ এনেকুৱা বেমাৰৰ প্ৰকোপ বেছি বুলি আমি জানিব পাৰোঁ। তেনেকুৱা তিৰোতা লগত একেলগে সময় কাটোৱাৰ ফলত স্বাস্থ্য পাতি আৰু চেহেৰাৰ ক্ষতি হয় আৰু ধন সম্পত্তিও আনৰ হাতলৈ/1যায় বুলি ঈশ্বৰে কৈছে। কেনেকৈ জানেনে তেনেকুৱা পতিতাৰ লগত মিলিত হোৱাৰ ফলত যেতিয়া বিভিন্ন ধৰণৰ বেমাৰে আক্ৰমন কৰে সেই বেমাৰ বৰ বেদনা দায়ক কাৰণ ই বিয়পি, বিয়পি শৰীৰৰ ভিতৰলৈ সোমাই যায়, ঔষধ পাতি নহলে ইয়াৰ বিষ সহ্য কৰিব নোৱাৰি, অসহ্য হৈ চিকিৎসা কৰোঁতে, কৰোঁতে টকা পইছা শেষ হৈ যায়।। কাৰণ এই বেমাৰ সহজে ভালো নহয়। ভাল হবলৈ বহুত দিন লাগে সেই কাৰণে এনেকুৱা ধৰণৰ বেয়া বেমাৰ এবাৰ হলে বৰ কষ্ট খাব লগীয়া হয়, স্বাস্থ্য পাতি ভাঙি যায়, ধন সম্পত্তি ডাক্তৰ আৰু দৰৱত দিব লগীয়া হয় আৰু পৰিয়াল আৰু সমাজতো ই বৰ লাজৰ বিষয় হয় পৰে। সেই কাৰণে হে ডেকা সকল তেনেকুৱা পতিতা পৰা আঁতৰত থাকক।

এতিয়া হিতোপদেশ ৪:১২-১৪ পদলৈকে পাঠ কৰি দিব খুজিছোঁ, **"হায়, হায়, মই কেনেকৈ শিক্ষাক ঘিণ কৰিলোঁ ! আৰু মোৰ অন্তৰে কেনেকৈ অনুযোগ হেয়জ্ঞান কৰিলে। মই মোৰ গুৰুবিলাকৰ কথা নুশুনিলো, আৰু শিক্ষক বিলাকলৈকো কাণ নিদিলোঁ। সমাজ আৰু মণ্ডলীৰ মাজত মই প্ৰায় একেবাৰে বিনষ্ট হলো।"** প্ৰিয় শ্ৰোতা এইয়া হল পতিতাত আসক্ত হৈ সকলোকে হেৰুৱা এজন দুখিত লোকৰ বিননি। ঈশ্বৰ বচনক কেতিয়াও ইতিকিং কৰা নাযায়, ঈশ্বৰৰ কথা নুশুনি আপুনিও যদি ব্যভিচাৰত লিপ্ত হয় তেন্তে আপোনাৰো এই অৱস্থা হব; যিকোনো মানুহৰ



WORD RESOUNDS TODAY
www.Radio882.com

এনেকুৱা অৱস্থা হব আৰু তেনেকুৱা অৱস্থা হলে আমিও এইদৰে বিনাব লাগিব তেতিয়া কোনেও হয়তো আমালৈ আৰু ঘূৰি নাচাব। ঈশ্বৰৰ কথা লৈ কাণ নকৰি আমি যদি ঈশ্বৰে নিষেধ কৰা পথেৰে আগবাঢ়ো তেন্তে নিজৰ দুষ্টাতাৰ শাস্তি আমি নিজেই ভোগ কৰিব লাগিব।

হিতোপদেশ ৪:১৫-১৭পদলৈ **"তুমি তোমাৰ পুখুৰীৰ জল আৰু তোমাৰ নাদৰ ওলাই থকা পানী পান কৰা। তোমাৰ ভুমুকবোৰ বাহিৰলৈ বিস্তাৰিত হোৱা উচিত নে? আৰু তোমাৰ পানীৰ সোঁতবোৰ চকবোৰলৈ যোৱা ভাল নে? সেইবোৰ কেৱল তোমাৰ নিমিত্তেই হওক, তোমাৰ সৈতে অন্যবিলাকৰ নিমিত্তে নহওক।"** চমুকৈ কবলৈ গলে ইয়াত কোৱা হৈছে যে, আপোনাৰ ভাৰ্যা আপোনাৰে হওঁক অন্যৰ নহওঁক, আপুনিও আনৰ নহওক কেৱল মাত্ৰ আপোনাৰ ভাৰ্যাৰে হওঁক; এয়া ঈশ্বৰৰ পৰামৰ্শ।

হিতোপদেশ ৪:১৮-১৯পদ **"তোমাৰ ভুমুক আশীৰ্ব্বাদযুক্ত হওক; তুমি তোমাৰ যৌৱন-কালৰ ভাৰ্যাত আনন্দ কৰা। প্ৰেম কাৰিণী হৰিণী আৰু সুন্দৰী মৃগীৰ নিচিনা যি তেওঁ, তেওঁৰেই স্তনৰ দ্বাৰা সকলো সময়ত তুমি তৃপ্ত হোৱা, আৰু তেওঁৰ প্ৰেমতে সদায় মত্ত থাকা।"** ইয়াত বিবাহৰ যোগেদি প্ৰেমৰ কথা কোৱা হৈছে অৰ্থাৎ বিবাহৰ যোগেদি হোৱা শাৰীৰিক প্ৰেম ও শাৰীৰিক সমন্ধ দুইটাই পবিত্ৰ। ঈশ্বৰে ইয়াক উচ্চ মৰ্যাদা দান কৰিছে। অতীতত এনে এটা সময় আছিল যে বিবাহৰ পাছতো এনেকুৱা ধৰণৰ কথা লাজ আৰু লেতেৰা বুলি গণ্য কৰা হৈছিল। ঈশ্বৰে কিন্তু লাজ কৰা নাই বৰং বিবাহৰ যোগেদি শাৰীৰিক প্ৰেমৰ অনুমতি দিছিল। কিন্তু বিবাহৰ বাহিৰত তেনেকুৱা সমন্ধ পাপ বুলি ঈশ্বৰে স্পষ্টকৈ জনাই দিছে। প্ৰিয় শ্ৰোতা আমি সকলোৱে মনত ৰখা উচিত যে, ঈশ্বৰৰ দৃষ্টিত বিবাহ সকলো মানুহৰ মাজত সন্মানীয় ইব্ৰী ১৩:৪পদ এইদৰে কোৱা হৈছে, **"সকলোৰে মাজত বিবাহ আদৰণীয় আৰু তাৰ শয্যা শুচি হওক; কিয়নো ব্যভিচাৰী আৰু পৰস্ত্ৰী গামী বিলাকৰ সোধ বিচাৰ ঈশ্বৰে কৰিব।"** অৰ্থাৎ ঈশ্বৰে বিবাহৰ সমন্ধ বৰ মধুৰ বুলি কৈছে আৰু ই আদৰণীয় আৰু পবিত্ৰ, সেই কাৰণে ইয়াক আমি বৰ সহজ হিচাপে লব নালাগে কিন্তু বিবাহ বাহিৰে আন শাৰীৰিক সম্বন্ধৰ সোধ বিচাৰ ঈশ্বৰে কৰিব।

আনহাতে বিবাহিত স্বামী আৰু ভাৰ্যাৰ শাৰীৰিক সম্বন্ধৰ বিষয়ে ১পিতৰ ৩:৭ পদত এইদৰে কোৱা হৈছে, **"সেইদৰে হে পুৰুষবিলাকে তোমালোকতৈ স্ত্ৰীলোক দুৰ্বল আৰু জীৱন ৰূপ অনুগ্ৰহৰ সহকাৰিনী বুলি জানি, তোমালোকৰ প্ৰাৰ্থনাত যেন বাধা নজন্মে এই কাৰণে তেওঁবিলাকৰ সৈতে সহবাস কৰি তেওঁবিলাকক সমাদৰ কৰা।"** ইয়াৰ দ্বাৰা কোৱা হৈছে, যেতিয়া এহাল স্বামী-স্ত্ৰী একেলগে শান্তিত থাকি ইজনে সিজনক বিশ্বাস আৰু প্ৰেম কৰি একেলগে প্ৰাৰ্থনা কৰিব পাৰে সেইখন ঘৰে খ্ৰীষ্ট আৰু মণ্ডলীৰ সম্বন্ধটো উপস্থাপন কৰে। এই ক্ষেত্ৰত আমি ন-দি ক'ব পাৰো যে তেনে ঘৰক ঈশ্বৰে আশীৰ্ব্বাদ কৰিবই।

হিতোপদেশ ৪:২০-২১পদ **"কিয়নো হে মোৰ বোপা, তুমি পৰস্ত্ৰীত কিয় মত্ত হবা? আৰু ব্যভিচাৰিণী বুকুত কিয় সাবট মাৰি ধৰিবা? কিয়নো মনুষ্যৰ আটাই কাৰ্য যিহোৱাৰ চকুৰ আগত আছে, আৰু তেওঁ তাৰ সকলো পথৰ বিচাৰ কৰে।"** প্ৰিয় শ্ৰোতা ঈশ্বৰ সৰ্বজ্ঞানী আৰু সৰ্ববিৰাজমান



WORD RESOUNDS TODAY
www.Radio882.com

আৰু আমাৰ কৰ্মবোৰ তেওঁ দেখা পায় আছে, আনকি আমাৰ মনত চিন্তা আৰু পথবোৰ তেওঁ জানে, তেওঁ আমালৈ চাই। শেষৰ পদ দুটা হিতোপদেশ ৪:২২-২৩ পদ পঢ়ি দিছো, **"দুষ্টক নিজ অপৰাধেই ধৰা পেলায়; সি নিজ পাপৰূপ জৰীত বান্ধ খায়। সি শিক্ষাৰ অভাৱত প্ৰাণ ত্যাগ কৰে আৰু তাৰ অজ্ঞানতাৰ বাহুল্যত সি মতলীয়াৰ নিচিনাকৈ ঢলং পলং কৰে।"** প্ৰিয় শ্ৰোতা আমাৰ বাৰু কি অৱস্থা চিন্তা কৰি চাওচোন, ঈশ্বৰে প্ৰভু যীচুৰ যোগেৰে যি আত্মিক জ্ঞান আমালৈ আগবঢ়াইছে প্ৰভু যীচুকে গ্ৰহণ কৰাৰ দ্বাৰাই সেই জ্ঞান গ্ৰহণ কৰি আমি আত্মিক জীৱনত সুস্থিৰ হোৱা উচিত, নহয় নে বাৰু, ঈশ্বৰে আমাক আশীৰ্বাদ কৰক, আমেন।

**<u>পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:</u>**

১) কাক আমাৰ কাৰণে প্ৰজ্ঞা স্বৰূপ কৰা হ'ল?

২) ৰজা চলোমনৰ মাতৃৰ নামকি আছিল?

৩ ("মই যেন তোমাৰ আহিছে পাপ নকৰো; এই নিমিত্তে মই তোমাৰ বাক্য মোৰ মনত সাঁচিলো।" এই গীতৰ ৰচক কোন হয়?

৪) এই পদটি কোনটো পুস্তক আৰু কিমান অধ্যায় কিমান পদত উল্লেখ আছে?

"ৰক্ষা কৰিবলগীয়া সকলো বস্তুৰ মাজত সকলোতকৈ তোমাৰ হৃদয়ক অধিক যত্নেৰে ৰক্ষা কৰা, কিয়নো তাৰে পৰাই জীৱন উৎপন্ন হয় ।"

WORD RESOUNDS TODAY



www.Radio882.com

ASS01-0689

<u>হিতোপদেশ ৬ অধ্যায়</u>

আজি আমি হিতোপদেশ ৬ অধ্যায় আলোচনা কৰিম; ইয়াৰ মূল বিষয় হৈছে, ব্যৱসায় বাণিজ্যৰ কাৰণে কিছুমান সু-পৰামৰ্শ।

হিতোপদেশ ৬:১-২পদ, **"হে মোৰ বোপা, যদি তুমি তোমাৰ চুবুৰীয়াৰ জামিন হলা, যদি পৰৰ হাতত চাপৰ মাৰিলা, তেন্তে তুমি নিজৰ মুখৰ বাক্যৰূপ ফান্দত পৰিলা, আৰু নিজৰ মুখৰ কথাৰেই ধৰা পৰিলা।"** ইয়াত দুটা কথা কোৱা হৈছে, তাৰ ভিতৰত এটা হল ব্যৱসায়ৰ ক্ষেত্ৰত বন্ধু হলেও দুষ্টৰ পথত চলিব নালাগে আৰু টকা পইচাৰ ক্ষেত্ৰত আনৰ জামিন হব নালাগে।

হিতোপদেশ ৬:৩পদ, **"এই হেতুকে হে মোৰ বোপা, তুমি তোমাৰ ওচৰ চুবুৰীয়াৰ হাতত পৰাত, ইয়াকে কৰি নিজকে মুক্ত কৰা, যোৱা তুমি দণ্ডৱতে তোমাৰ ওচৰ চুবুৰীয়াক মিনতি কৰাগৈ।"** ইয়াত কোৱা হৈছে যে, বন্ধুৰ লগত যদি কিবা লেন-দেন থাকে তেন্তে ভয় নকৰাকৈ তাক নিষ্পত্তি কৰিব লাগে আৰু শত্ৰুৰ পৰা সাৱধানে থাকিব লাগে।

হিতোপদেশ ৬:৪-৬পদ, **"তোমাৰ চকুক টোপনি যাবলৈ বা চকুৰ পিৰঠিক মুদ যাবলৈ নিদিবা। হৰিণে ব্যাধৰ হাতৰ পৰা আৰু চৰায়ে চৰাই-মৰীয়াৰ হাতৰ পৰা ৰক্ষা কৰাৰ দৰে তুমিও নিজকে মুক্ত কৰা। হে এলেহুৱা, পৰুৱাৰ ওচৰলৈ যোৱা, সিহঁতৰ কাৰ্য দেখি জ্ঞানী হোৱা।"** প্ৰিয় শ্ৰোতা ইয়াত কোৱা হৈছে, আপুনি যদি আনৰ টকা-পইচাৰ বা অপৰাধৰ জামিন লয় তেন্তে আপুনি দয়া মমতাহীন চৰাই চিকাৰীৰ ফান্দত পৰা দি পৰিব। ব্যৱসায়ৰ ক্ষেত্ৰত এয়া ঈশ্বৰৰ অতি সাৱধান বাণী মনত ৰখা উচিত। সতৰ্কতাৰ উপৰিও ব্যৱসায়ীৰ ক্ষেত্ৰত আন এটা দৰকাৰী কথা ইয়াত কোৱা হৈছে যে, ব্যৱসায়ী সকল পৰুৱাৰ দৰে পৰিশ্ৰমী হব লাগে।

হিতোপদেশ ৬:৭-৮পদ, **"সিহঁতৰ অধিপতি, কাৰ্যাধ্যক্ষ, বা শাসন-কৰ্তা নথকাতো, সিহঁতে জহ কালত সিবিলাকৰ খোৱা বস্তু গোটায়, আৰু শস্য দোৱাৰ সময়ত আহাৰ চপাই।"** প্ৰিয় শ্ৰোতা এটি সৰু পৰুৱাৰ পৰাও আমি বহু কথা শিকিব পাৰো, সি আমাৰ ভাল শিক্ষক, তাৰ ভিতৰত এটা হল নিজ ব্যৱসায়ত অতি পৰিশ্ৰমী। কোনো ব্যৱসায়ী তাৰ দৰে পৰিশ্ৰমী নহয়, তাৰ নিজৰ জীৱনৰ প্ৰয়োজনীয় বস্তুৰ বাবে সি অতিকৈ পৰিশ্ৰম কৰে। আজি খ্ৰীষ্টিয় লোকসকলৰ মাজত দেখা দিয়া এটা ডাঙৰ পাপ হল এলাহ আৰু এলেহুৱা সকলৰ মাজৰ বহু এলেহুৱা আজি খ্ৰীষ্টিয় কামত জড়িত হৈ আছে। আজি আমি নিজকে সোধা দৰকাৰ যে, আজৰি সময়ত আমি কি কৰোঁ? ঈশ্বৰৰ বচন বাইবেল পঢ়োনে? তেওঁৰ সেই বচনৰ অনুসন্ধান কৰোঁ নে? আমি বহুতে নকৰোঁ সেই কাৰণে এলাহ হল খ্ৰীষ্টিয় পৰিচৰ্যাত এটা ডাঙৰ অভিশাপ।

এগৰাকী মহাশয়ে কৈছে যে, এজন ডেকা মানুহ তেখেতৰ ওচৰলৈ আহি কৈছিল যে, তেখেতে হেনো পালকৰ কাম বাদ প্ৰচাৰকৰ কাম কৰিব বিচাৰে, কাৰণ গীৰ্জাত তেওঁ ইতিমধ্যে তিনি বছৰ



WORD RESOUNDS TODAY

www.Radio882.com

শিক্ষা দিলে আৰু বাইবেলত নতুন শিক্ষা তেওঁ বিচাৰি নাপায়, সেই কাৰণে তেওঁ নিজকে শুকান কুঁৱাৰ দৰে অনুভৱ কৰে। তেতিয়া সেই মহাশয়ে তেওঁক সুধিছিল, বাইবেল অধ্যয়নতনো তেখেতে কিমান সময় কটাই, তেতিয়া তেখেতে সন্তোষজনক উত্তৰ দিব পৰা নাছিল। কিন্তু বুজি পোৱা গল যে, এক সপ্তাহৰ ভিতৰত তেখেত মাত্ৰ এক ঘন্টা মানহে বাইবেল অধ্যয়ন কৰে। তাতকৈ বেছি সময় তেখেতে মিলাব বা দিব নোৱাৰে। কাৰণ বিভিন্ন বাহিৰা কামত ঘূৰি ফুৰোঁতে তেখেতৰ দৰকাৰী কামটো থাকি যায়। তেতিয়া মহাশয় গৰাকীয়ে তেখেতক কৈছিল, তেওঁ পৰুৱাবিলাকলৈ চাওক আৰু তাৰ পৰা শিক্ষা লওক, সিহঁতে নিজৰ কাম কি কঠোৰ পৰিশ্ৰমেৰে যে কৰে।

তেওঁ আন কামবিলাক বাদ দিয়ক আৰু নিজৰ কামত কঠোৰ পৰিশ্ৰমেৰে লাগি থাকক, ভালদৰে বাইবেল অধ্যয়ন কৰক, তেতিয়া তেওঁ দেখা পাব যে গীৰ্জাত শিক্ষা দিবলৈ তেওঁ বাইবেলৰ পৰা অসংখ্য শিক্ষা বিচাৰি পাব। নিজে প্ৰস্তুত নোহোৱাকৈ দেওবাৰে আচলতে বেদী মঞ্চত উঠাটো পাপ। এৰা প্ৰিয় শ্ৰোতা বাইবেলত শিক্ষাৰ অভাৱ নাই, অভাৱ হল আমাৰ ইচ্ছা আৰু অধ্যয়নৰ। আমি যদি পৰুৱাৰ দৰে পৰিশ্ৰম কৰি বাইবেল অধ্যয়ন কৰোঁ তেন্তে গোটেই জীৱন কালেও শিক্ষাৰ অভাৱ নহব। সেই কাৰণে আমি এলেহুৱা নহয় পৰিশ্ৰমী হব লাগে।

হিতোপদেশ ৬:৯-১১পদ, **"হে এলেহুৱা, তুমি কিমান কাল শুই থাকিবা? আৰু কেতিয়া নো টোপনিৰ পৰা উঠিবা? আৰু অলপ টোপনি, আৰু অলপ ঘুমটি, আৰু অলপ টোপনিয়াবলৈ হাত সাৱটো" বুলি কৈ থাকিলে, তোমাৰ দৰিদ্ৰতা ডকাইতৰ নিচিনাকৈ, আৰু তোমাৰ দীনহীনতা সুসজ্জিত ৰণুৱাৰ নিচিনাকৈ আহিব।"** প্ৰিয় শ্ৰোতা এই কথাও অতি সচাঁ যে আমাৰ আত্মিক দৰিদ্ৰতাই হওঁক বা ধন সম্পত্তিৰ দৰিদ্ৰতাই হওঁক ইয়াৰ মূল কাৰণ হল এলাহ। এলেহুৱাক সকলো প্ৰকাৰৰ দৰিদ্ৰতাই হেঁচামাৰি ধৰে, গতিকে সাৱধান। আমি সকলোৱে সাৱধান হোৱা উচিত, যাতে কোনো ধৰণৰ এলাহে আমাক গ্ৰাস কৰিব নোৱাৰে।

হিতোপদেশ ৬:১২-১৩ পদ, **"নৰাধম দুৰাচাৰী এনে কোনো লোক আছে, যে, সি নিজ মুখৰ কুটিলতাৰ পথত চলে; সি চকু টিপিয়াই আৰু ভৰিৰে সংকেত কৰি বুজায়, আৰু আঙুলিৰে ইঙ্গিত কৰে;"** প্ৰিয় শ্ৰোতা এইয়া হল দুষ্ট মানুহৰ পৰিচয়, চকুৰে কথা কোৱা আৰু ভৰিৰে ইঙ্গিত কৰা মানুহ আপুনি দেখিছেনে বাৰু?

হিতোপদেশ ৬:১৪-১৫পদ, **"তাৰ মনত কুটিল ভাৱ থকাত সি সদায় বিষমকেহে চিন্তে, আৰু সি কন্দলস্বৰূপ গুটি সিচেঁ। এই কাৰণে অকস্মাতে তালৈ আপদ আহিব, আৰু মেৰামতি কৰিব নোৱাৰাকৈ তাক হঠাতে ভঙা যাব।"** কুটিলতা বৰ বেয়া স্বভাৱ আৰু কুটিল মানুহে য'তে ত'তে কন্দল লগাই ফুৰে, আজি আমাৰ মাজত প্ৰায়বোৰ ঘৰুৱা আৰু সামাজিক কন্দলৰ মূলতেই আছে কুটিলতা। কুটিলতা মানে ইয়াত ঠগ-প্ৰবঞ্চনা বা ৪২০ নম্বৰী ধান্দাৰ কিছুমানৰ কথা কোৱা হৈছে আৰু খ্ৰীষ্টিয় সমাজতো এনেকুৱা বহুলোক আছে। ইয়াৰ পৰিবৰ্তে ঈশ্বৰৰ সন্তান যি আমি আমাৰ কথাত সত্যতা আৰু পবিত্ৰতা থাকিব লাগে। অৰ্থাৎ আমাৰ কথা হয় যদি হয় হব লাগে আৰু নহয় যদি নহয় হব লাগে। আমাৰ কথা আনৰ বিশ্বাস যোগ্য আৰু নিৰ্ভয় যোগ্য হব লাগে। আমাৰ কথা



WORD RESOUNDS TODAY

www.Radio882.com

আনে বিশ্বাস কৰিবলৈ শপত খোৱাৰ বা প্ৰতিজ্ঞা কৰাৰ কোনো দৰকাৰ থাকিব নালাগে, তাৰ মানে শপত নোখোৱাকৈ বা প্ৰতিজ্ঞা নকৰাকৈ আমাৰ মুখৰ কথা আনে বিশ্বাস কৰিব পাৰিব লাগে।

খ্ৰীষ্টিয় লোক হিচাপে আমি কোৱা কথা সঁচা হয় নে নহয়, তাক যদি অনুসন্ধান কৰিবলগীয়া হয় তেন্তে ই সঁচাকৈ লাজৰ কথা। আপুনি বেয়া নাপাব, আমি এটা কথা আপোনাক অতি স্পষ্টকৈ ক'ব খুজোঁ যে, আজি আমাৰ মাজত অনেক খ্ৰীষ্টিৰ কাম কৰা লোকো আছে, কিন্তু আমি কামত যেনেদৰে আগবাঢ়িব লাগিছিল সেইদৰে আগবাঢ়িব পৰা নাই, তাৰ বাবে আমি কিন্তু ঈশ্বৰক দোষীব নোৱাৰোঁ। তাৰ বাবে আমি নিজকেই দোষিব লাগে । গালাতীয়া ৬:৭,৮পদ, **“তোমালোক ভ্ৰান্ত নহবা; ঈশ্বৰক ভাগুনা কৰা নাযায়, কিয়নো মানুহে যিহকে ৰোৱে তাকেহে দায় কাৰণ যি জনে নিজৰ মাংসৰ উদ্দেশ্যে বয় তেওঁ মাংসৰ পৰা ক্ষয়ৰূপ শস্য দাব, আৰু যি জনে আত্মাৰ উদ্দেশ্যে বয় তেওঁ আত্মাৰ অনন্ত জীৱন দাব।”** হয় প্ৰিয় শ্ৰোতা আমি ঈশ্বৰক কোনোমতে ঠগিব নোৱাৰোঁ কিন্তু ঈশ্বৰে আমাক পবিত্ৰ হোৱাটো বিচাৰিছে কিয় জানে নে? কাৰণ তেওঁ নিজে পবিত্ৰ সেই কাৰণে তেওঁ পবিত্ৰ মানুহকহে ভাল পায় আৰু আশীৰ্বাদ কৰে। আজি যদি আমি নিজকে সেই পবিত্ৰ ঈশ্বৰৰ মানুহ বুলি জানিলোঁ হেতেন, ঈশ্বৰৰ সন্তান বুলি নিজকে চিনি পালোঁ হেতেন, তেন্তে কেনে ভাল আছিল।

এগৰাকী ঈশ্বৰ ভক্ত মহাশয়ে কৈছে, যে তেখেতৰ এজন প্ৰচাৰক বন্ধু আছিল, যি জনে পবিত্ৰতাৰ জাগৰণ আনিব বিচাৰিছিল, সেই প্ৰচাৰক মহাশয়ে কৈছিল, আপুনি আপোনাৰ নিজৰ পবিত্ৰতা হেৰুৱাই পেলাইছে, আপোনালোককে সেই পবিত্ৰতা দৰকাৰ আৰু আপোনালোকৰ দ্বাৰাই মানুহে ঈশ্বৰৰ পৰা আঁতৰি থাকি পবিত্ৰতা আনিবলৈ চেষ্টা কৰিলে কি লাভ হব। এই কথা সঁচা প্ৰিয় শ্ৰোতা, ঈশ্বৰক ঠগিব পৰা নাযায় মানুহক দেখুৱাবলৈ আমি যদি কুটিলতাৰে কিবা কৰোঁ তেন্তে তাৰ পৰা আমাৰ কোনো লাভ নহব বৰং আমালৈ আপদহে আহিব ।

ইয়াত আমি পাম যে ঈশ্বৰে সাতটা বস্তু ঘিণ কৰে, ঈশ্বৰে ঘিণ কৰে বুলি শুনিলে কিছুমান মানুহে উচপ খাই উঠিব পাৰে কাৰণ তেওঁলোকে ঈশ্বৰক কেৱল প্ৰেমময় বুলি হে ভাৱে, কিন্তু তেওঁলোকৰ এই ধাৰণা ভুল, ঈশ্বৰে যিদৰে প্ৰেম কৰে সেইদৰে ঘিণো কৰে। ঈশ্বৰে পবিত্ৰতাক প্ৰেম কৰে কিন্তু দুষ্টতাক ঘিণ কৰে, আমাৰ মানৱ জীৱনতো আমি একে কথা দেখিবলৈ পাওঁ, আপুনি আপোনাৰ সন্তানক ভাল পায় কিন্তু তাক দুখ দিয়া জৰটো হলে আপুনি বেয়া পায়। আপোনাৰ মৰমৰ সন্তানক যদি এটা পগলা কুকুৰে খেদি আহে, তেন্তে আপুনি কুকুৰটোক নিশ্চয় মাৰিবলৈ খেদি যাব। একেদৰে ভাল বেয়া মিহলি হৈ থকা জগত খনত যেতিয়ালৈকে পাপ সম্পূৰ্ণ ৰূপে নিপাত কৰা নহয়, তেতিয়ালৈকে আমি সত্যক ভাল পাম আৰু অসত্যক বেয়া পাম নাইবা সত্যক বেয়া পাম আৰু অসত্যক ভাল পাম। ঈশ্বৰৰ বচনেও আমাক ভালক ভাল পাব কৈছে আৰু বেয়াক বেয়া পাব কৈছে।

ঈশ্বৰে ঘিণ কৰা সাতটা বস্তুৰ বিষয়ে হিতোপদেশ ৬: ১৬-১৯পদ, **“যিহোৱাই ঘিণ কৰা বস্তু ছটা, এনে কি, তেওঁৰ ঘৃণনীয় সাতোটা; গৰ্বী চকু, মিছা কথা কোৱা জিবা, নিৰ্দোষীৰ ৰক্তপাতী হাত, কুকল্পনা কৰা মন, কুকৰ্ম্ম কৰিবলৈ লৰ মৰা কথাত বেগী ভৰি, মিছা কথা কওঁতা মিছা সাক্ষী, আৰু ভাই-ভাইৰ মাজত কন্দল স্বৰূপ গুটি সিচোঁতা লোক।”** প্ৰিয় শ্ৰোতা এইখিনি কথা আমি



WORD RESOUNDS TODAY
www.Radio882.com

আচলতে বহলাই নকলেও হয়। আমি নিশ্চয় বুজি পাইছোঁ কিন্তু আমি নিজকে পৰীক্ষা কৰি চোৱা উচিত আমি বাৰু ঈশ্বৰে ঘিণ কৰা এনেকুৱা কিবা কামত লিপ্ত আছোঁ নেকি?

গৰ্বী চকু, গৰ্বী চকুৰ দ্বাৰা নিজকে বৰ যোগ্য বুলি ভবা আৰু আনক হীন যেন জ্ঞান কৰা হয়, বাৰু এনেকুৱা মানুহ আপুনি কেতিয়াবা দেখিছে নে যিয়ে আনক কেৰাহিকৈ অকণমান চাই মুখখন ঘূৰাই ওঁঠটো বেঁকা কৰি দিয়ে আৰু মনতে ভাবে, মই তোমাতকৈ বেছি ভাল, এয়াই হল গৰ্বী চকু যাক ঈশ্বৰে ঘিণ কৰে। চয়তানৰো আচলতে পতনৰ মূলতেই আছিল চয়তানৰ গৰ্ব,চয়তানে ভাবিছিল মই স্বৰ্গলৈ উঠি ঈশ্বৰৰ তৰাবোৰৰ ওপৰত মোৰ সিংহাসন ওখ কৰি স্থাপন কৰিম আৰু উত্তৰ দিশৰ অন্তসীমাত সভাগিৰিত মই বহিম, মই মেঘবোৰতকৈ ওখ ঠাইত উঠিম আৰু সৰ্বোপৰি জনাৰ তুল্য হম। চয়তানে মনত এই গৰ্ব ভাৱ লৈ মানুহৰ ওচৰলৈ আহিছিল, আৰু মানুহক কৈছিল, তোমালোকো ঈশ্বৰৰ নিচিনা হ'বা এই ভাৱ চয়তানে মানুহৰ মনত সোমোৱাই দিলে।

সেই কাৰণে এইটো চিন্তা কৰিবলগীয়া কথা যে, মানুহে নৈতিকতা, অনৈতিকতা, বেয়া ভাল ইত্যাদিবোৰ কথা জানিও বেয়ালৈ হে ঢাপলি মেলে আৰু তাৰ কাৰণ হৈছে মানুহৰ ভিতৰত বেয়াৰ ভাণ্ডাৰ স্বৰূপ বাকচ এটা আছে। এই কাৰণে মানুহে সদায় নিজকে বৰ ডাঙৰ দেখুৱাবলৈ, সন্মানীয় আৰু মৰ্যদাপূৰ্ণ দেখুৱাবলৈ ভাল পায়। মানুহে নিজৰ মতে চলিবলৈ আৰু নিজে নিজৰ ঈশ্বৰ হবলৈ ভাল পায়, নিজৰ কৰ্মৰ দ্বাৰা ধাৰ্মিক হৈ সেই ধাৰ্মিকতাৰ দ্বাৰা পৰিত্ৰাণ অৰ্জন কৰিব পাৰিম বুলি ভাৱে, এই কাৰণে মানুহে কয় মোৰ পৰিত্ৰাণৰ কাৰণে তোমাৰ পুত্ৰ মৰা কোনো দৰকাৰ নাই কাৰণ তুমি যিমান ভালময়ো সিমানে ভাল। মই যেতিয়া তোমাৰ ওচৰলৈ যাম তেতিয়া দেখা পাবা যে মোৰ ধাৰ্মিকতাৰ দ্বাৰা তোমাৰ সোঁহাতে মই বহিম। এৰা ঈশ্বৰক এনেদৰে কোৱা মানুহো নিশ্চয় আছে, কিন্তু এই গৰ্বভাৱ ঈশ্বৰে ভাল নাপায়, ইয়াক তেওঁ কোনোমতে সহ্য কৰিব নোৱাৰে। নম্ৰ মনৰ মানুহক তেওঁ ভাল পায়, কিন্তু গৰ্বীবোৰৰ ক্ষেত্ৰত হলে, ইয়োব ৪০:১১পদ, **“তুমি নিজ ক্ৰোধৰূপ বৃষ্টি বৰষোৱা, আৰু প্ৰত্যেক অহঙ্কাৰীলৈ চাই তাক নত কৰা।”**

তদুপৰি পৰ্বতত দিয়া সুন্দৰ উপদেশ দিওঁতে যীচুৱে কৈছে, “আত্মাত দৰিদ্ৰবিলাক ধন্য কিয়নো স্বৰ্গৰাজ্য তেওঁবিলাকৰ।” সঁচাকৈ আমি যদি ঈশ্বৰৰ স্বৰ্গৰাজ্যত অধিকাৰ পাব বিচাৰো তেন্তে নিজ ধাৰ্মিকতাত গৰ্বী নহয়, আত্মাত দৰিদ্ৰৰ দৰে নম্ৰ হব লাগিব আৰু ক'ব লাগিব “হে মোৰ ঈশ্বৰ মই দুৰ্বল, আপোনাৰ ধাৰ্মিকতা মোক দিয়ক।” যিচয়া ৬৬:২পদ, **“কিন্তু এজনলৈহে, দুখীয়া, ভগ্ন-চিত্তীয়া, আৰু মোৰ বচনত কঁপা এনে মানুহলৈহে মই দৃষ্টি কৰিম।”** প্ৰিয় শ্ৰোতা এই চৰ্তত যদি আপুনি ঈশ্বৰলৈ আহে তেন্তে ঈশ্বৰে/1আপোনাক গ্ৰহণ কৰিব কিন্তু গৰ্ব ভাৱ লৈ আহিলে তেওঁ আপোনাক ঘিণ কৰিব।

মিছা কথা কোৱা জিভা, প্ৰিয় শ্ৰোতা নিশ্চয় মন কৰিছে, সোৰা, মদ আৰু লাও-পানী ইত্যাদি পান কৰা কথাতকৈ মিছা কথাৰ বিৰুদ্ধে বাইবেলত বেছি কথা কোৱা হৈছে। তথাপি সকলো জাতিৰ আৰু ভাষা-ভাষিৰ মাজত মিছা কথা কোৱা অতি স্বাভাৱিক। গীত ৰচক দায়ূদে এই বুলি কৈছে, “মই অধৈৰ্য্যতে কৈছিলো আটাই মানুহ মিছলীয়া” আমিও যদি এই কথা ভালদৰে চিন্তা কৰোঁ,



WORD RESOUNDS TODAY
www.Radio882.com

দায়ূদৰ লগত একমত হৈ ক'ব লাগিব যে, হয় সকলো মানুহ মিছলীয়া। দায়ূদে মিছাৰ পৰা উদ্ধাৰ কৰিবলৈ প্ৰাৰ্থনা কৰিছিল, “হে ঈশ্বৰ মিছলীয়া ওঁঠৰ পৰা মোৰ প্ৰাণ ৰক্ষা কৰা আৰু প্ৰৱঞ্চক জিভাৰ পৰা মোক উদ্ধাৰ কৰা।” কিন্তু প্ৰাৰ্থনাৰ আগতে তেওঁ ঈশ্বৰৰ ওচৰত নত হৈ নিজৰ দোষ স্বীকাৰ কৰিছিল। গীতমালা ৫১:৬পদ, **“চোৱা, তুমি আন্তৰিক সত্যতাত সন্তোষ পাওঁতা; তুমি মোক অন্তৰত জ্ঞান শিক্ষা দিবা।”** এইয়া চাওক প্ৰিয় শ্ৰোতা দায়ূদৰ এজন মহান ব্যক্তিয়ে মিছাৰ পৰা উদ্ধাৰ পাবলৈ ঈশ্বৰৰ ওচৰত কি দৰে মিনতি কৰিছিল, তেওঁৰ দৰে আমিও কৰা উচিত কাৰণ সত্যতাৰ গৰাকী হলে একমাত্ৰ ঈশ্বৰ।

এইবাৰ চাওঁক নিৰ্দোষীৰ ৰক্তপাতকাৰী হাতৰ বিষয়ে, ৰক্তপাত হৈছে ঈশ্বৰ আৰু মানুহ উভয়ৰে দৃষ্টিত ঘিণলগীয়া অপৰাধ আৰু এনেকুৱা ৰক্তপাতী মানুহক ঈশ্বৰে নিশ্চয় ঘিণ কৰে। ঈশ্বৰে ঘিণ কৰা চতুৰ্থ কাৰ্যটো হল, কু-কল্পনা কৰা মন,আমি ভাবো সকলোৰে মানুহৰ মনত কিবা নহয় কিবা এটা কু-চিন্তা থাকে। মথি ১৫;১৯পদ, **“কিয়নো চিত্তৰ পৰা কুচিন্তা, নৰ-বধ, পৰস্ত্ৰীগমন, ব্যভিচাৰ, চুৰি, মিছা সাক্ষ্য, নিন্দা, এইবোৰ ওলায়;”** সঁচাকৈ এইবোৰ বেয়াভাৱ আমাৰ মনৰ পৰা নিজৰাৰ দৰে বৈ থাকে নহয় নে বাৰু? সেই কাৰণে আমি নম্ৰ কৰি আন্তৰিক যাচনাৰে ঈশ্বৰৰ ওচৰত এই সকলোকে স্বীকাৰ কৰিব লাগে।

পঞ্চমতে, **কু-কৰ্ম কৰিবলৈ লৰ মৰা বেগী ভৰিৰ কথা,**হৃদয়ে কু-কল্পনা ৰচনা কৰা আৰু সেই কৰ্ম কৰিবলৈ ভৰি বেগাই লৰ মাৰে। যিচয়া ৫৯:৭পদ, **“সিবিলাকৰ ভৰি কুকৰ্ম্মৰ ফাললৈ বেগাই চলে, আৰু সিবিলাকে নিৰ্দ্দোষীৰ ৰক্তপাত কৰিবলৈ বেগাবেগি কৰে; সিবিলাকৰ কল্পনাবোৰ অধৰ্ম্মৰ কল্পনাহে; সিবিলাকৰ পথত ধ্বংস আৰু উচ্ছন্নতা আছে।”** সেই কাৰণেই এই শ্ৰেণীৰ মানুহ ঈশ্বৰৰ ঘৃণাৰ তালিকাত আছে। শাস্ত্ৰতে কোৱা হৈছে যে, মিছা কথা কওঁতা, মিছা সাক্ষী ঈশ্বৰৰ ঘৃণাৰ বিষয়। এই অভ্যাসটো আজিকালি আমাৰ মাজত সাধাৰণ ভাৱে প্ৰচলিত হৈ পৰিছে। মিছা সাক্ষীৰ ফলত আজিকালি সুবিচাৰ প্ৰায় নাইকিয়া হৈছে। মিছা সাক্ষীৰ ফলত নিৰ্দোষী মানুহ অতি সহজে বিপদত পৰিছে, আনহাতে বহুত দোষী লোকো সহজে ৰেহাই পাইছে।

সপ্তমতে ঈশ্বৰে কৈছে যে, ভাই ভাইৰ মাজত কন্দল স্বৰূপ গুটি সিঁচোতা লোকক ঈশ্বৰে ঘিণ কৰে। মথি ৫:৯পদ, **“মিলনকাৰী বিলাক ধন্য; কিয়নো তেওঁবিলাক ঈশ্বৰৰ সন্তান হিচাপে প্ৰখ্যাত হব।”** ঈশ্বৰৰ ঘৃণাৰ তালিকাত থকা এই সাতোটা পাপ কাৰ্য হল আমাৰ প্ৰত্যেকৰ কাৰণে একোখন দাপোণৰ নিচিনা, এই দাপোণত চাই আমি আমাক নিজকে চাব পাৰোঁ ঈশ্বৰৰ বাক্যৰ এই দাপোণত নিজকে এবাৰ চাওঁহক আৰু চিন্তা কৰি চাওঁ, আমি নো কোন? আমি নো কেনেকুৱা? ঈশ্বৰৰ ঘৃণাৰ সাতটা বস্তুৰ ভিতৰত যদি এটাও আমাৰ নিজৰ ভিতৰত আছে, তেন্তে তাক নম্ৰ মনেৰে ঈশ্বৰৰ ওচৰত স্বীকাৰ কৰোঁহক আৰু এইবোৰৰ আঁতৰি থাকিবলৈ ঈশ্বৰৰ পৰা সহায় বিচাৰোঁহক।

হিতোপদেশ ৬:২০-২২পদ, **“হে মোৰ বোপা, তুমি তোমাৰ পিতৃৰ আজ্ঞা পালন কৰা, আৰু তোমাৰ মাতৃৰ ব্যৱস্থা ত্যাগ নকৰিবা। সেইবোৰ সদায় হৃদয়ত গাঁথি থোৱা, আৰু ডিঙিত বান্ধি লোৱা; তাতে ফুৰোঁতে সেইবোৰে তোমাক পথ দেখুৱাব, শোৱা কালত তোমাক পৰ দি ৰাখিব,**



www.Radio882.com

WORD RESOUNDS TODAY

**আৰু সাৰে থকা সময়ত তোমাৰ লগত আলাপ কৰিব।"** ডেকা এজনে ঘৰ সংসাৰ কৰিলেও নিজ পিতৃ-মাতৃৰ কথা শুনিব লাগে আৰু প্ৰজ্ঞাক ত্যাগ কৰিব নালাগে।

হিতোপদেশ ৬:২৩-২৪পদ, **"কিয়নো দুষ্ট তিৰোতাৰ পৰা তোমাক ৰাখিবলৈ, আৰু ব্যভিচাৰিণীৰ খুচামোদী জিবাৰ পৰা তোমাক ৰক্ষা কৰিবলৈ, সেই আজ্ঞা প্ৰদীপ, আৰু সেই ব্যৱস্থা পোহৰ স্বৰূপ হয়, আৰু শিক্ষা দিওঁতা অনুযোগ জীৱনৰ পথ-স্বৰূপ হয়।"** প্ৰিয় শ্ৰোতা আমাক বচাই ৰাখিবলৈ হলে, আমি আমাতকৈ বয়সীয়া সকলৰ উপদেশ সদায় মনত ৰাখিব লাগে।

হিতোপদেশ ৬:২৮-৩০পদ, **"কোনোবাই জানো নিজ ভৰি নোপোৰাকৈ, জ্বলি থকা আঙঠাৰ ওপৰত খোজ কাঢ়িব পাৰে? যি মানুহে নিজ ওচৰ-চুবুৰীয়াৰ তিৰোতাত গমন কৰে, সিও তেনেকুৱা; যি কোনোৱে তাইক স্পৰ্শ কৰে, সি দণ্ড নোপোৱাকৈ নাথাকিব। যি চোৰে ক্ষুধাতুৰ হৈ পেট ভৰাবলৈ চুৰ কৰে, লোকে তাক ঘিণ নকৰিব পাৰে হয়।"** প্ৰিয় শ্ৰোতা এনেকুৱা ঘিণলগীয়া অপৰাধ যেতিয়া কোনোবাই কৰে তাৰ ফল ভোগ কৰিবই লাগিব।

হিতোপদেশ ৬:৩২-৩৩পদ, **"পৰস্ত্ৰীগামী জ্ঞানশূন্য; যি মানুহে এনে কাৰ্য্য কৰে, সি নিজৰ প্ৰাণ নিজে নষ্ট কৰে। সি কোব খাব, আৰু অপমান পাব; তাৰ দুৰ্নাম কেতিয়াও নুগুচিব।"** এইবোৰ কু-কাৰ্যৰ এইবিলাক দেখ, দেখ ফল আমি হাতে, হাতে পাওঁ।

হিতোপদেশ ৬:৩৪-৩৫পদ, **"কিয়নো ঈৰ্ষ্যাই মানুহৰ বৰ ক্ৰোধ জ্বলায়; তাৰ প্ৰতিকাৰ সাধিবৰ দিনা সি দয়া নকৰিব। সি কোনো প্ৰকাৰ প্ৰায়শ্চিত্ত গ্ৰহণ নকৰিব; তুমি তাক অনেক ভেটী দিলেও সি সম্মত নহব।"** এয়া হল এজন ব্যভিচাৰী মানুহৰ ব্যভিচাৰৰ ফল, গতিকে ব্যভিচাৰৰ পৰা আমি সকলোৱে সাৱধানে থকা উচিত বুলি বাইবেলে আমাক বাৰে, বাৰে সোঁৱৰাই দিছে। কিন্তু এনেকুৱা কু-কাৰ্যত এসময়ত লিপ্ত থকা লোকো প্ৰভু যীচুত বিশ্বাস কৰাৰ দ্বাৰাই, আত্মিকভাৱে নতুন জন্ম পোৱাৰ দ্বাৰাই সম্পূৰ্ণ নতুন ব্যক্তি হব পাৰে আৰু এই সকলো কু-কাৰ্য, কু-স্বভাৱৰ পৰা ৰেহাই পাব পাৰে, তেওঁ হব পাৰে সম্পূৰ্ণ নতুন ব্যক্তি।

প্ৰিয় শ্ৰোতা প্ৰভু যীচুৰ যোগেৰে ঈশ্বৰে আমালৈ সেই সুবিধা সকলোকে আগবঢ়াই আছে, প্ৰভু যীচুক গ্ৰহণ কৰি আপুনি বাৰু নতুন ব্যক্তি হৈছে নে? চিন্তা কৰি চাওক চোন ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক। /1

**<u>পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:</u>**

১) হিতোপদেশ ৬ অধ্যায়ৰ পৰামৰ্শ কিহৰ বাবে দিয়া হৈছে?

২) এলেহুৱাক কাৰ পৰা শিক্ষালৈ জ্ঞানী হবলৈ কোৱা হৈছে

৩) চয়তানৰ পতনৰ মূল পাপ কি আছিল ?



WORD RESOUNDS TODAY
www.Radio882.com

WORD RESOUNDS TODAY



www.Radio882.com

**হিতোপদেশ ৭ নম্বৰ**

আজি আলোচনা কৰিবলৈ লোৱা হিতোপদেশ পুস্তকৰ ৭ অধ্যায়টিত কোনো নতুন বিষয় আৰম্ভ কৰা হোৱা নাই। ৬ অধ্যায়ত আলোচনা কৰা প্ৰজ্ঞাৰ জ্ঞান দায়ক শিক্ষা আমি ৭ অধ্যায়তো পাম।বিশেষকৈ ডেকাসকল পতিতা তিৰোতাৰ পৰা আঁতৰি থকা কিমান দৰকাৰ সেই বিষয়ে আমি ইয়াৰ আগৰ অধ্যয়নত বিশদভাৱে আলোচনা কৰিছিলো যদিও এই ৭ অধ্যায়ত আমি আৰু এই বিষয়ত কথা জানিব পাৰিম।

এই বিষয়ে আমি হিতোপদেশ ৭:১-৪পদ, **"হে মোৰ বোপা, প্ৰভুৰ বচন পালন কৰা আৰু মোৰ আজ্ঞাবোৰ তোমাৰ মনত ৰাখা মোৰ আজ্ঞা পালন কৰি জীৱন ধাৰণ কৰা তোমাৰ চকুৰ মণিৰ দৰে মোৰ ব্যৱস্থা ৰাখা, সেইবোৰ তোমাৰ আঙুলিত বান্ধা আৰু তোমাৰ হৃদয় ৰূপ ফলিত লিখি ৰাখা, তুমি যেন প্ৰজ্ঞা আৰু সুবিবেচনাৰ দ্বাৰাই পৰস্ত্ৰীৰ পৰা এনে কি নিজ বাক্যেৰে খুচামোদ কৰোঁতা ব্যভিচাৰিণীৰ পৰা ৰক্ষা পোৱা।"** প্ৰিয় শ্ৰোতা, আজিৰ ডেকা মানুহ এজনে যাতে জীৱনৰ সুখ শান্তি হেৰুৱাই পেলোৱা ধ্বংসৰ পৰা আঁতৰি থাকিব পাৰে, তাৰ বাবে ঈশ্বৰৰ বচন নিজৰ হৃদয়ত লিখি লবলৈ আৰু প্ৰজ্ঞাক নিজৰ চকুৰ মণিৰ দৰে ৰক্ষা কৰিবলৈ ইয়াত কোৱা হৈছে। এনে কৰিলে ডেকাসকলে জীৱনলৈ সৰ্বনাশ মাতি অনা তেনেকুৱা বেশ্যা তিৰোতাৰ পৰা বাচি থাকিব পাৰিব, নহলে মানুহৰ মন অতি চঞ্চল অতি বেগে এই মন ব্যভিচাৰলৈ ধাৱমান হয়।

হিতোপদেশ ৭:৫-৯পদ, **"এই নিমিত্তে প্ৰজ্ঞাক তুমি মোৰ ভনী, আৰু সুবিবেচনাক তুমি মোৰ প্ৰণয়ৰ বন্ধু বুলি কোৱা; কিয়নো মই মোৰ ঘৰৰ খিৰিকী দুৱাৰৰ ওচৰত থিয় হৈ চিলিঙিয়েদি চাইছিলোঁ; তাতে নিৰ্বোধবোৰৰ ভিতৰৰ এটাৰ ওপৰত মোৰ চকু পৰিল, যুৱকবিলাকৰ মাজৰ এজন জ্ঞানশূণ্য ডেকাক মই দেখিলোঁ। দিন ওৰ পৰিলত, কৃষ্ণপক্ষৰ ৰাতি মাজ নিশাৰ আন্ধাৰত, সি তাই থকা আলিচুকৰ ওচৰৰ পাই, তাইৰ ঘৰৰ বাটেদি গৈ আছিল।"** প্ৰিয় শ্ৰোতা, ইয়াত এখন সুন্দৰ ছবি আঁকি আমাক দেখুৱা হৈছে, পতিতা তিৰোতা এগৰাকীৰ প্ৰতি মানুহৰ কৌতূহলৰ দৃষ্টি কেনেকৈ হয়, আৰু তাইৰ ঘৰলৈ মানুহ কেনেকৈ যায়তাইৰ ঘৰৰ পিনে যদি কোনো ডেকা যাই, তেতিয়া তেওঁৰ চলন ফুৰণবিলাক মানুহে লুকাই চোৰ কৰি হলেও বৰ আগ্ৰহেৰে চাই, তেনেকুৱা পতিতা তিৰোতাই ভাবে তাইক কোনেও দেখা নাই; এনে নহয় অনেক চকুৰে তাইলৈ চাই থাকে।

হিতোপদেশ ৭:১০-১৪পদ, **"তাতে চোৱা, বেশ্যাৰ সাজ পিন্ধা ধূৰ্ত্ত-চিত্তা তিৰোতা তাৰ সন্মুখত উপস্থিত হল। তাই দ্বন্দ-হাই কৰোঁতা আৰু অবাধ্য; তাইৰ ভৰি ঘৰত নাথাকে। তাই এতিয়াই আলিত, এতিয়াই চকত উপস্থিত হয়, আৰু আলিৰ চুকে, চুকে বাট চাই থাকে। সেই তিৰোতাই তাক ধৰি চুমা খালে; আৰু নিলাজ মুখেৰে তাক কলে, মোৰ তাত মঙ্গলাৰ্থক বলিদান কৰা হৈছে, আজি মই মোৰ সঙ্কল্প সিদ্ধ কৰিলোঁ;"** প্ৰিয় শ্ৰোতা এইয়া চাওক, তাই বেশ্যা হলেও নিজকে ধাৰ্মিক যেন দেখুৱাই আৰু ঈশ্বৰৰ শান্তি তাইৰ ঘৰত থকা বুলি প্ৰতিজ্ঞা কৰি ডেকাজনক ফুচুলাই বেশ্যা তিৰোতাৰ মনত এয়া স্বংয় চয়তানৰ কাম।



WORD RESOUNDS TODAY
www.Radio882.com

হিতোপদেশ ৭:১৫-২০পদ, **“এই নিমিত্তে মই তোমাক লগ পাবলৈ, আৰু অতি আগ্ৰহেৰে তোমাৰ সাক্ষাৎ হবলৈ বাহিৰলৈ আহিছিলোঁ, এতিয়া মই তোমাক পালোঁ। মই মোৰ বিছনা ফুল-বচা কাপোৰেৰে, আৰু মিচৰীয়া সূতাৰ গাঁৰি দিয়া চাদৰেৰে সজালোঁ; মই গন্ধৰস, অগুৰু আৰু ডালচেনিৰে মোৰ শয্যা সুগন্ধযুক্ত কৰিলোঁ। বলা, আমি ৰাতিপোৱালৈকে কাম-ৰসত মত্ত হওঁ, আৰু প্ৰেমত সুখী হওঁ। কিয়নো মানুহটো ঘৰত নাই, দূৰৈ বাটলৈ গৈছে; ধনৰ মোনাও লগত লৈ গৈছে, পূৰ্ণিমা হ'লেহে ঘৰলৈ আহিব।”** প্ৰিয় শ্ৰোতা, সেই বেশ্যাই ডেকাক কয় যে, তাই হেনো তাৰ বাবে বহুদিনৰ পৰা বাট চাই আছে, যে তাক পাই তাই অতি সুখী হৈছে, আনহাতে তাইৰ গিৰিয়েক ঘৰত নাই, বাহিৰলৈ গৈছে কিছুদিনৰ বাবে নাহে বুলি মিছা কথা কয়, সেইদৰে তাক ব্যভিচাৰলৈ মিছা কথাৰে ছলনা কৰে। সেইদৰে খুচামোদী কথাৰে সেই ডেকাক যৌন কামলৈ উত্তেজিত কৰে আৰু কয় যে, তাইৰ লগত শয়ন কৰিলে তেওঁৰ কোনো বিপদ হোৱাৰ ভয় নাই, কোনো মানুহে তেওঁলোকক দেখা নাপায় কিন্তু বেৰৰ জলঙ্গায়েদি যে কিমান মানুহে চাই আছে সেই কথা তেওঁলোকে নাজানে।

হিতোপদেশ ৭:২১-২৩ পদ, **“এই দৰে তাই অনেক মধুৰ কথাৰে তাক সন্মত কৰালে, আৰু ওঁঠৰ খুচামোদী বাক্যৰে তাক ফুচুলাই লৈ গল। যেনেকৈ গৰু হত হবলৈ যায়, বা নিৰ্ব্বোধে শাস্তিৰ অৰ্থে বেৰিৰ বান্ধ খাবলৈ যায়, তেনেকৈ সিও তেতিয়াই তাইৰ পাছে, পাছে গৈ থাকিল; শেষতে বাণে তাৰ কলিজা বিন্ধিব। ফান্দক প্ৰাণ নাশক বুলি নাজানি, যেনেকৈ চৰাই ফান্দত পৰিবলৈ শীঘ্ৰে উড়ি যায়, তেনেকৈ সিও তাইৰ পাছে, পাছে গৈ থাকিল।”** প্ৰিয় শ্ৰোতা, এয়া চাওক ডেকা এজনক বেশ্যাই কেনেকৈ তাইৰ কবলত বশ কৰি লয় তাৰ ভয়ানক ছবি এটি আমাৰ আগত দাঙি ধৰা নাই নে? ইয়াৰ যোগেদি আজিৰ ডেকাক ঈশ্বৰে সাৱধান কৰি দিছে যাতে তেওঁ সেই তিৰোতাক চিনি পাই আৰু তাইৰ পৰা সাৱধানে থাকে। নহলে নিৰ্ব্বোধে বেৰিত বান্ধ খোৱাৰ দৰে আৰু চৰাই চিকাৰীৰ হাতত পৰাৰ দৰে বেশ্যাৰ ফান্দত পৰিব। অৱশ্যে প্ৰথম অৱস্থাত ডেকাই এই বিপদৰ কথা গম নাপাব। কিন্তু ঈশ্বৰে হলে আমাক আগতেই জানিবলৈ দিছে। ঈশ্বৰক দুষিবলৈ তেওঁ কোনো সুৰুঙ্গা ৰখা নাই।

হিতোপদেশ ৭:২৪-২৭পদ, **“এই হেতুকে এতিয়া হে মোৰ বোপাহঁত, মোৰ কথা শুনা আৰু মোৰ মুখৰ বাক্যলৈ কাণ পাতা। তোমাৰ চিত্ত তাইৰ পথলৈ ঢাল নাখাওক, আৰু তুমি তাইৰ পথে বিপথগামী নহ'বা।”** প্ৰিয় শ্ৰোতা ইয়াত দুই ধৰণে কথা কোৱা হৈছে **প্ৰথমটো হৈছে শাৰীৰিক আনটো হল আত্মিক,**শাৰীৰিকভাৱে আমি নিজ ভাৰ্যাৰ বাহিৰে আনৰ লগত যৌন সম্পৰ্ক ৰাখিলে সেয়া হয় ব্যভিচাৰ। এই কাৰ্য ঈশ্বৰৰ দৃষ্টিত অতি ঘিণলগীয়া ঠিক সেইদৰে আমি আমাৰ সৃষ্টিকৰ্তা ঈশ্বৰৰ বাহিৰে যদি আনক আমাৰ হৃদয়ত স্থান দিওঁ তেন্তে সেয়া হব আত্মিক ব্যভিচাৰ। আত্মিক ব্যভিচাৰৰ বিষয়ে অৱশ্যে ঈশ্বৰৰ বহুতো কথা ক'বলগীয়া আছে। ঈশ্বৰে কৈছে যে তেওঁ নিজৰ লোকক নিজ পথত চলাব বিচাৰিছিল কিন্তু তেওঁলোকে ঈশ্বৰৰ কথা নুশুনিলে আৰু ঈশ্বৰলৈ পিঠি দি দেৱতাৰ মূৰ্তীবোৰত আসক্ত হল। দেৱ-পূজাই সিঁহতক বশ কৰি ল'লে তাৰ ফলত তেওঁলোক সত্য আৰু জীৱন্ত ঈশ্বৰৰ পৰা আঁতৰি আহিল আৰু আন দেৱতাক নিজৰ হৃদয়ত স্থান দিলে আৰু এই দেৱ পূজাই হল আত্মিক ব্যভিচাৰ।

WORD RESOUNDS TODAY



www.Radio882.com

আজি আমাৰ মাজত অনেক দাৰ্শনিক আৰু বিভিন্ন ধৰণৰ মতবাদ আছে। তাৰ উপৰিও ভ্ৰান্ত ধৰ্ম্মমতৰো অভাৱ নাই নানা ধৰণৰ ধৰ্ম্মমতে আমাক অশান্ত আৰু অস্থিৰ কৰি তুলিব ধৰিছে। আজি বহুতে কয় যে, আমি আজি যি ধৰণে যীচু খ্ৰীষ্টক অনুসৰণ কৰি আছো তেনে কৰাৰ কোনো প্ৰয়োজনেই নাই। আমাৰ উদ্ধাৰকৰ্তা ৰূপে কেৱল যীচু খ্ৰীষ্টৰ ওপৰতে নিৰ্ভৰ কৰিলে নহব। আমি তেওঁলোকৰ দললৈ যাব লাগে আৰু তেওঁলোকৰ পথত চলিব লাগে ইত্যাদি কথা তেওঁলোকে কয়। এইদৰে মানুহে আজি আমাক আত্মিক ব্যভিচাৰলৈ আহ্বান কৰি থাকে, তেওঁলোকৰ তেনে আহ্বানত যদি আমি ভুল যাওঁ, আমিও ব্যভিচাৰত পৰিম।

এগৰাকী ঈশ্বৰ ভক্ত মহাশয়ে কৈছে যে, জীৱনৰ এটা সময়ত তেখেতে গালাতীয়া পুস্তকৰ ওপৰত শিক্ষা দি আছিল আৰু তেতিয়া কৈছিল যে, পৰিত্ৰাণৰ ক্ষেত্ৰত বিশ্বাসৰ সমান আন একোৱেই নাই। তাৰ মানে তেখেতে কৈছিল যে, পৰিত্ৰাণ পাবলৈ হলে আমি যীচু খ্ৰীষ্টক উদ্ধাৰকৰ্ত্তা ৰূপে মনে প্ৰাণে বিশ্বাস কৰিবই লাগিব। অ এই কথা তেখেতে কবলৈ হে পালে, তেখেতলৈ জাউৰিয়ে জাউৰিয়ে চিঠি আহিবলৈ ধৰিলে। কিছুমানে বৰ বেয়া, বেয়া কথাও লিখিছিল, তাৰ ভিতৰত কিছুমানে লিখিছিল এনেদৰে, আপুনি কৈছে যে, আমি মোচিৰ বিধানৰ পৰা মুক্ত হব লাগিব। কিন্তু তেখেতে ক'ব বিচাৰিছিল যে বিধান ভাল বস্তু, আমি তেজ মংসৰ মানুহবিলাকহে দুৰ্বল, পাপৰ প্ৰবৃত্তি আমাৰ আছে, সেই কাৰণে এই অৱস্থাত আমি বিধান পালন কৰিব নোৱাৰো। আনহাতে উদ্ধাৰ পাবলৈ বিধান দিয়াও হোৱা নাছিল। আমাৰ উদ্ধাৰৰ কাৰণে যীচু খ্ৰীষ্টক আমাৰ মাজলৈ পঠোৱা হৈছে আৰু একমাত্ৰ তেওঁৱেইহে আমাক উদ্ধাৰ কৰিব পাৰে। অৰ্থাৎ আমি আমাৰ নিজৰ কৰ্ম আৰু চেষ্টাৰ ওপৰত নিৰ্ভৰ নকৰি যেতিয়া খ্ৰীষ্টৰ ওপৰত নিৰ্ভৰ কৰো তেতিয়া আমি পৰিত্ৰাণ পাওঁ। তদুপৰি কিছুমানে লিখিছিল যে, মহাশয় গৰাকীৰ কথা ভুল হৈছে। অৰ্থাৎ তেখেতে কোৱা উচিত আছিল, বাপ্তিষ্ম নো কেনে ধৰণে দিয়া উচিত। কিছুমানে লিখিছিল যে কোনটো খ্ৰীষ্টিয় সম্প্ৰদায়ত তেওঁলোক থকা উচিত। সেই বিষয়েহে তেওঁ শিক্ষা দিব লাগিছিল। কিছুমানে লিখিছিল যে, খ্ৰীষ্টত বিশ্বাস কৰা সকলেও বিধান পালন কৰিব লাগে বুলি শিক্ষা দিব লাগিছিল। কিন্তু সেই মহাশয় গৰাকীয়ে তেওঁলোকক উত্তৰ দিছিল যে, খ্ৰীষ্টিয় লোক এজন যিহেতু বিশ্বাসৰ দ্বাৰাই খ্ৰীষ্টৰ লগত সংযুক্ত হয় আৰু খ্ৰীষ্টই যিহেতু তেওঁৰ কাৰণে সকলো বিধান সিদ্ধ কৰিছে, আৰু পৰিত্ৰাণৰ কাৰ্য সম্পূৰ্ণ কৰিছে, সেয়েহে সেই লোক জনে কেৱল খ্ৰীষ্টৰ আজ্ঞাহে পালন কৰা উচিত।

আনহাতে খ্ৰীষ্টৰ আজ্ঞা বৰ কঠোৰ আৰু গধুৰ নহয়, তেওঁৰ আজ্ঞা হল আমি ঈশ্বৰৰ আত্মাৰ দ্বাৰা পৰিপূৰ্ণ হব লাগে আৰু ইজনে সিজনক প্ৰেম কৰি চলিব লাগে। এই দুটাই হল সকলো আজ্ঞাৰ মূল, এই দুটা আজ্ঞা যদি আমি পালন কৰো তেন্তে ঈশ্বৰৰ সকলো আজ্ঞাকে পালন কৰিছোঁ আৰু খ্ৰীষ্টকো প্ৰেম কৰিছো। লগতে আমি খ্ৰীষ্টৰ লগত সংযুক্তও হৈছে আৰু সকলোৰে উৰ্দ্ধত আছো। আৰু ইয়াৰ প্ৰমাণ হল পবিত্ৰ আত্মাৰ ফল প্ৰেম, শান্তি, আনন্দ ইত্যাদি সৎ গুণবোৰ আমাৰ আছে। কিন্তু ইয়াৰ বিপৰীতে খুচামোদ কাৰিণী বেশ্যা তিৰোতাৰ দৰে নানা ধৰণৰ দৰ্শন, মতবাদ আৰু বিশ্বাসে আমাক মাতি আছে। নানা ধৰণৰ চলাহি আৰু মিছা কথাৰে আমাক প্ৰলোভন দেখুৱাই আছে। তেওঁলোকে কয় আছে, আমাৰ লগতহে ঈশ্বৰ আছে, আমাৰ পথতহে প্ৰকৃত শান্তি আছে, আমাৰ ইয়াত তুমি জীৱনৰ শেষলৈকে নিজ ইচ্ছামতে আমোদ কৰিব পাৰিবা, আহা তুমি আমাৰ দললৈ আহা। এনেবোৰ কথা মুখেৰে কয় আছে, কাগজে পত্ৰই লিখি



WORD RESOUNDS TODAY
www.Radio882.com

সকলোৰে ঘৰে, ঘৰে বিতৰণ কৰি আছে। আনহে নালাগে অনাতাঁৰ, কথা ছবি, দূৰদৰ্শন ইত্যাদিও আমাক আমন্ত্ৰণ কৰি আছে, আমাক আক্ৰমণ কৰি আছে। এই আমন্ত্ৰণত ভুল গৈ আপুনি যদি খ্ৰীষ্টক বাদ দিয়ে, বা বিশ্বাস নকৰাকৈ থাকে তেন্তে আপুনি আত্মিকভাৱে ব্যভিচাৰ কৰা নিচিনাই হয়। কাৰণ সত্য ঈশ্বৰক বাদ দি আপুনি আত্মিক বেশ্যাত আসক্ত হোৱাৰ নিচিনা হয়। এই বেশ্যাত আসক্ত হোৱা মানে ঈশ্বৰৰ বাক্যত আমাক কোৱা হৈছে যে, আমি বলি দিবলৈ নিয়া জন্তুৰ দৰে হৈছো আৰু নিৰ্ব্বোধে শাস্তি পাবলৈ বেৰিৰে বান্ধ খোৱাৰ দৰে হৈছো।

প্ৰিয় শ্ৰোতা, শাৰীৰিকভাৱে বেশ্যাত আসক্ত হোৱা যিমান ভয়ানক তাতকৈ যীচু খ্ৰীষ্টক উদ্ধাৰকৰ্তা ৰূপে গ্ৰহণ নকৰা ব্যভিচাৰটো অধিক ভয়ানক,কাৰণ যীচু খ্ৰীষ্টক উদ্ধাৰকৰ্তা ৰূপে গ্ৰহণ নকৰা মানেই হল অনন্ত মৃত্যু অৰ্থাৎ অনন্তকাল নৰকত শাস্তি খাই অনন্তকালে মৰি থকা। এই শাস্তি বৰ ভয়ানক শাস্তি আপুনি যদি এই শাস্তিৰ পৰা ৰক্ষা পাব বিচাৰে তেন্তে প্ৰভু যীচুক উদ্ধাৰকৰ্তা ৰূপে গ্ৰহণ কৰক। আমি ভাবো যে বেশ্যা তিৰোতাগৰাকী হল বিভিন্ন ধৰণৰ দেৱ-পূজা, ভুল মতবাদ, আৰু ভ্ৰান্ত ধৰ্মৰ এটা বৰ উপযুক্ত ছবি। এইবিলাক বেশ্যা তিৰোতাৰ নিচিনা ৰং-চঙীয়া, অভিলাষী আৰু আকৰ্ষণীয়। প্ৰথম অৱস্থাত ই বৰ মিঠা কিন্তু পাছত ই বৰ বিষাক্ত আৰু ধ্বংসাত্মক। নৰকেই হল ইয়াৰ শেষ পৰিণতি।

প্ৰিয় শ্ৰোতা, ইমান পৰে আপুনি বেশ্যা তিৰোতাৰ বিষয়ে শুনিলে যদি আপুনি ইতিমধ্যে শাৰীৰিকভাৱে তেনেকুৱা তিৰোতাত আসক্ত হৈছে, তেন্তে অপৰাধ নিশ্চয় কৰিছে। কিন্তু আন্তৰিক অনুশোচনাৰে যদি প্ৰভু যীচুৰ ওচৰত সেই অপৰাধ স্বীকাৰ কৰে আৰু সেই অপৰাধৰ কাৰণে ক্ষমা বিচাৰে তেন্তে তেওঁ আপোনাক নিশ্চয় ক্ষমা কৰিব আৰু অন্তৰত শান্তি দান কৰিব। ১যোহন ১:৯পদ অৰ্থাৎ ঈশ্বৰৰ দৃষ্টিত ঘৃণনীয় হৈ আছে, এই কথা ভাবি চাওক, আৰু যদিহে আপুনি তেনেকুৱা অৱস্থাত আছে, তেনেহলে প্ৰভু যীচুক আপুনি গ্ৰহণ কৰক।

হিতোপদেশ ৭:২৬-২৭পদ, **“কিয়নো তাই অনেকক বধ কৰি পেলালে, এনে কি, তাই হত্যা কৰা লোক অতিশয় অধিক তাইৰ বাটেই চিয়োলৰ বাট, আৰু মৃত্যুৰ অন্তঃপুৰলৈ নামি যোৱা পথ।”** প্ৰিয় শ্ৰোতা, ইয়াত তাই বুলি সেই বেশ্যা তিৰোতাৰ গৰাকীক বুজোৱা হৈছে যদিও আত্মিক বেশ্যাৰ ক্ষেত্ৰতহে এই কথা বেছি প্ৰযোজ্য বুলি আমি বুজি পাওঁ। অৰ্থাৎ ভ্ৰান্ত বিশ্বাসত আসক্ত হোৱা লোকসকলৰ ক্ষেত্ৰত ই বিশেষভাৱে প্ৰযোজ্য তাৰ মানে যীচু খ্ৰীষ্টৰ বাহিৰে আন বিশ্বাসত আসক্ত হোৱা লোক আমাৰ মাজত অনেক বেছি। তাৰ প্ৰমাণ স্বৰূপে, আজি যদি এজন যিকোনো মানুহক সোধা হয়, যি জনে যীচু খ্ৰীষ্টক গ্ৰহণ কৰা নাই তেওঁক যদি সোধা হয়, মৃত্যুৰ সিপাৰৰ জীৱনত আপুনি বিশ্বাস কৰেনে? তাৰ উত্তৰত তেওঁ নিশ্চয় কৰোঁ বুলিয়ে ক'ব। কিন্তু তাৰ পৰিণতি কি হব বুলি যদি তেওঁক সোধা হয়, তেওঁ নাজানো বুলি ক'ব। ইয়াৰ কাৰণ হল যীচু খ্ৰীষ্টৰ বাহিৰে কোনো ধৰণৰ বিশ্বাসতে স্বৰ্গ লাভৰ অধিকাৰ দিয়া হোৱা নাই বা পৰিত্ৰাণ পোৱাৰ নিশ্চয়তা দিব পৰা তেনেকুৱা কোনো বিশ্বাস নাই, যীচু খ্ৰীষ্টৰ বাহিৰে। কাৰণ যীচুৰ বাহিৰে মানুহৰ বাবে স্বৰ্গলৈ যোৱা পথ কোনো মানুহ বা কোনো বিশ্বাসে প্ৰস্তুত কৰিব পৰা নাই আৰু তেনেকুৱা পথ দাবী কৰি কোনো বিশ্বাসেই এতিয়ালৈকে আগবঢ়োৱা নাই। একমাত্ৰ যীচু খ্ৰীষ্টহে স্বৰ্গৰ পৰা আহিছিল, মৃত্যুৰ পাছত পুনৰ জী উঠিল, তেওঁহে জীৱন্তে স্বৰ্গলৈ গৈছে।



WORD RESOUNDS TODAY
www.Radio882.com

যীচু খ্ৰীষ্টই নিজে দাবী কৰি এইদৰে কৈছে, “ময়েই বাট, মোৰ যোগেদি নগ'লে পিতৃৰ ওচৰলৈ কোনো যাব নোৱাৰে।” এয়া প্ৰভু যীচু খ্ৰীষ্টৰ প্ৰত্যাহ্বান, এই প্ৰত্যাহ্বানত আজিলৈ কোনেও নাকচ কৰিব পৰা নাই বা অসত্য বুলি প্ৰমাণ কৰিব পৰা নাই। এই প্ৰত্যাহ্বান আপোনাৰ বাবে মোৰ বাবে আৰু সকলো মানুহৰ বাবে। এই আহ্বানে আপোনাক কৈছে যে, যদি আপুনি যীচু খ্ৰীষ্টক মুক্তি দাতা, আৰু প্ৰভু ৰূপে বিশ্বাসেৰে গ্ৰহণ নকৰে, তেন্তে আপুনি ঈশ্বৰৰ স্বৰ্গৰাজ্যত কেতিয়াও স্থান নাপাব। এই কথা শুনিবলৈ অলপ কঠোৰ যেন লাগে, অলপ উগ্ৰ, গুড়া যেন লাগে, কিন্তু এই কথা প্ৰভু যীচুৱে কোৱা কথা আৰু এই কথা অতি সত্য। কাৰণ ইয়াক অসত্য বুলি আজিলৈকে কোনেও প্ৰমাণ কৰিব পৰা নাই ইয়াৰ বিপৰীতে যিমান বিলাক লোকে আজি যীচু খ্ৰীষ্টক নিজৰ, নিজৰ ত্ৰাণকৰ্তা ৰূপে গ্ৰহণ কৰিছে, সিমান বিলাক লোকেই মৃত্যুৰ পাছত স্বৰ্গ পোৱাৰ নিশ্চয়তা এই জীৱনতে লাভ কৰিছে। এই নিশ্চয়তা কেৱল কিতাপৰ পাতত থকা কথাই নহয়, হৃদয়ত লিখা কথা, তেনেকুৱা মানুহৰ হৃদয়ত এই নিশ্চয়তা লিখা হৈছে। এই বিষয়ে ঈশ্বৰে ইব্ৰী ১০নং অধ্যায়ত কৈছে, যি সকল লোকে প্ৰভু যীচুক বিশ্বাস কৰিছে, তেওঁলোকে সৈতে তেওঁ এটি নতুন নিয়ম কৰিব। সেই নিয়মটিৰ বিষয়ে ঈশ্বৰে এনেদৰে কৈছে, তেওঁলোকৰ চিত্তত মোৰ বিধান দিম আৰু মানুহবিলাকৰ হৃদয়ত সেইবিলাক লিখিম। এই কথা কোৱাৰ পাছত তেওঁ আকৌ এনেদৰে কৈছে, মই তেওঁবিলাকৰ পাপ আৰু অধৰ্মবোৰৰ আৰু নুসোঁৱৰিম।

প্ৰিয় শ্ৰোতা আপুনি যদি মৃত্যুৰ পাছত ঈশ্বৰৰ স্বৰ্গ ৰাজ্যত তাৰ অধিকাৰ পাব পাৰে তাৰ বাবে ঈশ্বৰে প্ৰমাণ সহকাৰে ইমানবোৰ কথা কৈ আপোনাক বুজনি দিছে। তথাপিতো আপুনি যদি নুশুনে, নুবুজে তেতিয়াহলে এয়া আপোনাৰ নিৰ্ব্বোধতাৰ পৰিচয় আপুনি নিজে দিছে। তাৰ বাবে আপুনি ঈশ্বৰক কেতিয়াও দোষাৰোপ কৰিব নোৱাৰিব। ঈশ্বৰৰ বচনৰ পোহৰত চাবলৈ জানিলে মানুহে দেখিব যে দুৰ্ভগীয়া মানুহে দুই প্ৰকাৰে দুবিধ ব্যভিচাৰত লিপ্ত আছে। অতিপাত দুৰ্ভগীয়া এই মানুহবিলাকে দুই প্ৰকাৰে তেওঁলোকৰ জীৱনত দুগুণে ব্যভিচাৰ কৰি আছে। নিজৰ শৰীৰৰ বিৰুদ্ধেও আৰু/1নিজৰ আত্মাৰ বিৰুদ্ধেও। শাৰীৰিক ব্যভিচাৰে মানুহজনৰ শাৰীৰিক মৃত্যু নঘটালেও আধ্যাত্মিক ব্যভিচৰে কিন্তু আধ্যাত্মিকভাৱে মানুহ জনৰ আত্মাৰ মৃত্যু নিশ্চিত কৰি তুলে কিন্তু ধন্য হওক ঈশ্বৰৰ নাম কাৰণ দুয়োপ্ৰকাৰৰ ব্যভিচাৰৰ পৰা ৰক্ষা পোৱাৰ এই বাট ঈশ্বৰে প্ৰভু যীচু খ্ৰীষ্টৰ জৰিয়তে ৰাখিছে। শাৰীৰিক ৰূপে আপুনি ব্যভিচাৰত পতিত হৈছে নেকি বাৰু প্ৰিয় শ্ৰোতা? ১ যোহন ১:৯পদৰ ভিত্তিত সেই সমস্যাৰ মোকাবিলা আপুনি কৰিব পাৰে আৰু যদিহে তেনেকুৱা সমস্যাত আছে তেতিয়া হলে সেই সমস্যাৰ আপুনি মোকাবিলা কৰা উচিত। প্ৰভু যীচু খ্ৰীষ্টক আপোনাৰ জীৱনৰ পৰিত্ৰাতা আৰু প্ৰভু ৰূপে গ্ৰহণ নকৰি আপুনি আন অসত্য পথত চলি আত্মিক ব্যভিচাৰত পতিত হৈছে নে বাৰু? আপুনি তেনেকুৱা অৱস্থাত আছে নেকি বাৰু? প্ৰভু যীচু খ্ৰীষ্টক আপোনাৰ জীৱনৰ পৰিত্ৰাতা আৰু প্ৰভু ৰূপে গ্ৰহণ কৰি আপুনি অনন্ত মৃত্যুৰ পৰা পৰিত্ৰাণ লাভ কৰিব পাৰে। যদি সেই পৰিত্ৰাণ আপুনি এতিয়ালৈকে গ্ৰহণ কৰা নাই, আপুনি আজিয়েই গ্ৰহণ কৰিব পাৰে।

প্ৰিয় শ্ৰোতা, আজিৰ অনুষ্ঠানত আমি এই হিতোপদেশৰ ৭ অধ্যায়ৰ ভিত্তিত এগৰাকী বেশ্যা তিৰোতাৰ বিষয়ে আলোচনা কৰিবলৈ গৈ বহুতো দৰকাৰী কথা আমি জানিব পাৰিলোঁ। আচলতে সেই বেশ্যা তিৰোতাৰ উদাহৰণ দি ঈশ্বৰে আমাক অনেক কথা জনালে। আশা কৰিছো এই আলোচনাটিৰ যোগেদি আপুনি নিশ্চয় আশীৰ্বাদ পাইছে আৰু নিশ্চয় ঈশ্বৰৰ দ্বাৰা প্ৰস্তুত সেই



WORD RESOUNDS TODAY
www.Radio882.com

সৎ পথৰো সন্ধান পাইছে। সেই সৎ পথৰ বিষয়ে আজিৰ আলোচনাত বহলাই আলোচনা কৰিব খোজা নাই কিন্তু আপুনি নিশ্চয় বুজি পাইছে যে প্ৰভু যীচুৱেই সেই সৎ পথ। সেই পথ ঈশ্বৰে আমাৰ বাবে যুগুত কৰা পথ; প্ৰভু যীচুক গ্ৰহণ কৰা ব্যক্তিয়ে সেই পথত চলে, সেই পথেৰে যেতিয়া চলি থাকে জীৱনৰ সকলো ধৰণৰ ব্যভিচাৰৰ পৰা আঁতৰি থকা শক্তিও ঈশ্বৰৰ পৰাই লাভ কৰে। প্ৰিয় শ্ৰোতা, আপুনি বাৰু সেই পথ ধৰিছে নে? আজিৰ আলোচনা আমি ইমানতেই সামৰিব খুজিছোঁ। পৰবৰ্ত্তী অনুষ্ঠানত পুনৰ আপোনাক লগ পোৱাৰ আশাৰে আজিলৈ আমি বিদায় মাগিছোঁ। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক। আমেন/1

**<u>পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:</u>**

১) ডেকা সকলক প্ৰজ্ঞাক কি বুলি সম্বোধন কৰিবলৈ পৰামৰ্শ দিয়া হৈছে ?

২) আত্মিক ব্যভিচাৰ কিহক বুজোৱা হৈছে ?

৩) মানুহ পাপৰ পৰা উদ্ধাৰ পোৱাৰ উপায় কি?

WORD RESOUNDS TODAY

ASS01-0691

**হিতোপদেশ ৮-৯ অধ্যায়**

আমি এতিয়া বাইবেলৰ পুৰনি নিয়ম খণ্ডৰ হিতোপদেশ নামৰ পুস্তকখন অধ্যয়ন কৰি আছো। আমি ৭ অধ্যায়ত ইতিমধ্যে পাই আহিছো যে, শাৰীৰিক বেশ্যা এজনীৰ দৰে আত্মিক বেশ্যা দৰ্শন বা বিভিন্ন মতবাদ ইত্যাদিয়ে হাটে-বজাৰে, বাটে-পথে আৰু ঘৰৰ দুৱাৰে, দুৱাৰে ডেকাসকলক আহ্বান কৰি আছে। তেওঁলোকক আত্মিক ধ্বংসলৈ লৈ যাবলৈ অহৰহ চেষ্টা চলাই আছে, ইয়াৰ বিপৰীতে ঈশ্বৰৰ সন্তান সকলেও ঘৰে, ঘৰে, বাটে-পথে, হাটে-বজাৰে ঈশ্বৰৰ আশীৰ্বাদ আৰু অনন্ত জীৱনৰ পথ ঘোষণা কৰিব লাগে, ডেকাসকলক আহ্বান কৰিব লাগে, নহলে ডেকাসকলৰ সৰ্বনাশ হব।

অৱশ্যে এইটো আনন্দৰ বিষয় বহুতে ঈশ্বৰৰ এই বচন ঘোষণা কৰি আছে। হিতোপদেশ ৮:২-৪ পদলৈকে পঢ়ি দিব খুজিছোঁ, **"তেওঁ বাটৰ কাষৰ ওখ, ওখ ঠাইত আৰু চাৰিমুনি বাটৰ কাষত থিয় হয়। পুৰদ্বাৰৰ ওচৰত নগৰবোৰ প্ৰৱেশস্থান আৰু দুৱাৰ-মুখত থাকি ৰিঙিয়াই কয়, "হে মনুষ্য বিলাক মই তোমালোকক মাতিছোঁ; মনুষ্য সন্তানবিলাকলৈ মোৰ কথা এই,"** প্ৰিয় শ্ৰোতা এই কাৰ্যকে আজি আমি কৰি আছোঁ, আমাৰ এই অনাতাৰ অনুষ্ঠানৰ যোগেদি আমি প্ৰজ্ঞাৰ পঢ়া-শালিলৈ মানুহবিলাকক আহ্বান কৰি আছোঁ, য'ত ঈশ্বৰৰ নিগূঢ় তত্ববিলাক জানিব পাৰি আৰু যীচু খ্ৰীষ্টক চিনি পাব পাৰি পৰিত্ৰাণৰ কাৰণে যীচু খ্ৰীষ্টৰ কিয় প্ৰয়োজন এই কথা জানিব পাৰি।

এতিয়া হিতোপদেশ ৮:৫ পদ পঢ়ি দিছোঁ শুনিব চোন, **"হে নিৰ্ব্বোধ বিলাক বুদ্ধি লোৱা, হে অজ্ঞানীবিলাক তোমালোকে জ্ঞানী হোৱা।"** প্ৰিয় শ্ৰোতা আপুনি নিজকে নিৰ্ব্বোধ আৰু জ্ঞানহীন বুলি ভাবেনে? আপোনাৰ জ্ঞানৰ সমস্যা আছে বুলি ভাবেনে? আপুনি নিজকে নিজে পাপী বুলি জানে নে? জ্ঞানৰ সমস্যাটো উদাহৰণেৰে বুজিবলৈ চেষ্টা কৰোহঁক,/1এবাৰ এজন ডেকাই এইবুলি কৈছিল মোৰ বাইবেলৰ ক্ষেত্ৰত জ্ঞানৰ সমস্যা আছে। তাৰ মানে তেওঁ কবলৈ বিচাৰিছিল বাইবেলে যাক পাপ বুলি কৈছে তেনে এটা স্বভাৱ তেওঁৰ আছিল আৰু সেই পাপ স্বভাৱটো তেওঁ এৰি দিব বিচৰা নাছিল। এয়াই হল জ্ঞানৰ সমস্যা এই সমস্যাৰ একমাত্ৰ সমাধান হল খ্ৰীষ্ট।কোনোৱে যদি অন্তৰিকতাৰে ঈশ্বৰক সমৰ্পন কৰে তেন্তে সেই পাপৰ পৰা আঁতৰি অহাত খ্ৰীষ্টই সহায় কৰিব।

হিতোপদেশ ৮:৬-৮ পদ, **"শুনা, কিয়নো মই উত্তম কথা কওঁ, আৰু মোৰ মুখৰ বাক্য ন্যায়; কিয়নো মোৰ মুখে সত্য কয়, আৰু দুষ্টতা মোৰ ওঁঠৰ ঘিণ লগীয়া। মোৰ মুখৰ সকলো কথাই ধৰ্মময়; সেইবোৰ মাজত বেঁকা-বেঁকি, কি কুটিল, একোৱেই নাই।"** প্ৰিয় শ্ৰোতা প্ৰজ্ঞাৰ এইয়া কি সুন্দৰ কথা চাওক চোন, ইয়াৰ বিপৰীতে কিন্তু কিছুমান মানুহে বাইবেলত ভুল আৰু সমস্যা থকা বুলি ক'ব বিচাৰে, আৰু বহুতে এনেকুৱা কিতাপ-পত্ৰও লিখে। বাইবেলত বুজিবলৈ কঠিন কথা কিছুমান আছে সঁচা, এগৰাকী বাইবেল পণ্ডিতে কৈছে যে, প্ৰথম অৱস্থাত তেওঁ হেনো বহুত কথা বুজি পোৱা নাছিল আৰু এতিয়াও হেনো তেখেতৰ দুই এটা নুবুজা কথা আছে; ইয়াৰ কাৰণ হল আমাৰ মন আৰু হৃদয় ঈশ্বৰৰ বচনৰ প্ৰতি আমাৰ অৱহেলাটো এটা কাৰণ আৰু



WORD RESOUNDS TODAY
www.Radio882.com

আমাৰ বিশ্বাসৰ অভাৱটো আন এটা বেলেগ কাৰণ। কিন্তু ঈশ্বৰে কৈছে তেওঁৰ বচনত একো বেঁকা-বেঁকি বা কুটিলতা নাই।

হিতোপদেশ ৮:৯পদ এই বুলি লিখিছে, **"বুদ্ধিমানৰ আগত সেই সকলোৱেই সুস্পষ্ট, আৰু জ্ঞান লাভ কৰা লোকৰ আগত যথাৰ্থ।"** প্ৰিয় শ্ৰোতা আমি যদি প্ৰজ্ঞাৰ দ্বাৰাই ঈশ্বৰৰ বাক্য বুজিবলৈ চেষ্টা কৰো তেন্তে ই তেনেই সহজ আপুনিও বুজি পাব আমি ঈশ্বৰক ধন্যবাদ দিব লাগিব যে তেওঁৰ পৰিত্ৰাণৰ শুভবাৰ্তা কেৱল মাত্ৰ উচ্চ বুদ্ধি থকা, বহুত জ্ঞান থকা মানুহে বুজি পোৱাকৈ লিখা নাই তেনে কৰিলে বহু মানুহে সত্য ঈশ্বৰক নজনাকৈ থাকিলেহেঁতেন কিন্তু তেওঁ সহজ সৰল মানুহৰ কাৰণেও সহজ ভাষাত পৰিত্ৰাণৰ কথা কৈছে অৱশ্যে মানুহে কঠিন আৰু গভীৰ বুলি কোৱা কিছুমান কথা আছে যিবোৰ আচলতে সিমান কঠিন নহয় বুজিবলৈ তেনে সহজ কিন্তু তাৰ বাবে লাগিল অকুটিল আৰু নিৰ্মল অন্তৰ। উদাহৰণ স্বৰূপে পানী পৰিষ্কাৰ ফট-ফটিয়া হলে দ' পানীৰ তলত থকা বস্তুটো দেখা পোৱা যায় কিন্তু বোকাময় হলে বাটত গৰুৰ খোজত জমা হোৱা পানীত থকা বস্তুটো দেখা পোৱা নাযায়।

প্ৰিয় শ্ৰোতা বাইবেলৰ কিবা কথাত যদি আপোনাৰ সমস্যা আছে তেন্তে স্পষ্টকৈ কবলে গলে সেই সমস্যাটো বাইবেলৰ নহয় সমস্যা আপোনাৰ, আপোনাৰ মন আৰু হৃদয়ৰ। উদাহৰণ স্বৰূপে মই বাইবেলৰ পদ দুটি পঢ়ি দিছো শুনিব চোন, ২কৰিন্থীয়া ৩:১৩,১৪পদ, **"আৰু ইস্ৰায়েলৰ সন্তানবিলাকে, সেই লুপ্ত হৈ যোৱাটোৰ শেষ যেন একে-থৰে চাবলৈ নাপায়, এই কাৰণে মোচিয়ে যেনেকৈ তেওঁৰ মুখত ওৰণি ল'লে, আমি তেনেকৈ নকৰোঁ। কিন্তু তেওঁবিলাকৰ মন কঠিন কৰা হল; কিয়নো পুৰণি নিয়মৰ পাঠত আজিলৈকে সেই একে ওৰণি আছে; সেয়ে যে খ্ৰীষ্টৰ দ্বাৰাই লুপ্ত হৈছে, এই কথা প্ৰকাশিত হোৱা নাই।"** প্ৰিয় শ্ৰোতা আপুনি হয়তো ভাবিব পাৰে যে তেওঁলোকে বুজিব নোৱাৰা কাৰণ হল তেওঁলোকৰ মনত এখন ওৰণি আছে তাৰ বাবে তেওঁলোক দায়ী নহয়। ঠিক একেদৰে আজিও বহুতো মানুহে ভাৱে যে তেওঁলোকৰ মনতো এখন ওৰণি আছে যাৰ বাবে তেওঁলোকে বাইবেল বুজি নাপায়। উত্তৰত ঠিক ইয়াৰ পাছৰ অৰ্থাৎ ২কৰিন্থীয়া ৩:১৫-১৬পদ দুটি মন কৰিব চোন, **"কিন্তু এতিয়ালৈকে মোচিৰ পুস্তক পঢ়োঁতে, তেওঁবিলাকৰ হৃদয়ত সদায় ওৰণি আছে। কিন্তু যেতিয়া প্ৰভুলৈ মন পালটে, তেতিয়া সেই ওৰণি গুচুউৱা হয়।"** এইয়া চাওক যেতিয়া কোনো এজন লোকে প্ৰভু যীচুক হৃদয়ৰ বিশ্বাসেৰে গ্ৰহণ কৰে তেতিয়া তেওঁৰ সেই ওৰণি গুচি যায় তাৰ মানে প্ৰভু যীচুক হৃদয়ত স্থান দিলে হৃদয়ৰ ওৰণি দূৰ কৰা হয়। তাৰ মানে বাইবেল বুজি নোপোৱা সমস্যাটো আমাৰ বুদ্ধিক জ্ঞান বা মগজুৰ জ্ঞানৰ সমস্যা নহয় ই হল হৃদয়ৰ সমস্যা; অৰ্থাৎ আন্তৰিক বিশ্বাসৰ সমস্যা।

এতিয়া আমাৰ বাস্তৱ জীৱনৰ কথালৈ আহোঁ আমাৰ জীৱনত পাপৰ এটা সমস্যা আছে যাৰ বাবে আমি কিছুমান বেয়া কামৰ পৰা আঁতৰি আহিব নুখুজোঁ আৰু যীচু খ্ৰীষ্টৰ ওচৰত নতশিৰ হব নিবিচাৰোঁ। কিন্তু আমি যদি প্ৰভু যীচুক হৃদয়েৰে বিশ্বাস কৰোঁ তেতিয়া সত্যক চিনি নোপোৱাকৈ ৰখা ওৰণিখন গুচোৱা হব আৰু আমি সত্যক চিনি পাম আৰু প্ৰভু যীচু যে আমাৰ জীৱনৰ বাবে প্ৰয়োজন তাক জানিব পাৰিম। এইটো এটা আচৰিত কথা যে প্ৰভু যীচুক বিশ্বাস কৰাৰ লগে, লগে ঈশ্বৰৰ বচনৰ মহৎ, মহৎ তত্ববোৰ বুজাত অতি সহজ হৈ পৰে। আজি বহুত মানুহে কয় প্ৰভু যীচুক বিশ্বাস নকৰালৈকে বহুত কথা বুজি পোৱা নাছিল বুজি নোপোৱাটো

WORD RESOUNDS TODAY



www.Radio882.com

মগজুৰ সমস্যা নহয় ই হৃদয়ৰ সমস্যা। ঈশ্বৰৰ বচন সহজে আৰু পোনপটিয়া কিন্তু শুনিবলৈ আৰু বুজিবলৈ ইচ্ছাৰ অভাৱেই হল মানুহৰ সমস্যা সেই কাৰণে সাধাৰণ মানুহ কিছুমানেও ঈশ্বৰক পাবলৈ সক্ষম হৈছে যি ক্ষেত্ৰত মহা, মহা পণ্ডিত কিছুমানেও ঈশ্বৰক পাব পৰা নাই।

এগৰাকী বিখ্যাত বাইবেল শিক্ষকে কৈছে, বহু মানুহে ঈশ্বৰৰ বচনৰ বিৰোধিতা কৰা মানুহক বুজাবলৈ তেখেতক অনুৰোধ কৰিছিল, উত্তৰত তেখেতে কৈছিল যে, ঈশ্বৰৰ বচন কোৱাটো তেখেতৰ কাম কিন্তু পতিয়ন নিয়াটো প্ৰভু যীচুৰ কাম। এজন ডেকা লৰা আছিল তেওঁ ঈশ্বৰৰ বচনক লৈ তৰ্ক-বিতৰ্ক কৰিছিল, কিন্তু তেওঁ ঈশ্বৰক বিশ্বাস কৰা নাছিল। কিছু দিন পাছত সেই এজনেই আনৰ তিৰোতা এগৰাকীক লৈ পলাই গৈছিল; তেওঁৰ সেই পাপটো মনত থকা কাৰণে আচলতে ঈশ্বৰক বিশ্বাস কৰিব পৰা নাছিল। হিতোপদেশ ৮:১০-১১পদ, **"ৰূপতকৈ মোৰ শিক্ষা গ্ৰহণ কৰা, আৰু বাচি লোৱা সোণতকৈয়ো জ্ঞান গ্ৰহণ কৰা। কিয়নো প্ৰজ্ঞা পদ্মৰাগতকৈয়ো উত্তম কোনো ইষ্ট বস্তুকে তাৰ লগত তুলনা কৰিব নোৱাৰি।"** প্ৰিয় শ্ৰোতা সকলো জাগতিক বস্তুকে তুলনা কৰি যেতিয়া আমি প্ৰজ্ঞাক প্ৰথম স্থান দিব জানিম তেতিয়াহে ঈশ্বৰকো আমাৰ জীৱনৰ প্ৰথম স্থান দিব জানিম।

প্ৰভু যীচুৱেও কৈছে, **"তোমালোকে প্ৰথমে ঈশ্বৰৰ ৰাজ্য আৰু ধাৰ্মিকতা বিচাৰা; তাতে এই সকলো তোমালোকক দিয়া হব"** (মথি ৬:৩৩ পদ)। এতিয়া প্ৰজ্ঞাৰ বৈশিষ্টৰ বিষয়ে হিতোপদেশ ৮:১২পদ পাঠ কৰিছোঁ শুনিব চোন, **"মই প্ৰজ্ঞাই সুবুদ্ধিয়ে সৈতে বাস কৰোঁ, আৰু কাৰ্য্য নিৰ্বাহক জ্ঞান লাভ কৰোঁ।"** প্ৰিয় শ্ৰোতা ঈশ্বৰৰ বচনে কৈছে যে **প্ৰজ্ঞা এগৰাকী ব্যক্তি আৰু সেই ব্যক্তি গৰাকী হৈছে স্বয়ং প্ৰভু যীচু খ্ৰীষ্টই নিজেই।**

হিতোপদেশ ৮:১৩পদ, **"যিহোৱাক ভয় কৰায়েই দুষ্টতাক ঘিণ কৰা হয়; মই অহঙ্কাৰ, দম্ভ, কুপথ আৰু কুটিল মুখ ঘিণ কৰোঁ।"** ইয়াত ঈশ্বৰক প্ৰভু যীচু খ্ৰীষ্টৰ যোগেদি প্ৰকাশ কৰা হৈছে সেই কাৰণে প্ৰভু যীচুৱেও এইবিলাক কৰা নাছিল আৰু ঘিণ কৰিছিল। আমাৰ মাজত হলে আমি সহজে এইবিলাক দেখা পাওঁ কিন্তু প্ৰভু যীচুৰ ওপৰত নিৰ্ভৰ কৰিলে এই সকলোৰ ওপৰত আমি জয়যুক্ত হব পাৰো।

হিতোপদেশ ৮:১৪-১৬পদ, **"সুকল্পনা আৰু বুদ্ধি-কৌশল মোৰেই; ময়েই বুদ্ধি, মোৰেই পৰাক্ৰম, মোৰ দ্বাৰায়েই ৰজাবিলাক ৰাজত্ব কৰে, আৰু অধিপতিবিলাকে ধৰ্মবিধি স্থাপন কৰে। শাসনকৰ্তা আৰু ডাঙৰীয়াবিলাকে, এনে কি পৃথিৱীৰ সকলো বিচাৰকৰ্তাবিলাকে মোৰ দ্বাৰায়ে শাসন কৰে।"** দানিয়েলৰ পুস্তক আৰু গীতমালাতো এই বিষয়ে কোৱা হৈছে যে, ঈশ্বৰে গোটেই পৃথিৱীতে শাসন কৰি আছে, আনকি ঈশ্বৰক নজনা মানুহ দেশবিলাকো তেওঁৱেই চলাই আছে আৰু তেওঁৰ ইচ্ছাই এই জগতত সিদ্ধ হৈছে।

হিতোপদেশ ৮:১৭পদ, **"যিবিলাকে মোক প্ৰেম কৰে মইও তেওঁ বিলাকক প্ৰেম কৰোঁ। আৰু সিবিলাকে মোক যত্নেৰে বিচাৰে, তেওঁ বিলাকেই মোক পায়।"** এই কথা ৰজা চলোমনে ডেকা কালতেই বুজি পাইছিল সেই দৰে বুজি পাবলৈকে ঈশ্বৰে তেওঁক জ্ঞান দিছিল আৰু ডেকা কালতে তেওঁক ৰজা পাতিছিল আমিও যদি চলোমনৰ দৰে ডেকা কালতে ঈশ্বৰক বিচাৰো আৰু

WORD RESOUNDS TODAY



www.Radio882.com

প্ৰেম কৰোঁ তেন্তে তেওঁ আমাক প্ৰচুৰ পৰিমানে আশীৰ্বাদ কৰিব। এই সকলো জানিবলৈ আমি বাইবেল অধ্যয়ন কৰিব লাগে।

হিতোপদেশ ৮:১৮-১৯পদ **“ঐশ্বৰ্য আৰু মান-মৰ্যদা মোৰ লগতে আছে, এনে কি অক্ষয় সম্পত্তি আৰু ধাৰ্মিকতাৰ আছে। সোণতকৈ আৰু নিৰ্ম্মল সুবৰ্ণতকৈয়ো মোৰ ফল উত্তম, বাচি লোৱা ৰূপতকৈয়ো মই দিয়া লাভ উত্তম।”** ঈশ্বৰে দিয়া এই আশীৰ্বাদ বিলাক পাৰ্থিৱ ধনৰ সম্পত্তি নহয়, এইবিলাক হল ঈশ্বৰে প্ৰতিজ্ঞা কৰা আত্মিক আশীৰ্বাদ।

হিতোপদেশ ৮:২০-২১পদ, **“মোক প্ৰেম কৰোঁতাবিলাকক ঐশ্বৰ্যশালী কৰিবলৈ আৰু তেওঁবিলাকৰ ভঁৰালবোৰ পৰিপূৰ্ণ কৰিবলৈ মই ধাৰ্মিকতাৰ পথত চলোঁ, আৰু সুবিচাৰৰ পথত ফুৰোঁ।”** ইয়াত কোৱা হৈছে, প্ৰজ্ঞা নিজে ধাৰ্মিক আৰু সুবিবেচক, সেই কাৰণে তেওঁ প্ৰেম কৰা লোকক ঐশ্বৰ্য দান কৰে এই প্ৰজ্ঞাক যীচু খ্ৰীষ্টৰ ব্যক্তিতৰ ৰূপ দিয়া হৈছে। এই বিষয়ে হিতোপদেশ ৮:২২- ২৩পদ পঢ়িছোঁ শুনিব চোন, **“যিহোৱাই নিজৰ কাৰ্য্যৰ আৰম্ভণতে তেওঁৰ কাৰ্যবোৰ আগেয়ে কালৰ পূৰ্বৰে পৰা মোক অধিকাৰ কৰি ললে৷ অনাদি কালৰে পৰা, পূৰ্বকালৰে পৰা পৃথিৱীৰ উদ্ভৱ নৌ হওঁতেই মই স্থাপিত হৈ আছোঁ।”** প্ৰিয় শ্ৰোতা আদিৰে পৰা স্থাপিত হৈ থকা এই জনেই হল যীচু খ্ৰীষ্ট। এই খ্ৰীষ্টকে প্ৰজ্ঞা ৰূপে প্ৰকাশ কৰা হৈছে। আকৌ মই অনাদি কালৰে পৰা স্থাপিত হৈ আছোঁ, এই বুলি কোৱা মানে, যীচু খ্ৰীষ্টই অনাদি অনন্ত কালৰ অভিষিক্ত জনা তাকেই বুজোৱা হৈছে। **যোহন ১:১পদত** আমি এনেদৰে পাইছোঁ, **“আদিতে বাক্য আছিল, আৰু বাক্য ঈশ্বৰে সৈতে আছিল, আৰু সেই বাক্যই স্বয়ং ঈশ্বৰ।”** তাৰ মানে তেওঁৰ জীৱনৰ কোনো আৰম্ভণি নাই কিন্তু পিতা ঈশ্বৰৰ প্ৰকৃতিয়েই তেওঁৰ প্ৰকৃতি আছিল। অনাদি কালৰ পূৰ্বে তেওঁৱেই ঈশ্বৰ আছিল, তাৰ মানে তেওঁৰ আদি নাই। সৃষ্টিৰ আগৰে পৰা তেওঁ আছিল, সেই কাৰণে এই কথাটো আমি যাতে স্পষ্টকৈ জানিব পাৰো তাৰ কাৰণে প্ৰভু যীচুৱে **মথি ১১:১৭ পদ**ত কৈছে, **“পিতৃৰ বাহিৰে পুত্ৰক আন কোনেও নাজানো৷”** তাৰ মানে পিতা আৰু পুত্ৰই পবিত্ৰ আত্মাক পঠাই দি আমাৰ হৃদয় মুকলি নকৰা হলে আমি যীচু খ্ৰীষ্টক জানিব নোৱাৰিলোহেঁতেন। আজি আমি বৰ অবিশ্বাসৰ যুগত বসবাস কৰিছো বিশ্বাস নকৰা সকল অবিশ্বাসী হৈয়ে থাকক কিন্তু আমি পৰিত্ৰাণ পোৱা খ্ৰীষ্টীয় লোক সকলৰ সম্বন্ধ হল জীৱিত প্ৰভু যীচু খ্ৰীষ্টৰ লগত। সেই খ্ৰীষ্টই হল বচন, এই বচনে ঈশ্বৰে সৈতে আছিল আৰু ঈশ্বৰেই বচন আছিল।

হিতোপদেশ ৮২:২৪-২৭ পদলৈকে পঢ়িম, **“যেতিয়া অগাধ জল সমূহ হোৱা নাই, তেতিয়া পানীৰে পূৰ হোৱা ভুমুকবোৰ হোৱা নাই, তেতিয়া মই জন্মিলোঁ। যি সময়ত তেওঁ মাটি, পথাৰ, কি জগতৰ ধূলিৰ কণিকা সমূহ নিৰ্ম্মাণ কৰা নাই সেই সময়ত পৰ্বতবোৰ নৌ বহুৱাওঁতেই, গিৰিবোৰৰ পূৰ্বেই মই জন্মিলোঁ। তেওঁ আকাশ-মণ্ডল স্থাপন কৰা কালতো মই সেই ঠাইত আছিলোঁ; যেতিয়া তেওঁ অগাধ জলৰ পিঠিত চক্ৰাকাৰ সীমা নিৰূপণ কৰিলেতাতো মই আছিলোঁ।”** ইয়াৰ দ্বাৰাই কোৱা হৈছে যে, সকলো বস্তু তেওঁৰ দ্বাৰাই নিৰ্মাণ কৰা হল, তেওঁৰ বিনে একোৱেই নিৰ্মাণ কৰা নহ'ল। আগতে বিজ্ঞানী সকলে বিশ্ব-ব্ৰহ্মাণ্ডখন দীঘল, বহল আৰু চেপেটা বুলি ভাবিছিল কিন্তু বাইবেলে আমাক বহু আগতে কৈ থৈছে যে, ই গোলাকাৰহে



WORD RESOUNDS TODAY
www.Radio882.com

আনকি আমাৰ পৃথিৱীখনো গোলাকাৰ আৰু সৌৰ জগতখনৰ মাজত ঘূৰি আছোঁ। আমি দেখা পোৱা হাতীপটীও গোলাকাৰ আৰু এই আটাইবিলাক নিজ কক্ষপথত ঘূৰি আছে।

হিতোপদেশ ৮:২৮-২৯পদ **"যেতিয়া তেওঁ উৰ্দ্ধত থকা মেঘ দৃঢ় কৰিলে, যেতিয়া অগাধ জলৰ ভূমুকবোৰ প্ৰবল হল, আৰু জলে তেওঁৰ আজ্ঞা উল্লঙ্ঘন নকৰিবৰ নিমিত্তে তেওঁ সমুদ্ৰৰ সীমা স্থাপন কৰিলে, পৃথিৱীৰ মূল নিৰ্মাণ কৰিলে।"** প্ৰিয় শ্ৰোতা আপুনি কেতিয়াবা সাগৰৰ পাৰত থিয় হৈ মন কৰিছে নে? তাৰ পানীবোৰ কিয় বাহিৰ হৈ নাযায় কাৰণ ঈশ্বৰে সীমা নিৰূপণ কৰি দিছে আৰু য'ত আছে তাতে থাকিবলৈ নিৰ্দেশ দিছে।

হিতোপদেশ ৮:৩০-৩১পদ **"তেতিয়াই মই তেওঁৰ লগত প্ৰধান কাৰ্য্য কাৰিণী আছিলো, আৰু মই বাস-যোগ্য তেওঁৰ পৃথিবীত আনন্দ কৰি তেওঁৰ আগত সদায় ৰং কৰি তেওঁৰ দৈনিক সন্তোষদায়িকা দাসী আছিলো; আৰু মনুষ্য সন্তানবিলাকত মোৰ হৰ্ষ হৈছিল।"** প্ৰিয় শ্ৰোতা যি, যি নিৰ্মাণ কৰা হৈছিল সেই সকলোবিলাক খ্ৰীষ্টৰ বাহিৰে নিৰ্মাণ কৰা হোৱা নাছিল, খ্ৰীষ্টই হল সকলো সৃষ্টিৰ প্ৰথম আৰু সকলোতকৈ শ্ৰেষ্ঠ তেওঁৰ দ্বাৰা ঈশ্বৰে সকলো বস্তু হোৱা কৰিলে কাৰণ তেওঁ হল অ-সৃষ্ট ঈশ্বৰ আৰু তেওঁৰ আগত তেওঁ সদায় ৰং কৰিছিল সেই ৰং আৰু আনন্দ ঈশ্বৰৰ অনুগ্ৰহৰ যোগেদি আমালৈ আহে কি যে আনন্দৰ বিষয়।

হিতোপদেশ ৮:৩২-৩৩পদ **"এই হেতুকে হে মোৰ বোপাহঁত, তোমালোকে এতিয়া মোৰ কথা শুনা, কিয়নো যিবিলাকে মোৰ পথত চলে, তেওঁবিলাক ধন্য। তোমালোকে শিক্ষা মানি জ্ঞানৱান হোৱা, তাক অগ্ৰাহ্য নকৰিবা।"** প্ৰিয় শ্ৰোতা ইয়াৰ দ্বাৰা প্ৰজ্ঞাক অগ্ৰাহ্য কৰিবলৈ বাধা দিয়া হৈছে। প্ৰিয় শ্ৰোতা/1প্ৰজ্ঞা হল খ্ৰীষ্ট আৰু প্ৰজ্ঞাক যদি আমি ভাল পাওঁ তেন্তে খ্ৰীষ্টকেই ভাল পাওঁ।

হিতোপদেশ ৮:৩৪-৩৬পদলৈকে, **"যি মানুহে মোৰ দুৱাৰৰ ওচৰত দিনে দিনে পৰ দি, আৰু মোৰ দুৱাৰৰ খুঁটীৰ গুৰিত বাট চাই থাকি মোৰ কথা শুনে, সেই জনেই ধন্য। কিয়নো যিজনে মোক পায় সেই জনে জীৱনো পায় আৰু যিহোৱাৰ অনুগ্ৰহ লাভ কৰে; কিন্তু যিজনে মোৰ বিৰুদ্ধে পাপ কৰে, সি নিজ প্ৰাণ হানি কৰে,/1আৰু যিবিলাকে মোক ঘিণ কৰে, সেই সকলোৱে মৃত্যু ভোল পায়।"** প্ৰিয় শ্ৰোতা ইয়াত কোৱা হৈছে কোনোৱে যদি আশীৰ্বাদেৰে ভৰা অনন্ত/1জীৱন পাবলৈ ইচ্ছা কৰে তেন্তে তেওঁ খ্ৰীষ্টক পাব লাগিব আৰু কোনোৱে যদি খ্ৰীষ্টক ঘিণ কৰে তেওঁৰ বাবে আছে অনন্ত মৃত্যু এয়া ঈশ্বৰৰ স্পষ্ট ঘোষণা। কিন্তু সিদ্ধান্ত আমি সকলোৱে নিজে, নিজে লব লাগিব আমাৰ নিজৰ, নিজৰ সিদ্ধান্তৰ ওপৰতেই নিৰ্ভৰ কৰিছে আমাৰ নিজৰ জীৱনৰ ভৱিষ্যত।

## <u>হিতোপদেশ ৯ অধ্যায়</u>

প্ৰিয় শ্ৰোতা ৯ অধ্যায়ৰ পৰা আমি দেখা পাওঁ যে, প্ৰজ্ঞাই এতিয়া বিদ্যালয়ৰ পাছত প্ৰজ্ঞাই এটা মহাবিদ্যালয় খুলি লৈছে। প্ৰজ্ঞাৰ বিদ্যালয় পঢ়িবলৈ আৰম্ভ কৰা উঠি অহা ডেকা-গাভৰু সকলে এতিয়া মানে বিদ্যালয়ৰ শিক্ষা সাং কৰি প্ৰজ্ঞাৰ মহাবিদ্যালয়ৰ শিক্ষা গ্ৰহণ কৰিব পাৰিব। মহাবিদ্যালয়ৰ ঘন্টা অৱিৰামে বাজিবলৈ লৈছে।



WORD RESOUNDS TODAY
www.Radio882.com

হিতোপদেশ ৯:১-৫ পদ আমি পাঠ কৰিছো, হাতত বাইবেল থাকিলে চাই যাওক, **“প্ৰজ্ঞাই নিজৰ সাতোটা স্তম্ভ কাটি নিজৰ গৃহ নিৰ্মাণ কৰিলে। তেওঁ নিজৰ পশু পাৰিলে, দ্ৰাক্ষাৰস যুগুত কৰিলে, তেওঁ নিজৰ মেজ সজালে। তেওঁ নিজৰ দাসীবিলাকক পঠাই নগৰৰ ওখ ঠাইবোৰৰ পৰা নিমন্ত্ৰণ কৰি ৰিঙোৰাই কোৱায়, “যি নিৰ্বোধ, সি ইয়ালৈ আহক,” আৰু জ্ঞান শূন্যক হলে তেওঁ কয়, “আহাঁ মোৰ খাদ্য দ্ৰব্য ভোজন কৰাহি। আৰু মোৰ মিশ্ৰিত দ্ৰাক্ষাৰস পান কৰাহি।”** প্ৰজ্ঞাই মহাবিদ্যালয়খনৰ বাবে গৃহ এটা নিৰ্মাণ কৰিছে আৰু তাত সাতটা স্তম্ভ বা লাইখুটা আছে; সাত সংখ্যাটো সদায়ে সম্পূৰ্ণতাক বুজায়। সেই মহাবিদ্যালয়ত মনত প্ৰজ্ঞাই স্নাতক পাঠ্যক্ৰমৰ পৰা আৰম্ভ কৰি স্নাতক উত্তৰ এনে কি পি এইচ ডি. যি কিতাপ দিব পৰালৈকে নিশ্চয় পাঠদান কৰে।

ভাল আৰু সম্পূৰ্ণ শিক্ষা আহৰণ কৰা ক্ষেত্ৰত আমি অকনো অৱহেলা কৰিব নাপায়। কোনো, কোনো লোকে কয় প্ৰভু যীচুৱে মনোনীত কৰি লোৱা শিষ্যসকল উচ্চ শিক্ষিত লোক নাছিল কিন্তু যি সকল শিষ্য স্বয়ং প্ৰজ্ঞা প্ৰভু যীচু খ্ৰীষ্টৰ সৈতে তিনি বছৰতকৈয়ো অধিক কাল থাকি শিক্ষা আহৰণ কৰিছিল তেওঁলোকক শিক্ষিত লোক বুলিব নোৱাৰি নে?মথি, যোহন আৰু পিতৰে যি শিক্ষা/1লিখনি এৰি থৈ গৈছে, সেই খিনি অশিক্ষিত মানুহৰ লিখনি বুলি ক'ব পাৰিনে? সেইবোৰ এনে লিখনি যিবোৰ ঈশ্বৰৰ বচন ৰূপে স্বীকৃত হৈছে আচলতে কোন সকল লোকক নো শিক্ষিত লোক বুলি ক'ব পাৰোঁ, যিসকল ব্যক্তিৰ মুখেৰে আৰু কলমেৰে জ্ঞান নিগৰে তেওঁলোকেই শিক্ষিত ব্যক্তি নহয় নে? মথি, যোহন আৰু পিতৰৰ লিখনিত জ্ঞানৰ দূৰঘূৰ অভাৱ বুলি কোনে কব পাৰিব।

আমি পাহৰি নাযাওঁহক যে, প্ৰভু যীচুৱে প্ৰজ্ঞা আৰু তেওঁৰ পৰা শিক্ষা লোৱা কোনো মানুহ অশিক্ষিত হব নোৱাৰে। তেওঁ নিজৰ পশু মাৰিলে, দ্ৰাক্ষাৰস যুগুত কৰিলে, তেওঁৰ নিজৰ মেজ সজালে, মানে! মানে এয়ে প্ৰজ্ঞাই জ্ঞান আহৰণৰ বাবে যি মহাবিদ্যালয় পাতিছে সেইখন মহাবিদ্যালয়ৰ পাঠ্যক্ৰম খিনি পশুৰ মাংস আৰু দ্ৰাক্ষাৰসেৰে ভোজৰ আহাৰ আৰু পানীয় ভোজন পান কৰাৰ দৰে এতিয়া জ্ঞান আহৰণ কৰিব লাগে। তেওঁ নিজৰ দাসীবিলাকক পঠাই নগৰৰ ওখ ঠাইবোৰৰ পৰা নিমন্ত্ৰণ কৰি ৰিঙিয়াই, ৰিঙিয়াই আমন্ত্ৰণ কৰোৱাই বুলি আচলতে ইয়াত কি কবলৈ খুজা হৈছে জানে নে প্ৰিয় শ্ৰোতা।/1এইয়া স্বৰ্গীয় বিবাহলৈ আমাৰ পৰিত্ৰাতা প্ৰভু যীচুৱে জনোৱা নিমন্ত্ৰণৰ ছবি। বিয়াখনত সকলোবোৰ আয়োজন প্ৰস্তুত আছে কিন্তু বহু অতিথিয়ে সেই নিয়ন্ত্ৰণ প্ৰত্যাখ্যান কৰি ভুল কৰে, তাৰ পাছত দাস সকলে ৰাজ আলি আৰু সৰু সুৰা আলিৰ সকলো ফাললৈকে গৈ বিয়ালৈ মানুহবিলাকক নিমন্ত্ৰণ জনায়।/1

মথি ২২:১-৪পদ চাওঁক, প্ৰজ্ঞায়ো সেইদৰে সকলো ফাললৈ গৈ জ্ঞানৰ মহাবিদ্যালয়লৈ নিমন্ত্ৰণ জনাব লাগে। ঠিক সেইদৰে আজি আমাৰো দায়িত্ব হৈছে বৰ আলি আৰু সৰু আলি সকলোলৈকে গৈ প্ৰভুৰ সৈতে মিলন হোৱাৰ বাণী আমি সকলোকে উচ্চস্বৰে জনাব লাগে। আমাৰ বাণী এই যে দয়াৰ সাগৰ ঈশ্বৰ মানুহৰ সৈতে মিল হোৱাৰ ব্যৱস্থা তেওঁ যুগুত কৰিলে আৰু সেয়ে এতিয়া মানুহ ঈশ্বৰে সৈতে মিল হব লাগে। ২কৰিন্থীয়া ৫:২০পদ আমি জানো যে, আজি এই নিমন্ত্ৰণ যিমান অধিককৈ বাহিৰলৈ গৈ আছে, মানৱ ইতিহাসৰ কোনো যুগতেই ইমান অধিক হাৰত এই নিমন্ত্ৰণ দিয়া যোৱা নাছিল।

WORD RESOUNDS TODAY

হিতোপদেশ ৯:৬পদ **“নিৰ্বোধহঁতৰ লগ এৰি জীৱন ধাৰণ কৰা, আৰু সুবুদ্ধিৰ পথত চলা।”** বহু লোক আছে যি সকল এই নিমন্ত্ৰণলৈ কাণসাৰ নকৰে, বহু লোক আছে যিসকল আকৌ নিন্দক, এনেলোকবিলাকৰ লোকৰ বাবে অবাবদ সময় নষ্ট কৰি থকা উচিত নহয়। আপুনি প্ৰত্যেক মণ্ডলীতেই দেখিব কম বেছি পৰিমাণে এনে লোক আছে যি সকলে মণ্ডলীৰ কাম প্ৰভুৰ পৰিচৰ্য্যা বা ঈশ্বৰৰ বচনৰ প্ৰতিৰোধ কৰে। তেওঁলোকক আমি এই নিমন্ত্ৰণ জনায়েই থাকিব লাগিব নে? নাই প্ৰয়োজন নাই প্ৰভুৱে আমাক কয় থৈছে যে, আমি গাহৰিৰ আগত মুকুতা দলিয়াব নালাগে। ৬পদৰ পাছৰ তিনিটা পদলৈ এতিয়া আমি লক্ষ্য কৰো, বহু বাইবেল শিক্ষকে ভাৱে যে এই পদ তিনিটা এই অধ্যায়ৰ পদ হব নালাগিছিল অৰ্থাৎ তেওঁলোকৰ মতে ক'ৰবাৰ পদ আহি ক'ৰবাত ঠাই পালেহি। কিন্তু কথাখিনিৰ একাদিক্ৰমলৈ চাই পদ কেইটা ঠিক ঠাইতে আছে বুলি আমি জানিব পাৰো।

হিতোপদেশ ৯:৭-৯পদলৈকে, **“যি মানুহে নিন্দকক শিক্ষা দিয়ে, সি অপমান পায় আৰু যি মানুহে দুষ্টক অনুযোগ কৰে সি কলঙ্ক পায়। তুমি নিন্দকক অনুযোগ নকৰিবা কৰিলে সি তোমাক ঘিণ কৰিব। জ্ঞানৱানকেই অনুযোগ কৰা তাতে সি তোমাক প্ৰেম কৰিব। জ্ঞানৱানক উপদেশ দিয়া, তাতে তেওঁ আৰু জ্ঞানী হব; ধাৰ্মিকক শিক্ষা, দিয়া তাতে তেওঁ বিদ্যাত বৃদ্ধি পাব।”** আপুনি যদি ঈশ্বৰৰ বচন দিয়ে তেন্তে দেখিব এনে কিছুমান লোক আছে যিসকলে আপোনাক ঘৃণাহে কৰিব এইটো সকলো যুগতে কম বেছি পৰিমাণে ঘটি আহিছে। কিছুমানে আকৌ উদাসীন শূন্য আৰু ঈশ্বৰৰ বচনৰ প্ৰতি ভোগ পিয়াহ নলগা অৱস্থাতে থাকে, তেওঁলোকে ঈশ্বৰৰ বচনলৈ কাণসাৰ নকৰে। আজিকালি আমি বহল মনৰ নৰম বা উদাৰপন্থী সকলৰ কথা শুনো। ঈশ্বৰৰ বচনক ঈশ্বৰৰ বচন ৰূপে বিশ্বাস কৰা সকলক তেওঁলোকে ঠেক মনৰ লোক বুলিও কয়; কিন্তু সঁচা কথা কবলৈ গ'লে কথা কথিত এই বহল মনৰ উদাৰপন্থী সকলেহে বহু লোককে প্ৰজ্ঞাৰ বিদ্যালয় আৰু মহাবিদ্যালয় পৰা আঁতৰ কৰি লৈ গৈছে।

হিতোপদেশ ৯:১০পদ, **“যিহোৱালৈ ভয় ৰখাই প্ৰজ্ঞাৰ আৰম্ভণ, আৰু পবিত্ৰ জনাক জনাই সুবিবেচনা।”** আপুনি ক'ব পাৰিব যে এই কথাটো আমি আগতে পাই আহিছো, এৰা ১ অধ্যায় ৭ পদতেই আমি এই কথাটো/1পাই আহিছো, কাৰণ তেতিয়া ঘৰৰ ল'ৰাই ঘৰতে থাকি পিতৃ মাতৃৰ যোগেদি আদি পাঠ আঁৰৱাইছিল।/1আদি পাঠৰ এইটোৱে আৰম্ভণী পাঠ কিন্তু এতিয়া ঘৰৰ লৰা ঘৰ আৰু বিদ্যালয়ৰ পৰা ওলাই বাহিৰৰ মহাবিদ্যালয়ত প্ৰবেশ কৰিছে আৰু আদিতে শিকা প্ৰাৰম্ভিক পাঠ খিনি পুনৰ আলোচনা কৰিব লগীয়া হৈছে।

হিতোপদেশ ৯:১১-১২পদ, **“কিয়নো মোৰ দ্বাৰায়েই তোমাৰ আয়ুস দীঘল হব, আৰু তোমাৰ জীৱনৰ বছৰ কেইটা বাঢ়ি যাব। তুমি জ্ঞানৱান হলে, নিজৰ মঙ্গলৰ অৰ্থেই জ্ঞানৱান হবা, আৰু নিন্দক হলে, অকলেই তাৰ ভাৰ ববা।”** আপুনি যদি জ্ঞানী হব বিচাৰে তেন্তে আপোনাৰ প্ৰাণৰ অনন্ত কালৰ আয়োজন কৰক, কাৰণ স্বৰ্গ আৰু নৰক আছে। আৰু স্বৰ্গৰ অনন্ত জীৱন আৰু নৰকৰ অনন্ত মৰণো আছে, বিশ্বাস কৰিলেও আছে আৰু নাস্তিক আৰু নিন্দক সকলে অবিশ্বাস আৰু নিন্দা কৰি নাই বুলিলেও স্বৰ্গ-নৰক আৰু মৰণ-জীৱন আছে। দুটা কথা প্ৰিয় শ্ৰোতা এক, স্বৰ্গ আৰু নৰক যে আছে তাকে আমি বিশ্বাস কৰা সকলে কেতিয়াবা গৈ দেখি আহিলো নে বুলি নাস্তিক আক নিন্দক সকলে আমাক প্ৰশ্ন কৰে? আমিও তেওঁলোকক সুধিবলৈ



WORD RESOUNDS TODAY
www.Radio882.com

ইচ্ছা কৰোঁ যে, স্বৰ্গ আৰু নৰক যে নাই তাকে তেওঁলোকে গৈ দেখি আহিলে নে? স্বৰ্গ আৰু নৰক নাই বুলি বাস্তৱিকতে তেওঁলোকে কব পাৰে? আমি দেখি বা নেদেখি এই কথা কোৱা নাই কিন্তু ঈশ্বৰৰ বচন বাইবেলে কোৱাৰ ভিত্তিতেই বিশ্বাস কৰি কওঁ।

দ্বিতীয়তে ধৰি লওঁক স্বৰ্গ আৰু নৰক নাই তেতিয়া নো বাৰু আছে বুলি বিশ্বাস কৰা/1সকলৰ কাৰণে কি অসুবিধা হব নাই, নাই আৰু তাত কোনো ধৰণৰ সুবিধা অসুবিধাৰ প্ৰশ্ন উঠিব নোৱাৰে কিন্তু কেনেবাকৈ যদি স্বৰ্গ আৰু নৰক আছে তেতিয়া, হেৰি নিন্দক ভাইসকল আপোনালোকৰ মহামস্কিল নহব নে? গতিকে আপুনি যদি জ্ঞানী হব বিচাৰে তেন্তে বিশ্বাস কৰক তেতিয়া আপুনি কেওফালৰ পৰা বিপদমুক্ত হব। অধ্যায়টোৰ ১৩পদৰ পৰা পাওঁ অজ্ঞানী তিৰোতাৰ বিদ্যালয়ৰ বিষয়ে

হিতোপদেশ ৯:১৩-১৫ পদলৈকে, **“অজ্ঞানী তিৰোতা দ্বন্দুৰী তাই নিৰ্বোধ, একোকে নাজানে। তাইৰ ওচৰেদি পোনে পোনে যোৱা পথিক বিলাকক মাতিবৰ অৰ্থে তাই নিজৰ ঘৰৰ দুৱাৰ-মুখত, বা নগৰৰ ওখ ওখ ঠাইত আসন পাতি বহি এইদৰে কয়,**

হিতোপদেশ ৯:১৬-১৮ পদ **"যি নিৰ্বোধ, সি এই ঠাইলৈ আহক," আৰু জ্ঞানশূন্যক হলে তাই কয়, “চুৰ কৰা পানী মিঠা, আৰু গুপুতে খোৱা আহাৰ অতি সুস্বাদু”। কিন্তু মৃতবিলাক যে তাত থাকে, আৰু তাইৰ নিমন্ত্ৰিত লোকবিলাক যে চিয়োলৰ গভীৰ ঠাইত আছে, তাক সেই লোকে নাজানে।”** প্ৰিয় শ্ৰোতা আমি এই কথাৰ পৰা সাৱধান হোৱা উচিত নহয়নে? আমি যাতে এই জগতৰ ফুচলনিত ভুল গৈ অপথে নাযাওঁ কিন্তু প্ৰভু যীচুৰ যোগেৰে ঈশ্বৰে জনোৱা কথালৈ কাণসাৰ কৰি আমি যাতে সেই পথ লওঁ তালৈ আমি এতিয়াই সাৱধান হব নালাগে নে? চিন্তা কৰি চাওক চোন। ঈশ্বৰে আমাক আশীৰ্বাদ কৰক আমেন।

**<u>পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:</u>**

১) প্ৰজ্ঞাৰ উত্তমতা কিহতকৈয়ো অধিক কোৱা হৈছে ?

২) সৃষ্টিৰ সকলোতকৈ প্ৰথম আৰু আটাইতকৈ উত্তমজনা কোন?

৩) যীচু খ্ৰীষ্টৰ শিষ্যসকল তেওঁৰ লগত কিমান বছৰ আছিল ?

WORD RESOUNDS TODAY



www.Radio882.com

**<u>হিতোপদেশ ১০ অধ্যায়</u>**

আজি আমি হিতোপদেশৰ ১০ অধ্যায়ৰ অধ্যয়ন কৰিব খুজিছোঁ; প্ৰথমতে আমি এই ১০ অধ্যায়ৰ প্ৰথম চাৰিটা পদ অধ্যয়ন কৰিম। পাঠ কৰি দিব খুজিছোঁ, হিতোপদেশ ১০:১পদ, **"জ্ঞানৱান পুত্ৰই পিতৃক আনন্দিত কৰে; কিন্ত অজ্ঞান পুত্ৰ নিজ মাতৃৰ খেদজনক।"** আপুনি বাৰু কেতিয়াবা এনে এজন দেউতাকক দেখিছে নে, যি জনৰ পুতেকে বাহিৰৰ মহাবিদ্যালয়লৈ গৈ, নিজৰ প্ৰতিভা দেখুৱাই প্ৰথম শ্ৰেণীত প্ৰথম হয় উত্তীৰ্ণ হৈছে। তেনে এগৰাকী পুতেকৰ দেউতাকে স্বাভাৱিকতে কি কৰিব বাৰু ? নিশ্চয় মনৰ আনন্দত তেওঁৰ খোজ কাটলে সলনি হৈ যাব, মুখখন মেঘহীন বতৰৰ ফৰকাল আকাশৰ নিচিনা হব, হাঁহো, হাঁহো কৰা কিবা কওঁ, কওঁকে থকা নহয় নে বাৰু ? আৰু কি বাৰু সঁচা তেওঁ ইচ্ছা কৰিব কোনোবাই তেওঁৰ পুতেকৰ কথা সোধক, সুধিবলৈকেহে দেৰি পুতেকৰ প্ৰশংসাত তেওঁৰ আসৈ ফুটাদি পুতেকৰ কথা কয়, কয় অন্তৰৰ কোনোবা গভীৰ প্ৰদেশত অজান আৰু অদ্ভুত গৰ্ব উপলব্ধি কৰিব।

কিন্তু অজ্ঞান পুত্ৰ নিজ মাতৃৰ খেদজনক, সঁচা প্ৰিয়শ্ৰোতা অজ্ঞান পুত্ৰৰ মন্দতা আৰু অকৃত কাৰ্যতাৰ বাবে অন্তৰৰ গভীৰ এচুকত মাতৃ গৰাকীয়ে বৰ আঘাত হয়, হয় বহি থাকে আৰু বহিবহি সহি থাকে। অজানিতে গভীৰ বেদনাত দুধাৰি চকুলো দুগালেৰে বৈ যায়। প্ৰিয়শ্ৰোতা আপুনি ডেকা মানুহ নে? আপুনি কোন শ্ৰেণীৰ পুত্ৰ? পিতৃক আনন্দিত কৰোতা নে মাতৃক অন্তৰত আঘাত দিওঁতা।

হিতোপদেশ ১০:২পদ, **"দুষ্টতাৰে অৰ্জ্জা ধন-সম্পত্তি অনুপকাৰী; কিন্তু ধাৰ্ম্মিকতাই মৃত্যুৰ পৰা উদ্ধাৰ কৰে।"** প্ৰিয়শ্ৰোতা, বহুতে অজস্ৰ ধন সাঁচিছে সঁচা কিন্তু তেওঁলোকক হয়তো নানা ধৰণৰ চৰকাৰী বিভাগৰ পৰা আপত্তি জনক কথাৰে তেওঁলোকক হয়তো নানা ধৰণৰ অসুবিধাও দিব লগীয়া হৈছে। কওকচোন, ইমান খিনি ধন আপুনি কৰ পৰা পালে? কেনেকৈ উপাৰ্জন কৰিলে? বুলি নিশ্চয় সুধোঁতা কোনোবা নহয় কোনোবা কেতিয়াবা তেনেকুৱা মানুহ ওলায়। বাইবেলে কৈছে যে, তেনে ধন অনুপকাৰী ধন তেনে ধনত কোনো সুখ নাই, খোৱাতো সুখ নাই, খোৱাতো সুখ নাই। মন প্ৰাণৰ বাবে উপকাৰ সাধন নকৰে তেনেকুৱা ধনে কিন্তু ধাৰ্ম্মিকতাই মৃত্যুৰ পৰা উদ্ধাৰ কৰে। আমাৰ পৰিত্ৰাতা প্ৰভু যীচু খ্ৰীষ্টক আমাৰ বাবে কেৱল প্ৰজ্ঞাকে কৰা হোৱা নাই কিন্তু লগতে ধাৰ্ম্মিকতাও কৰা হৈছে। সেয়েহে বাইবেলে কৈছে, **যি কোনোৱে তেওঁত বিশ্বাস কৰে তেওঁ নষ্ট নহয় কিন্তু অনন্ত জীৱন পায়** (যোহন ৩:১৬)।

হিতোপদেশ ১০:৩ পদ, **"পঢ়িছোঁ, যিহোৱাই ধাৰ্ম্মিকৰ প্ৰাণ ভোকত থাকিবলৈ নিদিয়ে; কিন্তু তেওঁ দুষ্টবোৰৰ বাঞ্ছা পূৰ নকৰে।"** শ্ৰোতা সকলৰ নিশ্চয় মনত পৰিব, যে আমি আগতেই কয় আহিছো হিতোপদেশৰ নীতি বচনবোৰে বহু বাইবেলৰ ব্যক্তি সকলৰ জীৱন প্ৰতিফলিত কৰে আৰু আমাৰ প্ৰত্যেকৰে জীৱন চৰিত্ৰ প্ৰতিফলিত কৰে। ইয়াত যিহোৱাই ধাৰ্ম্মিকৰ প্ৰাণ ভোকত থাকিব



WORD RESOUNDS TODAY
www.Radio882.com

নিদিয়ে বুলি পঢ়াৰ লগে লগেই, যোচেফলৈ আমাৰ মনত পৰে। তেওঁক মিচৰ দেশলৈ বিক্ৰি কৰি পঠিওৱা হৈছিল। তেওঁ নিশ্চয় ভাবিছিল যে কৃতদাস ৰূপেই তেওঁৰ জীৱনটো শেষ হব আৰু ঈশ্বৰো যেন তেওঁৰ পৰা বহু নিলগ হৈ পৰিছিল। কিন্তু তেনে অৱস্থাতো তেওঁ ঈশ্বৰক তেওঁৰ জীৱনৰ পৰা জলাঞ্জলী দিয়া নাছিল, আমি জানো যে ঈশ্বৰে তেওঁক ত্যাগ কৰা নাছিল। সেয়ে তেওঁ যোচেফৰ ক্ষেত্ৰত এনে খোজ ল'লে যে এদিন যোচেফ কাৰাগাৰৰ পৰা ওলায় মিচৰ দেশৰ প্ৰধানমন্ত্ৰীৰ পদত প্ৰতিস্থিত হৈছিল।

হিতোপদেশ ১০:৪পদ, **"লেহেম হাতেৰে কাম কৰা মানুহ দৰিদ্ৰ হৈ পৰে, কিন্তু পৰিশ্ৰমী জনৰ হাতে তেওঁক ধনৱান কৰে।"** একেই মানুহ কিন্তু কি বিপৰীত গল চৰিত্ৰ আৰু প্ৰকৃতিৰ মানুহ আমাৰ মাজত আছে। এক শ্ৰেণীৰ মানুহ আছে যি সকল বৰ লেহেম, হাতৰ বৰ লেহেম, আপুনি যদি পৰিশ্ৰমী মানুহ তেন্তে এই লেহেমগতিৰ মানুহ আপুনি লগ পালে জ্বৰ উঠি আহিব। অভাৱে এওঁলোকৰ স্বভাৱ নষ্ট নকৰে, কিন্তু এওঁলোকৰ এলেহুৱা স্বভাৱে এওঁলোকলৈ অভাৱ লৈ আহে। এলাহৰ লাৰু এওঁলোকেই খায়, এওঁলোকৰ ঘৰতে টেকেলী কাটি হয়, শেষত গৈ এওঁলোকেই লাওলুটা হয়; কিন্তু পৰিশ্ৰমী জনৰ হাতে তেওঁক ধনৱান কৰে।

বাইবেলত দুটা শব্দ তেল আৰু পানীৰ দৰে আছে আৰু সেই দুটা শব্দ হৈছে বিশ্বাস আৰু এলাহ; এগৰাকী বিশ্বাসকাৰী লোক কোনোমতেই এলেহুৱা লোক হব নোৱাৰে। খ্ৰীষ্টিয় লোক সদায়ে পৰিশ্ৰমী লোক, খ্ৰীষ্টিয় লোকে কঠোৰ পৰিশ্ৰম কৰি আনন্দ উপলব্ধি কৰে। পৌলে পৰিশ্ৰমী লোক এজনকে আঙুলিয়াই দিয়ে, নিজৰ পেটৰ ভাত মুকলাবলৈ তম্বু চিলাই, চিলাই দিন আৰু ৰাতি প্ৰভুৰ শুভবাৰ্তা প্ৰচাৰ কৰিছিল। তেৰ থনকৈ যে পত্ৰ তেওঁ আমালৈ লিখি থৈ গৈছে পৰিশ্ৰমী মানুহৰ দ্বাৰাইহে সম্ভৱ হব পাৰে। ঈশ্বৰে যেতিয়া পৌলক তেওঁৰ কাম কৰিবলৈ আহ্বান কৰিছিল, তেতিয়া তেওঁ এজন এলেহুৱা মানুহক আহ্বান কৰা নাছিল। এতিয়া আপোনাৰ কথা আপুনি জানে যে আপুনি খ্ৰীষ্টিয় লোক নে বাৰু? আপুনি পৰিশ্ৰমী লোক নে বাৰু?

এতিয়া আমি হিতোপদেশ ১০: ৫পদ পঢ়িছোঁ, **"ঘামকালত চপোৱা জন বুদ্ধিমান পুত্ৰ; কিন্তু শস্য দাবৰ সময়ত টোপনিত থকা জন লাজ দিওঁতা পুত্ৰ।"** বতৰৰ ফচল বতৰতে কঠোৰ পৰিশ্ৰমেৰে চপোৱাটো, পৰিশ্ৰমী লোক আৰু জ্ঞানী লোক, নোৱাৰাটোৱেই তাৰ ডাঙৰ ৰোগ। সেয়ে এলেহুৱা বিলাকে বতৰৰ ফচল বতৰতে হেৰুৱাই বহু সময়ত নীতি বচনবোৰ এলেহুৱাহঁতৰ বাবে গাহৰিৰ আগত পেলোৱা মুকুতা নিচিনা, সিহঁত মূৰ্খ, সিহঁত গৰু আৰু গাধৰ তুল্য নাইবা সিহঁতৰ ভৰিৰ কলাফুল নাইবা সিহঁতৰ গোটেই শৰীৰ বা পিঠিত কোবদিলেহে নাইবা গৰম লোৰ সেক দিলেহে কিজানি অলপ তত পাই; এলেহুৱাই সেইবোৰৰ ভাষাহে আচলতে বুজি পায়। আজি এলেহুৱাহঁতৰ কাৰণে, দেশসাধাৰণ সমাজ আৰু খ্ৰীষ্টিয় মণ্ডলী সমূহ একেবাৰে ৰসাতলে গৈছে। এলেহুৱাহঁতৰ লগত প্ৰগতিৰ মুখ দেখা পাবলৈ চেষ্টা কৰাটো, পাহাৰত কাছৰ কণী বিচাৰি পাবলৈ চেষ্টা কৰাৰ নিচিনা কথা। কিন্তু তাৰ বিপৰীতে চাওক, পৰিশ্ৰমী মানুহবিলাকে আগ-পাছ গণি ঠিক সময়ৰ কাম ঠিক সময়তে সামৰে পৰিশ্ৰমীয়ে কৰিম, কৰিম বুলি একো কামকে পাছ দিনালৈ পেলাই নথয়। পাছলৈ, কাইলৈ বোলা শব্দ কেইটা পৰিশ্ৰমী অভিধানত নাথাকে।



WORD RESOUNDS TODAY
www.Radio882.com

এবাৰ এটা ঘটনা ঘটিছিল ব্যক্তিগত ধ্যানৰ বাবে এখনি পুস্তক তিনিশ পয়ষষ্ঠি টা পাঠেৰে প্ৰস্তুত কৰা হৈছিল। কিন্তু সম্পাদনা সমিতিত জনোৱা হৈছিল যে তিনিশ পয়ষষ্ঠি টা পাঠৰ ১৭ টা পাঠ কম আছিল, পাছদিনা ছপাশালত দিবই লাগে; ১৭টা পাঠ অসম্ভৱ। সম্পাদনা সমিতিৰ প্ৰত্যেকজনে প্ৰভুৰ নামত কষ্ট উঠাবলৈ ইচ্ছা থকা সদস্য এগৰাকীৰ ফালে চালে, সদস্য জনেও বুজি পালে, প্ৰতিটো পাঠৰ বাবে এশ বিশটা মান শব্দেৰে দুই হাজাৰ চল্লিশটা শব্দৰ ১৭টা পাঠ প্ৰস্তুত কৰিব লাগে। পৰিশ্ৰমী সদস্য জনে পাৰিব নে, সন্ধিয়া ৬টাৰ পৰা একেবহাতে বহি পাছদিনা ৰাতিপুৱা ৫টা লৈকে এই এঘাৰটা ঘন্টাত তেওঁ ১৭টা নিয়মীয়া মানদণ্ডৰ পাঠ প্ৰস্তুত কৰি, সম্পাদকৰ হাতত তাৰ পাছদিনা দিছিল। পৰিশ্ৰমী মানুহে কৰা কিছুমান কাম এলেহুৱাৰ বাবে একো একোটা যাদুৰ নিচিনা। সদায় ওৰে নিশা কাম কোনেও কৰিব নোৱাৰে আৰু কৰিব নালাগেও কিন্তু পৰিস্থিতি চম্ভালিবলৈ কেতিয়াবা কেতিয়াবা তেনেকুৱা পৰিশ্ৰম কৰিব লগা নিশ্চয় হয়।

হিতোপদেশ ১০:৬পদ, **"ধাৰ্ম্মিক জনৰ মূৰত নানা আশীৰ্ব্বাদ পৰে; কিন্তু দুষ্টবোৰৰ মুখ হলে অত্যাচাৰে ঢাকে।"** এই পদটোৱে পুৰণি বিধানৰ দুগৰাকী ব্যক্তিৰ কথা মনত পেলায় দিয়ে। ন্যায়ৱান জনৰ মূৰত নানা আশীৰ্ব্বাদ পৰে বুলি কোৱা কথাষাৰে ন্যায়ৱান চমূৱেলৰ কথা মনত আনে কিন্তু দুষ্টবোৰৰ মূখ হলে অত্যাচাৰে ঢাকে বোলা কথাষাৰে আকৌ অত্যাচাৰী চৌলৰ কথা আমাৰ মনলৈ আনে।

এতিয়া আমি পাঠ কৰি দিছো, হিতোপদেশ ১০:৭ পদটো, **"ধাৰ্মিক জনৰ স্মৃতি আশীৰ্ব্বাদৰ বিষয়; কিন্তু দুষ্টবোৰৰ নাম গেলি যায়।"** প্ৰিয়শ্ৰোতা, আপোনালোকৰ এই তাৎপৰ্যহীন দাসে ইমান বছৰ ধৰি বহুতো দাসৰ সৈতে একেলগে কাম কৰাৰ সুযোগ লাভ কৰি আহিছোঁ। তেওঁলোকৰে তিনি জনৰ স্মৃতিয়ে আমাৰ জীৱনলৈ আশীৰ্ব্বাদ আনে, তেওঁলোকৰ কথা মনত পৰিলে মনটো কিবা পবিত্ৰ, পবিত্ৰ লাগে; কাম কৰাত কিবা শক্তি পোৱা যেন অনুভৱ আমি কৰোঁ। তেওঁলোকৰে এজনে এই অযোগ্যক কৈছিল, আহাঁ অমুকা কাম কৰিকৰি জিৰণি লওঁ, সেই গৰাকী প্ৰভুৰ ভক্তই তেওঁৰ জীৱনৰ গোটেই কাৰ্যকালৰ ২০বছৰে কেতিয়াও এদিনো চুটি লোৱা নাছিল। ৰাইজৰ কামৰ বাবে ভ্ৰমণত নাথাকিলে কাৰ্যালয়তো দিনে ১১, ১২ ঘন্টাকৈ কাম কৰাৰ উপৰিও, ঘৰতো তিনি চাৰি ঘন্টাকৈ ৰাইজৰ কাম কৰিছিল। বাকী দুজনৰ কথাও আমি উল্লেখ কৰিবলৈ সময় থাকিলে উল্লেখ কৰিলোঁহেঁতেন।

কিন্তু এতিয়া আমি মূল কথালৈ আহোঁ, তাৰ পাছত কৈছে, দুষ্টবোৰৰ নাম গেলি যায়, স্বয়ং ঈশ্বৰৰ বচনে কৈছে, যেতিয়া দুষ্টবোৰৰ নাম নিশ্চয় গেলি যাব। কিন্তু আমি আমাৰ ইমান দিনীয়া পৰিচৰ্যা কালত এনে কিছুমান ব্যক্তিকো লগ পাইছো, যিসকল ভয় লগাকৈ অহঙ্কাৰী, কপটীয়া, পেট পঁচা, পৰচৰ্চ্চা আৰু পৰৰ চৰিত্ৰ হননকাৰী, এওঁলোকলৈ মনত পৰিলে আমি নিজেহে গেলি যাব খুজোঁ। এওঁলোকক ক্ষমা কৰিব পাৰিবলৈ ঈশ্বৰে আমাক ইতিমধ্যে অনুগ্ৰহ দান কৰিছে।

হিতোপদেশ ১০:৮ পদ, **"পঢ়িছোঁ, জ্ঞানী মনৰ লোকে আজ্ঞা পালন কৰে;কিন্তু কথাবাহী মূৰ্খ লোক পতিত হয়।"** জ্ঞানী লোকে ঈশ্বৰৰ আৰু জেষ্ঠ্যলোকৰো আজ্ঞা পালন কৰে আৰু আজ্ঞা



WORD RESOUNDS TODAY
www.Radio882.com

পালন কৰাৰ কাৰণেই তেওঁলোকে জ্ঞানী লোক। নবূখদনেচৰ ৰজাই প্ৰভুৰ দাস দানিয়েলৰ পৰামৰ্শ পালন কৰি উন্নতিৰ মুখ দেখা পাইছিল। কথাবাহী, কথাচহকী ভলভলিয়া মানুহ আপুনি নিশ্চয় দেখিছে, কথা পেলপেলাওঁতে, পেকপেকাওঁতে তেওঁলোকে আনকি যেন মুখৰ থু গিলিবলৈকে যেন পাহৰি যায়। আমাৰ মহিলা ভনীসকলৰ যে এই বিষয়ত দখল অলপ বেছি যেন লাগে। পেকপেক কৈ পেকপেকাবলৈ তেওঁলোক প্ৰতিগৰাকী একো একোজনী যেন মিচেচপেক কিন্তু অতিমাত্ৰা মিচেচপেক হোৱাটো জানো ভাল। এই পদটোত বাইবেলে কিন্তু কৈছে যে ভাল নহয়।

হিতোপদেশ ১০:৯পদ, **"যি জনে সিদ্ধতাৰূপ পথত গমন কৰে, তেওঁ নিৰ্ভয়ে চলে; কিন্তু কুটিল আচৰণ কৰোঁতা লোকক চিনা যাব।"** এই কথাষাৰকে আজিকালি চমুকৈ এই বুলি কোৱা হয়, বিশ্বাসী হব পৰাটোৱেই সৰ্বোত্তম নীতি।

হিতোপদেশ ১০:১০পদ, **"চকুৰে ইঙ্গিত কৰা জনে দুখ দিয়ে; কিন্তু কথাবাহী মূৰ্খ লোক পতিত হয়।"** এই পদটোত বৰ মন কৰিবলগীয়া কথা কোৱা হৈছে কাৰণ ইয়াত দেখিছোঁ চকুৰে ইংগিত কৰা কথাৰ লগতে কথা পেকপেকুৱা পুনৰ কোৱা হৈছে কাৰণ মুখৰ কথা আৰু চকুৰ ইংগিতেৰে একেলগে এটা কাম কৰিব লগীয়া হয় এটা কথা মন কৰিব চোন, যে যেতিয়া মুখেৰে কিবা এটা কয় চকুৰে কিবা এটা ইংগিত দিয়ে তেতিয়া বুজিব যে যিটো মুখেৰে কোৱা হৈছে সেইটো সঁচা কথা নহয়। চকু আৰু মুখ একমত হলেও তেওঁৰ মুখ আৰু মন একমত নহয়, মন আৰু মুখ একমতৰ নহলে তেনে কথাই সময়ত বৰ বেজাৰ দিব পাৰে। এই কপটৰ খেলাটো বাইবেলৰ কোনজন ব্যক্তিৰ ক্ষেত্ৰত খটাব পাৰি বাৰু ঈস্কোৰিয়োতীয়া যিহূদাৰ ক্ষেত্ৰত নাখাটে নে; বাৰু তেওঁৰ চুমাটো বিশ্বাস ঘাতকতাৰ চুমা নহয় নে বাৰু; চুমাই আচলতে মৰম ভালপোৱাক বুজাই কিন্তু যিহূদাৰ চুমাটো জানো মৰম ভালপোৱাৰ আছিল। গতিকে সি যিটো কৰিছিল সঁচা নাছিল।

হিতোপদেশ ১০:১৩পদ, **"সুবিবেচকৰ ওঁঠত প্ৰজ্ঞা পোৱা যায়; কিন্তু জ্ঞানশূন্য লোকৰ পিঠিত চেকনী দিয়া হয়।" চলোমনৰ জ্ঞানৰ কথা শুনি পৃথিৱীৰ বিভিন্ন ঠাইৰ পৰা তেওঁৰ জ্ঞানৰ কথা শুনিবলৈ মানুহ আহিছিল। কিন্তু তেওঁৰ পুত্ৰ ৰহবিয়াম হলেপিঠিত চেকনি পোৱাৰ যোগ্য আছিল কাৰণ তেওঁ বৃদ্ধ জ্ঞানী লোকৰ কথা নুশুনি তেওঁৰ লগতে ডাঙৰ দীঘল হোৱা ডেকা সকলৰ কথাহে শুনিছিল।** ১ৰাজাৱলী ১২ অধ্যায়ত আমি এইবিলাক কথা পাওঁ। তাৰ ফল স্বৰূপে আমি দেখা পাওঁ যে ৰাজ্যখনত বিভাজন অহাৰ লগে, লগে জাতিটোৰ ওপৰত গৃহ যুদ্ধও যাপি দিয়া হৈছিল।

হিতোপদেশ ১০:১৪পদ, **"জ্ঞানী লোকে জ্ঞান সাঁচে; কিন্তু অজ্ঞানৰ মুখ সাক্ষাৎ আপদস্বৰূপ।"** জ্ঞানী মানুহে অনবৰতে জ্ঞান আহৰণ কৰাটোৱে তেওঁৰ আচৰণ কিন্তু অজ্ঞানী মূৰ্খৰ হলে এখন ভৰি পকা কলৰ বাকলিৰ ওপৰত আৰু আনখন ভৰি কবৰস্থানত থাকে। হিতোপদেশ ১০:১৫পদ, **"ধনৱানৰ ধন-সম্পত্তিয়েই তাৰ দৃঢ় নগৰ; কিন্তু দৰিদ্ৰবিলাকৰ দৰিদ্ৰতাই সিহঁতৰ সৰ্ব্বনাশ।"**

হিতোপদেশ ১০:১৬পদ, **"ধাৰ্ম্মিকৰ শ্ৰম জীৱনদায়ক; কিন্তু দুৰ্জ্জনৰ উপাৰ্জ্জন পাপজনক।"** এই পদৰ কথাখিনিয়ে কয়িন আৰু হেবলৰ কথা মনলৈ আনি দিয়ে, হেবলৰ শ্ৰম জীৱন দায়ক আছিল তেওঁ

WORD RESOUNDS TODAY



www.Radio882.com

ভেড়াৰ জাক ৰাখিছিল আৰু তাৰে পৰাই এটা ভেড়া পোৱালী ঈশ্বৰৰ অৰ্থে বলি উৎসৰ্গ কৰিছিল। কয়িনৰ ফল উৎপন্ন আছিল পাপজনক কাৰণ তেওঁ বিদ্ৰোহৰ ভাৱেৰে মাটিত উৎপন্ন কৰা ফল ঈশ্বৰলৈ আগবঢ়াইছিল। ইয়াকেই পাঁচনি পৌলে ৰোমীয়া ৮:৬পদত এইদৰে কৈছে, **"কাৰণ মাংসৰ ভাব মৃত্যু; কিন্তু আত্মাৰ ভাব জীৱন আৰু শান্তি।"** এই কথা খ্ৰীষ্টিয় লোকৰ ক্ষেত্ৰতে কোৱা হৈছে পৌলৰ মতে এই মৃত্যু মানে হৈছে ঈশ্বৰৰ চিৰন্তন সহভাগিতাৰ পৰা পৃথক হব লগীয়া অৱস্থা মাংসিক মনৰ লোকৰ সৈতে ঈশ্বৰে সহভাগিতা ৰাখিব নোৱাৰে। ধাৰ্ম্মিকৰ শ্ৰম জীৱন দায়ক মানে ঈশ্বৰৰ সৈতে থকা সহভাগিতাকে বুজোৱা হৈছে। আন কথাত হেৱল এজন পৰিত্ৰাণ প্ৰাপ্ত লোক,কিন্তু দুষ্টৰ ফল উৎপন্ন পাপজনক সেইয়া কয়িনৰ গতি, মৃত্যুৱে হল তেওঁৰ শেষ গতি।

হিতোপদেশ ১০:১৭পদ, **যি জনে শিক্ষা মানে, তেওঁ জীৱনৰ পথত চলে; কিন্তু যি জনে অনুযোগ অৱহেলা কৰে, তেওঁ ভুলত পৰে।** এই পদৰ কথাষাৰ দায়ূদৰ পুত্ৰ অবচালোমৰ ক্ষেত্ৰত ভালদৰে খাপ খাই পৰে। অবচালোমে অনুযোগ মানি লোৱা নাছিল, পিতাকৰ পৰা ৰাজ্য কাঢ়ি লবলৈ চেষ্টা কৰি তেওঁ ডাঙৰ ভুল কৰিছিল। হিতোপদেশ ১০:১৮পদ, **"যি জনে হিংসা ঢাকি ৰাখে, তেওঁ মিছলীয়া ওঁঠৰ মানুহ, আৰু যি কোনোৱে কথা লগাই ফুৰে, তেওঁ অজ্ঞান।** প্ৰিয়শ্ৰোতা অন্তৰত ঘৃণা জমাই ৰাখি কথাৰে ঘিণ নকৰা বুলি কোৱা মানুহ মিছলীয়াতো হয়েই, তাৰোপৰি তেওঁলোক ভাৱৰিয়াও হয়। জীৱন মঞ্চত ভাও ধৰি, ধৰি অৱশেষত তেওঁ দেখে সঁচা বা প্ৰকৃততো তেওঁৰ জীৱনত কৰাই নহয়, ঘৃণা পুহি ৰাখি মিছাতে ঘৃণা নকৰা বুলি কয় ভাইজনৰ লগত প্ৰকৃত শান্তি স্থাপন কৰাই নহল। তেওঁ তেতিয়াহে গম পাই যে সেয়া তেওঁৰ মূৰ্খামি মাথোন। বাইবেলে কৈছে, নিজ ভাইক মনত ঘিণা নকৰিবা, (লেবীয়া পুস্তক ১৯:১৭পদ)। যোৱাবৰ কথা আপোনাৰ মনত পৰেনে? তেওঁ অবনেৰৰ বন্ধু হোৱাৰ ভাও ধৰি অবনেৰক নগৰৰ পৰা উলিয়াই নি বধ কৰা নাছিল নে?

**হিতোপদেশ ১০:২১পদ, "ধাৰ্ম্মিকৰ ওঁঠে অনেকক প্ৰতিপালন কৰে; কিন্তু অজ্ঞানবোৰে বুদ্ধিৰ অভাৱত প্ৰাণ-ত্যাগ কৰে।"** মূৰ্খামিৰ কাম কৰা ইস্ৰায়েলৰ ৰজা চৌলৰ সম্পূৰ্ণ ব্যতিক্ৰম ব্যক্তি ইস্ৰায়েলৰ বিচাৰকৰ্তা এই পদটোৱে সোঁৱৰাই দিয়ে। কাৰণ চমূৱেল আছিল ধাৰ্ম্মিক আৰু মুখৰ অনেক ঐশ্বৰিক বাণীৰে তেওঁ ইস্ৰায়েল লোকক প্ৰতিপালন কৰিছিল।

হিতোপদেশ ১০:২২পদ, **"যিহোৱাৰ আশীৰ্ব্বাদে ধনৱান কৰে, আৰু তেওঁ তাৰ লগত মনৰ দুখ যোগ নকৰে।"** যিহোৱাৰ আশীৰ্ব্বাদে যদি ধনৱান কৰে আৰু তেওঁ তাৰ লগত যদি মনৰ দুখ যোগ নকৰে, তেন্তে আজি কালিৰ ধনৱানে ধন-সম্পত্তিক লৈ যেনেদৰে জীৱন যাপন কৰিছে, ইয়াৰ বিপৰীতে দেখা গৈছে। কাৰণ এবাৰ এগৰাকী ধনী মানুহ তেওঁ বিছনাত পাৰি লোৱা লেপটোৰ তলত থৈ লোৱা কেইবা লাখ টকাৰ ওপৰত শুই লৈ কৈছিল, হে অতি পৰাক্ৰমী টকা ডাক্তৰে কৈছে যে মোৰ হেনো এন্দুৰীয়া ৰোগ হৈছে আৰু তেওঁ হেনো মোক বচাব নোৱাৰে, তোমাৰ কথ্য ডাক্তৰক কৈছিলোঁ কিন্তু তুমিও হেনো বচাব নোৱাৰা, তোমাৰ কাৰণে মই কিমান কষ্ট উঠালোঁ, কিমান পৰিশ্ৰম কৰিলোঁ, প্ৰয়োজনত মিছা মতিলোঁ, পৰিস্থিতিত পৰি কিমানক প্ৰবঞ্চনা কৰিলোঁ; তোমাৰ কাৰণে মই কিমান গুৱাল গালি খালো, কিমানৰ পৰা নিজেও গালি খালোঁ, ভুকু খালোঁ, প্ৰদৰ্শন পালোঁ



WORD RESOUNDS TODAY

www.Radio882.com

আৰু এতিয়া তুমিও মোক বচাব নোৱাৰা, ইমান কষ্ট উঠাই তোমাক মই অৰ্জ্জন কৰা কি লাভ হল।তেঁনেকুৱা ধৰণৰ কথা কৈ কৈয়ে মনৰ গভীৰ দুখ আৰু বেজাৰেৰে মানুহজনে এদিন চিৰদিনৰ বাবে চকু মুদিলে । সেইয়া আছিল দুষ্টৰ ধন, মনৰ দুখ যোগ হোৱা ধন।

আকৌ এবাৰ এগৰাকী ঈশ্বৰৰ দাসক দেখিলো যি জনে ২০বছৰ ধৰি এখন খ্ৰীষ্টিয় অনুষ্ঠানত কাম কৰি ভৱিষ্যনীধিৰ যোগেদি ৩০হাজাৰমান টকা আৰ্জিছিল, তেওঁৰ কোনো পাৰিবাৰক লেঠা নাছিল কাৰণ তেওঁ অবিবাহিত আছিল, তেওঁ একেধৰণৰ দুৰাৰোগ্যত পৰিছিল, তেওঁ হাঁহি, হাঁহি মৃত্যুৰ দিনটোলৈ বাট চাই আছিল। তেওঁ কৈছিল, মোৰ ভৱিষ্যনীধি গোটেই টকা খিনি মোৰ ৰোগৰ বাবে খৰচ নকৰিবা মোৰ বন্ধুগণ বৰ দুখীয়া মানুহ গতিকে সেই দুখীয়াক সহায় কৰিবৰ কাৰণে সেই ধন খৰচ কৰিবা। এদিন তেওঁ শান্তিৰে চকু মুদিছিল। সেইয়া হৈছে ধাৰ্মিকৰ ধন, মনৰ দুখ যোগ নোহোৱা ধন।

এতিয়া হিতোপদেশ ১০:২৩পদ পাঠ কৰি দিছোঁ, **“অজ্ঞানৰ মানত কুকৰ্ম্ম কৌতুক স্বৰূপ। কিন্তু বুদ্ধিমানৰ বিবেচনাত প্ৰজ্ঞা কৌতুকস্বৰূপ।**” এয়া ডেকা লৰা সকলৰ বাবে অতি উপযুক্ত আৰু প্ৰয়োজনীয় পৰামৰ্শ কাৰণ আজিকালি দেখা গৈছে কিছুমান এনেই লাগ বান নোহোৱা অদৰকাৰী কথা কৈ আৰু মন্দ কথা আৰু মন্দ কামবোৰ কৰি ডেকা লৰাবোৰে মনোৰঞ্জনৰ খোৰাক পায়। কিন্তু তাকে কৰোতে মুৰৰ লাউ-খোলাত ঘি নথকা মানুহ এজনৰ পৰিচয় দিছে সেইটো ডেকা লৰাবোৰ নাজানে কাৰণ তেওঁলোক অজ্ঞানী। হে যুৱকশ্ৰোতা আপুনি বাৰু তেঁনেকুৱা নে? আপুনি তেনেকুৱা হোৱাটো উচিত নহয়।

হিতোপদেশ ১০:২৬পদ, **“পঢ়িছোঁ, দাঁতৰ পক্ষে টেঙা, আৰু চকুৰ পক্ষে ধোঁৱা যেনেকুৱা, পঠোৱাবিলাকৰ পক্ষে এলেহুৱাও তেনেকুৱা।**” প্ৰিয়শ্ৰোতা, টেঙা খায় দাঁত টেঙা হোৱা আৰু চকুত ধোঁৱা লাগি চকু জলন-পোৰন হোৱাৰ অভিজ্ঞতা আপোনাৰ আছে নে? আছে নিশ্চয়, কি যে অশান্তিকৰ আৰু কি অসহ্যকৰ অভিজ্ঞতা নহয় নে বাৰু? কোনো এটা কাম সোনকালে হোৱাটোলৈ আশা কৰি যি সকলে এলেহুৱা মানুহক কামত লগায় তেওঁলোকৰো সেইটোৱেই অভিজ্ঞতা হব। এলেহুৱাহঁতক দূৰৈৰ কামলৈ পঠায় দি তেওঁলোকৰ ঘূৰি অহালৈ বাট চাই, চাই আক্ষৰিক অৰ্থতে চকুৰ বিষ উঠাৰ অভিজ্ঞতা আপোনাৰ আছে নে বাৰু? তেনেকুৱা অভিজ্ঞতা হলে আমাৰ আছে, আৰু এনেকুৱা অভিজ্ঞতা বৰ তিক্ত অভিজ্ঞতা। এলেহুৱাৰ আপত্তিৰ যুক্তি অনেক জৰুৰী কাম কিহক বুলে তাক এনেকুৱা এলেহুৱা মানুহে আচলতে বুজিকে নাপায়। জৰুৰী ভাৱে কাম নকৰিলে পৰিণতি যে কি হব তাক তেওঁ বুজিয়ে নাপায়, “এলেহুৱাৰ লগত কাৰবাৰ নকৰিবি” এই বুলি আমাক জ্ঞানী জনে উপদেশ দিয়ে,যদিহে এলেহুৱাৰ লগত আমি কাৰবাৰ কৰিব লগা হয়, তেতিয়া হলে আমি এক আঁঠু পানীতে মৰিব লগীয়া অৱস্থাৰ নিচিনা হয়,পৰি মৰিব নে বুৰি মৰিব আমি হলে নাজানো।কিন্তু দুষ্টৰ লগত জৰুৰী কাম কৰিবলৈ গলে হলে আপুনি এক আঁঠু পানীতেই মৰিব।

হিতোপদেশ ১০:২৭পদ, **“যিহোৱা বিষয়ক ভয়ে আয়ুস বৃদ্ধি কৰে কিন্তু দুষ্টবোৰৰ বছৰ কেইটা কম কৰা যায়। পুৰণি নিয়মৰ দিনত ই আক্ষৰিক ভাৱে সত্য আছিল, যি সকলে তেওঁৰ**



WORD RESOUNDS TODAY
www.Radio882.com

**আজ্ঞা মানি চলিছিল ঈশ্বৰে তেওঁলোকক দীৰ্ঘায়ু দিছিল, আপুনি ক'ব পাৰে তেনে দীৰ্ঘায়ু ঈশ্বৰে আজিও জানো নিদিয়ে? নাই এতিয়া তেওঁ আৰু দীৰ্ঘায়ু নিদিয়ে, কিন্তু অনন্ত জীৱন দিবলৈ প্ৰতিজ্ঞা কৰিছে, দীৰ্ঘায়ুতকৈ যে অনন্ত জীৱন গুণতো বহু গুণে ভাল আৰু সংখ্যাতো বহু গুণে অধিক।আটাইতকৈ অধিক দীৰ্ঘায়ুৰ মানুহ জনৰ আয়ুস ন শ ঊনসত্তৰ বছৰ আছিল বুলি বাইবেলে কৈছে, তেওঁ আছিল মথূচেলহ** (আদিপুস্তক ৫:২৭পদ)। **অনন্ত জীৱনৰ সময় বছৰেৰে জুখিব নোৱাৰি এয়া অনন্ত জীৱন।**

হিতোপদেশ ১০:৩০পদ, **"ধাৰ্ম্মিক লোক কোনো কালেও লৰচৰ নহব;কিন্তু দুষ্টবোৰে দেশত নিবাস নকৰিব।"** প্ৰিয়শ্ৰোতা, মানৱ ইতিসাহক আলমলৈয়ে আমি এই সত্য কথাৰ বিচাৰ কৰি চাব পাৰোঁ। বিশ্বৰ মহানমহান বিশ্ব নেতাসকল আহিল আৰু গল, ক'ত ৰজা-মহাৰাজ আৰু সেনা-সেনানী আৰু বীৰ-বীৰঙ্গনা ৰাজত্ব কৰি কৰি মানুহৰ ইতিহাসত অন্তৰ্ধান হল আৰু আজি তেওঁলোক নিজে ইতিহাস হৈ পৰিল।

এৰা সকলো মানুহ মৰণশীল; সকলোৰে এদিন মৃত্যু হব আৰু তেওঁলোকৰ স্মৃতি হয়তো হেৰাই যাব। কিন্তু যি জনে নিজকে ধাৰ্ম্মিক বুলি পৰিগণিত কৰিব পাৰে; তেওঁহে চিৰস্থায়ী হব। আৰু ধাৰ্ম্মিক বুলি পৰিগণিত হোৱাৰ এটাই উপায় বাইবেলে আমাক জনাইছে; সেইটো হৈছে প্ৰভু যীচু খ্ৰীষ্টত বিশ্বাস স্থাপন কৰি, সকলো পাপৰ ক্ষমা লাভ কৰি, ঈশ্বৰৰ যোগেদি ধাৰ্ম্মিক বুলি পৰিগণিত হোৱা। আপুনি বাৰু প্ৰভু যীচুত বিশ্বাস কৰি ধাৰ্ম্মিক বুলি পৰিগণিত হৈছে নে? যদি হৈছে আপোনাৰ নাম চিৰস্থায়ী হওঁক। ঈশ্বৰে আপোনাক আশীৰ্ব্বাদ কৰক, আমেন।

WORD RESOUNDS TODAY

**<u>পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:</u>**

১) চলোমনৰ পুতেকৰ নাম কি আছিল?

২) মথুচেলহৰ কিমান বছৰ বয়সত তেওঁৰ মৃত্যু হৈছিল?

৩) বাইবেলে আমাক ধাৰ্ম্মিক বুলি পৰিগণিত হোৱাৰ কি উপায় দিছে?



www.Radio882.com

## হিতোপদেশ ১১ অধ্যায়

আজি ১১ অধ্যায়ৰ প্ৰথম পদৰ পৰা আমাৰ আলোচনা আৰম্ভ কৰিব খুজিছোঁ। আমি কৈ আহিছো যে ঘৰৰ ডেকা লৰাজন এতিয়া ঘৰৰ পৰা ওলাই গৈ জীৱনৰ যি প্ৰজ্ঞাৰ মহাবিদ্যালয় সেই মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ ধৰিছে। মহাবিদ্যালয়ৰ শিক্ষক স্বয়ং খ্ৰীষ্ট, প্ৰজ্ঞা আৰু প্ৰজ্ঞাৰ মহাবিদ্যালৰ শিক্ষক যিহেতু খ্ৰীষ্টই গতিকে তেওঁৰ বিষয়ে শিক্ষাৰ্থী সকলক শিক্ষা দান কৰিব। অধ্যায়টোত তুলনা কথাৰে শিক্ষা দান কৰা হৈছে। এই অধ্যায়টোত আমি পাম যে ঘৰৰ পৰা উলাই যোৱা যুৱক জন এতিয়া তেওঁৰ জীৱনৰ কাৰণে প্ৰজ্ঞাৰ মহাবিদ্যালয়ৰ পৰা গ্ৰহণ কৰা পাঠ্যক্ৰম বিলাকৰ ভিতৰত বাণিজ্য বিষয়ক পাঠ্যক্ৰম শিক্ষা আহৰণ কৰিব লগীয়া হৈছে।

প্ৰথমতে আমি হিতোপদেশ ১১:১পদটো পঢ়ি দিছো, **"মিছা পাল্লা যিহোৱাৰ আগত ঘিণ লগা; কিন্তু ঠিক দগা তেওঁৰ সন্তোষজনক।"** ব্যৱসায়ৰ ক্ষেত্ৰত ঈশ্বৰ আপোনাৰ অংশীদাৰ হব বিচাৰে, আপুনি চলোৱা ব্যৱসায়ত তেওঁক অতি যোগ্য অংশীদাৰ হিচাপে লব পাৰে কিন্তু এটা কথা অন্যায়, অনীতিৰে ব্যৱসায় কৰা সকলৰ সৈতে ঈশ্বৰ সহযোগী অংশীদাৰ কেতিয়াও হব নিবিচাৰে। কিন্তু যদি আপুনি ন্যায় নীতিৰে ব্যৱসায় কৰিব বিচাৰে তেন্তে তেওঁ অৱশ্যেই আপোনাৰ সহযোগী অংশীদাৰ হব পাৰে। যি সকল খ্ৰীষ্টিয় ব্যৱসায়ী লোক তেওঁলোক সদায় বিশ্বাসী আৰু সিদ্ধতাত চলা ব্যৱসায়ী লোক হব লাগে, আদান-প্ৰদান, পৰিকল্পনা, যোগাযোগ, সম্পৰ্ক ৰখা জোখ-মাখ ইত্যাদি কৰি সকলো বিষয়তে বিশ্বাসী, ন্যায় আৰু সিদ্ধতাত চলা লোক হব লাগে।

আমি এনে কোনো খ্ৰীষ্টিয় ব্যৱসায়ী লোক লগ পাইছোঁ যি সকলে এই ধাৰণা ধৰিলে যে সংসাৰত চলিবলৈ হলে বৰ চালাক-চতুৰ হব লাগে,ঈশ্বৰ আৰু ধৰ্মত ধৰি থাকি ব্যৱসায় কৰা নাযায়, ব্যৱসায় ব্যৱসায়ে তাত ন্যায়-অন্যায়ৰ আলোচনা অবান্তৰ। তেনে ধাৰণা ধৰি সেই খ্ৰীষ্টিয় ব্যৱসায়ী সকল ব্যৱসায়ৰ দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰত একাকাৰ হৈ গৈছে আৰু আন সকল ঈশ্বৰ বিহীন ব্যৱসায়ৰ লগত মিলি পৰিছে।

কিন্তু প্ৰভুক ধন্যবাদ দিওঁ, যে সংখ্যাত কম হলেও এনে দুই এক খ্ৰীষ্টিয় ব্যৱসায়ী লোককো আমি লগ পাইছোঁ, যি সকলে কঠোৰ পৰিশ্ৰমেৰে অথচ ন্যায়েৰে তেওঁলোকৰ ব্যৱসায় চলাই আছে। তেওঁলোকে প্ৰভুক ভয়-ভক্তি কৰি চলি আছে, তেওঁলোকে প্ৰভুক ভাল পায় আৰু তেওঁৰ নিয়মীয়া সেৱা-আৰাধনা কৰে। তেওঁৰ পবিত্ৰ কামৰ কাৰণে নিয়মীয়া দান পোন আগবঢ়াই, এতিয়াও যে ব্যৱসায়ত তেনে লোক আছে সেইটো সঁচাকৈয়ে সুখৰ কথা।

হিতোপদেশ ১১:২পদ পঢ়িছোঁ শুনিব চোন, **"অহঙ্কাৰ আহিলে অপমানো আহে; কিন্তু প্ৰজ্ঞা নম্ৰ লোকৰ সঙ্গী।"** এইখিনিতে ব্যৱসায়ৰ শিক্ষাৰ লগতে শিক্ষাৰ্থীজনে তেওঁৰ জীৱনৰ নিমিত্তে অহঙ্কাৰৰ বিৰুদ্ধে এটা শিক্ষা লব লগীয়া আছে, অহঙ্কাৰৰ লগে, লগে যে অপমানো যে ঘূৰি ফুৰে সেই বিষয়ে এটা সতৰ্কবাণী ইয়াত শুনাই দিয়া হৈছে। এজন অহঙ্কাৰীয়ে এবাৰ কৈছিল, আমাৰ দেশত হেনো ৩ষ্টাৰ বা ৫ষ্টাৰ হোটেলৰ ওপৰত হোটেলে নাই, কিন্তু পশ্চিমীয়া দেশত হেনো



WORD RESOUNDS TODAY
www.Radio882.com

৫০ষ্টাৰ, ৬০ষ্টাৰ হোটেল বিলাক আছে। মানুহজন বৰ অহঙ্কাৰী, তেওঁৰ ফুপোলা জ্ঞান অহঙ্কাৰী কথা শুনি মানুহ এজনে ইমান, ইমান অধিককৈ হাঁহিব লগা হৈছিল যে এটা সময়ত মানুহজন মুৰ্চা গৈ মাটিত ঢলি পৰিছিল আৰু সেই অহঙ্কাৰীজন লাজ অপমানত দেখাত বৰ পুতৌ লগা হৈ পৰিছিল।

হিতোপদেশ ১১:৩পদ পঢ়িছোঁ, **"সৰল লোকৰ সিদ্ধতাই তেওঁলোকৰ পথদৰ্শক কিন্তু বিশ্বাস-ঘাতকবোৰৰ কুটিলতাই সিঁহতক বিনষ্ট কৰে।** ইয়াৰ সহজ সৰল অৰ্থটো হৈছে যে, যদি কোনোবাই সত্যত চলিব খোজে বা সত্যত চলাৰ ইচ্ছা যদি তেওঁৰ আছে ঈশ্বৰৰ আত্মাৰ পৰিচালনাৰ ওপৰত সেই মানুহজনে নিৰ্ভৰ কৰিব লাগে। ঈশ্বৰৰ আত্মাই তেওঁক নিশ্চয় পথ দেখুৱাব, নিশ্চয় পৰিচালনা দিব কিন্তু বিশ্বাস ঘাতকহঁতৰ ঠগ প্ৰবঞ্চনাই হলে এদিন নহয়, এদিন সিহঁতক বিনষ্ট কৰিবই। প্ৰিয়শ্ৰোতা,আপুনি বাৰু সৰল লোক নে আপুনি সিদ্ধতাত বাৰু চলেনে, যদিহে চলে আপুনি ঈশ্বৰৰ আত্মা অৰ্থাৎ পবিত্ৰ আত্মাৰ পৰিচালনাত চলা লোক, সকলো ক্ষেত্ৰতে ঈশ্বৰে আপোনাৰ নিমিত্তে খোলা দুৱাৰ ৰাখিবই, এই কথা নিশ্চিন্ত আৰু অধিক নিশ্চিন্ত হওক।

হিতোপদেশ ১১:৪পদটো পঢ়িছোঁ, **"ক্ৰোধৰ দিনা ধন-সম্পত্তি অনুপকাৰী; কিন্তু ধাৰ্ম্মিকতাই মৃত্যুৰ পৰা উদ্ধাৰ কৰে।** এই পদটো ধনী মানুহ আৰু মগনীয়া লাজাৰৰ কথা আমাৰ মনলৈ নানে নে? তেওঁলোক দুয়োৰো এদিন মৃত্যু হৈছিল, কিন্তু ঈশ্বৰৰ ক্ৰোধৰ সন্মুখত ধনীৰ ধনে ধনীজনক একো সহায় কৰিব নোৱাৰিলে। ধাৰ্ম্মিক মগনীয়া লাজাৰৰ ধাৰ্ম্মিকতায় তেওঁক মুক্তি দিছিল, তেওঁ অব্ৰাহামৰ কোলাত ঠাই পাইছিল। মনত ৰাখিব প্ৰিয়শ্ৰোতা, ধন সম্পত্তি মন্দ বস্তু নহয়, কিন্তু তথাপি ধন সম্পত্তিৰ ওপৰত নিৰ্ভৰ কৰা লোকৰ অগ্ৰাধিকাৰ বহু সময়ত ভুল হৈ যায়, ওলট-পালট হয়, সাৱধান এই থন জগতত ধনে প্ৰায় সমস্ত বস্তুকে কিনিব পাৰে যেন আমাৰ লাগে, কিন্তু এই পাৰ্থিৱ জীৱনৰ সিপাৰৰ যিখন জগত সেই জগতত আপোনাৰ ধনে আপোনাৰ কাৰণে একোকে কিনিব নোৱাৰিব।

হিতোপদেশ ১১:৭পদ, **"দুষ্ট মানুহ মৰিলে তেওঁৰ প্ৰত্যাশা বিনষ্ট হয়; আৰু অধৰ্ম্মীবোৰৰ আশা নষ্ট পায়।** এই পদটো হামনত খাটে, যি দিনাই হামন মৰিছিল সেই দিনাই তেওঁৰ আশা আৰু প্ৰত্যাশা সকলো নষ্ট পাইছিল **কিন্তু মৰ্দখয়ৰ ধাৰ্ম্মিকতাই সংকটৰ পৰা ৰক্ষা কৰিছিল, হিতোপদেশ ১১:৮পদ।** এতিয়া হিতোপদেশ ১১:৯পদ পঢ়ি দিছো, **"অধৰ্ম্মীয়ে নিজ মুখেৰে ওচৰ-চুবুৰীয়াক নষ্ট কৰে; কিন্তু ধাৰ্মিক বিলাকে জ্ঞানৰ দ্বাৰাই ৰক্ষা পায়।"** ইয়াত অধৰ্ম্মী শব্দটো কপটীয়া হৈ হব লাগিছিল বুলি আমি কব পাৰোঁ, কপটীয়াই মুখত কয় এটা, পেটত থয় আন বেলেগ এটা। জীৱন মঞ্চত সি ভাও দিয়ে, সি যদি কয় হাল্লেল্লুয়া, প্ৰভুৰ প্ৰশংসা হওক, তাত আপুনি ভুল নাযাব কাৰণ সেইটো তাৰ ভাও হে মাথোন মুখৰ কথা মাথোন। ইয়াতে মিচৰ দেশৰ পটিফৰ ঘৈণীয়েক আৰু যোচেফৰ ঘটনাৰ কথা মনলৈ নাহে নে বাৰু? কপটীয়া সেই তিৰোতাজনীয়ে নিজ কু অভিপ্ৰায় চৰিতাৰ্থ কৰিব নোৱাৰি কপটীয়া কথাৰে যোচেফলৈ বিপদ মাতি আনিছিল। কিন্তু ধাৰ্মিক যোচেফে জ্ঞানৰ দ্বাৰা ৰক্ষা পাইছিল। আমাৰ গীৰ্জা বিলাকতো কপটীয়া মানুহৰ অভাৱ নাই নহয় নে বাৰু? নিজৰ চামৰা বচাবলৈ কপটীয়া কথাৰ অস্ত্ৰ চলাই নিজৰ সহযোগীকে আনকি তেওঁলোকে নষ্ট কৰে।



WORD RESOUNDS TODAY
www.Radio882.com

হিতোপদেশ ১১:১০-১১পদ পঢ়ি দিছো, **"ধাৰ্ম্মিক লোকৰ মঙ্গল হলে নগৰখনেই উল্লাসিত হয়; আৰু দুষ্টবোৰৰ বিনাশ হলে আনন্দ-ধ্বনি হয়। সৰলবিলাকৰ আশীৰ্ব্বাদত নগৰখনৰ উন্নতি হয়; কিন্তু দুষ্টবোৰৰ মুখৰ দ্বাৰাই সেয়ে উচ্ছন্ন হয়।"** দায়ূদ আৰু চৌলৰ ছবি এই পদ দুটাত দেখা পোৱা যায়। দায়ূদ যেতিয়া ৰজা হৈছিল তেতিয়া যিৰূচালেমখন এক মহান নগৰ ৰূপে প্ৰতিষ্ঠিত হৈছিল, চৌলৰ মৃত্যুৰ সময়ত মানুহবিলাকে আশা নোৰূপ বিলাপ কৰা নাছিল।

হিতোপদেশ ১১:১২পদ পঢ়ি দিছো, **ওচৰ-চুবুৰীয়াক তুচ্ছ কৰা জন জ্ঞানশূন্য; কিন্তু বিবেচক নিমাতে থাকে।** ইয়াত মাত নামাতে আচলতে **ধৈৰ্য্য ধৰাক বুজাই,** ইয়াতো দায়ূদৰ ছবিটোৱে স্পষ্ট ৰূপে আমি দেখা পাওঁ। কোনে জানে চলোমনে কিজানি দেউতাক দায়ূদৰ কথাকে মনত ৰাখি এই নীতি বচন ফাঁকি ৰচনা কৰিছিল। অবচালোমৰ বিদ্ৰোহত দায়ূদ পলাই ফুৰিবলগীয়া হৈছিল, চৌলৰ পৰিয়ালৰ চিমিয়ে সেই সময়ত অভিশাপ দিদি দায়ূদৰ বিৰুদ্ধে কথা কৈছিল, দায়ূদৰ সেনাপতি যোৱাবে তৰোৱালেৰে খুচি চিমিক বধ কৰিব খুজিছিল, কিন্তু দায়ূদে সেই কাম নকৰিবলৈ যোৱাবক পৰামৰ্শ দি তেওঁৰ চৰম ধৈৰ্যৰ পৰিচয় দিছিল।

প্ৰিয়শ্ৰোতা কোনো সময়ত দেখিব কোনো, কোনোৱে আপোনাৰ চৰিত্ৰ হনন কৰাৰ উদ্দেশ্যেৰে আপোনাৰ বদনাম গাই ফুৰিছে, তেতিয়া কি কৰিব? যদি তেওঁলোকে মিছাতে কৈছে বা আপোনাক অভিশাপ দিছে, আপুনি মনে, মনে থাকক, ধৈৰ্য্য ধৰক, তাৰ প্ৰতিকাৰ আপোনাৰ হৈ ঈশ্বৰে সাধন কৰিব।

হিতোপদেশ১১:১৩পদ, "**পৰচৰ্চ্চাকাৰীয়ে গুপুত কথা প্ৰকাশ কৰে; কিন্তু বিশ্বাসী মনৰ লোকে কথা লুকুৱাই ৰাখে**।" পৰচৰ্চ্চাকাৰীয়ে বা দুটকীয়া মানুহৰ বাবে গোপনীয় বুলি আচলতে একো কথা নাই, কথা পাবহে লাগে তিলটোকে তাল, ৰৌ টোকে টৌটো, কৰি একেবাৰে মানুহৰ মাজত ভুল বুজাবুজি, অশান্তি, বিবাদ কৰি এক অদ্ভুত সুখ তেওঁলোকে উপলব্ধি কৰে। কিন্তু বিশ্বাসী লোকক আপুনি মাথোন ক'ব যেন কথাটো কতো,কাকো যেন নকয়, তেওঁলোকে কাকো নকয়। বুকুতে শুই থকা নিজৰ ভাৰ্যায়ো কথাটো ফুটটোকে তেওঁলোকৰ পৰা নাজানিব।

হিতোপদেশ ১১:১৪পদ, "**সুশাসনৰ অভাৱত প্ৰজাৰ পতন হয়; কিন্তু মন্ত্ৰীৰ বাহুল্যত প্ৰজাৰ ৰক্ষা হয়।** সুশাসন বা সুন্দৰ পৰিচালনা আজি আমাৰ আছে নে বাৰু? প্ৰজাৰ পতন ঘটা নাই নে বাৰু? দৈনিক কাকত বিলাকে অহৰহ ঘটি থকা ঘটনা, দুৰ্ঘটনা বিলাকে আমাক বাৰু কি কয়? সুশাসনৰ কথা প্ৰজাৰ সৰ্বাঙ্গীনৰ মঙ্গলৰ কথা কয় নে বাৰু? আজিৰ আমাৰ মন্ত্ৰণা দাতা সকলৰ কথা নো কি কম? বেজৰ নাকতেই থৰ, মন্ত্ৰণাদাতা সকলকে আজি মন্ত্ৰণাৰ প্ৰয়োজন হৈছে, বহুতৰ ক্ষেত্ৰত মন্ত্ৰণাই কেৱল কিয় বহুতৰ ক্ষেত্ৰত মন্ত্ৰণাৰ মন্ত্ৰই কাম নিদিয়া হৈছে। মানুহ বোৰ মন্ত্ৰ নমনা সাপৰ নিচিনা হৈছে, কিন্তু আপুনি যদি মন্ত্ৰণা প্ৰিয় মানুহ মন্ত্ৰণাই আপোনাৰ মঙ্গল কৰিব। নবূখদনেচৰ আৰু কোৰচ ৰজাই দানিয়েলৰ মন্ত্ৰণা লৈ মঙ্গলৰ মুখ দেখা পাইছিল।

এতিয়া হিতোপদেশ ১১:১৫পদ পাঠ কৰি দিব খুজিছোঁ, **"যি জনে অচিনাকি লোকৰ জামিন হয়, তেওঁ অৱশ্যে ক্লেশ পাব; কিন্তু যি জনে জামিন হোৱা ঘিণ কৰে, তেওঁ নিৰাপদে থাকে।** অচিনাকিৰ জামিন, চিনাকিৰ জামিন হোৱাই আজিকালি বৰ বিপদ জনক। জামিনদাৰি



WORD RESOUNDS TODAY
www.Radio882.com

সকলক জামিন হোৱাৰ অভিজ্ঞতাৰ কথা শুধি চাবচোন বাৰু কি কয় শুনিব। আমাৰ পৰিত্ৰাতা প্ৰভু যীচু খ্ৰীষ্ট পাপী মানৱৰ বাবে জামিনদাৰি হৈ নিজৰ প্ৰাণ আহুতি দিব লগা হল, আৰু তাৰ বাবেই আজি আমি পৰিত্ৰাণ লাভ কৰিব পৰা হলোঁ। **আপুনি জামিনদাৰি হৈ কি দিব, কি দিব পাৰিব, আমি জামিনদাৰি হম কাৰ বাবে, কাৰণ প্ৰভু যীচু আমাৰ জামিনদাৰি হৈ আমি বহন কৰিব লগীয়া মূল্য থিনি তেওঁ আমাৰ হৈ বহন কৰাত আমি পাপী আৰু জামিনদাৰি দুয়ো মুক্তি পালোঁ।** হাল্লেলুয়া, প্ৰভুৰ প্ৰশংসা হওক, কাৰণ জামিনদাৰি ৰূপে তেওঁ মোৰ স্থান ললে।

হিতোপদেশ১১:১৬পদ, **"যেনেকৈ পৰাক্ৰমী লোকে নিজৰ ধন-সম্পত্তি ধৰি ৰাখে, তেনেকৈ মৰ্য্যদাপন্না সন্তোষদায়িকা স্ত্ৰীয়ে নিজ সতীত্ব ৰক্ষা কৰে।"** এই পদটোৱে ৰূথৰ কথা মনত পেলাই নিদিয়ে নে বাৰু? ৰূথ বিধৱা, দৰিদ্ৰা আৰু দুখীনীনাৰী আছিল। তথাপি তাই তাইৰ মৰ্য্যদা অটুট ৰাখিছিল, আৰু সেয়ে বোৱজে তাইক ক'ব পাৰিছিল যে, গোটেই নগৰৰ মানুহে জানিছিল যে তাই এগৰাকী সদাচাৰিণী মহিলা আছিল, এই কথা আমি ৰূথ ৩:১১পদ পঢ়িলে পাওঁ। পৰাক্ৰমী লোকে নিজ ধন-সম্পত্তি ধৰি ৰাখে বুলি কথাষাৰবোৰজৰ ক্ষেত্ৰতে খাপ খায়।

হিতোপদেশ ১১: ১৮ৰ পৰা ২১পদলৈকে পাঠ কৰি দিছো, **"দুষ্টই মিছা উপাৰ্জ্জন কৰে; কিন্তু ধাৰ্ম্মিকতাৰূপ গুটি বওঁতাই প্ৰকৃত পুৰস্কাৰ পায়। যি জনে ধাৰ্ম্মিকতাত থিৰে থাকে, তেওঁ জীৱন লাভ কৰে; কিন্তু যি জনে দুষ্টতাৰ অনুগমন কৰে,তেওঁ নিজৰ মৃত্যুৰ অৰ্থেহে তাকে কৰে। কুটিল মনৰ লোক যিহোৱাৰ ঘিণলগা; কিন্তু যিবিলাক আচৰণ-ব্যৱহাৰত সিদ্ধ, তেওঁবিলাক তেওঁৰ প্ৰিয়। দুষ্টবোৰে হাতত ধৰা ধৰিকৈ থাকিলেও, দণ্ড নোপোৱাকৈ নাথাকিব; কিন্তু ধাৰ্ম্মিকবিলাকৰ বংশই উদ্ধাৰ পাব।** এই পদকেইটাক ধাৰ্মিকতাৰ আৰু পাপৰ পাৰ্থক্য দেখুৱা হৈছে আৰু স্পষ্টভাৱে কোৱা হৈছে যে, ঠগ প্ৰবঞ্চকহঁত সোধ বিচাৰৰ সন্মুখীন হ'বই, হব; কোনোমতে হাৰি যাব নোৱাৰে আৰু বিশ্বাস কাৰী জনৰ যি ধাৰ্ম্মিকতা আছে, সেইয়া প্ৰভু যীচু খ্ৰীষ্টৰ ধাৰ্ম্মিকতা থকা বাবেই তেওঁ বিচাৰলৈ আহিব নালাগে। কিন্তু মৃত্যুৰ পৰা জীৱনলৈ পাৰ হৈ গৈছে, এই কথা আমি যোহন ৫:২৪পদত। গাহৰিৰ নাকত সোণৰ নথ যেনে সুবিবেচনা নথকা সুন্দৰী নাৰীও তেনে, নাকত সোণৰ আঙঠি লগাই ঘোঁ, ঘোঁকে ঘূৰি ফুৰা গাহৰি আপুনি ক'ৰবাত দেখিছে নে বাৰু? নাই দেখা নহয় নে বাৰু কিন্তু আমাৰ মাজত সুবিবেচনাহীন অতি সুন্দৰী মহিলা নিশ্চয় আছে, তেওঁলোকক দেখা মানে নাকত সোণৰ আঙঠি লগোৱা ঘো, ঘোকে ঘূৰি ফুৰা গাহৰি এটাক দেখাৰ নিচিনাই হয়। এনেই মনতে তেনে এটা গাহৰি কল্পনা কৰি চাওক চোন হাঁহিব নে কান্দিব নে খং খাব।

**হিতোপদেশ১১:২৩পদ, "ধাৰ্ম্মিক লোকৰ বাঞ্ছা কেৱল হিতকাৰী; কিন্তু দুষ্টবোৰৰ আশাত ক্ৰোধহে জন্মে।"** প্ৰভু যীচু খ্ৰীষ্টত বিশ্বাস স্থাপন কৰা লোকসকলে ধাৰ্ম্মিক লোক, আৰু সেই লোকসকলে পৰৰ হিতৰ কথা চিন্তা কৰিব। সেয়ে প্ৰিয়শ্ৰোতা, প্ৰভুৰ দাস সকলে শুভবাৰ্তা বিলাবলৈ যলৈকে গৈছিল তালৈকে তেওঁলোকে লগত শিক্ষা আৰু চিকিৎসাৰ সামগ্ৰী লগত লৈ গৈছিল। কিন্তু দুষ্টবোৰে প্ৰভুৰ ক্ৰোধৰ বাহিৰে কি অধিক আশা কৰিব পাৰিব, আশা কৰিবলৈ একো নাই। ২৪ আৰু ২৫পদ, কোনো কোনোৱে বিলাই দিলেও তেওঁৰ বৃদ্ধিহে হয়, আৰু কোনোৱে দিবলগীয়া থিনি আটক কৰিও দৰিদ্ৰতাহে পায়। দানশীল প্ৰাণী পৰিতৃপ্ত হয় আৰু পানী ছটিওঁতা জনে নিজেও পানীৰ ছাটি পায়। এই পদ দুটাৰ অভিজ্ঞতা সেই সকল দানশীল লোক আৰু বিলাই



WORD RESOUNDS TODAY
www.Radio882.com

দিওঁতা সকলে লাভ কৰে, যি সকলে দান দিয়ে, যি সকলে বিলাই দিয়ে, কি যে এক অভিজ্ঞতা, হয় বিলাই দিওঁ নকমা, আৰু আনক দান দি নিজেও দান লাভ কৰাৰ অভিজ্ঞতা। আপুনি বাৰু দানশীল নে প্ৰিয়শ্ৰোতা নে পইচাতকৈয়ো চেপেটা।

হিতোপদেশ ১১:২৬পদ, **"যি মানুহে শস্য আটক কৰি ৰাখে, লোকবিলাকে তাক শাও দিয়ে; কিন্তু যি জনে বেচে, তেওঁৰ মূৰত আশীৰ্ব্বাদ পৰে।"** এই পদটোৱে দুগৰাকী ব্যক্তিৰ ছবি আমাৰ আগত দাঙি ধৰে। তেওঁলোক ঈশ্বৰৰ লোক জ্ঞানী যোচেফ আৰু অবিগল নামৰ/1জ্ঞানী তিৰোতা এজনীৰ গিৰিয়েক মূৰ্খ নাবলৰ কথা। মিচৰ দেশত ৭বছৰ আকাল হব বুলি জানি, যোচেফে ৭বছৰৰ বাবে শস্য গোটাই মজুত ৰখাৰ ফলত তেওঁ সেই শস্য দেশৰ প্ৰজা আৰু নিজৰ পিতৃ-মাতৃৰ আৰু ককায়েক-ভায়েক সকলৰ বাবেও যোগান ধৰিব পাৰিছিল। সংগ্ৰহ কৰা শস্য খিনি আটক কৰি তেওঁ ৰখা নাছিল কিন্তু আনহাতে নাবলৰ কথাকে চাওক চোন, নিজৰ শস্যৰ পৰা দায়ূদৰ মানুহ কেইজনক অলপো দিবলৈ তেওঁ ইচ্ছা কৰা নাছিল বৰং ঠাট্টা ইতিকিং কৰিহে ঘূৰাই পঠিয়াইছিল, সেয়েহে মূৰ্খ নাবলৰ পতন হৈছিল।

এই পদটোত আমি আত্মিক বাণীও দেখা পাওঁ, **শস্যখিনিৰ লগত যদি আমি ঈশ্বৰৰ পবিত্ৰ বচনখিনিৰ লগত তুলনা কৰোঁ, আৰু আমি নিজকে যদি যোচেফৰ লগত তুলনা কৰোঁ তেন্তে আমাৰ দায়িত্ব হৈছে, আত্মাত হেৰাই থকা অনাতনত থকা হাজাৰ, হাজাৰ ভোকাতুৰ আত্মাৰ পৰা ঈশ্বৰৰ বচন আটক কৰি নৰখা।** ঈশ্বৰৰ বচন আজি আমি এনে জন সমাগমৰ মাজত যি সকল এই বচনৰ অভাৱত পথভ্ৰষ্ট হৈ অনন্ত মৃত্যুৰ পথে অগ্ৰসৰ হৈছে। আপুনি সেই কাম কৰি প্ৰভুৰ আশীৰ্ব্বাদৰ অধিকাৰী হৈছে নে?

**হিতোপদেশ ১১:২৭পদত আমি এটি স্পষ্ট কথা পাওঁ, যে ভাললৈ চেষ্টা কৰা সকলে অনুগ্ৰহলৈকে চেষ্টা কৰে, কাৰণ অনুগ্ৰহতকৈ ভাল আৰু কি থাকিব পাৰে।** কিন্তু দুষ্টবোৰৰ কি হয় জানে নে প্ৰিয়শ্ৰোতা, লোকলৈ বুলি শূল পুতি নিজে মৰে ফুটি। এই কথা আমাৰ বাৰেবাৰে মনত পৰে, দুষ্ট হামনে ইস্ৰায়েল জাতিৰ বিৰুদ্ধে শূল পুতি তাত নিজেই মৰিল ফুটি। আপুনি পৰৰ মঙ্গল কামনা কৰে নে? নে আনৰ বাবে শূল পুতে চিন্তা কৰি চাওক চোন।

হিতোপদেশ ১১:২৮পদ পঢ়িছোঁ, **"যি জনে নিজৰ ধন-সম্পত্তিত নিৰ্ভৰ কৰে, তেওঁ পতিত হয়; কিন্তু ধাৰ্ম্মিকবিলাক কেঁচা পাতৰ দৰে জকমকায়।"** প্ৰভু যীচুৱে কোৱা সেই মূৰ্খ ধনী জনৰ কথা আপোনাৰ নিশ্চয় মনত আছে, ঈশ্বৰক বাদ দি ধন-সম্পত্তিত তেওঁ কি যে নিৰ্ভৰ কৰিছিল। সৰু, সৰু ভঁৰালবোৰ ভাঙি বৰ, বৰ ভঁৰাল তেওঁ সাজিছিল, অনেক বছৰলৈ জিৰাই হতাই তেওঁ খাব বুলি আশা কৰিছিল, কিন্তু কি হল বেচেৰা সেই ৰাতিয়েই সিপুৰীলৈ যাব লগীয়া হল। মূৰ্খৰ শেষ গতি তেঁনেকুৱাই হয়।

হিতোপদেশ ১১:৩০পদ, **ধাৰ্ম্মিকৰ ফল জীৱনদায়ক গছস্বৰূপ, আৰু যি জনে আনৰ আত্মা লাভ কৰে, সেই জনেই জ্ঞানৱান।** বহু বছৰৰ আগতে এখন পশ্চিমীয়া আগশাৰীৰ দেশত পালক, প্ৰচাৰক সকলৰ পুত্ৰ সকলৰ ক্ষেত্ৰত এটা সমীক্ষা চলোৱা হৈছিল কাৰণ পালক, প্ৰচাৰক সকলৰ পুত্ৰ সকলৰ ক্ষেত্ৰত কটো সমালোচনা চলিছিল। সমীক্ষাত পোৱা গৈছিল যে, কেইবা গৰাকী ৰাষ্ট্ৰপতি আৰু বহু কেইগৰাকী বিখ্যাত বিজ্ঞানী সফল পালক প্ৰচাৰকৰ পুত্ৰ আছিল। ভাল যত্ন



WORD RESOUNDS TODAY
www.Radio882.com

ল'লে পৰিত্ৰাণ প্ৰাপ্ত লোক সকলৰ পুত্ৰ সকল দেশৰ সুস্থ নাগৰিক হোৱাৰ লগতে দেশৰ নেতা স্বৰূপে দেশ খনৰ মঙ্গল সাধন কৰিব পাৰে। সেই কথা এই সমীক্ষাৰ পৰা উলাই পৰিছিল।

আজি যদি তাৰ ব্যতিক্ৰম ঘটিছে তেন্তে আমি জানিব লাগিব যে, আমি ঈশ্বৰৰ পবিত্ৰ বচনৰ আধাৰত গঢ় নিদি বিভিন্ন ধাৰণাৰ ওপৰত ভিত্তি কৰি লৰা-ছোৱালীবিলাকক গঢ় দিব চেষ্টা কৰি আছো। চাঁওকচোন আত্মা জয় কৰা জন বাস্তৱিকতে জ্ঞানী কাৰণ তেওঁৰ আত্মিক জ্ঞানে দেখা পায় যে, হেৰুৱা আত্মাক জয় নকৰিলে তেওঁ অনন্ত কালে নৰকত থাকিব লাগিব আৰু অনন্ত মৃত্যু ভোগ কৰিব লাগিব। ভাবিলেই গাৰনোম ডাল, ডাল হব লগীয়া কথা। প্ৰিয়শ্ৰোতা, আপুনি বাৰু প্ৰভু যীচু খ্ৰীষ্টক পাইছে নে তেনেহলে আপুনি এগৰাকী মিছনেৰী আৰু আপুনি লগ পোৱা প্ৰতি গৰাকী হেৰুৱা আত্মাই আপোনাৰ বাবে মিছন ফিল্ড বা আপোনাৰ কৰ্মক্ষেত্ৰ।

হিতোপদেশ ১১:৩১পদ পঢ়ি দিছো, **“চোৱা, পৃথিবীতে ধাৰ্ম্মিক লোকেও প্ৰতিফল পায়, তেন্তে কিমান অধিক পৰিমাণে দুৰ্জন আৰু পাপীয়ে পাব।** তাৰ মানে দুৰ্জন আৰু পাপীৰ বাবে সোধ-বিচাৰ আহিবই নহাকৈ কেতিয়াও নাথাকিব। এই বিষয়টো আমি সকলোৱে জনাটো ভাল। প্ৰিয়শ্ৰোতা আজিলৈ আমি আমাৰ আলোচনা সামৰিব খুজিছোঁ।

WORD RESOUNDS TODAY

**<u>পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:</u>**

১) দায়ূদৰ সেনাপতি কোন আছিল?

২) "অহঙ্কাৰ আহিলে, অপমানো আহে; কিন্তু প্ৰজ্ঞা নম্ৰলোকৰ সঙ্গী" এই পদটি কোনটো অধ্যায়ত উল্লেখ আছে?

৩) খালী ঠাই পূৰ কৰা: ধাৰ্ম্মিকৰ ফল জীৱনদায়ক__________।



www.Radio882.com

## হিতোপদেশ ১২নং অধ্যায়

আমি আজি হিতোপদেশ ১২ অধ্যায় আলোচনা কৰিবলৈ লৈছোঁ। আজি আলোচনা কৰিবলৈ লোৱা এই ১২ অধ্যায়টোত আমি এতিয়াও প্ৰজ্ঞাৰ মহাবিদ্যালয়তে আছোহঁক আৰু এতিয়াও আমি তাত নতুনকৈ ভৰ্ত্তি হোৱা ছাত্ৰ-ছাত্ৰীৰ দৰে হৈ আছো। কলেজীয়া শিক্ষা লাভ কৰাৰ আগ মূহুৰ্তত আমাক কিছুমান দৰকাৰী নিৰ্দেশ দিয়া হৈছে, যিবোৰ আমি পালন কৰা উচিত। এতিয়া প্ৰথম পদটোৰে সেই নিৰ্দ্দেশাৱলীৰ পাতনি মেলিছোঁহক, বাইবেলৰ পৰা পাঠ কৰি দিওঁ অনুগ্ৰহ কৰি চাই যাব, যদিহে লগত বাইবেল নাই অনুগ্ৰহ কৰি মনোযোগ দি শুনিব।

হিতোপদেশ ১২:১পদ, **"যি জনে শিক্ষা ভাল পায়, তেওঁ জ্ঞানকো ভাল পায়; কিন্তু যি জনে অনুযোগ ঘিণ কৰে, তেওঁ পশুতুল্য।"** প্ৰিয়শ্ৰোতা ইয়াত কোৱা হৈছে যে, যি জনে ঈশ্বৰৰ নিৰ্দ্দেশ ভাল পায় সেইজনে তেওঁৰ জীৱনৰ কাৰণে আটাইতকৈ মূল্যৱান বস্তুটো কি আৰু কিহৰ ওপৰত বেছি গুৰুত্ব দিব লাগে সেইটো সঠিককৈ নিৰূপণ কৰিব পাৰে। ঈশ্বৰৰ স্বৰ্গীয় নিৰ্দ্দেশাৱলী আমি বাইবেল শাস্ত্ৰত পাওঁ, এই নিৰ্দ্দেশাৱলী শুনাজনা আৰু পালন কৰাৰ মাজত এটা পাৰ্থক্য আছে। জানি পালন কৰিলেও সমস্যা আহেই,/1কিন্তু পালন কৰাটো নিতান্তই প্ৰয়োজন।

হিতোপদেশ ১২:২পদ, **"পঢ়ি দিছো শুনিব চোন, উত্তম লোকে যিহোৱাৰ পৰা অনুগ্ৰহ পায়; কিন্তু কুকল্পনা কৰোঁতাক তেওঁ দোষী কৰে।"** ঈশ্বৰৰ নিৰ্দ্দেশ সমূহ পালন কৰা লোকে অনন্ত কাললৈকে অনুগ্ৰহ পাই, কিন্তু ঈশ্বৰক বিশ্বাস নকৰা দুষ্ট লোক বিলাক ধনী, মানী মানুহ বিলাক আৰু মহান হলেও ঈশ্বৰৰ ন্যায় বিচাৰৰ পৰা হাৰি যাব নোৱাৰে। নিজ, নিজ দুষ্টতাৰ ফল এদিন তেওঁলোকে পাবই।

হিতোপদেশ ১২:৩পদ পঢ়িছোঁ, **"মানুহ দুষ্টতাৰ দ্বাৰাই সুস্থিৰ নহয়; কিন্তু ধাৰ্ম্মিকৰ মূল লৰচৰ নহব।"** প্ৰিয়শ্ৰোতা, এই পদটিৰ লগত সম্বন্ধ থকা প্ৰভু যীচুৰ দৃষ্টান্ত এটি আমি মথি ৭:২৪-২৭পদলৈকে পাওঁ, তাত দুজন মানুহৰ কথা কোৱা হৈছে তাৰে এজন জ্ঞানী আৰু আন জন মূৰ্খ, মূৰ্খজনে বালিৰ ওপৰত ঘৰ সাজে আৰু সামান্য ধুমুহা বতাহে সেই ঘৰ ভাঙি দিয়ে, কিন্তু জ্ঞানীজনে শিলৰ ওপৰত ঘৰ সাজে, এই শিলৰ দ্বাৰা প্ৰভু যীচু খ্ৰীষ্টক বুজোৱা হৈছে; যি জনে যীচুৰ ওপৰত নিজৰ জীৱন অৰ্পণ কৰিছে; তেওঁৰ ভেটি অতি সু-দৃঢ় লৰচৰ নোহোৱা।

হিতোপদেশ ১২:৪পদ, **"গুণৱতী স্ত্ৰী স্বামীৰ মুকুটস্বৰূপ; কিন্তু লাজ দিওঁতা তিৰোতা তেওঁৰ অস্থি ক্ষয়কাৰিণী যেন হয়।"** প্ৰিয়শ্ৰোতা, ডেকা সকলে বিবাহৰ বাবে যাতে উপযুক্ত পাত্ৰী বিচাৰিব পাৰে তাৰ বাবে নিৰ্দ্দেশ দিয়া হৈছে, বিবাহৰ বাবে গুণৱতী তিৰোতা বিচাৰি পোৱাটো অতি প্ৰয়োজন কাৰণ গুণৱতী তিৰোতা স্বামীৰ মুকুট স্বৰূপ। তেনে গুণৱতী তিৰোতা কিছুমানৰ বিষয়ে আমি বাইবেলৰ পুৰণি নিয়মত পাওঁ, নহয় নে বাৰু? যেনে হাৱা, তেওঁ অৱশ্যে সৰ্পৰ প্ৰলোভনত ভুল গৈছিল যদিও আদমৰ বাবে বৰ সহায়ক আৰু মধুৰ সঙ্গী আছিল, সেইদৰে চাৰাও অব্ৰাহামৰ বাবে সুন্দৰ সঙ্গীনী আছিল, আন এগৰাকী তিৰোতা হল মুচিৰ মাক যোকেবদক তেওঁ এগৰাকী লেখত লব লগীয়া তিৰোতা আছিল।



WORD RESOUNDS TODAY
www.Radio882.com

ইয়াৰ বিপৰীতে আমি বাইবেলতে আন কিছুমান তিৰোতাৰ বিষয়ে পাওঁ, যি সকলে গিৰিয়েকহঁতৰ হাড় ক্ষয় কৰিছিল; তাৰে এগৰাকী হল ইয়োবৰ ঘৈণীয়েক, ইয়োব বিপদত পৰোঁতে ঘৈণীয়েকে তেওঁক এৰি গৈছিল। আন গৰাকী হল দুষ্টা ঈজেবেলৰ মাক অথৰীয়া। এনেঁকুৱা অনেক উদাহৰণ আমি বাইবেল শাস্ত্ৰত পাওঁ, ইয়াৰ দ্বাৰা বিবাহৰ ক্ষেত্ৰত পাত্ৰী নিৰ্বাচন কৰোঁতে ডেকা সকলক সাৱধান হবলৈ কোৱা হৈছে। হিতোপদেশ ১২:৫ৰ পৰা ৭পদলৈকে পাঠ কৰি দিছোঁ শুনিব চোন, **"ধাৰ্ম্মিকবিলাকৰ সঙ্কল্পবোৰ ন্যায়; কিন্তু দুষ্টবোৰৰ মন্ত্ৰণা ছল মাথোন। ৰক্তপাত কৰিবলৈ থাপ দিয়াৰ বিষয়ে দুষ্টহঁতে কথা পাতে; কিন্তু সৰলবিলাকৰ মুখে তেওঁবিলাকক ৰক্ষা কৰে। দুষ্টবোৰ বিনষ্ট হৈ নাইকিয়া হয়: কিন্তু ধাৰ্ম্মিকবিলাকৰ ঘৰ-বাৰীথিৰে থাকে। ধাৰ্ম্মিক বিলাকৰ সঙ্কল্পবোৰ ন্যায়; কিন্তু দুষ্ট বোৰৰ মন্ত্ৰণা ছল মাথোন।"** প্ৰিয়শ্ৰোতা, ইয়াত দুষ্টৰ দ্বাৰা আইনহীন সকলক বুজোৱা হৈছে ঈশ্বৰ আইন শৃংখলাত বিশ্বাস কৰে। আইন ৰক্ষাৰ বিষয়ে ঈশ্বৰে বহুতো কথা কৈছে, আইনহীন লোক অস্থিৰ তেওঁলোকৰ মনৰ কল্পনাও বেয়া।

হিতোপদেশ ৮পদটো পঢ়িছোঁ, **"মনূষ্যই নিজ বুদ্ধি-কৌশল অনুসাৰে প্ৰশংসা পায়; কিন্তু কুটিল মনৰ লোক তুচ্ছনীয় হব।** প্ৰিয়শ্ৰোতা, কুটিল লোক যে সমাজৰ মাজত নিন্দনীয় এই কথা সঁচা, উদাহৰণ স্বৰূপে আমি গিদিয়োন আৰু তেওঁৰ পুত্ৰ অবিমেলকক লব পাৰোঁ। প্ৰজ্ঞা অনুসাৰে গিদিয়োন প্ৰশংসাৰ পাত্ৰ আছিল, কিন্তু তেওঁৰ পুত্ৰ অবিমেলক নিন্দনীয় আছিল।

হিতোপদেশ ১২:৯পদ**, "দাস থকা সামান্য লোক খাবলৈ নাইকিয়া আত্মগৰ্ব্বী লোকতকৈ উত্তম।"** প্ৰিয়শ্ৰোতা, সহজ কথাত কবলৈ গলে, খাবলৈ নাপাই ধুনপেচ কৰি ফুৰা লোকতকৈ পৰিশ্ৰম কৰি নিজৰ পেটৰ ভাত নিজে গোটোৱা লোক উত্তম। লাগিলে তেনে লোক হীনেই হওক বা দাসে হওক। ঈশ্বৰৰ দৃষ্টিত তেনে লোকৰ মৰ্য্যদা বহুগুণে বেছি।

হিতোপদেশ ১২:১০পদ**, "ধাৰ্ম্মিক লোকে নিজ পশুৰ প্ৰাণলৈ চিন্তা কৰে; কিন্তু দুষ্টবোৰৰ দয়া নিষ্ঠুৰতাযুক্ত।"** এই কথা সঁচা যে, ধাৰ্ম্মিক অৰ্থাৎ ঈশ্বৰক ভয় কৰা লোকে মানুহক প্ৰেম কৰাৰ উপৰিও নিজৰ পশুকো মৰম কৰে আৰু সিবিলাকৰ যত্ন লয়।

হিতোপদেশ ১২:১১পদ, **"যি মানুহে নিজৰ মাটি চহায়, তেওঁ জোৰাওকৈ আহাৰ পায়; কিন্তু যি মানুহ অসাৰ লোকবিলাকৰ অনুগামী, তেওঁ জ্ঞানশূন্য।"** ইয়াৰ দ্বাৰা কোৱা হৈছে যে, যি লোকে নিজৰ কাম পৰিশ্ৰম আৰু মনোযোগেৰে কৰে তেওঁ খাবলৈ পায় । কিন্তু লৰি ফুৰা আৰু মনোযোগেৰে নিজৰ কাম নকৰা মানুহ অভাৱত পৰে ।

হিতোপদেশ ১২:১২ৰ পৰা ১৫পদলৈকে পাঠ কৰি দিম, **"দুষ্টই দুৰ্জনবোৰৰ জাললৈ ইচ্ছা কৰে ; কিন্তু ধাৰ্ম্মিকবিলাকৰ মূল ফলদায়ক । দুৰ্জনৰ মুখৰ অপৰাধত তেওঁলৈ ফান্দ থাকে; কিন্তু ধাৰ্ম্মিক সংস্কটৰ পৰা সাৰে। মানুহে নিজৰ মুখৰ ফলৰ দ্বাৰাই মঙ্গলত তৃপ্ত হয়, আৰু মানুহৰ হাতে কৰা কৰ্ম্মৰ ফল তালৈ হয়, অজ্ঞানৰ পথ তেওঁৰ নিজৰ দৃষ্টিত সৰল; কিন্তু জ্ঞানী জনে পৰামৰ্শ শুনে।"** এই পদকেইটা বুজিবলৈ আমি যদি বাইবেলত উল্লেখ থকা ৰহবিয়ামক উদাহৰণ স্বৰূপে লওঁ তেন্তে ভাল হব, তেওঁ চলোমনৰ পুত্ৰ, চলোমনৰ মৃত্যুৰ পাছত তেওঁ পিতৃৰ সিংহাসনত বহিছিল। তেওঁ নিৰ্বোধ আছিল আৰু ৰাজ সভাৰ বৃদ্ধ সকলৰ পৰামৰ্শলৈ তেওঁ কাণ দিয়া নাছিল। তাৰ ফল স্বৰূপে তেওঁৰ ৰাজ্যত যুদ্ধ হৈছিল আৰু তেওঁৰো পতন হৈছিল।



WORD RESOUNDS TODAY
www.Radio882.com

হিতোপদেশ ১২:১৭ আৰু ১৮পদ পঢ়ি দিছোঁ, **"যি সত্যবাদী, তেওঁ ন্যায় কথা প্ৰকাশ কৰে; কিন্তু মিছা সাক্ষীয়ে প্ৰবঞ্চনাৰ কথাহে কয়। কোনো কোনোৱে অবিবেচনা ৰূপে অস্ত্ৰাঘাত-স্বৰূপ কথা কয়; কিন্তু জ্ঞানৱান বিলাকৰ জিবা সুস্থজনক।"** প্ৰিয়শ্ৰোতা, এই কথা অৱশ্যে সঁচা যে, কিছুমানৰ কথাই বিশাদেৰে ভৰা মনত সান্ত্বনা দিয়ে, কিন্তু আন কিছুমানৰ কথাই ভাল মনতো বিশাদেৰে ভৰপুৰ কৰে। আমাৰ খ্ৰীষ্টিয় পৰিচৰ্যাত থকা মানুহে এই কথাটো ভালদৰে জানিব লাগে, দুখী মানুহক কটু কথা কোৱাৰ পৰা বিৰত থাকিব লাগে। অৰ্থাৎ সকলোৰে প্ৰতি প্ৰেমভাৱ থাকিব লাগে। তেতিয়া হলে দুখ বেদনাত থকা আৰু পাপ কৰি অনুতপ্ত হোৱা মানুহে মনৰ কথা খুলি কবলৈ সাহস কৰিব। তাকে নকৰি আমি যদি দোষ বিচাৰি ফুৰোঁ, তেন্তে কোনো মানুহ আমাৰ ওচৰলৈ নাহিব, মনৰ কথা কোৱাটো দূৰৈৰ কথা।

হিতোপদেশ ১২:১৯ৰ পৰা ২১পদলৈকে পাঠ কৰি দিছোঁ, **"সত্যবাদী ওঁঠ চিৰকাললৈকে থিৰে থাকে; কিন্তু মিছা কোৱা জিবা খন্তেকীয়া। কুকল্পনাকৰোঁতাবোৰৰ মনত ছল থাকে; কিন্তু শান্তিৰ পৰামৰ্শ দিওঁতাবিলাকৰ আনন্দ হয়। ধাৰ্ম্মিক জনলৈ কোনো আপদ নঘটে: কিন্তু দুষ্টবোৰ দুৰ্গতিৰে পৰিপূৰ্ণ হয়।"** এই পদ কেইটিত জিভা আৰু ওঁঠৰ বিষয়ে পুনৰ কোৱা হৈছে, জিভা আৰু ওঁঠেৰে আমি নিজৰ আৰু আনৰ কাৰণে মঙ্গলো কৰিব পাৰোঁ আৰু বিপদো মাতিব পাৰোঁ। জিভা আৰু ওঁঠৰ বিষয়ে ঈশ্বৰৰ বাক্যত বহু কথা কোৱা হৈছে,এই জিভা আৰু ওঁঠৰ যদি আমি বেয়া ব্যৱহাৰ কৰোঁ তেন্তে তাৰ সোধ-বিচাৰ ঈশ্বৰে নকৰাকৈ নাথাকে । এইটো আচৰিত কথা যে, মদ খোৱাৰ বিৰুদ্ধে বাইবেলত যিমান কথা কোৱা হৈছে, মিছা কথা কোৱা বিৰুদ্ধে তাতকৈ বেছি কথা কোৱা হৈছে। তথাপিতো আজি আমাৰ মণ্ডলী আৰু সমাজত মদপী মানুহক যিমান বেয়া পোৱা হয়, মিছা কোৱা মানুহক সিমান বেয়া পোৱা নাযায়। কিন্তু ঈশ্বৰৰ দৃষ্টিত মদখোৱাতকৈ মিছা কথা কোৱা বেছি গুৰুতৰ অপৰাধ বুলি আমি বুজি পাওঁ। এই কথাটো আমি জনা দৰকাৰ।

হিতোপদেশ ১২:২২পদ, **"মিছা কোৱা ওঁঠ যিহোৱাৰ ঘিণলগীয়া; কিন্তু সত্য আচৰণ কৰোঁতাবিলাক তেওঁৰ প্ৰিয়।** ইয়াৰ দ্বাৰাই কোৱা হৈছে যে, সত্যবাদিতা এনে এটা বৈশিষ্ট্য যে যাৰ দ্বাৰাই কোনো এজন লোক ঈশ্বৰৰ প্ৰকৃত সন্তান হয় নে নহয় তাক জানিব পাৰি। তদুপৰি সত্যবাদি লোক ঈশ্বৰৰ অতি প্ৰিয়।"

হিতোপদেশ ১২:২৩পদ, **"বুদ্ধিমান লোকে জ্ঞান লুকুৱাই ৰাখে; কিন্তু অজ্ঞানবোৰৰ মনে অজ্ঞানতা প্ৰকাশ কৰে।"** প্ৰিয়শ্ৰোতা, বুদ্ধিমান লোকৰ এটি সুন্দৰ পৰিচয় হল যে, তেওঁ সমাজৰ আগত কোনো মানুহক অপমান নকৰে। আৰু অনাহকত কটু কথা কয় আনক আঘাত নিদিয়ে, আপুনি নিশ্চয় দেখিছে যে, মেল-মিটিংত কিছুমান মানুহে আনৰ বিৰুদ্ধে ছালে বেৰে কোবোৱা কিছুমান কথা কয়, তেতিয়া সেই সকল মানুহ তাত নাথাকে কিন্তু আগত হলে একো ক'ব নোৱাৰে; এইয়া হল মূৰ্খৰ চিনাকি।

**হিতোপদেশ ১২:২৪পদ, "পৰিশ্ৰমীবিলাকৰ হাতে প্ৰভুত্ব কৰিবলৈ পায়; কিন্তু এলেহুৱা লোকক ভাৰী ধৰা যায়।"** আজি আমাৰ সমাজত অৱশ্যে ইয়াৰ ওলোটাটোহে দেখা যায়, পৰিশ্ৰমী সকলৰ পৰিবৰ্তে আন কিছুমানেহে সমাজৰ নেতা হবলৈ আগবাঢ়ি যোৱাটো আমি দেখিবলৈ পাই আহিছোঁ। কিন্তু আমি যদি সমাজত আগস্থান পাব বিচাৰোঁ তেন্তে পৰিশ্ৰমী হব



WORD RESOUNDS TODAY

www.Radio882.com

লাগে। কাৰণ ঈশ্বৰৰ সন্তানৰ লক্ষ্য মাত্র জাগতিক নহয়। ই পাৰমাৰ্থিক আৰু অনন্তকলীয়া মৃত্যুৰ পাছত আমি এই সন্মান নিশ্চয় পাম কাৰণ হিতোপদেশ পুস্তকত উল্লেখ কৰা প্ৰায়বোৰ যশস্যা এই জীৱনৰ পৰিবৰ্তে অনন্ত কালক উদ্দেশ্য কৰি কোৱা হৈছে ।

আনকি আমাক কোৱা হৈছে যে, আমি খ্ৰীষ্টৰ লগত একেলগে শাসন কৰিম, কিন্তু সকলো বিশ্বাসকাৰী লোকে শাসনৰ দায়িত্ব পাব বুলি বাইবেলে হলে কোৱা নাই। তাৰ মানে কিছুমান বচা, বচা বিশ্বাসী লোকে এই সন্মান পাব। আমি ব্যক্তিগত ভাৱে অৱশ্যে শাসক হবলৈ লাজ পাওঁ, কাৰণ শাসক হলে লূক, যোহন, পৌলহঁতৰ দৰে পাঁচনি সকলৰ লগত ওথ আসনত বহিব লাগিব। তেতিয়া নিশ্চয় আমাৰ বৰ লাজ লাগিব সেই কাৰণে আমি হলে তেনেদৰে তেখেত সকলৰ ওচৰত বহিব নিবিচাৰোঁ। কিন্তু আপুনি যেন, শাসকৰ সন্মান পায় এইটো হলে আমি কামনা কৰোঁ।

হিতোপদেশ ১২:২৫ আৰু ২৬পদ, **" মানুহৰ মনৰ দুখে মনক দোঁখুৱায়; কিন্তু মঙ্গলৰ বাক্যই তেওঁক আনন্দিত কৰে। ধাৰ্ম্মিক লোক পৰৰ পথদৰ্শক হয়; কিন্তু দুষ্টবোৰৰ পথে সিবিলাকক ভ্ৰান্ত কৰে।"** প্ৰিয়শ্ৰোতা,ইয়াৰ সহজ অৰ্থটো এনে ধৰণৰ ধাৰ্ম্মিক লোকে ওচৰ-চুবুৰীয়াৰ বুজ-বিচাৰ লয় আৰু তেওঁলোকক সহায় কৰিবলৈ ভাল পায়। কিন্তু দুষ্ট লোকে হলে ওচৰ-চুবুৰীয়াক আঘাত কৰিব বিচাৰে। জ্ঞানী লোকে চুবুৰীয়াৰ বিবাদ জ্ঞানেৰে মীমাংসা কৰে, কিন্তু দুষ্ট লোকে বিবাদক হলে বঢ়ায়। ইয়োবে কৈছিল, ন্যায় কথা কেনে বলৱান তাৰ মানে ন্যায় কথা বিপদত পৰা, শোকাতুৰ হোৱা, আঘাতিত লোকক সান্ত্বনা আৰু উৎসাহ দিয়ে। সেই কাৰণে তেনে লোকক আমি কেতিয়াও কটু কথা ক'ব নালাগে, কিন্তু যি পাৰোঁ সহায় কৰিব লাগে।

আপোনাৰ নিশ্চয় মনত আছে যে, নাথন দায়ূদৰ উত্তম বন্ধু আছিল কিন্তু দায়ূদ মহান ৰজা আছিল, তথাপিতো দায়ূদে যেতিয়া মহা পাপ কৰিছিল তেতিয়া নাথনে সাহসেৰে সেই দোষ আঙুলিয়াই দি কৈছিল, আপুনিয়েই সেই পাপী মানুহ জন; নাথনৰ এই সাহসী আৰু ন্যায়ৰ কথাই দায়ূদৰ চকু মুকলি কৰিছিল আৰু তেওঁ নিজৰ অপৰাধ বুজি পাই সেই পাপৰ পৰা চিৰদিনৰ বাবে আঁতৰি আহিছিল। ইয়াৰ পৰা আমি বুজিব পাৰোঁ যে, প্ৰেম আৰু ন্যায়েৰে যি জনে আমাক সংশোধন কৰে,সেই জনেই আমাৰ আচলতে উত্তম বন্ধু।

এগৰাকী বিখ্যাত বাইবেল শিক্ষকে কৈছে যে, এজন মানুহে তেওঁক গোটেই জীৱন জুৰি তেখেতক মৰম আৰু সহায় কৰি আছিল, সেই মানুহ জন তেখেতৰ পৰম বন্ধু আছিল আৰু আনহাতে অতি কম বয়সতে এটি ডাঙৰ মণ্ডলীৰ পালক হবলৈ তেওঁ সক্ষম হৈছিল। সেই মণ্ডলীৰ সকলো মানুহ তেখেতৰ প্ৰতি মৰমীয়াল আৰু সহানুভূতিশীল আছিল, সেই সময়ছোৱাতে তেখেতে এখন ডাঙৰ খ্ৰীষ্টিয় সভালৈ গৈছিল, তাত সেই মহান শিক্ষক এজনে যেনেকুৱা ভাব-ভঙ্গিমাৰে শিক্ষা দিছিল সেইবোৰ চাই সেই শিক্ষকজনে শিক্ষকজনৰ প্ৰতি বৰ আকৰ্ষিত হৈছিল আৰু নিজেও তেনেকুৱা ভাব-ভঙ্গিমাৰে শিক্ষা দিবলৈ আৰম্ভ কৰিছিল । অৰ্থাৎ কথা-বতৰা, চাল-চলন সকলোতে তেখেতে সেই শিক্ষকৰ নিচিনা কৰিবলৈ চেষ্টা কৰিছিল । এই কথা মণ্ডলীৰ সকলোৱে লক্ষ্য কৰিছিল কিন্তু কোনেও একো কোৱা নাছিল, কিন্তু তেখেতৰ পৰম বন্ধু সেই ব্যক্তিজনে অকলশৰে তেখেতক কৈছিল, তুমি কোনো এজনৰ নকল হোৱাতকৈ; তুমি, তুমিয়েই নোহোৱা



WORD RESOUNDS TODAY

www.Radio882.com

কিয়? তুমি প্ৰকৃত তুমি হোৱাটোহে মই বিচাৰোঁ। তাৰ মানে কৈছিল, তুমি আনক দেখুৱাবলৈ কাকো নকল নকৰিবা এই কথা শুনি সেই শিক্ষক জনৰ মনলৈ সচেতনতা আহিল আৰু তেখেতে আগৰ ধ্যান ধাৰণা সলনি কৰি, নিজৰ ঠাচ আৰু ভাব-ভঙ্গিমাৰে চলিবলৈ আৰু শিক্ষা দিবলৈ আকৌ আৰম্ভ কৰিলে। আৰু তেখেতে এজন প্ৰকৃত ব্যক্তি হিচাপে পৰিচিত হল যি জনৰ দ্বাৰাই প্ৰস্তুত হোৱা ধাৰাবাহিক, আলোচনাবিলাক আজি আপুনি এই ভক্তি বচনৰ যোগেদি শুনিবলৈ পায় আছে। এই কাৰণে তেখেতে উপলব্ধি কৰিছে যে, ন্যায় কথা কিমান বলৱান, ন্যায়বান মানুহে ওচৰ-চুবুৰীয়াৰ বুজ-বিচাৰ লয় আৰু তেওঁলোকক সহায় কৰিবলৈ নিৰ্ভয়ে ন্যায় কথা কয় কিন্তু দুষ্টবোৰৰ কথাই ওচৰ-চুবুৰীয়াক বিপদত পেলায়।

আমাৰ সমাজত আজি হাঁহি, হাঁহি মতা আৰু ৰেপি, ৰেপি কটা মানুহৰ অভাৱ নাই। এইয়া হল দুষ্টলোকৰ এটি বিশেষত্ব তেওঁলোক পিঠিত কোব মাৰি মাৰি মুখেৰে সুন্দৰ কথা কৈ সান্ত্বনা আৰু উৎসাহ দিয়ে, কিন্তু পাছ মূহুৰ্ততে বিপদত পেলাবলৈ চক্ৰান্ত কৰে। এই হিতোপদেশে আজি আপোনাক এই কথা কৈছে, নিজকে এবাৰ পৰীক্ষা কৰি চাবলৈ কৈছে, ওচৰ-চুবুৰীয়াৰ প্ৰতি আপোনাৰ মনোভাৱ কেনেকুঁৱা, আপোনাৰ মুখৰ কথাই তেওঁলোকক সহায় কৰে নে বিপদত পেলাই। প্ৰজ্ঞাৰ দৃষ্টিত আপুনি জ্ঞানী নে মূৰ্খ এই কথা প্ৰতিজন ব্যক্তিৰ জীৱনত পৰীক্ষা কৰি চাবলৈ কোৱা হৈছে। আৰু আমি যদি সঁচাকৈ জ্ঞানী হওঁ তেন্তে আমাৰ সমাজত, পৰিয়ালত আৰু মণ্ডলীত কোনো ধৰণৰ কন্দল আৰু খেলি-মেলি নিশ্চয় কেতিয়াও নহব।

হিতোপদেশ১২:২৭পদ, **"এলেহুৱাই মৃগয়াত ধৰা পশু পাক নকৰে; কিন্তু পৰিশ্ৰমী লোকে মানুহৰ বহুমূল্য বস্তু লাভ কৰে।"** প্ৰিয়শ্ৰোতা, এই পদটিৰ আচল কথা খিনি বৰ হাঁহি উঠা হলেও কিন্তু মিছা নহয়, এনেকুঁৱা এলেহুৱা মানুহ আমাৰ মাজত আছে যিয়ে স্বীকাৰ কৰি হৰিণা মাৰে কিন্তু ঘৰলৈ আনি ছাল বখলিয়াই সিজাই খাবলৈ হলে বৰ এলাহ কৰে। এনেকুঁৱা এলেহুৱা মানুহ আপুনি দেখিছে নে বাৰু? নেদেখিলেও কিন্তু এনেকুঁৱা মানুহ আছে। এনে মানুহ স্বাভাৱিকতে অভাৱত পৰে আৰু নিজৰ বহুমূলীয়া বস্তু নষ্ট হৈ যায় কিন্তু পৰিশ্ৰমী মানুহ নিজৰ বস্তু যতন কৰি ৰাখে, নষ্ট হবলৈ নিদিয়ে, তেনে লোক স্বাভাৱিকতে সম্পত্তিশালী, চহকী হয়, আৰু নতুন, নতুন বস্তু পাবলৈ সক্ষম হয়।

এটি উদাহৰণেৰে পৰিশ্ৰমী মানুহৰ কথাটো বুজিবলৈ চেষ্টা কৰো আহক, ৰূথৰ কথাটো আপুনি নিশ্চয় জানে, তেওঁ পথাৰত শস্য বুটলিবলৈ গৈছিল আৰু বোৱজে শস্য কাটি থকা ঠাইত তেওঁৰ পাছে, পাছে শস্য বুটলিছিল। বোৱজ ৰূথৰ প্ৰতি সহানুভূতিশীল আছিল আৰু তেওঁ যাতে বেছিকৈ শস্য পায় সেই কথা চিন্তা কৰিছিল। সেই কাৰণে ৰূথে সৰহ শস্য বুটলিবলৈ পাইছিল আৰু বুটলা শস্যবিলাক অতি যত্ন কৰি ঘৰলৈ আনি মৰণা মাৰিছিল। তাকে নকৰি তেওঁ নিশ্চয় বুটলা শস্য খিনি আনি শাহুৱেক নয়মীৰ আগত পেলাই দি গৌৰৱেৰে ক'ব পাৰিলেহেঁতেন চাওক মই আজি কিমান শস্য পাইছোঁ, এইখিনি আপুনি এতিয়া মাৰি গুটি উলিয়াব পাৰে। এই মূৰ্খামি ৰূথে কৰা নাছিল বৰং নিজে বুটলি অনা শস্য অতি যত'নেৰে ৰাখিছিল। ইয়াৰ দ্বাৰাই আমি বুজিব পাৰোঁ ৰূথ কেনে পৰিশ্ৰমী আছিল। সেই কাৰণে তেওঁ চহকী নহলেও খাবলৈ নোপোৱা হোৱা নাছিল। আমি সকলোৱে ৰূথৰ পৰিশ্ৰমক উদাহৰণ স্বৰূপে লব লাগে।



WORD RESOUNDS TODAY
www.Radio882.com

আমি আমাৰ নিজ, নিজ পৰিয়ালতো সামান্য পৰিশ্ৰম কৰি বস্তুবিলাক যদি ভালদৰে পৰিপাটিকৈ থওঁ, তেন্তে সেইবিলাক নষ্ট নোহোৱাকৈ থাকিব। নিজ, নিজ কামত সকলো বস্তুৱে দৰকাৰ, বুটাম লগাবলৈ বেজীটো নহলেই নহয়, সেইটোকে যদি বিচৰা সময়ত পোৱা নাযায় তেন্তে ঘৰত বেজীটো থাকিলেও বা লাভ কি? কিন্তু সকলো বস্তুৰ পৰা আমি যদি উপযুক্ত উপকাৰ পাব পাৰোঁ, সেই বাবে সকলো বস্তু যত্ন কৰি ৰাখিব লাগে নহয় নে বাৰু। এইবাৰ আমি এই ১২ অধ্যায়ৰ

একেবাৰে শেষৰ পদটো অৰ্থাৎ হিতোপদেশ ১২:২৮পদটো পাঠ কৰি দিব খুজিছোঁ শুনিব চোন ইয়াত লিখা আছে, **"ধাৰ্ম্মিকতাৰ পথত জীৱন থাকে, আৰু তেওঁৰ গমনৰ পথত মৃত্যু নাই।** প্ৰিয়শ্ৰোতা,ইয়াত যি জীৱনৰ কথা কোৱা হৈছে, এই জীৱন মাত্ৰ পাৰ্থিৱ জীৱনে নহয়, কিন্তু এই জীৱন হৈছে অনন্ত জীৱন; কেতিয়াও শেষ নোহোৱা জীৱন। তাৰ মানে পাৰ্থিৱ মৃত্যুৱে এই জীৱনৰ শেষ নহয়।" মৃত্যুৰ পাছতো অনন্ত কাললৈ এই জীৱন থাকে, আনহাতে যি ধাৰ্মিকতা এইয়াও ভাল কাম বা বিধান পালন কৰি অৰ্জন কৰা আমাৰ নিজৰ ধাৰ্ম্মিকতা নহয়। এইয়া হল প্ৰভু যীচু খ্ৰীষ্টৰ ধাৰ্ম্মিকতা অৰ্থাৎ প্ৰভু যীচু খ্ৰীষ্টক হৃদয়েৰে বিশ্বাস কৰি তেওঁৰ ধাৰ্ম্মিকতাৰে যদি আমি ধাৰ্ম্মিক হওঁ, তেন্তে আমি অনন্ত জীৱন লাভ কৰোঁ; তেন্তে আমাৰ অনন্ত জীৱন আছে, তাৰ মানে পাৰ্থিৱ মৃত্যুৰ পাছতেই আন এটি জীৱন আছে, যি জীৱনৰ কেতিয়াও শেষ নাই।

এই জীৱন যদি আপুনি লাভ কৰিবলৈ ইচ্ছা কৰে তেন্তে প্ৰভু যীচু খ্ৰীষ্টত বিশ্বাস কৰক; প্ৰজ্ঞাই আপোনাক এই কথা কৈছে, আপোনাৰ মতামত আমাক জানিবলৈ দিব। আজি আমি ১২অধ্যায় আলোচনা কৰি শেষ কৰিলোঁ, আশা কৰোঁ ইয়াৰ যোগেদি আপুনি আত্মিকভাৱে নিশ্চয় কিবা এটা নহয় কিবা কথা শিকিব পাৰিছে। পৰৱৰ্ত্তী অনুষ্ঠানত আমি ১৩ অধ্যায়ৰ আলোচনা কৰিম তাতো ঈশ্বৰে নিশ্চয় আপোনাক বহুমূলীয়া কথা ক'ব। আপুনি নুশুনাকৈ নাথাকিব, আজিলৈ আমাৰ সময় হল আলোচনাটি ইমানতে সামৰিছোঁ। ঈশ্বৰে আমাৰ সকলোকে আশীৰ্বাদ কৰক, আমেন।

**<u>পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:</u>**

1. মোচিৰ মাকৰ নাম কি আছিল ?
2. ৰূথৰ শাহুৱেকৰ নাম কি আছিল ?
3. খালী ঠাই পূৰ কৰা: মিছা কোৱা ওঁঠ যিহোৱাৰ______________ ।



WORD RESOUNDS TODAY
www.Radio882.com

হিতোপদেশ ১৩ অধ্যায়

প্ৰিয় শ্ৰোতা, আপুনি বাৰু আমাৰ এই ভক্তি বচন অনুষ্ঠানটো নিয়মিত ভাবে শুনি আছেনে? আমি বাৰু এতিয়া বাইবেলৰ কোনখন পুস্তক অধ্যয়ন কৰি আছো, আপোনাৰ মনত আছেনে? আমি এতিয়া বাইবেলৰ পুৰণি নিয়ম খণ্ডৰ হিতোপদেশ নামৰ পুস্তকখনৰ পৰা অধ্যয়ন চলাই আছো নহয় নে বাৰু? আজি অনুষ্ঠানত আমি এই হিতোপদেশ পুস্তকৰ ১৩ অধ্যায়ৰ আৰম্ভণিৰ পৰা শেষলৈকে আলোচনা কৰিবলৈ ওলাইছোঁ।

এতিয়াও আমি প্ৰজ্ঞাৰ কলেজত প্ৰথম বাৰ্ষিকতে আছোঁ। তথাপিতো আমাৰ প্ৰত্যেকৰ জীৱনৰ বাবে সৰু, সৰু অথচ অতি মূল্যবান কথা আমি ইয়াত জানিব পাৰিম। এই শিক্ষাবোৰ যদি আমি বাস্তৱ জীৱনত প্ৰয়োগ কৰিব পাৰো তেন্তে আমাৰ জীৱন নিশ্চয় ধন্য হব, আমাৰ জীৱন নিশ্চয় সফল হব। কাৰণ মনত ৰাখিব যে, প্ৰতিদিনৰ সৰু, সৰু কৰ্মৰাজি পঞ্জীভূত হয়হে মহান চৰিত্ৰ গঠন কৰে। গতিকে প্ৰজ্ঞাৰ শিক্ষা আমাৰ দৃষ্টিত জনা শুনা বিধৰ হলেও ইয়াক যেন আমি অৱহেলা নকৰো, ইয়াৰ প্ৰতি আমি অধিক যত্নৱান হোৱা উচিত। এতিয়া আমি হিতোপদেশ পুস্তকৰ ১৩ অধ্যায়ৰ প্ৰথম পদটি পাঠ কৰিব খুজিছোঁ যদিহে লগত বাইবেল আছে চাই যাব আৰু, যদিহে লগত বাইবেল নাই অনুগ্ৰহ কৰি মন দি শুনিব, পাঠ কৰি দিছোঁ,

হিতোপদেশ ১৩:১পদ, **"জ্ঞানৱান পুত্ৰই পিতৃৰ কথা শুনে; কিন্তু নিন্দকে অনুযোগলৈ কাণ নিদিয়ে।"** প্ৰিয়শ্ৰোতা, নিজ পিতৃৰ কথা শুনাত কেনে আশীৰ্ব্বাদ আছে সেই বিষয়ে আমি মাজে সময়ে কৈ আহিছো তথাপিতো আমি আগতে আলোচনা কৰি অহা কেইজনমান ব্যক্তিৰ জীৱনৰ যোগেদি যদি ইয়াৰ উদাহৰণ বিচাৰো তেন্তে বুজি পোৱাত নিশ্চয় সহজ হব।

চলোমন আৰু দায়ূদৰ কথা আপুনি নিশ্চয় মনত পেলাব পাৰে, চলোমন দায়ূদৰ পুত্ৰ আছিল হয় কিন্তু তেওঁ দায়ূদৰ বৰ প্ৰিয় পুত্ৰ আছিল বুলি আমি হলে দাবী ক'ব নোৱাৰো। হলেও চলোমন দায়ূদৰ বাধ্য আছিল আৰু দায়ূদৰ কথা শুনিছিল। সেই কাৰণে চলোমন এজন ডাঙৰ ৰজা হব পাৰিছিল। তেওঁৰ শিক্ষাটি আজিও মাৰ যোৱা নাই। আনহাতে চলোমনৰ পুত্ৰ ৰহবিয়াম অবাধ্য আছিল আৰু পিতৃৰ কথা নুশুনিছিল সেই কাৰণে তেওঁৰ জীৱনলৈ অন্ধকাৰ নামি আহিছিল। চলোমন আৰু ৰহবিয়ামক আমাৰ উদাহৰণ হিচাপে লৈ আমি পিতৃৰ বাধ্য হম নে নহম এই কথা নিৰ্ণয় কৰি লব পাৰো। যদি আপুনি তেওঁ লোকৰ বিষয়ে বিস্তাৰিত ভাবে জানিব বিছাৰে তেন্তে ২চমূৱেল আৰু ৰাজাৱলি পুস্তক পঢ়ি চাওক।

এতিয়া হিতোপদেশ ১৩:২-৩পদ দুটি পঢ়িম, **"মানুহে নিজৰ মুখৰ ফলৰ দ্বাৰাই মঙ্গল ভোগ কৰে; কিন্তু বিশ্বাস-ঘাতকবোৰৰ প্ৰাণে অত্যাচাৰ ভোগ কৰে। যি মানুহে নিজৰ মুখ চম্ভালে, তেওঁ নিজ প্ৰাণ ৰক্ষা কৰে। কিন্তু কথা কবলৈ যি কোনোৱে মুখ বহলকৈ মেলে, তেওঁৰ সৰ্ব্বনাশ হয়।"** প্ৰিয় শ্ৰোতা, আমাৰ ভাষাত এটা ফকৰা যোজনা আছে, "কথাতে কটা যায় আৰু কথাতে বঁটা পায়" অৰ্থাৎ কথাৰ দ্বাৰা ভাল ফল ভোগ কৰিব পাৰি আৰু কথাৰ দ্বাৰাই অত্যাচাৰো পাব পাৰি। আজি কালি আমাৰ সমাজত এবিধ কথা বৰকৈ প্ৰচলিত হোৱা দেখা



WORD RESOUNDS TODAY
www.Radio882.com

যায়, যাক পৰচৰ্চ্চা বুলি কোৱা হয়। পৰচৰ্চ্চা কি আপুনি নিশ্চয় জানে, আচলতে ই হল মূৰ্খ কথা । বিভিন্ন ৰূপত আমি পৰচৰ্চ্চা শুনিবলৈ পাওঁ, ভদ্ৰপৰিচৰ্যাকাৰীৰ মুখতো আমি এনেকুৱা পৰচৰ্চ্চা শুনিবলৈ পাওঁ। আনকি মণ্ডলীতো আমি পৰচৰ্চ্চা শুনিবলৈ পাওঁ। কিন্তু পৰচৰ্চ্চাৰ ধৰণ যিয়েই নহওক কিয়, ঈশ্বৰ দৃষ্টিত ই এক অপৰাধ আৰু নিজৰ কাৰণেও হানি কাৰক। সেই কাৰণে পৰচৰ্চ্চাৰ পৰা আমি আঁতৰি থাকিব লাগে।

আজিকালি যৌন ব্যভিচাৰৰ ক্ষেত্ৰত অতিমাত্ৰা পৰচৰ্চ্চা শুনিবলৈ পোৱা যায়। কিন্তু এই ধৰণৰ পৰচৰ্চ্চাই কাকো অলপো সহায় নকৰে, বৰঞ্চ আচলতে ক্ষতিহে কৰে। বহু সময়ত শুনা যায় আমুকে আমুকাক লৈ পলাই গল বা আমুক লৰা বা আমুকী ছোৱালী ব্যভিচাৰত পৰিছে এই বিলাক পোনপটিয়াকৈ নহলেও আওপকিয়াকৈ পৰচৰ্চ্চাৰ ফল বুলিয়ে আমি ক'ব পাৰো। পৰচৰ্চ্চা নকৰি যদি আমি যোৱা অনুষ্ঠানত কোৱাৰ দৰে ন্যায়ভাৱে কথা কলোহেঁতেন তেন্তে ইজনে সিজনক সহায় কৰা হলহেঁতেন। বাৰু যিকি নহওক পৰচৰ্চ্চা যাতে আমাৰ পৰা আঁতৰত থাকে তাৰ বাবে ডেকা সকলক সাৱধান কৰি দিয়া হৈছে।

হিতোপদেশ ১৩:৪ পদটো পঢ়ি দিছো, এলেহুৱাৰ প্ৰাণে ইচ্ছা কৰিও একো নাপায়; কিন্তু পৰিশ্ৰমীবিলাকৰ প্ৰাণ পৰিতৃপ্ত হয়। প্ৰিয়শ্ৰোতা, এই কথাকে পাঁচনি পৌলে থিচলনীকীয়া সকলক লিখা প্ৰত্ৰৰ, ৩ অধ্যায়ৰ ১০ পদেটোত এনে দৰে কৈছে, **"কিয়নো কাম কৰিবলৈ যদি কোনোৱে অসন্মত হয়, তেন্তে তেওঁ আহাৰো নকৰক, এই বুলি তোমালোকৰ মাজত থাকোঁতেই, আমি তোমালোকক আদেশ দিছিলোঁ**(২থিচলনীকীয়া ৩:১০পদ)। কিন্তু কিছুমান অতি ধাৰ্ম্মিক মানুহে কবলৈ ইচ্ছা কৰে যে আমি যিহেতু ঈশ্বৰৰ ওপৰত নিৰ্ভৰ কৰিছোঁ, গতিকে কাম নকৰিলেও হ'ব, ঈশ্বৰে আমাক সকলো যোগাব। এইবিলাক হল এলেহুৱাৰ কথা কিন্তু ঈশ্বৰে হলে কৈছে, এলেহুৱাই আহাৰ নকৰক আৰু এলেহুৱাৰ প্ৰাণে ইচ্ছা কৰি একো নাপাই, সেই কাৰণে আমি পাবলৈ হলে পৰিশ্ৰম কৰিব লাগিব। আৰু কোনোবাই যদি সঁচাকৈ আশা কৰে যে প্ৰভু যীচু সোনকালে আহক তেন্তে তেওঁ আৰু বেছিকৈহে পৰিশ্ৰম কৰিব লাগে। এই বিষয়ে আমি আগতেও কৈ আহিছো।

এতিয়া হিতোপদেশ ১৩:৫-৬পদ দুটা পাঠ কৰি দিব খুজিছোঁ, **"ধাৰ্ম্মিক জনে মিছা কথা ঘিণ কৰে; কিন্তু দুষ্ট লোকে ঘৃণনীয় আৰু লজ্জাজনক কাৰ্য্য কৰে। ধাৰ্ম্মিকতাই সিদ্ধ আচৰণ কৰোঁতাক ৰক্ষা কৰে। কিন্তু দুষ্টতাই পাপীক বিনষ্ট কৰে।"** প্ৰিয়শ্ৰোতা, ইয়াৰ দ্বাৰাই ঈশ্বৰে আমাৰ একেবাৰে অন্তৰৰ ভিতৰৰ কথাখিনি কৈ দিছে । প্ৰতিজন ধাৰ্ম্মিক লোকৰ বাবে ই একেবাৰে সত্য কথা। ঈশ্বৰে পাপক ঘিণ কৰে আৰু পাপ কোনোমতে সহ্য কৰিব নোৱাৰে। ঈশ্বৰৰ সন্তান সকলে এই কথাটো ভালদৰে জনা দৰকাৰ আৰু তেওঁৰ জীৱনত থকা পাপৰ বিষয়টো ভালদৰে নিষ্পত্তি কৰিব লাগে। অৱশ্যে পাপ পুৰণি পুৰুষৰ চৰিত্ৰ এই হেতুকে খ্ৰীষ্টলোক সকলৰ মনলৈও ই আহিব পাৰে। তথাপিতো ঈশ্বৰে যিহেতু ইয়াক ঘিণ কৰে এই কাৰণে আমিও ইয়াক লঘূকৈ লব নালাগে। আমিও ইয়াক ঘিণ কৰিবলৈ শিকিব লাগে।

হিতোপদেশ ১৩:৭পদ, **"কোনো কোনোৱে তেওঁক ধনী দেখুৱায়, কিন্তু তেওঁৰ একো নাই, কোনো কোনোৱে তেওঁকে দৰিদ্ৰ দেখুৱায়, কিন্তু তেওঁৰ বাহুত ধন আছে।"** প্ৰিয়শ্ৰোতা, এইটো পুৰণি পুৰুষৰ আন এটি চৰিত্ৰ, নিজৰ যিমান নাই তাতকৈ বেছি দেখুৱাব খোজা প্ৰৱল ইচ্ছা এটা বহুতৰে দেখা পোৱা যায়, ঈশ্বৰৰ দৃষ্টিত এইটোও ভাল নহয়। ইয়াৰ দ্বাৰাই আচলতে একো লাভ

WORD RESOUNDS TODAY



www.Radio882.com

নহয় কিন্তু কেতিয়াবা বেয়াকৈ লাজ পোৱা আশংকা থাকে। ধন-সম্পত্তিৰ ক্ষেত্ৰত মানুহ সদায় স্বাভাৱিক হ'ব লাগে। এই স্বাভাৱিকতাই মনত এক বিৰল আনন্দ দিয়ে। ইয়াৰ বিপৰীতে আন এক শ্ৰেণীৰ মানুহ আছে যিসকল প্ৰকৃততে ধনী কিন্তু সদায় অভাৱৰ কথাকে কৈ থাকে, পইচা খৰচ কৰিবলৈ বৰ টান পায়। কিন্তু আমি দুখীয়াই হওঁ বা ধনীয়ে হওঁ উভয় ক্ষেত্ৰতে অতি স্বাভাৱিক হব লাগে। অতিমাত্ৰা আচৰণ ঈশ্বৰে বেয়া পায় আৰু তেওঁৰ দৃষ্টিত ই ভণ্ডামী। ওচৰ-চুবুৰীয়া ধনী হওক বা দুখীয়াই হওক তাক লৈ আমাৰ মূৰ ঘমোৱাৰ আচলতে কোনো দৰকাৰ নাই।

হিতোপদেশ ১৩:৯পদটো পাঠ কৰি দিছোঁ, **"ধাৰ্ম্মিকবিলাকৰ প্ৰদীপ ভালকৈ জ্বলে; কিন্তু দুষ্টবোৰৰ চাকি নুমাই যায়।"** প্ৰিয়শ্ৰোতা, এই পদটিৰ সত্যতাৰ প্ৰমাণ আমি বাইবেলতে পাওঁ, ৰাজাৱলী পুস্তক আলোচনা কৰোতে আমি পাই আহিছো যে ইস্ৰায়েলৰ উত্তৰ খণ্ডত ইজনৰ পিছত সিজনকৈ বহু কেইজন ৰজা হৈছিল কিন্তু তেওঁলোকৰ প্ৰায় কেইজনকে বৰ নিষ্ঠুৰ ভাৱে হত্যা কৰা হৈছিল কাৰণ তেওঁলোক দুষ্ট আছিল। তাৰ পৰিৱৰ্তে অব্ৰাহাম, মোচি, দায়ূদ, চলোমন, আদিৰ দৰে কিছুমান মানুহ আমি বাইবেলত পাওঁ। যিসকলে অতি বৃদ্ধ বয়সলৈকে অতি মহৎ,মহৎ কাৰ্য্য কৰি আছিল, সেই কাৰণে ঈশ্বৰে কৈছে, ধাৰ্ম্মিকবিলাকৰ প্ৰদীপ ভালকৈ জ্বলে, কিন্তু দুষ্ট বোৰৰ চাকি নুমাই যায়, এই ঘটনা আজিও ঘটি আছে। বহুতো দুষ্ট লোক শেষ পৰিণতি কি সেই কথা আমি নিশ্চয় জানো, আমি নিশ্চয় কোনোবা নহয় কোনোবা বিষয়ে জানিবলৈ পাইছোঁ বা পঢ়িবলৈ পাইছোঁ।

হিতোপদেশ ১৩:১০পদটি পঢ়ি দিছোঁ, **"দৰ্পৰ দ্বাৰাই কেৱল বিবাদ হে জন্মে; কিন্তু সুপৰামৰ্শ লোৱাবিলাকৰ লগত প্ৰজ্ঞা থাকে।"** বিবাদ আমি সকলোতেই দেখা পাওঁ, পৰিয়াল, সমাজ আনকি মণ্ডলীতো বিবাদ আছে। কিন্তু আচৰিত কথা যে, প্ৰায়বোৰ বিবাদৰে মূল কাৰণ হল দৰ্প;আৰু বিবাদৰ বাবে দুজন বা দুই পক্ষ লাগিবই, এই দুই অবিহনে বিবাদ হব নোৱাৰে।

হিতোপদেশ ১৩:১১পদ, **"ছল কৰি অৰ্জ্জা ধন কমি যায়; কিন্তু যিজনে পৰিশ্ৰমেৰে আৰ্জ্জে তেওঁৰ ধন বৃদ্ধি পায়।"** এই হিতোপদেশটি আমি চিৰ সত্যতাৰ দৃষ্টিভঙ্গীৰে চাব লাগিব। তেতিয়াহে আমি ইয়াৰ সত্যতাৰ প্ৰমাণ পাম। বহুতো ৰজা মহাৰজাৰ নাম আমি জানো, যিসকলৰ বিশাল সাম্ৰাজ্য আৰু সিংহাসন পুতেক হতে নিমিষতে নি:শেষ কৰি দিছিল, সেইদৰে বহুতো ধনী মানুহৰ সম্পত্তি পুতেকহঁতে নাইকিয়া কৰা নজিৰ আমাৰ মাজত আছে, ইয়াৰ কাৰণ হল সেই সম্পত্তি বিলাক পৰিশ্ৰম কৰি অৰ্জন কৰা হোৱা নাছিল । তেনে ধন যে বহু দিন নাথাকে সেই কথা আজিৰ মানুহে নজনাকৈ থকা নাই। এই সত্যতাটো মানুহে জনা হৈছে, জানে আৰু সেইকাৰণে আজি কালি বহু সম্পত্তি থকা ধনী মানুহবিলাকে এটা বুদ্ধি কৰিছে যে তেওঁলোকে গোটেই মাটি সম্পত্তি বিলাক আইনৰ শিকলিৰে এনেকৈ বান্ধি থয় যে পাছৰ সন্তানসকলে সেই বিলাক বিক্ৰী কৰিব নোৱাৰে। কিন্তু তাৰ পৰা উপাৰ্জন হোৱা ধনকে সন্তানসকলে কাম নকৰাকৈ খাই বৈ থাকিব পাৰে, সেই কাৰণে আজি কালি আমি নগৰে চহৰে এনে কিছুমান মানুহ দেখা পাওঁ যি সকলে একো কাম-বন নকৰে বৰং সুন্দৰকৈ খাই বৈ আছে, এই শ্ৰেণীৰ বহুলোক আছে ।

WORD RESOUNDS TODAY



www.Radio882.com

কিন্তু এনে লোক আছে যি সকলৰ দেখাত অগাধ সম্পত্তি আছে কিন্তু সেই বিলাকৰ একচত্রী অধিকাৰী আচলতে তেওঁলোক নহয়। সেই বিলাক তেওঁ লোকে বিক্রী বা সস্থান্তৰ কৰিব নোৱাৰে আৰু যদি তেনে কৰিব পাৰিলেহেঁতেন তেন্তে অলপ দিন ভিতৰতে সেইবিলাক বিক্রী কৰি শেষ কৰি দিলেহেঁতেন। এইবোৰৰ পৰা আজি আমিও জানিব পাৰো যে ঈশ্বৰে কোৱা কথাটি সঁচা যে ছল কৰি অৰ্জ্জা ধন বেছি দিন নাথাকে। অৱশ্যে যিমানে ধন সম্পত্তি নাথাকক কিয় সেই সকলো অনন্তকলীয়া নহয় । সেই বিলাক চুৰ কৰি নিনিলেও বা বিক্রী নকৰিলেও আমাক মৃত্যুৱে এদিনাখন চুৰ কৰি লৈ যাব। তেতিয়া আমি এই সকলো বিলাক এৰি থৈ যাব লাগিব। সেই কাৰণে আমাৰ সকলোৰে বাবে পৰম ধন হল আচলতে আত্মাৰ আমাৰ পৰিত্ৰাণ।ঈশ্বৰে প্ৰভু যীচু যোগেৰে দিয়া ধাৰ্ম্মিকতা। সেই পৰীক্ষণ যদি আপুনি পাইছে তেন্তে আপুনি অম্লান আৰু অক্ষয় সম্পত্তি পাইছে, যি মৃত্যুৰ পাছতো কেতিয়াও শেষ নহয়, কেতিয়াও ক্ষয় নহয়, কোনেও চুৰ কৰি লৈ যাব নোৱাৰে, কোনেও কাঢ়ি নিব নোৱাৰে।

হিতোপদেশ ১৩:১২পদটো পঢ়ি দিছোঁ শুনিব চোন, **"আশা-সিদ্ধিৰ পলম হৃদয়ৰ পীড়াজনক, কিন্তু বাঞ্ছাৰ সিদ্ধি জীৱন-গছস্বৰূপ।"** প্ৰিয়শ্ৰোতা, আমাৰ জীৱনত বহু কিবাকিবি পাবলৈ আশা থাকে কিন্তু সেই বিলাক নাপালে মনত দুখ লাগে। সেই কাৰণে আটাইতকৈ উত্তম উপায় হল ঈশ্বৰে আমাক যি দিছে আৰু য'তে ৰাখিছে তাতেই শান্তিৰে থাকিবলৈ আমি শিকিব লাগে। তেনে কৰিলে আমি প্ৰকৃত শান্তি পাম।

হিতোপদেশ ১৩:১৩-১৫ পদলৈকে পাঠ কৰি দিছো, **"যি জনে ঈশ্বৰৰ বাক্য হেয়জ্ঞান কৰে, তেওঁ নিজলৈ বিনাশ আনে; কিন্তু যিজনে ঈশ্বৰৰ আজ্ঞালৈ ভয় কৰে, তেওঁ পুৰস্কাৰ পায়। মৃত্যুৰূপ ফান্দৰ পৰা আঁতৰাবলৈ জ্ঞানৱানৰ শিক্ষা জীৱনৰ ভুমুকস্বৰূপ হয় । সুবুদ্ধিয়ে অনুগ্ৰহ প্ৰদান কৰে; কিন্তু বিশ্বাস-ঘাতকবোৰৰ পথ দুৰ্গম।"** প্ৰিয়শ্ৰোতা, গোটেই হিতোপদেশ পুস্তকত ঈশ্বৰে ধাৰ্ম্মিকৰ বিৰুদ্ধে দুষ্টৰ কথা কৈ আহিছে। দুষ্টতা ঈশ্বৰে ঘিণ কৰে, ঈশ্বৰে গৰ্ব ঘিণ কৰে, আইন হীনতাক ঘিণ কৰে, ভণ্ডামিক ঘিণ কৰে, আমি মানৱ জাতিৰ এই বিলাক স্বভাৱৰ লগত ঈশ্বৰৰ কোনো সকাম নাই। এইবিলাক পুৰণি পুৰুষৰ স্বভাৱ। এই স্বভাৱবোৰৰ সৈতে ঈশ্বৰে আমাক স্বৰ্গলৈ নিব নোৱাৰে। আমি যদি প্ৰভু যীচু আমাৰ পৰিত্ৰাতা ৰূপে স্বীকাৰ কৰিছো তেন্তে আমি স্বৰ্গলৈ নিশ্চয় যাম। আগতে এইবিলাক পুৰণি স্বভাৱৰ পৰা ঈশ্বৰে আমাক মুক্ত কৰিব, আমাক নিষ্কলঙ্কিত কৰিব। সেই কাৰণে আজিয়ে এই পাপবোৰৰ পৰা আমি আঁতৰি থাকিবলৈ চেষ্টা কৰিব লাগে।

আমাৰ পৰা ঈশ্বৰে কি বিচাৰে, সেই বিষয়ে যিচয়া ৬৬:২পদত এইদৰে কোৱা হৈছে শুনিব চোন, "কিয়নো এই সকলোকে মোৰ হাতে নিৰ্ম্মাণ কৰিলে, এই নিমিত্তে এই সকলো হল, ইয়াক যিহোৱাই কৈছে; কিন্তু এজনলৈহে, দুখীয়া, ভগ্ন-চিত্তীয়া, আৰু মোৰ বাক্যত কঁপা এনে মানুহলৈহে মই দৃষ্টি কৰিম।" প্ৰিয়শ্ৰোতা, আমি যদি ঈশ্বৰৰ ওচৰলৈ গৰ্ব, অহংকাৰেৰে আহোঁ তেন্তে ঈশ্বৰে আমাক কেতিয়াও গ্ৰহণ নকৰিব । কিন্তু নম্ৰ আৰু ভগ্ন চিত্তেৰে আহিব লাগিব, তেতিয়াহে তেওঁ আমাক গ্ৰহণ কৰিব। এইয়া ঈশ্বৰৰ নিৰ্দ্দেশ, এই নিৰ্দ্দেশ আমি অগ্ৰাহ্য যাতে নকৰোহঁক।



WORD RESOUNDS TODAY
www.Radio882.com

এতিয়া হিতোপদেশ ১৩:১৭পদটি পঢ়িছোঁ, "দুষ্ট টেকেলা দুখত পৰে; কিন্তু বিশ্বাসী দূত স্বাস্থ্যস্বৰূপ।" এই চমু পদটি আমাৰ দৃষ্টিত অৰ্থহীন যেন লাগিব পাৰে কিন্তু আমাৰ বিবেচনাৰে ইয়াৰ বৰ ডাঙৰ অৰ্থ আছে। কাৰণ ইয়াত টেকেলা দ্বাৰাই ওথ পদত থকা চৰকাৰী বিষয়া সকলক বুজাৱা হৈছে, বিশেষকৈ সামৰিক বিষয়া সকলৰ কথাকে ভাবকচোন। তেওঁলোকৰ হাতত দেশৰ গুৰুত্বপূৰ্ণ বিষয় বিলাক থাকে। সেই বিলাক তেওঁলোকে অতি গোপনে ৰাখিব লগ হয়, কাৰণ শত্ৰু দেশে সেইবিলাক কেনেবাকৈ জানিলে ভয়ানক বিপদ হব পাৰে। সেই কাৰণে সেই বিষয়া সকল গুপুত কথা গুপুতে ৰখাত অতি সতৰ্ক হব লগীয়া হয়, অৱশ্যে তেওঁলোকে যথেষ্ট সতৰ্কতা অৱলম্বন কৰে। কিন্তু তেওঁলোকৰ যদি কিবা বেয়া স্বভাৱ থাকে বা কিবা দুৰ্ব্বলতা থাকে, তেন্তে সেই সুযোগতে শত্ৰুসকলে বিষয়া সকলক হাত কৰি লয় আৰু গোপন তথ্যবিলাক বাহিৰ কৰি উলিয়াবলৈ চেষ্টা কৰে আৰু বহু সময়ত সফল হয়। সেই কাৰণে এনে গধূৰ দায়িত্বত থকা চৰকাৰী বিষয়া সকল অতি সতৰ্ক হব লগীয়া হয় আৰু বেয়া প্ৰতি থকা দুৰ্ব্বলতাৰ পৰা আঁতৰি থাকিব লাগে। কিন্তু আজি-কালি বহুতো উচ্চ পদত থকা বিষয়া এনেকুৱা বিভিন্ন ধৰণৰ কাৰ্যত লিপ্ত থকা দেখা যায়। এইটো পৃথিৱীৰ চাৰিওফালৰ এটা ডাঙৰ সমস্যা। সেই কাৰণে হিতোপদেশত কোৱা এই সৰু বাক্যটি কেৱল আমাৰ দেশ বুলিয়ে নহয়, প্ৰতিজন নাগৰিকৰ বাবে অতি প্ৰয়োজনীয়।

এইবাৰ আমি হিতোপদেশ ১৩:১৮-২২পদলৈকে পাঠ কৰি দিম, **"যি জনে শিক্ষা অগ্ৰাহ্য কৰে, তেওঁ দৰিদ্ৰতা আৰু লাজ পায়; কিন্তু যি জনে অনুযোগ মান্য কৰে, তেওঁ সন্মান পায়। বাঞ্ছা-সিদ্ধিয়ে মনত সোৱাদ লগায়; কিন্তু মন্দৰ পৰা আঁতৰি থকা, অজ্ঞানবোৰ ঘিণলগীয়া। তুমি জ্ঞানীবিলাকৰ লগত আলাপ কৰা, তাতে তুমি জ্ঞানী হবা; কিন্তু অজ্ঞানবোৰৰ লগৰীয়াই ক্লেশ পাব। আপদে পাপীবোৰৰ পাছে, পাছে খেদি যায়; কিন্তু ধাৰ্ম্মিক বিলাকক উত্তম পুৰস্কাৰ দিয়া যায়। সৎলোকে নিজৰ পো-নাতি আদিক উত্তৰাধিকাৰ দি যায়;কিন্তু পাপীৰ ধন-সম্পতি ধাৰ্ম্মিকৰ নিমিত্তেহে সঁচা হয়।"** প্ৰিয়শ্ৰোতা, আমি ভাবো যে এই পদকেইটিৰ বিশ্লেষণ বিশেষ একো প্ৰয়োজন নাই। আমি সকলোৱে এইবিলাক কথা কম বেছি পৰিমাণে নিশ্চয় জানো। কিন্তু প্ৰশ্নহল এইবিলাক উপদেশ মানি চলাৰ ইচ্ছা আমাৰ আছে নে নাই, সইটোহে আচল কথা। আশাকৰো মানি চলাৰ শক্তি ঈশ্বৰে আমাক সকলোকে দিব।

এই বাৰ হিতোপদেশ ১৩: ২৩-২৫ পদলৈকে পাঠ কৰি দিছো শুনিব চোন, **"দুখীয়াবিলাকে নতুন মাটি চহালে বহুত শস্য উৎপন্ন হয়; কিন্তু অন্যায়ৰ কাৰণে কোনো, কোনো লোক নষ্ট হয়। যি জনে নিজৰ পুতেকক চেকনী নিদিয়ে, তেওঁ তাক ঘিণ কৰে, কিন্তু যি জনে তাক স্নেহ কৰে, তেওঁ উচিত সময়ত তাক শাস্তি দিয়ে।ধাৰ্ম্মিকে হেপাহ পলোৱাকৈ আহাৰ খায়; কিন্তু দুষ্টবোৰ শুদা পেটেৰে থাকে। দুখীয়া মানুহে পাবলৈ আশা কৰে আৰু সেই কাৰণে তেওঁ অলপ মাটিকে ভালদৰে চহাই যত্ন কৰি খেতি কৰে, ঠিক সেইদৰে আত্মাত দুখীয়া লোকসকলে ঈশ্বৰৰ বাক্য অধিক মনোযোগেৰে পালন কৰে আৰু সেই বাবে ঈশ্বৰৰ আশীৰ্বাদ অধিক তেওঁলোকে লাভ কৰে৷"**

তদুপৰি ২৪ পদত শিশুসকলক শাসন কৰা বিষয়ে উত্তম কথাকে কোৱা হৈছে, সন্তান বিলাক পিতৃ-মাতৃৰ বাধ্য হব লাগে। কিন্তু বাধ্য নহলে তেওঁলোকক শাসন কৰিব লাগে কিন্তু



WORD RESOUNDS TODAY
www.Radio882.com

তেওঁলোকক খং তুলিব নালাগে। তাৰ মানে আন কিবা কাৰণত খং উঠি থকা সময়ত তেওঁলোকক মাৰ-ধৰ কৰিব নালাগে, তেনে কৰিলে তেওঁলোক বিদ্ৰোহী হৈ উঠিব পাৰে। তাৰ পৰিবৰ্তে শান্ত অৱস্থাত বহোৱাই লৈ বুজাব লাগে, দৰকাৰ হলে মৰমেৰে বুজাব লাগে, নিজ সন্তানক বাধ্য কৰোৱা প্ৰতিজন পিতৃ-মাতৃৰ বাবে এটা ডাঙৰ সাফল্য। সন্তানক শাসন কৰা কথাটো কোনেও সহজভাৱে ল'ব নালাগে, ললে কিন্তু ভৱিষ্যতে এনেকুৱা বিপদ হব পাৰে যাক সংশোধন কৰাৰ কোনো উপায় নাথাকিব।

এগৰাকী বিখ্যাত বাইবেল শিক্ষকে কৈছে যে, তেখেত সৰু থাকোতে কিবা বেয়া কাম কৰিলে তেওঁৰ দেউতাকে তেখেতৰ লগত দুই তিনি দিনলৈকে কথা পতা নাছিল। তাকে দেখি তেওঁ ভাবিছিল যে দেউতাকে হয়তো তেওঁৰ বেয়া কামটো পাহৰিলে কিন্তু তেনে নহয়। তেওঁ পাহৰা নাছিল। দুদিনমান পাছত ক্ষান্তভাবে তেওঁক ওচৰলৈ মাতি নি দেউতাকে সুধিছিল আৰু প্ৰয়োজন হলে শাস্তি দিছিল। এইদৰে তেখেতৰ দেউতাকে সুন্দৰভাবে গঢ়ি তুলিছিল আৰু সেই কাৰণে তেখেত এজন মহৎ লোক হব পাৰিছিল। আৰু ঈশ্বৰৰ শুভবাৰ্ত্তা প্ৰচাৰৰ কাৰণে ৰেডিঅৰ যোগেদি ইমন ডাঙৰ কাম এটি কৰি থৈ যাব পাৰিছে।

অৱশেষত কোৱা হৈছে যে, ধাৰ্ম্মিকে হেঁপাহ পলোৱাকৈ খাবলৈ পায়। ইয়াক ধাৰ্ম্মিক মানে ধাৰ্ম্মিকতাত বুঢ়া মানুহক বুজোৱা হোৱা নাই কিন্তু সৎ আৰু নিষ্ঠাৱান লোকক হে কোৱা হৈছে। তেনেলোকে পৰিশ্ৰম কৰে আৰু পৰিশ্ৰমৰ দ্বাৰাই পেট ভৰাই খাবলৈ পায়। দুষ্টলোকে খালি পেটত থকা আপুনি হয়তো দেখা নাই কিন্তু জেল বিলাকলৈ যাওঁক চোন, তেওঁলোকে জেলত থকাটো জানো খালি পেটত থকা যেন হোৱা নাই। দেখাত ঈশ্বৰৰ বাক্য কিছুমান যথাৰ্থ নহয় যেন লাগিব পাৰে, কিন্তু আমি যদি ভালদৰে গমি পিতি চাওঁ তেন্তে দেখা পাম যে ঈশ্বৰৰ প্ৰতিটো কথাৰ গভীৰ অৰ্থ আছে। আপোনাৰ সহযোগিতাত ঈশ্বৰৰ বাক্য বিলাক আমি একদিক্ৰমে আলোচনা কৰি যাম। আপুনি অনুগ্ৰহ কৰি নুশুনাকৈ নাথাকিব।

আজি আমি এই হিতোপদেশ পুস্তকৰ ১৩অধ্যায় আলোচনা কৰি শেষ কৰিলো। ইতিমধ্যে আমাৰ সময় হলহি অহা অনুষ্ঠানত পুনৰ লগ পোৱাৰ আশাৰে আজিলৈ আলোচনাটি ইমানতে সামৰিছোঁ। ঈশ্বৰে আমাক আশীৰ্বাদ কৰক, আমেন।

WORD RESOUNDS TODAY

<u>পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:</u>

১) ঈশ্বৰে কিহক ঘিণ কৰে?

২) চলোমনৰ পিতৃৰ নাম কি আছিল?

৩) খালী ঠাই পূৰ কৰা: ধাৰ্ম্মিকবিলাকৰ_________ ভালকৈ জ্বলে।



www.Radio882.com

হিতোপদেশ ১৪ অধ্যায়

প্ৰিয়শ্ৰোতা, পুৰণি নিয়ম হিতোপদেশ নামৰ পুস্তকখন অধ্যয়ন কৰি আছো নহয় নে বাৰু? আজি আলোচনা কৰিবলৈ লোৱা এই হিতোপদেশৰ ১৪ অধ্যায়টি ঈশ্বৰৰ বাক্যৰ এটি দৰকাৰী খণ্ড। ইয়াত ঈশ্বৰৰ প্ৰজ্ঞা আমাৰ কাৰণে চুটি, চুটি বাক্যত সজাই পৰাই আগবঢ়ায় দিয়া হৈছে। পদবোৰ একাদিক্ৰমে আলোচনা কৰিবলৈ যাওঁতে আমি দেখা পাম আমি দেখা পাম যে, ইয়াৰ উপদেশ বিলাক বহুতৰ বাবে অতি থাপ খোৱা। আমাৰ পৰিচিত বন্ধু বান্ধবীৰ কাৰণেও থাপ খোৱা আনকি আপোনাৰ আৰু মোৰ কাৰণেও অতি উত্তম; আমাৰ জীৱনত থাপ খোৱা।

কিয় বাৰু সেই বিষয়ে আমি প্ৰথম পদটো পঢ়িছোঁ শুনিব চোন, হিতোপদেশ ১৪:১পদ, **"প্ৰত্যেক জ্ঞানৱতী তিৰোতাই নিজৰ ঘৰ সাজে; কিন্তু অজ্ঞানীয়ে নিজ হাতে তাক ভাঙি পেলাই।"** প্ৰিয় শ্ৰোতা, প্ৰত্যেক জ্ঞানৱতী তিৰোতাই নিজৰ ঘৰ সাজে বুলি যি ঘৰৰ কথা কোৱা হৈছে, এইয়া বাহ, খেৰ বা ইটা বালিৰে সজা ঘৰ নহয় ইয়াত এক বেলেগ ঘৰৰ কথাহে কোৱা হৈছে। উদাহৰণ স্বৰূপে আমি অব্ৰাহামৰ ভাৰ্য্যা চাৰাৰ কথাকে ক'ব পাৰোঁ।তেওঁ ঈশ্বৰৰ বিশ্বাসত বীৰ বুলি জনাজাত অব্ৰাহামৰ সহধৰ্মিনী আছিল আৰু সেই চাৰাই ইস্ৰায়েলৰ ঘৰ সাজিছিল। তাৰোপৰি আমি মোচিৰ মাক যাকোবেদৰ কথাও ক'ব পাৰোঁ, তেওঁ নিজ ঘৰ সাজিছিল কেনেকৈ জানেনে! তেওঁ বিদেশ ভূমিত এজনী দাসী আছিল আৰু তেনে অৱস্থাত তেওঁৰ গৰ্ভৰ ফল ৰূপে জন্ম পোৱা মোচিৰ জন্ম পোৱাত সেই মোচিক নিষ্ঠুৰ ফৰৌণৰ হাতৰ পৰা বচাবলৈ তেওঁক লুকুৱাই ৰাখিছিল ।কিন্তু বেছি দিন লুকুৱাই ৰাখিব নোৱাৰাত তেওঁ মোচিক নদীত উটুৱাই দিছিল কিন্তু তাৰনো কি হয় তাক চাই আছি তেওঁৰ বায়েক মিৰিয়মে। এনেতে ফৰৌণৰ জীয়েকে মোচিক দেখা পাই নিজ ঘৰলৈ লৈ যোৱা কথাটো দেখা পাই আৰু তেতিয়া যাকোবেদে ফৰৌণৰ জীয়েকৰ দাসী হৈ নিজ পুত্ৰক প্ৰতিপালন কৰে। এই যাকোবেদে মোচিক ঈশ্বৰৰ বিষয়ে শিক্ষা দিছিল আৰু ইস্ৰায়েল জাতিলৈ ঈশ্বৰে যিবিলাক প্ৰতিজ্ঞা কৰিছিল সেই বিলাক সোঁৱৰাই দিছিল। কালক্ৰমে এই মোচিয়ে ইস্ৰায়েলক মিচৰৰ বন্দী অৱস্থাৰ পৰা মুক্ত কৰিছিল। সেই কাৰণে আমি ক'ব পাৰো যাকোবেদ এগৰাকী আদৰ্শ মাতৃ আছিল আৰু নিজ ঘৰ তেওঁ সাজিছিল। ইয়াৰ বিপৰীতে কোৱা হৈছে, কিন্তু অজ্ঞানীয়ে নিজ হাতে তাক ভাঙি পেলায়।

এনে তিৰোতাৰ উদাহৰণো আমি বাইবেলতেই অনেক পাওঁ, যি সকলে নিজৰ দুষ্টতাৰে ইতিমধ্যে সজা ঘৰ ভাঙি পেলাইছে। তাৰ প্ৰমাণ স্বৰূপে আমি ২বংশাৱলী ২২:২,৩পদ পাঠ কৰি দিছোঁ শুনিব চোন, **"অহজিয়াই বিয়াল্লিশ বছৰ বয়সত ৰজা হৈ যিৰূচালেমত এবছৰ ৰাজত্ব কৰিলে, তেওঁৰ মাকৰ নাম অথলিয়া, তেওঁ অম্ৰীৰ নাতিনীয়েক ।আৰু তেৰো আহাবৰ বংশৰ পথত চলিলে; কিয়নো তেওঁ কু-আচৰণ কৰিবলৈ তেওঁৰ মাক তেওঁক মন্ত্ৰণা দিওঁতা আছিল।"** হয় প্ৰিয়শ্ৰোতা, অহজিয়াৰ মাক অথলিয়াৰ বেয়া পৰামৰ্শ বাবে আহাবৰ ঘৰৰ পতন ঘটিছিল, এইদৰে অনেক তিৰোতাৰ দুষ্টতাৰ বাবে আজিও বহুতো ঘৰ নষ্ট হৈ গৈছে; নষ্ট হব ধৰিছে আৰু নষ্ট হৈ আছে গতিকে দুষ্টতাৰ পৰা আঁতৰি থাকিবলৈ ঈশ্বৰে প্ৰতি গৰাকী তিৰোতাক সাৱধান কৰি দিছে।

WORD RESOUNDS TODAY



www.Radio882.com

হিতোপদেশ ১৪:২পদ পঢ়িছোঁ শুনিব চোন, **“যি মানুহে নিজৰ সৰল পথত চলে, তেওঁ যিহোৱাক ভয় কৰে; কিন্তু বেঁকা পথত চলা জনে তেওঁক হেয়জ্ঞান কৰে।”** প্ৰিয় শ্ৰোতা, ইয়াৰ দ্বাৰা কোৱা হৈছে যে, আমাৰ প্ৰত্যেকৰ জীৱনৰ আচৰণ লগত ঈশ্বৰৰ আচৰণৰ সৈতে সম্বন্ধ থাকিব লাগে। এই বিষয়ে যোহনে লিখা প্ৰথম পত্ৰৰ ২:৬পদ এই দৰে কোৱা হৈছে, **“মই খ্ৰীষ্টত আছোঁ, এই বুলি যদি কোনোৱে কয় তেন্তে তেওঁ যেনে আচৰণ কৰিলে, তেৱোঁ তেনে আচৰণ কৰা উচিত।”** অৰ্থাৎ প্ৰভু যীচুৱে যি দৰে পিতা ঈশ্বৰক অনুকৰণ কৰিছিল ঠিক তেনেকৈ আমিও ঈশ্বৰক অনুকৰণ কৰিব লাগে। প্ৰভু যীচুৰ দৰে আমিও আচৰণ কৰিব লাগে। বাধ্যতা ঈশ্বৰৰ দৃষ্টিত কিমান উত্তম এই বিষয়ে চমূৱেলে ৰজা চৌলৰ আগত এইদৰে কৈছিল, ঈশ্বৰৰ বাক্য পালন কৰাত যেনেকৈ তেওঁ সন্তোষ পাই তেনেকৈ হোম আৰু বলিদানত জানো সন্তোষ পাই। চোৱা, বলিদানতকৈ আজ্ঞা পালন উত্তম আৰু মেৰৰ তেলতকৈ ঈশ্বৰৰ বাক্যলৈ কাণ পতা উত্তম। হয় প্ৰিয়শ্ৰোতা, আজি আমি যদি ধৰ্ম্মৰ নামত গোড়ামি নহয়, ঈশ্বৰৰ আজ্ঞাৰ প্ৰতি বেছি সচেতন হওঁ, তেন্তে ই আমাৰ কাৰণে বেছি লাভজনক।

হিতোপদেশ ১৪:৩পদ পঢ়িছোঁ, **“অজ্ঞানৰ মুখত অহঙ্কাৰৰ দণ্ড থাকে; কিন্তু জ্ঞানীবিলাকৰ ওঁঠে তেওঁ বিলাকক ৰক্ষা কৰে।”** এই পদটিয়ে দায়ূদ আৰু গলিয়াথৰ ঘটনাটো আমাৰ মনত পেলাই দিয়ে। গলিয়াথৰ মুখত অহঙ্কাৰৰ কথা আছিল, পলেষ্টিয়াবিলাকৰ প্ৰধান বীৰ সি নিজৰ ক্ষেত্ৰত বৰ অহঙ্কাৰ কৰিছিল। কিন্তু তাৰ বিৰুদ্ধে যেতিয়া অকণমানি দায়ূদে যুদ্ধ কৰিবলৈ ওলাই গৈছিল, তেতিয়া গলিয়াথে ইতিকিং কৰি দায়ূদক এই বুলি কৈছিল, “মই জানো কুকুৰ তই লাখুটি লৈ মোৰ ওচৰলৈ আহিছ।” তাৰ পাছত সেই পলেষ্টীয়া গলিয়াথে তাৰ দেৱতাবোৰৰ নামেৰে অভিশাপ দি, দি দায়ূদক কৈছিল, তই মোৰ ওচৰলৈ আহ মই তোৰম ঙহ আকাশৰ চৰাইবোৰক আৰু বনৰীয়া জন্তুবোৰক দিওঁ। ইয়াৰ বিপৰীতে লৰা দায়ূদে জ্ঞানৰ কথা কৈছিল, আৰু তেওঁৰ ওঁঠে তেওঁক ৰক্ষা কৰিছিল। দায়ূদে গলিয়াথক কৈছিল, তুমি তৰোৱাল বৰছা আৰু যাঠি লৈ মোৰ ওচৰলৈ আহিছা কিন্তু মই হলে তুমি ইতিকিং কৰা ইস্ৰায়েলৰ সৈন্যবিলাকৰ ঈশ্বৰ বাহিনীবিলাকৰ ঈশ্বৰৰ নামেৰে তোমাৰ ওচৰলৈ আহিছো। এইদৰে কৈ দায়ূদে কেটেপাৰে শিলগুটি মাৰি গলিয়াথক বধ কৰিছিল।

হিতোপদেশ ১৪:৪পদ, “গৰু নহলে দানা-পাত্ৰ নিকা হৈ থাকে; কিন্তু গৰুৰ বলত অনেক শস্য উৎপন্ন হয়।” প্ৰিয়শ্ৰোতা, এই পদটিৰ যোগেদি আমাক এটি ডাঙৰ উপদেশ দিয়া হৈছে, আমি জানো যে অতীত কালৰ পৰাই আজিলৈকে বলধ গৰু হাল বোৱা আৰু গাড়ী টনা কামত ব্যৱহাৰ হৈ আহিছে। ইস্ৰায়েলীয়া সকলে বলধ গৰু ঈশ্বৰৰ নামত উৎসৰ্গাও কৰিছিল। বলত গৰুৰে শক্তিৰ কাম বিলাক কৰা হয় কিন্তু বলধ গৰুৱে দানা খোৱা পাত্ৰটো বৰ লেতেৰা হয় আৰু ইয়াক সদায় চাফা কৰা জঞ্জালৰ কাম যেন হয়। সেই কাৰণে এই জঞ্জালৰ পৰা ৰক্ষা পাবলৈ বহুতে গোহালিৰ বলধবোৰকেই শেষ কৰি দিয়ে যাতে আৰু দানা পাত্ৰ চাফা কৰিব নালাগে।

ইয়াৰ যোগেদি আমাক এটি আত্মিক শিক্ষাও দিয়া হৈছে, শিক্ষাটো এনে ধৰণৰ আমাৰ আত্মিক শক্তিৰ বাবে মণ্ডলী বিলাকত দেওবৰীয়া স্কুল, প্ৰাৰ্থনা, গীৰ্জা, বাইবেল ক্লাচ, যুৱক শিবিৰ, বাইবেল প্ৰশিক্ষণ, ইত্যাদি ধৰণৰ অনেক ওপৰঞ্চি কাৰ্য্যসূচী আছে। এইবোৰ পৰিষ্কাৰ



WORD RESOUNDS TODAY
www.Radio882.com

ভাবে পৰিচালনা কৰাত বহুতো খেলি-মেলি, মতবাদ, ইত্যাদি জঞ্জাল আহি পৰে। তেতিয়া বহুতো মানুহে কি কৰে জানে নে? ঈশ্বৰৰ বাক্যৰ সহায়ত জঞ্জাল বিলাক নাইকিয়া কৰাৰ পৰিৱৰ্তে দেওবৰীয়া স্কুল, বাইবেল প্ৰশিক্ষণ, ইত্যাদিৰ দৰে মণ্ডলীৰ ওপৰঞ্চি কাৰ্য্যসূচী বিলাক উঠাই দি জঞ্জাল নাইকিয়া কৰে। সেই কাৰণে বহু মণ্ডলীত আত্মিক ফলে দেখা নিদিয়ে কিন্তু আমি তেনে কৰা উচিত নহয়।

হিতোপদেশ ১৪:৫-৮পদলৈকে পাঠ কৰিম, **"বিশ্বাসী সাক্ষীয়ে মিছা কথা নকয়; কিন্তু মিছা সাক্ষীয়ে মিছা কথাকেহে উলিয়াই। নিন্দকে প্ৰজ্ঞা বিচাৰিলে তাক নাপায়; কিন্তু বুদ্ধিমানৰ পক্ষে জ্ঞান সুলভ হয়। যি স্থলত তুমি অজ্ঞানৰ জ্ঞানযুক্ত ওঁঠ নাই বুলি জানিছা, এনে স্থলত তাৰ আগৰ পৰা গুচি যোৱা । নিজৰ পথ বুজাই বুদ্ধিমানৰ প্ৰজ্ঞা; কিন্তু অজ্ঞানবোৰৰ অজ্ঞানতাই ছল মাথোন।"** আমাৰ প্ৰভু যীচু খ্ৰীষ্টক বিশ্বাসী আৰু সত্য সাক্ষী বুলি কোৱা হৈছে। আমি ঠিক তেওঁৰ দৰে সাক্ষী হোৱা উচিত। আজি আমাৰ বহুতে খ্ৰীষ্টৰ সাক্ষ্য ঘৰে, ঘৰে দি আছে; কেনেকৈ সাক্ষ্য দিব লাগে এই বিষয়ে বহুতো প্ৰশিক্ষণো দিয়া হৈ আছে। এইবিলাক বৰ ভাল কথা কিন্তু আমি মনত ৰাখিব লাগে যে, সাক্ষী দুই ধৰণৰ আছে, এবিধ বিশ্বাসী আৰু আনবিধ মিছা; এতিয়া আপুনি যদি সাক্ষী দিয়ে যে, প্ৰভু যীচু আমাৰ উদ্ধাৰকৰ্তা তেওঁ আমাৰ পাপবোৰ ধুই শুচি কৰে আৰু মন্দৰ পৰা আঁতৰায় ৰাখি জীৱনত শান্তি আৰু আনন্দ দিয়ে। আপুনি কোৱা এই কথাখিনি একেবাৰে সঁচা কিন্তু এই কথাখিনি আপোনাৰ জীৱনৰ পৰা জানো সত্য বুলি প্ৰমাণিত কৰিব পাৰিছে। যদিহে পাৰিছে তেন্তে আপুনি বিশ্বাসী সাক্ষী আৰু যদিহে পৰা নাই তেন্তে আপুনি মিছা সাক্ষী।

হিতোপদেশ ১৪:৯পদ, **"দোষাৰ্থক বলিয়ে অজ্ঞানবোৰক বঞ্চিত কৰে।কিন্তু সৰল বিলাকৰ মাজত অনুগ্ৰহ আছে।"** ঈশ্বৰৰ কাৰ্য যিয়ে উপলুঙা কৰে তেওঁ অপৰাধৰ পাত্ৰ। বাইবেলত উল্লেখ থকা ঈজাবেল হল ইয়াৰ চুড়ান্ত উদাহৰণ । তেওঁ দেৱতাৰ নামত উৎসৰ্গ কৰাৰ দ্বাৰাই ঈশ্বৰক উপলুঙা কৰিছিল। এনে মানুহৰ পৰা আমি আঁতৰি থাকিব লাগে।

হিতোপদেশ ১৪:১০-১১পদ, **"মনে নিজৰ বেজাৰ নিজে বুজে; কিন্তু অচিনাকি লোকে তাৰ আনন্দত হাত দিব নোৱাৰে। দুষ্টবোৰৰ ঘৰ-বাৰী নষ্ট কৰা যাব; কিন্তু সৰল বিলাকৰ তম্বু মঙ্গলে থাকিব।** প্ৰত্যেকৰ হৃদয় এক গোপন আনন্দ বা দুখেৰে ভৰি থাকে। যিটো আনক ক'ব নোৱাৰে অৱশ্যে কবলৈ ইচ্ছা কৰিলেও আনে সম্পূৰ্ণকৈ কেতিয়াও বুজিব নোৱাৰে। উদাহৰণ স্বৰূপে, আমি প্ৰভূ যীচু খ্ৰীষ্টক পৰিত্ৰাতা প্ৰভু ৰূপে বিশ্বাস কৰি পৰিত্ৰাণ পাইছো। পৰিত্ৰাণৰ সোৱাদ কিমান মধুৰ এইটো পৰিত্ৰাণ পোৱা জনেহে উপলব্ধি কৰিব পাৰে। পৰিত্ৰাণ নোপোৱা মানুহক বুজালেও বুজিব নোৱাৰে, উপলব্ধি কৰিব নোৱাৰে।

এগৰাকী বিখ্যাত বাইবেল শিক্ষকে কৈছে যে তেখেতৰ দেউতাক ঢুকুৱাৰ সময়ত আছিল তেওঁ এজন সৰু লৰা আছিল। সেই কাৰণে তেখেতে দেউতাকৰ বেদনা অনুভব কৰিব পৰা নাছিল। কিন্তু আন বিলাকে হলে শোকত শোকাতুৰ হৈ আছিল, এই কথাটো আকৌ তেখেতে উপলব্ধি কৰিব পৰা নাছিল। সেই কাৰণে তেখেতে অতি আগ্ৰহেৰে এটি সুন্দৰ কবিতা লিখিছিল আৰু সেইটো ঘৰৰ গোট খাই থকা সকলোকে পঢ়ি শুনাইছিল। পঢ়ি তেখেতে যি আনন্দ পাইছিল, তাক তেখেতে ভাষাৰে কাকো বুজাব নোৱাৰিছিল, কিন্তু আন বিলাকে আনন্দ পোৱাৰ পৰিৱৰ্তে



WORD RESOUNDS TODAY
www.Radio882.com

তেখেতক ঠেলি আঁতৰাই দিছিল। সেই কাৰণে সেইটোৱেই তেখেতৰ জীৱনৰ শেষ কবিতা আছিল। তেখেতৰ ভিতৰত যদি কবিৰ এটি কলি আছিল, তথাপিতো সেই কলিটো পৃথিৱীৰ বুকুত ফুলি উঠাৰ আগতেই কলিতে মোহাৰি পৃথিৱীৰ বুকুৰ পৰা চিৰদিনৰ বাবে নাইকিয়া কৰা হল ।গতিকে এনেবোৰ কথা আনক কলে কোনে বুজিব।

হিতোপদেশ ১৪:১২-১৪পদলৈকে পাঠ কৰি দিছো শুনিব চোন, **"কোনো, কোনো পথ মানুহৰ দৃষ্টিত সৰল বোধ হয়; কিন্তু শেষত সেয়ে মৃত্যুৰ পথ। হাঁহিৰ সময়তো মনত দুখ হব পাৰে, আৰু আনন্দৰ শেষত খেদ হয় । যাৰ মন বিপথগামী, সি সম্পূৰ্ণৰূপে নিজ আচৰণৰ ফল ভোগ কৰি থাকিব; কিন্তু সৎলোকে নিজৰ পৰাই তৃপ্তি পাব।"** প্ৰিয়শ্ৰোতা, এই পদ কেইটি দেৱপূজক আৰু মতবাদ বিশ্বাসী লোকৰ ক্ষেত্ৰত প্ৰযোয্য বুলি আমি ক'ব পাৰো। তেওঁলোকে যুক্তি সংগত, সুন্দৰ আকৰ্ষণীয় কথা কয় কিন্তু শেষত সেয়ে মৃত্যুৰ পথ। অৱশ্যে এই বিলাক আজিকালি বেছি জনপ্ৰিয় হৈ আছে, বাঢ়ি আছে; কাৰণ ই মানুহৰ পুৰণি স্বভাৱৰ কথা কয়, ই মাংসময় শৰীৰৰ কথা কয়, ই নীতি নিয়মৰ কথা কয়, এই পথত চলিয়েই শেষত কিবা এটা পাব বুলি মানুহক পতিয়ন নিয়াই। কিন্তু যীচু খ্ৰীষ্টৰ বাহিৰে শেষ গতি সৰ্বনাশৰ বাহিৰে একো নাই বুলি বাইবেলে কয়। ঈশ্বৰৰ বাক্যই এই কথা কৈছে, যীচু খ্ৰীষ্টই কৈছে, ময়েই বাট, সত্য আৰু জীৱন মোৰ যোগেদি নগ'লে পিতৃৰ ওচৰলৈ কোনো নাযায়।

হিতোপদেশ ১৪:১৫-১৮পদলৈকে পঢ়িছোঁ, **"নিৰ্ব্বোধ লোকে সকলো কথা পতিয়ায়; কিন্তু বুদ্ধিমান লোকে নিজ ভৰিৰ খোজ বিবেচনা কৰে। জ্ঞানবান লোকে ভয় কৰি মন্দৰ পৰা আঁতৰ হয়; কিন্তু অজ্ঞান লোক গৰ্ব্বী আৰু কু-সাহিয়াল হয়। অলপতে খং উঠা লোকে অজ্ঞানৰ কৰ্ম্ম কৰে; আৰু কুকল্পনা কৰোঁতা লোক ঘৃণিত হয়। নিৰ্ব্বোধৰ আধিপত্য অজ্ঞানতা; কিন্তু বুদ্ধি মান লোকবিলাক জ্ঞানৰূপ কিৰীটিৰে বিভূষিত হয়।"** প্ৰিয়শ্ৰোতা, আজি জগতৰ মানুহৰ ধাৰণা যে এজন খ্ৰীষ্টিয় লোক মানে হল যি সকলৰ জ্ঞান কম। সেই কাৰণে তেওঁক যিহকে কোৱা যায় তাকে শুনিব কিন্তু ঈশ্বৰৰ প্ৰকৃত সন্তান এজনে যিহকে শুনে তাকে বিশ্বাস নকৰে আৰু কৰা উচিত নহয়। আৰু বিশ্বাস কৰাও কোনোমতে সহজ নহয়।

এই কথা আমি জনা দৰকাৰ এই ক্ষেত্ৰত প্ৰভু যীচু খ্ৰীষ্টৰ শিষ্য সকলৰ কথাটো আপুনি মন কৰিছেনে? তেওঁলোকে অনবৰতে প্ৰভু যীচুক প্ৰশ্ন সুধিয়েই আছিল। যি জনক আমি সন্দেহ বাদী থোমা বুলি কওঁ, তেওঁ প্ৰশ্ন সুধিয়েই আছিল। চিমোন পিতৰেও বহু প্ৰশ্ন সুধিছিল, যেনে প্ৰভু আপুনি কলৈ গৈ আছে? ময়ো আপোনাৰ লগত যাব নোৱাৰো নে? ইত্যাদি। শান্ত স্বভাৱৰ ফিলিপেও সুধিছিল, আপুনি আমাক পিতৃকে দেখাওক সেয়ে আমাৰ বাবে যথেষ্ট হব। ঈস্কৰোতীয়া যিহূদাই নহয় কিন্তু আনজন যিহূদাই সুধিছিল, আপুনি আমাক যিবোৰ দেখোৱাই আছে সেইবোৰ জগতৰ মানুহক নেদেখোৱাই কিয় বাৰু? ইত্যাদি, ইত্যাদি। তেওঁলোকে প্ৰশ্ন সুধিয়েই আছিল, ঠিক একেদৰে আজিও ঈশ্বৰৰ সন্তান এজনে যিহকে শুনে তাকে বিশ্বাস কৰা উচিত নহয় কাৰণ বিশ্বাস মানে অন্ধকাৰত জাপ দিয়া নহয়। বিশ্বাস মানে হল সত্যৰ ওপৰত নিৰ্ভৰ কৰা। ঈশ্বৰেও কৈছে, যি বস্তুৰ সু-দৃঢ় ভেটি নাই তাক বিশ্বাস নকৰিবা ঈশ্বৰৰ প্ৰতি থকা ভয় ভাৱে শুনা কথা পৰীক্ষা কৰি বেয়াৰ পৰা আঁতৰি থকাত সহায় কৰে। আনকি প্ৰচাৰকে কোৱা কথাও তেওঁ ঈশ্বৰৰ বাক্যৰ লগত পৰীক্ষা কৰি চাই আৰু তাৰ পাছতহে বিশ্বাস কৰে। আচলতে আমি



WORD RESOUNDS TODAY
www.Radio882.com

সকলোৰে সাৱধান হোৱাৰ সময় আহি পৰিছে কাৰণ বহু প্ৰচাৰ মাধ্যম আৰু নানা ধৰণৰ সংগঠন বিলাকে বহুতো অতিৰঞ্জিত কথা প্ৰচাৰ কৰি আছে, আৰু সেইবোৰৰ দ্বাৰা মানুহক বিভ্ৰান্ত কৰি আছে।

হিতোপদেশ ১৪:১৯-২০পদ, "বেয়া লোক ভালৰ গুৰিত, আৰু দুষ্টবোৰ ধাৰ্ম্মিক লোকৰ দুৱাৰত সেও হয়। দৰিদ্ৰ নিজ ওচৰ চুবুৰীয়াৰ আগতো ঘিণলগীয়া হয়; কিন্তু ধনবানৰ অনেক বন্দু হয়।" প্ৰিয়শ্ৰোতা, এই পদ দুটি আজি দিনক দিনে বেছি সঁচা বুলি প্ৰমাণিত হৈ আহিছে। আজি কালি আৰু ৰেল-লাইনৰ লাইটৰ খুটাৰ তলত পঢ়ি ৰাষ্ট্ৰপতি হোৱাৰ দিন নাই। নেতা হবলৈ নীতি নহলেও ধন লাগিবই।

হিতোপদেশ ১৪:২১-২৩ পদলৈকে পঢ়িছোঁ শুনিব চোন, **"যি জনে ওচৰ-চুবুৰীয়াক হেয়জ্ঞান কৰে, তেওঁ পাপ কৰে; কিন্তু যি জনে দৰিদ্ৰ বিলাকক দয়া কৰে, তেওঁ ধন্য। যিবোৰে অনিষ্ট-কল্পনা কৰে, সিহঁত জানো বিপথগামী নহয়? কিন্তু যিবিলাকে মঙ্গল কল্পনা কৰে তেওঁ বিলাক দয়ালু আৰু বিশ্বাসী। সকলো বিধ পৰিশ্ৰমত লাভ আছে; কিন্তু গপ কথাই কেৱল অভাৱ ঘটায়।"** বাৰু, যাৰ পৰা আপুনি একো পাবলৈ আশা কৰিব নোৱাৰে তেনে লোকৰ প্ৰতি আপোনাৰ মনোভাৱ বাৰু কেনে? তেওঁলোকক কেতিয়াবা সহায় কৰি পাইছে নে বাৰু? নাইবা আপুনি আনৰ কাৰণে ভাল চিন্তা কৰে নে বাৰু? যদি কৰে তেন্তে সেইয়া কেৱল কথাৰে নহয় কামেৰেও হওক। কিছুমান মানুহ আছে কেৱল কথা কয়, কথাকেই কয়, একো নকৰে আমাৰ মাজত কথা কোৱা আৰু কাম কৰা দুই শ্ৰেণীৰ মানুহ আছে।

হিতোপদেশ ১৪:২৪-২৫পদ পাঠ কৰিছোঁ, "জ্ঞানবানবিলাকৰ ধনেই তেওঁ বিলাকৰ মুকুট; কিন্তু অজ্ঞানবোৰৰ অজ্ঞানতাই সাৰ। সত্যবাদী সাক্ষীয়ে পৰৰ প্ৰাণ ৰক্ষা কৰে । কিন্তু মিছা কথা কওঁতাই ছল কৰে।" প্ৰিয়শ্ৰোতা, ধনী মানে জাগতিক বয়বস্তুত ধনী হোৱাই ধনী নহয় ইয়াৰ বিপৰীতে আনবিধ আত্মিক ধনো আছে। এই আত্মিক ধনেহে মানুহক স্থায়ী সুখ শান্তি দিব পাৰে।

এতিয়া আমি হিতোপদেশ ১৪:২৬-২৮ পদলৈকে পঢ়ি দিছোঁ শুনিব চোন, **"যিহোৱা বিষয়ক ভয়েই দৃঢ় বিশ্বাস-ভূমি, আৰু তেওঁ নিজ সন্তানবিলাকৰ আশ্ৰয় হয়। মৃত্যুৰূপ ফান্দৰ পৰা আঁতৰাবলৈ, যিহোৱাবিষয়ক ভয়েই জীৱনৰ ভূমকস্বৰূপ অধিক প্ৰজা থাকিলে ৰজাৰ শোভা হয়; কিন্তু প্ৰজা নাথাকিলে নৃপতিৰ সৰ্ব্বনাশ হয়।"** প্ৰিয়শ্ৰোতা, ইয়াত এই বুলি কোৱা হৈছে যে হিতোপদেশ পুস্তকৰ যোগেদি আমাৰ হৃদয়ত প্ৰভুৰ প্ৰতি ভয়ৰ শিক্ষা দিয়াই হল পবিত্ৰ আত্মাৰ মূল কাম।

এতিয়া হিতোপদেশ ১৪:৩০-৩৩ পদলৈকে একেলগে পঢ়ি দিম শুনিবচোন, **"শান্ত মন শৰীৰৰ জীৱনস্বৰূপ, কিন্তু ঈৰ্ষা হাড়ৰ ক্ষয়স্বৰূপ। যি মানুহে দৰিদ্ৰক অত্যাচাৰ কৰে, তেওঁ নিজ সৃষ্টি কৰ্ত্তাক অপমান কৰে; কিন্তু যি কোনোৱে দৰিদ্ৰক দয়া কৰে, তেওঁ তেওঁক মান্য কৰে। দুষ্ট লোকক নিজ দুষ্টতাৰ দ্বাৰাই পৰলোকলৈ গঁতিয়াই দিয়া হয়; কিন্তু ধাৰ্ম্মিকে নিজ মৰণৰ সময়ত আশ্ৰয় পায়। প্ৰজাই বুদ্ধিমান লোকৰ হৃদয়ত নিস্তব্ধে বাস কৰে। কিন্তু অজ্ঞান বোৰৰ পেটৰ কথা প্ৰকাশ পায়।"** এই কথাটো কিমান সত্য চিন্তা কৰকচোন, ঈৰ্ষাই কেৱল প্ৰভুৰ লগত



WORD RESOUNDS TODAY
www.Radio882.com

থকা সহভাগীতা আৰু মনৰ আনন্দ কাঢ়ি নিয়াই নহয় ঈৰ্ষাই আনকি শৰীৰৰো অনিষ্ট সাধন কৰে।

এই বাৰ আমি শেষৰ পদ দুটা অৰ্থাৎ হিতোপদেশ ১৪:৩৪-৩৫ পদ পাঠ কৰি দিছোঁ শুনিব চোন, **ধাৰ্ম্মিকতাই ৰাজ্যৰ উন্নতি কৰে; কিন্তু পাপ প্ৰজা বিলাকৰ কলঙ্কস্বৰূপ। জ্ঞানেৰে কাৰ্য্য কৰা দাসলৈ ৰজাৰ অনুগ্ৰহ থাকে; কিন্তু লাজ দিওঁতা দাসলৈ তেওঁৰ ক্ৰোধ থাকে।**

প্ৰিয়শ্ৰোতা, আজি পৃথিৱীৰ বৰমূৰীয়া সকলে যদি এই পদ দুটি জানিলেহেঁতেন তেন্তে বৰ ভাল আছিল নহয় নে বাৰু? তেওঁলোকে নিশ্চয় অস্ত্ৰ-শস্ত্ৰ ওপৰত ইমান নিৰ্ভৰ নকৰি ঈশ্বৰৰ ওপৰত অলপ বেছি নিৰ্ভৰ কৰিবলৈ শিকিলেহেঁতেন। আৰু তেওঁলোকে ঈশ্বৰৰ ওপৰত নিৰ্ভৰ কৰিবলৈ শিকা হলে পৃথিৱীৰ বুকুত ইমান যুদ্ধ বিগ্ৰহ আদি নিশ্চয় নাথাকিলহেঁতেন।

দেশৰ কথা এতিয়া বাদ দি নিজৰ কথাকেই ভাবোহঁক যে আজিৰ আলোচনাটিৰ যোগেদি নিজকে পৰীক্ষা কৰি আমি বাৰু কি পাওঁ? সকলো অন্ধকাৰ হৈ গলেও সেই অন্ধকাৰৰ মাজত এটি সৰু বন্তি হৈ আমি জ্বলি থাকিব নোৱাৰো নে বাৰু? অন্ধকাৰৰ মাজত পোহৰ বিলাই জ্বলি থাকিবলৈ এটি সৰু বন্তি হবলৈ ঈশ্বৰে আমাক সকলোকে শক্তি দিব পাৰে। প্ৰভু যীচুৱে হৈছে সেই পোহৰ যি পোহৰ আমি সকলোৱে লাভ কৰিব পাৰো। যি পোহৰে এই জগতত থকা পাপ কলুষতাৰ অন্ধকাৰ আঁতৰাই প্ৰকৃত জ্ঞানৰ পোহৰ প্ৰকৃত সত্যৰ পোহৰ দিব পাৰে। প্ৰভু যীচুক আপোনাৰ ত্ৰাণকৰ্ত্তা বুলি গ্ৰহণ কৰি সেই পোহৰ এচেৰেঙা আপুনিও গ্ৰহণ কৰিছে নে বাৰু? চিন্তা কৰি চাওঁকচোন, ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক, আমেন।

পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:

1. ঈশ্বৰ বিশ্বাসত বীৰ বুলি কাক জনা যায়?
2. অহজিয়া কিমান বছৰ বয়সত ৰজা হৈছিল ?
3. খালী ঠাই পূৰ কৰা: বিশ্বাস মানে হল ____________।

WORD RESOUNDS TODAY



www.Radio882.com

**হিতোপদেশ ১৫ অধ্যায়**

আমি এতিয়া বাইবেল পুৰনি নিয়ম খণ্ডৰ হিতোপদেশ নামৰ পুস্তকখন অধ্যয়ন কৰি আছোঁ নহয়নে বাৰু? গতিকে আজিৰ এই অনুষ্ঠানত আমি এই হিতোপদেশ পুস্তকখনৰ ১৫ অধ্যায়ৰ অধ্যয়ন কৰিব খুজিছোঁ। প্ৰিয়শ্ৰোতা, এই ১৫ অধ্যায়ৰ যোগেদি ভালৰ বিপৰীতে বেয়াটো তুলনা কৰি দেখুওৱা হৈছে। আৰু এই ক্ষেত্ৰত জিবা আৰু হৃদয়ৰ ভূমিকা কেনেকুৱা হব লাগে ইয়াৰ বিষয়ে শিকোৱা হৈছে।

এতিয়া জিবাৰ বিষয়ে প্ৰথম পদটি পাঠ কৰিছোঁ শুনিবচোন, হিতোপদেশ ১৫:১পদ, **"মৃদু উত্তৰে ক্ৰোধ ক্ষান্ত কৰে। কিন্তু কটু কথাই খং তোলে।** আমি ভাবো এই পদটি শুনাৰ লগে, লগে আপোনাৰ মনলৈ দুগৰাকী মানুহৰ নাম নিশ্চয় আহিছে। তেওঁলোক হল অবিগল আৰু তাইৰ স্বামী নাবল। অৱশ্যে হিতোপদেশৰ বহুতো পদ তেওঁলোকৰ ক্ষেত্ৰত খাটে।

অবিগল আছিল সুন্দৰী মনোমোহা মৃদু ভাষী তিৰোতা। কিন্তু তেওঁ গিৰিয়েক নাবল আছিল বৰ মূৰ্খ আৰু ধনী মানুহ। তেওঁলোকৰ বিষয়ে বিউটি অন দা বিষ্ট অৰ্থাৎ সুন্দৰী আৰু পশু নামৰ এখন কিতাপ লিখা হৈছে। আৰু তাত অবিগলক সুন্দৰী নাবলক পশু ৰূপে দেখুওৱা হৈছে। এবাৰ নাবলে দায়ূদক বৰ বেয়া ধৰণে অপমান কৰিছিল। আৰু দায়ূদ ক্ৰোধী হৈ উঠিছিল। তাকে শুনি অবিগলে দাস সকলক ততালিকে খোৱা বস্তু যুগুত কৰিবলৈ কৈছিল। আৰু যুগুত কৰা বহু খোৱা বস্তু অবিগলে লৈ দায়ূদৰ আগত ওবুৰি হৈ পৰিছিল, আৰু কৈছিল যে, দায়ূদৰ জীৱন ঈশ্বৰৰ লগত বন্ধা হৈ আছে। অৰ্থাৎ দায়ূদ যে ঈশ্বৰৰ মনোনীত লোক আৰু ভৱিষ্যতে এজন মহান ৰজা হব, সেই কথা অবিগলে জানিছিল। যিকি নহওঁক অবিগলৰ মৃদু কথাই দায়ূদৰ ক্ৰোধ ক্ষান্ত কৰিছিল। কিন্তু নাবলৰ কটু কথাই দায়ূদৰ খং উঠাইছিল। এনে ধৰণৰ অনেক উদাহৰণ আমি বাইবেলত পাওঁ।

মথিয়ে লিখা শুভবাৰ্তা ২৩ অধ্যায় আমি পঢ়িলে তাত পাওঁ যে, প্ৰভু যীচুৱে ফৰীচী সকলক দোষাৰোপ কৰি কৈছিল, টান, টান কথা শুনাইছিল, টান কথা কোৱাৰ এটা সময় আছে। প্ৰভু যীচুৱে উচিত সময়ত যথাস্থানত সেই টান কথা ক'ব লগীয়া হৈছিল। কিন্তু ইয়াৰ বিপৰীতে ঈশ্বৰৰ দয়া বিচৰা লোক সকলৰ প্ৰতি তেওঁ বৰ দয়ালু আছিল। পাতকী তিৰোতা এজনীয়ে ব্যভিচাৰত ধৰা পৰোতে যিহূদী কেইজন মানে তাইলৈ শিল দলিয়াই, দলিয়াই তাইক মাৰিবলৈ উদ্যত হৈছিল। এই তিৰোতা গৰাকীক যেতিয়া কোনেও মাৰিব নোৱাৰি আঁতৰি গৈছিল। তেতিয়া প্ৰভু যীচুৱে তাইক কি কৈছিল জানেনে? তেওঁ কৈছিল, কোনেও তোমাক দোষী নকৰিলে নে? ময়ো নকৰো যোৱা আৰু পাপ নকৰিবা। পাতকী তিৰোতাজনীৰ প্ৰতি আমাৰ প্ৰভু যীচুৰ কি দয়া দেখিছে নে? এই কাৰণে কটু কথা কোৱাৰ সময় আছে কিন্তু মৃদু উত্তৰ আমাৰ স্বভাৱ হব লাগে।

হিতোপদেশ১৫:২পদ, **"বুদ্ধিমানৰ জিবাই উত্তমৰূপে জ্ঞান প্ৰকাশ কৰে; কিন্তু অজ্ঞানৰ মুখে অজ্ঞানতা হকহক কৰে উলিয়াই দিয়ে।"** প্ৰিয়শ্ৰোতা, ইয়াতো পুনৰ জিবাৰ কথাকে কোৱা


www.Radio882.com
WORD RESOUNDS TODAY

হৈছে। আচৰিত কথা যে বাইবেলত মদ খোৱাৰ বিৰুদ্ধে যিমান কথা কোৱা হৈছে, তাতকৈ জিবাৰ অপব্যৱহাৰৰ বিৰুদ্ধে বেছি কথা কোৱা হৈছে। তাৰমানে মদ খাবলৈ কৈছে এনে নহয়, মদ নিশ্চয়কৈ বেয়া বস্তু, মদে আমাৰ দেশৰ কাৰণে ডাঙৰ অভিশাপ কঢ়িয়াই আনিছে। বহু মানুহক এই মদে ধ্বংস কৰিছে, বহু পৰিয়াল ধ্বংস কৰিছে; আৰু সেই কাৰণে ঈশ্বৰৰ বাক্যই মদ পাণ কৰা বেয়া বুলি জোৰকৈ কৈছে।

কিন্তু জিবাৰ বেয়া ব্যৱহাৰ তাতকৈ আৰু বেছি বেয়া বুলি ঈশ্বৰৰ বাক্যত আমি পাওঁ। এই অকণমানি জিবাখনেই গোটেই মানুহটোৰ পৰিচয় দিব পাৰে। ই মানুহক বিপদত পেলাব পাৰে আৰু সন্মানো আনি দিব পাৰে। সেই কাৰণে জিবাৰ ব্যৱহাৰত আমি সকলোৱে সাৱধান হব লাগে।

হিতোপদেশ ১৫:৩পদ, **"উত্তম আৰু অধমবিলাকক চাই, যিহোৱাৰ চকু সকলো ঠাইতে থাকে।"** প্ৰিয়শ্ৰোতা, আপুনি কিবা বেয়া কাম কৰা আগতে ইফালে সিফালে চাই হয়তো কোনেও চাই থকা নাই বুলি ভাবিব পাৰে। কিন্তু কোনেও নেদেখিলেও ঈশ্বৰে চাই আছে। তেওঁৰ পৰা আপুনি কতো লুকাব নোৱাৰে। আপোনাৰ ছাগে নিশ্চয় মনত আছে, যেমোচিয়ে মিচৰীয়া এজনক মাৰি ইফালে সিফালে চাই কোনেও দেখা নাই বুলি ভাৱিছিল কিন্তু ওপৰলৈ চোৱা নাছিল; আৰু ঈশ্বৰে যে সকলো দেখি আছে তাক তেওঁ উপলব্ধিও কৰা নাছিল। কিন্তু মনত ৰাখিব আমাৰ একেবাৰে গুপুত কথাবোৰো ঈশ্বৰে দেখা পাই আছে।

হিতোপদেশ ১৫:৪পদ, **জিবাৰ শান্ত ভাব জীৱন গছস্বৰূপ; কিন্তু তাৰ কুটিলতা মন ভঙাস্বৰূপ।** আকৌ জিবাৰ কথাই কোৱা হৈছে। জিবাৰ দ্বাৰাই আমি বিপদত পৰিব পাৰো নাইবা পুৰষ্কাৰো পাব পাৰো। কথাতে কটা যায় আৰু কথাতে বঁটা পায় বুলি কোৱা কথাটিয়ে হল ইয়াৰ সাৰাংশ।

হিতোপদেশ ১৫:৫পদ, **"অজ্ঞানে নিজ পিতৃৰ শিক্ষা তুচ্ছজ্ঞান কৰে; কিন্তু যি জনে অনুযোগ মানে তেওঁ বুদ্ধিমান।" ইয়াত অজ্ঞান মানে মূৰ্খক বুজোৱা হৈছে।** মূৰ্খক ভাল পৰামৰ্শ আৰু উপদেশ দিব পাৰি কিন্তু সি হলে নুশুনেও আৰু নামানেও আৰু নমনাৰ এক মাত্ৰ কাৰণটো হল যে সি মূৰ্খ।

হিতোপদেশ ১৫:৬পদ, **"ধাৰ্ম্মিকৰ ঘৰ বহু ধনৰ ভঁৰাল; কিন্তু দুষ্টৰ উপাৰ্জন ক্লেশযুক্ত।"** প্ৰিয়শ্ৰোতা, ইয়াত ধনৰ দ্বাৰা জাগতিক বয় বস্তুৰ ভঁৰালক বুজোৱা হোৱা নাই কিন্তু আত্মিক ফলৰ ভঁৰালক হে বুজোৱা হৈছে। আত্মিক ধন মানে প্ৰেম, শান্তি, অনন্দ, সহানুভূতি ইত্যাদি। এইবোৰে প্ৰকৃত ধন আৰু ই দুষ্টৰ জাগতিক ধনতকৈ বেছি আনন্দ দিয়ে।

হিতোপদেশ ১৫:৭পদ, **"জ্ঞানৱান বিলাকৰ ওঁঠে জ্ঞানৰূপ কঠিয়া সিঁচে,কিন্তু অজ্ঞানবোৰৰ মনে সেইদৰে নকৰে।"** ইয়াত জিবাৰ সলনি ওঁঠ বুলি কোৱা হৈছে কিন্তু দুয়োটাৰ অৰ্থ আৰু কাৰ্য্য আমি একেটাই বুলি ক'ব পাৰো।

হিতোপদেশ ১৫:৮পদ, **"দুষ্টবোৰৰ বলিদান যিহোৱাৰ ঘিণলগীয়া কিন্তু সৰল বিলাকৰ প্ৰাৰ্থনা তেওঁৰ গ্ৰহণীয়।"** এইটো হল সৃষ্টিকৰ্তা ঈশ্বৰৰ মূল নীতি। দুষ্টই ভাল কথা চিন্তা কৰিব



www.Radio882.com
WORD RESOUNDS TODAY

নোৱাৰে আৰু ভাল কামো দুষ্টই কৰিব নোৱাৰে। দুষ্টৰ কাম আৰু ভাব চিন্তা ঈশ্বৰে যিহেতু ঘিণ কৰে সেই একে কাৰণতে সি আগবঢ়োৱা উৎসৰ্গাও ঈশ্বৰে ঘিণ কৰে। দুষ্টই আগবঢ়োৱা কোনো ধৰণৰ উৎসৰ্গা ঈশ্বৰে গ্ৰহণ কৰিব নোৱাৰে। দুষ্টলোক ভিতৰে বাহিৰে দুষ্টতাৰে পৰিপূৰ্ণ কাৰণে সি কৰা কাম ভাল হব নোৱাৰে। ইয়াৰ কাৰণ হল মাংসৰ পুৰণি স্বভাৱ তেওঁৰ শৰীৰত আছে আৰু তেওঁ নম্ৰ হৈ পৰিত্ৰাণৰ কাৰণে প্ৰভু যীচু খ্ৰীষ্টলৈ অহা নাই। কোনো এজন মানুহ ধৰ্ম্মীয় বিষয়ত গোঁড়া হব পাৰে। বহু নীতি নিয়ম পালন কৰিব হয়তো পাবে। কিন্তু ঈশ্বৰৰ দৃষ্টিত এইবিলাক কোনো মূল্য নাই। ঈশ্বৰে/1বিচাৰে হৃদয়ৰ আমোল পৰিবৰ্তন। তাৰ পৰিবৰ্তে আমি যদি বাহিৰত সুন্দৰ দেখোঁ ভিতৰখন যদি আমাৰ পৰিষ্কাৰ নহয় তেন্তে ঈশ্বৰৰ দৃষ্টিত আমি/1ঘিণলগীয়া আৰু আমাৰ কৰ্ম্ম বোৰো ঘিণলগীয়া।

হিতোপদেশ ১৫:৯পদ, **"দুষ্টৰ পথ যিহোৱাৰ ঘিণলগীয়া; কিন্তু ধাৰ্ম্মিকতাৰ অনুগামীক তেওঁ প্ৰেম কৰে।** আমি ইতিমধ্যে জানিলোঁ ঈশ্বৰে দুষ্টবোৰক যিহোৱাই ঘিণ কৰে। সেই দবে সিহঁতৰ উৎসৰ্গাও ঘিণ কৰে। কিন্তু ধাৰ্ম্মিকতাৰ অনুগামিক তেওঁ প্ৰেম কৰে। তাৰ মানে আমি নিজৰ ধাৰ্ম্মিকতাৰ ওপৰত নিৰ্ভৰ নকৰি যদি, প্ৰভু যীচু খ্ৰীষ্টৰ ধাৰ্ম্মিকতাৰ ওপৰত নিৰ্ভৰ কৰোঁ তেন্তে ঈশ্বৰে আমাক প্ৰেম কৰিব। কাৰণ যীচু খ্ৰীষ্টৰ ধাৰ্ম্মিকতাহে ঈশ্বৰৰ দৃষ্টিত সিদ্ধ ।

**হিতোপদেশ ১৫:১০পদ, "সুপথ ত্যাগ কৰোঁতাৰ নিমিত্তে দুখ দিওঁতা শাস্তি আছে; যিজনে অনুযোগ ঘিণ কৰে, তেওঁ মৰিব।"** এইটো সচাঁ যে নিজৰ দুখ আঙুলিয়াই দিলে বহুতে বেয়া পায়। কিছুমানে খোলা খুলিকে বেয়া পোৱাটো প্ৰকাশ কৰে, কিন্তু কিছুমানে প্ৰকাশ নকৰিলেও পেটে, পেটে বেয়া পায়। আৰু কিছুমানৰ ভুল আঙুলিয়াই দিলেও তেওঁৰ ভুল হৈছে বুলি কেতিয়াও স্বীকাৰ কৰি নলয় আৰু মানি নলয়।

এতিয়া হৃদয়ৰ বিষয়ে হিতোপদেশ ১৫:১১-১২পদ শুনকচোন, **"চিয়োল আৰু অবদ্দোন যিহোৱাৰ চকুৰ আগত আছে; তেনে কিমান অধিক পৰিমাণে মনুষ্য-সন্তানবিলাকৰ হৃদয় তেওঁৰ দৃষ্টি গোচৰত থাকে। নিন্দকে অনুযোগ পাবলৈ ভাল নাপায়;সি জ্ঞানীবিলাকৰ গুৰিলৈ নাযায়।"** প্ৰিয়শ্ৰোতা, এই কথাখিনি ইব্ৰী পুস্তকৰ ৪:১৩পদত, **"এইদৰে কোৱা হৈছে, আৰু কোনো সৃষ্ট বস্তু তেওঁৰ দৃষ্টিৰ অগোচৰ নহয়; কিন্তু যি জনাৰ আগত আমি হিচাব দিব লগা হওঁ, তেওঁৰ চকুৰ আগত সকলোৰেই উদং আৰু মুকলি।"** তাৰমানে ঈশ্বৰে আমি কৰা সকলো কাম দেখি আছে। আৰু আমাৰ হৃদয়ৰ ভাব-চিন্তা বিলাকো ঈশ্বৰে জানি আছে। আন কি আমি কোনেও দেখা নোপোৱা চিয়োল বা নৰকো ঈশ্বৰৰ দেখাতে আছে। বহু মানুহে অৱশ্যে নৰক থকা বুলি বিশ্বাসে নকৰে।

কিন্তু ঈশ্বৰে তেওঁৰ সন্তানসকলক এই অদৃশ্য জগত খনৰ বিষয়ে জানিবলৈ দিয়ে। নৰকৰ ভয়ে মানুহক এই জগতত থকা কালতে পথ নিৰ্ধাৰণত সহায় কৰে। এই কাৰণে নৰক বিশ্বাস কৰা আৰু নকৰা মানুহৰ মাজত জীৱনৰ মূল্য বোধৰ এটি পাৰ্থক্য থাকে। ঈশ্বৰৰ সন্তান নোহোৱা ব্যক্তি এজনৰ জীৱনৰ ধাৰণাই বেলেগ, জীৱন ধাৰণৰ প্ৰণালীয়ে বেলেগ। কিন্তু একমাত্ৰ ঈশ্বৰেহে প্ৰকাশ কৰিব পাৰে যে মৃত্যুৰ সিপাৰে থকা অদৃশ্য জগতখন কেনেকুঁৱা। আপুনি আৰু মই সেইটো নিশ্চয় কৰিব নোৱাৰোঁ। একমাত্ৰ পবিত্ৰ আত্মাই হে খ্ৰীষ্টৰ সকলো কথা সঁচা বুলি দাঙি ধৰিব পাৰে। আমাৰ প্ৰভু যীচু খ্ৰীষ্টই আজিৰ পৰা প্ৰায় দুহেজাৰ বছৰৰ আগতে মৃত্যুৰ


www.Radio882.com
WORD RESOUNDS TODAY

দুৱাৰেদি সিপাৰলৈ গৈছিল আৰু তিনি দিনৰ দিনা পুনৰ জীৱন্তে ঘূৰি আহিছিল। তাৰ পাছত ৪০ দিন ধৰি শিষ্যসকলক তেওঁ দেখা দিছিল আৰু মহা গৌৰৱেৰে স্বৰ্গলৈ উঠি গৈছিল। আৰু তেওঁৰ পবিত্ৰ আত্মা আমাৰ মাজলৈ পঠাই দিছিল। যোহন ১৬:১৫পদত পবিত্ৰ আত্মাৰ বিষয়ে প্ৰতিজ্ঞা কৰি প্ৰভু যীচুৱে এনেদৰে কৈছিল পাঠ কৰি দিছোঁ, **"মোৰ যি আছে, তেওঁ তাৰ পৰা লৈ তোমালোকক জনাব।"** আচলতে প্ৰভু যীচুক যদি আপুনি নাজানে তেনেহলে আপোনাৰ অতীত, বৰ্তমান, ভৱিষ্যত বিষয়ে আচলতে আপুনি একোকে নাজানে।

হিতোপদেশ ১৫:১৩পদটো পঢ়িছোঁ, **"আনন্দিত মনে মুখ প্ৰফুল্লিত কৰে; কিন্তু মনৰ দুখত মন ভগ্ন হয়।"** এইটো বৈজ্ঞানিক ভাৱে প্ৰমাণ কৰা হৈছে যে, হাঁহি আৰু আনন্দ স্বাস্থ্যৰ উন্নতি সাধন কৰে আৰু মানুহক দীৰ্ঘায়ু হোৱাত সহায় কৰে। এইটো আমি বাইবেলতেই পাইছোঁ।

হিতোপদেশ ১৫:১৪-১৫পদ, **"সুবিবেচকৰ মনে জ্ঞান বিচাৰ কৰে; কিন্তু অজ্ঞানবোৰৰ মুখ অজ্ঞানতাৰূপ পথা-ৰতচৰে। দুখিত লোকৰ সকলো দিন বিষম; কিন্তু যি জনৰ চিত্ত প্ৰফুল্লিত, তেওঁৰ দিন নিত্য-ভোজৰ দিন স্বৰূপ।"** প্ৰিয়শ্ৰোতা, অধিক ধন-সম্পত্তি থকাতকৈ অধিক আনন্দ বেছি শ্ৰেষ্ঠ। আনন্দৰ লগত মগজুতকৈ হৃদয়ৰ বেছি সম্বন্ধ আছে। হৃদয়ত যদি আমি ঈশ্বৰৰ প্ৰতি ভয় ৰাখো তেন্তে স্বভাৱিকতে আমি বেয়াৰ পৰা আঁতৰি থাকিম আৰু তেতিয়া আমাৰ চিত্ত প্ৰফুল্লিত হৈ থাকিব।

হিতোপদেশ ১৫:১৬-১৭পদ দুটা পাঠ কৰি দিব খুজিছোঁ, **"চিন্তাই সৈতে অধিক ধন-সম্পত্তিতকৈ যিহোৱালৈ ৰখা ভয়ে সৈতে অলপেই ভাল। হিংসাৰে সৈতে পোহতোলা গৰুতকৈ স্নেহেৰে সৈতে শাক ভোজন কৰাই ভাল।"** প্ৰিয়শ্ৰোতা, ইয়াৰ সুন্দৰ উদাহৰণ এটি আমি দানিয়েলৰ জীৱনৰ যোগেদি পাওঁ। দানিয়েল যেতিয়া ডেকা আছিল তেতিয়া বন্দী হৈ অহা দাস হিচাপে তেওঁ বাবিললৈ নিয়া হৈছিল। তাত তেওঁ আচৰিত পাৰদৰ্শিতা দেখুৱাইছিল। সেই কাৰণে তেওঁক ৰজাৰ কামত ব্যৱহাৰ কৰিবলৈ প্ৰশিক্ষণ দিয়া হৈছিল, আৰু খাবলৈ ভাল, ভাল খাদ্য দিবলৈ ৰজাই আদেশ দিছিল। কিন্তু তেওঁ সেইবিলাক খোৱা নাছিল কাৰণ ইস্ৰায়েলৰ বিধান মতে সেই বিলাক খোৱা মানা আছিল। সেই বিলাক খোৱাটো আচলতে ঈশ্বৰৰ দৃষ্টিত পাপ আছিল। কিন্তু তেওঁ শস্য আৰু শাক জাতীয় আহাৰ খাইছিল কাৰণ তেওঁ ঈশ্বৰলৈ ভয় কৰিছিল। ঈশ্বৰৰ বিধান পালন কৰাটো তেওঁ প্ৰয়োজনীয় বুলি জানিছিল। ঈশ্বৰে আকৌ তেওঁক সন্মানীয় পদ পোৱাত সহায় কৰিছিল। তেওঁ নবূখদনেচৰ ৰজাৰ প্ৰধান মন্ত্ৰী হৈছিল। তাৰ পাছত তেওঁ আকৌ মহান কোৰচ ৰজাৰ প্ৰধান মন্ত্ৰী হৈছিল। চাওক চোন ঈশ্বৰলৈ ভয় ৰখা কিমান উত্তম।

এতিয়া হিতোপদেশ ১৫:১৮- ১৯পদ দুটা পাঠ কৰি দিছোঁ, **"খঙাল লোকে বিবাদ জন্মায়; কিন্তু ক্ৰোধত ধীৰ লোকে বিবাদ ক্ষান্ত কৰে। এলেহুৱাৰ বাট কাঁইটৰ বেৰাস্বৰূপ; কিন্তু ধাৰ্ম্মিকবিলাকৰ বাট ৰাজপথস্বৰূপ।"** প্ৰিয়শ্ৰোতা, এই কথাটো সঁচা। তথাপিতো নম্ৰ আৰু সত্য কথাই যে বিবাদ নজন্মাই এনে নহয়, সত্য কথাও মাজে, মাজে বিবাদ অৱশ্যে জন্মাই। ঈশ্বৰৰ আৰু প্ৰভু যীচুৰ কথা প্ৰচাৰ কৰোঁতেও বিবাদ লাগে।

আমাৰ প্ৰভু যীচু খ্ৰীষ্ট অতি নম্ৰ আৰু সত্য আছিল। তথাপিতো তেওঁক লৈ যিমান বিতৰ্ক হৈছে, সিমান বিতৰ্ক কাৰো ওপৰত হোৱা নাই। ছাগলী, গৰু, আৰু কুঁকুৰা একেলগে থকা



WORD RESOURCES TODAY
www.Radio882.com

গঁৰালত আপুনি আন্ধাৰ ৰাতি লেম্প লৈ সোমাবচোন। গঁৰালত পোহৰ পৰাৰ লগে, লগে এন্দুৰ নিগনি বিলাকে কি কৰে, আৰু গৰু, ছাগলী, কুকুৰাই কি কৰে এইটো বুজি পালেই বিবাদৰ কাৰণটো আপুনি বুজি পাব।

হিতোপদেশ ১৫: ২০-২২পদলৈকে পাঠ কৰি দিব খুজিছোঁ, **"জ্ঞানৱান পুত্ৰই পিতৃক আনন্দিত কৰে; কিন্তু অজ্ঞানে নিজ মাতৃক তুচ্ছজ্ঞান কৰে। অজ্ঞানতা জ্ঞানশূন্যৰ আনন্দজনক; কিন্তু বিবেচক লোকে সৰল পথত চলে। বিনা পৰামৰ্শেৰে কৰা কল্পনা ব্যৰ্থ হয়; কিন্তু মন্ত্ৰীৰ বাহুল্যতসেয়ে সিদ্ধ হয়।"** প্ৰিয়শ্ৰোতা, প্ৰতি গৰাকী সন্তানে এই কথা জনা দৰকাৰ যে, তেওঁ এহাতে যেনেকৈ পিতৃ-মাতৃৰ গৌৰৱ হব পাৰে, তেওঁ যেনেকৈ নিজৰ ব্যৱহাৰৰ দ্বাৰা, নিজৰ স্বভাৱৰ দ্বাৰা, নিজৰ কাৰ্য কলাপৰ দ্বাৰা পিতৃ-মাতৃৰ গৌৰৱ আৰু আনন্দৰ কাৰণ হব পাৰে। তাৰ বিপৰীতে তেওঁ পিতৃ-মাতৃৰ দুখ আৰু লাজৰো কাৰণ হব পাৰে।

ঠিক একেটা কথা আমি আমাৰ আত্মিক জীৱনতো খুটোৱাব পাৰো। আমি আমাৰ জীৱনৰ দ্বাৰা পিতৃ ঈশ্বৰৰ আনন্দ আৰু গৌৰৱৰ কাৰণো হব পাৰো। আৰু আমি আমাৰ নিজৰ, নিজৰ জীৱনৰ কাৰ্য্য কলাপৰ দ্বাৰা পিতৃ ঈশ্বৰ প্ৰভু যীচু খ্ৰীষ্টৰ বাবে লজ্জাৰ কাৰণো হব পাৰো। আমি বাৰু কেনেকুৱা জীৱন কটাই আছো, আমি চিন্তা কৰি চোৱা উচিত।

যিকি নহওঁক এতিয়া আমি হিতোপদেশ ১৫:২৩-২৫পদলৈকে পাঠ কৰি দিছোঁ, **"মানুহে নিজৰ মুখৰ উত্তৰত আনন্দ পায়, আৰু উচিত সময়ত কোৱা বাক্য কেনে উত্তম! তলত থকা চিয়োলৰ পৰা আঁতৰ হ'বৰ নিমিত্তে, জ্ঞানী লোকৰ জীৱনৰ পথ ঊৰ্দ্ধগামী যিহোৱাই অহঙ্কাৰীবোৰৰ ঘৰ উচ্ছন্ন কৰে, কিন্তু বিধৱাৰ সীমা থিৰে ৰাখে।"** প্ৰিয়শ্ৰোতা, আমি কেৱল কি কম সেয়ে নহয় কিন্তু কেতিয়া কওঁ তাৰ প্ৰতিও সতৰ্ক হব লাগে। উচিত সময়ত কোৱা উচিত কথায় মানুহক উপকাৰ কৰে। এনে কথাৰ দ্বাৰা উপকৃত হোৱা বহু প্ৰমাণ আমি পাওঁ।

এতিয়া হিতোপদেশ ১৫:২৬-২৯পদলৈকে পাঠ কৰি দিছোঁ শুনিবচোন, **"যিহোৱাৰ আগত কু-কল্পনাবোৰ ঘিণলগীয়া, কিন্তু সন্তোষজনক বাক্য শুচি। লাভ আশা কৰোঁতাই নিজৰ পৰিয়ালক ক্লেশ দিয়ে; কিন্তু ভেঁটী ঘিণ কৰোঁতা জন কুশলে থাকে। ধাৰ্ম্মিকৰ মনে উত্তৰ দিবৰ নিমিত্তে চিন্তা কৰে; কিন্তু দুষ্টবোৰৰ মুখে হিংসা ঢালি দিয়ে। যিহোৱা দুষ্টবোৰৰ পৰা দূৰত থাখে, কিন্তু ধাৰ্ম্মিকবিলাকৰ প্ৰাৰ্থনা শুনে।"** প্ৰিয়শ্ৰোতা,দুষ্ট লোকৰ কাম ভাব চিন্তা আৰু উৎস্বৰ্গা ঈশ্বৰে যে ঘিণ কৰে, সেই কথা আমি আগতেও পাইছোঁ আৰু এতিয়াও সেই কথা আকৌ আমি জানিব পাৰিলো। কিন্তু ঈশ্বৰে কিমান ঘিণ কৰে সেই বিষয়ে আমি ১পিতৰ ৩:১২ পদত এইদৰে পঢ়িবলৈ পাওঁ যে, **"দুষ্টবোৰৰ প্ৰাৰ্থনা লৈয়ো ঈশ্বৰে আচলতে কাণ বন্ধ কৰে, এই কথা আমি প্ৰত্যেকেই মনত ৰখা উচিত।"** প্ৰিয়শ্ৰোতা, এতিয়া আমি এই হিতোপদেশ পুস্তকখনৰ এই অধ্যয়টোৰ একে বাৰে শেষৰ চাৰিটা পদ পাঠ কৰি দিম, তাৰ পাছত আমাৰ আজিৰ আলোচনাও সামৰণি মাৰিম । পদকেইটা হৈছে

হিতোপদেশ ১৫:৩০-৩৩পদলৈকে পাঠ কৰি দিছোঁ শুনিবচোন, **"চকুৰ প্ৰসন্নতাই মনক আনন্দিত কৰে; শুভবাৰ্ত্তাই হাড়বোৰক মগজুৰে পূৰ কৰে। যি জনৰ কাণে জীৱনদায়ক অনুযোগ শুনে, তেওঁ জ্ঞানীবিলাকৰ মাজত গণ্য হয়। যি জনে শিক্ষা অগ্ৰাহ্য কৰে, তেওঁ নিজ**



www.Radio882.com

WORD RESOUNDS TODAY

**প্ৰাণ তুচ্ছজ্ঞান কৰে কোচীত কিন্তু যি জনে অনুযোগ শুনে, তেওঁ বুদ্ধি উপাৰ্জন কৰে; যিহোৱাবিষয়ক ভয়েই প্ৰজ্ঞাৰ শিক্ষা, আৰু নম্ৰতা সন্মানৰ আগত যাওঁতা।"** প্ৰিয়শ্ৰোতা, এই গোটেই থিনি কথা আচলতে আমি বহলাই আলোচনা নকৰিলেও আমি নিশ্চয় তাৰ আচল অৰ্থটো বুজি পাইছো। আমি যিমান থিনি কথা শুনিলোঁ আৰু জানিলোঁ সেইবিলাক অনুকৰণ কৰাত সহজ হৈ পৰিব। যদিহে আমি নম্ৰ মনেৰে প্ৰভু যীচু খ্ৰীষ্টক বিশ্বাস কৰোঁ আৰু তেওঁৰ হাততে আমাৰ নিজৰ, নিজৰ জীৱন শোধাই দিওঁ আৰু তেওঁৰ ইচ্ছা অনুসৰি এনেকুঁৱা সৎ জীৱন যাপন কৰিবলৈ আমি তেওঁৰ পৰা শক্তি বিচাৰো। প্ৰভু যীচু খ্ৰীষ্টক যেতিয়া আমি এনেদৰে শক্তি বিচাৰো তেতিয়া আমি তেওঁৰ শক্তিৰে এই পৃথিৱীত তেওঁৰ দৃষ্টিত গ্ৰহণীয় জীৱন যাপন কৰিব পৰা হ'ম।

প্ৰিয়শ্ৰোতা, এই কাম বাৰু আপুনি কৰিছে নে? যদিহে এই কাম এতিয়ালৈকে কৰা নাই প্ৰাৰ্থনাৰে আপুনি নিজৰ জীৱন তেওঁ হাতত শোধাই দি গ্ৰহণীয় জীৱন যাপন কৰিবলৈ শক্তি বিচাৰি চাওঁকচোন। তাৰ পিছত আপোনাৰ জীৱন কেনেকুৱা হয়, সেই বিষয়ে আমালৈ চিঠি লিখি জনাব চোন, আমি জানিবলৈ আগ্ৰহেৰে বাট চাই থাকিম। ঈশ্বৰে আমাৰ সকলোকে আশীৰ্বাদ কৰক আমেন।

WORD RESOUNDS TODAY

<u>**পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:**</u>

**1.** হিতোপদেশ ১৫:৬ পদত দুষ্টৰ উপাৰ্জ্জনক কি বুলি কৈছে ?
2. দানিয়েল কোন ৰজাৰ প্ৰধান মন্ত্ৰী হৈছিল ?
3. অবিগল কাৰ পত্নী আছিল ?
4. অজ্ঞানে কিহক বুজায় ?



www.Radio882.com

**<u>হিতোপদেশ ১৬ অধ্যায়</u>**

আমি আজি কিছুদিন ধৰি বাইবেলৰ পুৰণি নিয়মৰ হিতোপদেশ নামৰ পুস্তকখন অধ্যয়ন কৰি আহিছোঁ নহয় জানো। আজি অনুষ্ঠানত আমি ষোল্লনম্বৰ অধ্যায়ৰ পৰা আলোচনা আগবঢ়াব খুজিছোঁ। প্ৰিয় শ্ৰোতা আমি আৰম্ভণীৰে পৰা কৈ আহিছো যে এই হিতোপদেশ পুস্তকৰ নীতি বচনবোৰ বহু বছৰে পোৱা দীঘল, দীঘল অভিজ্ঞতাৰ চুটি, চুটি কথাৰ তুলনা আৰু নীতি বচন। পবিত্ৰ আত্মাৰ শক্তিৰে সেই বোৰ আমাৰ বাবে বৰ আশীৰ্বাদ জনক আৰু প্ৰকৃত বাস্তৱ জীৱনৰ সৈতে থাপ খোৱা হিচাপে ইয়াক আগবঢ়োৱা হৈছে।

এই নীতি বচনবোৰ যদিও মোচিৰ বিধানৰ অধীনত থক এগৰাকী ইস্ৰায়েলীয় যুৱকলৈ লিখা হৈছিল। তথাপি এইবোৰ সকলো যুগৰ আৰু সকলো লোকৰ বাবে উপযুক্ত আৰু সময় উপযোগী। এই নীতি বচনবোৰে ধনী আৰু দুখীয়া, পুৰুষ আৰু মহিলা, প্ৰাশ্চ্য আৰু পাশ্চাত্যৰ সকলো লোকৰ হৃদয় স্পৰ্শ কৰিব পাৰে। চলোমনৰ সময়ত এই নীতি বচনবোৰ যিমান অৰ্থ পূৰ্ণ আছিল আজিও সিমানেই অৰ্থ পূৰ্ণ। এতিয়া আমি বাইবেল পৰা পাঠ কৰি দিম। আপোনাৰ লগত যদি বাইবেল আছে অনুগ্ৰহ কৰি চাই যাব আৰু যদিহে লগত বাইবেল নাই অনুগ্ৰহ কৰি মনদি শুনিব।

আমি প্ৰথম পদটো পাঠ কৰি দিম, হিতোপদেশ ১৬:১ পদ পঢ়িছোঁ, **"মনৰ কল্পনা মানুহৰ, কিন্তু জিবাৰ উত্তৰ যিহোৱাৰ পৰা হয়।"** ইয়াৰ মানে হৈছে যে মানুহৰ নিজৰ অন্তৰৰ উদ্দেশ্য সমূহ মানুহৰ নিজৰেই। কিন্তু সেই মানুহে তেওঁ জিভাৰে যি উত্তৰ দিব লাগে, সি ঈশ্বৰ যিহোৱাৰ পৰাহে আহিব লাগে। আমাৰ মাজত বৰ্তমান এই অৰ্থ নীতি বচন এনেদৰে কোৱা হয়, "মানুহে পাঙে, ঈশ্বৰে ভাঙে।" ঈশ্বৰৰ বচনত এইদৰে কৈছে **"মানুহৰ গতি নিজ অধিকাৰত নাথাকে।"** এই কথা আমি পাওঁ, **যিৰিমিয়া ১০:২৩পদ।** আপুনি পৰিকল্পনা কৰিব পাৰে, কিন্তু সেই পৰিকল্পনাৰ ক্ষেত্ৰত শেষ কি কথা ক'ব লাগে তাক ঈশ্বৰেহে জানে আমি যি কৰো তাকে লৈ গৌৰৱ কৰিব পাৰো কিন্তু তাৰ শেষ উত্তৰটো ঈশ্বৰেহে দিব পাৰে। কাৰণ সকলো ঈশ্বৰৰ হাত আছে সকলো তেওঁৰ নিয়ন্ত্ৰণত আছে।

হিতোপদেশ১৬:২পদ, **"মানুহৰ সকলো পথ নিজৰ দৃষ্টিতে শুদ্ধ; কিন্তু যিহোৱাই আত্মাবোৰ পৰীক্ষা কৰে।"** এই কথাষাৰ আমি এই হিতোপদেশৰ ১৪:২ পদতো পায় আহিছো নহয় জানো। কথাটো কিমান সঁচা, যে মানুহ আজি যেনেকৈ আছে তেওঁলোকৰ দৃষ্টিত ঠিকেই আছে। আপুনি ঈশ্বৰক নজনা প্ৰভু যীচু খ্ৰীষ্টক পৰিত্ৰাতা প্ৰভু ৰূপে নজনা মানুহৰ আগত খ্ৰীষ্টৰ শুভবাৰ্তা যদি কেতিয়াবা দিছে তেতিয়া হলে আপুনি জানেই তেওঁলোকে কেনেকুৱা ধৰণৰ উত্তৰ দিয়ে। তেওঁলোকে কয় মইনো কিহৰ পৰিত্ৰাণটো পাব লাগে মইনো কি কৰিছোঁ, মই চুৰ কৰিছোঁ নে মদ লাও পানী খাইছোঁ, মই ব্যভিচাৰত লিপ্ত হৈছো নে কাৰোবাক হিংসা কৰিছোঁ, ঈশ্বৰৰ সোধ-পোছৰ আসনৰ আগত মই থিয় হবলৈ প্ৰস্তুত আছোঁ। কাৰণ মই জানো যে মই নিজে ঠিকেই


www.Radio882.com

আছোঁ। এইদৰে মানুহে সদায়ে ভাৱে যে, তেওঁলোক ঠিকেই আছে। খুব সচৰাচৰ আৰু সাধাৰণভাৱেই আপুনি এনে কথা শুনিবলৈ পাবই।

আনহে নালাগে আমাক খ্ৰীষ্টিয় মণ্ডলী সমূহৰো বহুতো বিশ্বাস কাৰীৰ এনে ধাৰণা আছে কিন্তু ঈশ্বৰৰ পবিত্ৰ বচন বাইবেলে ১যোহন ১:৭পদত এনেদৰে কৈছে, **"কিন্তু তেওঁ যেনেকৈ পোহৰত আছে তেনেকৈ আমি যদি পোহৰত ফুৰো তেন্তে পৰস্পৰ সহভাগীতা আছে আৰু তেওঁৰ পুত্ৰ যীচুৰ তেজেৰে সকলো পাপৰ পৰা আমাক শুচি কৰে ।"** ঈশ্বৰৰ এই বচন আৰ্চিৰ দৰে, আইনা দৰে আমি আমাৰ জীৱনৰ আগত দাঙি ধৰিব লাগে। তেতিয়া ঈশ্বৰৰ সেই বচন পোহৰত আমি দেখা পাম যে, আমি যিমান ঠিকে আছো বুলি ভাবিছো সিমান ঠিকে আচলতে থকা নাই। মানুহে আপোনক আপোনাৰ ব্যৱসায়ত বৰ পাকৈত ব্যক্তি ৰূপে গণ্য কৰিব পাৰে বা কোনো অনুষ্ঠানে আপোনাক গোটেই বছৰটোৰ ব্যক্তি হিচাপে ঘোষণা কৰিব পাৰে নাইবা কোনোবা বিশ্বপ বা বিশেষ ব্যক্তি এগৰাকীয়ে মণ্ডলীৰ ভাল কাম কৰা বুলি আপোনাৰ পিঠিত হাত বোলাই বাহ, বাহ দিব পাৰে। কিন্তু আপুনি যদি ঈশ্বৰৰ বচন পোহৰত নিজকে পৰীক্ষা কৰি চায় তেন্তে নিজকে আপুনি আপোনাৰ নিজৰ জীৱনত বহুতো দাগ নিশ্চয় দেখা পাব। **"তেওঁৰে সৈতে সহভাগীতা আছে ইয়াকে বুলি যদি আমি আন্ধাৰত ফুৰো তেন্তে মিছা কওঁ সত্য পালন নকৰো",** এইয়া ১যোহন ১:৬পদ লিখা আছে।

এইখিনি কথা খ্ৰীষ্টিয় লোকসকলৰ ক্ষেত্ৰতে কোৱা হৈছে। কিন্তু গীৰ্জাৰ বেঞ্চৰ শাৰীত বহি কোনো, কোনো লোকে হয়তো ভাবিব পাৰে, বেচেৰা মানুহজনে মোৰ সমানো ভালদৰে চলিব পৰা নাই। তেওঁ তুলনাতো মই ঈশ্বৰ দৃষ্টিত বেচ ভালেই চলিছোঁ। কোনোকোনোৱে আকৌ সীমা চেৰাই গৈ প্ৰভুক অলপ আঁতৰি যাবলৈহে কয়, যেন ভাইৰ মন্দৰ বিচাৰ তেওঁ নিজেই কৰিব পাৰে। মানুহৰ আত্মাৰ জোখ-মাপ কৰিব পৰা ফিটা বা তেনেকুৱা জোখমাৰী দেখিছে নে? আমি হলে দেখিছোঁ, সেই মাপ-কাঠি হৈছে ঈশ্বৰৰ পবিত্ৰ বচন বাইবেল শাস্ত্ৰ, তাতেই চাওঁক আপুনি নিজক দেখা পাব যেতিয়া আপুনি নিজক আনতকৈ উত্তম ৰূপতো দেখিছে, তেতিয়া হলে তাৰে আপুনি নিজক জুখি চাওঁক। তেতিয়া আপুনি নিজকে আনতকৈ উত্তম ৰূপত নেদেখিব বা আপোনাৰ ভাইৰ বিচাৰ কৰিবলৈ নিজক যোগ্য জ্ঞান কৰিবলৈ আপোনাৰ মন নাযাব।

গালাতীয়া পত্ৰখন পঢ়িলে তাত আপুনি পাব যে, মানুহৰ বাবে মোচিৰ যোগেদি ঈশ্বৰে বিধি-বিধানবিলাক দিছিল। এই বিধি-বিধানবিলাকে দেখুৱাই দিয়ে যে মানুহে কেতিয়াও ঈশ্বৰৰ দৃষ্টিত গ্ৰহণ যোগ্য ভাল কাম কৰিব নোৱাৰে বৰং ঈশ্বৰৰ দৃষ্টিত মানুহ বেয়া। লগতে সেই বিধানে দাবি কৰে যে, সেই বিধান সমূহ পালন কৰি অৰ্থাৎ সকলোবোৰ বিধান পালন কৰি মানুহ ভাল হব লাগে। ধাৰ্মিক আৰু সম্পূৰ্ণ শুদ্ধ সিদ্ধও হব লাগে। কিন্তু মানুহে জীৱনত একেবাৰে কৰিব নোৱাৰা কামটো কি জানে নে?/1প্ৰিয়শ্ৰোতা মানুহে জীৱনত একেবাৰে যিটো কাম কৰিব নোৱাৰে সেইটো হৈছে, এই বিধান পালন। কিন্তু বিধান পালন কৰিব নোৱাৰিল বিধানে এটাই বিকল্প দিছে সেই বিকল্পটো হৈছে চিৰ মৃত্যুৰ দণ্ড; অৰ্থাৎ বিধান লঙ্ঘন কৰিলে সেই মৃত্যু দণ্ড সকলোৱে ভোগ কৰিব লাগিব। মানুহে এতিয়া কি কৰে কৰক এফালে বিধান পালনৰ নিচিনা এটা অসম্ভৱ কাম আনফালে বিধান পালন কৰিব নোৱাৰাৰ ফল স্বৰূপে চিৰ মৃত্যু দণ্ড।

WORD RESOUNDS TODAY


www.Radio882.com

আন কথাত বিধানে পাপ আঙুলিয়াই দি পাপী সাব্যস্ত কৰি মৃত্যু দণ্ড ঘোষণা কৰে। মানুহক এই পৰিস্থিতিৰ পৰা ৰক্ষা কৰিবলৈকে ঈশ্বৰে বৰ প্ৰেমেৰে অনুগ্ৰহৰ পন্থা ললে। পৰিত্ৰাতা যীচু খ্ৰীষ্টক এই জগতলৈপঠিয়াই দিলে। আমাৰ মৃত্যুৰ দণ্ড নিজে বহন কৰি আমাক পৰিত্ৰাণ কৰিবলৈ। আমাৰ মৃত্যু দণ্ড নিজে বহন কৰি আমাক পৰিত্ৰাণ কৰিবলৈ।

কাৰণ বিধানে আমাৰ পাপ আঙুলিয়াই দি আমালৈ মৃত্যু দণ্ড ঘোষণা কৰালৈকেহে কৰিব পাৰে কিন্তু বিধানে আমাক পৰিত্ৰাণ দিব নোৱাৰে। বিধানে আমাক কেৱল দোষী সাব্যস্ত কৰিব পাৰে আৰু আমি যে মৃত্যু দণ্ড পোৱাৰ যোগ্য সেই কথা ঘোষণা হে কৰিব পাৰে। সেইয়েহে মানুহক এজন পৰিত্ৰাৰ প্ৰয়োজন হল, সেই পৰিত্ৰাতা যীচু খ্ৰীষ্টত থকা সকলে এতিয়া প্ৰভু যীচু সহভাগীতাত থাকি পোহৰত ফুৰে। আৰু পোহৰতে ফুৰি ঈশ্বৰৰ বচন পোহৰত তেওঁ নিজকে দেখা পায় যে তেওঁৰ সকলো পথ নিজৰ দৃষ্টি শুদ্ধ হলেও ঈশ্বৰৰ বচনৰ পোহৰত শুদ্ধ নহয়। ঈশ্বৰৰ বচন আপোনাৰ আৰ্চি স্বৰূপ হওঁক, সেই আৰ্চিত আপুনি নিজক চাবলৈ শিকক প্ৰিয় শ্ৰোতা।

হিতোপদেশ ১৬:৩পদ পঢ়িছোঁ, **"তুমি তোমাৰ কাৰ্য্যৰ ভাৰ যিহোৱাত সমৰ্পন কৰা তাতে তোমাৰ অভিপ্ৰায় সিদ্ধ হব।"** কাৰ্য্যৰ ভাৰ, কাৰ্য্যৰ হেঁচা, উদ্বিগ্নতা, ভৱিষ্যতৰ চিন্তা, সন্মুখত থকা বিপদ এই সকলোবোৰ ঈশ্বৰতেই সমৰ্পণ কৰা বাহিৰে আমি দুৰ্বল সীমিত আৰু অযোগ্য সমৰ্থ মানুহে কিনো কৰিব পাৰো, প্ৰিয় শ্ৰোতা নহয় জানো? প্ৰভুৰ পৰিচৰ্যাত নামিবৰ দিনৰে পৰা আপোনালোকৰ এই তাপৰ্যহীন দাসেতো তেনেকৈ চলি আহিছোঁ আপুনিও বাৰু তেনেকৈয়ে চলি আছে নে প্ৰিয় শ্ৰোতা।

হিতোপদেশ ১৬:৪পদ, **"যিহোৱাই নিজ অভিপ্ৰায়ৰ নিমিত্তে সকলোকে সৃষ্টি কৰিলে; এনে কি তেওঁ দুষ্টকো দুৰ্দশা দিনৰ নিমিত্তে সৃষ্টি কৰিলে।"**এইখিনি অসম্ভৱ ভাৱে তিতা ঔষধৰ বড়ি নিচিনাৰ কথা সহজে গিলাটো বৰ টান। ঈশ্বৰ যিহোৱাই নিজ অভিপ্ৰায়ৰ নিমিত্তেই সকলোকে সৃষ্টি কৰিলে, আপুনি কেতিয়াবা বহি, বহি চিন্তা কৰি মানে ভাবি চাইছে নে, সাগৰৰ পানী লুণীয়া কিয়? আপুনি হয়তো বাহাদুৰি কৰি বৈজ্ঞানিক দৃষ্টিৰে ক'ব এহ সেইটো নো কি নোহোৱা নোপোজা কথা হল, প্ৰকৃতিৰ কিছুমান নীতিৰ বাবেই তেনেকুৱা হয়। কিন্তু সেই নীতিটো আহিল কৰ পৰা? নীতিটোৰ কাৰক কোন? সাগৰৰ পানী লূণীয়া কিয়? কাৰণ সাগৰৰ পানী লুণীয়া হোৱাটোকে ঈশ্বৰে ইচ্ছা কৰিলে। প্ৰভু যীচু খ্ৰীষ্টই সৃষ্টিকৰ্তা তেৱেঁই তেনেভাৱে সৃষ্টি কৰিলে। আকৌ কোনোবাই বিজ্ঞান ভিত্তিত ক'ব, বোলে গোটেই ভূমিত লোণ আছে, সেইবোৰক সাগৰ মহাসাগৰৰ পানীয়ে শুহি লোৱাতে সাগৰৰ পানী লুণীয়া হৈছে। বা নদীবোৰ যে সাগৰলৈ গৈছে সেইবোৰে লগত সেই লোণবোৰ কঢ়িয়াই লৈ গৈছে। এৰা মানিছো বাৰু তেনেকুৱাই হৈছে কিন্তু কথাটো হল ভূখণ্ডতনো লোণ খিনি কোনে থৈছে। বা নদীৰ পানীত লোণ খিনি বৈ যাবলৈ সেই ব্যৱস্থাটোনো কোনে কৰি দিলে।

মানুহৰ অস্তিত্বৰ কথা কবলৈ গৈ আপুনি হয়তো ক্ৰমবিকাশৰ কথাতে ধৰি থাকিব। আৰু যিমান দূৰ অতীতলৈ ঘূৰি গৈ ক্ৰমবিকাশৰ গুৰি বিচাৰিব পাৰে আপুনি বিচাৰিবলৈ চেষ্টা কৰিবই। কিন্তু সকলোৱে কবলৈ বাধ্য যে ক'ৰবাত মানুহৰ আৰম্ভণ এটা হৈছে। সেই আৰম্ভণটো কোনে কৰিছে? সৃষ্টিকৰ্তা ঈশ্বৰ যীচু খ্ৰীষ্টই সৃষ্টি আৰম্ভণ কৰিছে প্ৰিয় শ্ৰোতা। মানুহৰ জীৱনৰ প্ৰধান উদ্দেশ্য নোবাৰু কি। আমি সৰুতে চাণ্ডেস্কুলত শিকি আহিছো যে, ঈশ্বৰ গৌৰৱ কৰাটোৱে


www.Radio882.com

হৈছে মানুহ জীৱনৰ প্ৰধান উদ্দেশ্য। আপুনি যিয়েই নহওক বা য'তে নাথাক কিয় ঈশ্বৰৰ গৌৰব কৰিবলৈকে ঈশ্বৰে আপোনাক সৃষ্টি কৰিছে। আপুনি এতিয়া হয়তো অতি টেঙৰ হৈ ক'ব, কি আপুনি ক'ব খুজিছে নেকি যে মাতাল, নৰ-বধী, ব্যভিচাৰী, গভাইত ডকাইতহঁতকো ঈশ্বৰে তেওঁৰ গৌৰৱৰ নিমিত্তেই যে সৃষ্টি কৰিছে। সেই প্ৰশ্ন কৰ্তা বন্ধু, আমি অপদাৰ্থই কিয় ক'ব লাগে। ঈশ্বৰৰ বচনেই কৈছে যে দুৰ্দশা দিনৰ নিমিত্তে ঈশ্বৰে তেওঁলোককো সৃষ্টি কৰিলে।

আপুনি হয়তো ক'ব মই সেইটো কথা হলে ভাল পোৱা নাই কিন্তু সৃষ্টিকৰ্তাই জানো আমাৰ ভালপোৱা, বেয়া পোৱা ভিত্তিত তেওঁৰ কামবোৰ কৰে। আমাৰ ভালপোৱা, বেয়া পোৱা ভিত্তিত জানো তেওঁ সৃষ্টি কৰে। সঁচা কথা কবলৈ গলে বহু কথা আমি বুজি নাপাওঁ। কেতিয়াবা কিছুমান কথা এনেকুৱা তেনেকুৱা হব লাগিছিল প্ৰভু, এই বুলি আমাৰ প্ৰভুক অনুৰোধ কৰিবলৈকো মন যায় কিন্তু তেতিয়া প্ৰভুৱে আমাক কয় বোপাইতাৎপৰ্যহীন তোমাৰ বাবে মই পৃথিৱীখন মই তোমাৰ উদ্দেশ্য সিদ্ধিৰ বাবে সৃষ্টি কৰা নাই নহয়। সৃষ্টি কৰিছো মোৰ নিজৰ অভিপ্ৰায় সিদ্ধিৰ কাৰণে। তুমি লাগিলে ভালেই হোৱা বা বেয়া হোৱাই মোৰ অভিপ্ৰায় সিদ্ধি বাবে মই তোমাকো সৃষ্টি কৰিলোঁ। কি তিতা ঔষধৰ বড়ি নহয়নে প্ৰিয় শ্ৰোতা গিলিবলৈ টান লাগে, হজম কৰিবলৈ আমাৰ অসুবিধা লাগে। পদটো আচলতে সেইটোকে কোৱা হৈছে কিন্তু এটা সুন্দৰ খবৰ আছে।

যি সকলে দুৰ্দশা দিনৰ নিমিত্তে সৃষ্ট হবলৈ ইচ্ছা নকৰে, তেওঁলোক মাতাল, নৰ-বধী, ব্যভিচাৰী, আৰু গভাইত ডকাইত হলেও প্ৰভু যীচু যি জনা স্বয়ং সৃষ্টিকৰ্তা তেওঁৰ আশ্ৰয় ল'লে। তেওঁলোক দুৰ্দশা দিনৰ নিমিত্তে নহয় প্ৰভুৰ গৌৰৱৰ নিমিত্তে হব। কি হবলৈ ইচ্ছা কৰে আপুনি বাৰু নহলে মাটিৰ চপৰা হৈ কুমাৰক কি প্ৰশ্ন কৰিব, আপোনাক লৈ কুমাৰে কি তৈয়াৰ কৰিব। নতুবা চৰু হৈ ৰান্ধনীক প্ৰশ্ন কৰিব ৰান্ধনীয়ে আপোনাত কি ৰান্ধিব খুজিছে।/1

হিতোপদেশ ১৬:৭পদ, **"যেতিয়া কোনো মানুহৰ আচাৰ-ব্যৱহাৰে যিহোৱাক সন্তুষ্ট কৰে তেতিয়া তেওঁ তাৰ শত্ৰুবোৰকো তাৰ লগত মিল কৰায়।"** কথাটো সঁচা এই কথাটো আমি আমাৰ জীৱনত প্ৰায়ে দেখি আহিছোঁ। এজন মানুহে এনেকুৱা এটা ঘটনা নিজৰ জীৱনৰ পৰা বৰ্ণনা কৰিছে। এজন মানুহ আছিল, মই তেখেতক নাম দিছিলো নাৰিকল দেখ বাহিৰত বৰ কঠিন নিৰ্দয়, নিষ্ঠুৰ পাঁচ পইচাটোলৈ নেৰে, পাঁচ মিনিট পলম হলেও ধৰে, পোন্ধৰ মিনিট পলম হলেতো ঘূৰি যাবলৈকেকয় আৰু সেই দিনাৰ বেতনো কাটি থয়। মানুহ জন ঈশ্বৰ যিহোৱাক সন্তুষ্ট কৰি চলা মানুহ। এদিন তেওঁ মোৰ ঘৰলৈ আহি কৈছিল, হেৰা মই শুনিছোঁ তোমাৰ মাৰ বোলে বৰ অসুক। তোমাৰ পইচাৰো হেনো নাটনি এইয়া লোৱা মাৰ চিকিৎসাৰ বাবে অলপ সহায়, অলপ মানে পঞ্চাশ টকীয়া দহখন । মনতে ভাবিলোঁ এই পাঁচ পইচানেৰা মানুহজনে এতিয়া পাঁচ শ টকা সহায় কৰে। নিৰ্দয় মানুহ জ্ঞান কৰি তেওঁক শত্ৰু জ্ঞান কৰিছিলো সেই দিনৰে পৰা শত্ৰ জ্ঞান কৰিছিলো যদিও মিলনলৈ আহিলো অৱশ্যে সেইবোৰ মোৰহে সমস্যা আছিল, তেওঁ একো জনা নাছিল। অৱশ্যে এনে মানুহ যিসকল ভিতৰে বাহিৰে সমানেই কঠিন সেইবোৰ নাৰিকল নহয়; সেইবোৰ নিৰ্জীৱ পাথৰ। ঈশ্বৰ যিহোৱা সন্তুষ্ট হবলৈ পাথৰে কি ব্যৱহাৰ জানিব। তাৰ কঠিনতাই এক মাত্ৰ ব্যৱহাৰ। তাৰ শত্ৰুৱে তাৰ ওপৰত হাতুৰি চলোৱাৰ বাহিৰে কি বিকল্প থাকিব বাৰু?


www.Radio882.com

হিতোপদেশ ১৬:১১পদ **“ঠিক তুলাচনী আৰু তৰ্জু যিহোৱাৰেই, আৰু থৈলাত থকা আটাইবোৰ দগা তেওঁৰেই কৰা।** সেই মোৰ প্ৰিয় মাছ-মাংস, শাক-চব্জী, তেল-নিমখ বিক্ৰী কৰোঁতা ভাই-বন্ধু সকল শুন ঈশ্বৰে আপোনালোক কি কৈছে, মানুহ হৈ মানুহক ঠগিব পাৰে। আপোনাৰ তুলাচনী আৰু তৰ্জুৰে আজি ঠগক ঈশ্বৰে এদিন আপোনাকো তেওঁৰ তুলাচনীত তুলিব। ওজনত কম পালে ইমানবিলাক মানুহৰ আগতেই ঈশ্বৰৰ কাণতলীয়া চৰ খাব নহ'লেও অন্তত কাণ চেপা খাব। এতিয়া ওজনত কম, কমকৈ দি তেতিয়াৰ দিনৰ কাৰণে নিজৰ ওজন কমাই নল'ব। শিয়াল টেঙৰালি বাদ দিয়ক, এই পদটো গৰু বেপাৰী সকলৰ আৰু ধপাত বেপাৰীসকলৰ কাৰণেও দিয়া হৈছে। মুঠতে যিকোনো ধৰণৰ বেপাৰীৰ বাবেই এই কথাটো মনত ৰখা উচিত।

হিতোপদেশ ১৬:১৮পদ, **“বিনাশৰ আগেয়ে অহঙ্কাৰ আৰু পতনৰ পূৰ্বে মনৰ গৰ্ব হয়।”** অহঙ্কাৰ কৰিলেও, গৰ্বত এপাচি, এপাচিকৈ গাল দুটা ফুলি থাকিলেও আমি আটায়ে মাটিৰ পাত্ৰহে আৰু আমাৰ অহঙ্কাৰ আৰু গৰ্বত বিৰক্তি পাই প্ৰভুৱে তেওঁৰ হাতৰ পৰা আমাক পকাৰ মজিয়াত পৰিবলৈ এৰি দিলেই আমাৰ সকলো খেলা খতম। নাপায় অহঙ্কাৰ গৰ্ব কৰি আমি প্ৰভুক বিৰক্তি দিব নাপায়।

হিতোপদেশ ১৬:১৯পদ, **“অহঙ্কাৰীবিলাকৰ সৈতে লোটদ্ৰব্য ভাগ কৰি লোৱাতকৈ দৰিদ্ৰ বিলাকে সৈতে নম্ৰ হোৱাই ভাল।”** প্ৰিয় শ্ৰোতা অহঙ্কাৰৰ বিৰুদ্ধে কোৱাৰ শেষ নাই। বাইবেলৰ আৰম্ভণতে অহঙ্কাৰৰ আৰম্ভণ হল আৰু এই অহঙ্কাৰেই এক নম্বৰ পাপ।

আমি ইতিমধ্যে হিতোপদেশ ৬:১৬-১৯পদলৈকে, ঈশ্বৰে ঘিণ কৰা সাতটা ঘৃণনীয় বিষয় পাই আহিছোঁ। আৰু তাৰে ভিতৰত এক নম্বৰটোৱে হৈছে গৰ্ব। প্ৰধান স্বৰ্গদূত লুচিফাৰৰ এই গৰ্বই পতন ঘটাইছিল আৰু তাকেই আমি আজি চয়তান হিচাপে জানো। সৃষ্টিৰ ভিতৰত/1লুচিফাৰে আছিল সকলোতকৈ মহৎ আৰু সৰ্বশ্ৰেষ্ঠ সৃষ্টি। কিন্তু সি বৰ গৰ্ব কৰি সৃষ্টিকৰ্তা ঈশ্বৰৰো বিৰোধীতা কৰি তেওঁতকৈ মহান হবলৈ চেষ্টা কৰিছিল; সেই গৰ্ব পাপে তেওঁৰ পতন ঘটালে। লুচিফাৰৰ দৰে ঈশ্বৰে মানুহকো স্বাধীন ইচ্ছা দি সৃষ্টি কৰিছে। মানুহে স্বাধীন ইচ্ছা ব্যৱহাৰ কৰি সিদ্ধান্ত লব পাৰে। এই স্বাধীন ইচ্ছা বা সিদ্ধান্ত লব পৰা মন থাকিলে তেনে প্ৰাণীয়ে পাপত পতিত হোৱাৰ সম্ভাৱনা থাকে। লুচিফাৰৰ যেনেকৈ সেইটো বিপদ হল তেনেকৈ মানুহৰ স্বধীন ইচ্ছাৰ সুযোগ গ্ৰহণ কৰি চয়তানে মানুহকে তাৰ পাপৰ সহভাগি কৰি তুলে। বাইবেলে এনে বহু চৰিত্ৰৰ কথা কৈছে, যি সকলে স্ব-ইচ্ছাৰে গৰ্ব কৰি পাপত পতিত হৈছিল। গলিয়াথ বীৰ, হামন, আহব, ইত্যদি ইত্যাদি। এতিয়া খ্ৰীষ্টীয় লোকৰূপে আমাৰো সেই স্বাধীনতা আছে। সেই স্বাধীন ইচ্ছা আছে খ্ৰীষ্টৰ সৈতে ওত:প্ৰোত সমন্ধ নাৰাখিলে সেই পাপত পতিত হোৱাৰ ভয় আমাৰো প্ৰতিটো খোজতেই আছে।

হিতোপদেশ ১৬:২৪পদ, **“সন্তোষজনক কথা মৌৰ কোঁহস্বৰূপ, সেয়ে প্ৰাণত মিঠা লগায়, আৰু হাড়বোৰ আৰোগ্য কৰে।”** সন্তোষজনক কথা আমি আটায়ে শুনিবলৈ ভাল পাওঁ। নহয় নে বাৰু? খবৰ কাগজবোৰ পঢ়ো আৰু সেইবিলাকপ্ৰায় বেয়া খবৰেই থাকে। এইটো ইমান বেয়া কথা যে মানুহে বাইবেল নপঢ়ে। বাইবেলখন কিন্তু সন্তোষজনক কথাৰে ভৰা। সেই কাৰণে **বাইবেল খবৰক শুভবাৰ্তা বোলা হয়।** আমাৰ মাজত সন্তোষজনক কথাবোৰ মৰণোত্তৰ ৰূপেহে হাতত ফুল লৈ কোৱা হয়। মৰণোত্তৰ ৰূপে সন্তোষজনক কথা শত্ৰুৱেও কয় ভাল পায়। বৰ আচৰিত কথা,


www.Radio882.com

সঁচাকৈ কয় নে, মিছাকৈ কয় তাক কেৱল কওঁতা আৰু ঈশ্বৰেহে জানে। কিন্তু মৃত্যুৰ পাছত কলে যিজনৰ ক্ষেত্ৰত কোৱা হয় তেওঁৰতো একো লাভ নহয়।

হিতোপদেশ ১৬:২৫পদ, **"কোনো কোনো পথ মনুষ্যৰ দৃষ্টিত সৰল বোধ হয় কিন্তু শেষত সেয়ে মৃত্যুৰ পথ।"** এই ফাঁকি কথা আমি ইতিমধ্যে **হিতোপদেশ ১৪:১২পদ**ত পাই আহিছোঁ, তেন্তে আকৌ কিয় দুহৰা হৈছে, দুহৰা হৈছে যাতে এই প্ৰয়োজনীয় পৰামৰ্শটো যাতে আমি পাহৰি নাযাওঁ। দুহৰা যে হৈছে সেইটোৱে প্ৰমাণ হৈছে যে কথাষাৰ বৰ প্ৰয়োজনীয় কথা।

হিতোপদেশ ১৬:২৭পদ, **"নৰাধমে খানি খানি অনিষ্টৰ উপায় উলিয়ায়, আৰু তাৰ ওঁঠত যেন স্বলন্ত আঙঠাহে থাকে।"** মানুহৰ পৰা পৰৰ বিৰুদ্ধে কথা উলিয়াই সেই কথাতে অধিক ৰহন হানি আৰু আন কাৰোবা আগত কোৱাৰ মানুহবোৰৰ গাতেই এইষাৰ কথা খাটে। হেৰি শুনিছে নে, এই বুলিয়ে কথাবোৰ আৰম্ভ কৰে। কথাবোৰ কিমান সঁচা, কিমান মিছা সেইবোৰ লৈ তেওঁলোকে ভ্ৰুক্ষেপ নকৰে। ৰস লগাই, লগাই কৈ যাব; তেওঁলোক ঈশ্বৰ ভক্ত লোক নে? আমি নাজানো। হয়নে নহয় তাৰ বিচাৰ আমি কৰিব নোখোজোঁ। কিন্তু এটা কথা কাব পাৰো যে এনে লোক দ্বাৰা সমাজৰ সমস্যা নকমে বাঢ়ে, কাৰণ এওঁলোকে নতুন নতুনকৈ জুই জুলাই বৰ ভাল পায়। এই ক্ষেত্ৰত আমি সাৱধান হোৱা উচিত।

হিতোপদেশ১৬:২৮পদ, **"কুটিল লোকে চাৰিওফালে কন্দল ৰূপ গুটি সিঁচে, পৰচৰ্চ্চাকাৰীয়ে প্ৰণয়ৰ বন্ধুৰ বিচ্ছেদ জন্মায়।"** আমি আগতেও কৈ আহিছোঁ যে ফুচফুচাই কোৱা যিকোনো কথাকে মানুহে শুনিবলৈ বৰ আগ্ৰহ কৰে। ফুচফুচাই কথা কৈ ফুৰি ৰং পোৱা মানুহ আমাৰ মাজত নাই নে বাৰু? এনে মানুহে বন্ধুক বন্ধুৰ পৰা ফালি লৈ যাব পাৰে। বন্ধু-বান্ধবৰ মাজতে ভুল বুজাবুজি আৰু কন্দলৰ সৃষ্টি কৰি দিব পাৰে। কিন্তু আমি তেনেকুৱা লোক হোৱা উচিত নহয়।

**হিতোপদেশ ১৬:৩১পদ, "ধাৰ্মিকতাৰূপ পথত পোৱা পকা কেশ শুভাৰ কিৰীটিস্বৰূপ।"** অৰ্থাৎ ধাৰ্মিকতাত চলি, চলি যি সকলৰ বয়স পাৰ হৈ গৈছে, যি সকল পকা মুৰীয়া হৈ পৰিছে। তেওঁলোক আচলতে আমাৰ বাবে অতি মূল্যবান। তেওঁ লোকক আমি আদৰ কৰি তেওঁলোকৰ উপদেশ শুনিবলৈ আৰু তেওঁলোকৰ উপদেশ মানিবলৈ চেষ্টা কৰা উচিত।

হিতোপদেশ ১৬:৩৩পদটো পঢ়িছোঁ, **"চিঠি খেলৰ গুটি কোঁচত পৰে হয় কিন্তু তাৰ সকলো নিষ্পত্তি যিহোৱাৰ পৰা হয়।"** এই পদটো কথাখিনি আকৌ হামনৰ ঘটনা সৈতে খাপ খাই। হামনে ঈশ্বৰৰ লোকক ধংস কৰিবলৈ ঈশ্বৰ সৈতে খেলা খেলিছিল কিন্তু পিছত লোকলৈ বুলি শূল পুতি নিজে ফুটি মৰিছিল। প্ৰিয় শ্ৰোতা ঈশ্বৰে সৈতে খেলা কৰা দু:সাহস আমি যাতে কোনেও নকৰোঁ। আমি সকলোৱে ঈশ্বৰক ভয় ভক্তি কৰি চলিবলৈ যাতে শিকো। ঈশ্বৰে আমাক আশীৰ্বাদ কৰক, আমেন।

**পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:**

1. যিহোৱাই মানুহৰ কি পৰীক্ষা কৰে?



www.Radio882.com
WORD RESOUNDS TODAY

২. প্ৰভু যীচুৰ তেজে আমাক কি কৰে?
৩. যিহোৱাইদুষ্টক কিহৰ নিমিত্তে সৃষ্টি কৰিলে?

WORD RESOUNDS TODAY

<u>হিতোপদেশ ১৭ অধ্যায়</u>

আমি আজি হিতোপদেশৰ ১৭ অধ্যায়ৰ পৰা আমাৰ আলোচনা আগবঢ়াব খুজিছোঁ, পোনেপোনে হিতোপদেশৰ ১৭:১পদ পাঠ কৰি আজিৰ আলোচনা আৰম্ভ কৰোঁহক। পাঠ কৰিছোঁ বাইবেল হাতত তুলি লৈছে যদি চাই যাওক কিন্তু যি সকলৰ বাইবেল নাই মন দি শুনিব।

হিতোপদেশৰ ১৭:১পদ, **"বিবাদযুক্ত ভোজেৰে সৈতে পৰিপূৰ্ণ হোৱা ঘৰতকৈ, শান্তিৰে সৈতে শুদায়ে এগৰাহ খোৱা ভাল।"** অসমীয়া বাইবেলত যেনেদৰে আছে তেনেদৰেই পঢ়িলোঁ, কিন্তু অসমীয়া অনুবাদত সম্পূৰ্ণ অৰ্থ প্ৰকাশ পোৱা নাই যেন লাগে। আচলতে যিটো কোৱা হৈছে এইটো এই, বলিদান সমূহেৰে পূৰ্ণ গৃহত দন্দ খৰিয়ালে সৈতে এসাজ খোৱাতকৈ, নিৰৱ স্থানত শুদাই নিকাই এগৰাহ খোৱাই শ্ৰেয়। আমি সেই একেধৰণৰ কথা

হিতোপদেশ ১৫:১৭পদ, **"হিংসাৰে সৈতে পোহ তুলা গৰুতকৈ স্নেহেৰে সৈতে শাক ভোজন কৰাই ভাল।"** এই অনুবাদটো অৰ্থ প্ৰকাশক যেন লগা নাই এইটো বোধ হয় এনেকুৱা হে হব লাগিছিল, হিংসাৰে সৈতে পোহতুলা পশুৰ ভোজনতকৈ মৰম ভালপোৱাৰে শাক ভোজন শ্ৰেয়। পদটোত বলিদান আদিৰ কথা কৈ ধৰ্মীয় কাম কাজৰ ইংগিত দিছে, কিন্তু ধৰ্মীয় নানা কাম কাজে ঈশ্বৰৰ কামৰ ইংগিত বহন নকৰে। খ্ৰীষ্টিয় মণ্ডলীৰো তেনে বহু ধৰ্মীয় কাম কাজৰ ব্যস্ত ব্যৱস্থা সমূহ থাকিব পাৰে, বহু মেল-মিটিং বা সংগঠন সমূহো থাকিব পাৰে। কিন্তু এইবোৰে মণ্ডলী সমূহত উগুল-থুগুল লগোৱা আৰু নিৰুৎসাহ আনি দিয়া অৱস্থাহে আনি দিব পাৰে।

আহব ৰজা আৰু ঈজেবল ৰাণীৰ ৰাজ-দৰবাৰত এলিয়া ভাববাদীৰ কথাকে আমি ধৰিব পাৰোঁ। আহবৰ ৰাজ-দৰবাৰত নিশ্চয় বহুতো জাক-জমকতাৰে ধৰ্মীয় বিভিন্ন কাজ-কৰ্ম আদি কৰি বেলেগ, বেলেগ কাম আৰু ধুমধামেৰে চলিছিল। কিন্তু সেইবোৰৰ এটাও ঈশ্বৰৰ সৈতে সম্বন্ধ থকা কাম নাছিল। তাকে দেখি ৰাজ-দৰবাৰত উপস্থিত হৈ এলিয়া ভাববাদীয়ে স্পষ্ট কথাৰে জনায় দিছিল যে, ঈশ্বৰে পুনৰ নোকোৱা পৰ্যন্ত বৰষুণ কেতিয়াও সেই দেশত নবৰষে। তাকে কয় এলিয়া ওলাই গৈছিল, কলৈ গৈছিল তেওঁ আৰু কিমান দূৰলৈ গৈছিল, বহু দূৰলৈ কৰিত জুৰিৰ পাৰলৈ,তাতে তেওঁ ঈশ্বৰে সৈতে সহভাগিতা ৰাখি কিছুদিন কটাইছিল। ঈশ্বৰে তেওঁক তাত প্ৰশিক্ষণ দিছিল, অৰণ্যৰ এটা নিৰৱ স্থানত তেওঁ বাস কৰিছিল, কি নিৰৱ, নিস্তব্ধ, হৈচৈ হায় উৰুমি নোহোৱা ঠাই। বলিদান সমূহেৰে পূৰ্ণ এখন গৃহত দন্দ খৰিয়ালে সৈতে এসাজ খোৱাতকৈ নিৰৱ স্থানত শুদাই নিকাই এগৰাহ খোৱাই শ্ৰেয়।

ঈশ্বৰে মোচিকো ফৌৰণৰ ৰাজ-দৰবাৰৰ হৈচৈ আৰু জাক জমকতাৰ পৰা উলিয়াই লৈ গৈছিল, মিদিয়নৰ অৰণ্যলৈ লৈ গৈ তাতেই তেওঁ শিক্ষা দিছিল। মোচি আৰু এলিয়া নিৰৱ স্থানত শুদাই নিকাই এগৰাহ খাইছিল। ঠিক সেইদৰে কেতিয়াবা আমিও কৰ্মত ব্যস্ত থকা লোক সকলে সম্ভৱ হলে পুত্ৰ পৰিবাৰৰ সৈতে নিৰৱ ঠাইলৈ গৈ দুদিনমান অৱসৰ বিনোদন কটাই জিৰণি লৈ সজীৱ সবল হৈ ঘূৰি আহিব পাৰোঁ। আৰু তেনেকুৱা কৰাটো উচিত।



WORD RESOUNDS TODAY
www.Radio882.com

হিতোপদেশ ১৭:২পদ, **“বুদ্ধিৰে চলা দাসে লাজ দিওঁতা পুত্ৰৰ ওপৰত অধিকাৰ পায়, আৰু ভায়েকবিলাকৰ উত্তৰাধিকাৰৰ অংশী হয়।”** অবিশ্বাসী পুত্ৰতকৈ বিশ্বাসী দাস জন নিশ্চয় শ্ৰেয়। বিশ্বাস কৰিব নোৱাৰা পুত্ৰতকৈ বিশ্বাস যোগ্য দাস নিশ্চয় ভাল। এই পদটোৱে দুয়োৰে ছবি আমাৰ আগত দাঙি ধৰিছে তেওঁলোক হল গৰাকী আৰু দাস ৰূপে অব্ৰাহাম আৰু ইলিয়েজৰ,পিতৃ আৰু পুত্ৰ ৰূপে দায়ূদ আৰু আবচালোম।

অব্ৰাহামে ঈশ্বৰক জনাইছিল যে, তেওঁৰ উত্তৰাধিকাৰী ৰূপে কেৱল তেওঁৰ দাস ইলিয়েজৰে আছে, আৰু সেয়ে তেওঁ এটি পুত্ৰ সন্তান পাবলৈ ইচ্ছা কৰে। এই কথা আদিপুস্তক ১৫:২পদত পাব। পুত্ৰ সন্তান এগৰাকী পোৱাটো তেওঁ বৰ ভাল হব বুলি ভাবিলে আৰু ঈশ্বৰেও তেওঁৰ প্ৰাৰ্থনা শুনিলে। কিন্তু পুত্ৰ গৰাকী যদি পিতাকৰ বিৰুদ্ধে দেখা দেখিকৈ বিদ্ৰোহ কৰা দায়ূদৰ পুত্ৰ অবচালোমৰ নিচিনা হয় তেন্তে তেনে পুত্ৰতকৈ অতি বিশ্বাস ভাজন দাস ইলিয়েজৰ দৰেই বহু গুণে ভাল। অব্ৰাহামৰ দাস ইলিয়েজৰৰ নিচিনাকৈ দায়ূদৰো বহু কেইজন বিশ্বাসী পুৰণি দাস তেওঁৰ লগত থাকি তেওঁৰ দুখ সঙ্কটত তেওঁৰ সহায় কৰিছিল।

হিতোপদেশ ১৭:৩পদ, **“ৰূপৰ নিমিত্তে থপা পাত্ৰ, আৰু সোণৰ নিমিত্তে মহী, কিন্তু হৃদয় পৰীক্ষা কৰোঁতা যিহোৱা।”** বিশুদ্ধ ৰূপ পাবলৈ হলে, খনিৰ পৰা উলিয়াই অনা কেঁচা ৰূপ খিনি থপা পাত্ৰত দিবলগীয়া হয়। আৰু সেই দৰে নিৰ্ভেজাল সোণ পাবলৈকো সোণখিনি গজগজীয়া জুইৰ মহিত দিবলগীয়া হয়। আৰু তাকে কৰা হয় ৰূপ আৰু সোণত মিহলি হৈ থকা ভেজালখিনি আঁতৰাই পেলাবলৈ। সেইদৰে ঈশ্বৰে তেওঁৰ দাসসকলকো জুইৰ মাজেৰে কেতিয়াবা গমন কৰোৱাই তেওঁলোকৰ জীৱন সুন্দৰকৈ গঢ় দিবলৈ। আমাক বলৱান কৰিবলৈ কেতিয়াবা তেওঁ আমাৰ হৃদয় পৰীক্ষা কৰে, তেওঁৰ পবিত্ৰ কামত ব্যৱহাৰ কৰিবলৈ তেওঁ আমাক তেওঁৰ অধিক যোগ্যতাৰ সন্তান ৰূপে গঢ়ি লব বিচাৰে। ঈশ্বৰৰ কাৰণে আমি সোণ আৰু ৰূপতকৈয়ো অধিক মূল্যৱান গতিকে তেওঁ আমাক যেতিয়া পৰীক্ষা কৰি চায় তেতিয়া আমি আচলতে নিৰাশ হব নালাগে। বাইবেলে কৈছে **“ইয়াতে তোমালোকে উল্লাস কৰিছা, ক্ষয়ণীয় হলেও যিহক জুইৰ দ্বাৰা পৰীক্ষা কৰা যায় এনে সোণতকৈয়ো বহুমূল্য তোমালোকৰ যি বিশ্বাস, সেই বিশ্বাসৰ পৰীক্ষা সিদ্ধতা যেন যীচু খ্ৰীষ্ট প্ৰকাশিত হোৱা কালত প্ৰশংসা, গৌৰৱ আৰু সমাদৰ জনক দেখা যাব তাৰ কাৰণে আৱশ্যকমতে এতিয়া অলপ কাল নানা বিধ পৰীক্ষাত শোকাকুল হলেও তোমালোকে উল্লাস কৰিছা”** (১পিতৰ ১:৬,৭পদ)। এৰা ঈশ্বৰে তেওঁৰ পদ্ধতিয়ে সদায় ব্যৱহাৰ কৰে।

ইয়োবক জুইৰ মাজেৰে গমন কৰোৱাৰ অন্তৰালত ঈশ্বৰৰ এটা উদ্দেশ্য নিহিত হৈ আছিল। পৌলৰ শৰীৰত এটা কাঁইট দিয়াৰ অন্তৰালতো ঈশ্বৰৰ এটা বিশেষ উদ্দেশ্য আছিল। মণ্ডলীৰ ইতিহাসত আমি পাওঁ, এটা সময়তমণ্ডলীয়ে জুইৰ মাজেৰে গমন কৰিব লগীয়া হৈছিল। বহুতো সাধু-সন্ত আৰু বহুতো খ্ৰীষ্টিয় বিশ্বাসী সকলে সেই জুইৰ মাজত শ্বহীদ হবলগীয়াও হৈছিল। আচলতে সেই কালচোৱাত ঈশ্বৰে মণ্ডলীখনক ভাঙি, গলাই গঢ় দিছিল আৰু সেই সময় ডোখৰতে আত্মিকভাৱে মণ্ডলী যিমান সুন্দৰ আছিল তাৰ আগতে কেতিয়াও সিমান সুন্দৰ নাছিল।

আজিৰ আমাৰ খ্ৰীষ্টিয় মণ্ডলীৰ সমস্যাৰ কাৰণ সমূহৰ মাজত এটা সমস্যা হৈছে যে মণ্ডলীখন বাধা বিঘিনিহীন ভাৱে স্বচ্ছন্দে চলি যাব পাৰিছে। আমি আন্তৰিকতাৰে ভাবো যে সমস্যাৰ সেইটো এটা কাৰণ। ইস্ৰায়েলীয়া লোকসকলৰো এটা জাতি ৰূপে জীৱন ধাৰণ কৰা সেই



WORD RESOUNDS TODAY

www.Radio882.com

সমস্যাই দেখা দিছিল। দ্বিতীয় বিৱৰণ ৩২:১৫পদ, **"কিন্তু যিচুৰূণে হৃষ্টপুষ্ট হৈ লাথি মাৰিলে; তোমাৰ তেল ধৰিছে, তুমি থুলন্তৰ হৈছা, চিকন হৈছা; তেতিয়া তেওঁ নিজ সৃষ্টিকৰ্ত্তা ঈশ্বৰক ত্যাগ কৰিলে, আৰু নিজৰ ত্ৰাণৰ শিলাক হেয়জ্ঞান কৰিলে।"** আমাৰ সন্দেহ হয় যে আজি আমাৰ মণ্ডলীৰ অনেক নেতা-নেত্ৰী, দাস-দাসী, আৰু বিশ্বাসকাৰী আৰু বিশ্বাসকাৰীণীসকল হৃষ্ট-পুষ্ট, থুলন্তৰ, চিকন, লুতুৰ, পুতুৰ, নোদোকা তেল ধৰা, চৰ্বিযুক্ত, হৈছে। মণ্ডলীত তেওঁলোকৰ সকলো আছে, তথাপি তেওঁলোকে ইটো নাই সিটো নাই কয় আপত্তি কৰি থাকে। তেওঁলোকে সুখে সন্তোষে, বাধা বিঘিনিহীন ভাৱে থাকি কৰিবলৈ কতো একো কাম নেদেখি পৰৰ ভুল বিচাৰি ফুৰিছে, আনৰ নীতিবাচক সমালোচনা কৰি ফুৰিছে, আৰু তেনেকুৱা কামতে ব্যস্ত হৈ ফুৰিছে। খ্ৰীষ্টৰ যি উদ্দেশ্য তেওঁৰ যি কাম তাত সহায় কৰিবলৈ একো নাই, সেয়ে কেতিয়াবা এনে এটা সময়ৰ প্ৰয়োজন হয়, যেতিয়া ঈশ্বৰৰ এই সাধু-সন্ত, দাস-দাসী আৰু বিশ্বাসকাৰীসকলে জুইৰ মাজেৰে গমন কৰি চেতনা ঘূৰাই পোৱাটো অতি প্ৰয়োজন হয়। আৰু ঈশ্বৰে প্ৰয়োজন সাপেক্ষে সেইদৰে কৰেও যাতে তেওঁ তেওঁৰ মণ্ডলীৰ উপযুক্ত সভ্য-সভ্যা ৰূপে তেওঁলোকক গঢ় দিব পাৰে। সেইদৰে গঢ় দিয়ে যাতে তেওঁ তেওঁলোকক তেওঁৰ কামৰ কাৰণে ব্যৱহাৰ কৰিব পাৰে।

আকৌ এগৰাকী বিখ্যাত বাইবেল শিক্ষকে কোৱা কথা এষাৰ আমি এই সময়তে মনত পেলাওঁ, আচলতে এটা ঘটনাৰ কথা মনত পেলাওঁ, প্ৰভু যীচুক অধিককৈ জানিবলৈ আৰু তেওঁৰ অনুগ্ৰহ আৰু জ্ঞানত বৃদ্ধি পাবলৈ প্ৰাৰ্থনাৰ অনুৰোধ কৰি হেনো এগৰাকী মৰমী ভনীয়ে তেখেতলৈ এখন চিঠি লিখিছিল, কিছুদিনৰ পাছত সেই মহাশয়ে গম পাইছিল যে, সেই মহিলা গৰাকীক ঈশ্বৰে কৰ্কট ৰোগহে দিছিল। আমি সেইটো কিয় কামনা নকৰোঁ কিন্তু আমি জানো ঈশ্বৰে কিয় তেনেকুৱা কৰে। বিশুদ্ধ সোণ আৰু ৰূপৰ নিচিনা যেন হওঁ, তাৰ বাবে ঈশ্বৰে তেনেকুৱা কৰে। সেই মহাশয় নিজেও তেজৰ কৰ্কট ৰোগত তেওঁৰ শেষ নিশ্বাস ত্যাগ কৰিছে। তেখেতে কৈ গৈছে যে এই ৰোগৰ কাৰণেই ঈশ্বৰ তেওঁৰ নিমিত্তে অধিক মূল্যৱান আৰু অৰ্থপূৰ্ণ হৈ পৰিছিল।

হিতোপদেশ ১৭:৬পদ, **"বৃদ্ধবিলাকৰ নাতিয়েকবিলাক তেওঁবিলাকৰ কিৰীটি স্বৰূপ; আৰু পিতৃ বিলাকেই নিজ নিজ পুত্ৰবিলাকৰ শোভা স্বৰূপ।** আমি জানো যে বহু ককা দেউতাকে এই পদটো বৰ ভাল পাই নাজানো কিয় কিন্তু বহু সময়ত দেখা যায় নাতি-নাতিনীয়েকবিলাকে মাক-দেউতাতকৈ আইতা-ককাৰ লগত থাকিহে অধিক আমোদ পায় আৰু সময়ত বৰ অটপালিও কৰে। বোধ হয় সেই সকলো অটপালি মৰমত নিৰৱে সহন কৰি যোৱাৰ বাবে আৰু তেওঁলোকৰ পৰা সুন্দৰ, সুন্দৰ গল্প কাহিনী শুনাৰ বাবেই নাতি নাতিনীয়েকহঁতে ককা আইতাক বৰ ভাল পায়। মই এগৰাকী কাক দেউতাক লগ পাইছিলোঁ, নাতি নাতিনীয়েহঁতক ফুচুলোৱাৰ গান বা কথা তেওঁৰ নাছিল কিন্তু উপায় নাই, কিবা এটা কয়তো ফুচুলাব লাগিব সেয়ে তেওঁ দুটা শব্দ ওলোটা পোলোটাকৈ কয়, কয় নাতিনীয়েকহঁতক ফুচুলাইছিল এনেকৈ গিজিংগাপাং, গাপাংগিজিং ইত্যাদি ইত্যাদি। এইদৰে বৃদ্ধবিলাকৰ নাতিনীয়েহঁত তেওঁলোকৰ কিৰিটিস্বৰূপ।

হিতোপদেশ ১৭:১০পদ, **"বুদ্ধিমানৰ মনত এটা অনুযোগ বাক্য যিমানকৈ লাগে, অজ্ঞানৰ মনত এশকোবো সিমানকৈ নালাগে।"** প্ৰিয়শ্ৰোতা আপুনি কেতিয়াবা এনেকুৱা কোৱা শুনিছে নে? বেচেৰা মানুহ জনলৈ চাওক চোন, ইমান ভাল মানুহ জন এনেকুৱা কষ্ট পাব লাগে নে? এৰা ঈশ্বৰে দুখ কষ্ট দি কেতিয়াবা তেওঁৰ সন্তান বিলাকক অনুযোগ কৰে আৰু জ্ঞানী সন্তান



WORD RESOUNDS TODAY

www.Radio882.com

বিলাকে সেই অনুযোগ বুজি পায় আৰু গ্ৰহণো কৰে। কিন্তু মূৰ্খই একো অনুযোগ নুশুনে আকৌ কব খুজিছোঁ, মূৰ্খক অনুযোগ কৰা মানে গাহৰিৰ আগত মুকুতা পেলোৱাৰ নিচিনাৰ কথা। মূৰ্খই কেৱল কোবকেহে আচলতে বুজি পায় কিন্তু ইয়াত কোৱা হৈছে যে এশটাকোবো তেওঁৰ মূৰ্খামি দূৰ কৰিবলৈ আচলতে যথেষ্ট নহয়। এবাৰ এজন ডকাইত জ্ঞানী বন্ধু এজনে পৰামৰ্শ দি কৈছিল, বন্ধু এই বৃত্তি এৰা, বন্ধুৱেকক উভতাই সুধিছিল কিয়? বন্ধুৱেকে নম্ৰভাৱে কৈছিল কিয় মানে আজি নহয় কাইলৈ, আৰু কাইলৈকো নহলে পৰহিলৈ ধৰা পৰিবা। আৰক্ষীৰ অসহ্যকৰ শাস্তি সহন কৰিবা, কাৰাগাৰলৈ যাবা বন্দী হৈ দিন নিয়াবা। মাজতে তেওঁ কৈছিল হওঁক; সেইবোৰ মোৰ কাৰণেহে হব তোমাৰ কাৰণে নহব নহয়। আৰক্ষীয়ে মোক কোবালে তোমাক নিবিষাই নহয়। বন্ধুৱেকে আকৌ কৈছিল, বন্ধু বুজি চোৱা অকল তোমাৰেই নহয়, তোমাৰ মা-দেউতা, ভাই-ভনী এনে কি তোমাৰ লৰা-তিৰোতাৰো বৰ দুখ হব। আকৌ পূৰ্ণ গৰ্বেৰে কৈছিল, সিহঁতৰ কাৰো একো অসুবিধা নহয়। ডকাইতি কৰি যথেষ্ট আৰ্জন কৰি থৈছোঁ, উপচি পৰাকৈ আছে, খাবলৈ পালে আৰু কি অসুবিধাটো হব লাগে। জ্ঞানী বন্ধুৱেকে বুজি পাইছিল, তেওঁৰ মূৰ্খ বন্ধুৱেকক বুজোৱাতকৈ শিলক বুজোৱাই ভাল। মূৰ্খই এটা ভাষাই বুজি পায়, কোব । এশকোবেৰে বুজি নাপালে দুশকোবেৰে সি বুজি পাবলৈ সি বাধ্য হব।

হিতোপদেশ ১৭:১৬পদ, **“যি স্থূলত অজ্ঞানৰ বুদ্ধি নাই, এনে স্থলত প্ৰজ্ঞা কিনিবলৈ তাৰ হাতত কিয় ধন থাকে?”**সেইটোৱেতো কথা প্ৰিয় শ্ৰোতা আজি এনে অনেক লোক আছে, যি সকলে বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ব বিদ্যালয় শিক্ষা আহৰণ কৰাৰ প্ৰৱল ইচ্ছা মনত ৰাখিও টকা পইচাৰ অভাৱত তাক কৰিব পৰা নাই। অথচ দেখা যায় যে বহু ধন থকা লোকসকলৰ বিশেষকৈ লৰা সকলৰ বিদ্যা শিক্ষাৰ ধাউতি নাই। এৰা এই কথা তেতিয়াও আছিল আৰু আজিৰ দিনতো চলি আছে।

হিতোপদেশ ১৭:১৭পদ, **“বন্ধুৱে সকলো সময়তে ভাল পায় কিন্তু ভায়েক দুৰ্দ্দশাৰ নিমিত্তে জন্ম পায়।”** এই পদটোৱে যোনাথনৰ কথা আমাৰ মনলৈ আনি দিয়ে, যোনাথনে দায়ূদক অনবৰতে ভাল পাইছিল, দায়ূদ আৰু যোনাথনৰ নিচিনা বন্ধু হব পৰাটো কি সৌভাগ্যৰ কথা নহয় নে বাৰু? ঈস্কোৰতীয়াৰ নিচিনা বন্ধুৱে বিশ্বাসঘাতকতা কৰি নিজৰ বন্ধুৱে বিপদতো পেলাব পাৰে। কিন্তু বিপদৰ বন্ধুৱে আচলতে প্ৰকৃত বন্ধু। কিন্তু স্বাৰ্থপৰ বন্ধুৱে স্বাৰ্থ সিদ্ধি হোৱাৰ পাছত নিলাজৰ দৰে আঁতৰি যায়।

হিতোপদেশ ১৭:২১পদ, **“যি জনে অজ্ঞানক জন্ম দিয়ে, তেওঁ খেদ পাবলৈহে তাকে কৰে; আৰু মূৰ্খৰ বাপেকে আনন্দ নাপায়।”** এই কথাটো আমি আগতেও পাই আহিছোঁ, অজ্ঞান পুত্ৰৰ পিতৃ হবলগীয়াটো হোৱাটো যে সঁচাকৈ বৰ দুৰ্ভাগ্যজন কথা তাকে সোঁৱৰাবলৈকে এই বিষয়টো পুনৰ দুহোৰা হৈছে। অৰ্থা পুত্ৰৎ যেন মূৰ্খ হবলৈ নাপায় তাৰ বাবে পিতৃ-মাতৃয়ে পুত্ৰৰ পৰ্যাপ্ত যত্ন লোৱা উচিত। কাৰণ কোনেও নিজে মূৰ্খ বা জ্ঞানী ৰূপে জন্ম নলয়। সন্তান জন্মৰ পাছত যদি আপুনি যত্ন নলয়, তাৰ বাবে সন্তান মুৰ্খ হয় তেন্তে সেই সন্তান আপুনিহে জন্ম দিছে।

হিতোপদেশ ১৭:২২পদ, **“আনন্দিত মনে শৰীৰ সুস্থ ৰাখে; কিন্তু ভগ্ন মনে অস্থি শুকুৱায়।”** প্ৰিয় শ্ৰোতা আমি এনে দুই চাৰি জন মানুহ লগ পাই আহিছোঁ যি সকল সদায় আনন্দিত মনেই থাকে। এবাৰ এজনে কৈছিল, মোৰ লৰাটোৰ নেৰানেপেৰা জ্বৰ আজি দুদিনেই হল, এইখিনি কওঁতে



WORD RESOUNDS TODAY

www.Radio882.com

মুখত হাঁহি ৰাখি কৈছিল। আমি কলো, চিকিৎসকৰ ওচৰলৈ লৈ নোযোৱা কিয়? ঘৰঘৰাই হাঁহি দাত কেইটা ওঘালি গলে হে চিকিৎসকৰ উচৰলৈ যাব পাৰিম। তোমাৰ ফাঁচি হুকুম জাৰি হল বুলি কলেহে কেনেকৈ থাকিম নাজানো কিন্তু তাৰ বাহিৰে কোনো ধৰণৰ খবৰে দেখুন মোৰ মুখৰ হাঁহি কাঢ়ি নিব নোৱাৰে। সেই বুলি কয়েই তেওঁ এটা বৰ তৃপ্তিৰ হাঁহি মাৰিছিল। এই মানুহ জনে সেই দিনা চৰকাৰী হুকুম নামা পাইছিল যে হুকুম নামা জাৰি কৰা দিনৰে পৰা ধৰি ১৫ দিনৰ ভিতৰত চৰকাৰী ঘৰৰ ঋণ টকাৰ ৩০,০০০ হাজাৰ টকা পৰিশোধ কৰিব লাগে। কিন্তু তেওঁ জনা নাছিল কৰ পৰা ঘূৰাই দিব। টকা নাথাকিলেও তেওঁলোকৰ মুখৰ হাঁহি আছিল, আৰু বৰ আচৰিত কথা বয়সৰ আবেলিও তেওঁলোক চিৰ যুৱক যেন হৈ আছিল। তেওঁলোকৰ মুখমণ্ডলো পকা থেকেৰা টেঙাটোৰ নিচিনা জিলিকি আছে।

কিছুমান মানুহ অনবৰতে ফেঁচাটোৰ নিচিনা হৈ থাকে। চেহেৰাবোৰ দেখিলে এনে লাগে তেওঁলোক জল আৰু আম্লাত বাপ্তিষ্ম নলয় নেমু টেঙা ৰসেৰেহে যেন বাপ্তিষ্ম লৈছে। তেওঁলোকৰ মনবোৰ আচলতে বিভিন্ন কাৰণত ভাঙি চিঙিচূৰ্ণ হোৱা মন। অতিপাত নহলেও আপোনালোকৰ অযোগ্যও এই শ্ৰেণীতে পৰোঁ। সেই বাবে আমি আনক আমাৰ বাবে প্ৰাৰ্থনা কৰিবলৈ অনুৰোধ জনাওঁ।

প্ৰিয়শ্ৰোতা আচলতে এই দুখ দুৰ্দশাৰে ভৰা পৃথিৱীত প্ৰকৃত শান্তি প্ৰভু যীচু খ্ৰীষ্টই দিব পাৰে। আৰু প্ৰভু যীচু খ্ৰীষ্টই দিয়া সেই শান্তি আমি যেতিয়া অন্তৰত লাভ কৰোঁ তেতিয়া যিকোনো প্ৰতিকুল মাজতো এটা শান্তি অনুভৱ কৰোঁ আৰু মনত কম বেছি পৰিমানে হলেও এটা সন্তুষ্টিৰ ভাৱ ৰাখি জীৱন নিৰ্বাহ কৰিব পাৰোঁ। আৰু সেয়ে আচলতে আমাক সুস্বাস্থ্যও যোগায়। এইটো আচলতে এটা ঈশ্বৰৰে অনুগ্ৰহ আৰু আশীৰ্বাদ। সেই আশীৰ্বাদ আপুনি বাৰু গ্ৰহণ কৰিছে নে প্ৰভু যীচুক গ্ৰহণ কৰাৰ যোগেৰে সেই বিমল আনন্দ, বিমল শান্তিৰ আশীৰ্বাদ আমি এই জীৱনত লাভ কৰিব পাৰোঁ আৰু তাকে কৰা উচিত।

হিতোপদেশ ১৭:২৩ পদ, **"বিচাৰৰ বিপৰীত কৰিবৰ মনেৰে, দুষ্ট লোকে পৰৰ বুকুৰ পৰা ভেঁটী গ্ৰহণ কৰে।"**আমি এতিয়ালৈকে ভেঁটী লোৱাৰ দুটা পদ্ধতি দেখিলোঁ, ধনৰ পৰিমাণটো কম হলে কৰমৰ্দন কৰাৰ জৰিয়তে, অৱশ্যে কম বুলিও এশটকাৰ পৰা পাঁচশটকালৈকে, আনটো হৈছে মেজৰ তলেদি পৰিমাণটো শকত হলে মেজৰতলেৰেহে চলে। মন কৰিব বিচাৰৰ বা ন্যায়ৰ বিপৰীতে কাম কৰিবলৈহে ভেঁটী বা ঘোঁচ গ্ৰহণ কৰা হয়। দিওঁতা সকলে পাঁচশ টকা দি কয় চাহ খাব চাৰ। আজি কালিৰ চাৰে পাঁচশ টকাৰ চাহ খাই, নহলে এশ টকা এটা দি কয় তামোল খাব চাৰ, এৰা এশটকাৰ তামোল খোৱা সেই জন কম তামুলি ভকত নহব। কি যে চলি আছে এই পৃথিৱী খনত নহয় নে প্ৰিয়শ্ৰোতা প্ৰভু যীচু যে কেতিয়া ঘূৰি আহি এইবোৰৰ সমূলঞ্জী ঘটাব সেই দিনটোলৈ আশাৰে বাট চাই আছোঁ।

হিতোপদেশ ১৭:২৮পদ, **"যেতিয়ালৈকে নিৰ্বোধ নমতাকৈ থাকে, তেতিয়ালৈকে সিও জ্ঞানৱান বুলি গণিত হয়, আৰু যি জনে নিজৰ ওঁঠ জপাই ৰাখে, তাক বিবেচক বুলি মনা যায়।"** এই নীতি বচনৰ মতে হাঁহিৰ খুৱাক আছে আপুনি যদি আপোনাৰ মুখখন জপাই ৰাখে আপোনাৰ কেওফালৰ পৰা লাভ হয় যিবোৰ কথা আপুনি থাটাংকৈ জানে সেইবোৰ আপুনি অৱশ্যে কওক। জনা কথাটো কলে আপোনাক কোনেও কেতিয়াও মূৰ্খ বুলি নিশ্চয় নকয় । ধৰক



WORD RESOUNDS TODAY

www.Radio882.com

এই পৃথিৱীখন আপুনি যদি ঘূৰণীয়া বুলি কয় তেতিয়া হলে আপোনাক কোনেও মূৰ্খ বুলি নকয় । কিন্তু যদি আপুনি সোধে এইবাদ বৰদিনটো কোন তাৰিখে পৰিব তেতিয়া হলে নিশ্চয়ে মানুহে আপোনাক হাঁহিব। কিন্তু যদি আপুনি নজনা কথাবোৰ জনাৰ দৰে কয় আমি নিজৰ মূৰ্খামিৰ পৰিচয় দিয়া হয়। আমি যাতে তেনেকুৱা নকৰোঁ নহয় জানো।

প্ৰিয় শ্ৰোতা আমাৰ আলোচনা আজিলৈ ইমানতে সামৰিছোঁ। পৰৱৰ্ত্তী অনুষ্ঠানত পুনৰ লগ পোৱাৰ আশাৰে আজিলৈ আমি মেলানি মাগিছো । ঈশ্বৰে আমাক জ্ঞানীৰ দৰে এই পৃথিৱীত চলিবলৈ সহায় কৰক আৰু প্ৰকৃত জ্ঞান প্ৰভু যীচুৰ যোগে আমালৈ দান কৰক । ঈশ্বৰে আমাক আৰ্শীবাদ কৰক । আমেন ।/1

**<u>পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:</u>**

১) ঈজেবল ৰাণী কাৰ পত্নী আছিল

২) ঈশ্বৰে কোনজন ভাববাদীক কৰিত জুৰিলৈ পঠাইছিল?

৩) অব্ৰাহামৰ দাসজনৰ নাম কি আছিল?

WORD RESOUNDS TODAY



www.Radio882.com

হিতোপদেশ ১৮ অধ্যায়

আজি আমি হিতোপদেশ পুস্তকৰ ১৮ অধ্যায় আলোচনা কৰিব খুজিছোঁ,

হিতোপদেশ ১৮:১পদ, **“যি মানুহে নিজকে পৃথক ৰাখে, তেওঁ কেৱল নিজৰ বাঞ্ছা-সিদ্ধিৰ চেষ্টা কৰে, আৰু সকলো সুপৰামৰ্শৰ বিৰুদ্ধে খং দেখুৱায়।”** ইয়াৰ অৰ্থ এনেকুৱা যে যি মানুহে তেওঁৰ সুখ অভিলাষৰ বাবে নিজকে পৃথক কৰি ৰাখে তেওঁ সকলো নিৰাময় প্ৰজ্ঞাৰ বিৰুদ্ধে খং দেখুৱাই। আচল বিষয়টো হৈছে পৃথকীকৰণ কিন্তু ভুল উদ্দেশ্যৰ বাবে পৃথকীকৰণ। মানৱ পৰিয়ালত যিটো মহৎ বিভাজন সেইটো হৈছে পৰিত্ৰাণ প্ৰাপ্ত আৰু পৰিত্ৰাণ নোপোৱা মানুহৰ মাজৰ বিভাজন। মানুহৰ মাজৰ এই বিভাজনকেই তেওঁ দেখা পাই, মানুহে মানুহৰ মাজত দেখা পোৱা বিভাজন ঈশ্বৰে দেখা নাপায়।মানুহে মানুহৰ কলা বগা বা মোগা ৰঙৰ ওপৰত ভিত্তি কৰি মানুহে মানুহক বিভাজিত কৰে। ঈশ্বৰে কৈছে তেওঁ কেতিয়াও তেনেকুৱা ৰঙৰ ওপৰত বিভাজন নকৰে। কিন্তু পৰিত্ৰাণ পোৱা আৰু পৰিত্ৰাণ নোপোৱা মানুহৰ মাজৰ বিভাজনহে তেওঁ আমাক শিকাইছে।

বাইবেলে কৈছে **“তোমালোক সিহঁতৰ মাজৰ পৰা ওলাই আহি পৃথক হোৱা আৰু কোনো অশুচিকে নুচুবা তাতে মই তোমালোকক গ্ৰহণ কৰিম;** (২কৰিন্থীয়া ৬:১৭পদ)।” ঈশ্বৰে অতি স্পষ্ট কৰি দিছে যে যিবিলাক লোক অশুচি সেই লোকবিলাকৰ মাজৰ পৰা লোকবিলাক পৃথক হব লাগে। তেওঁ ইয়াত বিশেষকৈ ভুৱা বিশ্বাসৰ পৰা পৃথক হোৱা, অনৈতিক কাৰ্যবিলাকৰ পৰা পৃথক হোৱা ইত্যাদি কথাবোৰ তেওঁ জোৰ দি কৈছে। পৃথকীকৰণত গুৰুত্ব আৰোপ কৰা আন এটা দল আছে, এওঁলোক অৱশ্যে পৰিত্ৰাণ নোপোৱা লোকৰ মাজত পৰে। এই পদটিত তেওঁলোকৰ কথাকে কৈছে, তেওঁলোকে নিজৰ সুখ অভিলাষ সিদ্ধ কৰাৰ উদ্দেশ্যে নিজকে পৃথক কৰে। যিহূদায় এওঁলোকক বিশ্বাসৰ পৰা খহি পৰা লোক হিচাপেও অভিহিত কৰিছে। যিহূদাৰ পত্ৰতো এওঁলোকৰ ক্ষেত্ৰত এনে বুলি কোৱা হৈছে, “তেওঁলোক দল ভেদ-কাৰি, ইন্দ্ৰীয়াসক্ত আৰু আত্মা বিহীন যিহূদা ১৯পদ।” আচলতে এওঁলোক পৰিত্ৰাণৰ পৰা খহি পৰা আৰু বিশ্বাস জলাঞ্জলী দিয়া লোক। এওঁলোক স্ব-ইচ্ছাৰে সত্যৰ পৰা আঁতৰি যোৱা লোক। এওঁলোক পৃথিৱীত বিহ গুটি সিঁচে, মানুহক কেনা লগাই, অনৈতিকতালৈ গতি কৰোৱাই।

হিতোপদেশ ১৮:২পদ, **“অজ্ঞান লোকে বিবেচনাত সন্তোষ নাপায়, কেৱল নিজ মনৰ কথা প্ৰকাশ কৰিবলৈহে ভাল পায়।”** তাৰ মানে এই ধাৰণা কিনো বিবেচনা চিবেচনা কৰিব লাগিছে, কবলগীয়া মনৰ কথা আছে ভলভলকৈ কৈ যোৱা। এনে ধাৰণাৰ মানুহবিলাকে কয় লোৱাৰ পাছত চিন্তা কৰে যে কথাষাৰ কিয় কৈ পেলালোঁ। মানুহজনে কিমান যে বেয়া পাই গৈছে কিজানি সেইবুলি চিন্তাত মাজ নিশা শুব নোৱাৰাকৈ চটফট কৰি থাকে। এই বিষয়ত কাক নো বুলিম কৰা নিজৰেই ডাঢ়ি চুলি পকা কবলগীয়া হয় নহয় নে বাৰু।

হিতোপদেশ ১৮:৩পদ, **“য'লৈ দুষ্ট আহে, তালৈ নিন্দাও আহে; আৰু অপমানৰ লগত দুৰ্ণামো আহে।”** দুই শ্ৰেণীৰ মানুহ আছে আৰু তেওঁলোক বিপৰীত আচৰণ ধৰ্মী লোক কিন্তু



WORD RESOUNDS TODAY
www.Radio882.com

আচৰিত কথা দুই শ্ৰেণীয়ে শান্তি স্থাপন কৰে। এইশ্ৰেণী হৈছে সাধু লোক, তেওঁলোক আহিলে শান্তি স্থাপন হয়। আৰু আনটো হৈছে দুষ্ট লোক গুচি গলে শান্তি স্থাপন হয়। কাৰণ দুষ্ট যেতিয়া ঘূৰি যায় তেতিয়া তেওঁলোকৰ লগতে নিন্দা, অপমান আৰু দুৰ্নাম সকলো ঘূৰাই লৈ যায়।

হিতোপদেশ ১৮:৪পদ, **"মানুহৰ মুখৰ কথা গভীৰ জলৰ দৰে; প্ৰজ্ঞাৰ ভুমুক বৈ থকা জুৰিৰ নিচিনা।"** প্ৰভু যীচু খ্ৰীষ্টত বিশ্বাস স্থাপন কৰা প্ৰত্যেক বিশ্বাকাৰীয়ে পবিত্ৰ আত্মাৰ দ্বাৰা মোহৰ মৰা লোক ইফিচিয়া ১:১৩পদ এই কথা পাওঁ। সেইটো প্ৰত্যেক বিশ্বাসকাৰী জনাৰ প্ৰয়োজন। পঁজা-পৰ্বত সময়ত যেতিয়া পানী ঢালি দিয়া হৈছিল তেতিয়া প্ৰভু যীচু মন্দিৰত থিয় হৈ চাই আছিল আৰু তাৰ পাছত কৈছিল, **"কোনো মানুহৰ যদি পিয়াহ লাগে তেন্তে তেওঁ মোৰ ওচৰলৈ আহি পান কৰক। যি কোনোৱে মোত বিশ্বাস কৰে শাস্ত্ৰত কোৱাৰ দৰে তেওঁৰ ভিতৰৰ পৰা জীৱনময় পানীৰ উলাই নৈ বৈ যাব;**(যোহন ৭:৩৭,৩৮ পদ)।" তাৰ পাছতেই ইয়াৰ মানেটোনো কি যোহনে পুনৰ বুজাই দি কৈছে, "তেওঁত বিশ্বাস কৰাবিলাকে যে আত্মা পাব তাৰ অৰ্থে তেওঁ এই কথা কলে, কিয়নো তাৰ আগতে আত্মা দিয়া হোৱা নাছিল কাৰণ তেতিয়ালৈকে যীচু মহিম্বিত হোৱা নাই; যোহন ৭:৩৯পদ।" হয় আমি যিমান বিলাকে প্ৰভু যীচুক খ্ৰীষ্টক বিশ্বাস কৰিছোঁ, সেই সকলো বিশ্বাসকাৰীয়ে পবিত্ৰ আত্মা লাভ কৰিছোঁ, সেয়ে আমি আটায়ে পবিত্ৰ আত্মাৰে শক্তিৰে কথা কবলৈ শিকিব লাগে। ঈশ্বৰৰ বচন প্ৰচাৰ কৰা আৰু ঈশ্বৰে সম্বন্ধে কথা কোৱাত ই বৰ প্ৰয়োজনীয় কথা।

পবিত্ৰ আত্মাৰ শক্তিৰ অবিহনে জানো ঈশ্বৰ আৰু তেওঁৰ পবিত্ৰ বচন কব পৰা যায়, এই কথা প্ৰায় প্ৰচাৰক সকলে কিন্তু মনত নাৰাখে। এইটো আচলতে আমাৰ সকলোৰে বাবে সতৰ্ক বাণী, কাৰণ পবিত্ৰ আত্মাৰ শক্তিৰ অবিহনে হাজাৰ শিক্ষা দিলেও আত্মিক আশীৰ্বাদৰ মুখ দেখা পোৱা নাযায়।

হিতোপদেশ ১৮:৫পদ, **"দুষ্টৰ মুখ চোৱা আৰু বিচাৰত ধাৰ্ম্মিকক অন্যায় কৰা ভাল নহয়।"** কিন্তু আজিৰ দিনত দুষ্টৰ মুখ জানো নোচোৱাকৈ ধাৰ্মিকক ন্যায় বিচাৰ হৈছে, ধাৰ্মিকতাৰ ভিত্তিত হোৱা হলেতু বিচাৰবোৰ ন্যায় বিচাৰেই হল হেঁতেন কিন্তু আজিকালি ক্ষমতা, টকা আনকি বাহুবলৰ ভিত্তিতো বিচাৰ চলিছে, এইটো নিশ্চয় বৰ বেয়া কথা নহয় নে বাৰু।

হিতোপদেশ ১৮:৬-৮পদ, **"অজ্ঞানৰ ওঁঠে বিবাদ লগত লৈ আহে, আৰু তাৰ মুখে মোক মাৰ মাৰ বুলি কয়।অজ্ঞানৰ মুখ তাৰ সৰ্ব্বনাশ, আৰু তাৰ ওঁঠ তাৰ প্ৰাণৰ ফান্দ স্বৰূপ। পৰচৰ্চ্চাকাৰীৰ কথা সুস্বাদু আহাৰ স্বৰূপ; সেয়ে পেটৰ ভিতৰলৈকে সোমাই যায়।"** বিবাদ লগত লৈ ফুৰা মোক মাৰ মাৰ বুলা মানুহ আপুনি দেখিছে নে প্ৰিয় শ্ৰোতা আমি হলে দেখিছোঁ, বিবাদ লগোৱাৰ পাছত কয়, মোৰ গাত হাত দে চোন, এবাৰ হাতদি চাচোন, তাৰ মানে মোক মাৰচোন এনেকুৱা ধৰণৰ মানুহ আমি চাৰিওফালে দেখু এই মানুহবোৰে আচলতে চাৰিওফালে কন্দল লগাই ফুৰে।

মূৰ্খ বা অজ্ঞানী মুখেই তাৰ সৰ্বনাশ, ইয়াৰ অভিজ্ঞতা মূৰ্খ মানুহবিলাকে নিজে জানে। লাজ, অপমান পোৱাৰ আৰু মাৰ কিল খোৱাৰ উপৰিও বহু অভিজ্ঞতা তেওঁলোকৰ থাকে। কিন্তু প্ৰভু যীচু খ্ৰীষ্টই আমাক মানা কৰি কৈছে, আমি আচলতে কাকো মূৰ্খ বুলিব নালাগে মথি



WORD RESOUNDS TODAY
www.Radio882.com

৫:২২পদত এই কথা আমি পাওঁ। কাৰণ তাকে কোৱাৰ অধিকাৰ আচলতে আমাৰ নাই। কাৰণ আমাৰ মাজৰ কোন নো ভাল মই মূৰ্খ নহব পাৰোঁ কিন্তু কিজানি ব্যভিচাৰী, ব্যভিচাৰী নহব পাৰোঁ কিন্তু কিজানি ৰাইজৰ ধন আত্মহাতকাৰী; মূৰ্খ, ব্যভিচাৰী, আৰু সমাজৰ ধন আত্মহাতকাৰী সকলে ঈশ্বৰৰ দৃষ্টিত আচলতে সকলো একে।

ঈশ্বৰে মূৰ্খক মূৰ্খ বুলিব পাৰে, ব্যভিচাৰীক ব্যভিচাৰী, ধনলোভীক ধনলোভী বুলিব পাৰে, সেই অধিকাৰ তেওঁৰ আছে। কিয় কাৰণ মূৰ্খ, ব্যভিচাৰী আৰু ধনলোভী সকলোকে তেওঁ জানে যে, তেওঁলোক তেনেকুৱাই দ্বিতীয়তে তেওঁ নিজে মূৰ্খ, ব্যভিচাৰী আৰু ধনলোভী নহয়। কোনো পাপ তেওঁত নাই, তেওঁ সম্পূৰ্ণ নিষ্পাপ, নিষ্কলঙ্ক, পবিত্ৰ আৰু ধাৰ্মিক। প্ৰিয় শ্ৰোতা পৰচৰ্চা কৰা এই বদ গুণটোৰ কথা হিতোপদেশত বহুত চৰ্চা কৰা হৈছে।

উপদেশকে আমাক জনাব খুজিছে যে এই বদ গুণটো সমাজত বৰ প্ৰচলিত, যাৰ ফলত সমাজত বৰ অশান্তি হয়। বহু ভাল লোক ভাঙি যায়, নিৰাশ হয়, আৰু কোনো কোনো বিদ্ৰোহী হৈ উঠে। আপুনি নিশ্চয় আপোনাৰ জীৱনত কেতিয়াবা, নহয় কেতিয়াবা ইয়াৰ বেয়া ফলটো লাভ কৰিছে যদি কৰা নাই আমি কেতিয়াবা নহয় কেতিয়াবা ইয়াৰ ফল ভোগ কৰোঁ। পৰচৰ্চা আমাৰ বহুতৰে জীৱনত বেয়াকৈ প্ৰভাৱ পেলাই, আমি মনত অশান্তি পাওঁ। মৌমাখিৰ কথা আপুনি জানে নিশ্চয় প্ৰিয় শ্ৰোতা, মৌমাখিয়ে মৌ ৰস উৎপন্ন কৰে মানুহে মৌৰস খিনি বিস্তৰ ব্যৱহাৰ কৰে, কিন্তু এই মৌৰস খিনি উৎপন্ন কৰাৰ বাবে মৌ মাখিজনীক কাহানিও অকনো ভাল বুলি কোৱা নহয়, কিন্তু কেতিয়াবা অলপ বিন্ধি দিয়াৰ কাৰণেই ই হয় পৰে বৰ বেয়া। পৰচৰ্চাকাৰীসকলে আপুনি কৰা পৰ্যাপ্ত ভালখিনি কিন্তু দেখা নাপায়, আপুনিও মানুহ দেখি কৰবাত অলপ ভুল হৈ গলে তিলটোকে তাল কৰি কিযে বদনাম কৰিব কিযে ৰহন লগাই লগাই কথাবোৰ কৈ ফুৰিব। খ্ৰীষ্টিয় লোকসকলে কিন্তু ইয়াৰ পৰা মুক্তি পাব লাগে। তাকে উদ্দেশ্য কৰি হিতোপদেশত এই বদগুণটোৰ কথা বাৰে বাৰে কোৱা হৈছে।

হিতোপদেশ ১৮:১০পদ, **"যিহোৱাৰ নাম দৃঢ় দুৰ্গস্বৰূপ; ধাৰ্মিক লোক তালৈ পলাই গৈ ৰক্ষা পায়।"** ঈশ্বৰ যিহোৱাৰ নামটো প্ৰভু যীচু খ্ৰীষ্টৰো নাম, তেওঁক যীচু বোলা হৈছে কাৰণ তেওঁ মানুহৰ পৰিত্ৰাণ কৰিছে, খ্ৰীষ্ট বোলা হৈছে কাৰণ মানুহক পাপৰ পৰা উদ্ধাৰ কৰা কাম ঈশ্বৰে অভিষিক্ত কৰিছে তেওঁ আমাৰ জীৱনৰ প্ৰভু আৰু তেওঁ আমাৰ পৰিত্ৰাণৰ প্ৰভু। তেওঁ আমাৰ দৃঢ় শিলা আৰু আশ্ৰয়স্থল আন সকলো আশ্ৰয় দুপনি বালি, তেওঁত বাৰু আপুনি আশ্ৰয় লৈছে নে?

হিতোপদেশ ১৮:১১পদ, **"ধনৱানৰ ধন-সম্পত্তিয়েই তাৰ দৃঢ় নগৰ; আৰু সেয়ে তাৰ মানত ওখ গড়স্বৰূপ।"** এই পদটোক লৈ ভুল বুজাৰ সম্ভাৱনা আছে, এইটো ধনৱানেহে এনেকৈ ভাবে, ৰজাই, ভাববাদীয়ে বা ঈশ্বৰ ভক্ত লোকসকলে তেনেকৈ ভবা নাছিল এতিয়াও নাভাবে, আৰু কাহানিও নাভাবিব। চলোমনৰ সমান কোন ইস্ৰায়েলী ৰজা ধনী আছিল বাৰু কিন্তু চলোমনে সংসাৰৰ সকলোবোৰ বিষয়কে অসাৰৰ অসাৰ ৰূপতেই দেখা পালে। গোটেই পৃথিৱীৰ ধন গোটাই জানো কোনোবাই কৰ্কট ৰোগ অকনকে সুস্থ কৰিব পাৰিব। মৰা মানুহ এজনক জানো গোটেই জগতৰ ধনখনেই জীয়াই তুলিব পাৰিব। ধনে যিমান দূৰলৈ পাৰে সিমান দূৰলৈ ই ধনৱানৰ দৃঢ় নগৰ আৰু দুৰ্গ তাৰ সিপাৰে কিন্তু নহয় হব নোৱাৰে। আমি ঈশ্বৰক ধন্যবাদ দিওঁ যে তেওঁ



WORD RESOUNDS TODAY
www.Radio882.com

আমাক খ্ৰীষ্টত স্বৰ্গীয় ঠাইবোৰত আত্মিক আশীৰ্বাদেৰে আশীৰ্বাদ কৰিছে। ইফিচীয়া ১:৩পদ খ্ৰীষ্টইহে খ্ৰীষ্টিয় লোক সকলৰ দৃঢ় নগৰ বা দৃঢ় কোঁঠ, পাৰ্থিৱ দৃঢ় নগৰ আৰু কোঁঠে কেৱল জীৱনৰ ইটো পাৰতহে আশ্ৰয় দিব পাৰে, সিপাৰে নোৱাৰে। খ্ৰীষ্টই ইপাৰ আৰু সিপাৰ, খ্ৰীষ্টইহে দুয়ো পাৰতে আশ্ৰয় দিব পাৰে কাৰণ তেওঁ দুয়ো পাৰৰ গৰাকী। আপুনি খ্ৰীষ্টত আশ্ৰয় লৈছে নে? মনত ৰাখিব সকলো আশ্ৰয়ৰ ভিতৰত খ্ৰীষ্ট হৈছে শ্ৰেষ্ঠ আশ্ৰয় আৰু আন সকলো দুপনি বালি।

হিতোপদেশ ১৮:১৩পদ, **"যি মানুহে নৌ শুনোতেই উত্তৰ দিয়ে, সেয়ে তাৰ পক্ষে অজ্ঞানতা আৰু অপমান বুলি গণিত হয়।"** এই কথা মনত ৰাখিম, আমি মানুহৰ কথাৰ উত্তৰ দিওঁতে সাৱধান হব লাগে, ভবি চিন্তি গোটেই কথা বুজি পাইহে উত্তৰ দিব লাগে।

হিতোপদেশ ১৮:১৪পদ, **"মানুহে সাহস কৰি নিজৰ বেদনা সহিব পাৰে; কিন্তু মন ভগ্ন হলে কোনে তাক সহিব পাৰে?"** প্ৰিয় শ্ৰোতা আপুনি আপোনাৰ ভৰি ভাঙিলে পুনৰ সুস্থ কৰিব পাৰে, কিন্তু আত্মা ভগ্ন হলে তাক কোনে সুস্থ কৰিব পাৰে? তেনে ভগ্ন আত্মাৰ লোকক ঈশ্বৰেহে সহায় কৰিব পাৰে। বাইবেলত কৈছে **"তোমালোকে দুখ নকৰিবা কাৰণ যিহোৱাত যি আনন্দ সেয়ে তোমালোকৰ শক্তি;** (নহিমিয়া ৮:১০পদ)।" এৰা ভগ্ন মন কেৱল ঈশ্বৰেহে সুস্থ কৰিব পাৰে।

হিতোপদেশ ১৮:১৫-১৬ পদ, **"সুবিবেচকৰ মনে জ্ঞান উপাৰ্জন কৰে, আৰু জ্ঞানীবিলাকে কাণেৰে জ্ঞানৰ চেষ্টা কৰে। উপহাৰে মানুহৰ বাট মুকলি কৰে,/1আৰু প্ৰধান লোকৰ আগলৈ তাক লৈ যায়।"** সুবিবেচক সুবিবেচকেই জ্ঞান আহৰণৰ বাবে তেওঁৰ মন আৰু কাণ সকলো ব্যৱহাৰ কৰে। মৌ-কোঁহত জমাই লোৱাৰ পাছত মৌ ৰস দিয়াৰ দৰে বিবেচক সকলেও তেওঁলোকৰ জ্ঞানৰ ভঁৰালৰ পৰা মৌ মিঠা জ্ঞান বিতৰণ কৰে।

হিতোপদেশ ১৮:১৬পদটো আমি যি পঢ়িবলৈ উলাইছোঁ তাৰ কথাখিনি ২৫:১৪পদৰ সৈতে অমিল অৰ্থৰ বুলি কিছুমানে কব বিছাৰে। কিন্তু ২৫ অধ্যায়টো অধ্যয়ন কৰিবলৈ লওঁতে আমি পাম যে এইটো আচলতে অমিল অৰ্থৰ নহয়, কিন্তু বিপৰীত ধৰ্মী অৰ্থৰ কথাহে। ১৮:১৬পদটো উপহাৰ বাব বৰৰ কথাহে কোৱা হৈছে আমি বিশ্বাস কৰোঁ যে খ্ৰীষ্টত বিশ্বাস কৰা প্ৰতি গৰাকীৰে একো, একোটা বৰ আছে। বাইবেলত পবিত্ৰ আত্মাৰ বৰৰ বিষয়ে স্পষ্টকৈ শিক্ষা দিয়া আছে, বিশেষকৈ ৰোমীয়া ১২:৬-৮পদলৈকে আমি এই বিষয়ে পাওঁ। ৰোমীয়া পত্ৰখন অধ্যয়ন কৰোঁতে আমি এই বিষয়ে বিশদভাৱে চাই আহিছোঁ। ১৭পদটোতো মনোৰঞ্জন অৰ্থাৎ হাঁহিৰ খোৰাকৰ যোগান ধৰি থোৱা আছে শুনিব চোন,

হিতোপদেশ ১৮:১৭পদ, **"যি জনে নিজৰ গোচৰত প্ৰথমে উপস্থিত হয়, তাকেই নিৰ্দোষী যেন বোধ হয়; কিন্তু সিজনে আহি ই কেনে মানুহ তাক উলিয়াই পেলায়।"** তাৰ মানে প্ৰথমতে অহা মানুহ জন জোলোঙাৰ ভিতৰৰ মেকুৰী, পাছত অহা মানুহ জন আহি পোৱাৰ লগে, লগেই জোলোঙাৰ মেকুৰী উলাই পৰে। প্ৰথমে অহা মানুহ জন পেট টেঙৰ বিধৰ কিন্তু দ্বিতীয় জন নিৰ্দোষী মানুহ আহি পোৱাৰ লগে লগে সেই পেট টেঙৰ মানুহ জনৰ টেঙৰালি ধৰা পৰি যায়।



WORD RESOUNDS TODAY

www.Radio882.com

হিতোপদেশ ১৮:১৮পদ, **"চিঠী-খেলে বিবাদ স্থগিত কৰে, আৰু বলৱন্তবিলাকৰ মাজৰ কন্দল ভাঙে।"** কিয় জানে নে প্ৰিয় শ্ৰোতা কাৰণ চিঠি খেলে কাৰো ফলিয়া হৈ মত নিদিয়ে, আৰু বলৱন্ত লোকসকলক কেঁয়া আঙুলিটোৰ সমানো ভয় নকৰে। ই সকলোৰে বুদ্ধি, কিটিপ কাটাপ, যাদু মন্তৰ চকু বান্ধি থৈ নিজৰ কাম কৰিব পাৰে।

হিতোপদেশ ১৮:১৯পদ, **"দৃঢ় নগৰ জয় কৰাকৈ, অপকাৰত বিৰক্ত পোৱা ভায়েকক পুনৰায় শান্ত কৰা টান; এনে বিবাদ কোঁঠৰ ডাংস্বৰূপ।"** কাৰণ দৃঢ় নগৰ জয় কৰিবলৈ অস্ত্ৰ-শস্ত্ৰ আৰু শক্তি থাকিলেই সেইয়া সম্ভৱ হয়, কিন্তু অপকাৰত বিৰক্ত হোৱা ভায়েকক শান্তনা দিবলৈ কোনো অস্ত্ৰও নাই আৰু কোনো শক্তিও নাই, অন্তৰৰ বিৰক্ত চূৰ্ণ বিচূৰ্ণ কৰিব পাৰে কেৱল ঈশ্বৰৰ বচনে। কিন্তু বিৰক্তি পোৱা জনে ঈশ্বৰৰ বচন আহ্বান কৰিব লাগিব।

হিতোপদেশ ১৮:২০পদ, **"মনুষ্যই নিজৰ পেট নিজৰ মুখৰ ফলেৰে পৰিপূৰ্ণ কৰে।"** আৰু তেওঁ নিজ ওঁঠৰ উপাৰ্জ্জনেৰে পৰিতৃপ্ত হয়।" চমু কথাত মানুহে তাৰ মুখৰ কথাৰে তাৰ পেটটো চলাই।

হিতোপদেশ ১৮:২১পদ, **"মৰণ আৰু জীৱন জিবাৰ অধীন; যিবিলাকে তাক ভাল পায়, তেওঁবিলাকে তাৰ ফল ভোগ কৰিব।"** মৰণ আৰু জীৱন জিবাৰ অধীন; ভাবি চাওক প্ৰিয় শ্ৰোতা শুভবাৰ্তা প্ৰচাৰ কৰাত আপুনি আপোনাৰ জিভা ব্যৱহাৰ কৰিব পাৰে আৰু সেই শুভবাৰ্তাই মানুহক জীৱন দিব আৰু সেই দৰেই মানুহৰ জিভাৰ অধীন। আৰু জিভাকে কথা কবলৈ ব্যৱহাৰ কৰিব পাৰি, যিবোৰ কথাই মানুহক ঈশ্বৰৰ ওচৰৰ পৰা আঁতৰায় লৈ যাব আৰু সেইদৰেই আঁতৰি যোৱা মানুহ মৃত্যুৰ ভাগি হব। সৰু জিভা কিন্তু কি সাংঘাতিক, মৰণ আৰু জীৱনক এই জিভাই নিজৰ হাতৰ মুঠিত ৰাখিছে। সেয়ে বাইবেলে জিভাৰ বিষয়ে সঠিক শিক্ষা দাঙি ধৰিছে, বিশেষকৈ যাকোব ৩ অধ্যায়ত এই জিভাৰ সঠিক শিক্ষা দিয়া হৈছে।

হিতোপদেশ ১৮:২২পদ, **"যি জনে ভাৰ্য্যা পায়, তেওঁ পৰম বস্তু পায়, আৰু যিহোৱাৰ পৰা অনুগ্ৰহ লাভ কৰে।"** জিভাৰ বিষয়ে কোৱা পদটোৰ পাছতেই ভাৰ্যাৰ বিষয়ে কোৱা পদটো দিয়া হৈছে, কাৰণ ভাৰ্যা পোৱা আৰু জিভাৰ ব্যৱহাৰৰ সম্বন্ধ আছে। ভাৰ্যা-স্বামী হোৱাৰ আগতে জিভাই ইতিমধ্যে বহু ভূমিকা গ্ৰহণ কৰে, জিভাই কোৱা কথাবোৰ যদি ঠিক কথা হয়, আৰু সেই ৰূপেই যদি জীৱন যাপন কৰা হয়, তেতিয়া হলে দাম্পত্য জীৱনটো জীৱন হৈ থাকিব, দাম্পত্য জীৱনত প্ৰকৃত জীৱন। কিন্তু কেটুৰি বিক্ৰী কৰিবলৈ নি যদি দুয়োটাৰে জিভাই আদা বিক্ৰী কৰিবলৈ অনা বুলি ভুৱা চলাহী কথাৰে দাম্পত্য জীৱনত নামি পৰে, তেতিয়া হলে প্ৰথমতে প্ৰথম মহা-সমৰৰ সূচনা হব, তাৰ পাছত দ্বিতীয়টো মহা-সমৰ আৰু যেতিয়া সমৰৰ উৎপাত সীমা চেৰাই যাবগৈ তেতিয়া চপৰা চপৰকৈ হয়তো দুচপৰা এটম বম সৰিব আৰু তাৰ পাছত সকলো শেষ। সেইদৰে সাৱটি লবলৈ বাধ্য। সুখৰ সংসাৰত যেনেকৈ ভাৰ্যা পৰম বস্তু, দুখৰ সংসাৰত ভাৰ্যা এখন গধুৰ ক্ৰুচৰ নিচিনা হয় এনে নান উদাহৰণ আমি দিব পাৰোঁ।

প্ৰিয় শ্ৰোতা এগৰাকী ভাল ভাৰ্যা পোৱাটো সহজ কথা নহয়, ঠিক তেনেদৰে এগৰাকী ভাল স্বামী পোৱাটো সহজ কথা নহয়। আৰু সেই বাবেই আচলতে ভাৰ্যাৰ বাবে প্ৰতিগৰাকী প্ৰাৰ্থনা জনোৱা উচিত, যাতে এগৰাকী ভাল ভাৰ্যা পায়। সেই বাবেই যদি কোনোবাই এগৰাকী ভাল



WORD RESOUNDS TODAY
www.Radio882.com

ভাৰ্যা লাভ কৰে, তাৰ বাবে ঈশ্বৰক ধন্যবাদ দিয়া উচিত। সেই অৰ্থতে আমি কব পাৰোঁ, ভাল ভাৰ্যা আচলতে ঈশ্বৰৰ পৰা অহা এটা আশীৰ্বাদ। ঠিক একেদৰে স্বামী জনেও ঈশ্বৰে দিয়া এটা আশীৰ্বাদৰ নিচিনা। যি কি নহওক; এতিয়া

হিতোপদেশ ১৮:২৩পদ, **"দৰিদ্ৰ লোকে বিনয়েৰে কথা কয়; কিন্তু ধনৱানে কঠুৱা উত্তৰ দিয়ে।"** যেনে দৰিদ্ৰ জনে ধনী জনক কয়, মহাশয় টকা ১০টা দিয়ক চাউল কিনো, কালিৰে পৰা ভাত খোৱা নাই, বৰ ভুক লাগিছে। তেতিয়া ধনী জনে দৰিদ্ৰজনক কঠুৱা মাতেৰে উত্তৰ দিয়ে, ভুক লাগিছে দুখীয়াক আকৌ কিয় ভুক লাগিব লাগিছে, পইচা নাই যা, হুঁ টকা পাঁচটা লৈ যা ইত্যাদি, ইত্যাদি।

হিতোপদেশ ১৮:২৪পদ, **"যি জনে অনেকৰ লগত বন্ধুতা কৰে, তেওঁ নিজ সৰ্বনাশলৈহে তাকে কৰে; তথাপি ভায়েকতকৈয়ো অতি প্ৰেমাসক্ত কোনো বন্ধু আছে।"** আপুনি যদি বন্ধু পাবলৈ বিচাৰে তেন্তে আপুনি নিজে বন্ধুত্বপূৰ্ণ ভাব দেখুৱাওক কিন্তু বহু বন্ধুৰ লগত বন্ধুতা কৰাটো ভাল ব্যৱস্থা নহয়। কাৰণ আপোনাৰ পৰা আটাইকেইটা উত্তম ব্যৱহাৰে বিচাৰিব আৰু তেতিয়া হয়তো আপুনি সকলোকে সমানে সন্তুষ্ট কৰিব নোৱাৰিব।

কিন্তু ইয়াত এটা সুখৰ কথা জনোৱা হৈছে যে নিজৰ ভাইতকৈয়ো অধিক ওচৰত থকা অধিক উপকাৰী বন্ধু থাকিব পাৰে আৰু এই জগততে এই অভিজ্ঞতা বহুতৰে থাকিব পাৰে। কিন্তু আমাৰ সকলোৰে বাবে অতি আনন্দৰ কথা, অতি সুখৰ কথা এইয়ে যে নিজৰ ভাইতকৈয়ো অধিক ওচৰত থকা এজন বন্ধু আছে। তেওঁ কোন আপুনি জানে নে? তেৱেঁই হৈছে আমাৰ পৰিত্ৰাতা প্ৰভু যীচু খ্ৰীষ্ট। তেওঁ কৈছে **"তোমালোকক মই যি, যি আদেশ দিওঁ, সেইবোৰ যদি পালন কৰা তেন্তে তোমালোক মোৰ বন্ধু"**(যোহন ১৪:১৫পদ)।" মানুহে যেতিয়া কয় যে যীচু তেওঁলোকৰ বন্ধু তেতিয়া তেওঁলোকে এই কথাটো মনত ৰখা উচিত যে তেওঁলোকে প্ৰভু যীচুৰ আজ্ঞাবোৰ পালন কৰিব লাগে।

আমি যদি তেওঁৰ আজ্ঞাবোৰ পালন কৰিব পৰা নাই তেন্তে তেনেই সহজ কথাটো হৈছে যে, আমি আচলতে তেওঁৰ বন্ধু হব পৰা নাই। আমাৰ নিজৰ সহোদৰ ভাইতকৈয়ো ওচৰত থকা প্ৰভু যীচু আমাৰ বন্ধু। তেওঁ আমাৰ পৰিত্ৰাতা তেওঁ আমাক ইমানেই ভাল পালে যে তেওঁ আমাৰ কাৰণে নিজৰ প্ৰাণ দান কৰিলে। তেওঁ কৈছে যে পৃথিৱীৰ অন্তলৈকে তেওঁ আমাৰ সঙ্গে, সঙ্গে থাকে, মথি ২৮:২০পদ। আকৌ অঙ্গীকাৰ কৰি কৈছে যে তেওঁ আমাক কেতিয়াও নেৰিব আমাক ত্যাগ নকৰিব, ইব্ৰী ১৩:৫পদ। তেওঁ এই অঙ্গীকাৰ আমাক দি কৈছে যে, তেওঁ আমাৰ বাবে ঠাই দিবলৈ গৈছে, তেওঁ পুনৰ ঘূৰি আহি আমাক তেওঁৰ লগত লৈ যাব। যাতে তেওঁ য'ত থাকে আমিও তেওঁৰ লগত চিৰদিনৰ কাৰণে থাকিবলৈ পাম, যোহন ১৪:৩পদ। ইয়াতকৈ সুখৰ উৎসাহ জনক কথা কি থাকিব পাৰে? এৰা আমাৰ নিজৰ ভাইতকৈয়ো অধিক ওচৰত থকা তেওঁ আমাৰ

প্ৰিয় বন্ধু, সেই প্ৰিয় বন্ধু প্ৰভু যীচু খ্ৰীষ্টক আপুনি বাৰু আপোনাৰ সহোদৰ ভাইতকৈয়ো অতি ওচৰৰ বন্ধু হিচাপে গ্ৰহণ কৰিছে নে? চিন্তা কৰি চাওক চোন। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক, আমেন।/1



WORD RESOUNDS TODAY
www.Radio882.com

<u>পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:</u>

১) দুৰ্জনে কেৱল কিহৰ চিন্তা কৰে ?

২) কোনটো পুস্তকত জিবাৰ ব্যৱহাৰৰ সঠিক শিক্ষা পোৱাযায়?

৩) যিহোৱাৰ নাম দৃঢ়___________।

৪) কিহৰ দ্বাৰা গুণৱতী ভাৰ্য্যা পোৱা যায়?

WORD RESOUNDS TODAY



www.Radio882.com

হিতোপদেশ ১৯ অধ্যায়

আজি আমি হিতোপদেশ ১৯ অধ্যায় চাব বিচাৰিছোঁ, প্ৰথম পাঠটো পঢ়ি দিছো শুনিব চোন।

হিতোপদেশ ১৯:১ পদ, **“যি দৰিদ্ৰই নিজ সিদ্ধতাত চলে, তেওঁ কুটিল ওঁঠৰ অজ্ঞান মানুহতকৈ ভাল।”** কোনো জনকে মূৰ্খ বা অজ্ঞান বুলিবলৈ প্ৰভুৱে আমাক হাক বচন দিছে। কিন্তু ঈশ্বৰৰ আত্মাই এই শব্দটো পৰ্যাপ্তভাবে এই পুস্তকত ব্যৱহাৰ কৰিছে, আৰু মানৱ পৰিয়ালত যে অনেক মূৰ্খ বা অজ্ঞানী আছে সেইটো দেখদেখ কথা।

হিতোপদেশ ১৯:২-৩পদ, **“জ্ঞানশূন্য মন হলে মঙ্গলো নাই; যি জনে বেগেৰে যায়, তেওঁ পাপত পৰে। মানুহৰ অজ্ঞানতাই তাৰ গতি লুটিয়ায়, আৰু তাৰ মনে যিহোৱাৰ ওপৰত বেজাৰহাটা চলা কৰে।”** গোটেই হিতোপদেশতেই বিপৰীত অৰ্থৰ তুলনা মূলক কথা বা নীতি বচন সমূহ আছে। যি সকল ঈশ্বৰৰ সন্তান, যি সকলে সত্যত থাকে আৰু যি সকল ঈশ্বৰৰ সন্তান নহয়, সত্যতো নাই তেওঁলোকৰ মাজত পাৰ্থক্য দেখুৱাই কোৱা বচনবোৰে দুটাৰ মাজত পাৰ্থক্য দেখুৱা তুলনা মূলক বচন বা ইংৰাজীতে এন্টিথেটিক পেৰেলিলিজম বুলি কোৱা হয়।

যি সকল ঈশ্বৰ সন্তান নহয় সত্যতো নাই, তেওঁলোক স্বাৰ্থপৰ পথৰ লোক,অন্ধকাৰ আৰু অজ্ঞানতাত বুৰ গৈ থকা লোক। তেওঁলোককে ঈশ্বৰে মূৰ্খ বা অজ্ঞানী বুলি কৈছে। এই নীতি কথা আছে এনে বুলি, য'ত অজ্ঞানতাটো আশীৰ্বাদ ত'ত অজ্ঞানী হোৱাই ভাল। এইটো কিন্তু ভুল কথা, ইয়াক নীতি বচন আখ্যা দিব নোৱাৰে। এনে ভুল কথাৰ অজুহাত লৈয়ে নিজৰ অজ্ঞানতাৰ বাবে মানুহে শান্তনা লব বিচাৰে। আনকি মণ্ডলীৰ নেতা নেত্ৰীৰ মুখতো এনে কথা প্ৰায় শুনা যায় যে সেই কথাখিনি বৰ তত্ব মূলক বৰ গভীৰভাৱে শাস্ত্ৰীয় বুলি কয়। তথাপি তেওঁলোকে বুজিব নোৱাৰে বা বুজাব নোৱাৰে। কিন্তু তেওঁলোকে সেই তত্ব মূলক বা গভীৰভাৱে শাস্ত্ৰীয় মূলক কথাটো নোবুজে কিয়? কাৰণ তেওঁলোকে কেতিয়াও ভালদৰে বুজিবলৈ চেষ্টা এটা দি ছোৱা নাই। অজ্ঞানতাৰ অন্ধকাৰ দূৰ কৰিবলৈ ঈশ্বৰৰ বচনৰ পোহৰ আহৰণ কৰিবলৈ তেওঁলোকৰ কোনো আগ্ৰহে নাই। নহলে নো অজ্ঞানতাৰ মণ্ডলীৰ নেতা নেত্ৰীসকল কিয় ভুল গৈ থাকিব লাগে?

এষাৰ কথা আছে এনে বুলি যিসকলে বাইবেল জানে তেওঁলোক অশিক্ষিত নহয় আৰু যিসকলে বাইবেলৰ শিক্ষাবোৰ নাজানে তেওঁলোক সঁচা অৰ্থত শিক্ষিত নহয়। জগতৰ মানুহে এই কথাষাৰ লেখ মানো বিশ্বাস নকৰিব, কিন্তু খ্ৰীষ্টিয় লোকৰ বাবে এয়া সঁচা কথা। বাইবেল নজনাকৈ কোনো মানুহ পৰিপক্ক হব নোৱাৰে। ঈশ্বৰৰ বচনৰ জ্ঞান থকাটোৱে ঈশ্বৰৰ সন্তানৰ চৰিত্ৰ হব লাগে।

হিতোপদেশ ১৯:৪ পদ, **“ধনৰ দ্বাৰাই অনেক বন্ধু পোৱা হয়; কিন্তু দৰিদ্ৰ নিজ বন্ধুৰ পৰা বিচ্ছেদ হয়।”** ধনীৰ ঘৰত মানুহৰ ভিৰ দেখা যায়। বহুজনে ধনীজনৰ উত্তম বন্ধু হবৰ



WORD RESOUNDS TODAY
www.Radio882.com

কাৰণে যৎপৰনাস্তি চেষ্টা চলাই, কিন্তু বাইবেলে আমাক দৰিদ্ৰ সকলৰ বন্ধু হ'বলৈকে পৰামৰ্শ দান কৰিছে। যাকোবে তেওঁৰ পত্ৰত কৈছে যে, আমি দৰিদ্ৰৰ প্ৰতি সহানুভূতিশীল হোৱা উচিত। তেওঁ কৈছে **"কিয়নো তোমালোকৰ নাম-ঘৰলৈ সোণৰ আঙঠি আৰু উজ্জ্বল বস্ত্ৰেৰে এজন মানুহ আহিলে, আৰু মলিন বস্ত্ৰেৰে দৰিদ্ৰ এজনো আহিলে,পাছে তোমালোকে যদি সেই উজ্জ্বল বস্ত্ৰ পিন্ধা জনৰ মুখ চাই কোৱা যে, আপুনি ইয়াতে স্বচ্ছন্দে বহক, আৰু যদি সেই দৰিদ্ৰজনক কোৱা, সৌথিনিতে থিয় হৈ থাক, নাইবা মোৰ এই ভৰি-পীৰাৰ তলতে বহ,তেন্তে তোমালোকে নিজৰ মাজত প্ৰভেদ নকৰিলানে ? আৰু কু-বিবেচনা কৰা বিচাৰকৰ্ত্তাসকল নহলানে ? হে মোৰ প্ৰিয় ভাইবিলাক ,শুনা, সংসাৰত যিবিলাক দৰিদ্ৰ ,ঈশ্বৰে তেওঁবিলাকক বিশ্বাসত ধনৱন্ত ,আৰু নিজ প্ৰেমকাৰীবিলাকৰ আগত অঙ্গীকাৰ কৰা ৰাজ্যৰ অধিকাৰী কৰিবলৈ মনোনীত কৰা নাইনে ? কিন্তু তোমালোকে সেই দৰিদ্ৰক অনাদৰ কৰিলা"** (যাকোব ২:২-৬পদ)।

কিন্তু মানুহৰ তাহানি আচৰণ আজিও আছে, দিন কাল আদি কৰি বহু কথাই সলনি হৈছে, কিন্তু মানুহ হলে অকনো সলনি হোৱা নাই। তাহানি যেনেকুৱা আছিল আজিও তেনেকুৱাই আছে, ধনী দুখীয়াৰ মাজৰ যি প্ৰাচীৰ সি সদায় শক্তিশালী হৈ আছে। এনে ধাৰণা হয়, যে খ্ৰীষ্টিয় শিক্ষায়ো ইয়াৰ একো পৰিৱৰ্তন ঘটাব পৰা নাই।

হিতোপদেশ ১৯:৫পদ, **"মিছা সাক্ষীয়ে দণ্ড নোপোৱাকৈ নাথাকিব; আৰু মিছা কওঁতাই সাৰিব নোৱাৰিব।"** এই পদৰ কথাটো ইয়াৰ পাছতেই হিতোপদেশ ১৯:৯পদতো কোৱা হৈছে, মিছা কথা কওঁতা আৰু মিছা সাক্ষীও মানুহৰ আন এটা পাপ আচৰণ। পাপে ঘেৰা এই পৃথিৱীত মিছা কথা কওঁতা আৰু মিছা সাক্ষী দিওঁতা সকলৰ অনেকে আজি হাত হাৰি থাকিবলৈ পাৰিছে কাৰণ পৃথিবীখনেই মিছাত চলি আছে। সিহঁত হাতসাৰি থাকিব পাৰে। হাতসাৰি থাকিব এই পৃথিৱীত থকা দিনলৈকেহে। কিন্তু বাইবেলে কৈছে যে, **"ভয়াতুৰ, অবিশ্বাসী ঘিণলগীয়া, নৰ-বধী, ব্যাভিচাৰী, মায়াবী আৰু আটাইবিলাক দেৱ-পূজাকৰ সৈতে এই মিছলীয়াবিলাকো জুই আৰু গন্ধকেৰে জ্বলি থাকা সৰোবৰত অৰ্থাৎ নৰকত নিজৰ ভাগ পাব** (প্ৰকাশিত বাক্য ২১:৮ পদ)।" ঈশ্বৰে যেতিয়া হস্তক্ষেপ কৰে তেতিয়া কোনো মিছলীয়া বা মিছা সাক্ষী দিওঁতা হাতসাৰি যাব নোৱাৰে।

১ৰাজাৱলী ২১ আৰু ২২ অধ্যায়ত আমি পাওঁ আহব ৰজা আৰু তেওঁৰ ৰাণী ঈজাবলে নাবোদৰ বিৰুদ্ধে মিছা সাক্ষী দিয়াই নাবোদক শিলা দলিয়াই বধ কৰোৱাই তেওঁৰ বাৰীখন কাঢ়ি লৈছিল,কিন্তু এলিয়া ভাববাদীয়ে তেওঁক জনাইছিল যে যি ঠাইতে তেওঁ নাবোদৰ তেজ বুৱাইছে সেই ঠাইতে তেওঁৰ তেজো এদিন কুকুৰে চেলেকিব। ভাৱবাণীৰ দৰেই হ'ল, বুদ্ধি কৰিও আহব সাৰিব নোৱাৰিলে, বৰ কৌশল খটায়ো তেওঁ ৰক্ষা পাব নোৱাৰিলে, তেওঁৰ শত্ৰুপক্ষৰ অস্ত্ৰৰ আঘাতত তেওঁ মৰা পৰিছিল আৰু নাবোদক শিল দলিয়াই বধ কৰা ঠাইতে ভাববাদী কথাৰ দৰেই আহবৰ তেজ কুকুৰে চেলেকি, চেলেকি খাইছিল। আপুনি ক'ব পাৰে যে ঈশ্বৰো ইমান প্ৰতিশোধ মূলক হব লাগে নে? তেওঁ ইমান ভয়ঙ্কৰ ব্যক্তি হব লাগে নে? কিন্তু প্ৰিয় শ্ৰোতা পৰৰ সম্পত্তিৰ প্ৰতি লোভ সামৰিব নোৱাৰা নিৰ্দোষী মানুহক মিছা সাক্ষীৰে দোষী সজাই বধ কৰাটো কি ভয়ঙ্কৰ নহয়? ঈশ্বৰৰ দৃষ্টিত মিছা কথা আৰু মিছা সাক্ষী সমানে ভয়ঙ্কৰ। তেওঁ



WORD RESOUNDS TODAY

www.Radio882.com

সেইবোৰ বৰ ঘৃণা কৰে, এতিয়া কোনোবা হাতসাৰি থাকিলেও ঈশ্বৰৰ বিচাৰৰ দিনত কোনেও হাতসাৰিব নোৱাৰিব, তেওঁলোক বিনষ্ট হবই।

**"অনুগ্ৰহ পাবলৈ অনেকে দানশীল লোকৰ আগত নিবেদন কৰে আৰু সকলোৱেই দানশীল লোকৰ বন্ধু হয়"** (হিতোপদেশ ১৯:৬পদ) । দানশীল লোকে ধনীও হব পাৰে বা দুখীয়াও হব পাৰে। কিন্তু তেওঁলোকৰ সহায় পাবলৈ সকলোৱে তেওঁলোকৰ কাষ চাপে আৰু পাৰিলে তেওঁলোকৰ সৈতে সম্বন্ধ স্থাপন কৰিব খুজে। পদটোৰ কথা কিমান সঁচা দানশীল লোকেহে কেৱল ক'ব পাৰে।

হিতোপদেশ ১৯:৭ পদ **"দৰিদ্ৰৰ সকলো ভায়েকে তাক ঘিণ কৰে; তেন্তে তাতকৈ কিমান অধিক পৰিমাণে তাৰ বন্ধুবিলাক তাৰ পৰা আঁতৰ হৈ থাকিব! সি আলাপ কৰিবলৈ বিচাৰে, কিন্তু সিহঁত নাইকিয়া হয়।"** দৰিদ্ৰৰ কোনোফালে সুখ নাই পূব, পশ্চিম, উত্তৰ দক্ষিণ কোনোফালে আশা নাই। দৰিদ্ৰই দিনৰ পোহৰতো আন্ধাৰ দেখে। ভায়েক সকলেও আৰু বিশেষকৈ ভায়েকৰ ঘৈণিয়েকসকলে দৰিদ্ৰ জনক দেখিলে ঘৰৰ দুৱাৰ জপাই, নথকাৰ ভাও ধৰে। যি সকল বিপদৰে বন্ধু নহয়, তেওঁলোকতো তেওঁৰ পৰা আঁতৰিবই। কাৰণ ভিক্ষুহোৰ বন্ধু হৈ নলগা জেঙাত লগাটো ভোদা মানুহৰ হে পৰিচয়।

এতিয়া আমি হিতোপদেশ ১৯:৮ পদ **"যি মানুহে জ্ঞান লাভ কৰে, তেওঁ নিজ প্ৰাণক প্ৰেম কৰে; যি কোনোৱে বিবেচনা ৰক্ষা কৰে, তেওঁ মঙ্গল পায়।"** যি মানুহে জ্ঞান লাভ কৰে তেওঁ নিজ প্ৰাণক প্ৰেম কৰে বুলা কথাষাৰ পাৰ্থিৱ আৰু স্বৰ্গীয় উভয় ধৰণে সঁচা। পাৰ্থিৱ ভাৱে জ্ঞান আৰ্জিবলৈ যিসকল মানুহে বাল্যকালৰে পৰা চেষ্টা আৰু পৰিশ্ৰম কৰে তেওঁলোকেইতো জ্ঞান বিদ্যা আৰ্জি জীৱনত ধন, স্বাস্থ্য, শিক্ষা-দীক্ষাৰ অধিকাৰী হৈ পাৰ্থিৱ স্বচ্ছলতাৰে জীৱন ধাৰণ কৰিব পাৰে। মান-সন্মানৰ কথাটো নকলোৱেই বা আত্মিক কথাতো ই সঁচা। আমি আগৰে পৰা কৈ আহিছোঁ যে, জীৱনত যিয়ে সত্য ঈশ্বৰক জানে আৰু জানি তেওঁক ধৰে তেওঁ ভয় ভক্তিত জীৱন যাপন কৰে। আৰু বাইবেলে কৈছে যে, ঈশ্বৰলৈ ভয় ভক্তি ৰখাটো জ্ঞানৰ আৰম্ভণ। কিন্তু সত্য ঈশ্বৰ নো কোন? তেওঁক কেনেকৈ জানিম? হয় প্ৰিয় শ্ৰোতা, সসীম মানুহে অসীম সত্য ঈশ্বৰক কেতিয়াও জানিব নোৱাৰিলেহেঁতেন। যদি সেই সত্য ঈশ্বৰ জনাই নিজেই নিজক প্ৰকাশ নকৰিলেহেঁতেন।

আজিৰ পৰা প্ৰায় দুহেজাৰ বছৰ পূৰ্বে সত্য ঈশ্বৰে মানুহৰ মৰমত নিজে ঈশ্বৰ হৈয়ো, আকাৰ-প্ৰকাৰত মানুহৰ ৰূপ লৈ যীচু অৱতাৰ ধৰি স্বৰ্গ ৰাষ্ট্ৰৰ পৰা এই মৰতত উপস্থিত হল আৰু মানুহৰ মাজত আত্মপ্ৰকাশ কৰিলে, ফিলিপীয়া ২:৬-৮পদলৈকে। এতিয়া তেওঁ কৈছে তেৱেঁই বাট অকল বাটে নহয়, সত্য আৰু জীৱনো, যোহন ১৪:১৮পদ। তেওঁ কৈছে যিয়ে তেওঁক দেখিলে, তেৱেঁই ঈশ্বৰক দেখিলে, যোহন ১৪:৯পদ। তেন্তে যীচু খ্ৰীষ্টই সত্য ঈশ্বৰ তেওঁক যিসকলে জানিছে, তেওঁলোকেই সত্য ঈশ্বৰক জানিছে। গতিকে যি সকলে যীচুত বিশ্বাস স্থাপন কৰে আৰু তেওঁক জীৱনৰ পৰিত্ৰাতা আৰু প্ৰভু ৰূপে গ্ৰহণ কৰে, তেওঁলোকেই ঈশ্বৰক গ্ৰহণ কৰে। সেই ঈশ্বৰৰ সন্তান হৈ তেওঁলোক সৰগৰ পৰিয়ালত ভুক্ত হয়। এইয়াই প্ৰকৃত আত্মিক জ্ঞান। এই জ্ঞান ব্যৱহাৰ কৰা লোকসকলে আত্মিকভাৱে নিজৰ প্ৰাণক প্ৰেম কৰে। কাৰণ এই জ্ঞান ব্যৱহাৰ কৰি,



www.Radio882.com

WORD RESOURCES TODAY

প্ৰভু যীচুক প্ৰভু হিচাপে ধৰা সকলে নৰকলৈ অৰ্থাৎ আত্মাৰ অনন্ত মৃত্যুৰ স্থানলৈ যাব নালাগে। গতিকে প্ৰভু যীচুক প্ৰভু হিচাপে ধৰা সকলে নিজৰ প্ৰাণক প্ৰেম কৰাকে নোবোজাব নে?

হিতোপদেশ ১৯:৯ পদটোৰ কথা খিনি আমি আৰু আলোচনা নকৰোঁ। কাৰণ ১৯:৫পদৰ কথাটোৰ সৈতে এই ৯পদৰ কথাখিনি অবিকল একেই। ১৯:৫পদটো যিহেতো আমি ইয়াৰ আগতেই আলোচনা কৰিলোঁ সেয়ে পুনৰ দুহৰাৰ প্ৰয়োজন নাই।

হিতোপদেশ ১৯:১০পদ **"সুখ-ভোগ অজ্ঞানৰ অনুপযুক্ত; তেন্তে অধ্যক্ষবিলাকৰ ওপৰত দাসে শাসন কৰা তাতকৈ কিমান অধিক পৰিমাণে অনুপযুক্ত।"** ইয়াৰ মানেটো হৈছে বিলাসিতা জীৱনৰ বাবে মূৰ্খবিলাক যদি শোভা নাপাই, তেন্তে অধ্যক্ষ বিলাকৰ ওপৰত দাসবিলাকে শাসন কৰা তাতকৈয়ো অধিক শোভা নাপায়। অৰ্থাৎ বিলাসিতাৰ জীৱনৰ বাবে মূৰ্খবিলাকক যিমান আচহোৱা দেখা যাব, গৰাকী সকলৰ ওপৰত দাসে শাসন কৰাটো তাতকৈ অধিক আচহোৱা দেখা যাব।

হিতোপদেশ ১৯:১১পদ, "মানুহৰ বিবেচনাই ক্ৰোধত নিজক ধীৰ কৰে, আৰু দোষ ক্ষমা কৰা নিজৰ ভূষণস্বৰূপ।" এই পদটোত বিবেচনা শব্দটো আচলতে প্ৰজ্ঞাহে হব লাগিছিল। ইয়াৰ সহজ অৰ্থটো হৈছে যে, প্ৰজ্ঞাই মানুহক ধৈৰ্য ধৰিব পৰাত সহায় কৰে আৰু অপৰাধ ক্ষমা কৰিব পৰাটো ক্ষমা কৰোঁতা জনৰ গৌৰৱৰ কথা।

হিতোপদেশ ১৯: ১২-১৩পদ দুটা পাঠ কৰি দিছোঁ কেৱল আমি ব্যাখ্যা নকৰোঁ, পাঠ কৰি দিছোঁ শুনি চোন, **"ৰজাৰ ক্ৰোধ সিংহৰ গৰ্জনৰ তুল্য কিন্তু তেওঁৰ অনুগ্ৰহ তৃণৰ ওপৰত পৰা নিয়ৰৰ নিচিনা।"** অজ্ঞান পুত্ৰ তেওঁৰ পিতৃৰ আপদ স্বৰূপ, আক তিৰোতাৰ দ্বন্দ কাজিয়া সদায় টোপা-টোপে পৰি থকা পানীৰ নিচিনা। ইয়াত ব্যাখ্যাৰ প্ৰয়োজন নিশ্চয় নাই।

হিতোপদেশ ১৯:১৪পদ, **"ঘৰ আৰু ধন-সম্পত্তি পিতৃবিলাকৰ পৰা পোৱা উত্তৰাধিকাৰ: কিন্তু জ্ঞানৱতী ভাৰ্য্যা যিহোৱাৰ পৰাহে পোৱা যায়।"** হে প্ৰিয় বিবাহিত পুৰুষ, আপোনাৰ বাবে ইয়াত দুটা উপহাৰৰ কথা আছে। এটা পাৰ্থিৱ পিতৃৰ পৰা কিন্তু আনটো সৰগৰ পিতৃৰ পৰা। আপুনি পৈতৃক ঘৰ আৰু ধন-সম্পত্তিৰ উত্তৰাধিকাৰ হৈছে নেকি বাৰু? লগতে প্ৰভু ঈশ্বৰে দান কৰা জ্ঞানৱতী ভাৰ্যা আপোনাৰ আছে নে? যদিহে আছে আপোনাক বহু বিবাহিত পুৰুষ শ্ৰোতাই হয়তো হিংসা কৰিব। আপুনি বৰ সৌভাগ্যৱান পুৰুষ দেই। ওপৰৰ ১৩পদৰ জনেই যিহোৱাৰ পৰা অহা নে বাৰু? বহুতৰ কপালত কিন্তু তেনেকুৱা জনীহে মিলিল।

আপোনাৰ পৈতৃক ঘৰ আৰু ধন সম্পত্তি আৰু প্ৰভুৱে দান কৰা জ্ঞানৱতী ভাৰ্যাৰ কাৰণে আপুনি বাৰু প্ৰভুক ধন্যবাদ দিছে নে? যদি কেতিয়াও দিয়া হোৱা নাই, এতিয়াই নিদিয়ে কিয়? আমাৰ অবিবাহিত শ্ৰোতা যুৱক সকলেও প্ৰাৰ্থনা কৰা উচিত যেন ওপৰৰ ১৩পদৰ নিচিনা এজনীক নাপায়, ১৪পদৰ নিচিনা এজনী প্ৰভুৱে আপোনাৰ কাৰণে যোগাৰ কৰি দিয়ে। আপুনি এই কথাটো লঘুভাৱে নল'ব। জীৱনৰ বাবে এইটো এটা ডাঙৰ কথা।



WORD RESOUNDS TODAY
www.Radio882.com

হিতোপদেশ ১৯:১৫পদ **“এলাহে মানুহক দুর্ঘোৰ নিদ্ৰাত পেলায়, আৰু সোৰোপাই ভোকত আতুৰ হয়।”** আপোনাৰ জীৱনত যদি এইটো হৈছে অলপ চিন্তা কৰি চাওক চোন, আপুনি জীয়াই থকাৰ পৰা কাৰোবাৰ কিবা অলপ উপকাৰ হৈছে নে নাই। আনৰ কথা বাদ দিয়ক, আপোনাৰে জানো কিবা অলপ উপকাৰ হৈছে?

হিতোপদেশ ১৯:১৬পদ, **“যি জনে যিহোৱাৰ আজ্ঞা পালন কৰে, তেওঁ নিজৰ প্ৰাণ ৰক্ষা কৰে; কিন্তু যি জন নিজ পথৰ বিষয়ে অসাৱধান, তেওঁ মৰে।”** এই পদটোৰ কথাখিনি আমি বহলাই আলোচনা কৰি অহা ৮ পদটোৰ সৈতে প্ৰায়ে একে। ৮ পদত আছে জ্ঞান আৰু বিবেচনাৰ কথা ১৬ পদটোত আছে আজ্ঞা পালন আৰু সাৱধান হোৱাৰ কথা। দুয়োটা পদৰ কথাখিনি একেলগে সামৰি লৈ কবলৈ হলে জ্ঞান আৰু বিবেচনা ব্যৱহাৰ কৰিলে আৰু আজ্ঞা পালন কৰি সাৱধানে জীৱনত চলিলে নিজৰ প্ৰাণ ৰক্ষা পৰে।

হিতোপদেশ ১৯:১৭ পদৰ কথাখিনি আমাৰ সকলোৰে বাবে আচলতে বৰ মহৎ কথা আৰু বৰ আশীৰ্বাদ জনক কথা। কি কৈছে শুনকচোন, **“যি জনে দৰিদ্ৰক কৃপা কৰে, তেওঁ যিহোৱাক ধাৰ দিয়ে; তেওঁ নিজ সৎকাৰ্য্যৰ পৰিশোধ কৰিব।”** প্ৰিয় শ্ৰোতা দৰিদ্ৰক কৃপা কৰিলে দৰিদ্ৰই পুনৰ পৰিশোধ কৰিব নোৱাৰে। আনহাতে যিহোৱা ঈশ্বৰে দৰিদ্ৰক বৰ ভাল পায়, সেয়ে শেষৰ দিনা দৰিদ্ৰৰ হৈ আমি কৰা সৎকৰ্মবোৰৰ নিমিত্তে তেওঁ আমাক সূতে মূলে পুৰষ্কাৰ দিব। কি পুৰষ্কাৰ বাইবেলে প্ৰকাশিত বাক্যত কৈছে যে,সেইয়া হব জীৱনৰূপ কিৰীটি। বাস্তৱিকতে বৰ্তমান যিসকলে দৰিদ্ৰক কৃপা কৰি আছে, তেওঁলোকে যিহোৱাক ধাৰ দি আছে।

হিতোপদেশ ১৯:১৮পদ, **“নিজ পুত্ৰক শাস্তি দিয়া, কাৰণ আশা আছে; তাক মৰাকৈ মাৰিবলৈ মন নকৰিবা।”** লৰা-ছোৱালী সৰু হৈ থাকোঁতে অনুশাসন আৰম্ভ কৰিব লাগে। বহু পলম হৈ যোৱা সময়লৈকে বাট চাই থাকিব আমি নালাগে।

এহাল পিতৃ-মাতৃয়ে এবাৰ কৈছিল, তেওঁলোকে অলপতেহে প্ৰভু যীচুত বিশ্বাস স্থাপন কৰি পৰিত্ৰাণৰ ভাগি হৈছে। লৰা-ছোৱালী ডেকা-গাভৰু হোৱালৈকে বৰ মন্দ আচৰণৰ জীৱন যাপন কৰিছিল। এতিয়া তেওঁলোক পৰিত্ৰাণ প্ৰাপ্ত লোক হৈছে যদিও লৰা-ছোৱালীকেইটাক আত্মিকভাৱে হেৰুৱাব লগা হল। কাৰণ উচিত সময়ত তেওঁলোকক শিক্ষা দিয়া নহ'ল, অনুশাসনত ডাঙৰ দীঘল কৰা নহ'ল। পদটোত শাস্তি দিবলৈ কৈছে, অলপ যদি চেকনিও দিয়া যায় সেইয়া হব অনুশাসনত শৰীৰিত আঘাত পোৱাকৈ মাৰ-পিট কৰাৰ পৰামৰ্শ বাইবেলত নাই। নিষ্ঠুৰ হবলৈ কোৱা হোৱা নাই, বৰং প্ৰভুৰ শিক্ষা আৰু চেতনাত লৰা-ছোৱালীক প্ৰতিপালন কৰিব কৈছে, ইফিচীয়া ৬:৪পদ।

> হিতোপদেশ ১৯:১৯পদ পঢ়িছোঁ, **“অতি ক্ৰোধী মানুহে দণ্ড পাবই লাগে; কিয়নো যদি তুমি তাক মুক্ত কৰা, তেন্তে তুমি পুনঃ পুনঃ তাক কৰিব লাগিব।”** আমি ভাবো পদটো অতি স্পষ্ট আৰু পৰিয়াল, সমাজ আৰু চৰকাৰী শাসনকৰ্ত্তাসকলোৱেই এই পৰামৰ্শ পালন কৰা উচিত।



WORD RESOUNDS TODAY
www.Radio882.com

হিতোপদেশ ১৯:২০পদ, “তুমি শেষ বয়সত জ্ঞানী হবৰ নিমিত্তে, পৰামৰ্শ শুনা, আৰু শিক্ষা গ্ৰহণ কৰা।” শুনাত বয়সীয়া সকলক দিয়া পৰামৰ্শ যেন লাগে কিন্তু এইয়া যুৱক-যুৱতী সকলকহে দিয়া পৰামৰ্শ হে।

হিতোপদেশ ১৯:২১পদ, **“মানুহৰ মনত অনেক আলচ আছে; কিন্তু যিহোৱাৰ মন্ত্ৰণা থিৰে থাকে।”** অৰ্থাৎ বিভিন্ন বিষয়ত মানুহৰ বিভিন্ন ব্যাখ্যা থাকে। আকৌ ব্যাখ্যাবিলাকো সলনি হৈ থাকিব পাৰে, সময় সাপেক্ষে, পৰিস্থিতি সাপেক্ষে, কিন্তু ঈশ্বৰ যিহোৱাৰ সৃষ্টিৰ পাতনিৰে পৰা যি মন্ত্ৰণা, পৰিকল্পনা আৰু কাম আছিল সেইবোৰ স্থিৰে আছে। যিহোৱাৰ মন্ত্ৰণা থিৰে আছিল, থিৰে আছে আৰু সদায় থিৰে থাকিব।

হিতোপদেশ ১৯:২২পদ পাঠ কৰি দিছোঁ, **“মানুহৰ ইচ্ছাই তাৰ দয়াৰ পৰিমাণ, আৰু মিছলীয়াতকৈ দৰিদ্ৰ লোক ভাল।”** ইয়াৰ অনুবাদৰ অসূয়াৰ বাবেই হওক বা আন কাৰণতেই হওক কথাষাৰ বৰ অৰ্থ প্ৰকাশক যেন আমাক লগা নাই। ইংৰাজী বাইবেলত নিউ ইন্টাৰনেচনেল ভাৰ্শনত মতে এই পদৰ প্ৰথম ফাঁকি বাক্যষাৰ আচলতে এনেকুৱা হব লাগে, মানুহে যি ইচ্ছা কৰে, সেইয়া হৈছে আমৰণ মৰম, ভালপোৱা। মানুহৰ এইটো বৰ ভাল ইচ্ছা। কিন্তু আমৰণ বা স্থায়ী মৰম, ভাল পোৱা কাৰ পৰা আশা কৰিব পাৰি? মানুহৰ পৰা পাৰি নে বাৰু? নিশ্চয় নোৱাৰি, কেৱল প্ৰেমময় ঈশ্বৰৰ পৰাহে কাৰণ ঈশ্বৰ প্ৰেম গতিকে ঈশ্বৰৰ পৰাহে আমি তেনেকুৱা চিৰস্থায়ী প্ৰেম আশা কৰিব পাৰোঁ।

হিতোপদেশ ১৯:২৩পদ, **“যিহোৱা বিষয়ক ভয় জীৱন দায়ক, সেয়ে যি জনৰ আছে, তেওঁ তৃপ্ত হৈ থাকিব; তেওঁৰ অমঙ্গল নঘটিব।”** যিহোৱাৰ ভয় মানে হৈছে, তেওঁক জীৱনৰ প্ৰভু ৰূপে লৈ তেওঁৰ ইচ্ছা আৰু আজ্ঞা পালন কৰি চলি, তেওঁৰ সেৱা পূজা আৰু তেওঁৰ কাম কৰা। এই থিনি যি জনে কৰে তেওঁ তৃপ্ত হৈ থাকিবই আৰু তেওঁৰ জীৱনত তেওঁ আত্মিক মঙ্গল দেখা পাই থাকিবই।

হিতোপদেশ ১৯:২৪পদ, **“এলেহুৱাই পাত্ৰত থকা আহাৰত হাত সুমুৱাই পুনৰায় মুখলৈ নিবলৈ ইচ্ছা নকৰে।”** এইয়া এলেহুৱাৰ ক্ষেত্ৰত এই পুস্তক আমি চতুৰ্থ বাৰৰ বাবে পোনপটিয়া উল্লেখ পালোঁ। এই পদটোত চৰম এলাহৰ কথাটো কোৱা হৈছে। এলেহুৱাই আনকি খোৱাৰ ক্ষেত্ৰতো ইমান চৰম এলাহ কৰে। অৱশ্যে খোৱাৰ ক্ষেত্ৰত ইমান এলাহ তেওঁলোকে নকৰিব পাৰে। কিন্তু ইয়াত এলাহৰ চৰম অৱস্থা দেখুৱা হৈছে। কিন্তু আত্মিক আহাৰৰ ক্ষেত্ৰত হলে এনে চৰম এলাহ খ্ৰীষ্টিয় লোকৰ মাজত চলি আছে। ঈশ্বৰৰ বচনেই আমাৰ আত্মাৰ বাবে আহাৰ কিন্তু অতি পৰিতাপৰ কথা খ্ৰীষ্টিয় অধিক ভাগ লোকেই ঈশ্বৰৰ বচন ধ্যান আৰু অধ্যয়ন নকৰে। বাইবেল আছে বাইবেলখন লগা হয় নিয়ম পালনৰ বাবে কিন্তু সেই আত্মিক আহাৰ ভোজন পান হলে কৰা নহয়। এই ক্ষেত্ৰত খ্ৰীষ্টিয় লোকসকলে শাৰীৰিকভাৱে দেখুৱা এলাহতকৈয়ো অধিক এলাহ আত্মিক আহাৰ ভোজন কৰা ক্ষেত্ৰত বৰ প্ৰকট কৰি তুলিছে।

হিতোপদেশ ১৯:২৫পদ, **“নিন্দকক প্ৰহাৰ কৰা, তাতে নিৰ্বোধে জ্ঞান পাব; আৰু সুবিবেচকক অনুযোগ কৰা, তাতে তেওঁ জ্ঞান লাভ কৰিব।** ব্যাখ্যা নিস্বয় প্ৰয়োজন নাই কাৰণ একে অৰ্থ আগতেও আলোচনা কৰি আহিছোঁ।



WORD RESOUNDS TODAY
www.Radio882.com

সেইদৰে হিতোপদেশ ২৬-২৮পদ লৈকে পাঠ কেৱল কৰিছোঁ শুনিব চোন, **“যি পুত্ৰই পিতৃক অত্যাচাৰ কৰে, আৰু মাতৃক খেদাই দিয়ে, সি লাজ দিওঁতা আৰু অপমান কৰোঁতা পুত্ৰ। হে মোৰ বোপা, জ্ঞানৰ কথাৰ পৰা ভ্ৰান্ত হবৰ হলে, তুমি শিক্ষা শুনিবলৈ এৰা।নৰাধম সাক্ষীয়ে ন্যায় বিচাৰৰ নিন্দা কৰে, আৰু দুষ্টবোৰৰ মুখে অধৰ্ম্ম গ্ৰাস কৰে।** মন্তব্যৰ নিস্বয় প্ৰয়োজন নাই ।

হিতোপদেশ ১৯:২৯পদ, **“নিন্দকবোৰৰ নিমিত্তে দণ্ড, আৰু অজ্ঞানবোৰৰ পিঠিৰ নিমিত্তে সাঁচ বহা কোব যুগুত আছে।”** এইটো থাটাং যে সোধ বিচাৰৰ দিন আহি আছে পাপৰ যি সম্ভোগ সি অস্থায়ী কিন্তু পাপৰ বেচ যে মৃত্যু সি অনন্ত কাল স্থায়ী হব। সেই পাপৰ বেচ যে মৃত্যু তাৰ পৰা হাতসাৰিবলৈ আমি প্ৰভু যীচুত আশ্ৰয় লোৱাৰ বাহিৰে আন একো উপায় নাই। এই কথা চিন্তা কৰি প্ৰভু যীচুলৈ আপোনাৰ জীৱন সমৰ্পণ কৰিছে নে? চিন্তা কৰি চাওক চোন, ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক, আমেন।

<u>পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:</u>

১) ঈজাবলে কাৰ বিৰোদ্ধে মিছা সাক্ষী দিয়াইছিল?

২) জ্ঞানৱতী ভাৰ্য্যা কাৰ পৰা পোৱা যায়?

৩)কিহৰ দ্বাৰা যিহোৱাক ধাৰ দিয়া হয়?

WORD RESOUNDS TODAY



www.Radio882.com

ASS01-0702

<u>হিতোপদেশ ২০ অধ্যায়</u>

আজি হিতোপদেশ ২০ অধ্যায়ত পাম সুৰা আৰু সুৰাপানৰ বিৰুদ্ধে সতৰ্কবাণী।এই সুৰাই যুগ, যুগ ধৰি যিমান বিলাক মানৱ ব্যক্তি, ব্যৱসায়ী লোক, মানৱ পৰিয়াল, সমাজ আৰু দেশ যি হাৰত নষ্ট কৰি আহিছে, সিমান হাৰত কোনো বস্তু বা কোনো বিষয়েই মানৱ সমাজত নষ্ট কৰা নাই।আমি

হিতোপদেশ ২০:১পদটো পঢ়িছোঁ শুনকচোন, **"দ্ৰাক্ষাৰস নিন্দক,আৰু সুৰা দ্বন্দ-কাজিয়া কৰোঁতা; যি কোনোৱে তাৰে মতলীয়া হয়, তেওঁ জ্ঞানৱান নহয়।"** প্ৰিয় শ্ৰোতা, যিসকল মতলবি মানুহ লাও-পানী, চাৰাব বা সুৰা আদি পান কৰা পক্ষত থাকে, তেওঁলোকেও বৰ মনোযোগেৰে বাইবেলৰ পাত লুটিয়াই ফুৰে। কিবা আত্মিক হিতৰ কাৰণে নে? নাই, বাইবেলে কৰবাত মদ, সুৰা আদি পান কৰাৰ অনুমোদন জনাইছে নেকি তাকে বিচাৰি তেওঁলোকেও বৰ মনোযোগেৰে বাইবেলৰ পাত লুটিয়াই। ইমান পাপীষ্ঠ তেওঁলোকৰ মন, ইমান ঠেক গম্ভীৰ চিন্তা তেওঁলোকৰ, তেওঁলোকৰ লৰা মতীয়া মন, ইমান অপৰিপক্ক ভাৱ ধাৰণাৰ বয়স প্ৰাপ্ত বাতচা তেওঁলোক। বাইবেল খন খুলি যোহন ২অধ্যায় আৰু ১তীমথিয় ৫:২৩ পদটো বিচাৰি পায় আৰু কাষলতিত বাইবেলখন চেপি লৈ বাইবেল পণ্ডিত হৈ পৰে। মদ, সুৰা পান কৰিব পৰা ওকালতি কৰেহি।

বোপোৰা পণ্ডিত সকলে কবই নোৱাৰে যে কান্নানগৰত প্ৰভুৱে পানীৰ পৰা তাৎক্ষণিক প্ৰয়োজনতহে দ্ৰাক্ষাৰস তৈয়াৰ কৰিছিল। খমিৰ আদি মিহলাই দ্ৰাক্ষা বা আঙুৰৰ ৰস টেঙা কৰি নিচা ধৰা জাতীয় সুৰা তেওঁ তৈয়াৰ কৰা নাছিল। তেতিয়াৰ সময়ত যিহূদী সকলৰ অতি কঠোৰ ধৰ্ম্মীয়নীতিৰে সম্পন্ন কৰা হৈছিল, এনে ধৰ্ম্মীয় অনুষ্ঠানত খমিৰৰ নামকে লব পৰা নাছিল, তেনে স্থলত খমিৰ দি প্ৰভুৱে দ্ৰাক্ষাৰস পানীয় প্ৰস্তুত কৰিছিল বুলি এনেবোৰ কথাৰ খবৰ নথকা লোকেহে কব। তাৰোপৰি পানীখিনি লগে, লগে পানীয়ৰ দৰে পান কৰিবলৈ বিলাই দিয়া হৈছিল, টেঙা কৰি নিচাযুক্ত কৰিবলৈ হলেতো কেইবাটাও দিনৰ প্ৰয়োজন হয়। সেইবোৰৰ কাৰণে কত সময় আছিল বিয়াত?

আচল কথা হল খ্ৰীষ্টিয় লোক সকলৰ মাজৰ যি সকলৰ মদৰ প্ৰতি সামৰিব নোৱাৰা লোভ আছে সেই সকলেই ওকালতি কৰে। আৰু ১ তীমথিয় ৫:২৩পদটোত মদ খোৱা ওকালতি কৰা স্বাৰ্থপৰ বাইবেল পণ্ডিত সকলে পদটো ভালদৰে পঢ়িব লাগে। মদ খাব পৰা চাৰ্টিফিকেট পৌলে তীমথিয়ক দিয়া নাই। সেইয়া ঔষধৰ পৰামৰ্শহে। পদটোৰ মতে পিবলৈ খোজা জনৰ ওদৰৰ অৰ্থাৎ পেটৰ অন্য অসুক নহয় পেটৰ দুৰ্ব্বলতা হব লাগিব। তেতিয়াহে অকল পানী আৰু নাখায় পানীৰ লগত কিছু, কিছু দ্ৰাক্ষাৰস খাবলৈ কোৱা হৈছে। আমাৰ পণ্ডিত সকলে জানো কিছু, কিছু খায়? বটলে, বটলে, গিলাচে, গিলাচে, বাটিয়ে, বাটিয়ে নিগিলে জানো? আমাৰ এই সকল বাইবেল পণ্ডিতে জনা ভাল যে, চিকিৎসকে আমাক কাঁহ ৰোগত খাবলৈ দিয়া কাফচিৰাপ বিলাকত অলপ সুৰা থাকে। সেই কাফচিৰাপ খাওঁতে আমি গিলাচে, গিলাচে নিগিলোঁ। কাঁহ ৰোগ ভাল হবলৈ ঔষধ ৰূপেহে ব্যৱহাৰ কৰোঁ।



www.Radio882.com

WORD RESOUNDS TODAY

এতিয়া আমি হিতোপদেশ ২০:২পদটো পাঠ কৰি দিছোঁ, **“ৰজাৰ ভয়ানকতা সিংহৰ গৰ্জ্জনৰ তুল্য ; যি মানুহে তেওঁৰ ক্ৰোধ তোলে, তেওঁ নিজৰ প্ৰাণৰ বিৰুদ্ধে পাপ কৰে।”** এই পদটোৰ কথা আমি ইতিমধ্যে ১৬:১৪ পদ আৰু ১৯:১২ পদত পাই আহিছোঁ। সেয়ে ব্যাখ্যাৰ পুনৰোক্তিৰ প্ৰয়োজন নাই।

হিতোপদেশ ২০:৩পদ, **“বিবাদৰ পৰা আঁতৰ হোৱাই মানুহৰ গৌৰৱ; কিন্তু প্ৰত্যেক অজ্ঞানে দ্বন্দ-কাজিয়া কৰি থাকে।”** খ্ৰীষ্টিয় লোকৰ খ্ৰীষ্টিয় আচৰণৰ মাজত এটা সুন্দৰ আচৰণ হৈছে, যাতে খং, দ্বন্দ আৰু উদবিগ্নতা থাকি নাথাকে। মোকাবিলাৰ জৰিয়তেই হওক বা আন উপায়েৰে হওক, সেইবিলাকৰ পৰা সোনকালে মুক্তি লব লাগে। যি সকলে আমাৰ উপকাৰ কৰে তেওঁলোকৰ বাবে আমি উপকাৰ চিন্তা কৰিব লাগে। কিন্তু যি সকলে আমাৰ অপকাৰ কৰে, তেওঁলোকে কৰা অপকাৰৰ সলনি আমিও তেওঁলোকৰ অপকাৰ কৰিবলৈ চেষ্টা কৰিব নালাগে। কাৰণ তাকে কৰিবলৈ গলে আপোনাৰ এই খং, ঘৃণা কাজিয়া আৰু মনৰ উদবিগ্নতাতেই লাগি থাকিব লাগিব। তাৰ সলনি সেই সকলোবোৰ ঈশ্বৰৰ হাতত সঁপি দি সেইবোৰৰ পৰা যিমান সোনকালে পাৰি সিমান সোনকালে মুক্তি লব লাগে। কাৰণ তেওঁৰ পবিত্ৰ বাক্যত ঈশ্বৰে কৈছে, ৰোমীয়া ১২:১৯ পদ, **“হে প্ৰিয়সকল, তোমালোকে অন্যায়ৰ প্ৰতিকাৰ নকৰিবা; কিন্তু ক্ৰোধলৈ ঠাই থবা; কিয়নো এনে লিখা আছে, প্ৰভুৱে কৈছে, প্ৰতিকাৰ কৰা মোৰ কৰ্ম্ম; মইহে প্ৰতিফল দিম।”** সেই কাৰণে আমি মানুহে মানুহৰ ওপৰত প্ৰতিশোধ লব নালাগে। আচলতে প্ৰতিশোধ লবলৈ চেষ্টা কৰা মানেই ঈশ্বৰৰ দায়িত্ব খিনি নিজৰ হাতত তুলি লোৱাৰ নিচিনা হয়। আৰু সেইদৰে আচৰণ কৰি বিশ্বাসৰ জীৱনৰ পৰা আঁতৰি যোৱা হয়। যি ভাল তাক ঈশ্বৰে আমাতকৈ বহু ভালদৰে কৰিব পাৰে। পৌলে যি কথা ফিলিপীত থকা খ্ৰীষ্টিয় ভাই ভনীসকলক কৈছিল, সেই কথা ঈশ্বৰৰ সকলো সন্তানে মনত ৰখা উচিত। পৌলে কৈছে, **“তোমালোকৰ ক্ষান্ত স্বভাৱ সকলো মানুহৰ আগত বিদিত হওক”** (ফিলিপীয়া ৪:৫ পদ)। এইয়া জ্ঞানীৰ কাম, জ্ঞানীৰ আচৰণ।

হিতোপদেশ ২০:৪পদ, **“জাৰকালি এলেহুৱাই হাল নাবায়; এই কাৰণে শস্য দোৱাৰ সময়ত তেওঁ ভিক্ষা মাগি একোকে নাপায়।”** ইস্ৰায়েল দেশত শস্য ৰোপন কৰিবলৈ জাৰকালিৰ পৰাই মাটি চহ কৰাটো প্ৰয়োজনীয় আৰু অনিবাৰ্য কাম। গ্ৰীষ্ম কাল অহাৰ লগে, লগেই তেওঁলোকে পূৰ্বৰে পৰা চহাই মাটিত শস্য ৰোপন কৰাটোহে কাম। তেতিয়া আৰু মাটি চহোৱাৰ সময় নহয়, কিন্তু জাৰৰ অজুহাত দি এলেহুৱাই যদি গ্ৰীষ্ম কাললৈ বাট চাই থাকে, তেওঁ শস্য ৰোপন কৰা কেতিয়াও নহব। ইয়াতু হাঁহিৰ খুৰাক অন্তৰ্নিহিত হৈ আছে। এজন মানুহৰ ঘৰৰ ছালৰ পৰা ঘৰৰ ভিতৰত বৰষুণ নিগৰি পৰিছিল। টিন এপাত ফুটিছিল, টিনপাত তেওঁ সলাই ভাল টিন লগাই নিদিয়াৰ কাৰণ সুধাত তেওঁ কৈছিল যে, যেতিয়া ছালেৰে ঘৰৰ ভিতৰত পানী সৰকে তেতিয়া বৰষুণ দি থাকে আৰু বৰষুণত তিতি, তিতি তেওঁ টিনপাত সলোৱাৰ কামটো কৰিবলৈ ইচ্ছা নকৰে । কিন্তু বৰষুণ নিদিয়াৰ সময়ততো টিনপাত সলাই দিব পাৰিলে হেঁতেন? তেতিয়া তেওঁ উত্তৰত কৈছিল যে, বৰষুণ এৰিলেতো টিনপাত সলাই দিয়াৰ কোনো প্ৰয়োজনেই নাই। কাৰণ বৰষুণ এৰি দিয়াৰ পাছতেই ফুটা ছালেৰে তেওঁৰ ঘৰৰ ভিতৰলৈ পানীয়ে নপৰে। এলেহুৱাৰ বহু কাহিনী বহু কথা আছে । প্ৰিয়শ্ৰোতা, নিশ্চয় আপুনিও বহু কথা জানে।



WORD RESOUNDS TODAY

হিতোপদেশ ২০:৫-৬পদ, **"মানুহৰ মনৰ কল্পনা গভীৰ জলৰ নিচিনা; কিন্তু বুদ্ধিমানে তাক উলিয়াব পাৰে। অনেক লোকে নিজ নিজ সাধুতা ঘোষণা কৰে; কিন্তু বিশ্বাসী মানুহ পোৱা কাৰ সাধ্য?** ৫পদৰ কথাৰ দৰে একে কথা আমি ১৮:৪পদতো পাই আহিছোঁ, আৰু তাতেই এই কথাৰ আলোচনা হৈ আহিছে। গতিকে ইয়াত ব্যাখ্যাৰ নিশ্চয় প্ৰয়োজন নাই। ৬পদটোত হাঁহিৰ খুৰাক নাই নে বাৰু? কাৰণ নিজৰ সাধুতা নিজে ঘোষণা কৰি ফুৰা মানুহ বিলাক নিজৰ ফটা ঢোল নিজে বজাই ফুৰা মানুহৰ নিচিনা নহয় নে বাৰু? আমাৰ দৃষ্টিত ফটা ঢোল যেনে ঈশ্বৰৰ দৃষ্টিত আমাৰ সাধুতাও তেনে। নিজৰ ফটা ঢোল বজাই ফুৰি আমি হাঁহিয়াতৰ পাত্ৰ কোনেও হবলৈ চেষ্টা কৰা ভাল নহয়।

হিতোপদেশ ২০:৭পদ, **"যি ধাৰ্ম্মিক লোকে নিজ সিদ্ধতাত চলে, তেওঁৰ পাছত তেওঁৰ সন্তানবিলাক ধন্য হয়।"** সিদ্ধতাত চলা মানুহবিলাক ন্যায়ত চলা মানুহ। তেওঁলোক ধাৰ্ম্মিক লোক। ন্যায়ত চলা লোকসকল সকলো বিষয়তে সিদ্ধতাত চলা লোক। দুগৰাকী মণ্ডলীৰ নেতাৰ কথা আমাৰ মনলৈ আহে, এগৰাকী আছিল টকা-পইচা আদি কৰি সকলো ক্ষেত্ৰতে সিদ্ধতাত চলা লোক। তেওঁ এবাৰ দুটা ঠাইৰ দুখনমিটিংলৈ আহি যাত্ৰাৰ বিল দিছিল এনেদৰে, অমুকৰ পৰা তমুকলৈ বাছ ভাড়া ১৪টকা তমুকৰ পৰা তমুকলৈ অমুকাৰ গাড়ীৰে শূন্য টকা তাৰ পিছৰ পৰা তাৰ পিছলৈ আকৌ অমুকাৰ গাড়ীৰে শূন্য টকা। তাৰ পিছত এঠাইৰ পৰা আন ঠাইলৈ ঘূৰি অহা বাছ ভাড়া সিটো কমিটিৰ পৰা সংগ্ৰহ কৰা হল গতিকে শূন্য টকা। আকৌ সেই ঠাইৰ পৰা আন ঠাইলৈ বাছ ভাড়া ৩৫টকা, মুঠ ৪৯টকা। আন জন নেতা আকৌ সেই দুটা মিটিংলৈ ২৫০ টকাকৈ দুটা মিটিংৰ পৰা ৫০০ টকাৰ যাত্ৰা বিল আদায় কৰিলে; আৰু সেই দৰেই প্ৰভুৰ দাসে ২৫০টকা অৰ্জন কৰিলে। তাকো প্ৰভুৰ ধনৰ পৰা। এতিয়া কওক ৪৯টকীয়া জন সিদ্ধতাত চলোতা লোক নে ৫০০টকীয়া জন? মানুহে এতিয়া ৪৯টকীয়া যাত্ৰা বিলৰ কথা খুব পাতোতে তেওঁৰ লৰা-ছোৱালীবিলাকে মুখ লুকুৱাই ফুৰিবলগীয়া হৈছে নে বা ধন্য হৈছে?

হিতোপদেশ ২০:৯পদ, **"মই মোৰ মন শুদ্ধ কৰিলোঁ, আৰু মোৰ পাপৰ পৰা শুচি হলোঁ, এনে কথা কোনে কব পাৰে?"** কোনে পাৰিব, কোনেও নোৱাৰিব। ১যোহন ১:৮পদ **"আমাৰ পাপ নাই বুলি যদি কওঁ, তেন্তে আমি নিজেই নিজকে ভুলাওঁ; আৰু আমাৰ অন্তৰত সত্যতা নাই।"**

হিতোপদেশ ২০:১০পদ, "দুই প্ৰকাৰ দগা, আৰু দুই প্ৰকাৰ ঐফা, এই দুয়ো সমানে যিহোৱাৰ ঘিণলগা। ইয়াত দগা হৈছে ওজনৰ আৰু ঐফা হৈছে পৰিমাণ জোখ-মাখৰ আহিলা। ঠিক ওজনৰ এটাই দগা আৰু ঠিক জোখ-মাখৰ এটাই ফিটা থাকিব লাগে। মানুহৰ এক নম্বৰী খাটা আৰু এক নম্বৰী অভিপ্ৰায়ে মাত্ৰ থাকিব লাগে। কোনো দুই নম্বৰী খাটা বা দুই নম্বৰী অভিপ্ৰায়ৰ ধান্দা থাকিব নালাগে। মানুহৰ যত দুই নম্বৰী আছে, সেই সকলো ঈশ্বৰৰ দৃষ্টিত ঘিণ লগীয়া।

হিতোপদেশ ২০:১১পদ, "লৰাৰ কাৰ্য্য শুদ্ধ কি সৰল, তাক বুজিবৰ নিমিত্তে, সিও নিজ কাৰ্য্যৰ দ্বাৰাই নিজকে চিনাকি দিয়ে।" লৰাই হওক বা ছোৱালীয়ে হওক বা বৃদ্ধ হওক বা বৃদ্ধাই হওক প্ৰভুৱে কৈছে, কোন কেনেকুৱা তাক ফলৰ দ্বাৰা জানিবা; মথি ৭:২০পদত আমি এনেদৰে



www.Radio882.com

পাওঁ। আমাৰ অসমীয়াতো এষাৰ কথা আছে বোলে, আপোনাৰ আচৰণেই আপোনাৰ পৰিচয় । এই পদটোৱে আচলতে সেইটোকে বুজাইছে।

হিতোপদেশ ২০:১২ পদ, **"শ্ৰৱণকাৰী কাণ আৰু দৰ্শনকাৰী চকু,এই দুয়োকো যিহোৱাই সৃষ্টি কৰিলে।"** আপুনি আপোনাৰ মগজু ব্যৱহাৰ কৰক, সেইটোৱে ইয়াৰ আচল অৰ্থ। ঈশ্বৰে আপোনাক কাণ দিছে আৰু ঈশ্বৰে আপোনাক চকু দিছে, চাওক ভালদৰে চাওক, শুনক ভালদৰে শুনক। কেৱল ৰেলৰ লাইন পাৰ হ'বলৈকে নহয়, কিন্তু আপোনাৰ দৈনন্দিন জীৱনতে সাৱধানে বাট বোলক, সজাগ-সচেতন হওক।

গোটেই হিতোপদেশ পুস্তকতেই আমি দেখিছোঁ যে, নীতিবচন সমূহত দুটা ভাৱ আছে-

প্ৰথমটো হৈছে যে, আমি কোনেও ক'ব নোৱাৰো যে আমি সম্পূৰ্ণ শুদ্ধ-সিদ্ধ। পাপত পতিত হোৱা মানুহ, স্বাভাৱিকতেই পাপী সেই কাৰণে সেই পাপী মানুহক পাপৰ পৰা পৰিত্ৰাণ কৰিবলৈ এগৰাকী পৰিত্ৰাতাৰ প্ৰয়োজন হল। পুৰণি পাপী মানুহ নতুন মানুহ হ'বৰ প্ৰয়োজন হল। তেওঁক নতুন জন্মৰ প্ৰয়োজন হল। যীচুৱে সেইয়ে এগৰাকী ধৰ্ম্মীয় নেতাক এনেদৰে কৈছিল, মই তোমাক অতি স্বৰূপকৈ কওঁ,নতুনকৈ জন্ম নাপালে,কোনেও ঈশ্বৰৰ ৰাজ্য দেখা পাব নোৱাৰে, যোহন ৩:৩ পদ। ধৰ্ম্মীয় নেতা, সেই নেতা, সেই নীকদীম যেতিয়ালৈকে প্ৰভুৰ ওচৰলৈ অহা নাছিল আৰু তেওঁত বিশ্বাস স্থাপন কৰি তেওঁক তেওঁৰ জীৱনৰ পৰিত্ৰাতা আৰু প্ৰভু ৰূপে গ্ৰহণ কৰা নাছিল, তেতিয়ালৈকে তেওঁৰ নতুন জন্ম হোৱা নাছিল, তেতিয়ালৈকে তেওঁ পৰিত্ৰাণৰ ভাগি হোৱা নাছিল। আৰু ধাৰ্ম্মিকতাৰ বস্ত্ৰ তেতিয়ালৈকে তেওঁ পৰিধান কৰিব পৰা নাছিল। যেতিয়া আহিল, বিশ্বাস কৰি গ্ৰহণ কৰিলে সেই কথা আমি বাইবেলত পাইছোঁ আৰু তেতিয়া তেওঁ খ্ৰীষ্টৰ পৰিত্ৰাণ লাভ কৰিলে আৰু ধাৰ্ম্মিকতাৰ বস্ত্ৰ পৰিধান কৰি ঈশ্বৰৰ সন্তান হল। যোহন ১:১২পদত পাওঁ যে এনেকৈ আমি ঈশ্বৰৰ সন্তান হব পাৰো। কিন্তু তাৰ পাছতো পাপৰ যি শক্তি আৰু প্ৰভাৱ সি আমাৰ সোঁৱে-বাওঁৱে, আৰু আগে-পিছে, সকলো ফালে থাকে।

সেইয়ে দ্বিতীয়তে, আমি নীতি-বচন সমূহ পাইছোঁ যে, আমি সাৱধানে জীৱনৰ বাট কুৰিবাব লাগে; সজাগে সচেতনে সন্মুখৰ বাটত আগবাঢ়ি যাব লাগে। ঈশ্বৰে আমাক চকু আৰু কাণ দিছে, ৰ'ব লাগে, চাব লাগে, শুনিব লাগে আৰু সাৱধানে, সজাগে, সচেতনে ঈশ্বৰৰ সন্তানৰূপে জীৱনৰ এই পথৰ পথিক আমি হব লাগে। সেইটোৱে এই পদটোৰ অৰ্থ।

হিতোপদেশ ২০:১৩পদ, **"নিদ্ৰাত আসক্ত নহ'বা, হলে তুমি দৰিদ্ৰ হ'বা; তুমি চকু মেলা,তাতে খোৱা বস্তুৰে তৃপ্ত হ'বা।"** ইয়াত আচলতে যোৱা, কাম কৰা গৈ পৌলে থিচলনীকিয়াৰ ভাই ভনী সকলক কৈছিল, **"কিয়নো কাম কৰিবলৈ যদি অসন্মত হয়, তেন্তে তেওঁ আহাৰো নকৰক"** (২থিচলনীকিয়া ৩:১০পদ)। খুব সম্ভৱ প্ৰভু পুনৰ ঘূৰি আহিব বুলি আশা আৰু হেঁপাহ কৰি কাম বন বাদ দি সদায় আকাশৰ ফাললৈ চাই কৈছিল, আৰু তেওঁৰ পুনৰ আগমনলৈ হয়তো তেওঁ বাট চাই আছিল। পুনৰ আগমণলৈ বাট চোৱাটো ভাল কথা। কিন্তু কাম কৰি, কৰিহে আমি বাট চাব লাগে তেওঁ যাতে সোনকালে আহে। তাৰ বাবে আমি অধিক কঠোৰ পৰিশ্ৰম কৰিবহে লাগে।



WORD RESOUNDS TODAY
www.Radio882.com

বিশেষকৈ আমি অধিক কঠোৰ পৰিশ্ৰমেৰে শুভবাৰ্ত্তা প্ৰচাৰ কৰি যাব লাগে। কাৰণ প্ৰভুৱে নিজে কৈছে যে, জগতৰ গোটেই খনতে যেতিয়ালৈকে শুভবাৰ্ত্তা ঘোষণা কৰা নহয় তেতিয়ালৈকে শেষ নহব। আৰু যেতিয়ালৈকে তেনেদৰে জগতৰ গোটেই খনলৈকে শুভবাৰ্তা ঘোষণা কৰা নহয় তেতিয়ালৈকে প্ৰভু পুনৰাই ঘূৰি আহিব নোৱাৰে। তাৰ আগতে তেওঁ কেতিয়াও নাহে। জগতৰ গোটেইখন তেনে শুভবাৰ্তা প্ৰচাৰ কৰিবলৈ মণ্ডলীয়ে আজি কঠোৰ পৰিশ্ৰম কৰিবৰ হল। আচলতে কেতিয়াবাই সময় হৈ গৈছে।

হিতোপদেশ২০:১৪পদ, “কিনোতাই বেয়া, বেয়া বোলে,  কিন্তু আঁতৰি হৈ গৈ গৰ্ব্ব কৰে।” ইয়াতো হাঁহিৰ খুৰাক আছে, এবাৰ মানুহ এজনে পুৰণি গাড়ী এখন কিনিবলৈ গৈ বিক্ৰী কৰিবলৈ ওলোৱা মানুহ জনক কৈছিল, আচলতে গাড়ীখন কিনি ব্যৱহাৰ কৰিব পৰা অৱস্থাত নাই, চকাবোৰ বৰ পুৰণি, গাড়ীখনৰ ইঞ্জিনতো কিবা ভয় লগা শব্দ শুনিছোঁ, তথাপি ইমান টকাত দিলে লৈ যাম, নাই মোমাইতকৈ কণা মোমাই ভাল হব বুলি ধৰি লওক। কিন্তু গাড়ীখন সিমান টকাতে কিনি লৈ গৈ, ঘৈণীয়েকৰ আগত কি ফিতাহি মাৰি কয়, ইয়াকে কপাল বুলি কয় বুজিছা, নতুন এখনতকৈনো কি বেয়া, বুজিছা নে বোলো কপালত থাকিলে মতা হাঁহেও কণী পাৰে।

মানুহৰ এইটোৱেই বৰ স্বাভাৱিক আচৰণ। কোনোবাই কৈছিল যে, এই স্বভাৱটো হেনো শতকৰা ৯৯.৯৯ ভাগ মানুহৰেই আছে। আৰু এই স্বভাৱটোক লৈয়ে মানুহ এজনে পৃথিৱীত তেৱেঁই আটাইতকৈ টেঙৰ মানুহ বুলি ভাবে।

হিতোপদেশ ২০:১৫ পদ, **“সুবৰ্ণ আৰু অনেক পদ্মৰাগ আছে হয়; কিন্তু জ্ঞানযুক্ত ওঁঠ অমূল্য ৰত্ন।”** আমি মানুহে আজি মানুহক মূল্যবান জ্ঞান কৰোঁ তেওঁলোকৰ কিমান ধন সম্পত্তি ক্ষমতা আদি আছে তাৰ ওপৰত ভিত্তি কৰি। মানুহৰ জ্ঞানৰ ভিত্তিত নহয়। আমাৰ মূল্য নিৰ্ণয়ৰ পদ্ধতি টোৱেই আচলতে ভুল।

হিতোপদেশ ২০:১৬পদ, “যি জনে অচিনাকিৰ জামিন হয়, তাৰ বস্ত্ৰ লোৱা; যি কোনো লোক পৰজাতীয়বোৰৰ জামিন হয়, তাৰ পৰা বন্ধক লোৱা।” তাৰ মানে, অচিনাকিৰ জামিন হোৱা মানে নিজৰ হাতৰ কুঠাৰ নিজৰ ভৰিত মাৰি লোৱা, নলগা জেঙাত লাগি মৰা আৰু বাটৰ কচু গাত হানি লোৱাৰ নিচিনা।

হিতোপদেশ ২০:১৮ পদ, “মন্ত্ৰণাৰ দ্বাৰাই কল্পনা সিদ্ধ হয়; তুমি পৰামৰ্শেৰে যুঁজ কৰা।” পৃথিৱীখন কিমান সলনি হল নহয় নে প্ৰিয়শ্ৰোতা, মন্ত্ৰণা আৰু পৰামৰ্শেৰে আজিৰ যুঁজ নুযুঁজে, যুঁজে আইনেৰে, আইনেৰে নোৱাৰিলে দা-কুঠাৰ, গুলি-বাৰুদ বা মিচাইল বোমাৰে।

হিতোপদেশ ২০:১৯ পদ, “পৰচৰ্চ্চাকাৰীয়ে গুপুত কথা প্ৰকাশ কৰে; এই হেতুকে যি জনে নিজ মুখ বহলকৈ মেলে, তাৰে সৈতে ব্যৱহাৰ নকৰিবা।” পৰচৰ্চ্চাকাৰী সকলে আহোঁতেও কাটে যাওঁতেও কাটে, আপোনাৰ আগতো পৰৰ কথা ক'ব আৰু পৰৰ আগতো আপোনাৰ কথা ক'ব, তেনেকুৱা মানুহৰ ওপৰত নজৰ ৰখা উচিত।



www.Radio882.com

WORD RESOUNDS TODAY

হিতোপদেশ ২০:২০পদ, “যি জনে নিজ পিতৃক নাইবা মাতৃক শাও দিয়ে ঘোৰ অন্ধকাৰত তাৰ চাকি নুমাই যায়।” প্ৰিয় যুৱক-যুৱতী, শ্ৰোতা, আপোনালোকে আপোনালোকৰ মা-দেউতাৰ ক্ষেত্ৰত যদি কিবা ভাল ক'ব লগীয়া আছে কওক ভাল ক'বলগীয়া যদি নাই একো নক'ব। হামে দেউতাক নোহৰ ক্ষেত্ৰত ভুলেই কৰিছিল। দেউতাকৰ দুৰ্ব্বলতা প্ৰকাশ কৰি ফুৰিছিল।

হিতোপদেশ ২০: ২৪পদ, মানুহৰ ভৰিৰ খোজ যিহোৱাৰ অধীন; তেন্তে মানুহে কেনেকৈ নিজ পথ বুজিব?যি পথেৰে কেতিয়াও পাৰ হৈ যোৱা নাই সেই পথ মানুহে কেনেকৈ জানিব? কেৱল ঈশ্বৰৰ আত্মাইহে আমাক পৰিচালনা দিব পাৰে ।মোচিক ঈশ্বৰে কৈছিল যে, তেওঁক পৰিচালনা দিবলৈ তেওঁক ঈশ্বৰক লাগিবই। মোচিকেই যদি লগা হৈছিল তেনে স্থলত আপোনাক আৰু মোক কিমান অধিককৈ পৰিচালনা লাগিব। চিন্তা কৰি চাওকচোন প্ৰিয়শ্ৰোতা।

হিতোপদেশ ২০:২৫পদ পঢ়িছোঁ এতিয়া, “কোনো বস্তু পবিত্ৰ বুলি হঠাতে কোৱা, আৰু সংকল্প কৰাৰ পাছত বিচাৰ কৰা মানুহৰ ফান্দস্বৰূপ।” আপুনি যি কৰিবলৈ ওলাইছে, সেইটো যে কৰিব পাৰিব তাক খাটাংকে নজনালৈকে আপুনি একো সংকল্প নল'ব। আপুনি যেতিয়ালৈকে ভালদৰে ভাবি চিন্তি প্ৰাৰ্থনাৰে সিদ্ধান্ত লব নোৱাৰে তেতিয়ালৈকে আপুনি ভুলতো প্ৰকাশ্যে নিজক প্ৰভুৰ পৰিচৰ্যাৰ বাবে উৎসৰ্গ নকৰিব। ঈশ্বৰে তেনেকুৱা ধৰণৰ আৱেগিক সিদ্ধান্তবোৰ অলপো ভাল নাপায়। আমাৰ সন্দেহ হয় যে, আজি কালি প্ৰায় তেনেকুৱা ধৰণৰ আবেগিকসিদ্ধান্তৰ ভিত্তিতেই মানুহে নিজক ঈশ্বৰৰ ওচৰত উৎসৰ্গ কৰে। যিটো আচলতে উচিত কথা নহয়। সকলো কথা বুজি সম্পূৰ্ণ জ্ঞানেৰেহে আমি সিদ্ধান্ত ল'ব লাগে।

হিতোপদেশ ২০:২৭পদ, “মানুহৰ আত্মা যিহোৱাৰ প্ৰদীপস্বৰূপ; সেয়ে অন্তৰৰ সকলো ভিতৰ ভাগ বিচাৰে।” পদটোৰ এটা কথালৈ মন কৰক; ইয়াত প্ৰদীপ বুলি কোৱা হৈছে যদিও আচলতে লেম্প, চাকি বা মমৰ কথাহে কোৱা হৈছে। যিহোৱাৰ লেম্প, চাকি বা মম বুলি কোৱা হৈছে যিহোৱাৰ প্ৰদীপ বা পোহৰ বুলি কোৱা হোৱা নাই। মানুহৰ আত্মাটোও এটা লেম্প বা এডাল মম মাথোন। পোহৰ ধাৰণ কৰিবলৈ এটা যতন বা আধাৰ মাথোন। সেয়েহে যেতিয়ালৈকে আমি পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ নহ'ম, তেতিয়ালৈকে আমি পোহৰ দিব নোৱাৰিম। ১০জনী সুবুদ্ধি আৰু নিৰ্বুদ্ধি কন্যাৰ কথাটো আপোনাৰ মনত আছে নে বাৰু? তাৰে ৫জনী সুবুদ্ধি আৰু ৫জনী নিৰ্বুদ্ধি আছিল। সেই গোটেই কেইজনীৰ হাতত চাকি বা লেম্প আছিল, কিন্তু সুবুদ্ধি কেইগৰাকীৰ তেল আছিল কাৰণে তেওঁলোকে পোহৰ দিব পাৰিছিল। কিন্তু নিৰ্বুদ্ধি কেইগৰাকীৰ তেল নোহোৱা হোৱা কাৰণে তেওঁলোকৰ চাকিয়ে পোহৰ দিব পৰা নাছিল।

হিতোপদেশ ২০:২৯ পদটো পঢ়িছোঁ, “যুবা লোকবিলাকৰ বলেই তেওঁবিলাকৰ শোভা, আৰু পকা কেশ বৃদ্ধ লোকৰ ভূষণ।” এই পদটোৰ মতে যি পৰামৰ্শ আমাক দিয়া হৈছে,সেই পৰামৰ্শটো এনেকুৱা ধৰণৰ, বয়স অনুসাৰে আচৰণ কৰা; যুৱক-যুৱতী সকলে যেনেকুঁৱা ধৰণৰ ব্যৱহাৰ বা আচৰণ কৰে পকামূৰীয়া সকলে এনেকুৱা ধৰণৰ আচৰণ কৰিব নালাগে।পকামূৰীয়া সকল এনে পৰামৰ্শ জ্ঞান আৰু মন্ত্ৰণাৰ আধাৰ হব লাগে যি বোৰৰ দ্বাৰা মানৱ সমাজৰ মঙ্গল হয়।

হিতোপদেশ ২০:৩০পদ, “ঘা লগোৱা প্ৰহাৰে দুষ্টতা মাজি গুচায়, আৰু চেকনীৰ কোব অন্তৰৰ নিচেই ভিতৰলৈকে যায়।” ঘা, প্ৰহাৰ আৰু চেকনী শাৰীৰিক কথাটো খাটে আৰু আত্মিক



WORD RESOUNDS TODAY
www.Radio882.com

কথাটো থাটে । শাৰীৰিক ঘা, প্ৰহাৰ আৰু চেকনীৰ দ্বাৰাই মূৰ্খৰ চেতনা আহে । আত্মিক ঘা, প্ৰহাৰ আৰু চেকনীৰ দ্বাৰা জ্ঞানী লোক সুস্থ হয়। প্ৰিয়শ্ৰোতা, আজিলৈ ইমানতেই সামৰিছোঁ পৰৱৰ্ত্তি অনুষ্ঠানত আপোনাক পুনৰ লগ পোৱাৰ আশা ৰাখিছোঁ, আজিলৈ ইমানে ঈশ্বৰ আমাৰ সকলোৰে সহায় হওক, আমেন ।

পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:

১) "ঐফা" শব্দটোৰ ব্যৱহাৰ কিহৰ বাবে কৰা হয় ?

২) ধাৰ্ম্মিক লোকে কিদৰে চলিলে তেওঁৰ পাছত তেওঁৰ সন্তানবিলাক ধন্য হব ?

৩) কোনে কৈছে, প্ৰতিকাৰ কৰা মোৰ কৰ্ম্ম মইহে প্ৰতিফল দিম ?

WORD RESOUNDS TODAY

## হিতোপদেশ ২১ অধ্যায়

হিতোপদেশ পুস্তকৰ ৩১টা অধ্যায়ৰ ভিতৰত এই ২১ অধ্যায়টো বৰ সুন্দৰ আৰু গুৰুত্বপূৰ্ণ অধ্যায়। এই অধ্যায়টোৰ প্ৰথম পদটোতে এটা বৰ গভীৰ কথা কোৱা হৈছে।

পদটো পাঠ কৰিছোঁ শুনকচোন, হিতোপদেশ ২১:১পদ, **"ৰজাৰ মন যিহোৱাৰ হাতত পানীৰ নলাৰ নিচিনা, তেওঁ যি ফাললৈ ইচ্ছা কৰে, সেইফাললৈ তাক ঘূৰায়।"** মানুহজন মিচৰৰ ফৰৌণ হব পাৰে, বা বাবিলৰ এগৰাকী ৰজা হব পাৰে, বা ৰোমৰ এগৰাকী চিজাৰ হব পাৰে, বা হয়তো কোনো ডাঙৰ বিখ্যাত বা কুখ্যাত তেনেকুৱা শাসনকৰ্তা হব পাৰে, অতীতৰ আৰু ভৱিষ্যতৰ এগৰাকী প্ৰধান শাসনকৰ্তা হব পাৰে। ৰাজনৈতিক নেতা এজন যিমানেই পৰাক্ৰমী নহওক কিয়, ঈশ্বৰৰ হাতৰ পৰা কোনো স্বাধীন হব নোৱাৰে। অতীতৰ তেনেকুৱা শাসনকৰ্তা সকলৰ সকলোৱে ভাবিছিল যে, তেওঁলোক ঈশ্বৰৰ হাতৰ পৰা স্বাধীন। আজি কালিৰো হয়তো বহুতো নেতাই ভাবে যে তেওঁলোক ঈশ্বৰৰ হাতৰ পৰা স্বাধীন। কিন্তু সঁচা কথাটো হল যে, কোনো মানুহ ঈশ্বৰৰ হাতৰ পৰা স্বাধীন নহয়। কোনো মানুহেই স্বাধীন চেতিয়াকৈ কোনো ধৰণৰ একো আচৰণ কৰিব নোৱাৰে।

আজি আমাৰ হাতত স্বাধীনতা ঘোষণা পত্ৰ আছে, আনকি এই ঘোষণা নামাক ঈশ্বৰৰ পৰা স্বাধীন হোৱাৰ চেষ্টাতো ব্যৱহাৰ কৰা হৈছে। কিন্তু কোনো মানুহ কেতিয়াও ঈশ্বৰৰ পৰা স্বাধীন নাছিল, স্বাধীন নাই আৰু স্বাধীন হব নোৱাৰে। আমি কোনেও স্বাধীন ভাৱে আচলতে একো কৰিব নোৱাৰোঁ। ৰজাৰ মন যিহোৱাৰ হাতত আছে। আৰু ঈশ্বৰে  পানীৰ নলাৰ নিচিনা, তেওঁ যি ফালে ঘূৰাবলৈ ইচ্ছা কৰে, সেইফালে তাক ঘূৰাব পাৰে। গতিকে কোনো ৰজা, কোনো শাসনকৰ্তা নাইবা কোনো ব্যক্তিয়ে স্বাধীন চেতিয়াকৈ তেওঁৰ খুচিখেয়ালৰ দৰে আচৰণ কৰিব নোৱাৰে। আজি আমাক এনে সাহস আৰু বিশেষ, বিশেষ চলাওঁতাবিলাকৰ প্ৰয়োজন যি সকলে ঈশ্বৰৰ ওপৰত নিৰ্ভৰশীল হৈ কাম কৰিবলৈ ইচ্ছা কৰে। এনে নেতা সকলৰ আজি প্ৰয়োজন যিসকলে কৈ ফুৰিব এৰিব যে পৃথিৱীখন সমস্যা সমাধানৰ উপায় তেওঁলোকৰ হাতত আছে। কাৰণ তেওঁলোকৰ হাতত পৃথিৱীৰ সমস্যা সমাধানৰ উপায় নাই এনে কথা মিছা কথা। কোনো মানুহ কেতিয়াও ঈশ্বৰৰ পৰা স্বাধীন হৈ চলিব নোৱাৰে। সকলো মানুহেই ঈশ্বৰৰ অধীনতা মানি লব লাগিব।

আমাৰ দেশবিলাক আৰু আমাৰ নেতা সকল যদি আজি ঈশ্বৰ নিৰ্ভৰশীল দেশ আৰু নেতা হলহেঁতেন সেইয়া কিমান ভাল কথা হলহেঁতেন। আমি ইচ্ছা কৰোঁ মানুহে মানুহৰ পৰা স্বাধীন ঘোষণা কৰিলেও কৰক, হওক মানুহ মানুহৰ পৰা স্বাধীন। কিন্তু সকলো মানুহ আৰু সকলো দেশে ঈশ্বৰৰ অধীনতা ঘোষণা কৰক। বিশ্বৰ সকলো দেশ, সকলো জাতি, সকলো চলাওঁতা এনে কি প্ৰতি গৰাকী মানুহে পলম নৌ হওঁতেই ঈশ্বৰৰ অধীনতা সোনকালে ঘোষণা কৰক। এইটো সম্ভৱ কেৱল তেতিয়াহে হব যেতিয়া মানুহ অতি সোনকালে ঈশ্বৰলৈ ঘূৰিব। আৰু সেইটো হব আজি ঈশ্বৰৰ বচন, পৰামৰ্শ, তেওঁৰ আদেশ আৰু তেওঁৰ বাণী ঘোষণা কৰাৰ দ্বাৰা। সেইয়া



WORD RESOUNDS TODAY
www.Radio882.com

বাস্তৱিকতে বৰ প্ৰয়োজনীয় কথা আৰু জৰুৰী কথা। মানুহে সেইটো কিয় বুজি নাপায়? কেতিয়া বুজি পাব? পলম কৰাৰ সময় নাই, হে খ্ৰীষ্টিয় লোক সকল, হে ঈশ্বৰৰ সন্তান নামেৰে প্ৰখ্যাত লোক সকল; শুই থকাৰ পৰা উঠক। এই প্ৰয়োজনীয় আৰু জৰুৰী বাৰ্তা জগতক জৰুৰীভাৱে জনাওক।

হিতোপদেশ ২১:২পদ, **"মানুহৰ দৃষ্টিত সকলো পথ সৰল, কিন্তু যিহোৱাই হৃদয় পৰীক্ষা কৰে।"** ইয়াত আকৌ মানুহৰ স্ব-ধাৰ্মিকতাৰ কথাকে কোৱা হৈছে। মানুহে নিজৰ ক্ষেত্ৰত ভাৱে যে সকলো ঠিকেই আছে, কিন্তু ঈশ্বৰে সকলো খুটি-নাটি বিচাৰ কৰি চায়। তেওঁ মানুহৰ অন্তৰখনলৈ চায়। আমি বাহিৰত সানি কব পাৰোঁ যে আমি মণ্ডলীৰ সভ্য-সভ্যা, চাণ্ডেস্কুল ক্লাচত শিকাওঁ বা মণ্ডলীৰ অমুকটো তমুকটো সমিতিৰ সভাপতি হওঁ। আমি মণ্ডলী খনৰ কামৰ বাবে বৰ ব্যস্ত থাকোঁ, সেই আটাইবোৰ হব পাৰে সঁচা কথা। কিন্তু ঈশ্বৰে হলে আমাৰ অন্তৰখনেহে চায়। যিৰিমিয়া ভাববাদীয়ে এই সঁচা কথা কৈ আঙুলিয়াই দি কৈছে যে, **"মানুহৰ হৃদয়খনেই আটাইতকৈ কপটময় আৰু অতিপাত মন্দ। মানুহৰ সেই হৃদয়ক কোনে চিনি পাব পাৰে? তাৰ ৰোগ নিৰ্ণয় কৰি কোনে সুস্থ কৰিব পাৰে"** (যিৰিমিয়া ১৭:৯পদ)। আমি সেই বিষয়ে পাওঁ। আপুনি কেতিয়াবা প্ৰভু যীচুৰ গুৰিলৈ গৈ আপোনাৰ হৃদয়খনৰ কপট, মন্দ আৰু ৰোগৰ কথা জনাইছে নে? তেৱেঁই আমাৰ হৃদয়ৰ মহান আৰু পৰম বেজ তেৱেঁই আমাৰ অন্তৰৰ বিশেষজ্ঞ। তেওঁ আমাক নতুন অন্তৰ দিব পাৰে। অন্তৰ সংযোজন কৰা কামটো কেৱল তেৱেঁই কৰিব পাৰে; আন কোনেও নোৱাৰে। সদায় ঈশ্বৰৰ বাধ্য হৈ চলিব পৰা অন্তৰ এখন কেৱল তেওঁহে দিব পাৰে।

হিতোপদেশ ২১:৩পদ, **"বলিদানতকৈ ধাৰ্ম্মিকতাৰ আৰু ন্যায়ৰ কাৰ্য্য যিহোৱাৰ গ্ৰহণীয়।"** কেৱল ধৰ্ম্মীয় ৰীতি-নীতিৰ দ্বাৰাই যে কেৱল ঈশ্বৰক সন্তুষ্ট কৰা নাযায়, এই পদে আমাক পুনৰ সোঁৱৰায়। পুৰণি নিয়মত বলিদান সমূহ আগবঢ়োৱা হৈছিল কাৰণ সেইবোৰে যীচু খ্ৰীষ্টলৈকে আঙুলিয়াই দেখুৱাইছিল। যিহূদী সকলৰ ধৰ্মিয় নেতা ফৰিচী সকলতকৈ কোনেও অধিক সেই ৰীতি-নীতি পালন কৰা নাছিল।

কিন্তু প্ৰভু যীচুৱে বৰ খুলা-খুলিকৈ, স্পষ্ট আৰু চোকা ভাষাত গৰিহণা দিছিল, তেওঁলোক যে বগাকৈ লিপা কবৰৰ নিচিনা বাহিৰত সুন্দৰ কিন্তু ভিতৰত হাড়েৰে ভৰা তাক তেওঁ দেখুৱাই দিছিল কিয়? কাৰণ তেওঁলোকে আগবঢ়োৱা বলিদান আদি আৰু তেওঁলোকে পালন কৰা ৰীতি-নীতি আদিৰে সন্তোষ্ট হোৱা নাছিল। তেওঁ কৈছিল যে তেওঁ যিটো বিচাৰে সেইটো হৈছে ন্যায় আৰু দয়া। ধৰ্মীয় ৰীতি-নীতি ৰখাই এই ধাৰণাই দিব পাৰে যে আমি খ্ৰীষ্টিয় লোক, খ্ৰীষ্টত আমাৰ বিশ্বাস আছে কিন্তু প্ৰকৃততে আমাৰ হৃদয় গভীৰ চুকত আমি জানো যে আমি খ্ৰীষ্টত আচলতে নাই আমাৰ তেওঁত বিশ্বাস ভৰসা নাই।

আমি যি সকলে প্ৰকৃত ভাৱে যীচু খ্ৰীষ্টত বিশ্বাস ৰাখো তেওঁক আমাৰ পৰিত্ৰাতা আৰু প্ৰভু ৰূপে গ্ৰহণ কৰোঁ আমাৰ সেই সকলৰ ক্ষেত্ৰত এইটো অতি স্পষ্ট ৰূপে দেখা যাব যে, আমাৰ জীৱন সম্পূৰ্ণ সলনি হৈছে আমি নতুন সৃষ্টি হৈছোঁ। আমাৰ জীৱনৰ সকলোবোৰ পুৰণি লুপ্ত হৈছে আমি নতুনকৈ জন্ম লাভ কৰিছোঁ। ২কৰন্থীয়া ৫:১৭ আৰু যোহন ৩:১-৩পদলৈকে পঢ়ি চাব



WORD RESOUNDS TODAY

www.Radio882.com

চোন, আমাৰ জীৱনত সেইটো হৈছে নে? সেইটোৱে ডাঙৰ প্ৰশ্ন জীৱনত অতি গুৰুত্ব সহকাৰে সমাধান কৰিবলগীয়া সেইটোৱেই আটাইতকৈ প্ৰয়োজনীয় আৰু মহৎ কাম। আমি আমাৰ জীৱনত এই কামটোকে প্ৰথম অগ্ৰাধিকাৰ দিব লাগে আৰু পলম নকৰাকৈ সোনকালে কৰিব লাগে। কাৰণ এই কামটো কৰা নকৰাৰ লগতে আমাৰ মৰণ আৰু জীৱনৰ কথাটো জড়িত হৈ আছে।

হিতোপদেশ ২১:৪পদ, **"দুষ্টবোৰৰ প্ৰদীপস্বৰূপ গৰ্ব্ব চকু আৰু অহঙ্কাৰী মন পাপময়।"** ইয়াত গৰ্বী চকু মানে কি জানে নে প্ৰিয় শ্ৰোতা? গৰ্বী চকু হয় সেইযোৰ চকু যি যোৰ চকুৱে দেখিও নেদেখাৰ ভাও জুৰে গৰ্বৰ কাৰণে। গৰ্বী চকু মানে সেই যোৰ চকু চাইও মাতবোল নকৰে, দেখা মানুহজনক হেয়জ্ঞান কৰে, গৰ্বী চকু মানে সেই যোৰ চকু যি যোৰ চকুৱে চাওঁতা জনক লেতেৰা বস্তু চোৱাৰ দৰে চায়। মদ খাই মাতাল হোৱা যিমান পাপ গৰ্বী চকুৰে চোৱাও সিমানেই পাপ।

মনৰ অহঙ্কাৰ আৰু গৰ্বী চকু যাৰ আছে তেওঁলোকৰ পৰা নিৰাপদ দূৰত্ব থকাই ভাল কাৰণ এনে মানুহৰ পৰা আপুনি হেয়জ্ঞান, লাজ, অপমান, মনোঘাত নিৰাশা আৰু মন্দৰ চিন্তাৰ বাহিৰে একো আশা কৰিব নোৱাৰে। মন্দ চিন্তা বুলি কৈছোঁ কাৰণ এবাৰ এগৰাকী যুৱকে কৈছিল, এজন মানুহে এদিন তেওঁলৈ বহু মানুহৰ মাজত এনেকৈ চাইছিল, যেন তেওঁৰ গৰ্বী চকুৰে কৈছিল তোৰ নাম নাজানো ৰে, যুৱক জনে হেনো তেওঁৰ সোঁ হাতখন মুঠি মাৰি লৈছিলেই, তেওঁৰ হেনো এই বুলি কৈ মানুহ জনৰ মুখত এটা ঘুঁচা সোধাই দাঁত দুটামান সৰাই দিয়াৰ ইচ্ছা হৈছিল। ঐ কোন বাপেৰক সেইদৰে চাইছ? চাব নাজান যদি চকু দুটা ফুটাই লবি। কিন্তু ঈশ্বৰৰ সন্তান হোৱাৰ বাবে ঈশ্বৰৰ আত্মাই তেওঁক ধৈৰ্য দান কৰিছিল। নহলে সেই মন্দ চিন্তাটো আহিছিলেই।

হিতোপদেশ ২১:৫-৭পদ, **"পৰিশ্ৰমী লোকৰ চিন্তাই কেৱল লাভহে জন্মায়, কিন্তু খৰ কৰোঁতাই কেৱল দৰিদ্ৰতালৈহে খৰ কৰে। মিছলীয়া জিবাৰ দ্বাৰাই অৰ্জ্জা ধন-সম্পত্তি উৰুৱাই নিয়া ভাপৰ নিচিনা, যিবিলাকে তাক বিচাৰে তেওঁবিলাকে মৃত্যু বিচাৰে। দুষ্টবোৰৰ অত্যাচাৰে সিহঁতক সংহাৰ কৰে, কিয়নো সিহঁতে ন্যায়ত চলিবলৈ সন্মত নহয়।** প্ৰিয় শ্ৰোতা ধনী মানি হোৱাত কোনো পাপ নাই, ধন, টকা-পইচাও পাপ নহয়, কিন্তু সেই ধন সম্পত্তি কেনেকৈ গোটোৱা হয় সেইটোহে আচল কথা। সেই ধন-সম্পত্তিৰ প্ৰতি যিটো লোভ সেইটোহে পাপ বাইবেলে সেইটোহে কৈছে, ১তীমথিয় ৬:৯পদ। মানুহে মনত ৰখা উচিত যে, মানুহে টকাৰে কাম কৰিব নোৱাৰে। সেইয়ে তাকে সংগ্ৰহ কৰিবলৈকো অন্যায় পন্থা লব নালাগে। টকাৰে দেখোন মানুহে কৰ্কট ৰোগ সুস্থ কৰিব নোৱাৰে, মৰা মানুহক জীয়াই তুলিব নোৱাৰে।

এটা ডাঙৰ কথা কি জানে নে প্ৰিয় শ্ৰোতা, সকলো সময়ত সকলো পৰিস্থিতিত টকাটোৱেই মানুহৰ প্ৰয়োজনীয় বস্তু নহয়। আমাৰ হাতত এটা খবৰ আছে, কোৱা হৈছে যুদ্ধত প্ৰাণ হানি হোৱা বীৰ সেনা এজনৰ ভাৰ্যাৰ হাতত পৰিয়াল ভৰণ-পোষণৰ নামত ২লাখ টকাৰ এটা চেক তুলি দিয়া হৈছিল। বিকট চিঞৰ মাৰি চেকখন দুটুকুৰা কৰি দলিয়াই পেলাই কৈছিল, মোক টকা নালাগে, মোৰ ঘৰত টকা আছে, পোনাকনৰ দেউতাকক হে মোক লাগে। আচলতে পোনাকনৰ দেউতাকক হেৰুৱাই উদং হোৱা বুকুখনক টকাই পূৰ্ণ কৰিব নোৱাৰে সেইটো সঁচা



WORD RESOUNDS TODAY

www.Radio882.com

কথা। আকৌ শুনক এখন দেশত মৰুভূমিৰ মাজেৰে যাত্ৰা কৰা পথহাৰা যাত্ৰীক এজনে ভোক আৰু পিয়াহত দুটা মান ৰুটি আৰু দুঘুটামান পানীলৈ বৰ হাবিয়াহ কৰিছিল। হঠাতে মৰুভূমিৰ মাজত কোনো যাত্ৰীয়ে হেৰুৱাই থৈ যোৱা টোপোলা এটা দেখিলে। খোৱা বস্তু আছে বুলি ততাতৈয়াকৈ টোপোলাটো খুলি আকৌ জোৰকৈ চিঞৰি মাটিত পেলাই দি কলে, এইয়া সোণ ৰূপৰহে টোপোলা, খোৱা বস্তু নাই।

প্ৰিয় শ্ৰোতা সোণ ধন ব্যৱহাৰৰ নিমিত্তে গোটাওক, কিন্তু সোণ ধন আপোনাৰ জীৱনৰ দেৱতা নহওক। এই সোণ ধন ন্যায়েৰে গোটাওক, ইয়াৰে আনকো সহায় কৰক। কিন্তু সাৱধান ধন লোভত পৰি আপুনি পতিত নহব ঈশ্বৰৰ পৰা আপুনি আঁতৰি নাযাব।

হিতোপদেশ ২১: ৮-৯পদ, **"দোষ-ভাৰ বহন কৰা লোকৰ পথ অতিশয় বেঁকা, কিন্তু শুচি লোকৰ হলে কৰ্ম্ম সৰল। দ্বন্দুৰী তিৰোতাই সৈতে ডাঙৰ ঘৰত বাস কৰাতকৈ, চালৰ এচুকত থকাই ভাল।"** এইয়া আকৌ আমি আমাৰ আচৰণৰ দ্বাৰাই নিজক প্ৰকাশ কৰাৰ কথাকে পাইছোঁ। আমাৰ আচৰণেই কয় আমি কোন? কৰ্ম্মফলৰ দ্বাৰাই আমাক চিনা যায়; এইবিষয়ে আমি পাওঁ মথি ৭:২০পদত। দন্দুৰী তিৰোতাৰ কথা নো কি কম? এই ক্ষেত্ৰত যি সকলে পৰম বস্তু নাপায় গৰম বস্তু পাইছে তেওঁলোকে বৰ হিংসাৰ চকুৰে ঘৰৰ চালৰ এচুকৰ সেই ঘৰ চিৰিকাটোলৈ নাইবা সেই জেঠীটোলৈ চাই দেখে যে সেই গৰম জনীৰ লগত আহল বহল বিশাল ঘৰটোত যিটো মানসিক অৱস্থা লৈ আছে তাতকৈ ঘৰ চিৰিকা আৰু জেঠীটো বৰ শান্তিৰে আছে। এই দুখময় অৱস্থা লৈ বিশাল অট্টালিকাত থকাতকৈ জেঠিৰ দৰে ঘৰৰ এচুকত শান্তিৰে থকাই ভাল।

ঘৰৰ শান্তিৰ কথাটো কেৱল স্বামী বা কেৱল ভাৰ্যাৰ ওপৰত নাই। স্বামী আৰু ভাৰ্যা দুয়োৰে লগত আছে। এজন মদপীৰ কথা ক'ব খুজিছোঁ, তেওঁ অকলমদপীয়ে নাছিল মাতাল হৈ মাৰ-পিট, ভীতি প্ৰদৰ্শন কৰাৰ লগতে এনেকি চোৰ কামতো লিপ্ত হৈছিল। আৰু বাৰে, বাৰে আৰক্ষীৰ হাতত পৰি কাৰাগাৰৰ ভাত খাবলৈ গৈছিল। মদপী, মাৰ-পিট কৰা, বা চোৰ কাৰ্যত লিপ্ত থাকিলেও তেওঁ মানুহ। তেওঁৰো মানুহৰ অন্তৰ এখন আছিল, তেওঁ এদিন আমাক তন্দ্ৰেয় ভাঙি কৈছিল, মহাশয় সকল মোৰ মানুহ জনী যদি কেনেবাকৈ আপোনালোকৰ কোনোবা এজনৰ ভাৰ্যা হল হেঁতেন, আপুনিও শান্তিৰ পমখেদি, খেদি মোৰ পন্থাকেই ল'লে হেঁতেন। কাৰাগাৰতেই শান্তি পাওঁ। ইয়াত মেঘৰ গাজনি নাই, নাই ঢৌ, নাই ধুমুহা কিন্তু কাৰাগাৰলৈ মই নিজে আহিব নোৱাৰোঁ, আহিলেও থাকিবলৈ নিদিব সেয়েহে মই এই পন্থা লৈছোঁ। মাৰ-পিট, ভীতি প্ৰদৰ্শন আৰু চোৰ কৰি ময়োতো শান্তি নাপাওঁ, কিন্তু মনৰ শান্তি বিচাৰিয়েই সেইবোৰ বাহ্যিক আৰু কৃত্ৰিম অশান্তিৰ সৃষ্টি কৰোঁ।

আমি মন কৰিছিলোঁ যে, সেইখিনি কথা কওঁতে, মানুহজনৰ মন থকা সেই মানুহ জনৰ চকুহাল চলচলীয়া হৈছিল তাৰ পাছতেই তেওঁ নিমাত হৈ পৰিছিল। কিন্তু কেৱল ভাৰ্যাক লয়ে ঘৰখনত অশান্তি নহয়। ঘৈণীয়েকক লৈ ইয়োব আৰু চৌলৰ জীয়েকে ভাৰ্যাৰূপে লৈ দায়ূদৰ যেনেকৈ ঘৰখনত অশান্তি হৈছিল, মূৰ্খ গিৰিয়েক নাবলক লৈ জ্ঞানী আৰু শান্তি প্ৰিয় ভাৰ্যা অবিগলৰ ঘৰত ডাঙৰ অশান্তি হৈছিল। শান্তিৰ আকৰ আৰু শান্তিৰ ৰজা যীচু খ্ৰীষ্ট যদি ঘৰখনৰ শান্তিৰাজ হয়



WORD RESOUNDS TODAY

www.Radio882.com

আৰু তেওঁ স্থাপন কৰা শান্তিত যদি স্বামী-ভাৰ্য্যাদুয়ো সহযোগ কৰে তেন্তে সেই থনঘৰতহে শান্তি অটুট থাকে।

হিতোপদেশ ২১:১০পদ, **“দুষ্টৰ মনে অনিষ্ট বাঞ্চা কৰে, আৰু তাৰ দৃষ্টিত তাৰ ওচৰ-চুবুৰীয়াই কৃপা নাপায়৷”** এঠাইত এবাৰ দেখিছিলোঁ কেৱল এঘৰেই মানুহ আছিল। আন মানুহ তেওঁৰ ওচৰত আহি নথকাৰ কাৰণ কি হব পাৰে তাকে সুধি জানিছিলোঁ যে, ঘৰৰ পিতা-পুত্ৰ, চাকৰ-নকৰ, আটাইবিলাকেই বৰ অত্যাচাৰী আছিল। সেই মানুহ ঘৰে ওচৰ চুবুৰীয়াৰ বৰ অনিষ্ট সাধন কৰে। আগতে যি দুই, এঘৰ আছিল তেওঁলোকো ঘৰ মাটি বিক্ৰী কৰি ক'ৰবালৈ গুচি গৈছিল। আপুনি তেনে মানুহ দেখিছে নে? আমি তেনে মানুহ তেওঁকেই প্ৰথম দেখিছোঁ আৰু দ্বিতীয় জন দেখা পাবলৈ ইচ্ছা নকৰোঁ।

হিতোপদেশ ২১:১১পদ, **“নিন্দকক দণ্ড দিলে নিৰ্ব্বোধ জ্ঞানী হয়, আৰু জ্ঞানীক শিক্ষা দিলে তেওঁ আৰু জ্ঞান লাভ কৰে।”** এই ১৯:২১পদৰ কথাৰ সৈতে একেই কথা ইয়াত লিখা হৈছে। গতিকে ব্যাখ্যাৰ পুনৰোক্তিৰ প্ৰয়োজন নাই। হিতোপদেশ ২১:১৩পদ, **“যি জনে দৰিদ্ৰৰ কাতৰোক্তিলৈ কাণত সোপা দিয়ে, সিও চিঞৰিব কিন্তু তাক শুনা নাযাব।”** এইটো সঁচা, আমাৰ বৰ্তমান সমাজতো এইটো দেখা যায়।

হিতোপদেশ ২১:১৪পদ, **“গুপুত উপহাৰে খং শান্ত কৰে, আৰু বুকুত থকা ভেঁটীয়ে প্ৰচণ্ড ক্ৰোধ ক্ষান্ত কৰে।”** আপোনালোকৰ নিশ্চয় মনত পৰিব যে, যাকোবে হাৰণৰ পৰা ককায়েক এচৌৰ গুৰিলৈ ঘূৰি যাওঁতে নিজে প্ৰথমে নগৈ ককায়েকলৈ বহু উপহাৰ আদি পঠাই ককায়েকৰ অন্তৰ ক্ষান্ত কৰিছিল। আমাৰ মাজতো সেইটো বৰ সচৰাচৰ চলি থাকে।

হিতোপদেশ ২১:১৫-১৬পদ দুটা পঢ়ি দিছোঁ, **“ন্যায় বিচাৰ কৰা ধাৰ্ম্মিকৰ পক্ষে আনন্দ, কিন্তু কুকৰ্ম্মীহঁতৰ পক্ষে সৰ্বনাশ। যি মানুহে সুবিবেচনাৰ পথ এৰি ভ্ৰমণ কৰে, তেওঁ মৃতবিলাকৰ সমাজত থাকিব।”** কিছুমান শিক্ষকে ভাবে যে, কুকৰ্মি আৰু অপৰাধী বিলাকৰ বাবে যে কোনো পুনৰ সংস্থাপন থাকিব নালাগে, তাকেই বাইবেলে এনেদৰে কৈছে, বৰং এওঁলোকক লাগিব পৰিৱৰ্ত্তীত জীৱন, নতুন জীৱন। এই মানুহ বিলাকক ঈশ্বৰৰ বচন দিব লাগে। অপৰাধী সকল য'ত থাকে তালৈ আমি শুভবাৰ্তা দিব লাগে। এই বাইবেল শিক্ষক সকলে ভাবে যে অপৰাধীহঁতক পুনৰ সংস্থাপন দিওঁ লাভ নাই কাৰণ এওঁলোকক য'তে পুনৰ সংস্থাপন দিয়া ততে এওঁলোকে যে পুনৰ অপৰাধ মূলক কাম নকৰিব তাক কোনে ক'ব। গতিকে তেওঁলোকক পুনৰ সংস্থাপন দি প্ৰসমিত কৰিব খোজাটো ভুল কাম হব।

হিতোপদেশ ২১:১৭পদ, **“যি মানুহ ৰং-ধেমালীত আসক্ত, তেওঁ দৰিদ্ৰ হব, আৰু যি মানুহ দ্ৰাক্ষাৰস আৰু তেলত ৰতি, তেওঁ ধনৱান নহব।** আজি আমাৰ সময়খিনিত যি সকল মানুহে মানুহক মনোৰঞ্জন দিব পাৰে বা হঁহুৱাব পাৰে, তেওঁলোকক বৰ প্ৰশংসা কৰা হয়। তাৰ ফলত মানুহৰ জীৱনৰ প্ৰধান নৈতিক নীতিবোৰ তল ওপৰ কৰি দিয়া হৈছে। এটা সময় আছিল যেতিয়া বহুৱালি কৰা, ফুচুৰি কথা কোৱা মানুহবিলাকক ৰাজদৰবাৰ সমূহ মূৰ্খ বুলি গণ্য কৰা হৈছিল।



WORD RESOUNDS TODAY
www.Radio882.com

ঈশ্বৰৰ দৃষ্টিত সেইটো এতিয়াও সলনি হোৱা নাই। ঈশ্বৰৰ দৃষ্টিত বহুৱালি কৰা মানুহ বিলাক এতিয়াও মূৰ্খ।

কিন্তু আজি আমাৰ নষ্ট পোৱা ধাৰণা মতে এই ফুচুৰি কথা কোৱাত বা গাঁৱলীয়া ভাষাত গাজা কৈ ফুৰা মানুহবিলাক সকলোৰে প্ৰিয়। কিন্তু ঈশ্বৰে আজিও কয় যি মানুহ বিলাক ফুচিৰি কথাত আসক্ত তেওঁবিলাক দৰিদ্ৰ হব বা আন ধৰণৰ ৰং, ৰস, মত্ততা আদিত আসক্ত লোকসকল দৰিদ্ৰ হব।

হিতোপদেশ ২১:১৮পদ, **"দুষ্ট লোক ধাৰ্ম্মিকৰ মুক্তিৰ মূল্যস্বৰূপ আৰু সৰলবিলাকৰ ঠাইত বিশ্বাস-ঘাতক পৰেগৈ।"** ন্যায় বা ধাৰ্ম্মিকতাই অপৰাধীৰ শাস্তি দাবী কৰে, যাতে অপৰাধহীন সকলে মুক্তি পাব পাৰে, কিন্তু ঈশ্বৰৰ অনুগ্ৰহত পৰিত্ৰাতা প্ৰভু যীচু খ্ৰীষ্ট অপৰাধী সকলৰ মুক্তিপণ বা মুক্তিৰ মূল্য হল, তেওঁ সৰল অৰ্থাৎ ধাৰ্ম্মিক। কিন্তু আপুনি আৰু মই হলে বিশ্বাস ঘাতকে।

হিতোপদেশ ২১:১৯পদ, **"দ্বন্দুৰী আৰু খিংখিঙীয়া তিৰোতাই সৈতে বাস কৰাতকৈ অৰণ্যত বাস কৰাই ভাল।** এইখিনি কথা আমি ইতিমধ্যে আলোচনা কৰিছোঁ, গতিকে আমি পুনৰোক্তি কৰিব খুজা নাই।

হিতোপদেশ ২১:২০পদ, **"জ্ঞানৱানৰ নিবাসত বহুমূল্য দ্ৰব্য আৰু তেল থাকে, কিন্তু অজ্ঞান লোকে তাক খাই পেলাব।"** মূৰ্খৰ কথা নো কি কম, মূৰ্খ যে মূৰ্খ। লিফ্টত বৃদ্ধা এজনী উঠি যোৱা আৰু সেই খন লিফ্টেৰে গাভৰু ছোৱালী এজনী নামি অহা দেখি ভাবে এইটো বৰ আচৰিত যন্ত্ৰ দেই, বুঢ়ী মানুহ জনীক একেবাৰে গাভৰু বনাই দিলে।

হিতোপদেশ ২১:২১পদ, **"যি কোনো লোক ধাৰ্ম্মিকতা আৰু দয়াৰ অনুগামী ,তেওঁ জীৱন, ধাৰ্ম্মিকতা, আৰু সন্মান লাভ কৰিব।"** গালাতীয়া ৬:৭ আৰু ৮পদত এই কথাটো এনেদৰে কোৱা হৈছে, **"কিয়নো মানুহে যিহকে বয়, তাকেহে দাব। কাৰণ যিজনে নিজৰ মাংসৰ উদ্দেশ্যে বয় তেওঁ মাংসৰ পৰা ক্ষয়ৰূপ শস্য দাব; কিন্তু যি জনে আত্মাৰ উদ্দেশ্যে বয়, তেওঁ আত্মাৰ পৰা অনন্তৰূপ শস্য দাব।"**

হিতোপদেশ২১:২২পদ, **"জ্ঞানী লোকে গড় পাৰ হৈ বীৰবিলাকৰ নগৰত প্ৰবেশ কৰে, আৰু সিহঁতৰ বিশ্বাসৰ দৃঢ় কোঁঠ নিপাত কৰে।"** বীৰ বিলাকৰ শক্তিতকৈ জ্ঞান শ্ৰেষ্ঠ, সেই কথাকে ইয়াত আচলতে কোৱা হৈছে। এই পদটো এই কথাটোকে কৈছে যে, **বীৰ বিলাকৰ শক্তিতকৈ জ্ঞান উত্তম** আৰু প্ৰকৃত জ্ঞান আমি যীচু খ্ৰীষ্টতহে পাব পাৰো।

হিতোপদেশ ২১:২৩পদ, **"যি কোনোৱে নিজৰ মুখ আৰু জিবা চম্ভালি ৰাখে তেওঁ সঙ্কটৰ পৰা নিজ প্ৰাণ ৰক্ষা কৰে।"** হিতোপদেশ দিওঁতা জনে ইয়াৰ আগতেও কৈ আহিছে যে, আপোনাৰ যদি বন্ধুৰ প্ৰয়োজন আছে আপুনি নিজেও বন্ধুত্ব পূৰ্ণ হৈ দেখুৱাব লাগিব আৰু সেইয়াই যদি



WORD RESOUNDS TODAY
www.Radio882.com

তেতিয়া আপুনি নিশ্চয় কথা বতৰা পাতিব লাগিব। কিন্তু কথা পাতোঁতে আপুনি কি কৈছে সেইটোলৈ মন কৰিব।

হিতোপদেশ ২১:২৪পদ, **“অহঙ্কাৰত ওফন্দা লোক নিন্দক বুলি প্ৰখ্যাত হয়, সি অহঙ্কাৰেৰে লোকক হেয়জ্ঞান কৰি কাৰ্য্য কৰে।”** হিতোপদেশ পুস্তকত বিশেষভাৱে দুটা বিষয় বাৰে, বাৰে উল্লেখ কৰা হৈছে, মন কৰিছে নে? **এটা হৈছে জিবাৰ ব্যৱহাৰ আৰু অপব্যৱহাৰ আৰু দ্বিতীয়টো হৈছে গৰ্ব আৰু অহঙ্কাৰ।**

হিতোপদেশ ২১:২৫পদ, **“এলেহুৱাৰ নিজৰ ইচ্ছাই তাৰ প্ৰাণ নষ্ট কৰে, কিয়নো তাৰ হাত কাম কৰিবলৈ অসন্মত।”** এলাহৰ বিৰুদ্ধেও আমাক বাৰে, বাৰে এনে হকিয়াই দিয়া হৈছে। হিতোপদেশ ২১:২৬পদ, **“কোনো কোনোৱে ওৰে দিনটো লোভ কৰি থাকে, কিন্তু ধাৰ্ম্মিক লোকে দান কৰে, আটক নকৰে।”** অৰ্থাৎ নিজলৈ বুলি বস্তু আটক কৰি ৰখাটো ঈশ্বৰৰ দৃষ্টিত অপৰাধ। আনক দান কৰিলে ঈশ্বৰ সন্তোষ্ট হয়। হিতোপদেশ ২১:৭ পদ, **“দুষ্টবোৰৰ বলিদান ঘিণলগীয়া, তেন্তে দুষ্ট মনেৰে তাক আনিলে, সি আৰু কিমান ঘিণলগীয়া হয়।”** এৰা কথাটো চিন্তা কৰি চাওক চোন, দুষ্টবোৰৰ বলিদানেই ঘিণলগীয়া তাকে আকৌ যদি দুষ্ট মনেৰে আনে তেন্তে আৰু অধিক ঘিণলগীয়া হয়।

হিতোপদেশ ২১:২৮-২৯পদ, **“মিছা সাক্ষী নষ্ট হব, কিন্তু যি কোনোৱে শুনে, তেওঁ কথা কবলৈ বাধা নাপাব। দুষ্টলোকে নিৰ্ভয় মুখ দেখুৱায়, কিন্তু সৰল লোকে হলে নিজ গতি স্থিৰ কৰে।”** প্ৰিয় শ্ৰোতা প্ৰভু যীচু খ্ৰীষ্টৰ বিচাৰৰ বেলিকা মিছা সাক্ষী সকলে তেওঁৰ অহিতে মিছা সাক্ষী দিছিল। তেওঁলোকৰ মাজৰে আপুনিও এজন হবলৈ বেয়া নাপালে হেঁতেন নে। মুঠতে মিছা সাক্ষী দিয়াৰ বিৰুদ্ধে আমাক ইয়াত স্পষ্টৰূপে সকিয়াই দিয়া হৈছে।

হিতোপদেশ ২১:৩০-৩১পদ, **“যিহোৱাৰ বিৰুদ্ধে জয়কাৰী প্ৰজ্ঞা, বুদ্ধি কিম্বা পৰামৰ্শ একোৱেই নাই। যুঁজ দিনৰ নিমিত্তে ঘোঁৰা সজোৱা হয়, কিন্তু জয় যিহোৱাৰ পৰাহে হয়।”** এৰা প্ৰিয় শ্ৰোতা আমাৰ জীৱনত জয় বিচাৰিবলৈ হলে একমাত্ৰ ঈশ্বৰতে ভৰসা ৰাখিব লাগে। ঈশ্বৰে আপোনাক আশীৰ্ব্বাদ কৰক, আমেন।

**<u>পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:</u>**

১) কাৰ লগত বাস কৰাতকৈ চালৰ এচুকত থকা ভাল?

২) নাবলৰ ভাৰ্য্যাৰ নাম কি আছিল?



www.Radio882.com

<u>হিতোপদেশ ২২ অধ্যায়</u>

প্ৰিয় শ্ৰোতা আপুনি যদি ভক্তি বচন অনুষ্ঠানতটো নিয়মিত ভাৱে শুনি আছে তেন্তে নিশ্চয় জানে আমি ভালেমান দিন ধৰি বাইবেলৰ পুৰণি নিয়ম খণ্ডৰ হিতোপদেশ নামৰ পুস্তকখন অধ্যয়ণ কৰি আছো। আজিৰ অনুষ্ঠানত আমি হিতোপদেশ পুস্তকৰ ২২ নং অধ্যায় আলোচনা কৰিম।

হিতোপদেশ ২২: ১ পদ, **"প্ৰচুৰ ধনতকৈয়ো সুখ্যাতি বাঞ্ছনীয় , আৰু ৰূপ আৰু সোণতকৈয়ো প্ৰসন্নতা ভাল।"** এই পদটোত সুখ্যাতি শব্দটোৰ ঠাইত সুমান বা প্ৰসন্নতা শব্দটোৰ ঠাইত যশস্যাযুক্ত হলে বুজাত আৰু বুজোৱাত অধিক সহজ হয়। অৱশ্যে ইয়াত সুনাম মানে ইয়াত মানুহে মানুহক ভাল পায় দিয়া নাম নহয়। আমাৰ এগৰাকী বন্ধু আছে তেওঁৰ আচল নামটোৰ বেলেগ কিন্তু মানুহে তেওঁক দেখা পায় তেওঁ সদায় ভাল মেনেৰেই থাকে। কোনো যেন দুখ নাই, বেজাৰ নাই, আপত্তি নাই জ্বৰ নাই খৰ নাই সেয়েহে মানুহে তেওঁক মন ভাল বুলিয়েই মাতিছিল। শেষৰ ফালে সমাজৰ মানুহে তেওঁৰ আচল নামটো নজনাই হৈছিল মানে একেবাৰে পাহৰিয়েই গৈছিল। তেনে নামৰ কথা ইয়াত কোৱা নাই অৱশ্যে সেইটো এক প্ৰকাৰ সুনামৰ দৰেই হৈছিল। কাৰণ সেইটো তেওঁৰ আচৰণৰ কাৰণেই হৈছিল কিন্তু হলেও সেইটো তেওঁৰ এটা নামো আছিল।

ইয়াত আচলতে মানুহে নাম ধৰি মতা নামৰ কথা আচলতে কোৱা হোৱা নাই। কিন্তু মানুহজন কেনে আছিল? কি কৰিছিল? আৰু তেওঁৰ দ্বাৰাই সমাজৰ কি হৈছিল? সেই বিষয়ে যেতিয়া কোৱা হয় সেইটোৱেই সুমান বা বদনাম। সু বা ভাল কৰিলে সুনাম আৰু বদ বা বেয়া কৰিলে বদনাম। ৰূপ আৰু সোণতকৈয়ো সুনামটো বাঞ্ছনীয় বুলি এই পদটোত কোৱা হৈছে। যেনে ধৰক বাইবেল শাস্ত্ৰত হেবল, অব্ৰাহাম, ইলিয়াজৰ, দায়ূদ, ইয়োব, নহিমিয়া, ৰূথ, অবীগল, পিতৰ, যোহন, মাৰ্ক, লূক, বাৰ্ণবা, পৌল, তাবিথা আৰু লুদিয়া ইত্যাদি যিবোৰ পুৰুষ–মহিলাসকল কেনে আছিল, তেওঁলোক কি কৰিছিল আৰু তেওঁলোকে কৰা কামবোৰৰ দ্বাৰাই মানুহবোৰৰ কেনে উপকাৰ হৈছিল সেইবোৰৰ ওপৰত ভিত্তি কৰিয়েই তেওঁলোকে নিজৰ সুমান এৰি থৈ গৈছিল। আজি মানুহে নহিমিয়া আৰু তাবিথাৰ কিমান সোণ ৰূপ আছিল তাৰ বিচাৰ নলয় আৰু সেইবোৰলৈ সুঁৱৰণো নকৰে। কিন্তু সুঁৱৰণ কৰে নহিমিয়াৰ চিন্তা প্ৰাৰ্থনা আৰু তেওঁ নিৰ্মাণ কৰা সেই যিৰূচালেমৰ সেই দেৱালখনৰ কথা। তাবিথাৰো কিমান ধন সম্পত্তি আছিল তাক বিচাৰ নকৰি মানুহে আজি তাইৰ বিধৱা তিৰোতাসকলৰ প্ৰতি তাইৰ যি মৰম ভালপোৱাৰ যি পৰিচৰ্য্যা কৰি থৈ গৈছিল তাকেহে সুঁৱৰণ কৰে আৰু সেইবিলাকে আৰচলতে তেওঁলোকৰ সুনাম।

২ চমূৱেল ২৩:২০ পদ, বনায়া নামৰ দায়ূদৰ পৰাক্ৰমী পুৰুষসকলৰ মাজৰ এজনৰ নাম উল্লেখ আছে। তেওঁ তেওঁৰ নাম ৰাখি গৈছে অনেক মহৎ কাৰ্য্য কৰা এগৰাকী লোক ৰূপে। "প্ৰচুৰ ধনতকৈয়ো সুনাম বাঞ্ছনীয়।" এই কথা আমি প্ৰত্যেকেই নিজৰ নিজৰ জীৱনতো বিশেষকে প্ৰয়োগ



WORD RESOUNDS TODAY

www.Radio882.com

কৰা উচিত। আমি এই পৃথিৱীলৈ আচলতে কি এৰি থৈ যাম আমাৰ সুনাম এৰি থৈ যাম নে বদনাম এৰি থৈ যাম আমি নিজৰ জীৱন পৰীক্ষা কৰি চাওঁহক।

হিতোপদেশ ২২:২ পদ, "ধনৱান আৰু দৰিদ্ৰ উভয়ে লগ পোৱা পুই হয়, তেওঁবিলাক সকলোৰে সৃষ্টিকৰ্তা যিহোৱা।" ঈশ্বৰ যিহোৱাৰ দৃষ্টিত সকলো মানুহ একেখন ভূমিৰ ওপৰৰেই মানুহ, একেখন পৃথিৱীৰ মানুহ। বাইবেলে শিকাইছে যে আমি সকলোৱেই একে মানৱ পৰিয়ালৰে লোক। আমি সকলোৱেই পাপত পতিত প্ৰকৃতিৰ লোক, এই প্ৰকৃতিয়ে আমাক ঈশ্বৰৰ পৰা আঁতৰাই লৈ গৈছে আমি প্ৰত্যেকেই প্ৰত্যেকৰ পৰা বচাই ৰাখিব লাগিব । কাৰণ আমি মানুহে মানুহক বিশ্বাস কৰিব নোৱাৰো। বাইবেলে সেইদৰে কৈছে **"আৰু তেওঁ গোটেই পৃথিৱীত বাস কৰাবৰ কাৰণে, এজনৰ পৰাই মনুষ্যৰ সকলো জাতিকে উৎপন্ন কৰি, তেওঁবিলাকৰ নিৰূপিত কাল আৰু নিবাসৰ সীমা থিৰ কৰিলে"** (পাঁচনিৰ কৰ্ম্ম ১৭:২৬ পদ)। সেইটো দিশৰ পৰা আমি সকলো ঈশ্বৰৰ দৃষ্টিত সমান, কিন্তু আমি প্ৰভু যীচু খ্ৰীষ্টত বিশ্বাস কৰি তেওঁৰ সন্তান হওঁ। মানৱ পৰিয়ালৰ কাৰণে নহয় প্ৰভু যীচু খ্ৰীষ্টিই তেওঁৰ কালত ধৰ্মীয় নেতাসকলক এনেদৰে কৈছিল, **"তোমালোকৰ পিতৃ চয়তানৰ পৰাহে তোমালোক হলা"** (যোহন ৮:৪৪ পদ)। গতিকে পৃথিৱীত মানুহৰ দুটা পৰিয়াল আছে। সেই পৰিয়াল দুটা হৈছে ঈশ্বৰৰ সন্তানৰ পৰিয়াল আৰু চয়তানৰ সন্তানৰ পৰিয়াল।

ঈশ্বৰ সকলো মনাৱৰে সৃষ্টিকৰ্তা এই কথা সঁচা কিন্তু বাইবেলত যিটো অৰ্থত কোৱা হৈছে সেই অৰ্থৰ পৰা যদি আমি কবলৈ যাওঁ ঈশ্বৰ সকলো মানৱৰ পিতৃ নহয় বা সকলো মানুহেই ঈশ্বৰক পিতৃ বুলি সম্বোধন কৰিব নোৱাৰে। আমি যিমান লোকে ঈশ্বৰৰ পিতৃত্ব গ্ৰহণ কৰো আমি তেওঁৰ সন্তান হওঁ সেইসকল লোকেহে ঈশ্বৰক পিতৃ বুলি মাতিব পাৰো আৰু সেইসকল লোকেহে আমি পৰিয়ালৰ লোক হৈছো। আৰু সেই কাম আমি কৰো যেতিয়া প্ৰভু যীচু খ্ৰীষ্টক যেতিয়া আমি আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তাৰূপে গ্ৰহণ কৰো প্ৰভু যীচু খ্ৰীষ্টক ত্ৰাণকৰ্তা ৰূপে গ্ৰহণ কৰিলে আমি পবিত্ৰ আত্মাৰ দ্বাৰা নতুন জন্ম পাওঁ আৰু পিতৃ ঈশ্বৰৰ সন্তান হওঁ। যিসকল লোকে ঈশ্বৰৰ পিতৃত্বকেই গ্ৰহণ কৰা নাই তেওঁলোকৰ তেওঁ পিতৃ হব নোৱাৰে বা তেওঁলোক নিজেও ঈশ্বৰৰ সন্তান হব নোৱাৰে। গতিকে ঈশ্বৰৰ বিশ্বজনীন পিতৃত্বও থাকিব নোৱাৰে তেওঁ সকলোৰে সৃষ্টিকৰ্তা কিন্তু সকলোৰে পিতৃ হব নোৱাৰে।

হিতোপদেশ ২২:৩ পদ চাওঁ **"বিবেচক লোকে আপদ দেখি নিজকে লুকুৱায়, কিন্তু নিৰ্ব্বোধে আগলৈ গৈ দুখত পৰে।"** প্ৰিয় শ্ৰোতা আপুনি বুদ্ধিয়ক মানুহ হবলৈ ইচ্ছা কৰেনে? তেন্তে ভৱিষ্যতৰ কাৰণে যুগুত হওক নিজকে প্ৰস্তুত কৰক। জীৱন বীমা আদি কৰি বহু চৰকাৰী আৰু বেচৰকাৰী সংগঠন আজিকালি ওলাইছে যিবিলাকে আপোনাক সেই ক্ষেত্ৰত সহায় কৰিবলৈ ইচ্ছা কৰে। কিন্তু সেইবোৰৰ লগতে আৰু এটা ভৱিষ্যতৰ কথা আপুনি চিন্তা কৰিছেনে বাৰু? অনন্ত ভৱিষ্যতৰ কথা । বাইবেলে এনেদৰে কৈছে যে "যি মানুহে অনন্ত কালৰ নিৰাপত্তাৰ কাৰণে একো পৰিকল্পনা নকৰিব তেওঁ মূৰ্খ মানুহ।"



WORD RESOUNDS TODAY
www.Radio882.com

এবাৰ এহাল বৰ চহকী পৰিয়ালৰ লৰা ছোৱালীৰ বিয়া হৈছিল দুয়ো ঘৰ বৰ চহকী হোৱাৰ কাৰণে বিয়াৰ আগৰে পৰা বহু প্ৰস্তুতি কৰণ চলিছিল। বিয়াৰ পাছত বাস কৰিবলৈ ৰাজ অট্টালিকা সদৃশ অতি সুন্দৰ দামী ঘৰ সাজি প্ৰস্তুত কৰি ৰাখিছিল। জাক-জমকতা, চিঞৰ-বাখৰ, গান-বাজনা খোৱা বোৱা আৰু হাঁহি ধেমালীৰ মাজত বিয়াখন সম্পন্ন হৈ গৈছিল। বিয়াৰ পাছদিনাই নৱ-দম্পত্তি দামী গাড়ী এখনেৰে গৈ থাকোঁতেই গাড়ীখনৰ চালকজনে গাড়ীৰ নিয়ন্ত্ৰণ হেৰুৱায় পকীৰ দেৱাল এখনত খুন্দা মাৰি নৱ-দম্পত্তিৰে সৈত গাড়ীখনত থকা আটাইকেইজনৰ বৰ শোকাৱহ মৃত্যু ঘটাইছিল। বহু ধন ভাঙি নিৰ্মাণ কৰি প্ৰস্তুত কৰি ৰখা সেই ঘৰখনত তেওঁলোক সোমাবলৈকেই নাপালে। পাৰ্থিৱ সুখ-ভোগ কৰাৰ ৰঙা নীলা সপোনত মজি থাকি অনন্ত ভৱিষ্যতৰ নিৰাপত্তা বাবেও তেওঁলোক প্ৰস্তুত হৈ থাকিব নোৱাৰিলে। কি সাংঘাতিক দুখৰ কথা নহয়নে বাৰু? আপুনি আপোনাৰ অনন্ত ভৱিষ্যতৰ আপদ দেখা পায় নে? তাৰ পৰা মুক্তি পোৱাৰ প্ৰস্তুত্তি কৰণ হৈ গল নে বাৰু?

হিতোপদেশ ২২:৬ পদ **“লৰাক তাৰ চলিবলগীয়া পথ অনুসাৰে শিক্ষা দিয়া, তাতে সি বুঢ়া হলেও তাক নেৰিব।”** ল’ৰাই তাৰ চলীব লগীয়া পথটো হৈছে ঈশ্বৰৰ ব্যৱস্থা অনুসাৰে চলীব লগীয়া পথ। পিতৃ মাতৃ মনোবিজ্ঞানী আধুনিক শিক্ষা বা লৰা ছোৱালীৰ নিজৰ ইচ্ছা পৰামৰ্শ  মন্ত্ৰণা বা ব্যৱস্থা অনুসাৰে চলা পথ নহয়। এগৰাকী বিখ্যাত লোকে এনে কৈছিল মোৰ অতি পূজ্যা স্বৰ্গীয় মায়ে মোক সৰু কালৰে পৰা ঈশ্বৰৰ ব্যৱস্থাৰ দৰে শিক্ষা দিছিল। চাণ্ডেস্কুললৈ নগলে দুটা গাল চুমাৰে উপচায় পেলোৱা নাছিল। বাঁহৰ কেঁচা চেকনীৰে মোৰ দেহ পিঠিত কি যে ভাংগৰা নাচ বিহু নাচ নাচিছিল ভাবিলে এতিয়াও গা শিৰশিৰাই। সময়ত এচাৰীৰ সেই নাচ ঈশ্বৰৰ পথলৈ আগ বঢ়াই নিয়াত সহায়ক হৈছিল। মোক শিকালে আৰো এতিয়া মই পকা চুলীয়া বয়সতো সেই পথ এৰা নাই কেতিয়াও নেৰো আপুনি একা প্ৰিয় শ্ৰোতা?

হিতোপদেশ ২২:১৩ পদ, **“এলেহুৱাই কয়, বাহিৰত এটা সিংহ আছে, চকত মোক বধ কৰা হব।”** আকৌ সেই এলেহুৱাৰ কথাকে ইয়াত কোৱা হৈছে এলাহ কৰি কাম কৰিবলৈ হেলা কৰা লোকৰ কথা । প্ৰিয় শ্ৰোতা আমি বাইবেলত যদি চিন দি যাওঁ তেতিয়া হলে হিতোপদেশ পুস্তকত এলেহুৱাৰ বিষয়ে পোনপটিয়া ৭ বাৰ উল্লেখ আছে বুলি আমি গম পাওঁ। প্ৰথম উল্লেখত তাক পৰুৱাৰ ওচৰলৈ যাবলৈ কোৱা হৈছে(৬:৬পদ, দ্বিতীয় উল্লেখত এলেহুৱাক বিচনা এৰিবলৈ কোৱা হৈছে(৬:৯পদ), তৃতীয়া উল্লেখত এলেহুৱাক নাক বজাই বজাই শুই থকা অৱস্থাত পোৱা গৈছে (১৯:১৫পদ) চতুৰ্থতে কাঁহিৰ ভাত মুখলৈ নিবলৈকে টানপোৱাৰ কথা কোৱা হৈছে(১৯:২৪পদ), পঞ্চমতে এলেহুৱাক ঠাণ্ডাত হাল নোবোৱাৰ কথা কৈছে (২০:৪পদ), ষষ্ঠবাৰ উল্লেখ কৰোতে এলেহুৱাই স্ব-ইচ্ছাই কাম কৰিবলৈ সিদ্ধান্ত নলয়(২১:২৫পদ)।

হিতোপদেশ ২২:১৩পদ, **“সপ্তমবাৰ এলেহুৱাই কম্বলৰ ভিতৰৰ পৰা বাটত ৰৈ থকা সিংহটো দেখি পঠোৱা আমি দেখা পাওঁ।”** কি যে কব এলেহুৱাৰ কথা এলেহুৱাৰ কথা কৈ থাকিলে জ্বৰ উঠিব খোজে।



WORD RESOUNDS TODAY
www.Radio882.com

হিতোপদেশ ২২:১৫পদ, **“লৰাৰ মনত অজ্ঞানতা বন্ধ হৈ থাকে, কিন্তু শাস্তিৰ চেকনীয়ে তাক তাৰ পৰা দূৰ কৰিব।”** লৰা ছোৱালীক উপযুক্ত ভাৱে গঢ় দিয়া কথাকটো দুহাৰি থকা হৈছে। এই কথাটো বৰ দৰকাৰী কথা সেয়ে এই কথা বাৰে বাৰে উল্লেখ কৰা হৈছে। অনুশাসনেৰে লৰা–ছোৱালীক গঢ় দিব পাৰি, আৰু সেই অনুশাসনে তেওঁলোকৰ মূৰ্খামি দূৰ কৰে।

হিতোপদেশ২২:১৬ পদ, **“নিজৰ ধন বঢ়াবৰ নিমিত্তে দৰিদ্ৰক উপদ্ৰৱ কৰোঁতা, আৰু ধনৱানক দান কৰোঁতা, এই দুয়ো অৱশ্যে দৰিদ্ৰতা প্ৰাপ্ত হব ।”** প্ৰিয় শ্ৰোতা নিজৰ ধন বঢ়াবৰ নিমিত্তে দৰিদ্ৰক উপদ্ৰৱ কৰোঁতাজন অসূৰ আৰু ধনৱানক দান কৰোঁতাজন পাগল। ভাৱি চাওকচোন মানুহ এজনে যি অসূৰ আৰু পাগল হব লগা হয় তেন্তে তাৰ শেষ গতি কি হব লাগিব।

হিতোপদেশ ২২:১৭–২৩পদ, **“তুমি কাণ পাতি জ্ঞানৱানবিলাকৰ কথা শুনা, আৰু মোৰ জ্ঞানত তোমাৰ মন লগোৱা। কিয়নো তুমি যদি সেইবোৰক তোমাৰ অন্তৰত ৰাখা, আৰু সেই সকলোবোৰ যদি তোমাৰ ওঠঁত লাগি থাকে, তেন্তে সেয়ে সুখজনক হব। যিহোৱাত তোমাৰ বিশ্বাস হবৰ নিমিত্তে, মই আজি তোমাক, অকল তোমাকেইহে এই সকলো জনালোঁ। তোমাক পঠোৱাবিলাকক যেন তুমি সত্য উত্তৰ দিব পাৰিবা, এই নিমিত্তে সঁচা বাক্যৰ যথাৰ্থতা তোমাক বুজাবলৈ, পৰামৰ্শ আৰু জ্ঞানবিষয়ক উত্তম কথা জানো তোমালৈ মই লিখা নাই? দৰিদ্ৰ বুলি দৰিদ্ৰৰ বস্তু কাঢ়ি নিনিবা, আৰু নগৰৰ দুৱাৰত দুখীয়াক উপদ্ৰৱ নকৰিবা, কিয়নো যিহোৱাই তেওঁবিলাকৰ অভিযোগ প্ৰতিবাদ কৰিব, আৰু যিবোৰে তেওঁবিলাকৰ বস্তু কাঢ়ি লয়, সিহঁতৰ প্ৰাণ কাঢ়ি নিব।”** কথাখিনি আমি ইতিমধ্যে হিতোপদেশৰ ১:১–৬ পদলৈকে আলোচনা কৰোঁতে প্ৰায় আলোচনা কৰিয়েই আহিছো। ইয়াত জ্ঞানৰ উৎকৃষ্টতাৰ কথা কোৱা হৈছে যি জ্ঞান বা প্ৰজ্ঞা আমি ঈশ্বৰৰ পৰা পাব পাৰো সেই বিশেষ জ্ঞানৰ কথা কোৱা হৈছে। আৰু এই জ্ঞানেই আমাক এই পৃথিৱীত জীয়াই থাকোতে নিশ্চয় সহায় কৰিব ।

হিতোপদেশ২২:২৪ পদ, **“খঙাল লোকৰ লগত বন্ধুতা নকৰিবা, আৰু ক্ৰোধী লোকে সৈতে নুফুৰিবা।”** প্ৰিয় শ্ৰোতা পকা জলকীয়াৰ নিচিনা খঙাল মানুহ আপুনি দেখিছে নে? অনবৰতেই চকু ৰঙা কপাল খোপা লগত মানুহ নাথাকিলে গৰম গাৰ খজুৱতি লিখি থকা কলম ম’হ মাখি ইত্যাদিবোৰৰ ওপৰতেই খঙ খায়। খঙতে ভুৰভুৰাই থাকে এহ....নিলাজ গেলা গৰম হোপা, কেতিয়া যে যাব মৰা গৰম হোপা, এই পাপিষ্ঠৰ পিঠি ডালক ইমানকে খজুৱাবলৈ কিহকে পাইছে? ভুতে পোৱা নাইতো ইত্যাদি। খঙে নিজৰ স্বভাৱ, নিজৰ নাম কাম পৰিয়াল লৰা ছোৱালী বন্ধু বান্ধৱী এনেকি নিজৰ স্বাস্থ্য পাতিলৈকো নষ্টামি নমই লৈ আহে। গতিকে অনবৰতেই পকা জলকীয়া হৈ থকা ভাল নহয়। খঙ সামৰিব নোৱাৰিলে দা এখন লৈ কলৰ বাৰীত সোমাব আৰু কলগছবোৰকেই এফালৰ পৰা কাটিব খঙ জাহ পৰিব। মনত ৰাখিব প্ৰিয় শ্ৰোতা খঙালৰ লগত খঙালেও বন্ধু নাপাতে আনৰ কথাটো বাদেই দিয়ক ।

WORD RESOUNDS TODAY



www.Radio882.com

হিতোপদেশ ৭:২৫ পদতো খঙালৰ কথাকেই কোৱা হৈছে যে খঙালৰ সংগী হলে সংগীসকলেও খং আচৰণ শিকিব আৰু নিজে চলা পথত নিজে চিটিকা পাতি লব। হিতোপদেশ ২২:২৬–২৭ পদত কাম নোহোৱা মানুহৰ কথা কৈছে হাতত চাপৰ মৰা কাম বা বৰ ডাংকোপ মাৰি ফুক জহি কথাৰে জামিন হৈ কামবোৰ জানো কাম নথকা মানুহৰ কাম। এওঁলোকৰ গাত নাথাকে চাল–বাকলি কিন্তু মদ খাই তিনি টেকেলী । এওঁলোকৰ ঘৰত দেখিব ঢকুৱাৰ বেৰ কিন্তু বাহিৰত দেখিব বৰ চুৰীয়াৰ ফেৰ । বৰ হাঁহি উঠা কাৰবাৰ এওঁলোকৰ।

হিতোপদেশ ২২: ২৬–২৭ পদ **"যিবোৰে হাতত চাপৰ মাৰে, বা যিবোৰে ধাৰৰ নিমিত্তে জামিন হয়, তুমি সিহঁতৰ মাজৰ এজন নহবা, যদি ধাৰ খুজিবলৈ তোমাৰ উপায় নাথাকে, তেন্তে গাৰ তলৰ পৰা তোমাৰ শয্যা সি কিয় লৈ যাব?"**

এতিয়া বৰ দৰকাৰী কথাৰ পদলৈ আহিছো হিতোপদেশ ২২: ২৮ পদ, **"তোমাৰ পূৰ্ব্ব-পুৰুষবিলাকে স্থাপন কৰা মাটিৰ সীমাৰ পুৰণি চিন নলৰাবা।"** ঈশ্বৰে যেতিয়া ইস্ৰায়েলক মিচৰ দেশৰ পৰা উলিয়াই লৈ আহিছিল, তেওঁ তেওঁলোকক বসতি কৰিবৰ নিমিত্তে মাটি দিছিল, তেওঁ প্ৰত্যেক ফৈদক বসতি কৰিবলৈ এক এক এলেকা বসতি কৰিবৰ নিমিত্তে মাটি দিছিল । এনেকি প্ৰত্যেক ফৈদৰ প্ৰতিটো পৰিয়ালৰ নিমিত্তে একো একো ডোখৰ মাটি দিছিল । প্ৰতিটো পৰিয়ালেই নিজৰ নিজৰ মাটি ডোখৰ একো একোটা স্থায়ী চিনেৰে সীমাৰ চিন দিব লাগিছিল সাধাৰণতে শিলৰ খুটাৰে মাটিৰ সীমাৰ চিহ্ন দিয়া হৈছিল । মাটি যেতিয়া আমি আগচি লওঁ বা যেতিয়া আমি কিনো আমিও বেৰ দি নাইবা নলা নৰ্দমা কাটি মাটিৰ সীমা নিৰ্ধাৰণ কৰি লওঁ ।

সীমা নিৰ্ধাৰণ কৰি লোৱাৰ অৰ্থ হৈছে আমি আমাৰ মাটি সীমাৰ ভিতৰতেই থাকিব লাগিব তাৰ পৰা যেন আগবাঢ়ি গৈ আনৰ মাটিৰ ফালে সীমা ঠেলা নহয় । ইস্ৰায়েল জাতিক ঈশ্বৰে মাটিৰ সীমাৰ সংক্ৰান্তত কিছুমান নীতি নিৰ্ধাৰণ কৰি দিছিল। এই বুলি **"তোমাৰ ঈশ্বৰ যিহোৱাই আধিপত্যৰ অৰ্থে তোমাক যি দেশ দিছে, সেই দেশত তুমি পাব লগা আধিপত্যত পূৰ্ব্বকালৰ লোকবিলাকে স্থাপন কৰা তোমাৰ ওচৰ-চুবুৰীয়াৰ সীমাৰ চিন নলৰাবা"** (দ্বিতীয় বিৱৰণ ১৯: ১৪ পদ)।

এই পুৰণি সীমাবোৰেই যুগ যুগ ধৰি স্থায়ী সীমা আছিল। সীমাৰ খুঁটিবোৰ যেন লৰোৱা নহয় সেইটো বৰ প্ৰয়োজনীয় কথা আছিল। কাৰণ যেতিয়া কোনো মানুহ বৃদ্ধ হয় আৰু চকুৰ দৃষ্টি হেৰুৱায় তেতিয়া কোনো ওচৰ চুবুৰীয়াই তেওঁৰ দৃষ্টিহীনতাৰ সুযোগ লৈ তেওঁৰ মাটিৰ সীমাৰ পুৰণি খুঁটি লৰায় সীমা ঠেলিব পাৰে। ঈশ্বৰে কৈছিল তেনে কাম কোনো কৰিব নালাগিব তেনে কৰাটো অন্যায় কাম হব।



WORD RESOUNDS TODAY
www.Radio882.com

ইয়াৰ পৰা আমাৰ খ্ৰীষ্টিয় জীৱনৰ বাবে বৰ প্ৰয়োজনীয়া আৰু ডাঙৰ শিক্ষা আহৰণ কৰিব পাৰো। আজি আমি যিসকল লোকে লক্ষ্য কৰিবলৈ ইচ্ছা কৰো সেই সকলে দেখা পাওঁ যে আমাৰ খ্ৰীষ্টিয় বিশ্বাসৰ পুৰণি সীমা খুটিবোৰ লৰোৱা হৈছে। খ্ৰীষ্টিয় মণ্ডলীত প্ৰৱেশ কৰা নতুন শিক্ষা আৰু নৰম পন্থাবাদৰ শিক্ষকসকলে খ্ৰীষ্টিয় বিশ্বাসৰ পুৰণি খুঁটিবোৰ লৰায় কবলৈ লৈছে এনে কথাবোৰ। মাটিৰ সীমাৰ পুৰণি খুঁটিৰূপ পৌলৰ দিনৰ সেই শিক্ষাটো এতিয়া আৰু সময় উপযোগী নহয়। বাইবেল শিক্ষাৰ জ্ঞানত আমি যিহেতু ইমান দিন দূৰলৈ আগুৱালো গতিকে আমি আৰু এতিয়া বিশ্বাস কৰি থাকিব নালাগিব যে বাইবেলখন ঈশ্বৰ নিশ্বাসিত বাক্য আৰু সেইটো বিশ্বাস আমি সহজে জালঞ্জলি দিব পাৰো। খ্ৰীষ্টৰ ঈশ্বৰত্বৰ বিশ্বাসক আমি এতিয়া পাহৰিব পাৰো এনেকুৱা বহুতো কথা তেওঁলোকে কব খোজে ।

বহু প্ৰাচীনলোকে খ্ৰীষ্টিয় সমপ্ৰদায়ৰ মণ্ডলীসমূহে বাইবেলৰ এই প্ৰধান আৰু প্ৰয়োজনীয় শিক্ষাবোৰ বাদ দিছে বৰ্তমান সময়ত খাপ খাই চলিবলৈ ইচ্ছা কৰিছে বাবেই। কিন্তু সীমাৰ পুৰণি খুঁটি লৰায় আমি আগবাঢ়ি গৈ বহু প্ৰয়োজনীয় বাইবেল শিক্ষা বাদ দিয়াৰ সলনি আমি পুনৰ সীমাৰ পুৰণি খুঁটিলৈ ঘূৰি গৈ সেই প্ৰয়োজনীয় শিক্ষাবোৰত লাগি থকাহে প্ৰয়োজন । কাৰণ সীমাৰ সেই পুৰণি খুঁটিবোৰে খ্ৰীষ্টিয় লোকৰ দেশ আৰু জাতিসমূহক বৰ মহান কৰি তুলিছিল। নৈতিক মূল্যবোধ, আধ্যাত্মিক সত্যতা আৰু বাইবেল শাস্ত্ৰীয় ভিত্তি ইত্যাদি বিলাকৰ নিচিনা। সীমাৰ পুৰণি খুঁটিবোৰ আজি লৰায় পেলোৱা হৈছে আৰু সেই বাবেই নামি আহিছে গোটেই সমাজলৈ অৱক্ষয় ।

বৰ্তমানৰ সমাজৰ সমস্যাসমূহৰ সমাধান সমূহ কি কি হব পাৰে? সেইবোৰ জনা কথা কৈ ফুৰা শিক্ষক আজি অনেক তেওঁলোকে কয় যে সমস্যা সমূহৰ সমাধান সমূহ হৈছে সামাজিক আৰু মনোবৈজ্ঞানিক ভিত্তিক। আজি কোনো ৰাজনৈতিক নেতা, অৰ্থনীতিবিদ বা সামজবিদে নকয় যে সমাধানবিলাক আচলতে ঈশ্বৰৰ বাক্যৰ ওপৰত প্ৰতিৰ্ষ্ঠিত হব লাগে যে সকলো সমস্যাৰ সমাধান বাইবেল শাস্ত্ৰতে আছে। আমাৰ দেশ আৰু জাতিবিলাকে সীমাৰ যি পুৰণি খুঁটিবোৰৰ ভিতৰত থাকি শান্তিৰে চলিছিল। আমি সেই পুৰণি সীমালৈকে আকৌ ঘুৰি যাব লাগে নহলে নিস্তাৰ নাই ।

হিতোপদেশ ২২:২৯পদ, **“নিজ ব্যৱসায়ত পৰিশ্ৰমী হোৱা লোকক তুমি দেখিছা নে? সেই লোক ৰজাবিলাকৰ আগত থিয় হব, নীহ লোকৰ আগত থিয় নহব।”** ঈশ্বৰে কৈছে যে পৰিশ্ৰমী সকলক তেওঁ আশীৰ্ব্বাদযুক্ত কৰিব । পৰিশ্ৰমী লোকসকলৰ ক্ষেত্ৰত প্ৰভু যীচুৱেও এনেদৰে ক'ব, "চাবাইচ, উত্তম বিশ্বাসী দাস" (মথি ২৫:২১পদ) ।আপোনাৰ ক্ষেত্ৰতো প্ৰভুৱে এনেকৈ কব বুলি আপুনি আশা কৰেনে বাৰু প্ৰিয় শ্ৰোতা? ঈশ্বৰ আপোনাৰ সংগী হওক; আমেন ।

<u>পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:</u>

১) বনায়া কোনজন ৰজাৰ বীৰ পুৰুষ আছিল?



WORD RESOUNDS TODAY
www.Radio882.com

২) কোনে এই আজ্ঞা দিছিল "তোমাৰ ওচৰ চুবুৰীয়াৰ সীমাৰ চিন নলৰাবা।" ?

৩) কেনে ধৰণৰ লোক আপদ দেখি নিজকে লুকুৱায় ?

৪) “লৰাক তাৰ চলিবলগীয়া পথ অনুসাৰে শিক্ষা দিয়া, তাতে সি বুঢ়া হলেও তাক নেৰিব।” শাস্ত্ৰাংশটি ক'ত উল্লেখ আছে?

WORD RESOUNDS TODAY



www.Radio882.com

হিতোপদেশ ২৩ নং অধ্যায়

আজি আমি হিতোপদেশ ২৩নং অধ্যায়টো আলোচনাৰ বাবে লৈছো । এই ২৩ নং অধ্যয়াটো কিছু দীঘল অধ্যায় । অধ্যায়টোত উল্লেখ থকা বহুকেইটা পদ একেই হোৱাত সেইবোৰ আমি পুনৰ আলোচনা নকৰো । অৱশ্যে আটাইকেইটা ৩৫টা পদ পাঠ কৰিবলৈ চেষ্ঠা কৰিম ।

আমি কিছুদিন আগতে প্ৰজ্ঞাৰ বিদ্যালয় আৰু মহাবিদ্যালয়ৰ কথা কৈছিলো মনত আছেনে বাৰু ? প্ৰজ্ঞাৰ এই বিদ্যালয় আৰু মহা বিদ্যালয়ৰ শিক্ষাৰ্থীৰ ৰূপে আমি বহুকেইহটা পাঠ্যক্ৰমৰে শিক্ষা আহৰণ কৰিছো নহয় নে বাৰু ? যেনে জ্ঞান, মূৰ্খামি, এলাহ, পৰিশ্ৰমী হোৱা দন্দুৰী মহিলা, ধন সম্পত্তি, লৰা-ছোৱালীৰ লালন পালন ইত্যাদি আৰু অনেক প্ৰয়োজনীয় পাঠ্যক্ৰম ।আমাৰ পাঠ্যক্ৰম শেষ হবলৈ আৰু বেচি দিন নাই ।আমি সোনকালে স্নাতক খিতাপ লৈ যাবগৈ পাৰিম নিশ্চয় ।

এতিয়া অধ্যয়াটোৰ হিতোপদেশ২৩:১-৩ পদলৈকে পাঠ কৰি যাওঁ, **“তুমি কোনো শাসনকৰ্ত্তাৰে সৈতে ভোজন কৰিবলৈ বহিলে, তোমাৰ আগত কোন আছে, তাক ভালৰূপে বিবেচনা কৰা, কিয়নো তুমি আহাৰ-লোভী মানুহ হলে, নিজৰ ডিঙিত নিজে চুৰী দিবা, তেওঁৰ উত্তম খোৱা বস্তুলৈ হেপাহ নকৰিবা, কিয়নো সেয়ে প্ৰবঞ্চক আহাৰ।”**

ইয়াৰ অৰ্থ হল, যেতিয়া বিশেষ মানুহে খোৰা-বোৱালৈ নিমন্ত্ৰণ কৰে, তেতিয়া গৈ পোৱা সময়ৰ পৰা খোৱা সময়লৈকে সুন্দৰ আচৰণ কৰি শালীনতা বজাই ৰাখি স্থিৰে, সুস্থিৰে, সজাগে সতপন্নে ভোজ পান কৰিব লাগে । কেতিয়াও নোপোৱা বিধৰ আহাৰ খোৱা সন্মূখত দেখিয়েই গাহৰিৰ আচৰণেৰে আচৰণ নকৰিব । আৰু কৰিবলৈ টান পায় নিজৰ থু-পানীকে চোবাই থকা লোক নহব । পইচাক লৈ নোম টেঙৰ মানুহ নহব । ঈশ্বৰতকৈ আপুনি বা মই অধিক টেঙৰ মানুহ হব নোৱাৰো । ঈশ্বৰে পইচাত পাখি লগাই দিলে ই উৰি গুচি যাবগৈ ।

প্ৰায় ২০ বছৰমান কাম কৰাৰ মূৰকত এজন মানুহে ৯০ হাজাৰ মান টকা আৰ্জিছিল । সেইখিনি অৰ্জনৰ পৰা তেওঁ জনাত প্ৰভুৰ ভাগখিনিও দি দিয়া হৈছিল ভুল হলে তেওঁক প্ৰভুৱে নিশ্চয় ক্ষমা কৰিব বুলি আশা কৰে । তেওঁ ভাবিছিল যে জীৱনত কিবা অলপ আৰ্জিলে পৰিয়ালৰ দুটা ডাঙৰ ডাঙৰ কাৰণৰ কাৰণে ডেৰ লাখ মান টকা দুটা বছৰতেই উৰি গল । ৬০ হাজাৰমান তেওঁৰ ধাৰে লাগিল । ৰাজ্যৰ সাহায্য আৰু প্ৰভুৰ সহায়ত তেওঁ ধাৰবোৰ মাৰি এতিয়াও ২৪/২৫ হাজাৰমান তেওঁৰ ধাৰ আছে । এই কথাখিনি তেওঁ খুলাখুলি ভাৱে প্ৰকাশ কৰিছিল । তেওঁ আছিল এগৰাকী ঈশ্বৰৰ সেৱক তেওঁৰ জীৱনতেই এনেকুৱা অভিজ্ঞতা ঘটি গৈছে । টকাক লৈ কোনেও কাকো আশা ভৰসা কৰিব নোৱাৰে । পাখি ঈশ্বৰে লগাই দিলে সেই টকা কৰবালৈ উৰি যায় । এই কথা আমি সকলোৱেই মনত ৰখা উচিত ।



WORD RESOUNDS TODAY

www.Radio882.com

হিতোপদেশ ২৩:৬-৮ পদ **"কুদৃষ্টিৰ লোকৰ আহাৰ ভোজন নকৰিবা, আৰু তাৰ উত্তম খোৱা বস্তুলৈ হেপাহ নকৰিবা, কিয়নো তাৰ মনৰ ভাৱ যেনেকৈ, তাৰ প্ৰকৃতিও তেনেকৈ, তুমি ভোজন পান কৰা, এই কথা সি তোমাক কয় হয়, কিন্তু তাৰ মন তোমালৈ ভাল নহয় । তুমি যি গৰাহ খালা, তাকো বঁতিয়াই পেলাবা, আৰু তোমাৰ মধুৰ বাক্য নিস্ফল কৰিবা।"** এইয়া যুৱক-যুৱতীসকললৈ বিশেষকৈ ডেকা পালক, প্ৰচাৰকসকললৈ সুন্দৰ পৰামৰ্শ । বহুতো লোকে কেতিয়াবা খুৱাই বোৱাই লোৱাৰ পাছতো আপোনাৰ কাম, আপোনাৰ কথা, আপোনাৰ ভাৰ্য্যা আপোনাৰ পৰিয়াল এনেকি আপোনাৰ চেহেৰা-পাতি বা গাৰ গড় গঠন আদিক লৈ আপোনাক হেয় প্ৰতিপন্ন কৰিব পাৰে বা লাজ দিব পাৰে । প্ৰভুৰ পৰিচৰ্য্যাত যোৱা ইমানটা বছৰে আপোনাৰ এই তাৎপৰ্যহীন দাসৰো এই অভিজ্ঞতা আছে । দিয়া পাদুৰী চাহাব আপুনি স্বৰ্গলৈ গলে আমিও যেন আপোনাৰ চুলাতে লাগি যাব পাৰো এনে কথা এগৰাকী বয়োবৃদ্ধা লোকে এগৰাকীক কৈছিল ।

এবাৰ এগৰাকী মানুহৰ ঘৰত দুপৰীয়াৰ আহাৰ খাবলৈ গৈছিল ঈশ্বৰৰ ভক্তলোকে । ঘৰৰ মালিকনীজনীয়ে পাকঘৰত কাম কৰা ছোৱালীজনীক এনেদৰে কৈছিল যা চোন যা চাই আহিবি আৰু ভাত লাগিব নেকি? সেই আলহী দুটাচোন গাহৰি নিচিনাকৈ খাইছে ।তেওঁৰ সৰু ছোৱালীজনীয়েও তাকে শুনি খাই থকা সেই খাই থকা ঠাইলৈকে আহি দেউতাকক কৈছিল বাবা বাবা আলহী দুজনে হেনো গাহৰীৰ দৰে খাইছে মায়ে এই  বুলি কৈছে ।খাবলৈ দিও ঘৰৰ আলহীৰ প্ৰতি গৃহিনীৰ ভাৱ ধাৰা চাওকচোন । খোৱা ভাতখিনি আঙুলি ভৰাই বমি কৰি থৈ আহিবলৈ নিশ্চয় তেওঁলোকৰ মন গৈছিল । এই পদকেইটাত এনকুৱা মানুহবিলাকৰ পৰা সাৱধানে থাকিবলৈ পৰামৰ্শ আগবঢ়োৱা হৈছে ।

হিতোপদেশ ২৩:৯-১০ পদ, "অজ্ঞানৰ কাণত কথা নকবা, কিয়নো সি তোমাৰ জ্ঞানৰ কথা তুচ্ছ কৰিব। মাটিৰ সীমাৰ পূৰণি চিন নলৰাবা, আৰু পিতৃহীনবিলাকৰ পথাৰত নোসোমাবা|" সুন্দৰ পৰামৰ্শবোৰো অজ্ঞানৰ বাবে অনৰ্থক কথা, গাহৰিৰ আগত মুকুতা যেনে অজ্ঞানৰ মনত সজ পৰামৰ্শও তেনে ।গৰূৰ আগত টুকাৰি বায় শিং জোকাৰি ঘাঁহ খায় অজ্ঞানৰো অৱস্থা আচলতে তেনেকুৱাই। বাঁহী বা টুকাৰিৰ সু দি সুৱলা শব্দৰ কোনো মূল্য গৰুৱে বুজি নাপায়। তেনেকুৱা গৰুৰ আগত যদি সুললিত সংগীত বাদ বাদ্য বজোৱা হয় সেই গৰুৱে শিং জোকাৰি ঘাঁহ খাই থাকিব। অজ্ঞানৰ কথাও ঠিক তেনেকুৱাই হয় সুন্দৰ সুন্দৰ পৰামৰ্শবোৰ অজ্ঞানৰ বাবে একেবাৰে অৰ্থহীন কথা। গাহৰিৰ আগত মুকুতা যেনে অজ্ঞানৰ মনত সজ পৰামৰ্শবোৰো তেনে । এই ১০ নং পদৰ কথাষাৰ আমি ইতিমধ্যে ২২:২৮ পদত পাই আহিছো আৰু তাত দীঘলীয়া আলোচনা কৰি আহিছো গতিকে ইয়াত একখিনি কথাকে আমি পুনৰ আলোচনা কৰিব খোজা নাই। ১১নং পদৰ কথাষাৰো প্ৰায় ১০ নং পদৰ কথাষাৰৰ লগত একে ।সেয়ে পুনৰ ব্যাখা আমি গাগবঢ়াব খোজা নাই । ১২ নং পদৰ পৰামৰ্শৰ দৰে একে পৰামৰ্শ বাৰে বাৰে আলোচনা কৰা হৈছে সেয়েহে এই কথাখিনিও আমি বাৰে বাৰে আলোচনা কৰিব খোজা নাই ।

WORD RESOUNDS TODAY



www.Radio882.com

হিতোপদেশ ২৩: ১১-১২ পদ, **"কিয়নো তেওঁবিলাকৰ মুক্তিকৰ্ত্তা বলৱান, তেওঁ তোমাৰ অহিতে তেওঁবিলাকৰ অভিযোগ প্ৰতিবাদ কৰিব। তুমি শিক্ষালৈ মনোযোগ কৰা ,আৰু জ্ঞানৰ কথালৈ কাণ পাতা।"**

হিতোপদেশ ২৩:১৩ পদ, **"লৰাক শাস্তি দিবলৈ ক্ৰুটি নকৰিবা, কিয়নো তুমি তাক চেকনীৰে কোবালে সি নমৰিব।"** আমি আমাৰ লৰা-ছোৱালীক প্ৰভুৰ শিক্ষা আৰু চেতনাৰে গঢ় দিব লাগে (ইফিচীয়া ৬:৪ পদ)। ল'ৰা ছোৱালীয়ে কেতিয়াও এই ধাৰণা পাব নালাগিব যে মাক-দেউতাকে তেওঁলোকক শাস্তি দিছে বৰং সদায় এইটোকে গম পাব লাগিব যে মাক দেউতাকে তেওঁলোকৰ ভালৰ কাৰণে শাসনত ৰাখিছে। কাৰণ শাসনত প্ৰতিপালন কৰোতেও যদি ল'ৰা ছোৱালী ভাল হোৱাৰ আশা নাথাকে। তেন্তে অকণো শাসনত গঢ় দিয়া নহলে ল'ৰা ছোৱালীৰ পৰা কি আশা কৰিব পাৰি।

হিতোপদেশ২৩:১৪-১৮পদ, **"তুমি তাক চেকনীৰে কোবাবা, আৰু তাৰ আত্মা চিয়োলৰ পৰা ৰক্ষা কৰিবা। হে মোৰ বোপা, তোমাৰ মন জ্ঞানী হলে, মোৰো মন আনন্দিত হব, এনে কি, তোমাৰ ওঁঠে যথাৰ্থ কথা কলে মোৰ অন্তঃকৰণ উল্লাসিত হব । তোমাৰ মনে পাপীবোৰক ঈৰ্ষা নকৰক, কিন্তু তুমি ওৰে দিনটো যিহোৱাৰ ভয়ত থাকা, কিয়নো অৱশ্যে পুৰস্কাৰ আছে, আৰু তোমাৰ আশা ছেদ কৰা নহব।"**

প্ৰিয় শ্ৰোতা ইয়াতো ল'ৰা ছোৱালীক শাসনৰ কথা কোৱা হৈছে আমি ল'ৰা ছোৱালীক যদিহে শাস্তি দিওঁ অপথে যোৱাৰ পৰা বাধা দি ৰাখোঁ তেন্তে ল'ৰা ছোৱালী তাৰ পৰা লাভৱান হব। কাৰণ তেনেদৰে উচিত পথলৈ যদি আমি ল'ৰা ছোৱালীক আনো তেনেহলে সেই ল'ৰা ছোৱালী ধ্বংস নহব, আত্মিক ভাৱে ধ্বংস প্ৰাপ্ত নহব, তেওঁলোকৰ আত্মা নৰকলৈ নাযাব। এৰা, ঈশ্বৰৰ পথত ল'ৰা ছোৱালীক সুস্থিৰ কৰি ৰাখিবলৈ প্ৰত্যেকজন পিতৃ-মাতৃয়ে মনত স্থিৰ কৰা উচিত।

তাৰ পাছত হিতোপদেশ২৩:১৯-২১ পদলৈকে আমি পাওঁ ডেকাসকলৰ বাবে সুন্দৰ পৰামৰ্শ। তেওঁলোকে কেনে সংগ আৰু বন্ধু-বান্ধৱৰ সৈতে সম্বন্ধ ৰাখি চলে সেইটো বৰ প্ৰয়োজনীয় কথা। দুষ্টৰ সংগ ললে দুষ্ট আৰু ভালৰ সংগ ললে ভাল হোৱাটোকেই স্বাভাৱিকতেই দেখা যায়। যুৱক-যুৱতীসকলৰ জীৱনত প্ৰভাৱ আৰু পৰিৱেশে বৰ প্ৰভাৱ পেলাই। আজিৰ আধুনিক মাধ্যমবিলাকৰ যোগেৰে যিবিলাক দেখুওৱা, শুনোৱা বা পঢ়োৱা হয় সেইবিলাক বহু ডেকা-গাভৰুক বিপথগামী কৰিছে। চয়তান বৰ ধূৰ্ত্ত কেনেকৈ কওঁ শুনিব দূৰদৰ্শনত দেখুওৱা হয় যে ডকাইতি কৰা এটা বৰ অসৎ বৃত্তি তাৰে সমাজৰ অপকাৰৰ বাহিৰে একো নহয়। তাকে শিকাবলৈ গৈ এজন ডকাইতে কেনেকৈ বৰ এক অভিনৱ প্ৰথাৰে ডকাইতি কৰি মানুহৰ সাহাকাৰ লগাই সেই দৃশ্যটো দেখাই কোৱা হৈছিল, দেশৰ আইনে এনে শান্তি ভংগকাৰীসকলক বৰ কঠোৰ হাতেৰে দমন কৰিব লাগে যথোপযুক্ত শাস্তি বিহিব লাগে আৰু সীমা চেৰাই যোৱা দুষ্কৃতিকাৰীহঁতক কঠোৰ হাতেৰে নিৰ্মূল কৰিব লাগে। কিন্তু সচতানে বেছিভাগ ডেকাৰ মন কত জব্দ কৰে জানেনে? ডকাইতি কৰা অভিনৱ প্ৰথাটো শিকা আৰু সেইদৰে



WORD RESOUNDS TODAY
www.Radio882.com

কামত খটায় চোৱা। গতিকে আজি সাৱধান হৈ সকলো কথা গণি গুথি চাইহে আমি উঠি অহা চামক শিক্ষা দিয়াটো ভাল। ঘৰৰ দূৰদৰ্শন নিয়ন্ত্ৰণ কৰা যন্ত্ৰটো ঘৰৰ জেষ্ঠ্যজন হাতত থকা ভাল দূৰদৰ্শন যন্ত্ৰটো মানুহে দেৱদূতৰ বাকচ বা ভূতৰ বাকচ হিচাপেও ব্যৱহাৰ কৰিব পাৰে।

হিতোপদেশ২৩:১৯-২১ পদ, **"হে মোৰ বোপা, তুমি শুনি জ্ঞানী হোৱা, আৰু তোমাৰ মনক সৰল পথত চলোৱা।যিবোৰে অপৰিমিতৰূপে দ্ৰাক্ষাৰস পান কৰে আৰু মাংস ভোজন কৰে, সিহঁতৰ সংঙ্গী নহবা ; কিয়নো মতলীয়া আৰু খকুৱা লোকৰ দৰিদ্ৰতা ঘটে, নিদ্ৰালুতাই মানুহক ফটাকানি পিন্ধায়।"**

হিতোপদেশ ২৩:২২পদ, **"যাৰ ঔৰসত তুমি জন্মিলা, তোমাৰ এনে পিতৃৰ কথা শুনা, আৰু তোমাৰ মাতৃৰ বৃদ্ধা কালত তেওঁক হেয়জ্ঞান নকৰিবা।"** বিদ্যালয় আৰু মহাবিদ্যালয়ৰ পৰা স্নাতক হৈ ওলাই অহা ল'ৰা-ছোৱালীসকলেও বৃদ্ধ-বৃদ্ধা পিতৃ-মাতৃ পৰামৰ্শলৈ কাণ দিব লাগে। কাৰণ ডেকাই যি জ্ঞান আহৰণ কৰি আহে সি তাত্বিক বা থিয়ৰিটেকেল অৱস্থাতেই থাকে। কিন্তু পিতৃ-মাতৃয়ে সন্তানসকলক যি পৰামৰ্শ দিব সেইটো হব অতি ব্যৱহাৰিক বা প্ৰায়োগিক। ব্যৱহাৰিক আৰু তাত্বিক জ্ঞানৰ মাজত যথেষ্ট পাৰ্থক্য থাকে।

এবাৰ এগৰাকী গাওঁ সেৱকে এখন গাওঁৰ ৰাজ্যক প্ৰশিক্ষণ দিছিল কেনেকৈ আৰু কি জাতৰ আলুখেতি কৰিব লাগে। গাঁওখনৰ ৰাজ্যে সেইদৰে আলুখেতি কৰি আলু বৰ ভাল হোৱা পালে। আলুখিনি চপাবৰ সময়ত ৰাজ্যে গাওঁ সেৱকজনক আথে-বেথে নিমন্ত্ৰণ কৰি লৈ আহিছিল আলু চপোৱা কাৰ্য্যসূচী শুভ উদ্বোধনী কৰিবলৈ। গাওঁ সেৱকজনে চাৰিওফালে চাই উদ্বোধন কৰাৰ সময়ত বৰ দুখেৰে কৈছিল যে তেওঁ মনত বৰ দুখ পাইছে।কাৰণ ৰাজ্যৰ আৰু তেওঁৰ টাক পইচা দুখ কষ্ট এনেই পানীত গল কাৰণ সৌৱা গোটেই আলু গছবোৰ মৰি গল। কিন্তু ব্যৱহাৰিক জ্ঞান থকা ৰাইজে গাঁও সেৱকজনক জনাই দিছিল যে খান্দিব পৰত আলুগছবোৰ মৰেই গাঁও সেৱকজনে বৰ লাজ পাহিছিল কাৰণ তেওঁৰ যি জ্ঞান আছিল সেয়া আছিল তাত্বিক জ্ঞান। অভিজ্ঞ পিতৃ-মাতৃৰ পৰামৰ্শ ডেকাসকলে শুনিব লাগে। অবচালোমে দেউতাক দায়ুদৰ বয়সৰ সুযোগ লৈ তেওঁৰ পৰা ৰাজ্য কাঢ়ি লোৱাৰ চেষ্টা কৰি অকৃতকাৰ্য্য হৈছিল। কাৰণ সি যদিও অতিশয় বলৱান আছিল কিন্তু সি দেউতাক দায়ুদৰ দৰে অভিজ্ঞ নাছিল। আজি যদি অবচালোম থাকিলেহঁতেন আমি বিশ্বাস কৰো যে তেওঁ চিঞৰি চিঞৰি ডেকা গাভৰুসকলক এই বুলি জনালেহেতেন যে বল শক্তি টকা পইচাতকৈ ব্যৱহাৰিক জ্ঞান ভাল ব্যৱহাৰিক জ্ঞানহে অধিক উত্তম।

হিতোপদেশ ২৩:২৩পদ, **"সত্যক কিনা, নেবেচিবা, এনে কি, প্ৰজ্ঞা, শিক্ষা আৰু বুদ্ধিকো কিনা।"** প্ৰিয় শ্ৰোতা আজি আমাৰ খ্ৰীষ্ট বিশ্বাসত সত্যক কিনাৰ প্ৰয়োজন নাই, কাৰণ প্ৰভুৱে আমাৰ হৈ সকলো কৰাত আজি তেৱেঁই আমাৰ বাবে সত্য। যদি আমি তেওঁক বিশ্বাস কৰাৰ যোগেদি



WORD RESOUNDS TODAY

www.Radio882.com

সত্যক বিনামূল্যে পাইছো, কিন্তু পাৰ্থিৱ জ্ঞান, শিক্ষা বিদ্যা আমি আজিও কিনি থাকো। এই ক্ষেত্ৰত আপুনি যিচয়া ৫৫ নং অধ্যায় আৰু ১ কৰিন্থীয়া ১:৩০ পদ চাওকচোন।

হিতোপদেশ ২৩:২৪-২৫পদ, **"ধাৰ্ম্মিকৰ পিতৃ অতিশয় উল্লাসিত হয়, আৰু জ্ঞানী পুত্ৰৰ জন্মদাতাই তাৰ কাৰণে আনন্দ কৰে । তোমাৰ পিতৃ-মাতৃ আনন্দিত হওক, আৰু তোমাৰ জননী উল্লাসিত হওক।"** প্ৰিয় শ্ৰোতা আচলতে আমি নিজৰ পিতৃ-মাতৃক আনন্দিত কৰিব পাৰো যদিহে আমি ধাৰ্ম্মিকৰ দৰে চলো। যদিহে আমি সৎ পথত চলো যদিহে আমি ঈশ্বৰ ভক্ত হিচাপে জীৱন দাৰণ কৰো। এতিয়া ইয়াত ঈশ্বৰে পিতৃ ৰূপে তেওঁৰ মৰমৰ সন্তানৰ অন্তৰখন বিচাৰিছে।নিজ সন্তানৰ অন্তৰ বিচৰাৰ বাহিৰে তেওঁ আনৰ অন্তৰ নিবিচাৰে পৰিত্ৰাণ প্ৰাপ্ত নোহোৱাসকলৰ অন্তৰ তেওঁ নিবিচাৰে।

হিতোপদেশ ২৩:২৬পদ, **"হে মোৰ বোপা, তোমাৰ হৃদয় মোক দিয়া, আৰু তোমাৰ চকু মোৰ পথবোৰত সন্তুষ্ট হওক।"** মোৰ পথ মানে পাৰ্থিৱ ভাৱে জেষ্ঠ্য অভিজ্ঞ পিতৃ-মাতৃৰ পথ আৰু খ্ৰীষ্টিয় জীৱনৰ বাবে ঈশ্বৰৰ পথৰ কথা কোৱা হৈছে। ২৭ পদত পুনৰ বেশ্যা তিৰোতাৰ কথা কোৱা হৈছে যে সিহঁতৰ পাছত যোৱাসকলৰ বাবে সিহঁত নাদৰ বা একো একোটা গাঁতৰ নিচিনা।

হিতোপদেশ ২৩:২৭পদ, **"কিয়নো বেশ্যা দ গাঁতস্বৰূপ, আৰু ব্যভিচাৰিণী ঠেক নাদস্বৰূপ।"** হিতোপদেশ ২৩:২৮ পদ, **"এনে কি, তাই ডকাইতৰ নিচিনাকৈ খাপ দি থাকে, আৰু মনুষ্যবিলাকৰ মাজত বিশ্বাস-ঘাতকৰ দল বৃদ্ধি কৰে।"** এই ২৮ পদৰ কথাখিনি বাইবেলত উল্লেখ থকাদুগৰাকী মানুহৰ গাত থাটে ডকাইতৰ হাতত পৰাৰ নিচিনা তেওঁলোকো পৰে।

হিতোপদেশ ২৩:২৯পদ, **"কোনে হায় হায় কৰে? কোনে দুখ কৰে? কোনে দ্বন্দ-কাজিয়া কৰে? কোনে বিলাপ কৰে? কোনে অকাৰণে মাৰ খায়? কাৰ চকু ৰঙা হয়?"** প্ৰিয় শ্ৰোতা এতিয়া ইয়াত যিখিনি কথা কোৱা হৈছে মন কৰিবচোন কেনেকুৱা মানুহৰ কথা কোৱা হৈছে।কোনে হায় হায় কৰে? কোনে দুখ কৰে? কোনে দ্বন্দ-কাজিয়া কৰে? কোনে বিলাপ কৰে? কোনে অকাৰণে মাৰ খায়? কাৰ চকু ৰঙা হয়? তাৰ উত্তৰ ইয়াতে পিছৰ পদটোতে দিয়া হৈছে।

হিতোপদেশ ২৩:৩০পদ, **"যিবোৰে দ্ৰাক্ষাৰসৰ ওচৰত বহুকাল বহি থাকে, আৰু যিবোৰে সুগন্ধি বস্তু মিহলোৱা দ্ৰাক্ষাৰসৰ আস্বাদ বিচাৰি আহে, সিহঁতে।"** দ্ৰাক্ষাৰস বা সুৰাত মত্ত হোৱা লোকৰ অৱস্থা কেনে হয়? সেই কথা আমি বহলাই কোৱাৰ নিশ্চয় প্ৰয়োজন নাই। আৰু বাইবেলত বাৰে বাৰে দ্ৰাক্ষাৰসেৰে মতলীয়া নহবলৈ বুলি সকিয়াই দিছে আৰু হিতোপদেশত আমি দ্ৰাক্ষাৰসত মতলীয়া হোৱাৰ বিৰোদ্ধে এনেদৰে বাৰে বাৰে সোঁৱৰণ পাওঁ।

WORD RESOUNDS TODAY

হিতোপদেশ ২৩:৩১পদ, **“যেতিয়া দ্ৰাক্ষাৰস ৰঙা হয়, আৰু পাত্ৰত দগমগায়, আৰু সহজে পেটলৈ যায়, তেতিয়া তালৈ দৃষ্টি নকৰিবা।”** দ্ৰাক্ষাৰস বা সুৰাই মানুহক সহজে আকৰ্ষণ কৰিব পাৰে সেয়েহে তাৰ পৰা আতঁৰি থাকিবলৈ কোৱা হৈছে।

হিতোপদেশ ২৩:৩২পদ, **“শেষতে সেয়ে সাপৰ নিচিনাকৈ কামুৰিব, আৰু বিষ ধৰৰ দৰে দংশন কৰিব।”** ইয়াত সাৱধান বাণী শুনাই দিয়া হৈছে যে দেখাত আকৰ্ষণীয় হলেও চকুত লগা ৰং বিৰংৰ দ্ৰাক্ষাৰস হলেও বা সুগন্ধি দ্ৰব্য মিহলোৱা দ্ৰাক্ষাৰস হলেও বা খোৱাৰ সময়ত সোৱাদ লাগিলেও শেষত সেয়ে সাপৰ নিচিনকৈ কামোৰিব শেষত সেয়ে অনিষ্ট কৰিবই।

হিতোপদেশ ২৩:৩৩ পদ, **“তোমাৰ চকুৰে আচৰিত বস্তু দেখিব, আৰু তোমাৰ মনে মন্দ কথা কব।”** দ্ৰাক্ষাৰসেৰে মতলীয়া হোৱা লোকে আচৰিত আচৰিত বস্তু দেখিব। আৰু তেওঁলোকৰ মন আৰু জিবা তেওঁলোকৰ নিয়ন্ত্ৰণত নাথাকিব আৰু অতি বেয়া কথা কব।

হিতোপদেশ ২৩:৩৪-৩৫পদ, **“এনেকি, তুমি সমুদ্ৰৰ মাজ ঠাইত, বা জাহাজৰ মাস্তুলৰ ওপৰত শোৱা লোকৰ নিচিনা হবা, আৰু কবাকোনোবাই মোক মাৰিলে, কিন্তু মই দুখ পোৱা নাই, কোনোবাই মোক প্ৰহাৰ কৰিল, কিন্তু মই তাৰ গম পোৱা নাই। মই যেতিয়া সাৰ পাম, তেতিয়া আকৌ তাক বিচাৰিম।"** দ্ৰাক্ষাৰসে মানুহৰ হিতাহিত জ্ঞান নোহোৱা কৰে, দ্ৰাক্ষাৰসত মতলীয়া হোৱা লোকে স্বাভাৱিক জ্ঞান হেৰুৱাই, আৰু সেই অৱস্থাত তেওঁলোকে নকৰিবলগীয়া কাম কৰে । আৰু তেওঁলোকে যেতিয়া সম্বিত ঘূৰাই পায় তাৰ বাবে হয়তো অনুতাপ কৰিব লগীয়া হয়। তেওঁলোকৰ এনে ব্যৱহাৰৰ দ্বাৰা নিজলৈ ধ্বংস মাতি আনে পৰিয়ালৰ তথা সমাজলৈয়ো সকলোৰে বাবে অভিশাপ কঢ়িয়াই আনে ।

বাইবেলে আমাক দ্ৰাক্ষাৰসেৰে মতলীয়া নহৈ ঈশ্বৰৰ আত্মাৰে মতলীয়া হবলৈ হৈ ঈশ্বৰৰ হকে জীয়াই থাকিবলৈ শিকিব লাগে। ঈশ্বৰ আপোনাৰ সহায় হওক, আমেন ।

<u>পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:</u>

১) কেনে ধৰণৰ মহিলাক দ' গাঁতৰ লগত তুলনা দিছে?

২) সুৰাৰ অনিষ্টতাক কোনটো জীৱৰ উদাহৰণেৰে বুজোৱা হৈছে?

৩) লৰাক চেকনীৰে কোবালে তাৰ আত্মা কিহৰ পৰা ৰক্ষা পাব ?



WORD RESOUNDS TODAY
www.Radio882.com

হিতোপদেশ ২৪ অধ্যায়

প্ৰিয়শ্ৰোতা আজি আমি হিতোপদেশ ২৪ অধ্যায়ৰ অধ্যয়নৰ বাবে হাতত লৈছোঁ। চলোমন ৰজাই নিজেই ৰচনা কৰি নিজেই সংগ্ৰহ কৰা হিতোপদেশ বা নীতিবচন সমূহৰ এইটোৱেই শেষ অধ্যায়। ইয়াৰ পাছৰ ভাগটোত আমি চলোমনে লিখা নীতি বচন মালা কিন্তু হিষ্কিয়াৰ মানুহ কেইজমানে  সংগ্ৰহ কৰা কথাবোৰ পাম। এইবোৰতকৈয়ো বহু বেছি চলোমনে নীতি বচন লিখিছিল কিন্তু আমাৰ হাতত খুব নীতি বচনহে আছে। সৰু, সৰু আৰু চুটি, চুটি কথাত এই নীতি বচন কিন্তু সুন্দৰ, সুন্দৰ গভীৰ আৰু প্ৰয়োজনীয় সত্যতা ফুটাই তুলা হৈছে। সেইবোৰে যেনেকৈ আমাৰ অন্তৰ স্পৰ্শ কৰে ঠিক সেইদৰে সেইবোৰে আমাৰ জীৱন পৰিচালনাৰ খুৰাক যোগায়।

হিতোপদেশ ২৪:১-২পদ, **"তুমি দুষ্টবোৰক ঈৰ্ষা নকৰিবা, আৰু সিহঁতৰ লগত থাকিবলৈ ইচ্ছাও নকৰিবা; কিয়নো সিহঁতৰ মনে উপদ্ৰৱৰ কল্পনা কৰে, আৰু সিহঁতৰ ওঁঠে অপকাৰৰ কথা কয়।"** এই বিষয়ে ইয়াৰ আগতেও কোৱা হৈছিল। কিন্তু প্ৰয়োজনীয় কথা কাৰণেই দোহৰা হৈছে। সেইদৰে জিভাৰ ব্যৱহাৰ আৰু দুৰ্ব্যৱহাৰৰো কথা ইয়াৰ আগতে কোৱা হৈছে আৰু কোৱা হৈছে জ্ঞানী, মূৰ্খ আৰু এলেহুৱা সকলৰ কথা। এইবোৰৰ বিষয়ে বাৰে, বাৰে সোঁৱৰাই দিয়াৰ অৰ্থ এইটোৱেই যে, এইবোৰ আমাৰ সমাজ আৰু ব্যক্তিগত জীৱনৰ সদায় লগৰ। মানুহ বিশেষে এইবোৰ আচৰণ প্ৰকাশ পায়। আমি আগৰেই পৰা কৈ আহিছোঁ যে নীতি বচনবোৰো প্ৰায় সকলো মানুহৰে জীৱন প্ৰতিফলিত কৰে।

আমি ইতিমধ্যে চালো এনেকৈ বাইবেলৰ অনেক ব্যক্তিৰ জীৱনত এই নীতি বচনবোৰ প্ৰতিফলিত হৈছে। এই ১ আৰু ২পদ দুটাত যিটো বিষয়ৰ বিষয়ে কোৱা হৈছে, সেই বিষয়টোৰ বিষয়ে আচফেও তেওঁ ৰচনা কৰা গীতত কৈছে এইদৰে, *"কিয়নো যেতিয়া মই দুষ্টবোৰৰ মঙ্গল দেখিলো তেতিয়া অহঙ্কাৰীলোকলৈ মোৰ অসূয়া জন্মিছিল, কাৰণ সিহঁতে মৃত্যু যন্ত্ৰণা নাপায়, কিন্তু সিহঁত সবল থাকে সিহঁতে আন মানুহৰ দৰে দুখ নাপায়, আৰু অন্যৰ নিচিনাকৈ সিহঁত প্ৰহাৰিতো নহয়। এই হেতুকে অহঙ্কাৰ সিহঁতৰ গলৰ হাৰস্বৰূপ অত্যাচাৰ সিহঁতৰ আৱৰণ-বস্ত্ৰস্বৰূপ। সিহঁতৰ গাত তেল বেছি হোৱাত সিহঁতৰ চকু ওপৰতে ওলাই থাকে। সিহঁতৰ মনৰ কল্পনা উপচি পৰা, সিহঁতে ইতিকিং কৰে আৰু দুষ্টতাৰে উপদ্ৰৱৰ কথা পাতে। সিহঁতে গৰ্ব্ব কথা কয়। সিহঁতৰ মুখে স্বৰ্গ চুকি পায়, আৰু সিহঁতৰ জিবাই পৃথিৱী ভ্ৰমণ কৰে।*

দুষ্টলোকে উন্নতি কৰা বিষয়টোৱে আচফক বৰ অশান্তি দিছিল। আমাৰ বিশ্বাস এই বিষয়টোৱেআপোনাকো অশান্তি দিয়ে। এই বিষয়টো আমি এতিয়াওআচলতে অশান্তি বিষয়। আমি বহু সময়ত ঈশ্বৰৰ ইচ্ছা বুজি নাপাওঁ। এতিয়া আমি যি থন ঠাইত থাকি কাম কাজ কৰি থাকোঁ, সেইখন ঠাইত বৰ ওখ, ওখ দীঘল, দীঘল আৰু বিৰাট, বিৰাট পকাৰ দালানৰ কাষেৰে যাওঁতে আমি ভাবো যে, সেইবোৰ দালানৰ মানুহবিলাকে বস্তু লুকুৱাই কৃত্ৰিম নাটনিৰ সৃষ্টি কৰে। বস্তুবোৰ চৰা দামত বিক্ৰী কৰে; নাইবা বস্তু ভেজাল কৰে। ২ নম্বৰ বহীত হিচাপ ৰখাটো

WORD RESOURCES TODAY

তেনেই সাধাৰণ কথা। ইমান বিলাক ভ্ৰষ্টাচাৰত পুত গৈ থাকিও সিহঁতৰহে উৎপাত বেছি সিহঁতৰহে দোপতদোপে উন্নতি, আমি একো বুজি নাপাওঁ।

বহু দুখীয়া লোকৰ দৰে এজন তাৎপৰ্যহীন দাসে নিজকে অষ্টম দৰিদ্ৰ বুলিও কয়। সৰু কালৰে পৰা পঢ়াত তেওঁৰ বৰ ধাউতি আছিল। কিন্তু পঢ়া শুনা কৰাত তেওঁ আগুৱাব নোৱাৰিলে অভাৱৰ কাৰণে। এতিয়াও বৃদ্ধ বয়সতো ইটো সিটো কথা মানুহক সহায় কৰিবলৈ প্ৰভুৰ পৰিচৰ্যাত পইচা খৰছ কৰিবলৈ বৰ ইচ্ছা কৰে কিন্তু আত্মা ইচ্ছুক হলেও শৰীৰ দুৰ্বল। কিন্তু তেনেদৰে ইচ্ছা নকৰা অত্যাচাৰী, নিষ্ঠুৰ আৰু ভ্ৰষ্টাচাৰী সকলৰহে বহুত পইচা। তেওঁলোকৰ কথা ভাবিলে নিশ্চয় হিংসা লগাৰে কথা। কিন্তু হিতোপদেশ দিওঁতা জনাই কৈছে, যে আমি তেনেবোৰ মানুহক ঈৰ্ষা কৰিব নালাগে।

আচফে কৈছে যে, ঈশ্বৰৰ পবিত্ৰ স্থানত সোমাই এই বিষয়টো বিবেচনা নকৰালৈকে তেওঁৰ পক্ষে এইটো অত্যন্ত কষ্টদায়ক চিন্তা আছিল। তাৰ পাছতহে তেওঁ বুজি পাইছিল যে, আচলতে ঈশ্বৰে তেওঁলোকক পিছল ঠাইত ৰাখিছিল তেওঁলোকক বিনাশলৈ পেলাই দিবলৈ সেইদৰে অস্থায়ী ভাবে উৎপাত কৰিবলৈ আৰু উন্নতিৰ মুখ দেখিবলৈ দিছিল। লগতে আমি এই কথাও চিন্তা কৰি সান্ত্বনা লাভ কৰিব পাৰোঁ যে, আমি প্ৰত্যেকেই য'ত থাকিব লাগে ত'তেই ঈশ্বৰে আমাক ৰাখিছে। আমাৰ প্ৰত্যেকৰে এটা, এটা উপযুক্ত স্থান আছে। আৰু প্ৰত্যেকৰেই জীৱনক লৈ ঈশ্বৰৰ একো একোটা উদ্দেশ্যে আছে। আমাৰ উপযুক্ত স্থানত আমাক ৰাখিয়েই ঈশ্বৰে তেওঁৰ ইচ্ছা আমাৰ জীৱনত পূৰ্ণ কৰে। আমাৰ দায়িত্বটো হল ঈশ্বৰত বিশ্বাস ৰাখি আমি আগবাঢ়ি গৈ থকাটোহে। ঈশ্বৰৰ দৃষ্টিকোণৰ পৰাও আমি বিষয়টোলৈ চাব লাগে। দুষ্ট মানুহৰ যে অন্ত সৰ্বনাশ তাৰ অনেক উদাহৰণ বাইবেলত আছে।

বাইবেলৰ প্ৰথম পুস্তক আদিপুস্তকতেই কয়িন আৰু লোটৰ নিচিনা মানুহৰ কথা আমি পাওঁ। লোট পৰিত্ৰাণ প্ৰাপ্তলোক হৈয়ো তেওঁৰ লোভৰ কাৰণে, তেওঁৰ অন্ত বৰ ভয়ঙ্কৰ আছিল। ঈস্কৰোতীয়া যিহূদা প্ৰভুৰে শিষ্য হৈয়ো তেওঁৰ বিশ্বাস ঘাতকতাৰ স্বভাৱৰ কাৰণে বৰ শোকাৱহ ভাবে জীৱনৰ সামৰণি পৰিছিল। ঈশ্বৰৰ বচনৰ মাজেৰেহে বুজিবলৈ দুৰ্ব্বিদ্ধ এই বিষয়টো বুজিব পাৰি।

হিতোপদেশ ২৪:৩-৪পদ, **"প্ৰজ্ঞাৰ দ্বাৰাই ঘৰ নিৰ্ম্মাণ, আৰু বুদ্ধিৰ দ্বাৰাই স্থাপন কৰা হয়; জ্ঞানৰ দ্বাৰাই সকলো বিধৰ বহুমূল্য আৰু মনোহৰ বস্তুৰে কোঁঠালিবোৰ পৰিপূৰ্ণ হয়।"** আমি কি কৰা উচিত তাৰ এটা সুন্দৰ পৰামৰ্শ আমাক দিয়া হৈছে। মানুহ এজনে তেওঁৰ ঘৰখন সুন্দৰভাবে সাজে আৰু সকলো প্ৰকাৰ সা-সৰঞ্জামে সৈতে ঘৰখন সজাই আৰু পৰাখিনিলৈকে ঘৰ এখনত লগা বস্তুবোৰ যোগাৰ কৰি লয়।এইয়া ভাল কথা যে থাকিবলৈ আমাৰ ঘৰ এখন থাকে। কিন্তু এইয়া কাঠ বা খেৰৰ ঘৰ বা ইটা বালি মছলাৰে তৈয়াৰী কৰা পকা ঘৰ আৰু এবিধ ঘৰ আমি সাজিব লাগে আৰু সেই ঘৰ হৈছে প্ৰজ্ঞা আৰু জ্ঞানৰ ঘৰ। এই ঘৰ সাজি আমি আমাৰ মন প্ৰাণ আৰু আত্মাৰ বাবে প্ৰয়োজন হোৱা সকলো সা-সৰঞ্জাম আহৰণ কৰিব লাগে।

পাঁচনি পৌলে তেওঁৰ ধৰ্মপুত্ৰ তীমথিয়ক তাকেই কৰিবলৈ পৰামৰ্শ দিছিল এইদৰে লিখি- **"তুমি নিজকে পৰীক্ষা সিদ্ধ লোক, লাজৰ যোগ্য নোহোৱা কৰ্ম্মকাৰী, আৰু সত্যৰ বাক্য**



WORD RESOUNDS TODAY

www.Radio882.com

**ঠিকৰূপে বিভাগ কৰাত নিপুণ লোক কৰি, ঈশ্বৰৰ আগত উপস্থিত কৰিবলৈ যত্ন কৰা”**(২তীমথিয় ২:১৫ পদ)। এইদৰে ঈশ্বৰৰ বচনেৰে আৰু ঈশ্বৰৰ বচনৰ জ্ঞানেৰে আমি আমাৰ জীৱনৰ মজবুত ঘৰ নিৰ্ম্মাণ কৰিব লাগে। জীৱনৰ পঁজাঘৰ থনকেলৈ আমি সন্তোষ্ট থাকিব নালাগে। কেতিয়াবা আমি দেখা পাওঁ চহৰৰ পঁজা বাসী বা গাঁৱৰ অতি দুখীয়া মানুহৰ ঘৰবিলাক, কি যে জৰাজীৰ্ণ বাস কৰাৰ অনুপযুক্ত। আমাৰ অধিক ভাগৰে জীৱন তেনে অৱস্থা, আমাৰ বেছিভাগ লোকৰেই জীৱন ঘৰবোৰ তেনেকুৱা দুখ লগা অৱস্থা। ঈশ্বৰৰ বচনৰ জ্ঞান আৰু প্ৰজ্ঞাৰ অভাৱত অনেক খ্ৰীষ্টিয়লোক এনে কি অধিক ভাগ খ্ৰীষ্টিয় লোকে জৰাজীৰ্ণ উৰুখী যোৱা জীৱন ঘৰ বোৰত বৰ পুতৌ লগা ভাৱে জীৱন ধাৰণ কৰি থাকে।

এৰা প্ৰিয় শ্ৰোতা আজিৰ খ্ৰীষ্টিয় মণ্ডলীবোৰত আটাইতকৈ দুখ লগা বিষয়টো হৈছে, খ্ৰীষ্টিয় লোকসকলৰ বাইবেলৰ জ্ঞানৰ অভাৱ। তেওঁলোকৰ সৰু, সৰু খ্ৰীষ্টিয় জীৱনৰ ঘৰবোৰ খালী কিন্তু প্ৰজ্ঞাৰ দ্বাৰাই ঘৰ নিৰ্ম্মাণ বোধ শক্তিৰ দ্বাৰাই স্থাপন কৰা হয়। জ্ঞানৰ দ্বাৰাই সকলো ধৰণৰ বহুমূল্য আৰু মনোহৰ বস্তুৰে মানুহৰ কোঁঠালিবোৰ পৰিপূৰ্ণ হয়।

হিতোপদেশ ২৪:৫-৬পদ, **“জ্ঞানী লোক বলৱান, এনে কি বুদ্ধিমান লোকে পৰাক্ৰমত বৃদ্ধি পায়; কিয়নো সু-পৰামৰ্শেৰেহে তুমি তোমাৰ যুদ্ধ চলাবা, আৰু মন্ত্ৰীৰবাহুল্যত জয় লাভ হয়।”** প্ৰিয় শ্ৰোতা আমি যদি সু-পৰামৰ্শ বা মন্ত্ৰণা পাবলৈ ইচ্ছা কৰোঁ তেন্তে তেনে সু-পৰামৰ্শ বা মন্ত্ৰণা পাবলৈ আমাৰ বহু উৎস আছে। সেই উৎসবিলাকৰ ভিতৰত আটাইতকৈ শ্ৰেষ্ঠ উৎস হৈছে বাইবেল। সু-পৰামৰ্শ লবলৈ বা মন্ত্ৰণা পাবলৈ বিচাৰিলে মানুহৰ বাবে বাইবেলতকৈ শ্ৰেষ্ঠ উৎস একোৱেই থাকিব নোৱাৰে। অৱশ্যে বাইবেলৰ এটা তৰ এটা পদ বুটলি লৈ জীৱনৰ একো, একোটা সিদ্ধান্ত লৈ ঈশ্বৰৰ আশীৰ্বাদ আশা কৰা ভুল।

বাইবেলৰ জ্ঞানৰ ভত্তিত জীৱনৰ সিদ্ধান্ত লোৱাটো ভাগ্য খেলাৰ চক্ৰীৰ নিচিনা নহয়। আপুনি বাৰু কেতিয়াবা এনেকুৱা ভাগ্য চক্ৰীৰ খেল খেলি পাইছে নে? খেলুতাই পইচা দি যিটো নম্বৰ ধৰি দিয়ে সেইটো নম্বৰত ধৰক এটা ঘড়ী আছে, নম্বৰটোৰ কাৰণে আপুনি দিব লগা হৈছে মুঠেই ১০টকা, চক্ৰীটোত সকলোবোৰ নম্বৰ লিখা আছে। এতিয়া আপুনি চক্ৰীটো ঘোৰাই দিলে আপুনি ধৰা নম্বৰটো এটা ঠিক নিৰ্দিষ্ট স্থানত ৰবহি লাগিব, তেতিয়াহে ঘড়ীটো পাব। তেনে এটা খেলা বাইবেলৰ দুটা, এটা পৰামৰ্শৰে নহব। বাইবেলৰ জ্ঞান আৰ্জনৰ সৈতে ভাগ্যৰ চক্ৰী খেলা নহয়। খ্ৰীষ্টিয় লোকৰ সম্পূৰ্ণ বাইবেল থনৰে জ্ঞান থাকিব লাগিব। মোচি, যিহোচূৱা, চমূৱেল, দায়ূদ, মীখা, জখৰিয়া, মথি, পৌল আৰু যোহন আদি কৰি সকলোৰে বিষয়ে তেওঁলোকে পঢ়িব লাগে। কাৰণ তেওঁলোক সকলোৱে বৰ পাকৈত পৰামৰ্শদাত, মন্ত্ৰণাদাতা, আমাৰ জীৱনৰ সিদ্ধান্তৰ কাৰণে আমি যি কোনো সময়তে তেওঁলোকৰ পৰা পৰামৰ্শ বিচাৰিব পাৰোঁ।

৭-৯পদলৈকে পাঠ কৰি দিম কিন্তু আগতে পায় অহা কিছুমান বিষয়ৰ সৈতে এই পদ তিনিটা একে দেখি পদ তিনিটাৰ পুনৰ ব্যাখ্যা আমি কৰিব খোজা নাই। পাঠ কৰি দিছোঁ শুনিবচোন। হিতোপদেশ ২৪:৭-৯পদ, **“অজ্ঞানৰ পক্ষে প্ৰজ্ঞা অতি ওখত থাকে; সি নগৰৰ দুৱাৰত মুখ নেমেলে। যি মানুহে অপকাৰ কৰিবলৈ কল্পনা কৰে, মানুহে তাক অনিষ্টকাৰী বোলে। অজ্ঞানৰ চিন্তা পাপ, আৰু নিন্দক লোক মানুহৰ ঘিণলগা।”**

WORD RESOUNDS TODAY

হিতোপদেশ ২৪:১০পদ, **“সঙ্কটৰ কালত তোমাৰ যদি সাহ নাইকিয়া হয়, তেন্তে তোমাৰ বল কম।”** মানুহ এজনৰ কাম মানুহ এজনে হে কৰিব লাগিব। ডাঙৰ মানুহ এজনৰ কাম সৰু লৰা এটাই কৰিব নোৱাৰে। উদবিগ্নতা, চিন্তা, দুখ আৰু কষ্টৰ মাজেৰেহে আচলতে খ্ৰীষ্টিয় লোকৰ আচল খ্ৰীষ্টিয় বল, শক্তি আৰু সাহসৰ পৰিচয় পোৱা যায়। কৰ্মিল পৰ্বতৰ ওপৰত এলিয়াই বৰ সাহস কৰি দেখুৱাব পাৰিছিল। কিন্তু তলৰ থলত যেতিয়া ঈজেবলে তেওঁৰ প্ৰাণ লোৱাৰ চক্ৰান্তৰ কথা গম পাইছিল, তেতিয়া বহু দূৰলৈ পলাই গৈ বেৰচেবা পাইছিল গৈ আৰু এজোপা গছৰ তলত বহি নিজৰ মৃত্যু প্ৰাৰ্থনা কৰিছিল; ১ৰাজাৱলী ১৯:৪পদত আমি এই বিষয়ে পঢ়িবলৈ পাওঁ। দায়ূদক যেতিয়া চৌল ৰজাই বিচাৰি ফুৰিছিল তেতিয়া তেওঁ এক মূহুৰ্ত্তৰ বাবেও শান্তিৰে থাকিব পৰা নাছিল। কিন্তু দুখৰ সময়ত এলিয়া আৰু দায়ূদ দুয়ো জনে জানিব পাৰিছিল যে ঈশ্বৰে তেওঁলোকক বল শক্তি যোগাইছিল আৰু তেওঁ নিজেই সেই বল শক্তিৰ উৎস আছিল।

হিতোপদেশ ২৪:১১-১২ পদ, **“মৃত্যুৰ নিমিত্তে নিয়া লোকক ৰক্ষা কৰা, আৰু হত হ'বৰ অৰ্থে থৰথৰকৈ কঁপি যোৱা মানুহক উদ্ধাৰ কৰিবলৈ তুমি কোঁচ নাখাবা। যদি তুমি কোৱা, চোৱা, আমি তাক নাজানিলোঁ, তেন্তে যি জনাই মন পৰীক্ষা কৰে, তেওঁ জানো তাক নাজানে? তেওঁ মানুহক তাৰ কৰ্ম্ম অনুসাৰে জানো ফল নিদিয়ে?”** আপোনাৰ ওচৰত এনে এজন মানুহ উলাইছেহি বা আপুনি কৰবালৈ গৈ থাকোঁতে এনে এজন আশ্ৰয় বা সহায়হীনক আপুনি লগ পাইছে, যিজনক আপুনি আচলতে সহায় কৰিব পাৰে। তেনে জনক আপুনি সহায় কৰিব পাৰে, নোৱাৰাখিনিৰ বাবে ঈশ্বৰ বা মানুহ কোনেও আপোনাক নধৰে। নাইবা নোৱাৰাখিনি বাবে বা আপুনি কৰিব নোৱাৰা বিধৰ হলে, আপোনাৰো দোষী বিবেক এটা ৰৈ নাযায়। কিন্তু কৰিব পৰাটো নকৰি আনক বিপদত পৰিবলৈ এৰি দিলে, ঈশ্বৰ আৰু মানুহ আগতো আপুনি দায়বদ্ধ হব আৰু নিজেও দোষী বিবেকত ভোগী মৰিব। ওজৰ আপত্তি কৰি বা মিছা কথা কয় মানুহক প্ৰৱঞ্চনা কৰিব পাৰিব ঈশ্বৰক জানো পাৰিব। ঈশ্বৰে মানুহৰ মন পৰীক্ষা কৰে, মানুহৰ মন জানে সেইয়ে তেওঁৰ ওচৰত আপুনি জগৰীয়া অনুভৱ কৰিব। যাক যেনেকৈ সহায় কৰিব পাৰি তেওঁক তেনেকৈ সহায় কৰাটো খ্ৰীষ্টিয় লোকৰ এটা ডাঙৰ সদাচাৰ। আজিলৈকে আপোনাৰ মুখৰ কথাই আৰু আপোনাৰ হাত দুখনেকেইজনক সহায় কৰিলে বাৰু?

১৩-১৪পদ, “শুনিব চোন, প্ৰজ্ঞা আৰু জ্ঞান যে জীৱনৰ বাবে মৌ মিঠা নিচিনা জীৱন মিঠা কৰি ৰাখোঁতা, পুৰস্কাৰ কৰাওঁতা আৰু আশা পূৰ্ণ কৰাওঁতা। হিতোপদেশ ২৪:১৩-১৪ পদ, **“হে মোৰ বোপা, যেনেকৈ তুমি সুস্বাদু বুলি মৌ খোৱা, আৰু মৌৰ কোঁহ তোমাৰ জিবাত মিঠা লাগে, তেনেকৈ প্ৰজ্ঞাকো তোমাৰ নিজ মনত বাঞ্ছনীয় জ্ঞান কৰা; তাক পালে পুৰস্কাৰ হব, আৰু তোমাৰ আশা ছেদ কৰা নহব।”**

হিতোপদেশ ২৪:১৫পদ, **“হেৰ দুষ্ট মানুহ, ধাৰ্ম্মিকৰনিবাসৰ বিৰুদ্ধে থাপ দি নাথাকিবি, আৰু তেওঁৰ আশ্ৰম নষ্ট নকৰিবি।”** ধাৰ্মিকলোকে ঈশ্বৰক ধন্যবাদ দিব লাগে। এনেই সাধাৰণবোৰ কাৰণত নহয় এটা বিশেষ কাৰণত যে দুষ্টই ধাৰ্মিকৰ নিবাস আৰু আশ্ৰম নষ্ট কৰিব নোৱাৰে কাৰণ সি সতৰ্ক বাণী পাই থৈছে।



WORD RESOUNDS TODAY
www.Radio882.com

হিতোপদেশ ২৪:১৬পদ, **“কিয়নো ধাৰ্ম্মিক লোক সাত বাৰ পৰিও আকৌ উঠে, কিন্তু দুষ্টবোৰআপদত পৰি বিনষ্ট হয়।”** সাত সংখ্যাটো সম্পূৰ্ণতাৰ সংখ্যা। ইয়াৰ মানে হৈছে মানুহ পৰিয়েই থাকে কিন্তু ন্যায়ৱান বা ধাৰ্ম্মিক মানুহজন পৰিলেও; আকৌ উঠে। তেনেকুৱা ব্যক্তি এজন আপুনি বাৰু দেখুৱাই দিব পাৰিবনে? হয় চিমোন পিতৰ আছিল তেনেকুৱা এজন লোক। আনহাতে চাওক পদটোত কোৱা হৈছে দুষ্ট মানুহ আপদত পৰি বিনষ্ট হয়। তেনে দুষ্ট মানুহ এজনলৈকো আপুনি আঙুলিয়াব পাৰিব নে? এৰা ঈস্কৰোতীয়া যিহূদা আছিল তেনেকুৱা লোক এই পদটো সেই দাস দুজনলৈকে আঙুলিয়াই।

পিতৰ এনে লোক আছিল যি জন প্ৰায় অনবৰতেই পৰি আছিল আৰু আমি ক'ব পাৰোঁ তেওঁ পৰিছিল অৰ্থাৎ কৃতকাৰ্য হোৱা নাছিল যেতিয়া তেওঁ সাগৰৰ পানীৰ ওপৰত খোজ কাঢ়িবলৈ ইচ্ছা কৰিছিল। পানীৰ ওপৰত খোজ কাঢ়িবলৈ ইচ্ছা কৰি তেওঁ পিছত নিজে চেষ্টা কৰি বিফল হৈছিল। প্ৰভু যীচুৰ কাষলৈ যাবলৈ তেওঁ পানীৰ ওপৰেৰে খোজ কাঢ়ি গৈছিল ভালেই কৰিছিল, কিন্তু যি মূহুৰ্ত্তত তেওঁ প্ৰভুৰ ফাললৈ চাবলৈ এৰি তলত সাগৰৰ পানীলৈ চাবলৈ ধৰিলে, সেই মূহুৰ্ত্তত তেওঁ ডুবিবলৈ আৰম্ভ কৰিলে। প্ৰভুৱে তেওঁক ৰক্ষা কৰাত প্ৰভুৰ সৈতে একেলগে নাওখনত গৈ উঠিছিল। কিন্তু যি নিশাত প্ৰভুক গ্ৰেপ্তাৰ কৰা হৈছিল সেই নিশা হলে পিতৰ অকৃতকাৰ্য হৈছিল অৰ্থাৎ তেওঁ পৰিছিল। সেই নিশা তেওঁ প্ৰভুক তিনিবাৰকৈ অস্বীকাৰ কৰিছিল। বাৰেবাৰে পিতৰ প্ৰভুৰ পৰা সৰি পৰিছিল কিন্তু তেওঁ প্ৰতিবাৰতেই পৰাৰ পৰা উঠি প্ৰভুৰ সৈতে একেলগে গৈছিল।

এবাৰ এজন মানুহ এগৰাকী, প্ৰভুৰ দাসৰ গুৰিলৈ আহি কৈছিল, মই বহুবাৰ ঈশ্বৰৰ পৰা খহি পৰিছিলোঁ আৰু এতিয়া পুনৰ তেওঁৰ গুৰিলৈ গৈ কবলৈ লাজ পাইছোঁ যে, মই তেওঁৰ পৰা খহি পৰিছোঁ। ঈশ্বৰৰ দাস গৰাকী উত্তৰত কৈছিল, আপুনি লাজ পাব পাৰে কিন্তু প্ৰভুৱে লাজ নাপায়। আপুনি পৰাৰ পৰা উঠিলে তেওঁ পুনৰ আপোনাৰে সৈতে আকৌ যাত্ৰা আৰম্ভণ কৰিবলৈ তেওঁ সদায় প্ৰস্তুত। তেতিয়া সেই মানুহজনে প্ৰভুৰ দাস গৰাকীক পুনৰ সুধিছিলে, আপুনি বাৰু কি বুলি ভাবে? আপুনি কেইবাৰ পৰি আকৌ উঠি প্ৰভুৰ গুৰিলৈ যাব পাৰে। উত্তৰত ঈশ্বৰৰ দাস গৰাকী কৈছিল, মই সঠিক নাজানো কেইবাৰ পৰি আকৌ উঠি প্ৰভুৰ গুৰিলৈ গৈছো। এশ বাৰ মানে হৈছে লাগে কিন্তু মই এতিয়াও উঠি তেওঁৰ কাষলৈ যাওঁ। আমি পিছল বাটত আকৌ পৰিলোঁ আৰু কাপোৰে কানিয়ে গোটেইখন বোকা পানী লাগি লেতেৰা হৈছো, সেই কথাটো পিতৃ ঈশ্বৰৰ গুৰিলৈ গৈ তেওঁক জনোৱা যে অত্যন্ত প্ৰয়োজন, তাক আমি আটাইয়ে জনাটো প্ৰয়োজনীয় কথা। তেনে এগৰাকী পিতৃ ঈশ্বৰৰ সন্তান হব পৰাটো কিমান গৌৰৱৰ কথা। তেওঁ বাৰু আপোনাৰ পিতৃ নে? বা আপুনি বাৰু তেওঁৰ সন্তান হৈছে নে? চিন্তা কৰি চাওক চোন।

হিতোপদেশ ২৪:১৭পদ, **“তোমাৰ শত্ৰুৰ পতনত আনন্দ নকৰিবা, আৰু সি উজুটি খোৱাত, তোমাৰ মন উল্লাসিত নহওক।”** চিন্তা কৰি চাওকচোন প্ৰিয়শ্ৰোতা, আপুনি ভাল নোপোৱা কোনো এজন মানুহৰ আপদ বা অঘটন ঘটিলে আপুনি নকয় নে তেওঁৰ তেনেকুৱা হোৱাই মই ভাল পাইছো। কোৱা নাই, কোৱা নাই বুলি মিছা নকব, কাৰণ সেইটোৱেই মানৱ জাতিৰ স্বভাৱ, আপুনি যদিও মুখেৰে নকয় তথাপিতো মনত নিশ্চয় ভাবে কিন্তু ঈশ্বৰে কৈছে,



WORD RESOUNDS TODAY

তোমাৰ শত্ৰুৰ পতনত আনন্দ নকৰিবা কাৰণ এই মনোভাবে কোনো উপকাৰ নকৰে। কিয় তাৰ উত্তৰটো আমি

হিতোপদেশ ২৪:১৮পদ, **"হলে যিহোৱাই তাক দেখি অসন্তুষ্ট হব, আৰু তেওঁ তাৰ পৰা নিজ ক্ৰোধ ঘূৰাব।"** এইয়া চাওক আপুনি যদি শত্ৰুৰ পতনত আনন্দ কৰে, তেন্তে ঈশ্বৰে আপোনালৈ পিঠি দি সেই শত্ৰুকহে আশীৰ্বাদ কৰিব পাৰে তেতিয়া আপুনি আৰু বেছি দুখত পৰিব। আৰু এই কথাটো বহুতো ক্ষেত্ৰত সঁচা বুলি প্ৰমাণিত হৈ আহিছে। সেই কাৰণে শত্ৰুৰ পতনত উল্লাসিত নহব।

হিতোপদেশ ২৪:১৯পদ, **"তুমি দুৰাচাৰীবোৰৰ কাৰণে বেজাৰনকৰিবা, আৰু দুষ্টবোৰক ঈৰ্ষ্যা নকৰিবা।"** এই কথাখিনি আমি ইতিমধ্যে আলোচনা কৰি আহিছোঁ, আপুনি ভাবিব পাৰে একে কথা দুবাৰ কোৱাৰ কি দৰকাৰ, দৰকাৰ আছে কাৰণ এইটো দৰকাৰী কথা। এইটো কথা ঈশ্বৰে আমাক জানি থ'বলৈ কৈছে। আপুনি হয়তো মন কৰিছে যে, কিছুমান দৃষ্টান্ত আৰু প্ৰভু যীচুৰ আলৌকিক কাৰ্য শুভবাৰ্তাত বাৰে, বাৰে উল্লেখ কৰা হৈছে। যেনে প্ৰভু যীচুৱে পাঁচ হাজাৰ মানুহক খোৱাটো, শুভবাৰ্তাৰ চাৰিখন পুস্তকতে উল্লেখ কৰা হৈছে। কাৰণ তাৰ ভিতৰত যিবোৰ মহৎ, মহৎ শিক্ষাবোৰ আছে, সেইবিলাক আমি নজনাকৈ থকাটো ঈশ্বৰে বিচৰা নাই। তেনেদৰে কিছুমান বিশেষ দৰকাৰী কথা ঈশ্বৰে আমাক বাৰে, বাৰে কৈছে।

হিতোপদেশ ২৪:২০-২৩পদ, **"কিয়নো দুষ্ট লোকে পুৰস্কাৰ নাপাব, আৰু দুৰ্জনবোৰৰ প্ৰদীপ নুমাই যাব। হে মোৰ বোপা, যিহোৱাক আৰু ৰজাক ভয় কৰা, আৰু পৰিবৰ্ত্তন প্ৰিয়বোৰৰ সখা নহ'বা; কিয়নো সিহঁতৰ বিনাশ অকস্মাতে ঘটিব;সেই উভয়ৰ সংহাৰ কোনে জানিব পাৰে? এইবোৰো জ্ঞানীবিলাকৰ বচন। বিচাৰত মুখ চোৱা উচিত নহয়।"** এজন ডেকাই প্ৰজ্ঞাৰ কলেজত স্নাতক উপাধি লাভ কৰাৰ আগতে এই কথাটো জনা অতি দৰকাৰ যে বিচাৰত কাৰো মুখ চোৱা উচিত নহয়। অৰ্থাৎ বিচাৰত কাৰো পক্ষপাতি হব নালাগে। আমাৰ দৈনন্দিন জীৱনতো এই কথা মনত ৰাখিব লাগে আৰু প্ৰয়োগ কৰিব লাগে। ৰাজহুৱা বা চৰকাৰী কাম কৰা মানুহ, শাসন আৰু বিচাৰত থকা লোক সকলে এই উপদেশ মতে কাম কৰা অতি প্ৰয়োজন। কিন্তু আজিৰ সমাজত ইয়াৰ ওলোটাহে দিনক দিনে ঘটা আমি দেখিবলৈ পাওঁ; কিন্তু ঈশ্বৰে কৈছে বিচাৰত আমি সদায় নিৰপেক্ষ হব লাগে।

হিতোপদেশ ২৪:২৪-২৭পদ, **"যি জনে দুষ্টক তুমি ধাৰ্ম্মিক বুলি কয়, প্ৰজাবিলাকে তাক শাও দিব; আৰু জাতিবিলাকে ঘিণ কৰিব; কিন্তু যিবিলাকে তাক ভৰ্ৎসনা কৰে, তেওঁবিলাকৰ মঙ্গল হয়, তেওঁবিলাকৰ ওপৰত উত্তম আশীৰ্ব্বাদ পৰে। যি মানুহে যথাৰ্থ উত্তৰ দিয়ে, তেওঁ ওঁঠক চুমা খায়। মুকলিতে তোমাৰ কাম কাৰ্য্য ঠিক কৰা, আৰু পথাৰতে তাক সিদ্ধ কৰা; পাছেহে তোমাৰ ঘৰ-বাৰী পাতিবা।"** দিন কাল সঁচাকৈ পৰিৱৰ্তিত হৈছে, ধন নথকা জ্ঞানী, গুণী, সৰল আৰু সৎ লোকে সন্মান পোৱা দিন আৰু নাই দুষ্টলোকেহে মান সন্মান প্ৰশংসা পায় কিন্তু ঈশ্বৰে এদিন সেই সকলক সন্মান দিব।

হিতোপদেশ ২৪:২৮-৩০পদ, **"অকাৰণতে তোমাৰ চুবুৰীয়াৰ অহিতে সাক্ষী নহবা; কিয়নো তুমি জানো নিজ মুখেৰে প্ৰতাৰণা কৰিবা? সি মোলৈ যেনে কৰিলে, মইও তালৈ তেনে**

WORD RESOUNDS TODAY

**কৰিম, তাৰ কৰ্ম্ম অনুসাৰে তাক ফল দিম, এনে কথা নকবা। মই এলেহুৱাৰ খেতিৰ কাষেদি, জ্ঞান শূন্যৰ দ্ৰাক্ষাবাৰীৰ ওচৰেদি গৈছিলোঁ।"**

হিতোপদেশ ২৪:৩১-৩৪পদ, **"চোৰা, সেই সকলো হাবি হৈ উঠিল, আৰু সেই সকলোকে কাঁইটে ছাটি ধৰিলে, আৰু তাৰ শিলৰ বেৰা ভাগি গল। তাকে চাই মই মনে মনে বিবেচনা কৰিলো; আৰু তাক দেখি শিক্ষা পালোঁ।"আৰু অলপ টোপনি, আৰু অলপ ঘুমটি, আৰু অলপ টোপনিয়াবলৈ হাত সাবটো" বুলি কৈ থাকিলে, তোমাৰ দৰিদ্ৰতা ডকাইতৰ নিচিনাকৈ, আৰু তোমাৰ দীনহীনতা সুসজ্জিত ৰণুৱাৰ নিচিনাকৈ আহিব।"**

এৰা প্ৰিয় শ্ৰোতা এলাহৰ বিৰুদ্ধে বাইবেলে আমাক আকৌ এবাৰ সকিয়াই দিছে। ঈশ্বৰ আপোনাৰ সহায় হওঁক, আমেন।

WORD RESOUNDS TODAY

<u>পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:</u>

১) হিতোপদেশত চলোমন ৰজাই নিজে ৰচনা আৰু সংগ্ৰহ কৰা নীতি বচনৰ শেষ অধ্যায়টো কি ?

২) কোন ৰজাই চলোমন ৰজাৰ বাকী ৫ অধ্যায়ৰ নীতি বচন সমূহ সংগ্ৰহ কৰিছিল?

৩) পাঁচনি পৌলৰ ধৰ্ম পুত্ৰৰ নাম কি আছিল ?

<u>হিতোপদেশ ২৫ নং অধ্যায়</u>

আজি আমি হিতোপদেশ ২৪ অধ্যায় অধ্যয়ন কৰিব খুজিছোঁ। হিতোপদেশ ২৫:১-২পদ, **“এইবোৰো যিহূদাৰ ৰজা হিষ্কিয়াৰ মানুহ কেইজনে সংগ্ৰহ কৰা চলোমনৰ নীতি-বাক্য। কথা গোপন কৰাই ঈশ্বৰৰ গৌৰৱ, কিন্তু কথা অনুসন্ধান কৰি উলিওৱাই ৰজাবিলাকৰ গৌৰৱ।”** এই কথাটোকে প্ৰভু যীচুৱেও আমাক কৈছে যে, তোমালোকে শাস্ত্ৰ বিচাৰা। ২তীমথিয় ২:১৫ পদ, **“তুমি নিজকে পৰীক্ষা সিদ্ধ লোক, লাজৰ যোগ্য নোহোৱা কৰ্ম্মকাৰী, আৰু সত্যৰ বাক্য ঠিকৰূপে বিভাগ কৰাত নিপুণ লোক কৰি, ঈশ্বৰৰ আগত উপস্থিত কৰিবলৈ যত্ন কৰা।”** হয়, ঈশ্বৰে আমাক বাইবেল শাস্ত্ৰৰ যোগেদি বহুত কথা জানিবলৈ দিছে, কিন্তু আমি জানিবলৈ চেষ্টা কৰিব লাগিব। মনোযোগেৰে অধ্যয়ন কৰিব লাগিবতেতিয়া হলে নিশ্চয় জানিব পাৰিম। বাইবেলখন জ্ঞানৰ ভঁৰাল কিন্তু এলেহুৱাৰ বাবে পৰ্বতৰ নিচিনা গধুৰ।

হিতোপদেশ ২৫:৩পদ, **“যেনেকৈ উচ্চতাত আকাশৰ, আৰু গভীৰতাত পৃথিৱীৰ অনুসন্ধান কৰা নাযায় তেনেকৈ ৰজাবিলাকৰ হৃদয়ৰ অনুসন্ধান কৰা নাযায়।”** কেতিয়াবা জ্ঞানী লোকে কৰা কাম আমাৰ মনত অৰ্থহীন যেন লাগে কাৰণ তেওঁলোকে কি উদ্দেশ্য আৰু বিবেচনাৰে কৰিছে সেই জ্ঞান আমাৰ নাথাকিব পাৰে। ঠিক একেদৰে আমি ঈশ্বৰৰ পথ যিহেতু নাজানো সেয়েহে ঈশ্বৰৰ কাৰ্য বিচাৰক হ'বও নালাগে।

হিতোপদেশ ২৫:৪-৫পদ, **“ৰূপৰ পৰা ভাঁজ দূৰ কৰা, তাতে সোণাৰিৰ যোগ্য এক পাত্ৰ ওলাব। ৰজাৰ আগৰ পৰা দুষ্টক দূৰ কৰা, তাতে তেওঁৰ সিংহাসন ধাৰ্ম্মিকতাত স্থাপিত হব।”** ইয়াত কোৱা হৈছে, মানুহৰ মঙ্গলৰ পৰিৱৰ্তে অমঙ্গল চিন্তা কৰাতো এটা ডাঙৰ পাপ। উদাহৰণ স্বৰূপে আমি কল কাৰখানা বা কোম্পানীৰ মালিক আৰু পৰিচালক সকল চৰকাৰৰ শাসন পৰিকল্পনা ইত্যাদি দায়িত্ব থকা লোক সকলকে কৰা কথাকে ক'ব পাৰোঁ। তেওঁলোকে কৰ্মচাৰী, শ্ৰমিক বা দেশৰ সাধাৰণ জনতাৰ কাৰণে অমঙ্গলীয়া পৰিকল্পনা কৰাটো পাপ।

হিতোপদেশ ২৫:৬-৭পদ, **“ৰজাৰ আগত আড়ম্বৰ নেদেখুৱাবা, আৰু প্ৰধান লোকৰ থিয় ঠাইত নহ'বা, কিয়নো তোমাৰ চকুৰে দেখা সেই অধিপতিৰ সাক্ষাতে তোমাক তলত বহুৱাতকৈ "ইয়ালৈ আহা, "এনে আদেশ পোৱা তোমাৰ পক্ষে ভাল|”** প্ৰিয় শ্ৰোতা ইয়াত এটা সুন্দৰ কথা কোৱা হৈছে, নিজৰ যি স্থান তাতে থকা উচিত। নিজকে বৰ দেখুৱাবলৈ গৈ ডাঙৰ মানুহৰ শাৰীত থিয় হওতে যদি তাৰ পৰা মাতি আনি তলত বহোৱাই তেন্তে ই বৰ অপমানৰ কথা হব। কিন্তু তলত বহি থাকোতে যদি তাৰ পৰা মাতি নি ওপৰত বহোৱাই তেন্তে এইটো হে বৰ গৌৰৱৰ কথা হব। সেই কাৰণে অপমান নাপাবলৈ সৰু হৈ থকাই ভাল। অৱশ্যে আজি কালি খ্ৰীষ্টিয় সমাজতো নিজকে বৰ দেখুৱাব খুজা নেতা হব খুজা লোক অনেক আছে, এইটো অৱশ্যে বৰ দুৰ্ভাগ্যজনক কথা।

হিতোপদেশ ২৫:৮পদ, **“বিবাদ কৰিবলৈ হঠাতে ওলাই নাযাবা, গলে, শেষত তোমাৰ চুবুৰীয়াই তোমাক লাজ দিলে, তুমি কি কৰিবা?”** এই সম্পৰ্কে প্ৰভু যীচুৱে দৃষ্টান্ত আকাৰে



WORD RESOUNDS TODAY

www.Radio882.com

কৈছিল, যেতিয়া কোনো এজন ৰজা যুদ্ধলৈ যাবলৈ সাজু হয় তেতিয়া তেওঁ ক্ষন্তেক বহি চিন্তা কৰা উচিত, যে সেই যুদ্ধত তেওঁ জয়ী হব পাৰিব নে নোৱাৰিব।যদি পাৰিব বুলি ভাৱে তেন্তে তেওঁ যুদ্ধলৈ আগবাঢ়ক যদি নোৱাৰে বুলি ভাৱে তেন্তে ৰাজদূত পঠাই শত্রুৰ লগত শান্তি চুক্তি কৰাই ভাল।

এই বিষয়ত বাইবেলৰ পুৰাতন বিধানৰ ২ৰাজাৱলি ২৩:২৮-৩০পদ ৰজা যোচিয়াৰ এই বৃত্তান্ত পাওঁ। যোচিয়া এজন ভাল ৰজা আছিল। তেওঁ যিহূদিয়াৰ বিৰুদ্ধে শেষ বিদ্রোহ পৰিচালনা কৰিছিল আৰু তেওঁৰ নেতৃত্বত বহু মানুহ ঈশ্বৰলৈ ঘূৰি আহিছিল। কিন্তু তেওঁ এটা ডাঙৰ ভুল কৰিছিল আৰু সেই ভুলটোৱে জীৱন ধ্বংস কৰিছিল। ভুলটো এনে ধৰণৰ আছিল, ফৰৌণনখো মিচৰৰ ৰজা আছিল। তেওঁ যোচিয়া বিৰুদ্ধে নহয় কিন্তু আন ৰজাবিলাকৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ উলাই আহিছিল। কিন্তু ফৰৌণনখোৱে যোচিয়া বিৰুদ্ধে যুদ্ধ কৰিবলৈ অহা ভাবি তেওঁ সৈন্য সামন্ত লৈ উলাই গল। তেতিয়া ফৌৰণনখোৱে যোচিয়াক কৈছিল, মই তোমাৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ অহা নাই। কিন্তু যোচিয়াই এই কথা নুশুনি যুদ্ধ কৰিলে কাৰণ তেওঁ ডেকা ৰজা আছিল হলেও এই যুদ্ধতে তেওঁ মৰা পৰিল। এই যুদ্ধই তেওঁৰ জীৱনৰ বৰ অপযশৰ হৈ পৰিল। কিন্তু তেওঁ যদি যুদ্ধ কৰাৰ আগতে জয় লাভ কৰিব পাৰিব নে নাই চিন্তা কৰি যুদ্ধ নকৰা হলে দুৰ্গতি নহল হেঁতেন। এই কাৰণে প্রজ্ঞাই আমাক কৈছে, বিবাদ কৰিবলৈ হঠাতে ওলাই নাযাবা, গলে, শেষত তোমাৰ চুবুৰীয়াই তোমাক লাজ দিলে, তুমি কি কৰিবা?

হিতোপদেল ২৫:৯-১০পদ, **“অকল ওচৰ-চুবুৰীয়াৰে সৈতেই তোমাৰ বিবাদ প্রতিবাদ কৰা, কিন্তু পৰৰ গুপুত কথা প্রকাশ নকৰিবা, কৰিলে, শুনোতাই তোমাক বিকৰ্থনা কৰিব, আৰু তোমাৰ অপযশ নুগুচিব।”** প্রিয় শ্রোতা আমি যদি কোনো মানুহৰ গুপুত পাপৰ কথা জানো তেন্তে সেই মানুহৰ ওচৰত গৈ অকলশৰে সেই কথা নিষ্পত্তি কৰিব লাগে। তাকে নকৰি যদি আমি বাটে-ঘাটে সেই মানুহৰ বদনাম গাই ফুৰোঁ নাইবা সমাজৰ আগতে তেওঁৰ গুপুত পাপৰ কথা কওঁ তেন্তে সেইয়া মূৰ্খামী হব আৰু মানুহে নিজকহে বেয়া বুলি ক'ব। গতিকে কোনো মানুহ বেয়া হলেও সমাজৰ আগত অপমান কৰিব নাপায়।

হিতোপদেশ ২৫:১১পদ, **“ৰূপৰ ডালি খৰাহিত থোৱা সোণৰ সুমথিৰাবোৰ যেনে, উচিত সময়ত কোৱা বাক্যও তেনে।”** ইয়াত এটা সুন্দৰ উদাহৰণেৰে ধুনীয়া কথা কোৱা নাই নে? সোণৰ আপেল, আপেল কি সুন্দৰ আৰু সুস্বাদু ফল নহয় নে বাৰু? অৱশ্যে এই আপেলটোকে ইয়াত সুমথিৰা বুলি কোৱা হৈছে আৰু গোটেই জগতজুৰি ই পৰিচিত আৰু জনপ্রিয়।

চলোমনৰ সময়ত ইস্রায়েলত যথেষ্ট পৰিমাণৰ সুমথিৰা উৎপাদন হৈছিল আৰু সেইবিলাক উন্নতমানৰ আছিল। পানীৰ অভাৱত আৰু পিয়াহত ই তৃপ্তি দিয়ে আৰু শৰীৰৰ বাবেও উপকাৰী। ঈশ্বৰৰ বাক্যৰ পৰা কোৱা জ্ঞানৰ কথাও বৰ উপকাৰী। বাইবেলত আমি পাওঁ যে, কিছুমান মানুহে উচিত সময়ত উচিত কথা কয় বৰ ডাঙৰ উপকাৰ কৰিছিল। উদাহৰণ স্বৰূপে নাথনে যে দায়ূদৰ পাপৰ কথা সোঁৱৰায় দিছিল ই উচিত সময়ত উচিত কথা আছিল। এনে কথা মৰম সনাও হব পাৰে নাইবা গালি ধমকিও হব পাৰে। কিন্তু উচিত সময়ৰ উচিত কথাই উপকাৰ কৰে। আমি খ্রীষ্টিয় লোক সকলেও প্রাৰ্থনা কৰিব লাগে যে, আমিও যথাস্থানত যথোপযুক্ত কথা



WORD RESOUNDS TODAY

www.Radio882.com

কয় আনক সহায় কৰিব পাৰোঁ, কাৰণ উচিত কথা অনুচিত সময়ত বা উচিত সময়ত অনুচিত কথা কওঁতাৰ পৰা একো লাভ নাপাব পাৰোঁ; বৰং বিপদহে হব পাৰে।

হিতোপদেল ২৫:১২পদ, **"সোণৰ কুণ্ডল আৰু শুদ্ধ সোণৰ অলঙ্কাৰ যেনে, মন দি শুনা কাণলৈ জ্ঞানৱান অনুযোগকাৰী তেনে।"** প্ৰিয় শ্ৰোতা তিৰোতাৰ সুন্দৰ সোণৰ কানফুলি আপুনি নিশ্চয় দেখিছে। তিৰোতা মানুহে সেই কানফুলি পিন্ধিলে বৰ শুৱনি দেখি কিন্তু মতা মানুহে পিন্ধিলে পগলা মানুহ বা ফক্কৰ মানুহ যেন লাগিব। জ্ঞানৰ কথাটো তেনেকুৱাই। জ্ঞানৰ কথাই জ্ঞানীৰ কাণত শোভা পায়, অজ্ঞানৰ কাণত শোভা নাপায়। অজ্ঞানক যদি আপুনি মাৰি-ধৰি গালি-গালাজ পাৰিও জ্ঞানৰ কথা সি কেতিয়াও নুশুনে। লাগিলে সি জ্ঞানৰ শিক্ষা দিয়া মানুহৰ পৰাই আঁতৰি থাকিব। তাক আপুনি বুজাব নোৱাৰে কিন্তু জ্ঞানীক বুজালে সি বুজিব। এনে কিছুমান মদপী মানুহ আছে যি সকলক সমাজৰ আগত বুজালে, গালি পাৰিলে বা মাৰ ধৰ কৰিলে সি মদখাবলৈ নেৰে। আনকি লৰা তিৰোতা খাবলৈ নাপায় হাঁহাকাৰ কৰি থাকিলেও সি মদখাবলৈ নেৰে। এনে মানুহক আপুনি কি কৰিব, এটা সময়ত সি অৱশ্যে অনুতাপ কৰিব পাৰে, কিন্তু তেতিয়া বহুত পলম হৈ যাব পাৰে। সেই কাৰণে সোণৰ লগত জ্ঞানৰ কথা তুলনা কৰা হৈছে জ্ঞানৰ কথা উচিত সময়ত উপযুক্ত মানুহক কলে, সেই কথাই কাণৰ শোভা বঢ়ায়।

হিতোপদেশ ২৫:১৩পদ, **"শস্য দোৱাৰ সময়ত হিমৰ চেঁচা যেনে, পঠোৱাবিলাকলৈ বিশ্বাসী দূত তেনে, কিয়নো সি নিজৰ গৰাকীৰ প্ৰাণ জুৰায়।"** ইস্ৰায়েল দেশত শস্য কটাৰ সময়ত বৰ গৰম হয়, সেয়েহে সেই সময়ত কিছুমান মানুহে হিৱোণ পৰ্বতলৈ গৈ তাৰ পৰা বৰফ বান্ধি আনি শস্য কটা পথাৰত থাইছিল। অহ! ইমান গৰমত বৰফৰ পানী; সেই পানী খাই তেওঁলোকৰ প্ৰাণজুৰ পৰি গৈছিল। এই বৰফৰ পানীৰ লগত বিশ্বাসী দূতক তুলনা কৰা হৈছে কাৰণ বিশ্বাসী দূতৰ বাৰ্তাই হৃদয়ৰ উদবিগ্নতা, আশংকা আৰু অনিশ্চয়তা দূৰ কৰি শান্তি দিয়ে। বিশ্বাস হল এনে এটা গুণ যাক সকলোৱে ভাল পায়। এজন পুৰুষে বিশ্বাসী ভাৰ্যাক ভাল পায়, পিতৃ-মাতৃয়ে বিশ্বাসী সন্তানক ভাল পায়, মালিকে বিশ্বাসী কৰ্মচাৰীক ভাল পায়, মণ্ডলীৰ মানুহে বিশ্বাসী পালকক ভাল পায়, ইত্যাদি, ইত্যাদি। বিশ্বাস হল এটি হৃদয়ৰ তৃপ্তি দায়ক গুণ। বিশ্বাসী মানুহক পোৱা মানে হল পিয়াহত অন্ঠ-কন্ঠ শুকাই যোৱা সময়ত পোৱা এগিলাছ বৰফৰ পানীৰ নিচিনা।

হিতোপদেশ ২৫:১৪পদ, **"যি কোনোৱে মই দান কৰো বুলি মিছাকৈয়ে দৰ্প-কথা কয়, তেওঁ বৃষ্টিহীন মেঘ আৰু বতাহ স্বৰূপ।"** কিছুমান মানুহ কোনো কামৰ দক্ষতা নথকাকৈয়ে অনাহকত গৰ্ব কৰে। এগৰাকী বিখ্যাত বাইবেল পণ্ডিতে কৈছে যে, তেখেতে এনে এজন মানুহৰ পৰা চিঠি পাইছিল, যি জন মানুহে নিজকে একাধাৰে এজন প্ৰচাৰক, এজন গায়ক, এজন বাইবেল শিক্ষক আৰু এজন বাদ্যকৰ বুলি পৰিচয় দিছিল আৰু সেই জন মানুহে তেখেতৰ মণ্ডলীত এখন কৰ্মশালা পাতিব বিচাৰিছিল। সেই চিঠিখন সেই বিখ্যাত বাইবেল পণ্ডিতজনে গীৰ্জাত পাঠ কৰি দিওঁতে সকলোৱে হাঁহিবলৈ ধৰিছিল আৰু দুটা কাৰণত সভা পতাৰ অনুমতি নিদিবলৈ ঠিক কৰিছিল। তাৰে প্ৰথমটো কাৰণ হল, সেই মানুহ জনে যেনেদৰে লিখিছে তেনেকুৱাই যদি হয়, তেন্তে তেওঁৰ পৰা কোনেও একো ফল নাপাব। দ্বিতীয়টো হল, ঈশ্বৰে তেওঁক যিটো বৰ দিয়া নাই তেনে এটা বৰকলৈ তেওঁ গৰ্ব কৰিছিল।



WORD RESOUNDS TODAY
www.Radio882.com

এনেকুৱা গৰ্ব ভাবৰ দ্বাৰাই আমাক শেষ দিনৰ এটি ছবি দেখুৱাই দিয়া হৈছে আৰু এই ছবিটোৰ বিষয়ে যিহূদা পত্ৰৰ ১:১২-১৩পদ, **"তেওঁবিলাক তোমালোকৰ প্ৰেম-ভোজত একেলগে ভোজন কৰোঁতে, পানীৰ তলত লুকাই থকা বিঘ্নজনক শিলস্বৰূপ হয়, তেওঁবিলাকে নিজকে নিজে নিৰ্ভয়েৰে প্ৰতিপালন কৰে, তেওঁবিলাক বতাহৰ দ্বাৰাই চলাই নিয়া পানী নথকা মেঘ, তেওঁবিলাক হেমন্ত-কালৰ ফলহীন গছ, দুবাৰ মৰা আৰু উঘালি পৰা গছ, তেওঁবিলাক নিজৰ লাজৰূপে ফেন উলিওৱা সাগৰৰ প্ৰচণ্ড ঢৌ, তেওঁবিলাক ভ্ৰমণকাৰী তৰাস্বৰূপ, সেইবোৰৰ কাৰণে অনন্ত-কলীয়াঘোৰ আন্ধাৰ সাঁচি থোৱা হৈছে।"** এইয়া চাওক প্ৰিয় শ্ৰোতা অনাহকতে দৰ্প কৰাৰ ফল অতি ভয়ঙ্কৰ।

হিতোপদেশ ২৫:১৫-১৬পদ, **"অনেক কাল সহি থকাৰ দ্বাৰাই শাসনকৰ্ত্তাৰ প্ৰবৃত্তি জন্মে, আৰু কোমল জিবাই হাড় ভাঙিব পাৰে। মৌ পালে, যিমান প্ৰয়োজন সিমানহে খাবা, নহলে অতিৰিক্ত খালে তুমি বঁতিয়াবা।"** বাইবেলৰ পুৰণি নিয়মত মৌ ৰস বুলি স্বাভাৱিক অৰ্থাৎ আক্ষৰিক অৰ্থৰ মিঠাকে বুজায়। পুৰণি নয়ম মতে ভক্ষ নৈবেদ্যত মৌ ৰস দিয়াৰ অনুমতি নাছিল কাৰণ সেই নৈবেদ্যই যীচু খ্ৰীষ্টৰ মানৱত্বক বুজাই। যীচু খ্ৰীষ্ট অতি মধুৰ আছিল, কিন্তু তেওঁৰ মধুৰতা পাৰ্থিৱ অৰ্থৰ নাছিল, ই আছিল স্বৰ্গীয়। আপুনি বাৰু কেতিয়াবা বৰ মিঠা মুখীয়া মানুহ লগ পাইছে নে? তেনে মানুহৰ কথা শুনি, শুনি আপুনি ভুল নাযাব। নহলে সেই মিঠা কথাই পাছত তিতা হৈ বিপদ ঘটাব পাৰে।

হিতোপদেশ ২৫:১৭পদ, "তোমাৰ চুবুৰীয়াৰ ঘৰলৈ কেতিয়াবা, কেতিয়াবাহে যাবা, নহলে, তেওঁ আমনি পাই তোমাক ঘিণ কৰিব।" এইটো একেবাৰে সঁচা কথা, ওচৰ চুবুৰীয়াৰ ঘৰলৈ বৰ সঘনাই নাযাব আৰু গলেও বেছি সময় তাত নাথাকিব। বেছি সময় থাকিলে তেওঁলোকৰ খোৱা-বোৱা, কাম-বনত অসুবিধা পাব আৰু আপোনাক ভাল নোপোৱা হব। তেনেকুৱা হলে আপোনাৰ নিজৰ মান-সন্মান কমি যাব আৰু আপোনাৰ প্ৰতি থকা ভক্তি আৰু ভালপোৱা একেবাৰে ম্লান পৰি যাব।

হিতোপদেশ ২৫:১৮-১৯পদ, **"যি কোনোৱে ওচৰ-চুবুৰীয়াৰ অহিতে মিছা সাক্ষ্য দিয়ে,তেওঁ গদা, তৰোৱাল, আৰু তীক্ষ্ণ বাণ স্বৰূপ। ভগা দাঁত, আৰু সাঁফি লৰা ভৰি যেনে সঙ্কটৰসময়ত বিশ্বাস-ঘাতক লোকৰ আশ্ৰয় লোৱা তেনে।"** এই শ্ৰেণীৰ মানুহৰ পৰা আপুনি নিশ্চয় অতি সাৱধানে থাকিব। আপদ বিপদ বা জৰুৰী সময়ত যদি আপুনি এনে বিশ্বাস ঘাতক মানুহৰ ওপৰত নিৰ্ভৰ কৰে তেন্তে এক আঁঠু পানীতে নিগমে মৰিব। ঈস্কৰোতীয়া যিহূদাই প্ৰভু যীচুৰ কি অৱস্থা কৰিছিল মনত আছে নে বাৰু? তেনে মানুহৰ ক্ষেত্ৰত আপুনি সাৱধান হোৱা উচিত।

হিতোপদেশ ২৫:২০-২২পদ, **"জাৰত কাপোৰ সোলোকাই থোৱা আৰু, য-খাৰত টেঙা ৰস দিয়া যেনে, মনৰ বেজাৰৰ কালত গীত গান কৰাও তেনে। তোমাৰ শত্ৰু যদি ক্ষুধাতুৰ হয়, তেন্তে তাক ভোজন কৰোৱা, আৰু যদি তৃষ্ণাতুৰ হয়, তেন্তে তাক জলপান কৰোওৱা, কিয়নো তাকে কৰিলে, তুমি তাৰ মূৰত জ্বলি থকা আঙঠা দমাই দিয়া হবা, আৰু যিহোৱাই তোমাক পুৰস্কাৰ দিব।"** প্ৰিয় শ্ৰোতা এই পদ কেইটাৰ কথাখিনি আমাৰ সকলোৰে বাবে অতি দৰকাৰী। আমি আনৰ দুখত দুখী হব লাগে, তৃষ্ণাতুৰ, ভোকাতুৰ আৰু বস্ত্ৰহীনৰ প্ৰতি দয়ালু হব লাগে।



WORD RESOUNDS TODAY
www.Radio882.com

এই বিষয়ে আমাৰ প্ৰভু যীচুৱেও বহু কথা কৈছে। সেইবিলাক আমি আগতে অধ্যয়ন কৰি আহিছোঁ।

হিতোপদেশ ২৫:২৩পদ, **“উত্তৰৰ বতাহে যেনেকৈ বৃষ্টি আনে, তেনেকৈ পৰচৰ্চ্চাকাৰী জিবাই উগ্ৰমূৰ্তি ধাৰণ কৰায়।”** আজি আমি এনেকুৱা এটা যুগত বাস কৰিছোঁহক, যেতিয়া বেয়া দেখিলেও খোলা খুলিকে ক'ব নোৱাৰোঁ বা টানকৈ বাধাও দিব নোৱাৰোঁ; কিন্তু পৰচৰ্চ্চা কৰি তাৰ সোৱাদ লব পাৰোঁ। এগৰাকী মহাশয় কৈছে যে, কিছুমান দল আৰু কাৰ্যক লৈ কঠোৰভাৱে কথা কোৱাৰ বাবে কিছুমান সাধু লোকৰ পৰা টান চিঠি পাইছে, তেখেতে কৈছে যে, যেয়েই যি নকওক কিয় যি সত্য আৰু উচিত কথা তেখেতে ক'বই। তেতিয়াহে উত্তৰৰ বতাহে যেনেকৈ বৃষ্টি ঠেলি নিয়ে, তেনেকৈ খঙাল কথায়ো জিভাৰ পৰচৰ্চ্চা দূৰ কৰিব।

আজি কালি খ্ৰীষ্টিয় লোকৰ মাজতে অনেক ভুল শিক্ষা, ভুল পথ আৰু ভুল তত্ব ইত্যাদিয়ে দেখা দিছে। এইবোৰৰ বিৰুদ্ধে আমি মাত মাতিবই লাগিব। এইবিলাকক কঠোৰ হাতেৰে দমন কৰিবই লাগিব। নহলে সকলোৰে বাবে বিপদ হ'ব। আজি আমাৰ মাজত চলি থকা মিঠা, মিঠা কথাবোৰৰ তলত যদি তিতা আৰু কাল সৰ্পৰ বিষ নাথাকিলে হেঁতেন, ভুল পথত যদি পৰি উঠিব নোৱাৰা গাঁত নাথাকিলে হেঁতেন আৰু মিছা তত্ব যদি নাথাকিলে হেঁতেন তেন্তে আমাৰ কবলৈ একো নাথাকিলে হেঁতেন। কিন্তু এইবোৰ যদি আমি দেখা পাওঁ তেন্তে নিৰৱে সহ্য কৰি থাকিম জানোঁ সহ্য কৰি থাকিলে নহব। আমি ক'বই লাগিব, প্ৰতিবাদ কৰিবই লাগিব কিন্তু সেই প্ৰতিবাদ বেয়াৰ বাবে নহয়, ভালৰ বাবেহে হব লাগে। এই প্ৰতিবাদ আমি হিংসাৰে নহয় কিন্তু আত্মিক প্ৰেমেৰে কৰিব লাগিব। কোনো লোকক আঘাত দিয়াৰ উদ্দেশ্যেও নহয় কিন্তু ঈশ্বৰৰ সত্যতা আমি প্ৰকাশ কৰিবই লাগিব। ঈশ্বৰৰ বাক্যত আমাক এই কাৰ্য কৰিবলৈ উপদেশ দিছে; আৰু সেইবোৰৰ ভিতৰত ২৩ পদটিও এটা।

হিতোপদেশ ২৫:২৪পদ, **“দ্বন্দুৰী তিৰোতাৰে সৈতে ডাঙৰ ঘৰত বাস কৰাতকৈ, চালৰ এচুকত থকাই ভাল।”** এই কথাটি আমাক আগতেও বহুবাৰ কোৱা হৈছে, এই কথাটো শুনি বহুতো তিৰোতাই অৱশ্যে খং কৰিবও পাৰে। কিন্তু খং কৰাৰ পৰিবৰ্তে ঈশ্বৰৰ বাক্যত ভিত্তিত নিজক এবাৰ পৰীক্ষা কৰি চোৱাহে ভাল হ'ব। ৰজা চলোমনৰ নিশ্চয় এই অভিজ্ঞতা আছিল, কাৰণ তেওঁৰ বহু তিৰোতা আছিল। তাৰ ভিতৰত কোনোবা গৰাকী কিজানি বৰ দন্দুৰী আছিল। আমি ভাবো যে তেওঁ যেতিয়া ৰখত উঠি ফুৰিবলৈ গৈছিল, তেতিয়াও সেই দন্দুৰীজনী চাগে লগত লৈ খিংখিঙাই আছিল। সেই কাৰণে তেওঁ এই কথা কৈছে, সঁচাকৈ ভাল ঘৰ, ভাল খোৱা-বোৱা আৰু পিন্ধা-ওৰা থকা স্বত্বেও যদি তিৰোতা দ্বন্দুৰী আৰু খিংখিঙিয়া হয় তেন্তে সেই ঘৰত থাকি অকনো শান্তি নাই। সেই ঘৰত থকাতকৈ ঘৰৰ চালৰ এচুকত বাদুলি এটাৰ নিচিনা সুমাই থকাই ভাল। এনে তিৰোতাৰ কাৰণে বহুতো ঘটনা ঘটাও শুনিবলৈ পোৱা যায়।

এগৰাকী মহাশয়ে কৈছে যে, তেখেতে হেনো এবাৰ নগৰৰ আলি বাটতে গৈ থাকোঁতে এখন গাড়ীৰ ভিতৰতে হঠাৎ এটা বিকট শব্দ হল আৰু লগে, লগে মানুহবিলাকে সেই গাড়ীখনৰ ফাললৈ সুৰ মুৰকৈ দৌৰিবলৈ ল'লে। লাহে, লাহে সেই মহাশয়ে তালৈ আহি দেখা পালে যে, গাড়ীৰ ভিতৰত পিষ্টলৰ গুলি লাগি তিৰোতা এগৰাকী চটফটাই আছে আৰু কাষত এজন পুৰুষে হাতত পিষ্টল লৈ আছে। ঘটনাৰ পমখেদি গম পোৱা গল যে, পুৰুষ জন তিৰোতাজনীৰ



WORD RESOUNDS TODAY
www.Radio882.com

গিৰিয়েক, গিৰিয়েক জনে উত্তেজিত মাতেৰে কবলৈ ধৰিছে যে, তাইৰ লগত তাৰ বিয়া হোৱা বহুদিন হৈছে কিন্তু কোনোদিন শান্তিত থাকিবলৈ দিয়া নাই। অনবৰতে খিংখিঙাই দ্বন্দ কৰি থাকে। আনকি সেই দিনাও তেওঁলোক ফুৰিবলৈ আহিছিল আৰু তেতিয়াও গাড়ীৰ পাছত বহি তেওঁ খিংখিঙাই আছিল। সেই কাৰণে তেওঁ ধৈৰ্য হেৰুৱাই পিষ্টল উলিয়াই তাইক গুলীয়াই দিলে। তেনে কৰাৰ কাৰণে তেওঁ দুখ পাইছে, কিন্তু ধৈৰ্য হেৰুৱাই উত্তেজনাত তেওঁ এই কাম কৰিছে। এনে ধৰণৰ ঘটনা বহুত ঘটিছে। সেই কাৰণে ভাৰ্যা সকলে এই পদটিৰ দ্বাৰাই নিজকে এবাৰ পৰীক্ষা কৰি চাওক।

হিতোপদেশ ২৫:২৫পদ, **"তৃষ্ণাতুৰ লোকৰ পক্ষে চেঁচা পানী যেনে, দূৰ দেশৰ পৰা অহা মঙ্গল সম্বাদো তেনে।"** প্ৰিয় শ্ৰোতা কেতিয়াবা আপুনি বহু দিন ধৰি নিজৰ ঘৰৰ পৰা একো বাতৰি নোপোৱাকৈ থাকি পাইছে নে? নাইবা আপোনাৰ সন্তান যদি বহু দূৰ ঠাইত আছে অথচ বহু দিন ধৰি একো খবৰ পোৱা নাই, তেন্তে আপোনাৰ মনটো কেনেকুৱা লাগিব। খবৰৰ বাবে অধৈৰ্য হৈ থাকোঁতে যদি অকস্মাত এটি ভাল খবৰ পায়, তেন্তে আপোনাৰ নিশ্চয় আনন্দ লাগে, নহয় জানো?

এই পদটোৰ দ্বাৰা এই কথাটোকে বুজোৱা হৈছে যদিও ইয়াৰ আন এটি গভীৰ অৰ্থ আছে, সেইটো হৈছে দূৰ দেশৰ পৰা অহা মঙ্গলৰ বাতৰিক উদ্দেশ্য কৰি প্ৰভু যীচুৱে কৈছে, মই পিতৃৰ ওচৰৰ পৰা এই জগতলৈ আহিলো, আকৌ জগতখনক এৰি পিতৃৰ ওচৰলৈ যাওঁ। তাৰ মানে আমাৰ পৰা বহু দূৰৈত থকা স্বৰ্গীয় পিতৃৰ ওচৰৰ পৰা প্ৰভু যীচু আমাৰ মাজলৈ কিছুদিনৰ বাবে আহিছে, মঙ্গলৰ বাতৰি লৈ, পৰিত্ৰাণ দিবলৈ। এই পৰিত্ৰাণৰ শুভবাৰ্তা কোনো মনুষ্যৰ পৰা অহা, নাইবা পৃথিৱীৰ কোনো দেশৰ পৰাও অহা নাই, আহিছে স্বৰ্গত পৰা, স্বৰ্গত থকা পিতা পৰমেশ্বৰ পৰা আৰু আহিছে প্ৰভু যীচুৰ যোগেদি। প্ৰভু যীচুৱে অনা মঙ্গলৰ বাতৰি যিয়ে শুনিছে আৰু গ্ৰহণ কৰিছে তেওঁৰেই তৃষ্ণাতুৰ প্ৰাণ তৃপ্ত হৈছে। তেওঁ আত্মাত শান্তি আৰু জিৰণি পাইছে। তৃষ্ণাতুৰ লোকৰ বাবে চেঁচা পানী যেনে, তৃষ্ণাতুৰ আত্মাৰ বাবে প্ৰভু যীচু তেনে। প্ৰভু যীচুৱেই হল জীৱনৰ জল তেওঁক যিয়েই এবাৰ মাথোন গ্ৰহণ কৰিছে, এবাৰ মাথোন পান কৰিছে, তেওঁৰ আত্মা চিৰদিনৰ বাবে তৃপ্ত হৈছে; তেওঁৰ আৰু কেতিয়াওপিয়াহ নালাগিব। সেই মঙ্গলৰ বাতৰি স্বৰ্গৰ পৰা অনা প্ৰভু যীচুক আপুনি গ্ৰহণ কৰিলে নে? যদি কৰা নাই, তেন্তে পলম নকৰিব। আপোনাৰ জীৱনৰ আটাইতকৈ প্ৰয়োজনীয় কাম এইটোৱেই।

হিতোপদেশ ২৫:২৬পদ, **"ঘোলা পানীৰ জৰণি, আৰু মলিন ভুমুক যেনে, দুষ্টৰ সন্মুখত চঞ্চল হোৱা ধাৰ্ম্মিকো তেনে।"** প্ৰিয় শ্ৰোতা এগৰাকী বিখ্যাত পণ্ডিতে এনেদৰে কৈছে যে, তেখেত যেতিয়া ডেকা কালত চিকাৰলৈ গৈছিল তেতিয়া নিজৰা ভূমুক ইত্যাদিৰ পানী খাইছিল, কাৰণ য'তে ত'তে নিজৰা আৰু ভূমুকবিলাক আছিল, কিন্তু কিছুমান ঠাইত নিজৰা আৰু ভূমুকবোৰৰ পানী ইমান লেতেৰা যে তাক খাবই নোৱাৰি। পানী দেখাতে ৰঙচুৱা আৰু গেদিয়া হৈ থাকে, কিন্তু কোনো, কোনো পৰিস্থিতিত এনেকুৱা হয় যে, সেই লেতেৰা পানী নাখালে আৰু আন উপায় নাই। প্ৰিয় শ্ৰোতা এই কথাটোৰ দ্বাৰা এজন ধাৰ্মিক লোকক দুষ্ট লোকৰ লগত তুলনা কৰা হৈছে।

WORD RESOUNDS TODAY



www.Radio882.com

আজি এনেকুৱা যুগ আহি পৰিছে যে, উপায়হীন হৈ সদায় সত্যৰ হকে মাত মাতি অহা লোকে দুষ্টৰ আগত মূৰ দুঁৱাবলগীয়া অৱস্থা হৈছে। ব্যৱসায়ৰ ক্ষেত্ৰত সৎ মানুহে অসতৰ ওচৰত কিমান বাৰ নতশিৰ হব লগা হৈছে বা সমাজৰ আন, আন ক্ষেত্ৰত কিমান নিষ্ঠাৱান চলাওঁতা নেতাই অসৎ নেতাৰ আগত হাৰ মানিব লগীয়া হৈছে। সন্মানীয় আৰু জ্ঞানী কিমান মানুহে চাকৰি বাকৰি পাবলৈ দুষ্ট লোকক কাবৌ মিনতি কৰিবলগীয়া হৈছে, সেই বিলাকৰ হিচাপ নাই। আনকি মণ্ডলীতো এই ঘটনা নঘটাকৈ থকা নাই। সত্য ঈশ্বৰ তত্ব, সত্য কথা কৈ অহা অনেক বিশ্বাসী লোক হলঠেকত পৰি দুষ্ট লোকৰ লগত আপোচ কৰিব লগীয়া হৈছে। নিজে সৰু হৈ বুজা বুজি কৰিব লগীয়া হৈছে এইবিলাক কিমান দুখৰ কথা। দুষ্টতাই আজি সততাক গ্ৰহ কৰিব লাগিছে। ক্ষমতা দুষ্টৰ হাতলৈ যাব লাগিছে। ধাৰ্মিকেইটা জালত পৰিছে। এইয়া তৃষ্ণাতুৰ লোকে পানীৰ নিজৰাপায়ো তাৰ পানী তেলেৰা আৰু মলিন হোৱা নিচিনা কথা।

হিতোপদেশ ২৫:২৭পদ, **"যেনেকৈ অধিককৈ মৌ খোৱা ভাল নহয়, তেনেকৈ ভাৰী, ভাৰী বিষয় অনুসন্ধান কৰাওভাৰী কথা।"** যেনেকৈ অলপ মৌ খোৱা ভাল কিন্তু অধিক খোৱা ভাল নহয়, ঠিক তেনেকৈ নিজ গৌৰৱৰ কাৰণে অলপ আশা আকাংক্ষা থকা ভাল কিন্তু বেছি হলে বিপদ জনক হৈ পৰে। আজি কালি ঈশ্বৰৰ পৰিচৰ্যা কৰা লোকসকলৰ মাজতো কিছুমান অবাঞ্চনীয় আশা আকাংক্ষা দেখা যায়, যেনে বিশ্বাসত বীৰ পৰিবৰ্তে বৰ ডাঙৰ নেতা হোৱা, আনক শাসন কৰিব ক্ষমতা পোৱা ইত্যাদি। তেনেকুৱা কিছুমান খ্ৰীষ্টিয়ান লোকক দেখিলে, পেটে, পেটে খং উঠে নহয় নে বাৰু? কিন্তু আমি তেনেকুৱা হোৱা উচিত নহয়।

হিতোপদেশ ২৫:২৮ পদ, **"যি জনে নিজৰ মনক দমন নকৰে, তেওঁ গড় ভগা, বা গড় নাইকিয়া নগৰৰ নিচিনা।"** এই পদটোৰ দ্বাৰা আবেগ, অনুভূতিক আৰু উত্তেজনাক দমন কৰিব নোৱাৰা পুৰুষ আৰু তিৰোতাৰ কোৱা হৈছে। যি সকল আত্ম সংযমি নহয় তেওঁলোকে এবাৰ নিজকে পৰীক্ষা কৰি চাওক কাৰণ আমি মনত ৰখা উচিত যে, আত্মসংযম হ'ল পবিত্ৰ আত্মাৰ ফল। (গালাতীয়া ৫:২২ পদ)। অৱশ্যে আবেগ, অনুভূতিক আৰু উত্তেজনাৰে কথা কোৱাৰ একো, একোটাৰ সময় আছে। প্ৰয়োজন হলে লাভৰ বাবে ক'ব লাগে, কিন্তু সেইটো আমাৰ স্বভাৱ হব নালাগে। এনে স্বভাৱৰ পৰা আঁতৰি থাকিবলৈ দৰকাৰ হলে, ঈশ্বৰৰ পৰা আমি সহায় বিচাৰিব লাগে। প্ৰিয় শ্ৰোতা আজিৰ আলোচনাটি আমি ইমানতে সামৰিব খুজিছোঁ, ঈশ্বৰে আপোনাৰ সহায় হওক, আমেন।

<u>পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:</u>

১) ফৰৌণনখো ক'ৰ ৰজা আছিল?

২) কোনজন ভাববাদীয়ে ৰজা দায়ূদৰ গুপ্ত পাপৰ কথা সুঁৱৰাই দিছিল?

৩) সাধাৰণতে কোনটো দিশৰ বতাহে বৃষ্টি আনে?

WORD RESOUNDS TODAY



www.Radio882.com

হিতোপদেশ ২৬ অধ্যায়

প্ৰিয়শ্ৰোতা, আমি আজি ভালে মান দিন ধৰি বাইবেলৰ পুৰণি নিয়ম খণ্ডৰ হিতোপদেশ নামৰ পুস্তকখন অধ্যয়ণ কৰি আছো। নহয় নে বাৰু? আজিৰ অনুষ্ঠানত আমি এই হিতোপদেশ পুস্তকৰ ২৬নং অধ্যায়টো আলোচনা কৰিবলৈ ওলাইছো। এই ২৬ অধ্যায়টোত মুখ্য এলেহুৱা প্ৰতাৰণাকাৰী, পৰচৰ্চ্চাকাৰী, দন্দুৰা আৰু কপটীয়াসকলৰ কথা কোৱা হৈছে। বিশেষকৈ মূখ্য এলেহুৱা আৰু পৰচৰ্চ্চাকাৰী সকলক কথাৰ বাণেৰে থকা-সৰকা কৰিছে।

অধ্যায়টোৰ ১-১২নং পদলৈকে কেৱল মূৰ্খলৈকে কাড়বোৰ এৰা হৈছে। আমাৰ অসমীয়া বাইবেলত অৱশ্যে মূৰ্খ বুলি নকৈ অজ্ঞানী বুলি কোৱা হৈছে। কিন্তু মূৰ্খ শব্দটোহে উপযুক্ত শব্দ হব। অজ্ঞানী আৰু মূৰ্খ বা অজ্ঞানতা আৰু মূৰ্খতাৰ মাজত পাৰ্থক্য আছে। শিকিবলৈ জানিবলৈ আৰু বুজিবলৈ ইচ্ছা আৰু চেষ্টা কৰাৰ মূৰকতো যেতিয়া কথাবোৰ, আৰু কামবোৰ আৰু আচৰণবোৰ ভুল হৈ যায়, আৰু সেই ভুল বোৰে মানুহক অসুবিধাত পেলাই তেতিয়া সেই কথা, কাম আৰু আচৰণবো অজ্ঞানী কথা, কাম আৰু আচৰণ হৈ পৰে। তেনে অজ্ঞানী ঘটনাবিলাক ঘটিবলৈ পায় অজ্ঞতা অসাৱধানতা আৰু পাহৰণিৰ বাবে কিন্তু সেইবোৰ ইচ্ছাকৃত ভাবে কৰা নহয়। কিন্তু মূৰ্খামী কথা কাম আৰু আচৰণবোৰ হলে ইচ্ছাকৃত। সেয়ে মূৰ্খজনে শিকালেও নিশিকে আৰু বুজালেও নুবুজে, শিকিব বা বুজিব যে নোৱাৰে তেনে নহয়। কিন্তু শিকিব বা বুজিবলৈকে ইচ্ছা নকৰে।

গতিকে ইয়াত যিটো কোৱা হৈছে, সেইটো হৈছে মূৰ্খতা কিন্তু অজ্ঞতা নহয়। মানুহৰ সজ-সৰলতা কথাও ইয়াত কোৱা হোৱা নাই। ইয়াত কোৱা হোৱা নাই মগজুৰ বিকৃতি থকা লোকৰ কথা। বৰ বুদ্ধিয়ক আৰু বৰ শিক্ষিতজনো মূৰ্খ হব পাৰে।

দায়ুদে কৈছে, অজ্ঞানে নিজ মনতে ভাবে, “ঈশ্বৰ নাই।” গীতমালাৰ ১৪:১পদ। গতিকে বাইবেলৰ ভাষা বাইবেলৰ শিক্ষা আৰু বাইবেলৰ জ্ঞানত নাস্তিকজন মূৰ্খ, তেওঁ লাগে শিক্ষিতই হওক বা অশিক্ষিতেই হওক। আমাৰ মূৰ্খ শব্দটোৰ কাৰণে ইব্ৰী ভাষাত ব্যবহৃত শব্দটো হৈছে পগলা। তাৰমানে ঈশ্বৰ নাই বুলি কোৱা মানুহবিলাক পগলা। আপুনি জীৱনত এনে লোক লগ পাব পাৰে যি সকল বৰ চোকা আৰু প্ৰতিভাশালী লোক কিন্তু তথাপি পগলা হব পাৰে । কিন্তু এইবিলাক পাগল মগজৰ বিকৃতিৰ বাবে হোৱা পাগল, কিন্তু মূৰ্খ বিলাক সুস্থশৰীৰ, সুস্থ-মগজ, সুস্থ চিন্তাশক্তি আৰু স্বাভাৱিক শিক্ষা দীক্ষা আদিৰে সৈতে পাগল। তেওঁলোক পাগলৰো পাগল। পাগলৰ দেউতাকৰো দেউতাক। পাগলৰ দেউতাকৰো একেবাৰে পাগল দেউতাক। কাৰণ তেওঁলোকে সুস্থ মন-প্ৰাণ শৰীৰে সৈতে কয় যে ঈশ্বৰ নাই। প্ৰভুৱে এজন মানুহক যেতিয়া মূৰ্খ বুলি কয়, তেতিয়া তেওঁ অজ্ঞ অশিক্ষিত সহজ সৰল মনৰ মানুহ বা মগজুৰ বিকৃতি থকা সকলৰ কোনো মানুহকেই নকয়। কিন্তু যিজনে তেওঁক প্ৰত্যাখ্যান কৰে, তেওঁকেই তেওঁ মূৰ্খ বোলে। তেনে কৰাকে তেওঁ পাগলামী কৰা বুলি কয়।

WORD RESOUNDS TODAY



www.Radio882.com

হিতোপদেশ ২৬:১ পদ, **“ঘাম-কালত হিম, আৰু শস্য দোৱাৰ সময়ত বৃষ্টি যেনে অনুপযুক্ত, অজ্ঞানৰ পক্ষে সন্মানো তেনে অনুপযুক্ত।”** মূৰ্খৰ বহু চিনবিলাকৰ ভিতৰত এটা চিন হৈছে যে তেওঁ তেওঁৰ মান ইজ্জত হানি হলেও তেওঁ একো বেয়া নাপায়। খৰালি কালত বৰষুণ আৰু বৰষুণ দিয়াৰ প্ৰয়োজনৰ কালত জাৰ পৰাটো যিমান অনুপযুক্ত, মূৰ্খৰ চিন্তাটো মান সন্মান বোলা বস্তুটো সিমান অদৰকাৰী। মূৰ্খ যে মূৰ্খই।

হিতোপদেশ ২৬:২ পদ, **“ভ্ৰমি ফুৰা কথাত ঘৰ-চিৰিকা, আৰু উৰি থকা কথাত তেলটুপি যেনে, অকাৰণে দিয়া শাও তেনে, সি নালাগে।”** ঘৰচিৰিকা চৰাই যদি হয় তেন্তে জানিব ই ভ্ৰমিয়েই ফুৰে, তেলটুপি চৰাই যদি হয় ই উৰিয়েই ফুৰে, আৰু শাও দিয়া মানুহ যদি হয় তেওঁ শাওৱেই দি ফুৰিব শাও দিবলৈ তেওঁক কোনো কাৰণেই নালাগে। কিন্তু তেওঁ শাও দিয়ে শগুণে বুঢ়া গৰুক শাও দিয়াৰ নিচিনা নালাগে। নাই কাৰো গাত নালাগে। কেনেকে লাগিব? বুঢ়া গৰুটোৱে পাপ কৰা কাৰণে শগুণে শাও দিয়েনে? কেতিয়াও নহয়। নিজে টানি টানি খাব পাবলৈকেহে অভিশাপ দিয়ে। তাৰ শাও নালাগে।

হিতোপদেশ ২৬:৩নং, পদ, **“ঘোঁৰাৰ নিমিত্তে চাবুক, আৰু গাধৰ নিমিত্তে লাগাম, আৰু অজ্ঞান বোৰৰ পিঠিৰ নিমিত্তে চেকনী।”** হে প্ৰভু মূৰ্খক ইয়াতকৈ অধিক মচলা গৰম কিবা লাগিবনে আৰু? চাবুকে ঘোঁৰাক লাগামে গাধক বশ বনাব পাৰে। মূৰ্খকো সেইদৰে পথৰা সৌকাৰ সৌৰব সৌৰবকৈ পিঠিত দিয়া কোবেহে অলপ বুজাব পাৰে। কাৰণ মূৰ্খবিলাক ঘোঁৰা আৰু গাধৰ দৰে বৰ মূৰ্খ। চহৰৰ বাটে পথে ঘূৰি ফুৰা ঘোঁৰাবিলাকক দেখিলে মূৰ্খবিলাককেই দেখিছে বুলি আপুনি ভাবিব পাৰে।

হিতোপদেশ ২৬:৪-৫ নং পদ, **“তুমি অজ্ঞানক তাৰ অজ্ঞানতাৰ দৰে উত্তৰ নিদিবা; দিলে, তুমিও তাৰ নিচিনা হবা। অজ্ঞানক তাৰ অজ্ঞানতাৰ দৰে উত্তৰ দিবা; নতুবা সি নিজকে নিজে জ্ঞানী বোধ কৰিব।”** এই পদ দুটাত আচলতে দুটা আচৰণৰ মূৰ্খ মানুহৰ কথা কোৱা হৈছে। এটা আচৰণৰ মূৰ্খ মানুহ আছে চুঙা চাই সোপা দিব লগা হয়। জোকৰ মুখত নিমখ দিলেই পৰিস্থিতি চম্ভালিব পৰা যায়। তেওঁলোক হল ৫নং পদৰ মূৰ্খ মানুহ। তেওঁলোকক তেওঁলোকৰ মূৰ্খামীৰ দৰে উত্তৰ দিব লগা হয়। কিন্তু আন এটা আচৰণৰ মূৰ্খ মানুহ আছে, চুঙাত সোপা দিবলৈ সুৰুঙাই নাথাকে। মুখত নিমখ দিবলৈ মুখেই নাথাকে। সেইবোৰক সোপা আৰু নিমখ দিবলৈ চেষ্টা নকৰাই ভাল। এওঁলোক হল ৪নং পদৰ সেই মূৰ্খ মানুহ।

এদিন এজন অতি মূৰ্খ মানুহে এগৰাকী মহাশয়ক কৈছিল কি স্বৰ্গ স্বৰ্গখন লগাই আছাহে; আমাৰ এই ঠাইখনৰ পৰা তোমাৰ স্বৰ্গখনলৈ কিমান দূৰ কব পাৰিবানে? ঈশ্বৰে সেই মহাশয়ক বৰ জৰুৰীভাবে সহায় কৰি এই কথা দিলে, তেওঁ ক'লে, বেছি দূৰ নহয়, মাত্ৰ এখোজ। সেই খোজ টোকেই আপুনি লব। সেই খোজটো হল আপুনি যীচুক বিশ্বাস কৰি পৰিত্ৰাতা আৰু প্ৰভু ৰূপে গ্ৰহন কৰক। তেতিয়া আপুনি স্বৰ্গৰাজ্য পাই যাব। সেই খোজটো আপুনি লবনে? সেই খোজটো আপুনি লবনে? মানুহজনে চাধা মাৰি মাৰি আতৰি গৈ আছিল।

কিন্তু সেই মহাশয়ে তেওঁৰ পাছ এৰা নাছিল। মাত্ৰ এখোজ। সেই খোজটো আপুনি লবনে? এই বুলি তেওঁৰ পাছে পাছে যোৱা দেখি তেওঁ এখন দোকানত সোমাই মাৰি যোৱা ধপাঁতখিনি



WORD RESOUNDS TODAY

www.Radio882.com

থপ থপকৈ মাৰি মুখত সোমোৱাই লৈ সেই মহাশয় লৈ জুপি চাই পঠিয়াইছিল। এইজন আছিল ৫নং পদটোৰ নিচিনামূৰ্খ মানুহ। সেই মহাশয়ে আৰু এজন মূৰ্খক লগ পাইছিল। তেওঁ কৈছিল, হেৰি ডাঙৰীয়া আপোনাৰ ঈশ্বৰে বাৰু আমাৰ আটাইকে স্রজিলে কিন্তু আপোনাৰ সেই নেদেখা ঈশ্বৰজনাক নো কোনে স্রজিলে? কবনে আমাক? বাপেৰে বুলি কৈ দিবলৈ মন গৈছিল তেখেতঁৰ। কিন্তু নকলে, কাৰণ বাপেৰে বুলি কলেও ভে ভেকৈ হাঁহি ঈশ্বৰতকৈ বাপেকক ডাঙৰ কৰিলেহেঁতেন। ইমানেই মূৰ্খ তেওঁ। এওঁ হল সেই ৪নং পদৰ মূৰ্খ মানুহজন।

হিতোপদেশ ২৬:৬নং পদ, **"যি জনে অজ্ঞান লোকৰ দ্বাৰাই সমাচৰ পঠিয়াই, তেওঁ নিজৰ ভৰি নিজে কাটি পেলায়, আৰু অপকাৰ ভোগ কৰে।"** মূৰ্খৰ জড়িয়তে খবৰ পঠোৱা মানুহ পঠোৱাজনৰ মূৰ্খামী কৰাকেই বুজায়। কাৰণ তাৰ ফল বৰ বিপদজনক হয়। মুখঁই কয় খবৰটো ইমান জৰুৰী বুলি জনা নাছিলো নহয়, সেয়েহে লাহে ধীৰে দিলেও হব বুলি ভাবিছিলো। খবৰটো দিবহে লাগে আৰু, মূৰ্খৰ জৰিয়তে কোনো জৰুৰী কাম কৰাটো উচিত নহয়। মূৰ্খৰ জৰিয়তে জৰুৰী কাম কৰিবলৈ গলে আমাৰ বিপদ হব পাৰে।

হিতোপদেশ ২৬:৭নং পদ, **"খোৰাৰ ওলমি থকা ভৰি যেনে, অজ্ঞানবোৰৰ মুখত নীতি বাক্যও তেনে।"** কিয় জানেনে প্ৰিয়শ্ৰোতা, কাৰণ সেই ফাকি নীতি বচনে তেওঁৰ জীৱনতেই কাম নকৰে। কৰিব কেনেকৈ? তেওঁ তাক বুজিও নাপায়। আৰু বুজি পালেও তালৈ কেৰেপ নকৰে। তাক জীৱনত ব্যৱহাৰ নকৰে। ওলমি থকা খোৰা যিদৰে কামত নাহে, নীতি-বচনো মূৰ্খৰ কোনো কামত নালাগে। ৮নং পদটোৰ অসমীয়া খিনি সম্পূৰ্ণ বেলেগ অৰ্থলৈ সলনি হোৱা বাক্য যেন লাগে। আমাৰ অসমীয়া বাইবেলত এনেদৰে আছে।

হিতোপদেশ ২৬:৮পদ, **"শিলৰ দ'মৰ মাজত মণিৰ মোনা যেনে; অজ্ঞানক মৰ্য্যদা দিয়া জনো তেনে।"** আন ভাষাৰ বাইবেলত কোৱা হৈছে কেটেপাত শিল লগাই লোৱাজন যেনে মূৰ্খক মৰ্য্যদা দিয়া মানুহজনো তেনে। অৰ্থাৎ মূৰ্খক মৰ্য্যদা দিয়া মানে, তাৰ হাতত এটা গুলি ভৰি থকা বন্দুক তুলি দিয়াৰ নিচিনা কথা হয়।

হিতোপদেশ ২৬:৯নং পদ, **"মতলীয়াৰ হাতত বিন্ধা কাঁইট যেনে, অজ্ঞানৰ মুখত নীতি-বাক্যও তেনে।"** এই পদটোৰ অৰ্থ বোধ হয় এনেকুৱা যিহেতু মতলীয়াই মদৰ নিচাত কাপোৰে কানিয়ে পেচাৰ কৰি লৈছেনে লোৱা নাই তাৰ খবৰ ৰাখিব নাজানে বা ঠাণ্ডা নে গৰম তাৰ তৎ নাথাকে বা খালতেই পৰি আছে নে বিচনাতেই আছে তাক নাজানে সেইদৰে কাঁইটৰ আঘাটো তেওঁ সিমান এটা উপলব্ধি নকৰে মদৰ নিচাৰ প্ৰভাৱতো। ঠিক মূৰ্খৰ মুখতো নীতি বচন তেনেকুৱা। তেওঁৰ জীৱনত মূৰ্খামীৰ প্ৰভাব আৰু প্ৰাৱল্যতা ইমানেই বেছি তাক বুজিকেই নাপায় বা গমকে নাপায়। তেওঁৰ মুখৰ নীতি বচনৰ অৰ্থ কি?

হিতোপদেশ ২৬:১০ নং পদ, **"সকলোকে খুন কৰা ধনুৰ্দ্ধৰ যেনে, অজ্ঞানক বেচ দি খটোৱা, আৰু বাটৰুৱাক বেচ দি খটোৱাজনো তেনে।"** মূৰ্খ আৰু অচিনাকী মানুহক কামত খটোৱা মানুহজনো নিজৰ উপৰি সমাজখনকো বিপদত পেলাই বুলি ইয়াত আমাক বুজাই দিয়া হৈছে। তেনেকুৱা কৰা মানে সকলোকে খুন কৰা নিচিনা হয়।



WORD RESOUNDS TODAY
www.Radio882.com

হিতোপদেশ ২৬:১১ নং পদ, **“যি অজ্ঞানে নিজ অজ্ঞানতালৈ ঘূৰে, তেওঁ নিজৰ বাঁতিলৈ ঘূৰা কুকুৰৰ সদৃশ।”** ইয়াতকৈ আৰু টান কথা কি থাকিব পাৰে প্ৰিয়শ্ৰোতা, নিজৰ বমিলৈ ঘূৰি যোৱা। ছিঃ কথাটো ভাবিলেই কেনেকুৱা লাগে, নহয় নে? বমি উলাই আহিব খোজে। কপটীয়া সকলৰ ক্ষেত্ৰত কবলৈ গৈ এই ক্ষেত্ৰত পিতৰে এনেদৰে কৈছে। **“কুকুৰে নিজৰ বাঁতিলৈ আৰু ধুউৱা গাহৰিয়ে বোকাত লেটি লবলৈ আকৌ উলটি যায়।”** এই স্বৰূপ পটন্তৰৰ দৰে তেওঁবিলাকলৈ ঘটিল (২য় পিতৰ ২:২২পদ)।

আপোনাৰ নিশ্চয় মনত আছে, যে অপব্যয় পুত্ৰ জন গাহৰিৰ জাক ৰখিছিল, গাহৰিয়ে খোৱাকে তেওঁ খাইছিল। কিন্তু তেওঁ অনুতপ্ত হৈ নিজৰ পিতৃ ঘৰলৈ ঘুৰি আহিছিল। ধৰি লওক তেওঁৰ পিতৃৰ ঘৰলৈ ঘূৰি আহোঁতে, গাহৰিও এটা লগত লৈ আহিছে। কিন্তু পিতৃৰ ঘৰত সেই গাহৰিটোৱে পুত্ৰ গৰাকী থকা ঠাইত থাকি বা তেওঁৰ খোৱা বস্তু খাই কিবা উপভোগ কৰিবনে, নাই নোৱাৰে। উপভোগ কৰিব নোৱাৰে কাৰণ সি গাহৰি। সি আকৌ গাহৰি জাকটোলৈকে ঘূৰি যাবলৈ ইচ্ছা কৰিব। আৰু ঘূৰি যাব।

সেইদৰে আমাৰ মণ্ডলীৰ কপটীয়া পেট পচা সভ্য সভ্যাসকলেও এটা নহয় আন এটা সময়ত নিজকে প্ৰকাশ কৰিবই। ঈশ্বৰৰ সন্তান হোৱাৰ তেওঁলোকে অভিনয় মাথোন কৰি থাকে। এদিন নহয় এদিন জোলোঙাৰ মেকুৰী বাহিৰ হবই। বহুতো লোকে আকৌ কয়, বোলে এই কপটীয়া সকলৰ কাৰণেই তেওঁলোকে গীৰ্জাত সহযোগ নকৰে। সেইটো কিন্তু ভুল কথা। ঈশ্বৰৰ পুত্ৰ কোনো সন্তানে কপটীয়াৰ আঁৰত লুকাই থাকিব নালাগে। গীৰ্জাত সহযোগ কৰি বা নিজৰ খ্ৰীষ্টিয় আচৰণ প্ৰকাশ কৰি, মণ্ডলীক সহায়হে কৰিব লাগে।

হিতোপদেশ ২৬:১২ পদ, **“নিজকে নিজে জ্ঞানী বুলি ভবা মানুহ দেখিছানে? তাতকৈ অজ্ঞানৰ বিষয়ে অধিক আশা আছে।”** ইয়াৰ সহজ অৰ্থটো হৈছে যে যিবিলাক মানুহে নিজকে জ্ঞানী বুলি ভাবে তেওঁলোক মধ্যা-মূৰ্খ। অৰ্থাৎ মূৰ্খবিলাকতকৈ অধম। অৰ্থাৎ মূৰ্খ সকলতকৈয়ো ওপৰত। এজন জগত বিখ্যাত জ্ঞানী পণ্ডিত আছিল, তেওঁ কিন্তু এনেদৰে কৈছিল, মই এটা কথাই খুউব ভালদৰে জানো। যে মই আচলতে একোৱেই নাজানো। তেওঁ একোৱেই নজনা দেখি আজি শত শত বছৰৰ পাছতো গোটেই জগত খনে তেওঁক জানে। এতিয়া ১৩নং পদৰ পৰা ১৬ পদলৈকে এলেহুৱাৰ কথা শুনকচোন। এলেহুৱা কথা আৰু কি ব্যাখ্য কৰি থাকিম। পদকেইটা মাথোন পাঠ কৰি দিম শুনিব দেই।

হিতোপদেশ ২৬:১৩-১৬ পদ, **“এলেহুৱাই কয়, বাটত এটা সিংহ আছে, চ’কত এটা পশুৰাজ আছে। দুৱাৰ যেনেকৈ ঘূৰ-ঘূৰীত ঘূৰে, এলেহুৱায়ো তেনেকৈ নিজ শয্যাত বাগৰে। এলেহুৱাই পাত্ৰত থকা আহাৰত হাত সুমুৱাই দি, পুনৰাই মুখলৈ নিবলৈ ভাগৰ যেন মানে। যুক্তিসিদ্ধ উত্তৰ দিব পৰা সাত জনতকৈ এলেহুৱাই নিজকে অধিক জ্ঞানৱান বুলি ভাবে।”** এই খিনিলৈকে শুনিলে এলেহুৱা বা পিঃপুঃ বোলা কথাষাৰ আমি পাওঁ।

হিতোপদেশ ২৬:১৭ পদ, **“যি মানুহে বাটত যাওঁতে অসম্পৰ্কীয়া বিবাদত হাত দিয়ে, তেওঁ কুকুৰৰ কাণ দুখনত ধৰা লোকৰ নিচিনা।”** কোনো কাৰণ নজনাকৈ মানুহবিলাকক চিনি নোপোৱাকৈ আপুনি কাজিয়া এখন দেখাৰ কাৰণে কাজিয়াটোত আপুনি জড়িত হৈ পৰিলে কুকুৰ



WORD RESOUNDS TODAY
www.Radio882.com

এটাৰ কাণ দুখনত ধৰিলে মানুহ এজনৰ যি গতি হব, সেইয়া আপোনাৰো হব নিশ্চয়। ভাবি চাওকচোন, যিটো কুকুৰৰ কাণ দুখনত আপুনি ধৰিব সি বাৰু শান্ত-শিষ্টকৈ বহি থাকিবনে? কিমান যে জপিয়াব, কিমান যে চিঞৰিব, সুযোগ পালে আপোনাক কামোৰাৰ তালত থাকিব। আপুনি এতিয়া না এৰি দিব পাৰে, না ধৰি থাকিব পাৰে। এৰি নিদিও উপায় নাই কাৰণ তাক চম্ভালোতে আপোনাৰ কেঁচা ঘাম ওলাই গৈছে। ভাগৰি পৰিছে। আনহাতে এৰি দিয়াৰ লগে লগে আপোনাক হয়তু সিকামোৰিব পাৰে। বৰ বিপদ, বাটত অচিনাকী লোকৰ কাজিয়াত জড়িত হৈ সেইটো বিপদত নপৰিব। নলগাজেঙত নালাগিব, বাটৰ কচু গাত নলগাব। তাকে কৰি মূৰ্খ মানুহৰ পৰিচয় নিদিব। ১৮-১৯ পদত প্ৰতাৰণা কৰা মানুহৰ কথা কোৱা হৈছে।

হিতোপদেশ ২৬:১৮ পদটো পঢ়িছো, **"আঙঠা দলিওৱা আৰু মৃত্যুজনক বাণ মৰা পগলা যেনে, হৈছে।"** হিতোপদেশ ২৬:১৯ পদ, **"নিজ চুবুৰীয়াক প্ৰতাৰণা কৰি, মই জানো ধেমালি কৰা নাই? এই বুলি কোৱা মানুহ তেনে।"** তেনেকুৱা মানুহবোৰ পগলা নহয় কি? প্ৰতাৰণাৰে মানুহে মানুহক জানো ধেমালি কৰে? পগলাৰ আঙঠা আৰু বিষ লগোৱা কাড় যিমান বিপদজনক ওচৰ চুবুৰীয়াই ওচৰ চুবুৰীয়াক কৰা প্ৰতাৰণা সিমানেই বিপদজনক।

হিতোপদেশ ২৬:২০ পদ, "যেনেকৈ খৰি নহলে জুই নুমাই, তেনেকৈ পৰচৰ্চ্চাকাৰী নহলে কন্দল গুচে।" খৰি জাপি দি থাকক জুই গজ গজকৈ জ্বলি থাকিব। সেইদৰে পৰচৰ্চ্চাকাৰীহতৰ লগত আপুনি সহযোগ দি থাকক তেওঁলোকক উৎসাহ দি থাকক মানুহৰ মাজত তেওঁলোকৰ যোগেৰে কন্দল চলিয়েই থাকিব। কিন্তু চৌকাৰ পৰা খৰি আতৰাই দিয়ক, দেখিব চৌকাৰ জুইয়ো লাহে লাহে নুমাই গৈছে। সেইদৰে পৰচৰ্চ্চাকাৰীহতৰ লগত সহযোগ নকৰি তেওঁলোকক নিৰাশ কৰক। তেওঁলোকৰ পৰা গা এৰাই থাকক। দেখিব সমাজতো কন্দল গুচি নাইকীয়া হৈছে। পৰচৰ্চ্চাকাৰীৰ পৰম বন্ধু হল দন্দুৰা মানুহ। তেওঁলোক দুজন ডুগী আৰু তাল্লা যোৰৰ নিচিনা। দুয়োটাই যত একলগ হব কন্দল, সংগীতৰ শ্ৰবণ, সুৰদী শুৱলা হবই।

দন্দুৰাৰ কথা হিতোপদেশ ২৬:২১ পদটোৰ পৰা পাঠ কৰিছো, **"জ্বালা আঙঠাৰ নিমিত্তে যেনেকৈ এঙ্গাৰ আৰু জুইৰ নিমিত্তে খৰি, তেনেকৈ কন্দল বঢ়াবলৈ দন্দুৰা লোক।"** বৰ দুখৰ কথা যে মণ্ডলী সমূহতো এনে মানুহ থাকেই। মণ্ডলীৰ যি কোনো আলোচনাতেই, কামতেই এনে লোক সকলৰ এনেবোৰ কথাহে থাকে যিবোৰ কলেই কন্দলৰ সৃষ্টি হয়। বাইবেলৰ বচন প্ৰচাৰ কৰাৰ পৰত এনে লোকবিলাক হয় লাহেকৈ অন্তৰ্ধান হয়, নাইবা বহি টোপনিয়াই থাকে। নাইবা শুনাৰ ভাওজুৰে বা কিন্তু নুশুনে, আৰু হয়তু কিছুমানে শুনিলেও একো নুবুজে। আৰু তেওঁলোকে নুবুজে কাৰণ তেওঁলোকৰ আচলতে বুজাৰ ইচ্ছাও নাথাকে।

হিতোপদেশ ২৬:২২ পদ, **"পৰচৰ্চ্চাকাৰীৰ কথা সুস্বাদু আহাৰস্বৰূপ; সেয়ে পেটৰ ভিতৰলৈকে সোমাই যায়।"** ইয়াত সুস্বাদু আহাৰ মানে হৈছে আপোনাৰ প্ৰিয় খাদ্য। আপুনি খাই ভালপোৱা আপোনাৰ নিৰ্ব্বাচিত আহাৰ। ইয়াত এইবুলি কোৱা হৈছে বহুতো লোকৰ বাবে পৰচৰ্চ্চা কৰা এই গুণটো প্ৰিয় নিৰ্ব্বাচিত খাদ্যৰ নিচিনা। খাবলৈ বৰ ভাল। কি যে সুস্বাদু। এৰা তেওঁলোকে পৰচৰ্চ্চাৰ কথাবোৰ কাণ পাতি পাতি শুনে। খুউব মন দি শুনে। কি কলা আকৌ কোৱাচোন, ভালকৈ কোৱাচোন। এই বুলি পৰচৰ্চ্চাকাৰীৰ কাষ চাপি চাপি যায়। শুনাথিনিকে



WORD RESOUNDS TODAY
www.Radio882.com

আকৌ শুনিব বিচাৰে। ঈশ্বৰৰ প্ৰকৃত সন্তান সকলৰ এই বদ গুণটো কিন্তু থাকিব নালাগে,থাকিব নালাগে মানে আচলতে নাথাকে। এতিয়া আমি

হিতোপদেশ ২৬:২৩-২৮ পদলৈকে চাব খুজিছো, **"প্ৰেমাগ্নি প্ৰকাশক ওঁঠ আৰু দুষ্ট হৃদয়, ভঁজোৱা ৰূপেৰে বন্দোৱা মাটিৰ পাত্ৰৰ নিচিনা। ঘিণ কৰোঁতাই মুখেৰে ছল কৰে, কিন্তু পেটত কপট ৰাখি থয়; সি ভাল কথা কলে তাক বিশ্বাস নকৰিবা, কাৰণ তাৰ মনত সাতোটা ঘিণ লগীয়া ভাব থাকে; যদিও তাৰ হিংসা কপটেৰে ঢকা হয়, তথাপি তাৰ দুষ্টতা সমাজত প্ৰকাশিত হব।যি মানুহে খাল খানে, সিয়েই তাৰ মাজত পৰিব; আৰু যি কোনোৱে শিল বগৰায়,তাৰ ওপৰলৈকে সেয়ে ঘূৰি আহিব। মিছলীয়া জিবাই যিবিলাকক গুড়ি কৰে, তেওঁবিলাককেই সি ঘিণ কৰে; আৰু খোচামোদী মুখে বিনাশ ঘটাই।"** এই ২৩-২৮ পদলৈকে কপটীয়া লোকসকলৰ কথা কোৱা হৈছে। প্ৰভু যীচু খ্ৰীষ্টত বিশ্বাস কৰা বুলি দাবী কৰা, কিন্তু আচলতে খ্ৰীষ্টিয় বিশ্বাসক গুৰুত্ব সহকাৰে নোলোৱা আৰু আন্তৰিকতা নথকা বহু খ্ৰীষ্টিয় লোকে, কপটীয়া জীৱন আচৰণ কৰে। তেওঁলোক কপটীয়া, কাৰণ তেওঁলোকে যি নহয় সেইটোকে হয় বুলি কয়। তেওঁলোক দুতলীয়া, দুমুখীয়া, মামা বুলি মাতা, মৰ বুলি ভাবা। সেইটোৱেই হল তেওঁলোকৰ প্ৰকৃত ছবি। বাহিৰত মামা বুলি মাতে কিন্তু ভিতৰি ভিতৰি মৰক বুলি ভাবে। এনে উদাহৰণ বাইবেলত বহুতো আছে। হামন নামৰ সেই মানুহজনো, এনেকুৱা মানুহৰে এজন। বাহিৰত বৰ চলাহী কথা কৈ ফুৰি ভিতৰি ভিতৰি গোটেই যিহূদী জাতিটোকে নিৰ্ম্মূল কৰাৰ তেওঁ চক্ৰান্ত কৰিছিল।

এনে কপট মণ্ডলীয়ে আজি চিনি পায়, সেই বদ স্বভাৱটো দূৰ কৰিবলৈ আধ্যাত্মিক ব্যৱস্থা হাতত লব লাগে। এনেকুৱা কপটীয়া কথাবোৰ, কপটীয়া আচৰণবোৰ আমি সহি থাকিব নালাগে। কোনো ৰোগৰ যন্ত্ৰণা সহি নাথাকি, সেই ৰোগটো চিকিৎসকৰ সহায়, পৰামৰ্শ, ঔষধ আৰু চিকিৎসাৰ দ্বাৰাই দূৰ কৰিবলৈহে আমি নিশ্চয় চেষ্টা চলাব লাগে।আৰু নিশ্চয় আমি চেষ্টা চলাও। আমাৰ পৰিত্ৰাতা যীচু খ্ৰীষ্টই হৈছে আমাৰ পৰম বেজ। সকলোতকৈ উত্তম চিকিৎসক। যিসকলে জানে যে তেওঁলোক কপটীয়া তেওঁলোকে প্ৰভু যীচুৰ চিকিৎসাৰ দ্বাৰাই সুস্থতা লাভ কৰিবলৈ প্ৰভু যীচুৰ ওচৰলৈ আগবাঢ়ি অহা উচিত। আৰু প্ৰভু যীচুৱে আমাৰ সকলো দুখ বা মন্দ স্বভাবৰ নিচিনাকৈ, এই কপটীয়া স্বভাবটোৰ পৰাও আমাক সুস্থ কৰিব পাৰে।

প্ৰিয়শ্ৰোতা, আপোনালোকৰ এই তাৎপৰ্যহীন দাসেও কব নোৱাৰো যে মইয়ো ইয়াৰ পৰা সম্পূৰ্ণ মুক্ত, মই ক'লেও তেওঁ আঙুলিয়াই দিব। যি জনাৰ বিৰুদ্ধে হয়তু মই কপট কেতিয়াবা ৰাখিছো। আৰু তেওঁ হয়তো ক'ব যে মই কপটীয়া। প্ৰিয়শ্ৰোতা, প্ৰভু যীচু বেজক আপোনালোকৰ এই তাৎপৰ্যহীন দাসৰো নিশ্চয় প্ৰয়োজন আছে। আমি এনেকুৱা কপটীয়া স্বভাবৰ পৰা মুক্তি লব লাগে। আপোনাকো তেনেকুৱা কপটীয়া স্বভাবৰ পৰা মুক্তি লাগিবনে প্ৰিয়শ্ৰোতা, আহক আমি একেলগে পৰম বেজ সেই প্ৰভু যীচুৰ ওচৰলৈ যাওঁ। ঈশ্বৰে আমাক আশীৰ্ব্বাদ কৰক। আমেন।

WORD RESOUNDS TODAY



www.Radio882.com

পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:

১) হিতোপদেশ ২৬ অধ্যায়টো কাক মূখ্য কৰি বৰ্ণনা কৰাহৈছে ?

২) খালী ঠাই পূৰ কৰা: অজ্ঞানে নিজ মনতে ভাৱে___________।

৩) "শিলৰ দমৰ মাজত মণিৰ মোনা যেনে, অজ্ঞানক মৰ্য্যদা দিয়া জনো তেনে" এই পদটি কোনটো অধ্যায় আৰু কোনটো পদত আছে ?

WORD RESOUNDS TODAY



www.Radio882.com

**হিতোপদেশ ২৭ অধ্যায়**

প্ৰিয়শ্ৰোতা, আজি আমি বাইবেলৰ পুৰণি নিয়ম খণ্ডৰ হিতোপদেশ পুস্তকৰ ২৭নং অধ্যায়টো আলোচনাৰ বাবে লব খুজিছো। হিতোপদেশৰ ২৭নং অধ্যায়টোৰ মুল বিষয়টো হৈছে, বন্ধু ভাবাপন্ন ভাব আৰু সেই দৰে জীৱন যাপন কৰা।

প্ৰথমতে, হিতোপদেশ ২৭:১ পদটো পাঠ কৰি দিছো, **“কালিৰ বিষয়ে গৰ্ব্ব নকৰিবা; কিয়নো দিনটোত কি ঘটিব, তাক তুমি নাজানা।”** মানুহে কয় হব বাৰু, কাইলৈ চাম কাইলৈ কৰিলেও আজিলৈ থোৱা। অৰ্থাৎ আজিয়েই কৰিব পৰা খিনিকো কাইলৈৰ নিমিত্তে থৈ দিয়া হয়। সকলো দেশতে সকলো জাতিৰ মাজতেই কাইলৈ বোলা কথাষাৰক লৈ বহুতো নীতি বচন আছে৷ এতিয়াই বা আজিয়েই কৰিব পৰা কামটো কাইলৈ কৰিম, কাইলৈ কৰিম বুলি থৈ আৰু কেতিয়াও কৰা নহয় গৈ। গীত গায়কেও কৈছে, আজি দিন মোৰ কাইলৈ নাহে চাগৈ। সেইদৰে জ্ঞানী মানুহৰ বচনতো আছে এই বুলি, কাইলৈ বোলা এটা দিন নাই। কাৰণ যেতিয়াই আহি পায় তেতিয়াই আজি হৈ পৰে। তাৰ মানে নোহোৱা এটা দিনলৈ কিয় বাট চোৱা। এই ক্ষেত্ৰত বাইবেলটো বহু কথা আছে।

বাইবেলে কৈছে, **“আজি যদি তোমালোকে তেওঁৰ মাত শুনিবলৈ পোৱা তেন্তে তোমালোকৰ হৃদয় কঠিন নকৰিবা”** (ইব্ৰী ৪:৭ পদ)। গীতমালাৰ ৯৫: ৭ পদ। বাইবেলে আকৌ কৈছে, **“এতিয়া পৰম গ্ৰাহ্য কাল এতিয়া পৰিত্ৰাণ দিন”;** (২য় কৰিন্থীয়া ৬:২ পদ)। বাইবেলে কৈছে, আজি আৰু এতিয়া বোলা সময় বিলাকহে হৃদয় কোমল কৰাৰ আৰু পৰিত্ৰাণ গ্ৰহণ কৰাৰ উচিত সময়। কিন্তু মানুহে সদায় কাইলৈ নিমিত্তে থৈ দিবলৈ ইচ্ছা কৰে। মানুহৰ ভাব-চিন্তাবোৰেই তেনেধৰণৰ। আপোনাৰ এটা ঘটনালৈ নিশ্চয় মনত পৰিব, যে বন্দী পৌলে যেতিয়া ৰাজ্যপাল ফিলিক্সৰ আগত শুভবাৰ্ত্তা প্ৰচাৰ কৰিছিল, তেতিয়া ফিলিক্স কঁপিছিল। বন্দী হৈয়ো পৌলে যেতিয়া তেওঁৰ পৰিত্ৰাণৰ কথা ফিলিক্সক কৈছিল, তেতিয়া সহাৰি জনাই কৈছিল। এতিয়া সম্প্ৰতি যোৱা, **“মই আজৰি পালে, পাছত তোমাক মতাই আনিম”** (পাঁচনিৰ কৰ্ম্ম ২৪:২৫ পদ। ঈশ্বৰৰ বচনৰ ভিত্তিত যিমান দুৰলৈকে জানো সেই আজৰি সময় ফিলিক্সৰ জীৱনলৈ আৰু কেতিয়াও নাহিল।

সেইদৰে ফৰৌণেও ইস্ৰায়েল জাতিটোক মিছৰ দেশৰ পৰা এৰি পঠাবলৈ ইচ্ছা নকৰি কাইলৈ যাবা আজি নহয় কাইলৈ যাবা আজি নহয় বুলি ৰাখি থৈছিল। এইদৰে কাইলৈ, কাইলৈ, বুলি বাৰম্বাৰ প্ৰতাৰণা কৰাৰ ফলত কি হল জানেনে প্ৰিয়শ্ৰোতা! তেওঁৰ জেষ্ঠ্য পুত্ৰ, আৰু মিছৰৰ সকলো প্ৰথমে জন্মাবিলাকৰ মৃত্যু হৈছিল। বাস্তৱিকতেই আজি বোলা দিনটোৱেই পৰিত্ৰাণৰ দিন। কাইলৈ বোলা দিনটোৱেই আপোনালৈ কি লৈ আহিব আপুনি বা মই নাজানো, নাইবা কাইলৈ বোলা দিনটো যে আমাৰ কাৰণে আহি পাব তাকো নাজানো।

হিতোপদেশ ২৭:২পদ, **“অন্য লোকে তোমাৰ প্ৰশংসা কৰক, কিন্তু তোমাৰ নিজ মুখে নকৰক; অসম্পৰ্কীয়া লোকে কৰক, কিন্তু তোমাৰ নিজ ওঁঠে নকৰক।”** অহংকাৰী গলিয়াথে এই



WORD RESOUNDS TODAY
www.Radio882.com

নীতি বচন ফাকি শুনা পাব লাগিছিল। তেওঁ ইস্রায়েলৰ সৈন্য বাহিনীৰ সন্মুখত অহা-যোৱা কৰিছিল। নিজৰ বৰ বাহু দুটা চাপৰ মাৰি মাৰি কৈছিল, তেওঁ কিমান মহান আছিল, কিমান বীৰ আছিল। ইস্রায়েলৰ সৈন্যবোৰ এপাল ভীতু কাপুৰুষ আছিল। কিন্তু দায়ূদ নামৰ এজন ডেকা লৰাৰ হাতত পৰি তেওঁ নিঃশেষ হৈ গৈছিল।

হিতোপদেশ ২৭:৩নং পদ, **"শিল হলে গধূৰ, আৰু বালিও গধূৰ; কিন্তু অজ্ঞানৰ বেজাৰ এই দুয়োটাতকৈ গধূৰ।"** অকৰা মূৰ্খই যদি আপোনাৰ ওপৰত খং কৰিবলৈ লৈছে তেন্তে জানিব যে আপোনাৰ দিগদাৰ হৈছে। কাৰণ মূৰ্খৰ ভাল মন্দ ভাবি চোৱাৰ জ্ঞান নাই। যি কৰিম বুলি সি কয়, সি কৰি পেলাব পাৰে। তেনেকুৱা এগৰাকী অতিপাত মূৰ্খ অকৰাক আমি দেখিছিলো, খঙত একো নাইকীয়া হৈ তাৰে সৈতে কাজিয়া কৰি থকা মানুহজনক ফলা খৰি এচলাৰে এনেকুৱা এটা কোব মাৰি দিলে মানুহজন অচেতন হৈ মাটিত পৰি গল। মানুহজন মাটিত পৰি যোৱাৰ পাছতহে কৈছে, মাৰিম বাপেৰে। ইমান মুৰ্খ খং। কাম আগত কথা পাছত। শিল বা বালি কি গধুৰ মুৰ্খৰ খঙৰ ওজন সেই দুয়োটাত কৈ অধিক গধূৰ।

হিতোপদেশ ২৭:৪নং পদ, **"ক্ৰোধ নিষ্ঠুৰ, আৰু খং ধল পানীৰ নিচিনা; কিন্তু স্ত্ৰীবিষয়ক ঈৰ্ষাৰ আগত কোনে থিয় হব পাৰে?"** ক্ৰোধতকৈ ঈৰ্ষা অতি মাৰাত্মক। ক্ৰোধে ঈৰ্ষা নজন্মাই। কিন্তু ঈৰ্ষাই ক্ৰোধ জন্মাই। তাকো সেই ঈৰ্ষা যদি দুজন পুৰুষে এজনী তিৰোতাক পাবলৈ চেষ্টা কৰাৰ ক্ৰোধ হয়। তেতিয়াটো কথাই শেষ। আমি নিশ্চয় বুজি পাইছো হে প্ৰিয় পুৰুষ শ্ৰোতা, এনে কেহা অভিজ্ঞতাৰ মাজেৰে আপুনি বাৰু কেতিয়াবা পাৰ হৈ আহিছেনে?

হিতোপদেশ ২৭:৫-৬ পদ, **"গুপ্ত প্ৰেমতকৈ প্ৰকাশিত অনুযোগ ভাল। বন্ধুৰ প্ৰহাৰ বিশ্বাসৰ যোগ্য; কিন্তু শত্ৰুৰ চুমা অতিশয় অধিক৷ প্ৰকাশ্য বা খোলা খোলিকৈ কৰা অনুযোগ ভাল।"** পৰজাতীয় লোক সকলৰ সৈতে একেলগে আহাৰ ভোজন কৰাৰ পৰা আঁতৰি অহাৰ কাৰণে পাঁচনি পৌলে পিতৰক প্ৰকাশকৈ অনুযোগ কৰিছিল। পিতৰক সেই অনুযোগৰ প্ৰয়োজন হৈছিল। আৰু তাকে তেওঁ পাঁচনি পৌলৰ পৰা গ্ৰহণ কৰিছিল। তাৰ ফলত তেওঁলোকৰ মাজত কোনো বেয়া ভাবৰ সৃষ্টি হোৱা নাছিল। আপোনাৰ আৰু মোৰ মঙ্গলৰ কাৰণে আমাৰ ভুলবোৰ মৰমেৰে আঙুলিয়াই দি অনুযোগ কৰা আমাৰ সঙ্গ থাকিলে সেয়া বৰ ভাল কথা। সেই কাৰণে শুভবাৰ্ত্তা প্ৰচাৰ কৰোঁতা পালক প্ৰচাৰকৰ তেনে সহায়ৰ কাৰণে তেওঁলোকৰ গুণৱতী ভাৰ্য্যা থকা বৰ ভাল।

কেতিয়াবা পালক প্ৰচাৰকসকলক তেওঁলোকৰ ভাল পৰিচৰ্যাৰ বাবে প্ৰশংসা কৰিলে তেওঁলোক বেলুনৰ দৰে ফুলি উঠে। তেনে অৱস্থাত পিনেৰে খুচি খুচি বেলুনবোৰ ফুটাই দিবলৈ ভাৰ্য্যা সকল তেওঁলোকৰ বাবে বৰ সহায়ক। আনহাতে গুপ্ত প্ৰেমৰ কথা । ঈস্কৰিয়োতীয়া যিহূদাই প্ৰভু প্ৰেম কৰাৰ অভিনয় কৰি আছিল। চুমা ভাল পোৱাৰ চিন। কিন্তু যিহূদাৰ সেই প্ৰেম প্ৰকাশ্য প্ৰেম নাছিল। গোপনীয় আন্তৰিকতাহীন কপটৰ প্ৰেম আছিল। কপটৰ সেই চুমাৰেই তেওঁ প্ৰভুক বিশ্বাস ঘাতকতা কৰিছিল।

হিতোপদেশ ২৭:৭ পদ, **"তৃপ্ত হোৱা জনে মৌৰ কোঁহকো ঘিণ কৰে; কিন্তু ক্ষুধাতুৰ জনৰ মানত আটাই তিতা বস্তুও মিঠা।"** আজি যিসকলৰ প্ৰয়োজনতকৈ অধিক আছে, তেওঁলোকে নতুন



WORD RESOUNDS TODAY
www.Radio882.com

নতুন আহাৰৰ সোৱাদ চেলেকীয়েই ফুৰে। আহাৰ প্ৰস্তুত কৰাৰ নতুন নতুন ৰন্ধন প্ৰকৰণ আৰু সুস্বাদুকৈ খাদ্য তৈয়াৰ কৰাৰ প্ৰশিক্ষণ আদি ওলায়েই আছে। সকলো মুখৰ জুতিৰ কাৰণে এইবিলাক হৈ আছে।

এবাৰ এটা ভোজনালয়ত আমি সোমাইছিলো, খাদ্য-সম্ভাৰৰ তালিকাখন লুটিয়াই লুটিয়াই চাই কম দামৰ এবিধ আহাৰ যোগাৰ কৰিবলৈ আমি কলো। যোগাৰ কৰি দিলেহি, বাঃ কি খাদ্য। সপোনত খাইছোনে বুলি আমি ভাবিছিলো। কিন্তু দেখিলো অভিজাত পৰিয়ালৰ এহাল ডেকা-গাভৰু ভোজনালয় খনত সোমাইছিল। আমি খোৱাতকৈ সাত আঠগুণ দামী বস্তু খুজি লৈ খুচৰি মুচৰি অলপ অলপ খাই শ্ৰীমতীয়ে শ্ৰীমানক কৈছিল, কি খাবা হে এইবোৰ গৰুৰ দানা। যি মূহুৰ্তত কম দামৰ খাদ্যখিনি আমি টকালি পাৰি পাৰি হাত চেলেকী চেলেকী খাইছিলো। সেই মূহুৰ্তত আমাতকৈ সাত আঠগুণ দামী সুস্বাদু খাদ্য খিনি গৰুৰ দানাহে হল। আমাৰখিনি কিহৰ দানা হল তেনেহলে! আভিজাত পৰিয়ালৰ শ্ৰীমান শ্ৰীমতীহাল তৃপ্ত হোৱা আৰু আমি আছিলো ক্ষুধাতুৰ। সেইবাবেই খোৱাৰ জুতিও আমাৰ বেলেগ বেলেগ আছিল।

প্ৰিয়শ্ৰোতা, এই কথাটো আমি ঈশ্বৰৰ বচনৰ ক্ষেত্ৰটো খটাব পাৰো। ঈশ্বৰৰ বচন খাব লাগে, চোবাব লাগে, আনকি পাগুলিব লাগে। আচলতে ইয়াকেই ঈশ্বৰৰ বচন ধ্যান কৰা বুলি কোৱা হয়। আমি পঢ়িব লাগে, অধ্যয়ণ কৰিব লাগে আৰু ধ্যান কৰিব লাগে। তাকে কৰিবলৈ যেন ঈশ্বৰে ক্ষুধা আৰু তৃষ্ণা দান কৰে, তাৰ বাবে আমি ঈশ্বৰৰ গুৰিত প্ৰাৰ্থনা কৰি থাকিব লাগে।

হিতোপদেশ ২৭:৮ পদ, **“নিজ বাহৰ পৰা ভ্ৰমি ফুৰা পক্ষী যেনে, নিজ ঠাইৰ পৰা ভ্ৰমি ফুৰা মানুহ তেনে।”** ইয়াৰ অৰ্থটো হৈছে, যে ঈশ্বৰে যাকে যি দি যি ঠাইতে থাকিবলৈ দিছে তাতে থাকি ঈশ্বৰৰ সেৱা- পূজা কৰি তেওঁৰ কাম কৰিব লাগে। ঈশ্বৰে প্ৰতি গৰাকী মানুহকে একো একোটা বৰ দান কৰিছে। বাইবেলে কৈছে, **“কিন্তু আমাক দিয়া অনুগ্ৰহৰ দৰে, আমি পৃথক পৃথক অনুগ্ৰহৰ বৰ প্ৰাপ্ত হোৱাত...”**, ৰোমীয়া ১২:৬পদ। অকল বৰেই নহয় কৰ্ম সাধক গুণো আমাক দিয়া হৈছে। বাইবেলে কৈছে,কিন্ত হিতৰ কাৰণে আমাৰ প্ৰতি জনক আত্মা প্ৰকাশক গুণ দিয়া হৈছে। কিন্তু সেইয়াও অকল নহয়। আমাক পৰিচৰ্য্যা কৰ্ম্মও দিছে। ইফিচীয়া ৪:১২ পদত এই বিষয়ে আমি পাওঁ।

গতিকে সেইবিলাক বৰ কৰ্ম্ম সাধক গুণ আৰু পৰিচৰ্য্যা কৰ্ম্ম ঈশ্বৰে যাক যেনেকৈ দিছে, আৰু সেইবোৰ দি থাকে, তাতে থাকি আমি কাম কৰি থাকিব লাগে। নিজৰ ঠাই এৰি আমি ইফালে সিফালে ঘূৰি ফুৰিব নালাগে। কোনো কোনো লোক থাকিব পাৰে যিসকলে ঈশ্বৰে দিয়া স্থানত থাকি ঈশ্বৰে দিয়া কাম কৰিবলৈ ইচ্ছা নকৰে। বাৰে বাৰে তেওঁলোকে বিভিন্ন ধৰণৰ দায়িত্বলৈ তেওঁলোকে বিভিন্ন ঠাইত কাম কৰিবলৈ চেষ্টা কৰে। তেওঁলোকে বাৰ ধৰণৰ দায়িত্ব আৰু বাৰটা ঠাইৰ বাবে বাৰ’ বাৰ দায়িত্ব সলনি কৰি বাৰটা ঠাইলৈ যাব লগা হোৱাত তেওঁৰ ঠাইৰ পৰা ভ্ৰমি ফুৰা মানুহ হব লগা হয়। নতুন নিয়মত তেনে এগৰাকী লোকৰ কথা কোৱা হৈছে। যি জনে ঈশ্বৰে দিয়া বৰ গুণ আৰু পৰিচৰ্য্যা কৰ্ম্ম মানি লৈ ঈশ্বৰে থাকিবলৈ দিয়া স্থানতেই নাথাকি আতৰি গুচি গৈছিল। তেওঁৰ বিষয় পৌলে কৈ গৈছে এইদৰে,কিয়নো দীমাই এই



WORD RESOUNDS TODAY
www.Radio882.com

বৰ্ত্তমান সংসাৰক প্ৰেম কৰাত, মোক ত্যাগ কৰি থিচলনীকিলৈ গল। ২তীমথিয় ৪নং অধ্যায়ৰ ৯ আৰু ১০নং পদ। তেওঁ সংসাৰলৈ ঘুৰি গৈ নিজ ঠাইৰ পৰা ভ্ৰমি ফুৰা মানুহ যেন হল।

হিতোপদেশ ২৭:৯-১০ পদ, **"সুগন্ধি তেল আৰু ধূপে যেনেকৈ মনক আনন্দিত কৰে, বন্ধুৰ আন্তৰিক মন্ত্ৰণাৰ মিষ্টতাইয়ো তেনেকৈ আনন্দিত কৰে।তোমাৰ আৰু তোমাৰ পিতৃৰ বন্ধুক ত্যাগ নকৰিবা, আৰু তোমাৰ আপদৰ সময়ত ভায়েৰাৰ ঘৰলৈ নাযাবা, দূৰত থকা ভায়েকতকৈ ওচৰত থকা চুবুৰীয়াই ভাল।"** বাস্তৱিকতে চৌলৰ পুত্ৰ যোনাথন দায়ূদৰ প্ৰকৃত বন্ধু আছিল। আৰু সেই প্ৰকৃত বন্ধুৰ আন্তৰিক মন্ত্ৰণাৰ মিষ্টতাই দায়ূদক আনন্দিত কৰিছিল। কিন্তু তেনে বিপদৰ প্ৰকৃত বন্ধু কিমান আছে বাৰু। বৰ বিৰল। বিপদৰ বন্ধুৰ আন্তৰিক মন্ত্ৰণাবোৰ সুগন্ধী তেল আৰু ধূপৰ সুবাসৰ নিচিনা। দুখীত মনকো সুখ দিয়ে। উদ্বিগ্ন হৃদয়কো শান্তনা জন্মায়। দূৰত থকা ভায়েকতকৈ ওচৰত থকা চুবুৰীয়াই ভাল। কথাটো কিমান সচাঁ। এই ক্ষেত্ৰত ভুক্তভোগী অনেক লোক আছে। এগৰাকী ঈশ্বৰৰ সেৱকে এনেদৰে কৈছে, প্ৰভুৰ পৰিচৰ্যা কামৰ বাবে যোৱা ৩০-৩২ বছৰ সদায়েই ভাই-ককাইৰ পৰা দূৰৈত থাকিলো। দুখ বিপদত লাগ বুলিলেই সদায় ওচৰ চুবুৰীয়াকেই পালো। সেইকাৰণে ভাল বুজা পৰাৰে আৰু ভাল সম্বন্ধ বজাই ৰাখিবলৈ চেষ্টা কৰিছো। এই কথা নিশ্চয় সচাঁ নহয়নে প্ৰিয়শ্ৰোতা।

হিতোপদেশ২৭:১২ পদ, **"বিবেচক লোকে আপদ দেখি নিজকে লুকুৱাই; কিন্তু নিৰ্ব্বোধে আগলৈ গৈ দুখত পৰে।"** বাইবেলত আমাৰ ভাববাণী পুস্তকসমূহ আছে। সেইবিলাক অধ্যয়ণ কৰি আমি জানো পৃথিবীখনৰ কি হবলৈ গৈ আছে। আৰু এই পৃথিবীৰ যিবোৰ ভয়াবহ মন্দতা সেইবোৰৰ পৰা বাচি থাকিবলৈ যি কৰিব লাগিব তাক কেৱল বিবেচক সকলেহে অধ্যয়ণ কৰি আগতীয়াকৈ দেখে আৰু আশ্ৰয়স্থল প্ৰভু যীচু খ্ৰীষ্টত আশ্ৰয় লয়। প্ৰভুযীচু খ্ৰীষ্টত লুকায়। ঈশ্বৰহীন তেওঁত বিশ্বাস নকৰা লোক সকল নৰক ৰাজ্যৰ মৃত্যুৰ অনন্ত শাস্তিলৈ আৰু বিশ্বাসকাৰী সকল সৰগৰ অনন্ত জীৱনলৈ যে যাব তাক কেৱল বিবেচক সকলেহে বাইবেল অধ্যয়ণ কৰি জানিব পাৰে। আৰু জানি পৰিত্ৰাতা প্ৰভু যীচু খ্ৰীষ্টৰ আশ্ৰয়ত লুকাব পাৰে। কিন্তু পাৰ্থিৱ কথাটো এই কথাটো খাটে। ভবিষ্যতৰ কথা চিন্তি ন্যায়েৰে আৰু পৰিশ্ৰমেৰে টকা-পইচা মজুত ৰাখিব পাৰো। আৰু ৰখাটো উচিত। আত্মিক গৰ্ব্বেৰে আমি গৰ্ব্বী হব নালাগে। ঈশ্বৰেই যোগাব, যিহোৱা যিৰি বুলি আমি গৰ্ব্ব কৰিব পাৰো। প্ৰভুৱে যেতিয়া নিজে আৰ্জনৰ ব্যৱস্থা দিছে, সেই ব্যৱস্থা অনুসাৰে আৰ্জন আমি কৰিব লাগে। আনক নো কি কম, আমাৰো হয়তো তেনেকুৱা বেছি আৰ্জন নাই। কিছুমান হয়তো,আমি চেষ্টা কৰিও পৰা নাই; কিন্তু বিবেচক সকলে ভবিষ্যতলৈ চাই পাৰ্থিৱ ভাবেও সজাগ হোৱা উচিত। পাপ নকৰাকৈ ভবিষ্যতৰ বাবে আৰ্জন কৰাটো নিশ্চয় বিবেচকৰ কথা।

হিতোপদেশ ২৭:১৪ পদ, **"যি মানুহে অতি পুৱাতে উঠি বৰ মাতেৰে নিজ বন্ধুক আশীৰ্ব্বাদ কৰে, তাৰ সেই কৰ্ম শাওবূপেহে গণ্য হয়।"** চমু আৰু সহজ কথাত কবলৈ হলে, আপোনাক যিমান প্ৰশংসা কৰিব লাগে তাতকৈ অধিককৈ যদি কোনো মানুহে প্ৰশংসা কৰিছে। তেন্তে সেই মানুহজনৰ ওপৰত আপুনি নিশ্চয় নজৰ ৰাখিব। মনত ৰাখিব অতি ভক্তি চোৰৰ লক্ষণ । এই কৌশলেৰে অবচালোমে ইস্ৰয়েলীয়া মানুহবিলাকক পতিয়ণ নিয়াইছিল। আৰু নিজৰ ফলীয়া কৰি লৈছিল। ২য় চমুৱেল ১৫:১-৬পদলৈ চাওকচোন তাত এইথিনি কথা পাব। আজিকালি



WORD RESOUNDS TODAY

www.Radio882.com

আমাৰ সমাজতো এই লেতেৰা খেলাটো খেলা হয়। কেতিয়াবা এনেকুৱা হব পাৰে যে আপোনাক ডাঙৰ ডাঙৰ শিক্ষক সকলৰ সৈতে সমান স্থান কোনো কোনোৱে প্ৰশংসাৰে দিব পাৰে। কিন্তু সচাঁই কৈছে বুলি আপুনি ভোল নাযাব, ঠগ খাব, দুখ পাব, নিৰাশ হব,দুৰ্ব্বল হব। প্ৰভুৰ পৰিচৰ্য্যা কাম কৰাত অসুবিধা পাব।

হিতোপদেশ ২৭:১৫-১৬ পদ, **"বৰ বৰষুণৰ দিনা অনবৰত টোপটোপকৈ পানী পৰা, আৰু দ্বন্দুৰী তিৰোতা, এই দুয়ো সমান; যি জনে তাইক নিবাৰণ কৰিব খোজে, তেওঁ বতাহক নিবাৰণ কৰা, আৰু তাৰ সোঁ হাতে তেলত ধৰাৰ নিচিনা হয়।"** আমি পুনৰ দ্বন্দুৰী তিৰোতালৈকে আকৌ আহিলো। বহু কেইজনী তিৰোতা ৰাখি বেচেৰা চলোমন ৰজাই কেতিয়াবা কেতিয়াবা কিজানি ত্ৰাহি ত্ৰাহি দেখিবলগীয়া হৈছিল। বিশেষকৈ দন্দুৰী কেইজনীৰ লগত। দ্বন্দুৰী হলে দেখোন এজনীয়েই সৰিয়হ ফুল দেখুৱাই দিব পাৰে। তেনে স্থলত চলোমন ৰজাৰ বা কেইজনীয়ে কি কি ফুল দেখুৱাইছিল সেইয়া কেৱল তেওঁৰ আৰু ঈশ্বৰহে জনা আছিল। বৰ তিক্ত অভিজ্ঞতা হৈছিল তেওঁৰ। এই অভিজ্ঞতাৰ পৰাই তেওঁৰ পাছৰ প্ৰজন্মৰ বাবে এই হিতোপদেশ এৰি থৈ গৈছে।

ইয়াৰ আগৰ অধ্যয়ণত যে আমি লোমহৰ্ষক ঘটনা এটাৰ কথা কৈছিলো আপোনাৰ মনত আছেনে বাৰু! গাড়ীৰ পাছৰ আসনত বহি গাড়ী চলাই থকা গিৰীয়েকক খিঙ খিঙাই থকা দেখি গিৰীয়েকৰ ধৈৰ্য্যচুৰ্তি ঘটাত গাড়ীখন ৰাখি যে ঘৈণীয়েকক পিষ্টলেৰে গুলিয়াই মাৰিছিল, সেই ঘটনাটো। তাৰ পাছত কি হল জানেনে? মানুহজনৰ বিচাৰ হল। বিচাৰকে থিয় হৈ ঘোষণা কৰিলে তুমি যি কৰিলা সেইটো ঠিক কামকেই কৰিলা বুলি বিচাৰত সিদ্ধান্ত লোৱা হল। আমি জানো তুমি বহু যন্ত্ৰণা ভুগিছিলা, মনতো বিৰক্তি পাই আহিছিলা। প্ৰত্যকবাৰ ওলাই যাওঁতেই তুমি তাইক গাড়ীত তুলি নিছিলা, এতিয়া বিচাৰ কৰি যিটো পালো, সেইটো এই কেইবা বছৰৰ আগতে বিয়া কৰোৱা মানুহজনীৰ তুমিয়েই গিৰীয়েক। তুমি তাইক খুবেই ভাল পাইছিলা, কিন্তু এতিয়া গুলি কৰি তাইৰ লাওখোলা ভাঙিলা। তুমি তাইক মাৰিব নালাগিছিল। কাৰণ আইন মতে সেইদৰে মৰাতো দণ্ডনীয়। কিন্তু গাড়ীৰ পাছ আসনত বহি খিঙখিঙাই থকা সকলক চম্ভালাৰ এইটোৱেই একমাত্ৰ উপায়। ইয়াৰ পৰা কিবা শিকিবা পৰা যায় নে প্ৰিয়শ্ৰোতা।

হিতোপদেশ ২৭:১৭ পদৰ পৰা পঢ়িছো, **"যেনেকৈ লোহাই লোহাক চোকা কৰে, তেনেকৈ মানুহেও বন্ধুৰ মুখ উজ্বল কৰে।"** যি গৰাকী বন্ধুৰ সৈতে থাকি আপুনি আপোনাৰ মন চোকা কৰিব পাৰে, তেনে এগৰাকী বন্ধু লাভ কৰাটো পৰম সৌভাগ্যৰ কথা। প্ৰকৃত উপকাৰৰ কাৰণে আপোনাৰ হৃদয় উজাৰি তেওঁৰে সৈতে আলোচনা কৰিব পাৰে। মনৰ বহু দুখ-সুখৰ কথা তেওঁৰে সৈতে আলাপ কৰিব পাৰে। তেনেকুৱা বহুতো লোক নিশ্চয় ওচৰে পাজৰে আছে। আমি তেনেকুৱা লোকৰ সঙ্গ লোৱা উচিত। এনেকুৱা বন্ধুসকলৰ সৈতে আমি আমাৰ মনৰ কথা খুলি আলোচনা কৰিব পাৰো। একেলগে বহি ঈশ্বৰৰ বাক্য আলোচনা কৰিব পাৰো। দুখ সুখৰ কথা পাতিব পাৰো। আৰু হয়তু প্ৰাৰ্থনা কৰি আমি আমাৰ আলোচনা সামৰো। তেনেকুৱা কৰিলে আমি বৰ উপশম লাভ কৰো। বহু কিবা যেন পালো এনেকুৱা উপলব্ধি হয়। তেনেকুৱা বন্ধু গাঁৱতো আছে, চহৰতো নিশ্চয় আমাৰ আছে। কিন্তু চহৰৰ বেছিভাগ লোকৰে ব্যস্ততা অধিক হোৱাত বন্ধুৰ প্ৰতি বন্ধুৰ ব্যৱহাৰ যেনেকুৱা হোৱা উচিত তেনেকুৱা নিশ্চয় নহয়। বন্ধুলৈ দিবলৈ তেওঁলোকৰ হাতত সময় নাই।



WORD RESOUNDS TODAY
www.Radio882.com

হিতোপদেশ ২৭:১৮ পদ, **"যি জনে ডিমৰু গছক আপডাল কৰে, তেওঁ তাৰ গুটি খাবলৈ পাব; আৰু যি কোনোৱে নিজ প্ৰভুৰ সেৱা-শুশ্ৰূষা কৰে, তেওঁ সন্মান পাব।"** বৰ স্বাভাৱিক ভাবেই সচাঁ কথা। অৱশ্যে এটা কথা, ফল খাব পাবলৈ হলে গছজোপাৰ উপযুক্ত আপডাল লব লাগিব। আৰু সন্মান পাবলৈ হলে, দাসে গৰাকীৰ আন্তৰিকতা পূৰ্ণ সেৱা শুশ্ৰূষা আগবঢ়াব লাগিব।

হিতোপদেশ ২৭:১৯ পদ, **"পানীত যেনেকৈ মুখৰ প্ৰতিৰূপ মুখ দেখা যায়, তেনেকৈ হৃদয়ে মানুহৰ প্ৰতিৰূপ মানুহক দেখুৱাই।"** যি জনাৰ আগত অন্তৰ খুলি কথা কোৱাৰ পাছতো আপোনাক বিশ্বাস ঘাটকতা নকৰিব বুলি আপুনি জানে, তেনে এজন মানুহক আপোনাৰ বন্ধু ৰূপে পোৱাতো আপোনাৰ পৰম সৌভাগ্যৰ কথা। সেইজনে প্ৰকৃত বন্ধু যিজনে আপোনাৰ সকলো কথা জানিও আপোনাক ভাল পাই থাকে। তেনেকুৱা এজন বন্ধু আছেনে প্ৰিয়শ্ৰোতা।

হিতোপদেশ ২৭:২০ পদ, **"চিয়োল আৰু অবদ্দোন যেনেকৈ কেতিয়াও তৃপ্ত নহয়, তেনেকৈ মানুহৰ চকুও কেতিয়াও তৃপ্ত নহয়।"** তৃপ্ত নোহোৱা বহু কেইটা বস্তুৱেই আছে। যেনে চিয়োল,অবদ্দোন, চকু, জুই, মানুহৰ মন, ইচ্ছা, লিপ্সা ইত্যাদি। মানুহৰ বয়সৰো বতৰ আছে। মানুহৰ এটা বতৰৰ বয়সত কোনোবা এগৰাকীলৈ চাই তেওঁৰ চকু তৃপ্ত নহয়। নহলেনো চেনাই ঐ চাই থাকিলে হেঁপাহকে নপলায় বুলি গায় নে?

হিতোপদেশ ২৭:২১ পদ, **"ৰূপৰ নিমিত্তে থপা পাত্ৰ, সোণৰ নিমিত্তে মহী; আৰু মানুহ নিজ বিষয়ৰ প্ৰশংসাৰ দ্বাৰাই পৰীক্ষিত হয়।"** ৰূপ হয় নে সি থপা পাত্ৰত প্ৰমাণিত হয়। সেইদৰে সোণ হয় নে নহয় সিও প্ৰমাণিত হয় মহীত। সেইদৰে তেওঁ ঈশ্বৰৰ সন্তান হয় নে নহয় সেইটো প্ৰমাণিত হয়, তেওঁৰ নাম চাৰিওফালে ফুটিফাটি যোৱাৰ পাছত, তেওঁ কেনেকুৱা আচৰণ কৰে সেইটোৰ ওপৰত। ঈশ্বৰৰ বহু নম্ৰ দাস প্ৰশংসা নামৰ জুইৰ মাজেদি যোৱাৰ পাছত গৰ্ব্বী হৈ পৰে। বোকা এলডাৰ নিচিনা প্ৰভুৱে নম্ৰ দাস প্ৰশংসা নামৰ জুইৰ মাজেদি গমণ কৰাৰ পাছত কঠিন ছপৰা এটাৰ নিচিনা হোৱা নজিৰ মণ্ডলী ইতিহাসত বহুত আছে। ই বৰ পৰিতাপৰ কথা। এই ক্ষেত্ৰত প্ৰতিগৰাকী ঈশ্বৰৰ দাস সাৱধান হোৱা উচিত।

হিতোপদেশ ২৭:২২ পদ, **"যদি তুমি অজ্ঞানক ঘেহুঁধানৰ মাজত উৰালত উৰাল-বাৰিৰে খুন্দা, তথাপি তাৰ অজ্ঞানতা নুগুচিব।"** মূৰ্খ মানুহৰ কথা কিমান কম, পদটোত যি খিনি কোৱা হৈছে সিমান খিনিয়েই যথেষ্ট, নহয় নে বাৰু প্ৰিয়শ্ৰোতা।

হিতোপদেশ ২৭:২৩ পদৰ কথা খিনি বৰ দৰকাৰী। বিশেষকৈ পালক, বিচপ, অধ্যক্ষ, প্ৰেচবিটাৰ আদি সকলৰ বাবে। হিতোপদেশ ২৭:২৩ পদপাঠ কৰি দিছো, **"তোমাৰ ভেৰাৰ-জাকৰ অৱস্থা জানিবলৈ তুমি যত্নৱান হোৱা, আৰু তোমাৰ পশুৰ জাকক ভালকৈ আপডাল কৰা।"** জ্ঞানী গুনী আৰু প্ৰশিক্ষিত পালক সকলৰ ওপৰত আমিনো কি কথা কব পাৰিম। তথাপি আজিকালি দেখা গৈছে, যে ভেড়াৰ জাকৰ অৱস্থা খবৰ লোৱা বা ভেড়াজাকৰ আপডাল লোৱাতকৈ বাকী বিলাক কথাতহে অধিক গুৰুত্ব আৰোপ কৰা দেখা গৈছে। কোনো কোনো মণ্ডলীয়ে ব্যৱসায় আদিতো উঠি পৰি লাগিছে। ভেড়াজাকৰ অৱস্থাৰ খবৰ লৈ আৰু তেওঁলোকৰ



WORD RESOUNDS TODAY
www.Radio882.com

আপডাল কৰি যদি বাকীবিলাকো কৰা হলহেঁতেন তেন্তে কবলগীয়া একো নাথাকিলহেঁতেন। কিন্তু মূখ্য কামটোত গৌণ আৰু গৌণ কামবোৰক মূখ্য কাম কৰাটোহে আচলতে বেয়া কথা হৈছে।

হিতোপদেশ ২৭:২৪ পদ, **“কিয়নো ধন-সম্পত্তি চিৰস্থায়ী নহয়; আৰু কিৰীটিও জানো পুৰুষানুক্ৰমে থাকে?”** আজি আমি ইমান বেছি বস্তুবাদী হৈ গৈছো যে ঈশ্বৰৰ বচনৰ এই সত্যতা আমাৰ মনৰ পৰা একেবাৰে নাইকীয়া হৈ গৈছে। সেইবোৰ আমি এই জীৱনৰ সিপাৰলৈ লৈ যাব নোৱাৰো। সিপাৰলৈ যোৱা আমাৰ পোছাকত এখনো জেপ নাথাকিব। আমি এই পৃথিবীৰ পৰা একো কঢ়িয়াই নিব নোৱাৰো। পৃথিবীত নানা পৰিৱৰ্তন ঘটি আছে। কিন্তু অপৰিৱৰ্তনীয় ঈশ্বৰ যেনেদৰে আদিৰে পৰা আছিল, আজিও আছে আৰু সদায় থাকিব। তেওঁহে আমাৰ অপৰিৱৰ্তনীয় বন্ধু। সেই ঈশ্বৰক আপুনি বন্ধু হিচাপে গ্ৰহণ কৰিছেনে? প্ৰভু যীচু আপোনাৰ জীৱনৰ ত্ৰাণকৰ্ত্তা হৈছেনে? ঈশ্বৰে আপোনাক আশীৰ্ব্বাদ কৰক। আমেন।

<u>পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:</u>

১) চৌলৰ পুত্ৰ যোনাথন কাৰ বন্ধু আছিল ?

২) হিতোপদেশ ২৭ অধ্যায়টোৰ মূল বিষয়টো কি?

৩) খালী ঠাই পূৰ কৰা: ক্ৰোধতকৈ ঈৰ্ষা ____________।

WORD RESOUNDS TODAY



www.Radio882.com

<u>হিতোপদেশ ২৮অধ্যায়</u>

প্ৰিয়শ্ৰোতা আমি বাৰু কি অধ্যয়ণ কৰি আছো আপোনাৰ মনত আছেনে? যদিহে আপুনি আমাৰ ভক্তি বচন অনুষ্ঠানটো নিয়মীত ভাবে শুনি আছে তেনেহলে আপোনাৰ নিশ্চয় মনত আছে যে আমি আজি ভালেমান দিন ধৰি বাইবেলৰ পুৰণি নিয়ম খণ্ডৰ হিতোপদেশ নামৰ পুস্তকখন অধ্যয়ণ কৰি আছো। আমি যোৱা অনুষ্ঠানত এই হিতোপদেশ পুস্তকৰ ২৭নং অধ্যায়ৰ অধ্যয়নৰ সামৰণী মাৰিছিলো। গতিকে আজিৰ অনুস্থানত আমি এই হিতোপদেশ পুস্তকৰ ২৮ অধ্যায়টো আলোচনা কৰিবলৈ আগবাঢ়িছো। আপুনি আপোনাৰ বাইবেলখন মেলি লৈছেনে বাৰু। আমি বাইবেলৰ পৰা পাঠ কৰি দিব খুজিছো।

হিতোপদেশ ২৮: ১পদ, **"কোনোৱে খেদি নিনিলেও দুষ্ট লোক পলায়; কিন্তু ধাৰ্ম্মিক বিলাকে সিংহৰ দৰে সাহ কৰে।"** পাপে মানুহক অনবৰতে ভয় শংকা, আৰু দোষী বিবেকত জীৱন নিৰ্বাহ কৰিবলৈ দিয়ে। পাপত লিপ্ত থকা মানুহে পাপৰ কথা আলোচনা কৰোঁতেও অশান্তিত ভোগে। বহুতে সময়ত আত্মৰক্ষাৰ পক্ষ লৈ আপত্তি তোলে। নিজে যি কৰি আছে, সেইয়া ভুল হোৱা নাই বুলি কয়। সেই কাৰণে কোৱা হৈছে যে কোনেও খেদিনিনিলেও দুষ্ট মানুহবোৰ পলায়। এই সচাঁ যে আমি প্ৰত্যেকেই দোষী বিবেকত ভোগো। আমাৰ প্ৰত্যেকৰে কম বেছি পৰিমাণৰ দোষী বিবেক নিশ্চয় আছে। কিন্তু ধাৰ্মিক বিলাকে সিংহৰ দৰে সাহ কৰে। অৰ্থাৎ যি মানুহৰ দোষী বিবেক নাথাকে তেওঁ সাহসেৰে থিয় হব আৰু কব লগা কথাখিনি সাহসেৰে কব পাৰে। তেওঁৰ অন্তৰখন যদি দোষী বিবেকৰ পৰা মুক্ত আনৰ মনৰ ভাবচিন্তালৈ তেওঁ ভ্ৰুক্ষেপ কৰিব লগীয়া একো নাথাকে। তেনেকুৱা মানুহবোৰ সিংহৰ নিচিনা সাহসী হব পাৰে। এতিয়া আমি

হিতোপদেশ ২৮:২-৫ পদলৈকে পঢ়ি দিওঁ, **"দেশৰ অপৰাধৰ কাৰণে তাৰ অধিপতি অনেক হয়, কিন্তু বুদ্ধিমান আৰু জ্ঞানী লোকৰ দ্বাৰাই শাসন চিৰস্থায়ী হয়। যি দৰিদ্ৰই দীনহীনক উপদ্ৰৱ কৰে, সি আহাৰ এৰি নোযোৱা সকলোকে উটাই বুৰাই নিয়া বৃষ্টিৰ নিচিনা। ব্যৱস্থা ত্যাগ কৰা লোকে দুষ্টৰ প্ৰশংসা কৰে; কিন্তু ব্যৱস্থা পালন কৰোঁতাবিলাকে সিহঁতৰ লগত বিৰোধ কৰে। দুষ্ট মানুহবোৰে ন্যায় বিচাৰ নুবুজে; কিন্তু যিহোৱাক বিচাৰ কৰোতাঁবিলাকে সকলোকে বুজে।"** প্ৰিয়শ্ৰোতা, গোটেই খিনি কথা আমি বহলাই আলোচনা কৰিব খোজা নাই। কিন্তু শেষৰ পাঠ কৰা পদটোত এটা কথা বিশেষভাবে বুজি পাইছো, যে যি সকল লোক দুষ্ট লোক ঈশ্বৰ ভয় প্ৰাপ্তি নথকা লোক তেওঁলোক আনকি ন্যায় বিচাৰো নুবুজে। তেওঁলোকৰ কথাটোহে ন্যায়ৰ কথা বুলি ভাবে। কিন্তু যি সকল লোকে ঈশ্বৰ যিহোৱাক জানে ঈশ্বৰক চিনি পায়, আৰু প্ৰভু যীচুক গ্ৰহণ কৰাৰ জৰিয়তে ঈশ্বৰক নিজৰ পিতৃ হিচাপে পাইছে সেইসকল লোকে সকলোকে বুজে। ঈশ্বৰৰ বিচাৰ তেওঁলোকে বিশেষ ভাবে বুজি পায়।



WORD RESOUNDS TODAY
www.Radio882.com

হিতোপদেশ ২৮:৬পদ পঢ়ি দিছো, **“যদিও কুটিল পথত মানুহ ধনী, তথাপি তাতকৈ সিদ্ধতাত চলা দৰিদ্ৰ শ্ৰেষ্ঠ।”** যি সকল লোক দৰিদ্ৰ কিন্তু সিদ্ধ পথত চলি আছে, ঈশ্বৰৰ ইচ্ছামতে জীৱন ধাৰণ কৰি আছে, কেৱল ঈশ্বৰক সন্তোষ্ট কৰিবলৈকে তেওঁলোক চেষ্টা চলাই আহিছে, তেনেহলে তেনেকুৱা লোকৰ দৰিদ্ৰতাক লৈ তেনেকুৱা লোকে আচলতে আক্ষেপ কৰিব নালাগে। কিয়নো কুটিল পথত চলি, অসৎ পথত চলি ধনী হোৱাতকৈ ঈশ্বৰৰ ইচ্ছা পালন কৰি জীৱন ধাৰণ কৰি দৰিদ্ৰ অৱস্থাত থকাই ভাল। কৰণ তেনেধৰণে জীৱন ধাৰণ কৰা লোক সকলে নিশ্চয় ঈশ্বৰৰ পৰা আশীৰ্ব্বাদ পাব।

হিতোপদেশ২৮:৭পদ, **“যি জনে ব্যৱস্থা পালন কৰে, সেই জন জ্ঞানৱান পুত্ৰ; কিন্তু যি জন অপব্যয়কাৰী বোৰৰ সঙ্গী, সি নিজ পিতৃক অপমান কৰে।”** প্ৰিয়শ্ৰোতা, সন্তানৰ ব্যৱহাৰ বা সন্তানৰ জীৱন ধাৰণৰ ধৰণে পিতৃ-মাতৃলৈ অপমান কঢ়িয়াই আনিব পাৰে, নহলে পিতৃ-মাতৃলৈ সন্মান কঢ়িয়াই আনিব পাৰে। সেই পুত্ৰই কেনেদৰে জীৱন কটাই তাৰ ওপৰতে পিতৃৰ সন্মান নিৰ্ভৰ কৰে। ঠিক একেই কথা আমাৰ খ্ৰীষ্টিয় জীৱনতো খাটে। খ্ৰীষ্টিয় বিশ্বাসী হিচাপে আমি কেনেকুৱা জীৱন ধাৰণ কৰি আছো তাৰ ওপৰতে নিৰ্ভৰ কৰে। আমি যাক পিতৃ বুলি মাতো, সেই পিতৃ ঈশ্বৰৰ সন্তান। আমি কেনেকুৱা জীৱন ধাৰণ কৰি আছো তাৰ দ্বাৰা আমি বাৰু পিতৃ ঈশ্বৰলৈ সন্মান কঢ়িয়াই আনিব পাৰিছোনে? নে আমাৰ জীৱনলৈ চাই মানুহে আমাৰ পিতৃ ঈশ্বৰক অসন্মান কৰিছে।

হিতোপদেশ ২৮:৮পদ, **“যি কোনোৱে সুত আৰু বাঢ়ি লৈ নিজ ধন সম্পত্তি বৃদ্ধি কৰে, দীনহীন বিলাকলৈ দয়া কৰোঁতা লোকৰ নিমিত্তেহে তেওঁ তাক সাচেঁ।”** সচাঁ কথা প্ৰিয়শ্ৰোতা অন্যায় ভাবে উপাৰ্জন কৰা ধন সম্পত্তি আচলতে মানুহে কেতিয়াও ভোগ কৰিবলৈ নাপায়। বেলেগক ঠগি, বেলেগক শোষণ কৰি, উপাৰ্জন কৰা ধন সম্পত্তি আচলতে মানুহে নিজলৈও নহয় বেলেগে উপভোগ কৰিবলৈহে এই পৃথিবীত এৰি থৈ যাব লগা হয়।

হিতোপদেশ ২৮:৯পদ, **“যি মানুহে ব্যৱস্থালৈ আওকান কৰে তাৰ প্ৰাৰ্থনাও ঘিণলগীয়া হয়।”** ইয়াত ব্যৱস্থা মানে বিধানৰ কথাহে কোৱা হৈছে। ইয়াত বৰ প্ৰয়োজনীয় কথা কোৱা হৈছে। সেইটো হৈছে, যদি ঈশ্বৰে আমাৰ প্ৰাৰ্থনা শুনাটো আমি বিচাৰো তেন্তে আমি অনন্ত কাল শুচি যে আমি তেওঁৰ কথা শুনাটো তেওঁ প্ৰথমে বিচাৰে। তেওঁ এইটো স্পষ্ট কৰি দিছে, যে ঈশ্বৰহীন মানুহবিলাকৰ প্ৰাৰ্থনা তেওঁ নুশুনে। বাইবেলে কৈছে,কিয়নো প্ৰভুৰ চকু ধাৰ্ম্মিক বিলাকলৈ,আৰু তেওঁৰ কাণ তেওঁবিলাকৰ প্ৰাৰ্থনালৈ, কিন্তু কু-কৰ্ম্মকাৰী বিলাকলৈ প্ৰভুৰ মুখ কোদোৱা। ১পিতৰ ৩:১২পদ। কু-কৰ্ম্মকাৰী জনে কৰা প্ৰাৰ্থনা আচলতে নিন্দাৰ কথাৰ নিচিনা হয়।

হিতোপদেশ ২৮:১০পদ, **“যি জনে সৰল বিলাকক কু-পথলৈ নি ভ্ৰান্ত কৰে, তেওঁ খনা খালত নিজে পতিত হব; কিন্তু সিদ্ধবিলাকে মঙ্গলৰূপ অধিকাৰ পাব।”** বাইবেলত এই বিষয়ে বহুবাৰ শিকোৱা হৈছে যে, কোনোৱে পাপত পতিত হোৱাৰ ফলত তেওঁৰ আৰু পৰিয়ালৰ ওপৰলৈ অশান্তি আৰু বেমেজালি নামি আহে। দায়ুদৰ জীৱনত আমি এইটোকেই দেখিবলৈ পাইছো।



WORD RESOUNDS TODAY

www.Radio882.com

হিতোপদেশ ২৮:১১পদ, **“ধনী নিজৰ মানত নিজে জ্ঞানী; কিন্তু বুদ্ধিমান দৰিদ্ৰই তাক পৰীক্ষা কৰি উলিয়াই।”** বৰ, বৰ আৰু মহৎ, মহৎ মানুহৰ সমাজত শিক্ষিত ধনী আৰু ক্ষমতাশালী সকলে তেওঁলোকৰ সাক্ষ্য দিয়ে। তেওঁলোকৰ সেই সভাত সাধাৰণ লোকৰ নিমিত্তে আচলতে কোনো স্থান নাই। কিন্তু এই পদটোত কোৱা হৈছে যে জ্ঞানৱান দৰিদ্ৰই তাক পৰীক্ষা কৰি উলিয়াই। জগতৰ ধনত তেওঁ দৰিদ্ৰ হব পাৰে। কিন্তু বিশ্বাসত ধনী এজন মানুহে যদি সেই ধনী মানি শিক্ষিত আৰু ক্ষমতাশালী সকলৰ সাক্ষ্য শুনে, তেওঁ দেখিব যে তেওঁলোকৰ সাক্ষ্যবোৰ আচলতে অন্তঃসাৰ শূন্য আৰু তেনেই যুক্তিহীন। এই পদটো আচলতে তাকেই কোৱা হৈছে।

হিতোপদেশ২৮:১৩পদ, **“যি মানুহে নিজৰ অপৰাধ ঢাকে, তাৰ কল্যাণ নহব; কিন্তু যি কোনোৱে তাক স্বীকাৰ কৰি ত্যাগ কৰে, তেওঁ কৃপা পাব।”** এইটো এটা প্ৰয়োজনীয় নীতি বচন। অপৰাধ ঢাকি ৰখাটো খ্ৰীষ্টীয় লোকৰ মাজত এটা স্বাভাৱিক আচৰণৰ নিচিনা হৈ পৰিছে। পাপৰ কৰ্কটৰোগ ৰোগ যিকোনো ঘাঁ সেইবোৰ ঢাকি কৰি থৈ দিয়াটো আচলতে ব্যক্তিগত জীৱনতে সীমাবদ্ধ হৈ থকা নাই, ই আনকি সমূহীয়াকৈ জীৱনতো থিতাপি লৈছে। মানুহে পাপ স্বীকাৰ কৰাটো দূৰৈৰ কথা পাপ বোলা যে কিবা থাকিব পাৰে, তাকে মানি লব নোখোজে। তেওঁলোক ঠিকেই আছে বুলিয়েই তেওঁলোকে ভাবি থাকে।

কিন্তু বাইবেলে কৈছে যে, যি সকলে ভাবে যে তেওঁলোকৰ পাপ নাই তেওঁলোক নিজেই নিজকে ভুলায়, আৰু সত্য তেওঁলোকৰ অন্তৰত নাই। আৰু সেইবিলাক মানুহে ঈশ্বৰকো মিছলীয়া পাতে। ঈশ্বৰৰ বচনো তেওঁলোকৰ অন্তৰত নাই। এইয়া ১ম যোহন ১:৮-১০ পদত আমি এনেদৰেই পাওঁ। কিন্তু বাইবেলেই আকৌ কৈছে যে, সেই সকল লোকে যদি তেওঁলোকৰ পাপবোৰ স্বীকাৰ কৰে, তেন্তে বিশ্বাসী আৰু ধাৰ্ম্মিক ঈশ্বৰে তেওঁলোকৰ পাপ বোৰ ক্ষমা কৰিব আৰু তেওঁলোকৰ অপৰাধ সমূহৰ পৰাও তেওঁলোকক শুচি কৰিব। এই কথা আমি পাওঁ ১ম যোহনৰ ১:৯ পদত। ই সমাজত স্বীকাৰ কৰা স্বীকাৰোক্তিয়েই হওক বা ব্যক্তিগত ভাবে স্বীকাৰ কৰা স্বীকাৰোক্তিয়েই হওক। স্বীকাৰ কৰিলে তেওঁ ক্ষমা কৰিম বুলি কৈছে যেতিয়া ক্ষমা কৰিবই। কাৰণ তেওঁ বিশ্বাসী তেওঁ ক্ষমা কৰিব পাৰিবই কাৰণ তেওঁ ধাৰ্মিক। পাপ কিন্তু দুৰ কৰিব লাগিব। যি কোনো মূল্যৰ বিনিময়তে পাপ ৰোগ দুৰ কৰা খ্ৰীষ্টিয় লোকৰ এক অনিবাৰ্য কাম।

প্ৰিয়শ্ৰোতা, এজন বিশ্বাসী দাসে এনেদৰে কৈছিল, অযোগ্য হলেও যোৱা ইমান কেইটা বছৰ ভুলে ভালে প্ৰভুৰ পৰিচৰ্য্যা কৰি থাকোঁতে বুজিব পাৰিছো, যে মানুহৰ অহংকাৰ, অমনো যোগীতা আদিৰ লগতে পাপ স্বীকাৰ কৰিবলৈ ইচ্ছা নকৰাৰ আন এটা কাৰণ খ্ৰীষ্টিয় সমাজখনেই। এনে খ্ৰীষ্টিয় লোকো আমাৰ মাজত আছে, যি সকল আনৰ পাপ জানিলে গোটেই খন প্ৰচাৰ কৰি ফুৰে। নাইবা স্বীকাৰ কৰিলে, হেয় প্ৰতিপন্ন কৰিবলৈ সুযোগ গ্ৰহণ কৰে। কোনোৱে আনে পাপত পৰা বুলি শুনিলে পেটে পেটে আচলতে ভাল পায়। এনে কিছুমান লোকো আছে, যি সকল মহা ধাৰ্ম্মিক। পাপত পৰা লোকৰ প্ৰতি বৰ কঠোৰ মনোভাব প্ৰকাশ কৰে, নিন্দা কৰে, গালি-গালাজ কৰে। আনকি আওপকীয়াকৈ নিন্দা ইতিকিং কৰিবলৈ তেওঁলোকে লাজ নকৰে। বাইবেলে কিন্তু তেনে কৰিবলৈ আমাক কোৱা নাই।



WORD RESOUNDS TODAY
www.Radio882.com

বাইবেলে কৈছে, হে ভাইবিলাক কোনো মানুহ যদি কোনো অপৰাধত পৰে, তেন্তে আত্মিক যি তোমলোক, তোমালোকে মৃদুশীল আত্মাৰে তেনেকুৱা জনক আকৌ সুস্থ কৰা; পাছে জানো তুমিও পৰীক্ষাত পৰা, এই কাৰণ নিজক চাবা। তোমালোকে ইজনে সিজনৰ ভাৰ বৈ, বিধান সম্পূৰ্ণকৈ পালন কৰা। এই খিনি কথা আমি পাওঁ গালাতীয়া ৬নং অধ্যায়ৰ ১আৰু ২নং পদত। কিন্তু প্ৰিয়শ্ৰোতা,যিয়ে যি মনোভাব নলওক কিয়, যিয়ে যেনে ধৰণৰ ব্যবহাৰ নকৰক কিয়, আমি কিন্তু আমাৰ পাপ দুৰ কৰিবই লাগিব। আহক আমি এতিয়া

হিতোপদেশ ২৮:১৪ পদৰ পৰা চাওঁ, **"যি মানুহে সদায় ভয় ৰাখে, তেওঁ ধন্য; কিন্তু যি কোনোৱে নিজ মন কঠিন কৰে, তেওঁ আপদত পৰিব।"** ইয়াকেই ঈশ্বৰৰ ভয়ত চলা বোলা হয়। মনত ৰাখিব যে **"যিহোৱালৈ ভয় ৰখাই জ্ঞানৰ আৰম্ভণ।"** এই কথা আমি পাই আহিছো হিতোপদেশ ৯:১০ পদত। ইয়াৰ মানে এইটোৱেই যে আমাৰ অন্তৰ ঈশ্বৰৰ নিমিত্তে সদায় খোলা। ই হৈছে নিজ মন কঠিন কৰাৰ সম্পুৰ্ণ বিপৰীত কথা। যি জনে ঈশ্বৰৰ কথালৈ সদায় কাণ পাতে, তেওঁৱেই ঈশ্বৰক ভয় ভক্তি কৰি চলা লোক। ঈশ্বৰৰ দৃষ্টিত যিদৰে চলিলে তেওঁ সন্তোষ্ট হয়, সেইদৰে চলা মানুহজনেই ঈশ্বৰৰ ভয়ত চলা লোক। নম্ৰতাৰে তেওঁ প্ৰভুৰ আগে আগে চলে। তেওঁ যে দুৰ্ব্বল আৰু ঈশ্বৰৰ ওপৰতেই যে সম্পূৰ্ণ নিৰ্ভৰশীল তাকে স্বীকাৰ কৰি চলা লোক জনেই ঈশ্বৰৰ ভয়ত চলা লোক। যিহোৱালৈ ভয় ৰখাই জ্ঞানৰ আৰম্ভণ বোলা কথাষাৰৰো অৰ্থ এইটোৱেই।

খ্ৰীষ্টিয় সমাজ বা মণ্ডলীৰ যদি কথা কোৱা হয়, এই কথা কবই লাগিব, যে ঈশ্বৰ ভয় ভক্তি কৰা খ্ৰীষ্টিয় লোক আচলতে বহু কম। অধিক খ্ৰীষ্টিয় বিশ্বাসী লোক হয় দুৰ্ব্বল, নহয় মৃত অৱস্থাৰ খ্ৰীষ্টিয় লোক। এনে খ্ৰীষ্টিয় লোকৰ দ্বাৰাই মণ্ডলী ভিতৰৰ আৰু বাহিৰৰো অনেক লোক বৰ নিৰাশ হয়। আৰু মণ্ডলীৰ প্ৰতি আকৰ্ষণ নাইকীয়া হৈ যায়। মণ্ডলীতেই থাকিবলৈ এবাৰ মণ্ডলীভুক্ত হোৱা ভাই ভনী কিছুমানে মণ্ডলীখন ত্যাগ কৰে আৰু বাহিৰৰ যিসকলে জীৱন যাপন কৰিবলৈ মণ্ডলী প্ৰবেশ কৰাৰ পৰিকল্পনা লয়,তেওঁলোকো কোচ খাই। আৰু তেনে পৰিকল্পনা জলাঞ্জলি দিয়ে। সেয়ে মণ্ডলী সমূহত নামধাৰী খ্ৰীষ্টিয় লোক সকল ঈশ্বৰ ভয়কাৰী খ্ৰীষ্টিয়লোকলৈ পৰিৱৰ্তন নহলেসেইখন মণ্ডলীয়ে অনন্তকলীয়া কবৰলৈহে যাত্ৰা অব্যাহত ৰাখিব। নামধাৰী খ্ৰীষ্টিয়লোক সকলৰে খ্ৰীষ্টৰ কন্যা বা পবিত্ৰলোকৰ সমাজ মণ্ডলী ধন্য হব নোৱাৰিব। কিন্তু যি মানুহে ঈশ্বৰ ভয় ভক্তি জানে, তেওঁৰ দ্বাৰাইহে খ্ৰীষ্টিয় সমাজ ধন্য হব পাৰে।

হিতোপদেশ ২৮:১৭ পদ, **"যি মানুহ কোনো লোকৰ ৰক্তপাত কৰা দোষত ভাৰগ্ৰস্ত, তেওঁ পলায় গৈ গাঁতত পৰেগৈ, তাক কোনেও নিবাৰণ নকৰক।"** নৰহত্যা কৰাৰ জঘন্য অপৰাধী এজনে মানসিক ভাবে বহন কৰিব পৰাতকৈও অধিক ভয় শংকা আৰু উদভীগ্নতা বহন কৰিব লগীয়া হয়। আচলতে সেই বোজা সেই মানুহৰ প্ৰাপ্য। সেই বোজা সি বহন কৰা উচিত। তাৰ পাছত সি দোষী বিবেকত ভোগী পগলা হৈ আত্ম হত্যা কৰিলে, তাৰ বাবেও আচলতে সি যোগ্য। বিনাদোষত তাৰ নিজৰ স্বাৰ্থত তাৰে নিচিনা আন এগৰাকী নৰ মনুষ্যক হত্যা কৰাৰ তাৰ অধিকাৰ নাই। আইনেও নৰবধীহতক কঠোৰ হাতেৰে উচিত শাস্তি বিহা উচিত। কিন্তু বৰ পৰিতাপৰ কথা যে ধনী মানী আৰু ক্ষমতাশালী লোক সকলে নৰহত্যা কৰিও আশা নুৰূপ একো শাস্তি নোপোৱা আমি প্ৰায়েই দেখি



WORD RESOUNDS TODAY
www.Radio882.com

থাকো। আৰু তাকে কৰাৰ দ্বাৰাই আওপকীয়াকৈ হলেও নৰহত্যাৰ নিচিনা জঘন্য কামটো বৰ লঘূ কাম ৰূপে মানুহৰ মুৰত সোমোৱাই দিয়া হৈছে। আৰু ই গোটেই সমাজখনৰে ক্ষতি কৰিছে। ঈশ্বৰে কিন্তু নৰহত্যাক কেতিয়াও লঘূ হিচাপে লোৱা নাই। ঈশ্বৰৰ দৃষ্টিত ই এটা গুৰুত্বৰ পাপ।

এতিয়া হিতোপদেশ ২৮:১৮-২৩ পদলৈকে পাঠ কৰি দিম, **"যি মানুহে সিদ্ধ পথত চলে, তেওঁ ৰক্ষা পাব, কিন্তু যি জনে কুটিল পথত চলে, তেওঁ হঠাতে পতিত হব। যি কোনোৱে নিজ মাটি চহ কৰে, তেওঁ জোৰাওকৈ আহাৰ পায়; কিন্তু যি মানুহ অসাৰ লোকবিলাকৰ অনুগামী, তাৰ বহুত নাটনি হয়। বিশ্বাসী লোকে অনেক আশীৰ্ব্বাদ পায়;কিন্তু চহকী হবলৈ খৰ কৰা লোকে দণ্ড নোপোৱাকৈ নাথাকিব। মানুহৰ মুখ চোৱা ভাল নহয়; কিয়নো এডোখৰ ৰুটীৰ নিমিত্তেও মানুহ অপৰাধী হব পাৰে। চকু-চৰহা লোকে অতি আগ্ৰহেৰে ধনলৈ চেষ্টা কৰে; কিন্তু তালৈ যে দৰিদ্ৰতা ঘটিব, তাক সি নাজানে। জিবাৰে খোচামোদ কৰোঁতা লোকতকৈ, অনুযোগ কৰোঁতা লোকে পাছত অধিক অনুগ্ৰহ পায়।"** ইয়াত আমাৰ কিছুমান আদৰণীয় গুণৰ কথা উল্লেখ কৰা হৈছে। আৰু কিছুমান ব্যৱহাৰ বা স্বভাব যে আমি এৰিব লাগে সেই বিষয়ে উল্লেখ কৰা হৈছে। কথা খিনি বহলাই নকলেও আমি নিশ্চয় বুজি পাইছো।

এতিয়া হিতোপদেশ ২৮:২৪ পদৰ পৰা পাঠ কৰি দিব খুজিছো, "যি মানুহে নিজ পিতৃ কি মাতৃৰ ধন সম্পত্তি অপহৰণ কৰি কয়, **"ইয়াত একো দোষ নাই",সি বিনাশকাৰী বোৰৰ সঙ্গী।"** নিজৰ পিতৃ বা মাতৃৰ ধন সম্পত্তি অপহৰণ কৰা কথাটো চিন্তা কৰি চাওক চোন। কেনেকুৱা এটা জঘন্য অপৰাধ। আৰু তেনেকুৱা মানুহে আন মানুহৰ প্ৰতি কেনেকুৱা ব্যৱহাৰ কৰিব। চিন্তা কৰি চাওকচোন। পুতেকে ভাবিব পাৰে, যে যিহেতু তেওঁ নিজে পৈত্ৰিক সম্পত্তিৰ উত্তৰাধিকাৰী হবগৈ। গতিকে সেই সম্পত্তিৰ এটা সৰু অংশ এতিয়াই ব্যৱহাৰ কৰিব পাৰিব। কিন্তু নাই তেনেদৰে নহব। তেনেকুৱা কৰাটো ঈশ্বৰে অপৰাধ বুলিয়েই কৈছে। পুত্ৰই ভবিষ্যতেহে উত্তৰাধিকাৰী বাবটো পাব। এতিয়াই পোৱা নাই। আৰু যিহেতু পোৱা নাই সেয়ে তেওঁ এতিয়াই সম্পত্তিৰ ওপৰত অধিকাৰ চলাব নোৱাৰে।

প্ৰভু যীচু খ্ৰীষ্টই ধৰ্ম্মীয় নেতাসকলক তেনে এটা কু-চক্ৰান্তৰ কাৰণ গৰিহণা দিছিল। সা-সম্পত্তি কোনো পিতৃয়ে তেওঁৰ পুত্ৰক কোৰবাণ অৰ্থাৎ উৎসৰ্গিত হবলৈ সন্মতি দিয়ে। তেতিয়া উৎসৰ্গিত পুত্ৰজনক পৈত্ৰিক ধন সম্পত্তিসমূহৰ পৰাও মুক্ত কৰা হয়। অৰ্থাৎ সেই পুত্ৰৰ আৰু পিতৃৰ সম্পত্তিৰ ওপৰত কোনো অধিকাৰ নাথাকিব গৈ, এদিন পিতৃৰো পৰলোকপ্ৰাপ্তি ঘটিব। তেতিয়া সেইবোৰ মাটি সম্পত্তি ৰাজহুৱা হব। অৰ্থাৎ ধৰ্ম্মীয় নেতা শ্ৰেনীৰ হব।

এই বিষয়ে অধিক জানিবলৈ হলে মথিয়ে লিখা শুভবাৰ্ত্তা ১৫:৫-৬ পদ, মাৰ্কে লিখা শুভবাৰ্ত্তা ৭:১১ পদ চাওক। সেই ধৰ্মীয় নেতাসকল আছিল স্বভাৱতেই পাপী আৰু পৈত্ৰিক সম্পত্তিবোৰ আছিল পিঠা। সেয়ে পাপীৰ মন সদায় পিঠাত। তেওঁলোকৰ মন সেই সম্পত্তিবোৰত আছিল। আৰু এইয়ে আছিল তেওঁলোকৰ লোভ। অন্তৰত তেওঁলোকৰ সেই লোভ আছিল। কোৰবাণী কৰাৰ নামত পৰৰ সম্পত্তি হাত কৰিবলৈ সেইয়া আছিল তেওঁলোকৰ চক্ৰান্ত। আন লোকৰ সম্পত্তি লাভ কৰাৰ অপৰাধত



WORD RESOUNDS TODAY
www.Radio882.com

তেওঁলোক অপৰাধী আছিল। আচলতে প্ৰভু যীচুৱে আই কথাখিনিৰ যোগেৰে তেওঁলোকক এই কথাটো বুজাই দিছিল। যে তেওঁলোকে আচলতে ধৰ্ম্মৰ দোহাই দি, কোৰবাণীৰ দোহাই দি, মানুহৰ সম্পত্তি নিজলৈ বুলি কাঢ়ি লব খুজিছিল। ইয়াত কিন্তু পিছৰ পদ কেইটাত আমি এনেদৰে পঢ়িবলৈ পাওঁ।

হিতোপদেশ ২৮:২৫পদটো পঢ়ি দিছো প্ৰথমতে, **“লুভীয়া স্বভাৱৰ লোকে বিবাদ উপন্ন কৰে; কিন্তু যিহোৱাত ভাৰসা কৰোঁতা লোক তৃপ্ত হব।”** সচাঁ কথা কবলৈ গলে মানুহৰ মাজত লগা সকলোবৰ বিবাদৰ মূল কাৰণ এটাই লোভ। নিজলৈ বুলি সকলো বস্তু বিচৰা বাবেই আনক বঞ্চিত কৰি হলেও নিজে সকলো পাবলৈ বিচৰা বাবেই মানুহৰ মাজত বিবাদ বোৰ হয়। কিন্তু যি লোকে নিজে নিজৰ বাবে বস্তু কাঢ়ি লবলৈ চেষ্টা নকৰি সকলো কথাৰ বাবে ঈশ্বৰত ভাৰসা ৰাখে। তেনেকুৱা লোকহে আচলতে তৃপ্ত হয়। কাৰণ, আমাৰ যি প্ৰয়োজন সেই কথা ঈশ্বৰে জানে সেই মতে আমালৈ তেওঁ যোগায়।

হিতোপদেশ ২৮:২৬ পদ, **“যি মানুহে নিজৰ মনত ভাৰসা কৰে, সি অজ্ঞান; কিন্তু যি মানুহ প্ৰজ্ঞাৰূপ পথত চলে, তেওঁ ৰক্ষা পায়।”** পৃথিৱীত এনেকুৱা কোনো মানুহ নাই যিয়ে কব পাৰে যে তেওঁ সকলো কথা জানে। কিন্তু মানুহে যদি ভুল কৰি নিজৰ মনত নিজৰ ভাব চিন্তাত, নিজৰ বিদ্যা বুদ্ধিত, ভৰসা ৰাখি চলে, তেতিয়া হলে আচলতে অজ্ঞানতাৰ চিনাকী দিয়া হয়। কিন্তু যদিহে আমি ঈশ্বৰৰ পৰা জ্ঞান বিচাৰি তেওঁৰ নিৰ্দ্দেশনা মানি চলো তেতিয়াহলে আমি জীৱনত উন্নতি পাওঁ, আৰু বিপদৰ পৰা ৰক্ষা পাওঁ।

হিতোপদেশ ২৮:২৭ পদ, **“যি মানুহে দৰিদ্ৰক দান কৰে, তেওঁৰ অভাৱ নহব; কিন্তু যি কোনোৱে তালৈ চকু মুদে, তেওঁ অনেক শাও পাব।”** প্ৰিয়শ্ৰোতা, দৰিদ্ৰৰ প্ৰতি দয়া স্নেহ মৰম দেখুৱাবলৈ আমাক বাৰে বাৰে বাইবেলত উদগোৱা হৈছে। আৰু বিশেষভাৱে ইয়াত কোৱা হৈছে, দৰিদ্ৰলোকক দান কৰা লোকৰ কেতিয়াও অভাৱ নহব। কিয়নো ঈশ্বৰৰ পৰা পাবলগীয়া আশীৰ্ব্বাদবোৰ পাই থাকিব।

হিতোপদেশ ২৮:২৮নং পদ, **“দুষ্টবোৰৰ উন্নতি হলে, প্ৰজাবিলাক লুকাই থাকে; কিন্তু সিহঁত নষ্ট হলে, ধাৰ্ম্মিকবিলাকে বৃদ্ধি পায়। কিমান সচাঁ কথা দুষ্টবোৰৰ উন্নতি হলে মানুহে ভাল নাপায়। মানুহবিলাক আতৰি ফুৰে। কাৰণ তেনেকুৱা দুষ্ট লোকৰ পৰা ভয়ৰ কাৰণ থাকে।”** কিন্তু যেতিয়া দুষ্টলোক বিনষ্ট হয়, দুষ্ট লোকৰ পতন হয়। তেতিয়া সকলোৱে আনন্দ পায়। কিয়নো তেতিয়া সৎ লোক ধাৰ্ম্মিক লোকৰ বৃদ্ধি হয়। প্ৰিয়শ্ৰোতা, পৃথিৱীলৈ এনে এটা দিন আহি আছে, যি দিনত সকলোবোৰ দুষ্ট লোক ধ্বংস হব, আৰু প্ৰভু যীচুত বিশ্বাসী সকলো লোকেই এই পৃথিৱীত ৰাজত্ব পাব। সেই দিনটোলৈ আমি আগ্ৰহেৰে বাট চাই আছো। আপুনি বাৰু বাট চাই আছেনে? ঈশ্বৰে আপোনাক আশীৰ্ব্বাদ কৰক। আমেন।



WORD RESOUNDS TODAY

www.Radio882.com

পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:

১) যি মানুহে নিজ ৰঅপৰাধ ঢাকে তেওঁৰ কি নহব বুলি বাইবেলে জনাইছে?

২) থালী ঠাই পূৰ কৰা :

ক) সিদ্ধতাত চলা দৰিদ্ৰ______________।

খ) যিহোৱালৈ ভয় ৰখাই ______________।

WORD RESOUNDS TODAY



www.Radio882.com

ASS01-0711

<u>হিতোপদেশ ২৯:১-৩০:১৫পদ</u>

প্ৰিয় শ্ৰোতা, আমি আজি ভালেমান দিন ধৰি বাইবেলৰ পুৰণি নিয়ম খণ্ডৰ হিতোপদেশ নামৰ পুস্তকখনঅধ্যয়ণ কৰি আছো। আৰু যোৱা অনুষ্ঠানত আমি এই হিতোপদেশ পুস্তকৰ ২৮নং অধ্যায়ৰ শেষৰ পদটোলৈ পঢ়ি আমাৰ আলোচনা আগঢ়াইছিলো। আজি আমি ২৯নং অধ্যায়টো আলোচনা কৰিব খুজিছো।

এতিয়া আমি হিতোপদেশ ২৯:১পদ, **"যি মানুহে বাৰে বাৰে অনুযোগ পায়ো নিজ ডিঙি ঠৰ কৰে, মেৰামত কৰিব নোৱাৰাকৈ তেওঁ হঠাৎ ভগ্ন হব।"** ঈশ্বৰে মানুহক বিভিন্ন ধৰণে অনুযোগ কৰে। কিন্তু তথাপি পাপ কাৰ্য্য চলায়েই থাকে। বহুতে বহু সময়ত ঈশ্বৰৰ লোক সকলৰ পৰা পৰামৰ্শ অনুযোগ এনেকি সতৰ্কবাণীও পায়। কিন্তু সেইবোৰলৈ কানসাৰ নকৰে। বহুসময়ত হাঁহি উৰুৱাই দিয়ে। নাইবা সময়ত ঠাট্টা-ইতিকিং কৰিও পৰামৰ্শ অনুযোগ বা সতৰ্কবাণীলৈ বুঢ়া আঙুলি দেখুৱাই দিয়ে। বাৰে বাৰে অনুযোগ বা সতৰ্কবাণী পাইয়ো তালৈ কানসাৰ নকৰা মানুহৰ কি হব পাৰে? তেনে বহু কাহিনী শুনা যায়।

এবাৰ এগৰাকী ঈশ্বৰৰ দাসে এগৰাকী যুৱকক প্ৰভুৰ শুভবাৰ্ত্তা দি কৈছিল, যে এই যৌৱন কালতেই প্ৰভুক ধৰিলে সকলো প্ৰকাৰে নিজক আৰু আনকো সহায় কৰিব পাৰিব। নিজৰ জীৱনৰ মঙ্গল পোৱাৰ ওপৰিও তেওঁ আনৰো আশীৰ্ব্বাদৰ কাৰণ হব পাৰিব। কাৰণ যুৱক গৰাকী একেধাৰে প্ৰতিভাশালী সাহসী কথা কব পৰা, গান গাব পৰা বাদ্য বজাব জনা লোক আছিল। এইবোৰৰ কাৰণতেই হওক বা বেলেগ কাৰণতেই হওক যুৱকজন ভিতৰি ভিতৰি গৰ্ব্বীও আছিল। ঈশ্বৰৰ দাস গৰাকীৰ পৰামৰ্শ শুনাৰ পাছত যুৱক জনে গৰ্ব্বেৰে কৈছিল, আংকল ধৰ্ম্মৰ বন্দীশালত এতিয়াই নোসোমাও ৰব, চেহেৰা আছে, প্ৰতিভা আছে, সাহস আছে, বিদ্যা আছে, বুদ্ধি আছে, সেইবোৰ মোৰ দাস।মই সিহঁতৰ ৰজা। সিহঁতক খটাই খটাই মই জীৱনত সুখ শান্তিৰে চলিব পাৰিম। আপোনাৰ হোৱাৰ দৰে, মোৰো জীৱন আকাশত বেলি লহিয়াই যেতিয়া আবেলি হব, তেতিয়া ধৰ্ম্মৰ কথা ভাবিম। এতিয়া সেইবোৰ নাভাবো।

ঈশ্বৰৰ দাসজনে যুৱকৰ গৰ্ব্বকথা শুনি চকু টুকি টুকি কলে, তোমাৰ জীৱন আকাশত বেলি লহিয়াই তোমাৰ আবেলি বতৰটো আহি নাপাবওটো পাৰে তেতিয়া; বোপাই আহিব, আহিব মোৰ বয়স এতিয়া ২৫ বছৰ হে । ৭০ বছৰ যদি জীয়াই থাকো, তেতিয়াও আৰু ৪৫ টা বছৰ হাতত আছে বুলি কৈয়েই ভে, ভে কৈ হাঁহি সেই যুৱকজন আঁতৰি গৈছিল। ঈশ্বৰৰ দাস গৰাকীয়ে তেতিয়াও দুগালে বোৱা চকুলোখিনি লৈ ডেকাজনলৈ চাই কৈছিল যোৱা বোপাই সাৱধানে যাবা। বহাগৰ আকাশখন অকস্মাতে মেঘাচ্ছন্ন হৈছিল। তোমাৰ জীৱনৰ আবেলি বতৰটো নাহিবওটো পাৰে। যুৱকজনক যেনে কোনোবাই এই কথাষাৰকে শুনোৱাই আছে, চিকমিককৈ বিজুলী মাৰিছে, লগে লগে শব্দ হৈছিল গুৰুং গুৰুং গুৰুং আৰু যুৱকজন মাটিত বাগৰি পৰিছিল। তাৰ জীৱনৰ আবেলি বতৰটো আৰু কেতিয়াও নাহিল।



www.Radio882.com

WORD RESOUNDS TODAY

প্ৰিয়শ্ৰোতা, যি মানুহে বাৰে বাৰে অনুযোগ পায়ো নিজ ডিঙি ঠৰ কৰে, মেৰামত কৰিব নোৱাৰাকৈ হঠাৎ তেওঁ ভগ্ন হব। যুৱক-যুৱতী, শ্ৰোতাসকল, এয়া আপোনা সকললৈ ঈশ্বৰৰ বৰ সময় উপায়োগী অনুযোগ। যিসকলৰ কাণ কাণ পাতি শুনক। বাইবেলতো এনে দুৰ্ভগীয়া সকলৰ বিষয়ে আমি পঢ়িবলৈ পাওঁ। কোৰহ, দাথন, অবীৰাম, বেলচজৰ, ঈজেবল, ঈস্কৰিয়োতীয়া, আৰু আন আন সকলৰ কথা আমি উদাহৰণ স্বৰূপে কব পাৰো।

হিতোপদেশ ২৯:২পদ, **"ধাৰ্ম্মিকবিলাকে বৃদ্ধি পালে প্ৰজাবিলাকে আনন্দ কৰে; কিন্তু দুষ্ট জনে ৰাজত্ব পালে প্ৰজাবিলাকে হুমুনিয়াহ পেলায়।"** দুষ্ট আৰু অত্যাচাৰী হতে ক্ষমতা হাতত দেশ শাসন কৰিলে, তেওঁলোকে দেশৰ সমস্যা সমূহৰ কেতিয়াও খণ্ডন কৰিব নাজানে আৰু নোৱাৰে। আৰু কৰিবলৈ ইচ্ছাও নকৰে। বৰং তেওঁলোকে সমস্যাত আৰু সমস্যাহে জাপি দিয়ে। তেওঁলোকে কয়, বোলে সমস্যাৰ সমাধান তেওঁলোকৰ হাতত আছে। কিন্তু সমাধান হলে কেতিয়াও কৰিব নোৱাৰে।

আজি গোটেই পৃথিবীৰে নেতাসকল যদি ঈশ্বৰ ভয়ভক্তি জনা নেতা হলহেঁতেন। প্ৰতিখন দেশেই মৰ্ত্ততেই একো একোখন স্বৰ্গৰাজ্য নহলহেঁতেন নে বাৰু ! আৰু যদি পৃথিবীৰ আটাইবিলাক দেশৰ আটাইবিলাক মানুহেই একমাত্ৰ এজনা সত্য ঈশ্বৰৰ অনুগামী হলহেঁতেন আৰু তেওঁক ভয় ভক্তি কৰি চলিলেহেঁতেন গোটেই জগতৰ মানুহ এটা পৰিয়ালৰ লোক নহলহেঁতেন নে বাৰু! নিশ্চয় হলহেঁতেন, কিন্তু নহব। চয়তানে হবলৈ নিদিব। চয়তানৰ কথা কওঁতে এই কথা নিশ্চয় মনত পেলাইছো। চয়তানৰ কথা কোনেও নুশুনা হলেও হলহেঁতেন। কিন্তু নহব। কাৰণ চয়তানৰ কথাও বহুতে শুনিব। বহুতো মানুহে সেইমতে চলিব,দুষ্টই শাসন কৰিলে । যিহেতু প্ৰজাই বৰ কষ্ট পায়। গতিকে, কাৰ হাতলৈ শাসন যায় । আমাৰ যদি কিবা কৰিবলগা থাকে, আমি নিশ্চয় কৰা উচিত।

হিতোপদেশ ২৯:৪ পদ, **"ৰজাই ন্যায় বিচাৰেৰে দেশ সুস্থিৰ কৰে, কিন্তু উপহাৰ প্ৰিয় জনে তাক নষ্ট কৰে।"** দায়ুদ আছিল এগৰাকী ভাল ৰজা। তেওঁ এগৰাকী ধাৰ্ম্মিক অৰ্থাৎ ঈশ্বৰক ভয় ভক্তি কৰি চলা ৰজা আছিল। তথাপিটো তেওঁ স্বীকাৰ কৰিছে যে তেওঁৰ ঘৰখন পূৰ্ণ শান্তিৰ ঘৰ নাছিল। কেৱল খ্ৰীষ্ট ৰজাইহে ন্যায় বিচাৰেৰে বিচাৰ কৰি দেশ স্থাপন কৰিব। জগত খনৰ সেইয়াই একমাত্ৰ আশা। জগতখনত তেওঁ বিচাৰ কৰাৰ পূৰ্ব্বেই মণ্ডলী উত্তোলিত হব তাৰ বাবে আমি ঈশ্বৰক ধন্যবাদ দিওঁ। সেই আশা তেওঁ মণ্ডলীক দিছে। আজি জগতৰ শাসন, উপহাৰ দিয়া-নিয়াৰ ওপৰত চলিছে। কিন্তু প্ৰভু যেতিয়া ঘূৰি আহিব, তেতিয়া তেওঁ ধাৰ্ম্মিকতাৰে ৰাজত্ব কৰিব।

হিতোপদেশ ২৯:৫ পদ, **"যি মানুহে নিজ ওচৰ-চুবুৰীয়াক খোচামোদ কৰে, সি তাৰ ভৰিলৈ জাল পাতে।"** ভাল কাম কৰা মানুহক প্ৰশংসা কৰাটো ভাল কথা। যোগ্যতাক আমি সদায়েই স্বীকৃতি দিব লাগে। এনেকুৱা সময়ো আমাৰ থাকে, তেতিয়া সমস্বৰে আমি কোনো জনৰ প্ৰশংসা কৰিব লাগে। কিন্তু যেতিয়া খোচামোদৰ আৰম্ভণ হৈ যায়, যেতিয়া তেল মাৰি মাৰি কথা কোৱা হয়, কথাবোৰ অতিৰঞ্জিত কৰি কোনোজনক সন্তোষ্ট কৰিবলৈ চেষ্টা কৰা হয়। তেতিয়া সেইয়া অতিৰিক্ত মৌ-ৰস খোৱাৰ নিচিনা হয়।

WORD RESOUNDS TODAY

আমাৰ মাজত এনে লোকো থাকিব পাৰে, যিসকলে কেৱল খোচামোদ কৰিয়েই ভাল পায়। তেওঁলোকে তেওঁলোকৰ অন্তৰৰ আচল কথাটো আচলতে কব নোৱাৰে। এনে মানুহো আমি লগ পায় আছোঁহক যি সকলৰ প্ৰশংসা কৰাৰ অন্তৰালত এক অভিপ্ৰায় অন্তৰঙ্গতা হৈ থাকে। এই কথা মন কৰিব যে তেনে মানুহে আপোনাক যিমান অধিক প্ৰশংসা কৰিব সিমান অধিক আপোনাৰ পৰা উপকাৰ অনুৰোধ কৰিব। খোচামোদ বিপদজ্জনক যদি ইয়াক বিশ্বাস কৰা হয়। বিশ্বাস নকৰিলে অৱশ্যে খোচামোদৰ পৰা আমাৰ বিপদ নাই। কাৰণ খোচামোদ হৈছে পানীৰ তলৰ কাঁইটৰ নিচিনা। তেল মৰা কথাত আমি কেতিয়াও ভুল যোৱা উচিত নহয়। তেল মৰা মানুহজনৰ মুখলৈ চালে আপুনি গম পাই যাব, যে তেওঁ কোৱা কথাবোৰ অতিৰঞ্জিত। আপোনাক পিছলাবলৈ কোৱা কথা। গতিকে সাৱধান হব।

এতিয়া আমি ২৯:৬-১০ পদলৈ পাঠ কৰিছো শুনিবচোন, **"দুষ্টলোকৰ অপৰাধত ফান্দ থাকে; কিন্তু ধাৰ্ম্মিকে আনন্দিত হৈ গান কৰে। ধাৰ্ম্মিক লোকে দীনহীন বিলাকৰ বিচাৰলৈ মন দিয়ে; কিন্তু দুষ্টলোকে তাক বুজিবলৈ জ্ঞানত পটু নহয়। নিন্দকবোৰে নগৰত জুই স্বলাই দিয়ে। কিন্তু জ্ঞানৱানবিলাকে ক্ৰোধ ক্ষান্ত কৰে। অজ্ঞানৰ লগত জ্ঞানৱানৰ বিবাদ হলে, সি খং কৰক বা হাঁহক, একো শান্তি নাই। ৰক্তপাতকাৰীবোৰে সিদ্ধ লোকক ঘিণ কৰে; কিন্তু সৰল বিলাকে তাৰ প্ৰাণ ৰক্ষা কৰিবলৈ কাৰবাৰ কৰে।"**

৬-৯ পদৰ কথা থিনি কোনো ব্যাখ্যা নকৰি আমি ১০ পদৰ কথাখিনি আলোচনা কৰোঁহক। এই তেজ পিপাসু মানুহবোৰৰ অন্তৰত সদায়েই নৰবধ কৰাৰ ইচ্ছা আৰু ঘৃণাৰ ভাব এটা থাকে। সেই কাৰণেই প্ৰভু যীচুখ্ৰীষ্টই কৈছে আমি যদি আমাৰ ভাইক ঘৃণাও তেন্তে তেওঁক হত্যা কৰাৰ নিচিনা হয়। কয়িন প্ৰথম হত্যা কাৰী আছিল। আৰু হত্যা কৰাৰ ইচ্ছা তেওঁৰ অন্তৰতেই আৰম্ভণ হৈছিল। অন্তৰত ঘৃণা থাকিলে মানুহ কিমান সোনকালে আৰু কিমান তললৈ পৰিব পাৰে, কয়িনৰ ঘটনাই তাকেই দেখুৱাই। কেতিয়াও নাপাহৰিব, যেতিয়া ঈশ্বৰে আদম হৱাক সৃষ্টি কৰিছিল, তেতিয়া তেওঁলোকক অতি শুদ্ধ আৰু সিদ্ধ লোক হিচাপেই সৃষ্টি কৰিছিল। কিন্তু তেওঁলোক যেতিয়া পতিত হল, তেতিয়া তেওঁলোকে জগতক কেৱল এটা বস্তুকেই দিব পাৰিলে। আৰু সেইটোৱেই হল এগৰাকী পতিত পাপী মানুহ। সেই পাপী মানুহে যেতিয়া তেওঁলোকৰ সন্তান-সন্ততিৰ জন্ম দিলে, তেতিয়া তেওঁলোকে তেওঁলোকৰ সাদৃশ্যৰ সন্তান-সন্ততিৰ জন্ম দিলে। কয়িন আছিল সেইসকলৰে মাজৰ এজন। অন্তৰত নৰ হত্যাৰ ইচ্ছা লৈয়েই তেওঁ জন্ম গ্ৰহন কৰিছিল। সি তাৰ ভাই হেবলক সেই কাৰণেই ঘৃণা কৰিছিল।

হিতোপদেশ ২৯:১১ পদ, **"অজ্ঞান লোকে নিজৰ আটাই ক্ৰোধ প্ৰকাশ কৰে; কিন্তু জ্ঞানৱানে তাক দমন কৰি ক্ষান্ত কৰে।"** আপুনি অজ্ঞানী বা মূৰ্খ এজনৰ লগত কথা পাতক তেওঁ এফালৰ পৰা কৈ যাব, আনহে নালাগে গৰম দেশত থাৰ্মোমিটাৰ কাষলতিত ললে থাইকে ফাটি যোৱাৰ কথাও তেওঁ কব। কিন্তু জ্ঞানী মানুহজনে হলে বৈ ভাবি-চিন্তি লাহে-ধীৰে কৈ ঠিক প্ৰয়োনীয় কথা খিনি কব। তেওঁ কি কয় সেই ক্ষেত্ৰত তেওঁ বৰ সজাগ।

হিতোপদেশ ২৯:১২ পদ, **"যি শাসনকৰ্ত্তাই মিছা কথালৈ কাণ দিয়ে, তেওঁৰ পৰিচাৰক বিলাক সকলোৱেই দুষ্ট।"** এষাৰ কথা আছে বাপেক চাই পুতেক। বাপেক চাই পুতেক একে ৰাতিতে নহয়। বাপেকে কি কৰিছে, কি খাইছে, কি কৈছে, কেনেকে কৈছে। এই সকলো সবুৰে


www.Radio882.com

পৰাই বাপেকৰ পৰা দেখে আৰু সি কব নোৱাৰাকৈয়ে সেইবোৰে তাৰ জীৱনত প্ৰভাৱ পেলাই আৰু সিও বাপেকৰ নিচিনাই হয়। বাপেক মিছলীয়া হবলৈ সিও বাপেকৰ পৰা শিকিব পাৰে। সেইদৰে শাসনকৰ্ত্তা সকলৰ ক্ষেত্ৰটো এই কথা খাতে। জেষ্ঠ্যৰ আচৰণৰ প্ৰভাৱ কনিষ্ঠৰ জীৱনতো পৰিবই। জেষ্ঠ্য জনো মিছলীয়া আৰু সেই কাৰণে জেষ্ঠ্য জনৰ মিছা কথা কোৱা আচৰণৰ সুযোগ লৈয়েই কনিষ্ঠ সকলো মিছলীয়া দুষ্ট হয়।

এতিয়া আকৌ হিতোপদেশ ২৯:১৩-১৭ পদলৈ পাঠ কৰি দিছো **"মাথোন, দৰিদ্ৰ আৰু মহাজন এই দুয়ো লগ পোৱাপুই হয়, সিবিলাকৰ দুয়োৰো চকু উজ্জ্বল কৰোঁতা যিহোৱাহে। যি ৰজাই সত্যভাৱে দৰিদ্ৰবিলাকৰ বিচাৰ কৰে, তেওঁৰ সিংহাসন চিৰকাল থিৰে থাকিব। চেকনী আৰু ডাবী প্ৰজ্ঞাদায়ক; কিন্তু শাসন নকৰা ল'ৰা নিজ মাতৃক লাজ দিওঁতা। দুষ্টবোৰ বাঢ়িলে অপৰাধো বাঢ়ে; কিন্তু ধাৰ্ম্মিকবিলাকে সিহঁতৰ পতন দেখিব। তুমি তোমাৰ পুত্ৰক শাস্তি দিয়া; তাতে সি তোমাক শান্তি দিব, এনে কি, তোমাৰ প্ৰাণক আনন্দিত কৰিব।"**

এতিয়া হিতোপদেশ ২৯:১৮ পদটো পাঠ কৰি দিছো, **"ঐশ্বৰিক দৰ্শনৰ অভাৱত প্ৰজাবিলাক অবাধ্য হয়; কিন্তু যি মানুহে ব্যৱস্থা পালন কৰে,তেওঁ ধন্য।"** ইয়াত দৰ্শন মানে হৈছে আচলতে আধ্যাত্মিকবোধ জ্ঞান। বিশ্বাসকাৰীজনৰ জীৱনত ঈশ্বৰৰ বচনৰ বোধ শক্তি দিবলৈ এইটো অৰ্থাৎ দৰ্শনটো হৈছে পবিত্ৰ আত্মাৰ কাম।১ম চমূৱেল ৩:১ পদত আমি এনেদৰে পাওঁ **"সেই কালত যিহোৱাৰ বাক্য দুৰ্লভ আছিল, দৰ্শন যেতিয়াই তেতিয়াই নহৈছিল।"** ঈশ্বৰৰ বচন সেই সময়চোৱাত পাবলৈ টান আছিল, পোৱা নগৈছিল, কোনেও পোৱা নাছিল, ঈশ্বৰেও বচন অনবৰতে দিয়া নাছিল। সেয়ে মানুহৰ মাজত ঈশ্বৰৰ বচন বুজি পোৱা বোধশক্তি বৰ কম আছিল। আৰু সেয়ে ই বৰ দুৰ্লভ আছিল। সেয়েহে এগৰাকী দৰ্শক অৰ্থাৎ দেখা পাওঁতা এজন ৰূপে ঈশ্বৰে চমূৱেলক আহ্বান কৰি গঢ় দিছিল এই অভাৱটো দূৰ কৰিবলৈ। প্ৰিয়শ্ৰোতা,আপোনাৰ নিশ্চয় মনত পৰিব যে যিহোচূৱাই উগুল-থুগুল অৱস্থাত আছিল কাৰণ শিবিৰটোত কিছুমান ভাববাণী হৈছিল। কিন্তু মোচীয়ে কৈছিল, **"যিহোৱাৰ আটাইবিলাক লোক ভাববাদী হোৱা হলে আৰু যিহোৱাই তেওঁবিলাকৰ ওপৰত নিজ আত্মা থাকিবলৈ দিয়া হলে, মই কেনে সন্তোষ পালোহেঁতেন"** (গণনাপুস্তক ১১:২৯ পদ)। আধ্যাত্মিকভাৱে চিনাক্ত কৰিব পৰা বা চিনি পাব পৰা বৰ ঈশ্বৰে মণ্ডলীক দান কৰিছে। আৰু সেই বৰটোৱেই হৈছে, ঈশ্বৰৰ বচন বুজি পাব পৰা বোধশক্তি। আৰু সেইটোৱেই হৈছে দৰ্শন। পুনৰ হিতোপদেশ ২৯:১৯-২৭নং পদলৈ পাঠ কৰি দিছো, আমি ইয়াৰ ওপৰত বিশেষ আলোচনা আগনবঢ়াওঁ। একেটা কাৰণত এইবোৰ পদত যিবোৰ বিষয় আছে, সেই বিষয় বোৰ তকম বেছি পৰিমাণে আমি ইতিমধ্যে আলোচনা কৰি আহিছো। পাঠ কৰি দিছো শুনিবচোন ।

হিতোপদেশ ২৯:১৯-২৭পদ, **"কথাৰে দাসক শুধৰোৱা নাযায়; কিয়নো সি বুজিলেও মন নিদিব। হঠাৎ কওঁতা মানুহক তুমি দেখিছা নে? তাতকৈ অজ্ঞানৰ বিষয়ে অধিক আশা আছে। যি জনে নিজ দাসক লৰা কালৰে পৰা কোমলভাৱে প্ৰতিপালন কৰে, সেই দাস শেষত তাৰ পুতেক যেন হয়।খঙাল লোকে বিবাদ জন্মায়, আৰু ক্ৰোধী লোকে অধিক অপৰাধ কৰে।মানুহৰ অহংকাৰে তাক নত কৰে; কিন্তু নম্ৰ চিত্তৰ লোকে সন্মান পায়।যি মানুহ চোৰৰে সৈতে অংশী, সি নিজ প্ৰাণক ঘিণ কৰে, শপত দিয়া শুনিও সি একো নকয়। লোকলৈ কৰা ভয়েই ফান্দ**


www.Radio882.com

**উপস্থিত কৰে; কিন্তু যি মানুহে যিহোৱাত ভাৰসা কৰে, তেওঁ নিৰাপদে থাকিব। অনেকে শাসনকৰ্ত্তাৰ অনুগ্ৰহ বিচাৰে; কিন্তু মানুহৰ বিচাৰ নিস্পত্তি যিহোৱাৰ পৰাহে হয়। অন্যায়কাৰী মানুহ ধাৰ্ম্মিকবিলাকৰ ঘিণলগীয়া; কিন্তু সৰল পথৰ লোক দুষ্টৰ ঘিণলগীয়া।"** ২৯নং অধ্যায়ৰ অধ্যয়ণ আমি ইমানতেই সামৰি এতিয়া ৩০নং অধ্যায়লৈ আগবাঢ়োহক।

<u>হিতোপদেশ ৩০ অধ্যায়</u>

৩০নং অধ্যায়টোত যিবিলাক নীতি বচন আছে, সেইবিলাক কোনোবা এগৰাকী বিশেষ লোক আগূৰে ৰচনা কৰিছিল। আগূৰ আচলতে কোন তাক জনা নাযায়। প্ৰথম পদটো দিয়া পৰিচয়ৰ পৰাও তেওঁৰ বিষয়ে জানিব পৰা নাযায়, পঢ়ি দিছো,

হিতোপদেশ ৩০:১পদ, **"যাকিৰ পুত্ৰ আগূৰৰ বাক্য; ঈশ্বৰীয় বচন। সেই মানুহে ঈথীয়েলক, ঈথীয়েল আৰু উকালকো কয়, বোলে।"** ইয়াৰ কোনজনক, অৰ্থাৎ ইয়াত থকা নামৰ কোনো ব্যক্তিকে আচলতে জনা নাযায়। আগূৰ আছিল কোনো অজান ভাববাদী আৰু অজান লিখক। তেওঁলোকৰ নামবোৰ ইব্ৰীসকলৰ নামৰ নিচিনা। আগূৰ মানে হৈছে গোটোৱা। আৰু যাকি মানে হৈছে সাধু মানুহ।

এতিয়া হিতোপদেশ ৩০:৪ পদটো পঢ়ি দিছো, **"কোনে স্বৰ্গলৈ উঠি নামি আহিছিল? কোনে নিজ মুঠিত বতাহ ধৰিছিল? কোনে নিজৰ কাপোৰত জলসমূহ বান্ধি ৰাখিছিল? কোনে পৃথিবীৰ আটাই সীমা নিৰূপন কৰিছিল? যদি জানা, তেন্তে তেওঁৰ নাম কি? আৰু তেওঁৰ পুত্ৰৰ বা নাম কি? কোৱা।"** এইটো মন কৰিবলগীয়া কথা যে এনে কিছুমান প্ৰশ্ন ঈশ্বৰে ইয়োবকো সুধিছিল। এনে বোৰ প্ৰশ্নৰ উত্তৰ কোনে দিব পাৰিব?

প্ৰভু যীচুৱে কৈছে, **"স্বৰ্গবাসীজন অৰ্থাৎ যি মানুহৰ পুত্ৰ স্বৰ্গৰ পৰা নামিল তেওঁৰ বাহিৰে কোনেও স্বৰ্গলৈ উঠা নাই"**(যোহন ৩:১৩ পদ)। সেই কাৰণেইটো প্ৰভুৰ এই কথাৰ ভিত্তিত নিশ্চয়তাৰে কব পাৰো যে প্ৰভু যীচু খ্ৰীষ্টই বিশ্ব-ব্ৰহ্মাণ্ডৰ আৰম্ভণী আৰু সৃষ্টিৰ কথাত একমাত্ৰ তেওঁৰেই কৰ্তৃত্ব। তেওঁৰ বাহিৰে আন কোনো থাকিব নোৱাৰে। বিশ্ব-ব্ৰহ্মাণ্ডৰ আৰম্ভণীৰ সঠিক ব্যাখ্যা বা প্ৰমাণ কাৰো হাতত নাই। বিজ্ঞানীসকলে মানুহৰ ক্ৰমবিকাশৰ যেনে ধৰণৰ শিক্ষা দাঙি ধৰিছে। সেইয়াই প্ৰমাণ কৰে যে বিজ্ঞানীসকলৰ হাততো এই বিষয়ৰ ব্যাখ্যা নাই। চন্দ্ৰলৈ গৈ আমি মানুহে যে ইমান টকা খৰচ কৰিলো, তাৰ অন্তৰালত এইটো উদ্দেশ্য আছিল যেন লাগে,যেচন্দ্ৰৰ কিছুমান পাথৰ সংগ্ৰহ কৰি সেইবোৰৰ ওপৰত গৱেষণা কৰি কব পাৰো, বিশ্ব-ব্ৰহ্মাণ্ডৰ প্ৰথম উৎপত্তিৰ কথা।

কিন্তু বাইবেলৰ আৰম্ভণীতে ঈশ্বৰৰ বচনে আমাক কৈছে, যে ঈশ্বৰে আদিতে আকাশ-মণ্ডল আৰু পৃথিবী সৃষ্টি কৰিলে। সেইদৰেই বিশ্ব-ব্ৰহ্মাণ্ডখনৰ উৎপত্তি হল। আৰু তাৰ পাছত যে কোৱা হৈছে,পৃথিবী নিৰ্জন আছিল আৰু শূন্য আছিল,আৰু আন্ধাৰ অগাধ জলৰ ওপৰত আছিল। এইখিনিয়ে পৃথিবীত ঘটা ক্ৰিয়াৰ কথা বুজায় বুলি কিছুমানে কয় অৰ্থাৎ সৃষ্টিৰ পাছত পৃথিবীৰ আপোনা-আপুনি ক্ৰিয়া-প্ৰতিক্ৰিয়া আৰু পৰিবৰ্তন ঘটিছে। মানুহে সেইদৰে কব পাৰে। ঈশ্বৰে আমাক কোৱা নাই কেনেকৈ তেওঁ সৃষ্ট কৰিলে। আমাৰ কোনেও নাজানে। বিজ্ঞানীসকলেও কব



www.Radio882.com

নোৱাৰে। এই উত্তৰ কাৰো হাতত আচলতে নাই। অগূৰৰ এই প্ৰশ্নবোৰৰ পৰিপূৰক হিচাবে প্ৰভু যীচুৱে কৈছে, **"বায়ুৱে যেই দিশলৈ ইচ্ছা কৰে, সেই দিশলৈ বয়, আৰু তুমি তাৰ শব্দ শুনিবলৈ পোৱা, কিন্তু সি ক'ৰ পৰা আহে আৰু ক'লৈ যায়, তাক তুমি নাজানা"** (যোহন ৩:৮ পদ)। আমিও নাজানো, আৰু সেইটোৱেই আচলতে শুদ্ধ উত্তৰ। শেষৰ দিনাখনত আমি যেতিয়া স্বৰ্গলৈ যাম, তেতিয়া স্বৰ্গতেই সেই উত্তৰবোৰ জানিম। এতিয়া হলে নাজানো।

হিতোপদেশ ৩০:৫ পদ, **"ঈশ্বৰৰ প্ৰত্যক বচন শুদ্ধ, তেওঁ তেওঁত আশ্ৰয় লোৱাবিলাকৰ ঢাল স্বৰূপ।"** ঈশ্বৰৰ বচনৰ দৰে আন একোৱেই আপোনাক নিকা কৰিব নোৱাৰে। কাৰণ ঈশ্বৰৰ প্ৰত্যক বচন শুদ্ধ। মানুহৰ বাবে ঈশ্বৰৰ বচন এক অলৌকিক চাবোনৰ নিচিনা।

হিতোপদেশ ৩০:৬ পদ, **"তেওঁৰ বাক্যৰ লগত আন কথা নলগাবা; লগালে তেওঁ তোমাক দোষীব, তাতে তুমি মিছলীয়া হবা।"** ঈশ্বৰৰ বচন বুজোৱা ঈশ্বৰৰ বচন ব্যাখ্যা কৰা সকলক এই কথাই বিশেষভাবে সাৱধান কৰি দিছে। ঈশ্বৰৰ বচনত বচন লগাই মানুহে মিছা কথা কয়। তেনেকুঁৱা মানুহক মিছলীয়া বুলিবলৈ ঈশ্বৰে অলপো ইতস্ততঃ নকৰে।

হিতোপদেশ ৩০:৭-৯ পদলৈকে পাঠ কৰি দিম, **"মই তোমাৰ আগত দুটি বৰ মাগিছো; মই নৌ মৰোঁতেই মোক দিবলৈ অমান্তি নহবা। অসাৰ আৰু মিছা কথা মোৰ পৰা দূৰ কৰা; মোক দৰিদ্ৰ ধনৱান নকৰিবা, মোৰ আৱশ্যকীয় আহাৰ মোক খাবলৈ দিয়া । নহলে, মই অতি তৃপ্ত হৈ তোমাক অস্বীকাৰ কৰি কম, যিহোৱা নো কোন? বা দৰিদ্ৰ হৈ চুৰ কৰিম, আৰু মোৰ ঈশ্বৰৰ নাম সাধাৰণ ভাৱে ব্যবহাৰ কৰিম।"** অসাৰ আৰু মিছা কথা মোৰ পৰা দূৰ কৰা মানে হৈছে, অসাৰ আৰু মিছলীয়াহঁতৰ মাজত মই বাস কৰিব নুখুজো। কাৰণ তেওঁলোকৰ মাজত বাস কৰা মানে বিষাক্ত সাপৰ লগত বাস কৰা নিচিনাই হয়। তাৰ পাছত কৈছে যে তেওঁক ধনৱান বা দৰিদ্ৰ কৰিব নালাগে, অৰ্থাৎ তেওঁ ঈশ্বৰৰ সৈতে চলি থাকিব পৰা অৱস্থা পাবলৈহে বিচাৰে। বেছি ধন হলেও বেয়া। ঈশ্বৰক পাহৰি যাব আৰু একেবাৰে দৰিদ্ৰ হলেও হয়তু ঈশ্বৰক শাও দিব। সেইকাৰণে যি খিনি প্ৰয়োজন সেইখিনি যাতে ঈশ্বৰে দিয়ে সেই কথা তেওঁ কৈছে।

হিতোপদেশ ৩০:১২নং পদ, **"এক বংশ আছে; সিহঁতে সিবিলাকৰ মন ধুই নুগুচায়ো সিবিলাকক শুচি জ্ঞান কৰে।"** প্ৰিয়শ্ৰোতা, মানুহৰ সেইটোৱেই স্বভাৱ। কিন্তু তাতকৈয়ো দুখৰ কথাটো হল, মণ্ডলীৰ ভাই-ভনী সকলৰো অনেকেই ভাবে যে তেওঁলোক ঠিকেই আছে। ঈশ্বৰৰ পবিত্ৰতা তেওঁলোকক নালাগে। তেওঁলোকক আত্মিক সহায়ৰ কোনো প্ৰয়োজন নাই। প্ৰাৰ্থনা নকৰিলেও চলে, গাত বোকা লাগি থাকিলেও লগা নাই এই এক বংশই কয়,বৰ দুখৰ কথা।

হিতোপদেশ ৩০:১৫নং পদ, **"জোকৰ দুজনী জীয়েক আছে; সিহঁতে দে দে বুলি চিঞ্ঁৰে। কদাচিতো তৃপ্ত নোহোৱা তিনটা বস্তু আছে, এনে কি জুৰিব বুলি নোকোৱা চাইটা বস্তু আছে।"** ইয়াত প্ৰকৃততে আত্ম-সংযমৰ কথা কোৱা হৈছে। নিজক সংযত কৰি ৰখা নিজ নিয়ন্ত্ৰণত ৰখাৰ কথা কৈছে। আত্ম-সংযমৰ বাবে আমি নিজকে ঈশ্বৰৰ হাতত শোধাই দিলে। তেওঁৰ পবিত্ৰ আত্মাৰ ফল আত্ম-সংযম তেওঁ আমাক দিয়ে গালাতীয়া ৫:২২ পদত আমি এনেদৰে পাওঁ। আৰু সেইটো আমাৰ অসমীয়া বাইবেলত ইন্দ্ৰিয়-দমন বোলা হৈছে।



WORD RESOUNDS TODAY
www.Radio882.com

প্ৰিয়শ্ৰোতা, এই বাক্য সমূহৰ আধাৰত আমি নিজক পৰীক্ষা কৰি চালে আমি নিজক কি ৰূপত দেখা পাওঁ বাৰু! আমাৰ স্বভাৱ চৰিত্ৰত এই গুণবোৰ প্ৰকাশ পাই উঠিছেনে? যদিহে উঠা নাই আমি ঈশ্বৰৰ পৰা বিচাৰোহঁক । ঈশ্বৰে আমাক আশীৰ্ব্বাদ কৰক। আমেন।

<u>পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:</u>

১) যি শাসনকৰ্ত্তাই মিছালৈ কাণ দিয়ে তেওঁৰ পৰিচাৰকবিলাক কি বুলি বাইবেলত কৈছে ?

২) অগূৰ মানে কি ?

৩) ঈশ্বৰে মণ্ডলীক কি বৰদান কৰিছে ?

WORD RESOUNDS TODAY



www.Radio882.com

<u>হিতোপদেশ ৩০:১৬-২৮ পদ</u>

প্ৰিয় শ্ৰোতা, আপুনি বাৰু আমাৰ এই ভক্তি বচন অনুষ্ঠানটো নিয়মীত বাবে শুনি আহিছেনে? যদিহে আপুনি ইয়াৰ আগৰ অনুষ্ঠান শুনিছে তেন্তে আপোনাৰ নিশ্চয় মনত পৰিব যে, আমি বাইবেলৰ পুৰণি নিয়ম খণ্ডৰ হিতোপদেশ নামৰ পুস্তকৰ ৩০নং অধ্যায়ৰ ১৫ পদৰ আত্ম-সংযমৰ কথাৰে সামৰণি মাৰিছিলো। প্ৰভু যীচু খ্ৰীষ্টক তেওঁলোকৰ নিজৰ জীৱনৰ পৰিত্ৰাতা প্ৰভু ৰূপে যিমান লোকে গ্ৰহণ কৰিছে তেওঁলোকক প্ৰভু যীচুৱে আত্মাৰ দ্বাৰাই অৰ্থাৎ পবিত্ৰ আত্মাৰ দ্বাৰাই এই প্ৰয়োজনীয় গুণ আত্ম-সংযম দান কৰে। তাৰ বাবে আমি নিজকে প্ৰভুৰ হাতত সমৰ্পণ কৰিব লাগে। আজিৰ অনুষ্ঠানত এই হিতোপদেশ পুস্তকৰ ৩০নং অধ্যায়ৰ ১৬ পদৰ পৰা আমাৰ আলোচনা আগবঢ়াই নিব খুজিছো।

এতিয়া আমি এই হিতোপদেশ ৩০:১৬ পদটো পাঠ কৰি দিম, **"চিয়োল, বাঁজীৰ গৰ্ভ, পানীত তৃপ্ত নোহোৱা ভুমি, আৰু জুৰিব বুলি নোকোৱা জুই।"** ইয়াত কদাচিতো তৃপ্ত নোহোৱা চাৰিটা বস্তুৰ কথা কোৱা হৈছে। সেই বস্তু কেইটা হৈছে, চিয়োল, বন্ধ্যা তিৰোতাৰ গৰ্ভ, পানীত তৃপ্ত নোহোৱা ভূমি, আৰু জুৰিব বুলি নোকোৱা জুই। আমাৰ অসমীয়া বাইবেলত কিয় চিয়োল বুলি কোৱা হৈছে, আমি কব নোৱাৰো । ইংৰাজী বাইবেলত মৈদাম বা কবৰ বুলিহে কোৱা হৈছে।আমি আমাৰ অধ্যয়ণত কবৰ বুলিয়েই কম। গতিকে জুৰিব বুলি নোকোৱা চাৰিটা বস্তুৰ প্ৰথমটোৱেই হৈছে, কবৰ বা কবৰস্থান। আপুনি আৰু মই শৱদেহ যাত্ৰাতেই জীৱন ধাৰণ কৰি আছো। হয়, আমি সকলোৱেই এই শৱদেহ যাত্ৰাতেই জীৱন ধাৰণ কৰি আছো। এদেনবাৰীৰ বাহিৰত হেবলৰ মৃত্যুৱেই ইয়াৰ আৰম্ভণ হৈছিল। আৰু তেতিয়াৰে পৰা যুগ যুগ ধৰি আজিলৈকে কবৰমুৱাকৈ শৱযাত্ৰা অবিৰত অবিৰামে চলিয়েই আছে। এই যিখন পুৰণি পৃথিবীত আমি বাস কৰি আছো। এই পৃথিবীখন এখন বিৰাট আৰু বিশাল কবৰস্থান। এই কবৰস্থানে সন্তোষ্ট হলো বুলি কেতিয়াও নকয়। দ্বিতীয়টো হৈছে, বন্ধ্যা তিৰোতাৰ গৰ্ভ।

এই দ্বিতীয়টোৰ ক্ষেত্ৰত আমাৰ অসমীয়া বাইবেলত যি অসমীয়া শব্দ ব্যবহাৰ কৰা হৈছে, মানুহৰ ক্ষেত্ৰত সি অলপ অশ্লীল যেন শব্দ। গতিকে আমি বন্ধ্যা শব্দটো ব্যবহাৰ কৰিব খুজিছো। হয়, বন্ধ্যা তিৰোতাৰ গৰ্ভয়ো কাহানিও নকয়, যে গৰ্ভত সন্তানে স্থিতি লব পৰাকৈ সেই গৰ্ভই পাবলগীয়া বস্তু খিনি জুৰাওকৈ পাইছে। তেনে গৰ্ভৰ মহিলা সমাজত আছে। তেওঁলোকে দুখ পাই বা মন মাৰি থাকিব নালাগে। মাতৃহীন সন্তান সকলক চপাই লৈ তেওঁলোককেই নিজৰ পুত্ৰ কন্যাৰূপে তুলি তালি ডাঙৰ দীঘল কৰিব লাগে। শিক্ষাদীক্ষা দিব লাগে। তেওঁলোকেই তেওঁলোকৰ দুখৰ চকুলোমচিব পাৰে।

তৃতীয়টো হৈছে, পানীত তৃপ্ত নোহোৱা ভূমি। শুকান ভূমিত কেতিয়াবা আপুনি পানী ঢালি পাইছেনে? কেইবাল্টি পানীৰে মাটি ডোখৰ সন্তোষ্ট হয়। ১০০ বাল্টি বা ১০০০ বাল্টি পানীৰে। থৰ বা চাহাৰা মৰুভূমিক কেইজাক বৰষুণে সন্তোষ্ট কৰিব পাৰিব বাৰু। এজাক, দুজাক, বহুজাক বৰষুণে পাৰিবনে?

WORD RESOUNDS TODAY



www.Radio882.com

এতিয়া চতুৰ্থটো হৈছে, জুৰিব বুলি নোকোৱা জুই। জুই আপুনি দিয়েই থাকক, দিয়েই থাকক ই পুৰিয়েই থাকিব, পুৰিয়েই থাকিব। মই আৰু পুৰিব নোৱাৰো বা মই বহু পুৰিলো এই বুলি জুইয়ে কেতিয়াও নকয়। মানুহচোৰে চুৰ কৰিলে বহু বস্তু এৰি চুৰ কৰে, জুইয়ে চুৰ কৰিলে একো এৰি থৈ নাযায়।

হিতোপদেশ ৩০:১৭নং পদ, **"যি চকুৱে নিজ পিতৃক পৰিহাস কৰে, আৰু মাতৃৰ আজ্ঞা পালন কৰিবলৈ ঘিণ কৰে, এনে চকু উপত্যকাৰ কাউৰীবোৰে খুটি উলিয়াব, আৰু ডেকা কুৰৰ পক্ষীবোৰে তাক খাব।"** পিতৃ-মাতৃৰ প্ৰতি অৱহেলা অৱজ্ঞা কঠোৰ ব্যবহাৰ কৰা তেওঁলোকৰ বাবে পুত্ৰৰ দায়িত্ব পালন নকৰা পুত্ৰ সকলৰ বিৰুদ্ধে এইয়া ঈশ্বৰৰ বচনৰ বৰ কঠোৰ বিচাৰ ঘোষণা। বৃদ্ধ-বৃদ্ধা পিতৃ-মাতৃৰ বাবে দায়িত্ববোধ নথকা মুৰ্খ আৰু নিষ্ঠুৰ পুত্ৰবিলাকৰ জীৱনত কিবা কল্যাণ হবনে? ঈশ্বৰে তেওঁলোকক দয়া দেখুৱাব নে? অৱশ্যে প্ৰভু যীচু খ্ৰীষ্টত বিশ্বাস স্থাপন কৰা যুবক সকল এই ক্ষেত্ৰত সম্পূৰ্ণ ব্যতিক্ৰম ব্যক্তি।

হিতোপদেশ ৩০:১৮-১৯ পদ পাঠ কৰি দিম, **"মোৰ জ্ঞানৰ অগম্য তিনটা, এনে কি, মই নুবুজা চাইটা আছে, আকাশত কুৰৰপক্ষীৰ গতি, শিলত সৰ্পৰ গতি, সমুদ্ৰৰ মাজত জাহাজৰ গতি, আৰু যুৱতীত পুৰুষৰ গতি।"** এইবোৰ নীতিবচনৰ ৰচনাকাৰী আগূৰে ইয়াত উল্লেখ কৰা চাৰিটা কথা বুজি নোপোৱা বুলি কৈছে। আচলতে এই কথা কেইটা আমিও বুজি নাপাওঁ। কুৰৰপক্ষী, কুৰুৱাপক্ষী, ওগপক্ষী, নগৰ-চহৰৰ আৰু গাওঁ অঞ্চলৰ আজিকালিৰ ল'ৰা-ছোৱালীবিলাকে দেখিছেনে নাই নাজানো। অৱশ্য ইংৰাজীত যাক ঈগল বোলা হয়, আমাৰ অসমীয়া বাইবেলত যিহক কুৰৰ পক্ষী বোলা হৈছে সেই জাতীয় ঈগল বা কুৰৰ পক্ষী আমাৰ এই ৰাজ্যখনত আছেনে নাই তাৰ খবৰ হলে আমি নাজানো।

কিন্তু কুৰুৱা, ওগপক্ষীকে যদি ঈগলৰ শ্ৰেণীত ধৰা যায়। তেন্তে সেইবোৰ পক্ষী হলে আমি দেখিছো। সিহঁতৰ চকুবোৰ কি যে তীক্ষ্ণ। ডেউকাযোৰ কি যে কোবাল আৰু চোকা চোকা জোঙা জোঙা হাকুটাৰ দৰে নখ বোৰে সৈতে কিযে শক্তিশালী তাৰ ঠেং দুখন। আকাশৰ বহু ওপৰলৈ উৰে। প্ৰয়োজনত আকাশৰ ওপৰৰ পৰা তললৈ চো-চোৱাই কোবাল গতিৰে নামি আহে। সেয়েহে আগূৰে কৈছে, এই পক্ষীবোৰৰ গতি তেওঁ নুবুজে আৰু আমি ভালদৰে কোনেও বুজি নাপাওঁ।

দ্বিতীয়টো আগূৰে কৈছে যে শিলৰ ওপৰত সৰ্পৰ গতি তাক তেওঁ নুবুজে, মইয়ো নুবুজো। নগৰ-চহৰৰ মানুহে অৱশ্য শিলাময় পাহাৰ অঞ্চলত এই সাপ বিলাকৰ শিলৰ ওপৰত কৰা গতি দেখা পোৱাৰ সুযোগ সুবিধা নাপায়। সিহঁতৰ বুকুত কোনো হাকুটা নাই, আঠা নাই জোক আৰু জেঠী জাতীয় প্ৰাণীৰদৰে কোনো ভেকুৱাম ব্যৱস্থা নাই। সিহঁতে নাজানে যাদু বা মন্ত্ৰ। কিন্তু পাহাৰৰ পাথৰৰ ওপৰত চিলচিলীয়া পিছল পেট আৰু বুকুৰে কি দ্ৰুত সিহতৰ সেই গতি। ভাবিলে আচৰিত লাগে।

তৃতীয়টো বুজি নোপোৱা বস্তু হৈছে, সাগৰৰ বুকুত জাহাজৰ গতি। নাৱিক সকলে বুজি পাব কিজানি। আগূৰে কৈছে তেওঁ বুজি নাপায়, ভয় নাই ভীতি নাই গৈয়েই গৈয়েই থাকে। ঢৌ, চাক-নৈয়া আৰু গভীৰতা কোনো আপত্তি নকৰি গৈয়েই গৈয়েই থাকে। ধীৰে সুস্থিৰে সজাগে সন্তৰ্পনে অবিৰাম গতিৰে জাহাজ আগুৱাই থাকে। তাৰ গতিৰ যেন বিৰাম নাই। নাই যেন সেই



WORD RESOUNDS TODAY
www.Radio882.com

গতিৰ অন্ত। ঈশ্বৰৰ বচন বৰ স্পষ্টবাদী আৰু বৰ খোলাখুলিকৈ ইয়াত কথাবোৰ কয়। সচাঁ কথা সচাঁ ঘটনা। আৰু তেওঁ নিজে কথা বোৰ কবলৈ তেওঁ ইতস্তত বোধ নকৰে।

ইয়াত আগূৰে কৈছে, যে বুজিবলৈ টান পোৱা চতুৰ্থটো বিষয়টো হৈছে, যুৱতীত পুৰুষৰ গতি।এই গতি হৈছে সুখ উপলব্ধিৰ গতি। গতি কৰোঁতা আৰু গতি বহন কৰোঁতা, দুয়োজনৰে অজান অদ্ভোত সুখ উপলব্ধি হয়। সুখ উপলব্ধিয়ে গতি বঢ়ায়। অতি ক্ষণস্থায়ী সুখ উপলব্ধি কিন্তু বৰ অদ্ভোত আৰু চৰম সুখ উপলব্ধি। সুখ উপলব্ধিৰ এই গতি আমিও বুজি নাপাওঁ।

হিতোপদেশ ৩০:২০ পদ, **“ব্যভিচাৰিণীৰ গতিও তেনেকুৱা; তাই খাই পেলাই মুখ মচি কয়, মই অধৰ্ম্ম কৰা নাই।”** আমাৰ অসমীয়া বাইবেলত ইয়াৰ যিটো অনুবাদ কৰা হৈছে, সেইটো সঠিক ভাব প্ৰকাশ নোহোৱা নিচিনা লাগে। ব্যভিচাৰিণীৰ গতিও তেনেকুৱা বুলি কোৱাত ব্যভিচাৰিণীৰ গতিও ওপৰৰ ১৯ পদটোৰ নিচিনা বুলিহে পঢ়ুৱৈ সকলে বুজিব। কিন্তু ইংৰাজী বাইবেলত এই অৰ্থতহে আছে। ব্যভিচাৰিণীৰ গতিও এনেকুৱা যে তাই খাই উঠি মুখ মচি কয়, মই একো বেয়া কাম কৰা নাই। আজি আমি যিটো যুগত বাস কৰিছো, সচাঁকৈ এই কথাটো খুউব চলিছে। পাপত লিপ্ত থাকি চলা মানুহবিলাকে যুক্তি সহকাৰে কয়, যে তেওঁলোকে একো পাপ কৰা নাই। ধৰক ব্যভিচাৰিণী এগৰাকীৰ ধুনীয়া পুত্ৰ সন্তান এটি জন্মিল। মাকে মৰমতে ল’ৰাটোৰ নাম দিলে পবিত্ৰ। পবিত্ৰ নামটো দিয়া হৈছে ভালেই হৈছে,কিন্তু পবিত্ৰ নামটো দিয়া দেখিয়েই মৰম লগা সেই কেঁচুৱাটো পবিত্ৰ হব নোৱাৰে। সকলো ল’ৰা-ছোৱালীয়েই পাপৰ প্ৰকৃতি লৈ জন্ম গ্ৰহণ কৰে।

দ্বিতীয়তে মাকজনী যে ব্যভিচাৰিণী সেই কথাটো ল’ৰাটোৰ পবিত্ৰ বোলা নামটোৱে কেতিয়াও সলনি কৰি দিব নোৱাৰে। ঈশ্বৰে কৈছে যে ব্যভিচাৰ পাপ। সেই ক্ষেত্ৰত ঈশ্বৰে তেওঁৰ মন সলনি কৰা নাই। একো নতুন এই যুগৰ মানুহৰ পৰা শিকা নাই। শিকিবৰ প্ৰয়োজন নাই আৰু নিশিকে। আমাৰ এই যুগে কি কি পাপ কৰ্মত লিপ্ত হব তাক তেওঁ আগতেই জানিছিল, আৰু সেই কাৰণেই হিতোপদেশৰ যোগেদি এই পাপৰ কথা তেওঁ তাহানিতেই লিখি থৈ গৈছে। বা আগূৰৰ যোগেদি লিখোৱাইছে।

এতিয়া আমি হিতোপদেশ ৩০:২১-২৩ পদলৈকে তিনিটা পদ পাওঁ পঢ়ি দিছো, **“তিনটাৰ ভৰত পৃথিবী কঁপে, এনে কি সহিব নোৱাৰা চাইটাৰ ভৰত কঁপে, ৰাজত্ব পোৱা বন্দীৰ, খাই তৃপ্ত হোৱা মূৰ্খৰ, পত্নীপদ পোৱা ঘিণলগীয়া তিৰোতাৰ, আৰু নিজ কত্ৰীৰ উত্তৰাধিকাৰী বাব পোৱা বেটীৰ ভৰত।”** ইয়াতো ৰাজত্ব পোৱা বন্দী সলনি আচলতে হব লাগিছিল ৰাজত্ব পোৱা দাস। দাসে ৰাজত্ব পোৱা কথা বাইবেলত পোৱা যায়। ইস্ৰায়েলৰ উত্তৰ ৰাজ্যত ৰাজত্ব কৰা যাৰবিয়ামে আছিল তেনে এজন ৰজা। দাস যদি ৰজা হয়, তেন্তে তেওঁ দাসৰ মানসিকতা, দাসৰ মনোভাব, দাসৰ মানদণ্ড, আৰু দাসৰ আচৰণৰ দৰেই ৰাজত্ব কৰিব আৰু তেতিয়া প্ৰজাই ত্ৰাহি ত্ৰাহি দেখিব। ৰাজ্যৰ উন্নতি নহৈ অধোন্নতি হব। সেই অৰ্থতেই তেনে ৰজাৰ ভৰত পৃথিবী কপেঁ। খাই তৃপ্ত হোৱা মূৰ্খৰভৰত পৃথিবী কিয় নকঁপিব! কঁপিব, কাৰণ সি নিজে খাই তৃপ্ত হোৱা দেখি পৃথিবীৰ সকলোৰেই খাই তৃপ্ত হোৱা বুলি ধৰি লব। আৰু উগাৰ মাৰি মাৰি পেট পেলাই শুই থাকিব। সিমানেই মুৰ্খসি। আপোনাৰ মনত আছেনে যে তেনে এজন মূৰ্খ মানুহৰ কথা প্ৰভু যীচুৱে কৈ থৈ গৈছে। ক’ত পোৱা যায় জানেনে? লূকে লিখা শুভবাৰ্ত্তা ১২:১৬-২১ পদত আমি তেনে এজন মুৰ্খ



WORD RESOUNDS TODAY

www.Radio882.com

মানুহৰ কথা পাওঁ। প্ৰভু যীচুৱে দৃষ্টান্ত হিচাপে সেই মুৰ্খ মানুহ জনৰ কথা কৈছে। সেই মুৰ্খ মানুহ জন ধনী আছিল। বহুত সা-সম্পত্তি আছিল। সি নিজৰ প্ৰাণক এনেদৰে কৈছিল। হে প্ৰাণ অনেক বছৰলৈকে তোমালৈ অনেক বস্তু সাঁচি থোৱা হৈছে। জিৰাই-সঁতাই থাকা, ভোজন পাণ কৰি ৰং কৰা, সেই মূৰ্খ মহাজন জনে অলপো ভবাই নাছিল, যে সেই ৰাতিয়েই ঈশ্বৰে তাক মাৰি লৈ যাব পাৰে। যি মুৰ্খই নিজৰ বাহিৰে আন কাকো চিনি নাপাই আন কাৰো কাৰণে একো চিন্তাই নকৰে, তেনে মূৰ্খই ৰাজত্ব পালে পৃথিবী নকঁপিবনে? কেৱল পৃথিবীয়েই কিয়, সৰগ খনেও সেই মূৰ্খৰভৰত সজাগ হয়। আৰু তাক পৃথিবীৰ পৰা আতৰ কৰি পঠিয়াই। তাৰ উপযুক্ত ঠাইলৈ চিৰদিনলৈ চিৰকাললৈ।

তাৰ পছতেই কোৱা হৈছে যে সমাজত অপ্ৰিয় ঘৃণনীয় লেই লেই ছেই ছেই পাত্ৰ কোনো তিৰোতাই যদি পত্নী হবলৈ পায়, তেন্তে চাব, তাই গিৰীয়েক প্ৰথমে জুলোকা-জুলোকে পানী খোৱাব। পৰিয়ালটোক সৰিয়হ ফুল দেখুৱাব। আৰু সমাজখনকো ত্ৰিভুবন দেখুৱাব। গিৰীয়েক পৰিয়াল আৰু তাইৰ সমাজ খনেই তাইৰ পৃথিবী। শেষত মালিকনীৰ উত্তৰাধিকাৰী বাব পোৱা দাসীৰ ভৰত পৃথিবী কঁপে বুলি কোৱা হৈছে। ধৰক মহাজন এজনে তেওঁৰ ঘৰৰ কাৰণে ওখই-পাখই, ৰঙে-বৰণে,চেহেৰাই-পাতিয়ে, তেজে-পানীয়ে, কথাই-বতৰাই চাল-চলনে ভাল দাসী এজনী আনিছিল। আৰু ঘৈণীয়েক জীয়াই থাকোঁতেই তেওঁ দাসীজনীৰ প্ৰতি দুৰ্ব্বল হৈ পৰিছিল। ধৰক ৰোগ হৈ ঘৈণীয়েকজনীৰ মৃত্যু হয় তাৰ পাছত, তাৰ পাছত মনৰ দুৰ্ব্বলতাৰ দৰেই দাসী জনীকেই ঘৈণীয়েক পাতি লয়। আমি ভাবো যে তাই ঘৈণীয়েক হোৱাৰ লগে লগেই বেলেগ মূৰ্ত্তিধাৰণ কৰিব আৰু লগে লগেই পৃথিবীখন কঁপিবলৈ ধৰিব। পত্নীৰ বাব পালেও দাসী মানসিকতাৰ পৰা তাই মুক্ত হোৱা নাছিল। এদিন গিৰীয়েকৰ সৈতে কিবা অলপ কথাৰ কটাকটি কৰোঁতে যিখন হাতেৰে মহাজনে পিঠি খজুৱাই দিব বুলি ইমান দিনে সুন্দৰ সপোন দেখিছিল, সেইখন হাততে ধৰি থকা বাঢ়নী তাৰেৰে দাসী ঘৈণীয়েক জনীয়ে গিৰীয়েকৰ মুখত কোৱাই দিছিল। ঘৈণীয়েক বাব পালেও দাসীৰূপ বাঢ়নীতাৰ পাহৰি যোৱা নাই। সেই দাসীৰ মানসিকতাৰ পৰা তাই মুক্ত হোৱা নাই। ঘৈণীয়েকবাব পাই দাসী মানসিকতাৰে ঘৈণীয়েকগিৰী চলালে পৃথিবী কঁপিবই।

হিতোপদেশ ৩০:২৪নং পদ, **"পৃথিবীত চাইটা ক্ষুদ্ৰ বস্তু আছে; কিন্তু সিহঁত অতিশয় জ্ঞানৱন্ত।"** ইয়াৰ পাছৰ পদকেইটাতে আমি পাম, তেনেই সৰু সৰু প্ৰাণী কিন্তু সেইবোৰ জ্ঞানৱান। পৰিশ্ৰমী, সজাগ আৰু সৌভাগ্যৱান। সেইবোৰৰ বিষয়ে আলোচনা কৰিবলৈ গৈ আচলতে এতিয়া আমি এখন চিৰিয়াখানালৈ গৈ আছো যেন লাগে। আপুনি কেতিয়াবা ভাবি চাইছেনে প্ৰিয়শ্ৰোতা। আমি জীৱ-জন্তু, কীট-পতঙ্গৰ পৰাও শিক্ষা আহৰণ কৰিব পাৰো। তেওঁৰ বিভিন্ন উদ্দেশ্যৰ নিমিত্তে ঈশ্বৰে সিহঁতক সৃষ্টি কৰিছে। সেই উদ্দেশ্য বিলাকৰ ভিতৰত এটা উদ্দেশ্য হৈছে, সিহঁতৰ যোগেৰে আমাক শিক্ষা দান কৰা।

হিতোপদেশ ৩০:২৫পদ, **"পৰুৱা শক্তিহীন জাতি, তথাপি সিহঁতে ঘামকালত সিবিলাকৰ আহাৰৰ আয়োজন কৰে।"** ২৫-৩১ পদলৈকে আমি দুটা শ্ৰেণীৰ কেইবাবিধ প্ৰাণী পাওঁ। প্ৰথমটো শ্ৰেণীয়ে আমাক দেখুৱাই পাপীয়ে কেনেকৈ প্ৰভুৰ গুৰিলৈ যাব লাগে। দ্বিতীয়টো শ্ৰেণীয়ে আমাক কয়, যীচু খ্ৰীষ্টত বিশ্বাস স্থাপন কৰা বিশ্বাস কাৰীসকলে ঈশ্বৰৰ সৈতে কেনেদৰে চলিব লাগে।



WORD RESOUNDS TODAY
www.Radio882.com

এতিয়া পৰুৱাৰ কথাটোকেই চাওকচোন। তেনেই সৰু প্ৰাণী কিন্তু বৰ জ্ঞানী প্ৰাণী। আমি সিহঁতৰ পৰা শিক্ষা আহৰণ কৰিব পাৰো। পৰুৱাৰ বিষয়ে আমি ইতিমধ্যে হিতোপদেশ ৬: ৬-৮পদলৈকে পাই আহিছো। **"হে এলেহুৱা, পৰুৱাৰ ওচৰলৈ যোৱা, সিহঁতৰ কাৰ্য্য দেখি জ্ঞানী হোৱা। সিহঁতৰ অধিপতি, কাৰ্য্যাধ্যক্ষ, বা শাসনকৰ্ত্তা নথকাতো, সিহঁতে জহ কালত সিবিলাকৰ খোৱা বস্তু গোটাই আৰু শস্য দোৱাৰ সময়ত আহাৰ চপায়।"** পৰুৱা বাস্তবিকতে বৰ জ্ঞানী আৰু পৰিশ্ৰমী। আমি নিজ চকুৰে দেখিছো খৰালি কালতেই পৰুৱাই আহাৰ গোটাই। সিহঁত বৰ পৰিশ্ৰমী হয়। খৰালি চুটি সময়ৰ ভিতৰতে সিহঁতে সিহঁতৰ আহাৰ গোটাই জমা কৰে। আমাৰ পাৰ্থিৱ জীৱন কালৰ প্ৰয়োজনৰ বাবে পাৰ্থিৱ প্ৰয়োজনবোৰ ভৱিষ্যত জীৱনৰ বাবে গোটোৱাৰ কথা পৰুৱাৰ পৰা শিকিব পাৰো।

কিছুমান খ্ৰীষ্টিয় লোক আছে, তেওঁলোকে কয় যে আমি জীৱন বীমা আদি কৰা প্ৰয়োজন নাই, ঈশ্বৰৰ ওপৰত নিৰ্ভৰ কৰি চলিব লাগে। কিন্তু প্ৰিয়শ্ৰোতা, প্ৰভুৱে যদি আমাক আৰ্জন কৰাৰ উপায় দিছে, তেন্তে পাৰ্থিৱ জীৱন নিৰ্ব্বাহৰ বাবে প্ৰয়োজন হোৱা পাৰ্থিৱ প্ৰয়োজনখিনি গোটাব লাগে। তাত অপৰাধ একোনাই। প্ৰভুৱে দিলে সম্ভবহলে আমাৰ এখন ঘৰ, অলপ আৰ্জন, অলপ সঞ্চয় থাকিব লাগে। বৰং এনে ব্যৱস্থা নৰখা ফলত ভৱিষ্যতে যেতিয়া টকা-পইচাৰ অভাৱত দুখ পাব লগা হয়, আনৰ অনুগ্ৰহৰ ওপৰত চলিব লগীয়া হয়, তেতিয়া আমি প্ৰভুৰ গুৰিত প্ৰাৰ্থনা কৰো। আৰু প্ৰভুৰ গুৰি প্ৰাৰ্থনা কৰাৰ দৰে সঁহাৰি নাপালে আমাৰ প্ৰভুৰ ওপৰতো সন্দেহ জন্মে। আমাৰ খ্ৰীষ্টিয় বিশ্বাসত বিৰাট কুঠাৰাঘাট পৰে।

কিন্তু আনহাতে আমাক সঞ্চয় শিকিবলৈ পৰুৱাৰ গুৰিলৈ যাবলৈ কৈছে। প্ৰিয়শ্ৰোতা, এই শিক্ষা আজি বহুতো খ্ৰীষ্টিয় বিশ্বাসীৰ জীৱনৰ বাবে প্ৰয়োজনীয় শিক্ষা। বহুতে এই ক্ষেত্ৰত হয়তো ভুল কৰি আহিছে। পাৰ্থিৱ কথা ব্যহিৰেও আমাৰ বাবে ইয়াত গভীৰতাৰ শিক্ষা অৰ্থাৎ আত্মিক শিক্ষা আছে। মৃত্যুৰ সিপাৰৰ জীৱনৰ কাৰণেও যে আমি প্ৰস্তুত হব লাগে। তাক আমি ইয়াৰ পৰা শিকিব পাৰো। সেইয়া হব অনন্ত সঞ্চয়। অনন্ত জীৱনৰ সঞ্চয়। সেই অনন্ত জীৱন আমাৰ পৰিত্ৰাতা প্ৰভু যীচুৱে সৰ্গৰ পৰা আনিলে যাতে যিসকলে তেওঁত বিশ্বাস কৰে, সেইসকল যাতে বিনষ্ট নহয়, কিন্তু অনন্ত জীৱন পায়। যোহন ৩:১৬ পদ। সেই অনন্তকালৰ অনন্ত জীৱনৰ বাবে এতিয়া প্ৰস্তুত নোহোৱাটো এটা ডাঙৰ মুৰ্খামী নহব নে প্ৰিয়শ্ৰোতা। ৰোমৰ দুষ্ট সম্ৰাট হাড্ৰিয়ানে তেওঁৰ মৃত্যুৰ আগে আগে হেনো কৈছিল, "এই মুৰৰ ওপৰত আৰু কোনো মুকুট নাই। এই চকু হালৰ বাবে আৰু কোনো সৌন্দৰ্য নাই। আৰু মোৰ এই পেটটোৰ বাবে আৰু কোনো সুস্বাদু আহাৰ নাই। কিন্তু হে মোৰ আত্মা তোমাৰ কি হব?" মানুহৰ মৃত্যু হবই সকলোৰে মৃত্যু হব। (ইব্ৰী ৯:২৭ পদ)। এইয়া দৈহিক মৃত্যু মাথোন, কিন্তু দৈহিক মৃত্যুৰ পাছতো যে অনন্ত কলীয়া মৃত্যু আৰু অনন্ত কলীয়া জীৱন আছে, তাক আপুনি জানেনে প্ৰিয়শ্ৰোতা। অনন্ত জীৱনৰ বীমা, অনন্ত জীৱনৰ সঞ্চয় আপোনাৰ হৈ গৈছেনে বাৰু ।

হিতোপদেশ ৩০:২৬নং পদ, **"চাফন পশু কেৱল দুৰ্ব্বল জাতি, তথাপি সিহঁতে শিলৰ মাজত ঘৰ সাজে।"** এই চাফন পশুবোৰ দুৰ্ব্বল। নিজক প্ৰতিৰক্ষা কৰিবলৈ সিহঁতৰ কোনো সম্বল নাই। সেয়ে নিৰাপত্তাৰ বাবে সিহঁতে শিলৰ মাজতেই সিহঁতৰ ঘৰ সাজে। যিবোৰ অশুচি পশু-পক্ষী ইস্ৰায়েল জাতিৰ লোকে খাব নালাগে, তেনে পশু-পক্ষীৰ তালিকাত এই চাফন পশুও আছে।



WORD RESOUNDS TODAY

www.Radio882.com

এই চাফনপশুৰ দৰেই মানুহ দৰিদ্ৰ সহায়হীন আৰু অশুচি। মানুহ পাপী। মানুহে তেওঁৰ দুখ লগা অৱস্থাটো দেখা পাব লাগে। সেই অৱস্থা দেখি দায়ুদৰে কব পাৰিব লাগে মোত কৈ ওখ শিলটোলৈ মোক লৈ যোৱা (গীতমালা ৬১:২ পদ)। আমাৰ জীৱনৰ সেই গৰাকী শিলা প্ৰভু যীচু খ্ৰীষ্টৰ বাহিৰে আন কোনো হব নোৱাৰে।

হিতোপদেশ ৩০:২৭ পদ, **"ফৰিংবোৰৰ ৰজা নাই, তথাপি সিহঁতে সকলোৱে দলে দলে যাত্ৰা কৰে।"** যোৱেল আৰু প্ৰকাশিত বাক্য পুস্তকত ফৰিঙক ধ্বংসকাৰী আৰু মহামাৰী সৃষ্টি কৰিব পৰা প্ৰাণী ৰূপত দেখুওৱা হৈছে। কিন্তু হিতোপদেশ দিওঁতাই আমাক ফৰিঙৰ পৰা শিক্ষা লব কৈছে, কি শিক্ষা ! হয়, একতাৰে একত্ৰিত হৈ থকা পৰস্পৰে পৰস্পৰৰ লগত সহযোগ কৰা, আৰু শৃংখলিত ভাবে চলাৰ শিক্ষা। সিহঁতৰ কোনো নেতা নাই, কিন্তু নিজৰ নিজৰ দলত একত্ৰিত সৈন্যৰ দৰে যাত্ৰা কৰে। আৰু বৰ সুশৃংখলভাবে যাত্ৰা কৰে।

প্ৰিয়শ্ৰোতা, আমি সিহঁতৰ পৰা শিকিব পাৰো কেনেকৈ আমি খ্ৰীষ্টিয় লোক সকলে আমাৰ সৰগ ৰাজ্যৰ প্ৰধান জনৰ আৰু মৰতত খ্ৰীষ্টিয় পৰিয়ালত ইজনে সিজনৰ বশীভূত হৈ চলিব লাগে। জগতৰ দৃষ্টিত আমি খ্ৰীষ্টিয় লোকসকল পাৰস্পৰিক সম্বন্ধহীন, সংগঠনহীন ভাবে ছেদেলি-ভেদেলি হৈ থকা অশৃংখল অৱস্থাত থকা লোক হব পাৰো। দেখাত মণ্ডলী কোনো প্ৰধান নাই, মণ্ডলীখনৰ বিশ্বজনীন একত্ৰিত বন্ধন নাই। কিন্তু মণ্ডলীৰ এগৰাকী অদৃশ্য প্ৰধান আছে। আৰু তেওঁৱেই হৈছে মণ্ডলী অদৃশ্য মুৰব্বী। মণ্ডলীৰ স্বৰ্গীয় সৰ্ব্বাধিনায়ক তেওঁ হৈছে প্ৰভু যীচু খ্ৰীষ্ট। ১ম কৰিন্থীয়া ৩:৩ পদ খ্ৰীষ্ট মণ্ডলীৰ সৰ্ব্বাধিনায়ক আৰু সেয়েই নহয় মণ্ডলীৰ প্ৰত্যক বিশ্বাসকাৰীৰ জীৱনত পবিত্ৰ আত্মা বাস কৰে। আৰু সেই পবিত্ৰ আত্মাই তেওঁলোকক এক মণ্ডলীৰ অংগ-প্ৰত্যংগ ৰূপে এক বন্ধনত ৰাখে। ফৰিঙৰ পৰা এই শিক্ষা আহৰণ কৰিব পাৰো ।

হিতোপদেশ ৩০:২৮নং পদ, **"জেঠীয়ে নিজ হাতেৰে বগাই ফুৰে, তথাপি ৰজাৰ অট্টালিকাত বাস কৰে।"** ঈশ্বৰে জেঠীক এনে বৈজ্ঞানিক ব্যৱস্থাৰে সৃষ্টি কৰিছে, যে সেই ব্যৱস্থাৰে ই পকাৰ বেৰ আদিতো বগাই ফুৰিব পাৰে। আৰু সেই কাৰণে ৰাজগৃহটো প্ৰৱেশ কৰি থিতাপি লয়। বিনা দ্বিধাই থিয়-পথালি, হেলনীয়া সকলোবোৰ বেৰ, চিলিঙত ই বগাই ফুৰে, দৌৰিব পাৰে। এই জেঠীয়ে আমাক বিশ্বাসৰ কথা শিকাই।

আমাৰ খ্ৰীষ্টিয় বিশ্বাসে ঈশ্বৰৰ অঙ্গীকাৰ সমূহত খামোচ মাৰি ধৰি থাকে। আমি যে ঈশ্বৰৰ সন্তান তাক ঈশ্বৰৰ আত্মাই আমাৰ আত্মাৰ সৈতে যে সাক্ষ্য দিয়ে আমাৰ বিশ্বাসে সেই সত্যতাক ধৰি চলে। আমাৰ এই বিশ্বাসে কয়, মই যি জনাক বিশ্বাস কৰিলোঁ, তেওঁক জানো; আমাৰ তেওঁৰ হাতত মই যিহকে গতাই দিলো, তাকে তেওঁ সেই দিনৰ নিমিত্তে পহৰা দি ৰাখিবৰ সমৰ্থ,ইয়াকে দৃঢ় প্ৰত্যয় কৰিছোঁ (২য় তীমথীয় ১:১২ পদ)। এই বিশ্বাসে কয়, যি জনাই তোমালোকত সৎকৰ্ম্ম আৰম্ভ কৰিলে, তেৱেঁই তাক যীচু খ্ৰীষ্টৰ আগমনৰ দিনলৈকে সিদ্ধ কৰি থাকিব বুলি দৃঢ় প্ৰত্যয় কৰি, ফিলিপীয়া ১:৩পদ। দুই শ্ৰেণী প্ৰাণীৰ প্ৰথমটো ভাগৰ চাৰিবিধ প্ৰাণী পৰুৱা, চাফন পশু, ফৰিং আৰু জেঠীৰ পৰা শিকিলো পাপী মানুহ কেনেকৈ প্ৰভুৰ গুৰিলৈ যাব লাগে। তাৰ পাছত আমি ২৯নং পদৰ পৰা ৩১নং পদলৈকে দ্বিতীয়টো ভাগ শিকিব পাৰিম প্ৰভু যীচু খ্ৰীষ্টত বিশ্বাস স্থাপন কৰা, বিশ্বাসকাৰী সকলে ঈশ্বৰৰ সৈতে কেনেদৰে চলিব লাগে। প্ৰিয়শ্ৰোতা, আজিলৈ ইমানতেই সামৰিছো। ঈশ্বৰ আপোনাৰ সহায় হওক।



WORD RESOUNDS TODAY

www.Radio882.com

<u>পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:</u>

১) মণ্ডলীৰ অদৃশ্য মূৰব্বী গৰাকী কোন ?

২) পৰুৱা, চাফন পশু, ফৰিং, আৰু জেঠীৰ পৰা আমি কি শিকিব পাৰো ?

৩) জেঠীয়ে আমাক কিহৰ কথা শিকায় ?

WORD RESOUNDS TODAY



www.Radio882.com

<u>হিতোপদেশ ৩০:২৯-৩১:৯ পদ</u>

আজি আমি আমাৰ অধ্যয়নত অধ্যয়ন কৰিব লৈছোঁ, হিতোপদেশ ৩০:২৯ ৰ পৰা ৩১:৯পদলৈকে। ইয়াৰ আগৰ অধ্যয়নত আমি কৈছিলোঁ যে, হিতোপদেশ ৩০:২৫-৩১পদলৈকে আমি দুটা শ্ৰেণীৰ কেইবাবিধ প্ৰাণীৰ কথা পাওঁ, ২৫পদৰ পৰা ২৮পদলৈকে প্ৰথমটো শ্ৰেণীৰ প্ৰাণীৰ কথা আমি চালোঁ। সেইবোৰ আছিল পৰুৱা, চাফন পশু, ফৰিং আৰু জেঠি। এইকেইটা প্ৰাণীৰ যোগেৰে আমি শিকিলোঁ আমি পাপী মানুহে কেনেকৈ প্ৰভুৰ ওচৰলৈ যাওঁ।

পৰুৱাৰ পৰা শিকিলোঁ আমি কেনেকৈ সিহঁতৰ দৰে জ্ঞানী আৰু পৰিশ্ৰমী হৈ আমাৰ ভৱিষ্যত পাৰ্থিৱ আৰু পাৰমাৰ্থিক জীৱনৰ কাৰণে পাৰ্থিৱ প্ৰয়োজনীয়খিনি আৰু অনন্ত জীৱন সঞ্চয় কৰিব লাগে; আমি জীয়াই থকা কাল চোৱাতে। দ্বিতীয় বিধ প্ৰাণী চাফন পশুৰ পৰা আমি শিকিলোঁ চাফন পশুৰ দৰে দুৰ্ব্বল আৰু সহায়হীন আমি যি মানুহ, আমি মানুহে আমাৰ ইহকাল আৰু পৰকালৰ দৃঢ় শিলা প্ৰভু যীচু খ্ৰীষ্টত আশ্ৰয় লব লাগে। প্ৰথমটো শ্ৰেণীৰ তৃতীয় বিধ প্ৰাণীৰ পৰা আমি শিকিলোঁ নেতাহীন হলেও কেনেকৈ সিহঁত একত্ৰিত হৈ থাকে। পৰস্পৰে পৰস্পৰৰ সৈতে সহযোগ কৰে আৰু অতি শৃংঋলিত ভাবে সিহঁতে সিহঁতৰ জীৱন পথত আগবাঢ়ে। আৰু শেষত এই প্ৰথমটো শ্ৰেণীৰ চতুৰ্থটো প্ৰাণী জেঠীৰ পৰা শিকিলোঁ ঈশ্বৰত স্থাপন কৰা বিশ্বাসত আমি কেনেকৈ দৃঢ় হৈ থাকিব লাগে আৰু ক'ব পাৰিব লাগে মই যি জনাক বিশ্বাস কৰিলোঁ তেওঁক জানো আৰু তেওঁৰ হাতত মই যিহকে গতাই দিলো তাকে তেওঁ সেইদিনৰ নিমিত্তে পহৰা দি ৰাখিবৰ সমৰ্থ ইয়াকে দৃঢ় প্ৰত্যয় কৰিছো।

আজিৰ অধ্যয়নত আমি অধ্যয়ন কৰিম দ্বিতীয়টো শ্ৰেণীৰ প্ৰাণীৰ কথা, হিতোপদেশ ৩০:২৯-৩১পদলৈকে। আৰু ইয়াৰ পৰা শিকিম প্ৰভু যীচু খ্ৰীষ্টত বিশ্বাস কৰিবলৈ বিশ্বাস কাৰী সকলে ঈশ্বৰৰ সৈতে কেনেদৰে চলিব লাগে, সেই কথা। আহক চোন এতিয়া দ্বিতীয়টো শ্ৰেণীৰ চাৰি বিধ প্ৰাণীৰ বিষয়ে ২৯-৩১পদলৈকে চাওঁহক। আমি এতিয়া চিৰিয়া থানাতে আছোঁহক। অৱশ্যে চাৰি বিধৰ শেষ বিধ প্ৰাণী চিৰিয়াখানাৰ নহ'বও পাৰে; আৰু নহয় বুলি ক'ব পাৰি। কাৰণ শেষৰ বিধ প্ৰাণী আচলতে মনুষ্যপ্ৰাণীহে। এৰা আচলতে মনুষ্য প্ৰাণী চিৰিয়াখানাৰ প্ৰাণী নহয়।

হিতোপদেশ ৩০:২৯-৩০ পদ দুটা পাঠ কৰি দিছোঁ প্ৰথমতে, **"জাকজমকেৰে চলা তিনটা, এনে কি, জাক-জমকেৰে গমন কৰা চাইটা আছে; পশুবোৰৰ মাজত মহাপৰাক্ৰমী আৰু কাকো ভয় নকৰা সিংহ।"** সিংহ প্ৰিয় শ্ৰোতা, ৰজাই বহা আসনখন আসন বোলা নাযায় বোলা যায় সিংহাসন। তাৰ মানে ৰজাজন ৰাজ্যত ৰাইজৰ ৰজা। ১০০ টকাৰ ৭০ টকা দেউতাকে পুতেকৰ কাৰণে খৰচ কৰি কয়, টকা ১০০ৰ সিংহ ভাগ আমাৰ বাবুলে গৈছে । তাৰ মানে টকাটোৰ অধিক ভাগ খৰচ হৈছে সেই পুতেকৰ গাত মানে অধিক য'ত সিংহ ত'ত। আফ্ৰিকা দেশত হেনো বনৰ ৰজা বুলিলে সিংহকে বুজায়। আমাৰ নিজৰ দেশতো সিংহকে বনৰ ৰজা বুলিলে হেঁতেন যদি আমাৰ দেশতো সিংহ তেনেদৰে থাকিলে হেঁতেন। সেয়েহে বাঘকে আমি বনৰ ৰজা বুলি কওঁ। সিংহই মূৰ জোকাৰি, জোকাৰি আগবাঢ়ি গৈ থাকে। কাকো ভয় নেদেখুৱাই



WORD RESOUNDS TODAY

www.Radio882.com

আৰু কালৈকো ভয় নকৰে। সিংহই যিফালে যায় সেইফালে বহু জীৱ জানোৱাৰে ফৰিং ছিটিকা দিয়ে। মুঠ কথাত সিংহ বৰ সাহসী। বল তাৰ হাতীৰ সমান নাই কিন্তু হাতীতকৈ বহু সাহসী।

এগৰাকী খ্ৰীষ্টিয় লোকো ঈশ্বৰে সৈতে সম্বন্ধ ৰাখি চলাত সিংহৰ নিচিনা সাহসী হোৱা উচিত। পৰ্য্যাপ্ত দুখ কষ্ট আৰু তাড়নাৰ সন্মুখীন হৈয়ো পাঁচনি পৌলে কৈছিল, **"কিন্তু ঈশ্বৰৰ অনুগ্ৰহৰ শুভবাৰ্ত্তাৰ বিষয়ে সাক্ষ্য দিয়াৰ, আৰু মোৰ দৌৰ, অৰ্থাৎ প্ৰভু যীচুৰ পৰা পোৱা যি মোৰ পৰিচৰ্য্যা-কাৰ্য্য, তাক সম্পন্ন কৰাৰ লগত তুলনা কৰিবলৈ গলে, মোৰ প্ৰাণ মোলৈ প্ৰিয় বুলি একোতে গণ্য নকৰোঁ"** (পাঁচনিকৰ্ম্ম ২০:২৪পদ)। আজি মণ্ডলী সমূহৰ ওপৰত যি অভিশাপ পৰিছে তাৰ বাবে দুৰ্ব্বলভাৱে ঈশ্বৰৰ বচন ঘোষণা কৰা, দুৰ্ব্বল পালক, প্ৰচাৰক, প্ৰেচবিটাৰ, মিচনেৰী আৰু পৰিচাৰক সকল আৰু ঈশ্বৰৰ বচনৰ জ্ঞানৰ ভিত্তিত মণ্ডলী পৰিচালনা নকৰা অযোগ্য নেতা নেত্ৰী সকলে জগৰীয়া।

এগৰাকী বিখ্যাত বাইবেল পণ্ডিতৰ বিষয়ে আমি এনেদৰে শুনিছিলোঁ, তেওঁ ভয় নজনা বৰ সাহসী ব্যক্তি আছিল। যেতিয়া তাৰ কাৰণ সোধা হৈছিল, তেতিয়া তেওঁ উত্তৰত কৈছিল, মই এইটো কথা জানিলোঁ যে, যেতিয়া আপুনি ঈশ্বৰক ভয় কৰে, তেতিয়া আপুনি ভয় কৰিবলগীয়া এজনো মানুহ নাথাকে। তেওঁ এজন সেনা বাহিনীৰ সৰ্ব্বাধিনায়ক আছিল। তেওঁক পাছলৈ মানুহে ষ্টনৱাল বুলিহে জানিছিল। কাৰণ এবাৰ এখন যুদ্ধত তেওঁৰ বিপক্ষৰ শত্ৰু সৈন্য সকল পিছ হোঁহকি যাবলৈ প্ৰস্তুত হৈছিল, আৰু সেই সময়তে বিপক্ষৰ সেনা বাহিনীৰ সৰ্ব্বাধিনায়ক জনে তেওঁৰ সেনা সকলক কৈছিল, সৰ্ব্বাধিনায়ক জনলৈ চোৱা কেনেকৈ পাথৰৰ দেৱাল বা ইংৰাজীতে ষ্টনৱালৰ দৰে থিয় দি ৰৈ আছে। তেওঁৰ দায়িত্ব পালনত তেওঁ সিংহৰ নিচিনা ব্যক্তি আছিল। খ্ৰীষ্টিয় বিশ্বাসকাৰী সকলে তেনে সাহসেৰে খ্ৰীষ্টিয় জীৱন-ধাৰণ কৰিব লাগে।

তাৰ পাছত এতিয়া দ্বিতীয়টো প্ৰাণী হৈছে, কঁকাল চিয়া চিকাৰী কুকুৰ। যাৰ গমন ধীৰ, স্থিৰ আৰু নিশ্চিত। কঁকাল চিয়া চিকাৰী কুঁকুৰৰ পৰা আমি শিকিব পাৰো, কেনেকৈ আমি আমাৰ কঁকাল বান্ধি ধৈৰ্য্য সহকাৰে আমি আমাৰ কৰ্তব্যৰ পথত আগবাঢ়ি গৈ থাকিব পাৰো। বাইবেলে কৈছে,**"এতেকে তোমালোকে যেন নিজ, নিজ প্ৰাণৰ ক্লান্তিত ক্লান্ত নোহোৱা, এই কাৰণে যি জনাই নিজৰ বিৰুদ্ধে কৰা পাপী বিলাকৰ এনে প্ৰতিবাদ সহন কৰিছিল, তেওঁলৈ মনোযোগ কৰোঁহক। এতেকে ইমান মেঘৰূপ সাক্ষীয়ে আমাক বেৰি থকা দেখি, আহাঁ, আমিও আটাই বাধা আৰু আমাক লগ ধৰি থকা পাপ দূৰ কৰি, আমাৰ লগত থকা দৌৰৰ পথত ধৈৰ্য্যেৰে দৌৰোঁহক,আৰু আমাৰ বিশ্বাসৰ আদি আৰু সিদ্ধিকৰ্ত্তা যীচুলৈ চাই থাকোঁহক; তেওঁ তেওঁৰ আগত থকা আনন্দৰ নিমিত্তে অপমানকে হেয়জ্ঞান কৰি, ক্ৰুচ যন্ত্ৰণা সহন কৰি, ঈশ্বৰৰ সিংহাসনৰ সোঁফালে বহিল"** (ইব্ৰী ১২:১-৩ পদ। তাৰ পাছত যিটো প্ৰাণীৰ কথা উল্লেখ কৰা হৈছে, সেইয়া হৈছে, মতাছাগ; ইয়াত যিটো মতাছাগৰ কথা কোৱা হৈছে, পেলেষ্টাইনৰ তেনে ছাগবোৰ পাহাৰৰ উচ্চ ভূমিত থাকিহে অধিক আনন্দ উপভোগ কৰে। আমাৰ নিজৰ ৰাজ্যৰ ছাগলীবোৰেও ওখ ঠাই, হেলনীয়া গছ,শিলাময় পাহাৰ এই আটাইবোৰতেই উঠিব পাৰে। চৰিবলৈ আৰু জিৰাবলৈ সদায় ওখ ঠাই পালে বৰ আনন্দ কৰে আৰু বৰ উপভোগ কৰে। গৰু, মহ, গাহৰি, কুকুৰ আৰু ঘোঁৰা আদিয়ে ওখ ঠাইত উঠিব নোৱাৰে; কিন্তু ছাগলীয়ে পাৰে।



WORD RESOUNDS TODAY

www.Radio882.com

বিশেষকৈ পেলেষ্টাইনৰ ওখ, ওখ পাহাৰত থকা মতাছাগবোৰে শিলাময় ওখ, ওখ ঠাই বোৰকে সিহঁতৰ বাসস্থান আৰু আশ্ৰয় স্থান ৰূপে নিৰ্বাচন কৰি লয়। সিহঁতে সেই ওখ ঠাইবোৰত থাকি আনন্দ উপভোগ কৰাৰ উপৰিও অতি নিৰাপদে তাত থাকিব পাৰে। বাঘ, সিংহ আদিয়েও সিহঁতক চুকি নাপায়। বাঘ আৰু সিংহই বৰ, বৰ শিলাত উঠিব নোৱাৰে। ইয়াৰ পৰা আহৰণ কৰিবলগীয়া বাণী অতি স্পষ্ট, হবক্কূকে ওখ ঠাইবোৰত গমন কৰাৰ দৰে যি খ্ৰীষ্টিয় বিশ্বাসকাৰী সকলে ওখ ঠাইবোৰত গমন কৰিব ভাল পায় তেওঁলোকে দুখ-বিপদৰ দিনতো আনন্দতে থাকিব পাৰে।

সেয়ে হবক্কূক ভাববাদীয়ে কৈছে, **"কিয়নো, যদিও ডিমৰু গছ নুফুলিব, বা দ্ৰাক্ষালতাত গুটি নালাগিব, যদিও জিতবৃক্ষৰ ফল নধৰিব, আৰু পথাৰবোৰ শস্য উৎপন্ন নকৰিব, যদিও গঁৰালৰ পৰা ভেড়াৰ জাকক উচ্ছন্ন কৰা হব, আৰু গোহালিত গৰুৰ জাক নহব, তথাপি মই যিহোৱাত আনন্দ কৰিম, মোৰ ত্ৰাণকৰ্ত্তা ঈশ্বৰত উল্লাস কৰিম। প্ৰভু যিহোৱায়েই মোৰ শক্তি; তেওঁ মোৰ ভৰি হৰিণীৰ ঠেং যেন কৰিছে, মোৰ ওখ ঠাইবোৰেদি মোক গমন কৰাব"** (হবক্কূক ৩:১৭-১৯পদ)।

তাৰ পাছত চতুৰ্থতে মনুষ্য প্ৰাণীৰ কথা কোৱা হৈছে, আৰু তেওঁ হৈছে ৰজা, ৰজাৰ বিৰুদ্ধে কোনো নুঠে। ৰজা বুলিলে নেতৃত্ব ক্ষমতা আৰু পৰিচালনাৰ কথা থাকে। মানুহে পাপৰ পৰা পৰিত্ৰাণ পাবলৈ প্ৰভু যীচুক গ্ৰহণ কৰে। তাৰ পাছৰে পৰা প্ৰভু যীচুত থাকি সাহস, ধৈৰ্য্য আৰু আনন্দ সহকাৰে জীৱন-যাপন কৰে। কিন্তু মানুহৰ দায়িত্ব সিমানতেই অন্ত নপৰে। সিমানলৈকে হওঁতে কেৱল নিজৰ নিমিত্তেহে হল; কিন্তু খ্ৰীষ্টিয় লোক সকল আনৰ বাবেও দায়বদ্ধ। তেওঁলোকে যেনেকৈ খ্ৰীষ্টক পায় পৰিত্ৰাণ প্ৰাপ্ত লোক হল তেনেকৈ আন বিলাকো হব লাগে। ইয়াৰ বাবে প্ৰয়োজন কাৰোবাৰ নেতৃত্ব আৰু পৰিচালনা। আৰু তেওঁলোকে খ্ৰীষ্টত বিশ্বাস স্থাপন কৰি সাহস, ধৈৰ্য্য আৰু আনন্দ সহকাৰে জীৱন যাপন কৰাৰ দৰে আন সকলেওতো সেইদৰে জীৱন ধাৰণ কৰিব লাগে। তাৰ বাবেও প্ৰয়োজন কাৰোবাৰ নেতৃত্ব আৰু পৰিচালনা। সেই ৰজাৰ নেতৃত্বৰ কাম, পৰিচালনসহ আপুনি আৰু আমিয়েই কৰিব লাগিব ।

আমাৰ এজন ৰজা আছে আৰু এজন প্ৰভু আছে তেওঁ হৈছে আমাৰ সকলোৰে ৰজাৰো ৰজা প্ৰভুৰো প্ৰভু, প্ৰভু যীচু খ্ৰীষ্ট, ১তীমথিয় ৬:১৫ পদ; প্ৰকাশিত বাক্য ১৭:১৪পদ পঢ়ি চাওক চোন। সেই জনা ৰজাৰো ৰজাৰ নেতৃত্ব, ক্ষমতা আৰু পৰিচালনাৰ অধীনত আমি নেতৃত্ব বহন কৰি কাম কৰিব লাগিব। প্ৰথম আৰু প্ৰধান কামটো হৈছে, যোৱা আৰু গোটেই জাতিৰ আগত শুভবাৰ্ত্তা প্ৰচাৰ কৰা; পৰিত্ৰাণ বা অনন্ত জীৱনৰ অধিকাৰী হোৱাৰ সাক্ষ্য বহন কৰা মথি ২৮:১৯-২০পদ, মাৰ্ক ১৬:১৫পদ, পাঁচনিকৰ্ম্ম ১:৮পদ।

কেৱল সেইয়ে নহয়, খ্ৰীষ্টিয় মণ্ডলীৰো নেতৃত্ব লয় এই মণ্ডলী পৰিচালনা কৰাৰ দায়িত্ব আপোনাৰ আৰু মোৰেই। প্ৰভুৰো প্ৰভু জনাৰ নেতৃত্ব, ক্ষমতা আৰু পৰিচালনাৰ অধীনত পবিত্ৰ আত্মাৰেপূৰ হৈ আমি সেই কাম যেন কৰোঁ, সেইটোৱেই প্ৰভুৰ ইচ্ছা। এই হিতোপদেশ পুস্তকৰেই ২৭:২৩পদত এইদৰে পাই আহিছোঁ, **"তোমাৰ ভেৰাৰ জাকৰ অৱস্থা জানিবলৈ তুমি যত্নৱান হোৱা, আৰু তোমাৰ পশুৰ জাকক ভালকৈ আপডাল কৰা।"** ৰজাৰো ৰজা আৰু প্ৰভুৰো প্ৰভু, নেতৃত্ব, ক্ষমতা আৰু পবিত্ৰ আত্মাৰ পৰিচালনাত এই দুয়োবিধ কাম কৰিবলৈ আমি দায়বদ্ধ। আৰু



WORD RESOUNDS TODAY

যেতিয়া আমি সাহস, ধৈৰ্য্য আৰু ওথ ঠাইবোৰত থাকি এই কাম কৰি যাওঁ তেন্তে আমি জানোঁ যে, ৰজাৰো ৰজা জনৰ বিৰুদ্ধে কোনেও উঠিব নোৱাৰে।

এতিয়া আমি হিতোপদেশ ৩০:৩২-৩৩ পদ দুটা পাঠ কৰি দিব খুজিছোঁ, **"তুমি যদি অহঙ্কাৰ কৰি অজ্ঞান কৰ্ম্ম কৰিলা, বা কুকল্পনা কৰিলা, তেন্তে মুখত হাত দিয়া। কিয়নো যেনেকৈ গাখীৰ মথিলে মাখন হয়, আৰু নাক মোহাৰিলে তেজ ওলায়, তেনেকৈ ক্ৰোধ উজাৰিলে দ্বন্দ লাগে।"** অৰ্থাৎ প্ৰিয়শ্ৰোতা আমাক এনেদৰে চলিবলৈ কোৱা হৈছে, যাতে আমি আমাৰ ক্ৰোধ সম্বৰণ কৰোঁ, ধৈৰ্য্য ধৰোঁ, আত্ম সংযম দেখুৱাওঁ যাতে দ্বন্দ-হাই কাজিয়া আদি সৃষ্টি নহয়।

## <u>হিতোপদেশ ৩১ অধ্যায়</u>

এতিয়া আমি ৩১ অধ্যায় অৰ্থাৎ হিতোপদেশ পুস্তকৰ শেষ অধ্যায়টোলৈ আগবাঢ়ি যাওঁহক। এই অধ্যায়খিনিৰ নীতিবচন সমূহ লেমূৱেল ৰজাৰ বুলি কোৱা হৈছে। ভাৰ্য্যা কেনেকৈ মনোনীত কৰিব লাগে বোলা বিষয়টোৱে এই অধ্যায়টোৰ বৰ খাপ খোৱা বা উপযুক্ত বিষয় হ'ব। অৱশ্যে গুণৱতী তিৰোতাৰ কথা আমি যিহেতু ১০পদৰ পৰা হে পাম। সেয়েহে সেই বিষয়টো ইয়াৰ পাছৰ অধ্যায়টোতহে আলোচনা কৰা হব। কাৰণ আজি আমি ৯পদলৈকেহে আলোচনা কৰিম।

হিতোপদেশ ৩১:১পদ পাঠ কৰি দিছোঁ, **"লমূৱেল ৰজাৰ বাক্য; তেওঁৰ মাতৃয়ে তেওঁক শিক্ষা দিয়া ঈশ্বৰীয় বচন।"** খুব সম্ভৱ এই অধ্যায়টো চলোমনৰ দ্বাৰাই লিখিত অধ্যায় কাৰণ লেমূৱেল নামৰ কোনো ৰজা নাই। ঈশ্বৰে চলোমনক যি নাম দিছিল সেই নাম যিদীদীয়া আৰু সেই নামৰ অৰ্থ হল যিহোৱাৰ প্ৰিয়। ২ চমূৱেল ১২:২৫পদত আমি এই কথা পাওঁ। লমূৱেল নামৰ অৰ্থ হৈছে প্ৰভুলৈ উৎসৰ্গিত। বহুতৰ ধাৰণা চলোমনৰ মাক বৎচেবাই মৰমতে তেওঁক লেমূৱেল বুলি মাতিছিল। এইয়া ঘৰুৱা মৰমৰ নাম। সকলোৰে পূজ্যা মা সকলে সন্তান সকলক একো, একোটা মৰমৰ নাম দিয়ে। অৱশ্যে কিছুমান মৰমৰ হলেও হাঁহি উঠা, যেনে কান্দোৰা, হাগোৰা, ভেলৌ ইত্যাদি। এগৰাকী বিশ্বাসী দাসে এনেদৰে কৈছিল, পূজ্যা মায়ে মোকো তেনেকুৱা এটা নাম দি গৈছে। অৱশ্যে নামৰ অৰ্থটো আমাৰ জনজাতীয় ভাষাৰহে অসমীয়াত কবলৈ গলে তাৰ অৰ্থটো হব, বহলমুখ মণ্ডলৰ। চলোমনৰ মাকে কিজানি চলোমনক চলোমন বুলি কেতিয়াও মতা নাছিল। লেমূৱেল অ, লেমূৱেল বুলিয়েই ছাগে ৰাজগৃহৰ ভিতৰে বাহিৰে লেমূৱেলক মাতিছিল, বিচাৰিছিল। সেই মাকজনী লেমূৱেলক অধ্যায়টোত থকা পৰামৰ্শবোৰ দিছিল আৰু লেমূৱেলেও লিখিছিল।

মাতৃ-দিৱসৰ দিনা শিক্ষা দিবলৈ এই শাস্ত্ৰাংশখিনি বৰ উপযুক্ত শাস্ত্ৰাংশ। হিতোপদেশ ৩১:২ পদ পঢ়িছোঁ, **"হে মোৰ বোপা, হে মোৰ গৰ্ভজাত পুত্ৰ, হে মোৰ সঙ্কল্পৰ পুত্ৰ, মই কি কম?** ইয়াতে মন কৰক চোন, মাকে কৈছে যে, পুত্ৰজন সঙ্কল্পৰ পুত্ৰ আৰু সঙ্কল্পৰ পুত্ৰ মানে ঈশ্বৰৰ পৰিচৰ্য্যাৰ বাবে উৎসৰ্গিত পুত্ৰ আৰু লেমূৱেল নামৰ অৰ্থও হৈছে প্ৰভুলৈ উৎসৰ্গিত। সেই মাক জনী যদি বৎচেবাই হয় তেন্তে লেমূৱেল বোলা ৰজাজন চলোমনেই হব। গতিকে মাক বৎচেবাই পুতেক চলোমন বা যিদীদীয়া বা লেমূৱেলক কৈছে, বোপাই মই তোমাক কি কম? কি ক'ব



WORD RESOUNDS TODAY
www.Radio882.com

পাৰোঁ? মাকে পৰামৰ্শ অলপ দিবৰ বৰ প্ৰয়োজন হৈছিল, কাৰণ চলোমনৰ চাল-চলন আৰু আচাৰ ব্যৱহাৰত তেওঁ লক্ষ্য কৰিছিল দেউতাক দায়ূদৰ কোনো, কোনো আচৰণ।

তেওঁৰ মনত পৰিছিল দায়ূদৰ পাপ আচৰণৰ কথা। কাৰণ বৎচেবাক লৈ দায়ূদে যি কৰিছিল, সেইয়া বাস্তিৱিকতে দায়ূদৰেই পাপ আছিল। মথি ১:৬পদত, দায়ূদ, চলোমনৰ নামৰ লগত বৎচেবাৰ নামটো নকৈ কৈছে, উৰিয়াৰ ভাৰ্য্যা বুলি; তেওঁৰ নামকে ইয়াত উল্লেখ কৰা নাই। ইয়াৰে ঈশ্বৰে ইংগিত দিছে যে, সেই পাপত বৎচেবাৰ সহযোগ নাছিল। চলোমন এতিয়া যি বিলাক পৰীক্ষাৰ সন্মুখীন হৈছিল সেইবিলাক মাকৰ নজৰত পৰিছিল। সেইয়ে তেওঁ নিজ পুত্ৰক পৰামৰ্শ আগবঢ়াইছিল।

হিতোপদেশ ৩১:৩পদ, **"তুমি তিৰোতাবোৰত আসক্ত হৈ নিজ শক্তি হানি নকৰিবা, আৰু ৰজাবিলাকৰ বিনাশক পথত নচলিবা।"** দায়ূদক মনত ৰাখিয়ে মাতৃয়ে পুত্ৰক পৰামৰ্শ দিছিল। ৰজাৰ বল শক্তি ৰাজ্য আৰু ৰাইজৰ বাবেহে ৰজাই ব্যৱহাৰ কৰিব লাগে; তিৰোতা বিলাকত নহয়।

হিতোপদেশ ৩১: ৪-৫পদ, **"ৰজাবিলাকৰ নিমিত্তে, হে লমূৱেল; ৰজা; ৰজা বিলাকৰ নিমিত্তে দ্ৰাক্ষাৰস পান কৰা উপযুক্ত নহয়; আৰু সুৰা ক'ত বুলি কোৱা নৃপতিবিলাকৰ অনুচিত; নতুবা তেওঁবিলাকে পান কৰি ব্যৱস্থা পাহৰিব, আৰু কোনো দুখী লোকৰ বিচাৰ বিপৰীত কৰিব।"** লেমূৱেলৰ মাক যদি আজি থাকিলেহেঁতেন তেওঁ দেখিলেহেঁতেন যে, আজি কালিৰ আধুনিক ৰজা সকলৰ বেছি ভাগৰেই সেই ঘোটুং পানী নধৰিলেই নহয়। আজি কালিৰ কথা ছবি আৰু দূৰদৰ্শনৰ ধাৰাবাহিকৰ দৰ্শনিবিলাকতো ঘোটুং পানী ধৰি, ধৰি আধুনিক গজ-গজিয়া হোৱাটো শিকায়। এইয়া ভালৰে কথা যে আমাৰ স্বদেশৰ অনেক এনেকুৱা চলাওঁতাই এই নিজৰ জীৱনৰ পৰা ধ্বংসাত্মক বস্তুটো আঁতৰাই ৰাখিছে, বচাই ৰাখিছে। কিন্তু বৰ লাজৰ কথা হৈছে যে, কথাকথিত খ্ৰীষ্টিয় ধৰ্মধাৰী পশ্চিমীয়া দেশবিলাকৰ বদ অভ্যাসৰ প্ৰভাৱ আমাৰ দেশতো পৰিছে। মাতাল চলাওঁতাই আমাক কি পৰিচালনা দিব।

হিতোপদেশ ৩১:৬-৭পদ, **"মৰিবলৈ ধৰা মানুহক সুৰা দিয়া, আৰু মনত বেজাৰ পোৱাবিলাকক দ্ৰাক্ষাৰস দিয়া; সি পান কৰি নিজ দৰিদ্ৰতা পাহৰক, আৰু নিজ দুৰ্দ্দশালৈ আৰু মনত নকৰক।"** তাৰ মানে মৰিবলৈ ধৰা মানুহ আৰু বেজাৰত থকা দৰিদ্ৰবিলাকে ক্ষণস্থায়ী উপকাৰৰ বাবে সুৰা ব্যৱহাৰ কৰাৰো যদি অকণ অৰ্থ থাকে কিন্তু দেশৰ নেতা সমাজৰ নেতা সকলে ব্যৱহাৰ কৰাত কোনো উপকাৰ আৰু অৰ্থ নাথাকে। কাৰণ শাসক বিলাক মৰিবলৈ ওলালে নামী, দামী চিকিৎসালয়ৰ ২৪ঘন্টাই কোঠাত থাকিবলৈ পায়। শাসনকৰ্তাৰ মনত দুখ নাথাকে কাৰণ তেওঁলোক দৰিদ্ৰ নহয়। ক'ৰবাত কেনেবাকৈ যদি দৰিদ্ৰ শাসনকৰ্তা ওলাই তেন্তে সেইটো বৰ আচহুৱা আচৰিত কথা যেনহে হব। মোৰ মতে হলে মৰিবলৈ ধৰা মানুহকো সুৰা দি লাভ নাই আৰু বিশেষকৈ দৰিদ্ৰ মানুহক সুৰা দিলে তাৰ মনৰ দুখ কমক চাৰি বাঢ়িবহে। সুৰা পান কৰাৰ পাছত জীৱনৰ দুখ যি অলপ সময়ৰ কাৰণে পাহৰা যায়, ই বৰ ছলনাময়ী, বৰ প্ৰতাৰক। দুখৰ ওপৰত আৰু দুখ জাপি লোৱা হয়।



WORD RESOUNDS TODAY
www.Radio882.com

এজন মাতালে এদিন এই বুলি কোৱা আমি শুনিছিলোঁ, অভাৱৰ দুখ পাহৰিবলৈ মদত ধৰিছিলোঁ ভাই, কিন্তু অভাৱ দুগুণহে হল। আগতে অকল চাউল কিনিবলৈহে পইচালগা হৈছিল, এতিয়া মদ কিনিবলৈকো পইচা লাগে, মদ নাখালে থাকিবই নোৱাৰোঁ। কি কৰোঁ এতিয়া? কতে যে মৰো গৈ? কতে মৰো ইত্যাদি। মদত নষ্টামীৰ বাহিৰে একো নাই থাকিব নোৱাৰে। মানুহে কিয় মদ খায়? আমি বুজি নাপাওঁ, কেতিয়াও বুজি নাপাম।

হিতোপদেশ ৩১:৮-৯পদ, **"বোবা হৈ থকা লোকবিলাকৰ পক্ষে, আৰু অনাথ লৰাবিলাকৰ বিচাৰত নিজ মুখ মেলা। মুখ মেলি ন্যায় সোধ কৰা, আৰু দুখী-দৰিদ্ৰ লোকৰ বিচাৰ কৰ।"** বৎচেবাৰ এইখিনি পৰামৰ্শ বৰ প্ৰয়োজনীয়। বৰ মৰমী অন্তৰৰ পৰা অহা পৰামৰ্শ। ৰাজকাৰেংগৰ ৰাণী আৰু ৰাজ মাতৃৰ বোবা আৰু অনাথলৈকো দৃষ্টি আছে। অন্তৰৰ গভীৰৰ চকুৰে নেদেখিলে, কপাল আৰু নাকৰ মাজত স্থান লৈ চকু হালেৰে বোবা আৰু অনাথৰ আলাই- আথানি দেখা পোৱা নাযায়। লেমূৱেলৰ মাকে লেমূৱেলক কৈছে, বোপাই জীৱনত খুব সত্যবাদী হ'বা, বিশ্বাসী হ'বা, আস্থা ভাজন হবা, ন্যায়বান হ'বা, দয়ালু হ'বা আৰু মানুহক ভাল ব্যৱহাৰ কৰিবা। আৰু সেইদৰে কৰি বোবা আৰু অনাথ বিলাকৰ বাবে যথোপযুক্ত ব্যৱস্থা ল'বা।

প্ৰিয়শ্ৰোতা, আমি বাইবেলত বাৰে, বাৰে পাই আহিছোঁ যে, ঈশ্বৰে এনেকুৱা অসহায়, অনাথ, দৰিদ্ৰ, বিধৱা, মাউৰা আদিৰ বাবে বিশেষ ভাৱে চিন্তা কৰে। ঈশ্বৰ যে প্ৰেমময়, অনুগ্ৰহশীল ঈশ্বৰ তাৰ চিনাকি তেওঁ বাৰে, বাৰে দি আহিছে। কিন্তু সকলোতকৈ ডাঙৰ কথা তেওঁৰ নিজৰ একেজাত পুত্ৰ যীচু খ্ৰীষ্টৰ যোগেৰে সকলো মানুহলৈ পৰিত্ৰাণৰ যি পথ যোগাইছে তাৰ যোগেৰেই তেওঁৰ প্ৰেমৰ প্ৰমাণ দিছে। ঈশ্বৰৰ সেই প্ৰেমৰ সোৱাদ আপুনি গ্ৰহণ কৰিছে নে? চিন্তা কৰি চাওঁক চোন, ঈশ্বৰে আপোনাক আশীৰ্ব্বাদ কৰক, আমেন।

পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:

1. লমূৱেল নামৰ অৰ্থ কি ?
2. ঈশ্বৰে চলোমনক দিয়া আন এটা নাম কি ?
3. বৎচেবাৰ কোনজন পুত্ৰ ৰজাৰ পদ পাইছিল?

WORD RESOUNDS TODAY



www.Radio882.com

<u>হিতোপদেশ ৩১:১০-৩১ পদ</u>

প্ৰিয় শ্ৰোতা বাইবেলৰ পুৰণি নিয়ন খণ্ডৰ হিতোপদেশ নামৰ পুস্তক খন অধ্যয়ন চলাই আছিলো আৰু আমি এই হিতোপদেশ খনৰ ৩১:৯ পদলৈকে আমাৰ অধ্যয়ন আগবঢ়াইছিলো। আজিৰ এই অধ্যয়নটো এই হিতোপদেশ পুস্তকৰ শেষ অধ্যয়ন বুলি কব খুজিচো কিয়নো আজিৰ অধ্যয়নটোত আমি হিতোপদেশ পুস্তকৰ শেষৰটো অধ্যায়ৰ অৰ্থাৎ ৩১নং অধ্যায়ৰ বাকী থকা পদ কেইটা চাম।

ইয়াৰ আগৰটো অধ্যয়নত আমি শেষৰ ফালে অৰ্থাৎ হিতোপদেশ ৩১:১-৯ পদলৈ চালো । কোনোবা অজান লেমুৱেল ৰজাৰ মাতৃয়ে লেমূৱেল ৰজাক স্বৰ্গীয় পৰামৰ্শ কিছুমান আগবঢ়াইছে। আমি কৈছিলো সম্ভৱ চলোমন নিজেই সেই লেমুৰেল নামৰ ৰজাজন আছিল। কাৰণ লেমুৰেল নামৰ কোনো ৰজাৰ বিষয়ে জনা নাযায়। আমি এইবুলিও কৈছিলো যে সম্ভৱ চলোমনৰ পূজ্যা আৰু মৰমী মাতৃয়ে বৈতচেবাই মৰমতে চলোমনক এই লেমুৰেল নামটো দিছিল। ঠিক যেনেকৈ আমাৰ চিৰ চেনেহী আৰু পূজ্যা মাতৃয়েও মৰমতে আমাক একোটা নাম দিয়ে বুলি আমি কব পাৰো। বেছি ভাগেই অন্তত কব পাৰো। সেয়েহে আমি ধৰি লৈছো লেমুৰেল মানে স্বয়ং চলোমন নিজেই আৰু লেমুৰেল ৰজাৰ মাতৃ মানে স্বয়ং বৈতচেবা নিজেই।

আমি ইতিমধ্যে চালো যে, ৰজাৰ মাতৃয়ে ৰজাক পৰামৰ্শ দিছে যেন তিৰোতা মানুহৰ প্ৰতি দূৰ্বল হৈ, তেওঁলোকৰ লগত লাগি থাকি নিজৰ সৌৰ্জ্য-বীৰ্য্য যেন সানি নকৰে। তাৰ পাছত আমি চালো মাতৃয়ে বৰ স্বৰ্গীয় কথাৰে গভীৰ পৰামৰ্শ দি পুত্ৰ লেমুৰেলক নিচাশক্ত সকলো দ্ৰব্যৰ পৰা আঁতৰি থাকিবলৈ পৰামৰ্শ দিছে। যোৱা অধ্যয়নৰ শেষত আমি চাইছিলো যে ৰাজ মাতৃ হৈয়ো লেমুৰেলৰ মাতৃয়ে বোবা আৰু অনাথ বিলাকৰ কথা দৃষ্টিগোচৰ কৰিছিল আৰু ৰাজপুত্ৰক পৰামৰ্শ দি কৈছিল যে, বোবা আৰু অনাথ বিলাকৰ প্ৰতি সহানুভূতিশীল হৈ তেওঁলোকৰ যেন দূখ-দূৰ্গতি যেন নিৰাময় কৰা হয়। এই ক্ষেত্ৰত আমি লেমুৰেলৰ মাতৃৰ অন্তৰখনৰ প্ৰতি আমি এটা মন্তব্য দিছিলো যে, তেওঁৰ অন্তৰ খন বৰ বহল আছিল। ইমানেই বহল আছিল যে, সেইখন অন্তৰত সমাজৰ দ্বাৰাই অবহেলিত বোবা আৰু অনাথ বিলাকৰ বাবেও স্থান আছিল। আজি আমি ৩১:১০-৩১পদলৈকে চাবলৈ মন কৰিছো, গুণৱতী ভাৰ্য্যাৰ বিষয়ে, আহক আমি সেই বিষয়টো চাওঁহক। আমি বাইবেলৰ পৰা পাঠ কৰি যাম, আপোনাৰ লগত নিশ্চয় বাইবেল আছে! চাই যাব।

হিতোপদেশ ৩১:১০ পদ, **“গুণৱতী স্ত্ৰী পোৱা কাৰ সাধ্য? কিয়নো পদ্মৰাগ বাখৰতকৈয়ো তেওঁৰ মূল্য অতি অধিক।”** ইয়াত গুণৱতী মানে তেনে এগৰাকী খ্ৰীষ্টিয় ভনিক কোৱা হৈছে, খ্ৰীষ্টিয় আৰু নাৰী সুলভ বহুধা গুণ চৰিত্ৰৰ অধিকাৰী। খ্ৰীষ্টিয় নাৰীৰূপে আৰু নাৰীসুলভ আচৰণেৰে সৈতে চৰিত্ৰ শক্তি আৰু সাৰ্মথ্যৰ নাৰী তেওঁ।



www.Radio882.com

আমি পাম তেওঁ লেতেৰী আৰু এলেহুৱা নহয়, বৰ পৰিশ্ৰমী, বৰ পৰিমিত-ভোগী, বৰ পৰিমিত-ভাষী তেওঁ। তেওঁৰ কথা আৰু কামৰ মাজত ভাৰসাম্য বজাই ৰাখে। হকে নহওকে পেকপেকাই থাকি মিচেছপেকৰ ভুমিাকা নলয়। তেওঁ কৰ্মপটু আৰু কৰ্ম ব্যস্ত তিৰোতা।

হিতোপদেশ ৩১:১১পদ, **"তেওঁৰ স্বামীৰ মনে তেওঁত বিশ্বাস কৰে, আৰু তেওঁৰ স্বামীৰ লাভৰ অভাৱ নহয়।"** প্ৰিয় শ্ৰোতা বৰ ডাঙৰ কথা তেওঁৰ স্বামী মনে তেওঁত বিশ্বাস কৰে। কিন্তু আমি হলে নিজ চকুৰে দেখি আহিছো যে বহুতো দুৰ্ভগীয়া পুৰুষে তেওঁৰ শ্ৰীমতীৰ ওপৰত শেনৰ নজৰ ৰাখিবলগীয়া হয়। ভিতৰি, ভিতৰি চকিদাৰী কৰিবলগীয়া হয়। কথা বতৰাবিলাকো সন্দেহ জনক, কেতিয়াবা আপত্তিজনক হয়। অজান অদ্ভুদ চিন্তাত পুৰুষ জনৰ কেতিয়াবা হিংসা আৰু ঘৃণাৰ দাবানলকোৰা দপদপকৈ জ্বলি উঠে বুকুৰ কোনোবা গভীৰ এচুকত। তেওঁ স্বামী মনে তেওঁত বিশ্বাস কৰে বোলা সম্পূৰ্ণ বিপৰীত অভিজ্ঞতা বহুতো মানুহেৰে হয়।

কিন্তু খ্ৰীষ্টিয় গুণৱতী মহিলা এগৰাকী নৈতিক চৰিত্ৰটো সবলা নাৰী। নৈতিক চৰিত্ৰত তেওঁ পাপিনী নহয়, আৰু পাপিনী নহয় দেখিয়েই তেওঁৰ মন পিঠাত নাথাকে, নহলেতো পাপীৰ মন সদাই পিঠাত। তাৰোপৰিও পদটোত কোৱা হৈছে, তেওঁৰ স্বামীৰ লাভৰ অভাৱ নহয়, আন কথাত শাকৰ পৰা শুকটি লৈকে ঘৈনিয়েক কেৱল গিৰীয়েকৰ ওপৰত নিৰ্ভৰ নকৰে। নিজেও আৰ্জে প্ৰয়োজন সাপেক্ষে গিৰীয়েককো সহায় কৰে। ঘৈনিয়েকজনী সদায় গিৰীয়েকৰ সহায়কাৰী, কাৰণ ঈশ্বৰে সেই উদ্দেশ্যে হাৱাক আদমৰ বাবে নিৰ্মাণ কৰিছিল। আদিপুস্তক ২:১৮ নম্বৰ পদত আমি তাকেই পাওঁ। গৃহ মন্ত্ৰী হিচাপে নহয়, বহু খ্ৰীষ্টিয় ঘৰত ভাৰ্য্যা গৃহমন্ত্ৰী হবলৈ গৈয়ে কুকুৰ মেকুৰী নিচিনা খোৱা কামোৰা লাগে, কাৰণ গিৰীয়েকে ভাৱে তুমি গৃহমন্ত্ৰী হলে ময়ো মূখ্যমন্ত্ৰী ইত্যাদি। হৱা অবিহনে আদম মাত্ৰ ৫০% ভাগ একেদৰে আদমৰ অবিহনে হাৱাও মাত্ৰ ৫০% ভাগ। দুই পঞ্চাশ মিলিহে ১০০% হয়, এক দেহ হয়, দুজনে মিলি একদেহ হয়। খ্ৰীষ্টিয় গুণৱতী তিৰোতাই সেই কথা জানে।

হিতোপদেশ ৩১:১২পদ, **"তেওঁ জীয়াই থাকেমানে, স্বামীৰ উপকাৰ কৰে, অপকাৰ নকৰে।"** প্ৰকৃত অৰ্থত সহকাৰী হলে সহকাৰী হোৱাৰ অৰ্থ বুজি ভাৰ্য্যাই সদাই নিজ স্বামীৰ উপকাৰেই কৰে অপকাৰ নকৰে। উপকাৰ কৰে মানসিক ভাৱে আনটো নকৰিলেও অন্ততঃ পৰ পুৰুষৰ আগত কব পাৰে আমাৰ এওঁ অকল কাম, কাম কামেই, আৰু খোৱাৰ সময় নাজানে, শুৱাৰ সময় নাজানে, তাকে শুনি গিৰীয়েক ফুলি উঠিব, মানসিক ভাৱে বৰ উপক্ষম লাভ কৰিব। অৱশ্যে গিৰীয়েকৰ এনে উপকাৰ সাধিবলৈ যাওঁতে মিছা কথা কব নালাগে কাৰণ গিৰীয়েকক তেলমৰা মিছলীয়ানি হোৱা স্বভাৱটো গুণৱতী তিৰোতাৰ গুণ নহয়। উপকাৰ কৰিব লাগে আত্মিক ভাৱে, কব পাৰে আপুনি অকলে, অকলেনো ইমান গধুৰ মানসিক বোজা কিয় কঢ়িয়াই আছে? আহক সমস্যাটো প্ৰভুক জনাওক এই বুলি যদি প্ৰাৰ্থনা কৰে আৰু তাৰ পাছতেই গাই কি আচৰিত বন্ধু যীচু, গিৰীয়েকৰ শ্ৰান্তিৰ যে কি উপক্ষম হব তাক মানুহৰ কথাৰে বুজোৱা টান হব। উপকাৰ কৰা তিৰোতাই অপকাৰ নকৰে আৰু অপকাৰ কৰোতাই উপকাৰ কৰিব নাজানে।

এতিয়া হিতোপদেশ ৩১:১৩পদ, **"তেওঁ ভেৰাৰ নোম আৰু শণ সূতা বিচাৰে, অৰু ইচ্ছা মনেৰে নিজ হাতেৰে কাম কৰে।"** গুণৱতী তিৰোতা বৰ পৰিশ্ৰমী, তেওঁ স্বাৱিক ভাৱে নিজ



WORD RESOUNDS TODAY
www.Radio882.com

ইচ্ছাৰে কামবোৰ কৰি যায়। ভেৰাৰ নোমৰ কাপোৰ জাৰৰ দিনৰ নিমিত্তে আৰু শণ সূতাৰ কাপোৰ গৰমৰ কালৰ নিমিত্তে কঠোৰ পৰিশ্ৰমেৰে তৈয়াৰ কৰে। এইবোৰ স্বাভাৱিক ভাৱে আৰু স্বইচ্ছাৰে কৰে। কৰোৱাৰ আদেশ নিৰ্দেশত এইবোৰ নকৰে, নাইবা মানুহৰ বাহ: বাহ: বা কোনো পুৰস্কাৰ আদি পাবলৈ নকৰে।

হিতোপদেশ ৩১:১৪পদ, **"তেওঁ বাণিজ্য-জাহাজৰ দৰে, দূৰৈৰ পৰা নিজৰ খোৱা বস্তু আনে।"** তেওঁ খৰচ কৰে বন্দোবস্তেৰে ভাল বস্তু কম দামত যদি দূৰৈৰ পৰাও যদি আনিব লগীয়া হয় তেওঁ তালৈ চিন্তা নকৰে। কিন্তু বৰ হিচাপেৰে পইচা খৰচ কৰে।

হিতোপদেশ ৩১:১৫পদ, **"ৰাতি নৌ পুৱাওঁতেই তেওঁ উঠি ঘৰৰ সকলোকে খাবলৈ দিয়ে, আৰু নিজ বেটিবিলাকক নিৰুপিত কাম দিয়ে।"** এই পদটো পঢ়ি এবাৰ এগৰাকী ভনীয়ে এনেদৰে কৈছিল, ৰাতি নৌ পুৱাওঁতেই উঠি খোৱা এইবোৰ কম থকোৱা মানুহ নহব দেই। কিন্তু নহয় সোনকালে কামলৈ যাব, দূৰ পথাৰলৈ যাব, খোৱা-বোৱা কৰিবলৈ যদি ৰাতিপুৱালৈ যদি বাটচোৱা যায়, তেতিয়া পথাৰলৈ যাবনো কেতিয়া? ঘৰৰ দাস দাসীবিলাককো কামত ব্যৱহাৰ কৰিব জনাটো এটা ডাঙৰ গুণ। ইটো নকৰিলি সিটো নকৰিলি কিটোনো কৰিলি বোলাত কৈ, তেওঁলোকে কি কি কৰিব লাগে সেইবোৰ দেখুৱাই দিব লাগে। গুণৱতী তিৰোতাই লেপ বা কম্বলৰ তলৰ পৰা তেপতেপাই নাথাকে, নিজে প্ৰথমে উঠে। এগৰাকী বিখ্যাত লোকে নিজৰ মাতৃৰ বিষয়ে এনেদৰে কৈছিল "মোৰ পূজ্যা মাতৃ গৰাকীও এগৰাকী বৰ পৰিশ্ৰমী মহিলা আছিল। মোৰ মাৰ ক্ষেত্ৰত এটা ঘটনাই মই জীৱনত দেখা নাপালো আৰু সেইটো হৈছে কেতিয়াবা মোৰ মা মোৰ পিছত বিছনাৰ পৰা উঠা।

হিতোপদেশ ৩১:১৬-১৭পদ, **"তেওঁ কোনো এডোখৰ মাটিৰ বিষয়ে বিবেচনা কৰি তাক কিনি লয়; তেওঁ নিজ হাতৰ শ্ৰমৰ ফলেৰে দ্ৰাক্ষাবাৰী পাতে। তেওঁ বলস্বৰুপ টঙালিৰে ককাল বান্ধে, আৰু নিজৰ বাহু বলবান কৰে।"** নিজে কৰিব পৰা কামখিনি নিজে কৰি যায়, পুৰুষলৈ তেওঁ বাট ছাই নাথাকে। মাটি কিনা, দ্ৰাক্ষাবাৰী পতা কামবোৰ সাধাৰণতে সদাই পুৰুষেই কৰে, কিন্তু গুণৱতী তিৰোতা পুৰুষজনৰ লগত আলোচনা কৰি মাটি কিনা দ্ৰাক্ষাবাৰী পতাৰ নিচিনা কামত তেওঁৰ অৰ্থাৎ পুৰুষজনৰ সহকাৰী হৈ তেওঁক এইবোৰ কামত সহায় কৰে। কাৰণ এইবোৰ কৰিবৰ বাবে সমৰ্থবান তিৰোতা নিজৰ ঘৰখন অতি দক্ষতাৰে চলাব জনা মহিলা।

হিতোপদেশ ৩১:১৮পদ, **"তেওঁ নিজৰ বাণিজ্য লাভজনক বুলি বুজে, আৰু ৰাতি তেওঁৰ চাকি নুনুমায়।"** গুণৱতী তিৰোতা সদায় প্ৰস্তুত আৰু সজাগ থাকে। ৰাতিও তেওঁৰ চাকি নুনুমায়, আমাৰ জীৱনৰ ৰাতি আহিলে আমাৰ চাকিবোৰ নুমায় যায় কাৰণ আমি সদা প্ৰস্তুত আৰু সদা সজাগ নহয়। প্ৰিয় শ্ৰোতা এজন বিখ্যাত লোকে এনেদৰে কৈছিল, আনৰ কথা কি কম, আপোনালোকৰ এই দাল-দৰিদ্ৰ আভাগা দাসৰ এনে জীৱনৰ ৰাতিত চাকি নুমাই যোৱা অভিজ্ঞতাৰ সন্মোখিন হৈছোঁ কাৰণ মই জ্ঞাণবান পুৰুষ নাছিলো। এনে কথাত ৰাইজক মোৰ নিজৰ ব্যক্তিগত অভিজ্ঞতাৰ পৰা কবৰ মন যায়, প্ৰিয় ৰাইজ জীৱনৰ দুখৰ ৰাতিত আপোনালোকৰ চাকি নুমাই নাজাবলৈ মোক অনুকৰণ নকৰিব, কাৰণ এই ক্ষেত্ৰত মই নিজেই দিশহাৰা হৈছো।



WORD RESOUNDS TODAY
www.Radio882.com

প্ৰিয় শ্ৰোতা মানুহৰ নিজৰ নিজৰ ব্যক্তিগত জীৱনৰ এনেকুৱা অভিজ্ঞতা থাকে। এই গুণৱতী তিৰোতা গৰাকীৰ কি যে গুণ, বাস্তৱিকতে এনে গুণৱতীস্ত্ৰী পোৱা কাৰ সাধ্য? যি জনৰ আছে সাধ্য সেয়া তেওঁৰ পৰম সুভাগ্য। আপোনাৰ জীৱনৰ দুখৰ ৰাতিত আপোনাৰ চাকি জ্বলা হৈ থাকেনে প্ৰিয় শ্ৰোতা? এই গুণৱতী তিৰোতাজনিৰ পৰা তাক শিকক। এই কথাটিৰ কিন্তু আৰু এটা অৰ্থ আছে, এই গুণৱতী তিৰোতাৰ ৰাতিৰ চাকি নুনুমায় মানে তেওঁ যথেষ্ট পৰিশ্ৰম কৰে।

হিতোপদেশ ৩১:১৯-২০পদ, **"তেওঁ পাঁজি ধৰিবলৈ নিজৰ হাত মেলে, হাত দুখনেৰে টাকুৰী ধৰে। তেওঁ দৰিদ্ৰলৈ নিজৰ হাত মুকলি কৰে, আৰু দুখীয়ালৈ নিজৰ হাত মেলে।"** গুণৱতী তিৰোতাৰ স্বাৰ্থপৰতা বা আপোন পেটিয়া স্বভাৱ নাই, তেওঁ সকলো কৰে নিজৰ কাৰণে ঘৰৰ কাৰণে পৰৰ কাৰণে। গুণৱতী তিৰোতাই তেওঁৰ ঈশ্বৰ পদত্ব গুনেৰে জানে যে দুখিয়াৰো ভোক লাগে, তেওঁলোককো অন্ন-বস্ত্ৰ লাগে, আশ্ৰয় স্থল লাগে,। সেয়ে গুণৱতী তিৰোতাই তেওঁলোকলৈ হাত মেলা ৰাখে। পৰাখিনি লৈকে তেওঁ দুখীয়াক সহায় কৰে।

বহু তিৰেতাৰ পৰিশ্ৰম কৰা, আৰ্জন কৰাৰ আৰু ঘৰ পৰিচালনা কৰাৰ দক্ষতা থাকে। কিন্তু পৰৰ দুখত দুখি হোৱাৰ পৰম স্বৰ্গীয় গুণটো হলে নাথাকে। তেনে তিৰোতাক গুণৱতী তিৰোতা বুলিব নোৱাৰি। পইচাতকৈও চেপেতা অনবৰতে হাত মুঠিমাৰি থকা মহিলাসকলে এই গুণৱতী তিৰোতাজনিৰ পৰা সেই কথাখিনি শিকক। মুঠি মাৰি থকা হাতৰ পৰা ঈশ্বৰে না দিব পৰে না লৱ পাৰে। হাতৰ মুঠি দুখিয়ালৈ খুলা ৰাখক, খুলা মুঠিৰ পৰা ঈশ্বৰে যিমান লাগে নিব, আৰু যিমান লাগে দিব। ঈশ্বৰতকৈ আপুনি টেঙৰ নহব, দৰিদ্ৰলৈ আপুনি কঠোৰ নহব।

হিতোপদেশ ৩১:২১পদ, **"তেওঁৰ পৰিয়ালৰ নিমিত্তে, হিম পৰালৈ ভয় নকৰে; কাৰণ তেওঁৰ গোটেই পৰিয়ালে ৰঙা বৰণীয়া কাপোৰ পিন্ধে।"** হিম পৰালৈ বা জাৰৰ প্ৰকোপ পৰালৈ তেওঁ কি ভয় কৰিব ভয় কৰিব লগীয়া একোৱেই নাথাকে; কাৰণ জাৰ আহিব বুলি তেওঁ জানে, সেই জাৰৰ সৈতে মুখামুখি হবলৈ গৰম কাপোৰ সহ তেওঁ আগৰেই পৰা প্ৰস্তুত থাকে।

হিতোপদেশ ৩১:২২পদ, **"তেওঁ নিজৰ নিমিত্তে ফুল-বছা কম্বল বনাই; তেওঁ মিহি শণ সূতা আৰু বেঙেনা বৰণীয়া বস্ত্ৰ পিন্ধে।"** তেওঁ লেতেৰী, নিছিনা নহয়; পৰাখিনিলৈকে সুন্দৰ বস্ত্ৰ পৰিধান কৰে আৰু তাৰে তেওঁ প্ৰমাণ কৰে যে, তেওঁ পৰিশ্ৰমী আৰু নাৰী সূলভতা ৰক্ষা কৰা জীয়াৰী, বোৱাৰী বা মাতৃ। পিন্ধন-ওৰণ বা প্ৰসাধনৰ এটা ভাৰসাম্য ৰাখি তেওঁ চলে। অতিৰিক্ত সুন্দৰী জনী হবলৈ গৈ গালে মুখে চকুৰে ৰঙা কলাবোৰ সানি, ফুটগধুলিতে ওলোৱা ফেচাঁএজনীৰ দৰে হোৱাৰ বদগুণ সেই গুণৱতী তিৰোতাৰ নাই।

হিতোপদেশ ৩১:২৩পদ, **"তেওঁ স্বামীয়ে দেশীয় বৃদ্ধবিলাকৰ লগত বহি নগৰৰ দোৱাৰত সুখ্যাতি পায়।"** এবাৰ সৰু চহৰ এখনত আমি গৈ দেখিছিলো; কিবা কাৰণত কিবা এখন সভা হৈছে। সভা মঞ্চত ফুলাম গামোচা আৰু ফুলৰ মালাসহ এগৰাকী বয়সস্থ পুৰোষ, কোনোবা গুণৱতীৰ গিৰীয়েক, ৰাইজৰ সেৱা কৰা প্ৰৰ্য্যাপ্ত কাৰ্য্য কৰা স্বীকৃতিস্বৰুপে ৰাইজে গুণৱতী লৈ এখন প্ৰশস্থি পত্ৰ, ২৫ হাজাৰ নগদ ধন আৰু এখন শৰাই এখন আগবঢ়াইছে। কিন্তু অকস্মাতে অনিবাৰ্জ্য আৰু জৰুৰী ৰাজহুৱা কামৰ বাবে গুণৱতী এঠাইলৈ যাব লগা হোৱাত; তেওঁ হৈ গিৰীয়েক বাপুকণেই পুৰস্কাৰবোৰ গ্ৰহণ কৰিবলগীয়া হৈছে। বাপুকণ গুণৱতীৰ গিৰীয়েক, বাপুকণ



www.Radio882.com

গুণৱতীৰ গিৰীয়েক। ৰাইজে বাপুকণলৈ জাউৰীয়ে জাউৰীয়ে প্ৰশংসা যাচিবলৈ ধৰিছে। তেওঁ স্বামীয়ে দেশীয় বৃদ্ধবিলাকৰ লগত বহি নগৰৰ দোৱাৰত বহি সুখ্যাতি পায়।

হিতোপদেশ ৩১:২৪-২৫পদ, **"তেওঁ শণ সূতাৰ বস্ত্ৰ প্ৰস্তুত কৰি বেচে, আৰু বণিকবিলাকৰ হাতত টঙালি দিয়ে। বল মৰ্য্যাদা তেওঁৰ সাজস্বৰূপ; তেওঁ ভাবি কালৰ নিমিত্তে হাঁহে।"** এই কথাখিনিৰ অৰ্থ হৈছে যে, সেই গুণৱতী তিৰোতাই আনকি ব্যৱসায় ব্যৱস্থাৰ যোগেদিও উপাৰ্জন কৰে। তেওঁ যি আৰ্যে সেই সকলোখিনি পৰিশ্ৰম কৰিয়েই আৰ্যে। মানসিক আৰু আত্মিক বলেৰে তেওঁ সদায় সৱলা। মৰ্য্যাদা সেই গুণৱতীৰ বাবে এক দৈনন্দিন ঘটনা, এক স্বভাৱিক কথা সেই মৰ্য্যাদায়ে তেওঁক নোফুলাও নকমাইও। তেওঁ ভৱিষ্যতৰ কথালৈ মোৰ নঘমাই কাৰণ তেওঁ শাৰীৰিক, মানসিক আৰু আত্মিক ভাৱে ভৱিষ্যতৰ সন্মোখিন হবলৈ সদায় প্ৰস্তুত হৈ থাকে। ভৱিষ্যতটো লৈ চাই যেতিয়া আনে মোৰ ঘমাই তেতিয়া সেই গুণৱতী সেই একেটা ভৱিষ্যতলৈ হাঁহে। কাৰণ ভৱিষ্যতৰ মুখামুখি হবলৈ সেই গুণৱতী তিৰোতাই সদায় প্ৰস্তুত হৈ থাকে।

হিতোপদেশ ৩১:২৬পদ, **"তেওঁ প্ৰজ্ঞাৰ কথা কবলৈ মুখ মেলে; তেওঁৰ জিবাৰ আগত মৰমৰ শিক্ষা থাকে।"** গুণৱতী তিৰোতাই গভীৰ জ্ঞানেৰে পৰামৰ্শ যেনেকৈ দিয়ে, তেনেকৈয়ে মৰমেৰেও শিক্ষা দিয়ে। কথা কয়, কাৰণ তেওঁ জানে মৰমৰ কথাই মানুহৰ মন স্পৰ্শ কৰে, মানুহৰ মন গলাই আৰু মানুহৰ মন গঢ়ে। প্ৰিয় শ্ৰোতা আমি এই ক্ষেত্ৰত বাৰু কেনেকুৱা? আমি যেতিয়া মুখ মেলো তেতিয়া আমাৰ মুখৰ পৰা বাৰু কেনেকুৱা কথা ওলাই? আমাৰ মুখেৰে প্ৰজ্ঞাৰ কথা ওলাইনে? আমাৰ জিবাৰ আগত মৰমৰ শিক্ষা থাকেনে? আমাৰ মুখৰ পৰা ওলোৱা কথাই আনৰ উৎসাহ জগাই নে? আমি চিন্তা কৰি চাওঁছোন।

হিতোপদেশ ৩১:২৭-২৯পদলৈ আমি পূণৰ পৰিয়ালৰ কথাকে পাওঁ। গুণৱতী তিৰোতাই পাৰিবাৰিক কথালৈ কেতিয়াও অবহেলা নকৰে। তেওঁ উট বা কয়ৰা পক্ষীৰ ভূমিকা নলয়। পৰিয়ালৰ সম্পূৰ্ণ পৰিচৰ্য্যা তেওঁ কৰে। তেওঁৰ সন্তান আৰু স্বামী সকলোৱে তেওঁক প্ৰশংসা নকৰি নোৱাৰে। হিতোপদেশ ২৭-২৯পদ, **"তেওঁ নিজ পৰিয়ালৰ চালচলনলৈ ভালকৈ মন দিয়ে, আৰু এলাহৰ আহাৰ নাখায়। তেওঁৰ সন্তানবিলাকে উঠি তেওঁক ধন্য ধন্য বোলে; আৰু তেওঁৰ স্বামীয়েও তেওঁক প্ৰশংসা কৰি কয়, "অনেক জীয়াৰীয়ে গুণৱতী দেখুৱাইছে হয়, কিন্তু তুমি সিহঁত সকলোতকৈ উত্তম।"** প্ৰিয় শ্ৰোতা নিজৰ স্বামী আৰু নিজৰ সন্তানৰ প্ৰশংসা পাবলৈ নিশ্চয় সকলোৱে বাঞ্চা কৰে কিন্তু নিজৰ স্বামী আৰু নিজৰ সন্তানসকলৰ প্ৰশংসা পাবলৈ উপযুক্ত নাৰী কিমান আছে আমি কব নোৱাৰো।

আমি নিজৰ সমাজ বা মণ্ডলীলৈ চালে এনেকুৱা তিৰোতা দেখা পাওঁনে? প্ৰতি গৰাকী খ্ৰীষ্টিয় বিশ্বাসী তিৰোতাই এনেকুৱা হবলৈ চেষ্টা কৰা উচিত। এনেকুৱা হবলৈ ঈশ্বৰৰ পৰা ধৈৰ্য্য জ্ঞান সকলোখিনি বিচৰা উচিত।

হিতোপদেশ ৩১:৩০পদ, "লাৱণ্য মিছা, আৰু সৌন্দৰ্য্য অসাৰ; কিন্তু যিহোৱালৈ ভয় ৰখা তিৰোতা প্ৰশংসনীয়।" গুণৱতী তিৰোতাৰ কৃতকাৰ্যতাৰ ৰহস্য কত জানেনে? লাৱণ্যত! নাই নহয়, সৌন্দৰ্য্যত! নাই নহয়, কৰ্মপটুতাত! নাই নহয়। কথা কব বা ভাষণ দিব জনা গুণটোত নে? কেতিয়াও নহয়। গুণৱতী তিৰোতাৰ কৃতকাৰ্য্যতাৰ ৰহস্য যিহোৱালৈ ভয় ৰখা কথাটোতহে

WORD RESOUNDS TODAY



www.Radio882.com

এই কথা আমি কোনেও পাহৰা উচিত নহয়। আচলত সকলো সফলতাৰ মূলতেই হৈছে ঈশ্বৰ যিহোৱালৈ ভয়ৰ ৰখা কথাটোতহে। মুঠ কথাত হে প্ৰিয় অবিবাহিত যুৱক শ্ৰোতা সকল; আপোনালোকে ভাৰ্য্যা মনোনীত কৰোঁতে, এনে এজনী খ্ৰীষ্টিয় ভনীলৈ চাব যিজনীয়ে ঈশ্বৰলৈ ভয় ভক্তি ৰাখে। যিজনীয়ে ঈশ্বৰলৈ ভয় ৰাখিয়েই জীৱন কটাবলৈ সিধান্ত লৈছে। তাৰ পাছতহে যি চায় চাব। আপুনি যদি গুণৱতী আৰু সুন্দৰী দুয়োটা সম্পত্তি কোনোবা এজনীকেই প্ৰভুৰ দয়াত পাইছে বা পালে তেতিয়াটো আৰু সোনতেই সুৱগা, গাখীৰতেই মহৰখুটি। যিহোৱালৈ ভয় ৰখা তিৰোতা প্ৰশংসনীয় এইয়াটো অতি প্ৰয়োজনীয় সত্যতা।

হিতোপদেশ ৩১:৩১পদ, "তোমালোকে তেওঁৰ হাতৰ ফল অনুসাৰে তেওঁৰ স্তুতি কৰা; আৰু নগৰৰ দুৱাৰবোৰত তেওঁৰ কৰ্ম্মই তেওঁৰ প্ৰশংসা কৰক।" প্ৰিয় শ্ৰোতা আমাৰ বিশ্বাস, নিশ্চয় আপোনালোকে আজিৰ অধ্যয়নৰ লগতে গোটেই হিতোপদেশ পুস্তকৰ অধ্যয়ন দ্বাৰা আত্মিক জ্ঞান লাভ কৰিবলৈ সমৰ্থ হৈছে। যদিহে কিবা বিশেষ কথা বা কিবা বিশেষ আৰ্শীবাদ এই অধ্যয়নৰ যোগেদি লাভ কৰিছে, তেনেহলে আমাক জনাই যেন। আমাৰ পৰৱৰ্তী অনুষ্ঠানত লগ পোৱাৰ আশাৰে আজিলৈ বিদায় মাগিছো। ঈশ্বৰ আপোনাৰ সহায় হওঁক আমেন।

<u>পাঠৰ ওপৰত আধাৰিত প্ৰশ্ন:</u>

১) হিতোপদেশ ৩১:১০-৩১ কাৰ বিষয়ে লিখা হৈছে?

২) হিতোপদেশৰ নীতিবচনৰ মতে কেনে ধৰণৰ তিৰোতা প্ৰশংসনীয়?

৩) লমূৱেল ৰজাৰ মাতৃয়ে কাৰ প্ৰতি সহানুভূতিশীল আছিল?

৪) হিতোপদেশ পুস্তকত সৰ্ব্বমুঠ কেইটা অধ্যায় আছে?

৫) কোনজন ৰজাৰ নামৰ অৰ্থ হৈছে "প্ৰভুলৈ উৎসৰ্গিত"?

WORD RESOUNDS TODAY



www.Radio882.com